# স্মৃতিগ্ৰন্থ

## দুলীয়াজান মহাবিদ্যালয় ৰূপালী জয়ন্তী

১০, ১১, ১২, ১৩ ফেব্ৰুৱাৰী, ১৯৯৪




সম্পাদনা সমিতি—

সম্পাদক : শ্ৰীঅমিয় খনিকৰ

: শ্ৰীহিতেশ বৰদলৈ

উপদেষ্টা : অধ্যক্ষ শ্ৰীপূৰ্ণ কান্ত হাজৰিকা

সদস্যা : সৰ্বশ্ৰী প্ৰকাশজ্যোতি বৰঠাকুৰ। সুৰেন গগৈ। টপেশ সোনোৱাল। আইচেনা বুঢ়াগোহাঁই। অজিত বৰগোহাঞি। মনোজ কুমাৰ দত্ত। দিপান্ত গগৈ। আদিত্য গোস্বামী।

বেটুপাত : শ্ৰীবিকল্প গগৈ।

অলংকৰণ : দিপান্ত গগৈ। বিকল্প গগৈ। দীপ শইকীয়া।

প্ৰকাশক : ছুলীয়াজান মহাবিদ্যালয় ৰূপালী জয়ন্তী 'স্মৃতিগ্ৰন্থ' সম্পাদনা সমিতি।

মুদ্ৰক : ত্ৰিশূল এণ্টাৰপ্ৰাইজ, ছুলীয়াজান।



## । উছৰ্গা ।

যি সকল মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম,
আশাসুধীয়া প্ৰচেষ্টা আৰু অপৰিসীম ত্যাগৰ
ফলশ্ৰুতিত দুলীয়াজান মহাবিদ্যালয়ে
প্ৰতিষ্ঠা আৰু অগ্ৰগতি লাভ কৰি ৰূপালী
জয়ন্তী উৎসৱ পালন কৰিবলৈ লৈছে, অথচ
ৰূপালী উৎসৱৰ ভাগ ল'বলৈ আমাৰ মাজত
নাই, সেই সকল ব্যক্তিৰ পবিত্ৰ স্মৃতিত ।



## । উছৰ্গা ।

যি সকল মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম,
আশাসুধীয়া প্ৰচেষ্টা আৰু অপৰিসীম ত্যাগৰ
ফলশ্ৰুতিত দুলীয়াজান মহাবিদ্যালয়ে
প্ৰতিষ্ঠা আৰু অগ্ৰগতি লাভ কৰি ৰূপালী
জয়ন্তী উৎসৱ পালন কৰিবলৈ লৈছে, অথচ
ৰূপালী উৎসৱৰ ভাগ ল'বলৈ আমাৰ মাজত
নাই, সেই সকল ব্যক্তিৰ পবিত্ৰ স্মৃতিত ।

## কৃতজ্ঞতা জ্ঞাপন ঃ

* 'স্মৃতিগ্ৰন্থ' প্ৰকাশৰ ক্ষেত্ৰত অৰিহনা যোগোৱা প্ৰতিগৰাকী লেখক লেখিকাৰ প্ৰতি ।
* সমূহ বিজ্ঞাপন দাতালৈ
* বেটুপাত আঁকোতা প্ৰাক্তন ছাত্ৰ শ্ৰীবিকল্প গগৈলৈ
* ত্ৰিশূল এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্ম্মীবৃন্দলৈ
* প্ৰত্যক্ষ বা পৰোক্ষভাৱে মঙ্গল কামনা কৰা প্ৰতিজন শুভাকাংক্ষীলৈ

আমাৰ হিয়াভৰা কৃতজ্ঞতা জনাইছো ।

— সম্পাদক



GOVERNOR
Assam
RAJ BHAVAN
Guwahati

# MESSAGE

I am glad to learn that the Silver Jubilee Celebration of Duliajan College, Duliajan is being celebrated during the month of February, 1994 and the organisers are bringing out a souvenir to mark this important occasion.

I congratulate all the teachers and students on the significant occasion and wish the institution a bright future.

Sd/- Loknath Misra

# Good Wishes from K. B. Kanuga.



K. B. KANUGA
A-2, Mayfair Gardens
Hauz Khas Enclave
New Delhi-110016
Phone : 660147

Dear Shri Gogoi,

I thank you for your letter dated 10th January, 1994.

2. I am indeed very happy to note that the Duliajan College has successfully completed 25 years and that you are planning to celebrate the Silver Jubilee of the College from 10th February to 13th February, 1994.

3. Silver Jubilee is a very important event for it reminds the people of trials and tribulations of the past 25 years and how they have overcome these, and encourages them to make plans for the next 25 years so that when the time comes for celebrating the Golden Jubilee one can recall the achievements during those 50 years.

4. It is very kind of the Committee to think of me as the Chief Guest for the occasion for whatever little I had done in giving a start to the Duliajan College, and much as I would like to be with all of you on this very happy occasion, I am afraid, due to my other local commitments, this will not be possible. However, I can assure you that though not physically present, my very best wishes will be with all of you for the success of the Celebrations.

5. If you are planning to bring out a souvenir on the occasion, as is the normal practice, please send me a copy.

Thank you once again for remembering me on this very happy occasion,

Yours sincerely,
Sd/- K.B. Kanuga

# সম্পাদনা সমিতি



শ্ৰীপ্ৰকাশজ্যোতি বৰঠাকুৰ
( সদস্য )



অমিয় খনিকৰ
( সম্পাদক )



শ্ৰীআদিত্য গোস্বামী
( সদস্য )



শ্ৰীসুৰেণ গগৈ
( সদস্য )



অধ্যক্ষ, শ্ৰীপূৰ্ণকান্ত হাজৰিকা
( উপদেষ্টা )



শ্ৰীটপেশ সোনোৱাল
( সদস্য )



শ্ৰীঅজিত বুঢ়াগোহাঁই
( সদস্য )



শ্ৰীদিপান্ত গগৈ
( সদস্য )



শ্ৰীমনোজ কুমাৰ দত্ত
( সদস্য )



শ্ৰীমতী আইচেনা বুঢ়াগোহাঁই
( সদস্যা )

# সম্পাদনা সমিতি



শ্ৰীপ্ৰকাশজ্যোতি বৰঠাকুৰ
( সদস্য )



অমিয় খনিকৰ
( সম্পাদক )



শ্ৰীআদিত্য গোস্বামী
( সদস্য )



শ্ৰীসুৰেণ গগৈ
( সদস্য )



অধ্যক্ষ, শ্ৰীপূৰ্ণকান্ত হাজৰিকা
( উপদেষ্টা )



শ্ৰীটপেশ সোনোৱাল
( সদস্য )



শ্ৰীঅজিত বুঢ়াগোহাঁই
( সদস্য )



শ্ৰীদিপান্ত গগৈ
( সদস্য )



শ্ৰীমনোজ কুমাৰ দত্ত
( সদস্য )



শ্ৰীমতী আইচেনা বুঢ়াগোহাঁই
( সদস্যা )

# সম্পাদনা সমিতি



শ্ৰীপ্ৰকাশজ্যোতি বৰঠাকুৰ
( সদস্য )



অমিয় খনিকৰ
( সম্পাদক )



শ্ৰীআদিত্য গোস্বামী
( সদস্য )



শ্ৰীসুৰেণ গগৈ
( সদস্য )



অধ্যক্ষ, শ্ৰীপূৰ্ণকান্ত হাজৰিকা
( উপদেষ্টা )



শ্ৰীটপেশ সোনোৱাল
( সদস্য )



শ্ৰীঅজিত বুঢ়াগোহাঁই
( সদস্য )



শ্ৰীদিপান্ত গগৈ
( সদস্য )



শ্ৰীমনোজ কুমাৰ দত্ত
( সদস্য )



শ্ৰীমতী আইচেনা বুঢ়াগোহাঁই
( সদস্যা )

# সম্পাদনা সমিতি



শ্ৰীপ্ৰকাশজ্যোতি বৰঠাকুৰ
( সদস্য )



অমিয় খনিকৰ
( সম্পাদক )



শ্ৰীআদিত্য গোস্বামী
( সদস্য )



শ্ৰীসুৰেণ গগৈ
( সদস্য )



অধ্যক্ষ, শ্ৰীপূৰ্ণকান্ত হাজৰিকা
( উপদেষ্টা )



শ্ৰীটপেশ সোনোৱাল
( সদস্য )



শ্ৰীঅজিত বুঢ়াগোহাঁই
( সদস্য )



শ্ৰীদিপান্ত গগৈ
( সদস্য )



শ্ৰীমনোজ কুমাৰ দত্ত
( সদস্য )



শ্ৰীমতী আইচেনা বুঢ়াগোহাঁই
( সদস্যা )

# সম্পাদকীয়—

*'Tis not too late to seek a newer world'*
*'Ulysses' Tennyson.*

আমাৰ মহাবিদ্যালয়ৰ— দুলীয়াজান মহাবিদ্যালয়ৰ ইতিহাস ঐকান্তিক প্ৰচেষ্টাৰ ইতিহাস। ত্যাগৰ ইতিহাস। জ্ঞানৰ শেৱালী সুবাস বিলোৱাৰ ইতিহাস।

জন্মলগ্নৰ দিনকেইটাত অনেক-অলেখ মহানুভৱ ব্যক্তিৰ গঠনমূলক প্ৰচেষ্টা, শ্ৰম আৰু একাগ্ৰতা, দুলীয়াজান অইল হায়াৰ চেকেণ্ডাৰী স্কুলত অস্থায়ীভাৱে মহাবিদ্যালয়ৰ শ্ৰেণী সমূহ চলা সময়ছোৱাত সেই স্কুলৰ শিক্ষক শিক্ষয়িত্ৰীৰ বিনামূলীয়া পাঠদান, হাবি ভাঙি বাহ-খেৰেৰে বৰ্ত্তমানৰ মহাবিদ্যালয়ৰ চৌহদত গৃহ নিৰ্মাণত ৰাইজৰ সমূহীয়া শ্ৰমদান, মহাবিদ্যালয়ৰ চালুকিয়া অৱস্থাত সামান্য বেতনতে শিক্ষকতা কৰা শিক্ষকসকলৰ অসীম ধৈৰ্য্য আৰু একাগ্ৰতা, অইল ইণ্ডিয়া আৰু অসম গেছ কোম্পানীৰ আৰ্থিক সহায় আৰু সহযোগ, প্ৰাণোচ্ছল ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগ্ৰহণৰ প্ৰতি আগ্ৰহ আৰু কৃতকাৰ্য্যতা আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কৰ্ত্তব্য নিষ্ঠাৰ উমাল পৰশত জীপলৈ উঠা দুলীয়াজান মহাবিদ্যালয় প্ৰগতিৰ প্ৰতীক।

অতীতৰ বুকুয়েদি বগাই আহে বৰ্ত্তমান; বৰ্ত্তমানৰ বুকুতে লুকাই থাকে ভৱিষ্যতৰ বীজ। আমাৰ মহাবিদ্যালয়ৰ অতীত, যাৰ প্ৰতিটো ঘটনা সাধুকথাৰ সকলো ৰমনীয়তাৰে সমৃদ্ধ এতিয়া, মহাবিদ্যালয়ৰ লগত জন্ম লগ্নৰে পৰা জড়িত ব্যক্তি সকলৰ বাবে এক nostalgic স্পৃহা— মহাবিদ্যালয়ৰ লগত নতুনকৈ জড়িত হৈ পৰা সকলৰ বাবে— এই অনুষ্ঠানটিৰ বিষয়ে জানিব বিচৰা সকলৰ বাবে অনুপ্ৰেৰণা; মন-প্ৰাণ দোলা দি যোৱা এক বিস্ময়কৰ উপলব্ধি। বৰ্ত্তমানৰ ছবিখন স্পষ্ট। তাহানিৰ খেৰী ঘৰকেইটাৰ ঠাইত এতিয়া পকীঘৰ—ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িল। শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যাও বাঢ়িল। কিন্তু অপ্ৰিয় হলেও কবই লাগিব যে আমাৰ মহাবিদ্যালয়ৰ কায়িক পৰিবৰ্দ্ধনৰ অনুপাতে ইয়াৰ বৌদ্ধিক আৰু শৈক্ষিক প্ৰসাৰ সিমান উৎসাহজনক নহয়। যি হ'ব লাগিছিল সি হৈ উঠা নাই— আমি কৰিব পৰা নাই।

কিন্তু নতুন সংকল্পৰে, নতুন উদ্যমেৰে বৰ্ত্তমানৰ দোষ-ত্ৰুটি সমূহ আঁতৰাই এক সুন্দৰ ভৱিষ্যতৰ ভেটি স্থাপন কৰাত সময় বা সুযোগ এতিয়াও শেষ হৈ যোৱা নাই। আমাৰ কাৰ্য্যপন্থাৰ, দৃষ্টিভঙ্গীৰ বিশ্লেষণ, পৰিমাৰ্জন আৰু পৰিবৰ্ত্তন কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্ত্তৃপক্ষ-আমি সকলোৱে। শিক্ষাদানৰ প্ৰতি শিক্ষক-শিক্ষয়িত্ৰী-সকলৰ সতেজ নিষ্ঠা আৰু শিক্ষা গ্ৰহণৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ আকুল আগ্ৰহৰ যুগলবন্দীৰে আৰম্ভ কৰিব পাৰি ভৱিষ্যতৰ পথ-পৰিক্ৰমাৰ দৃঢ় প্ৰস্তুতি। মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষৰ দায়িত্ব হ'ব অনেক। নতুন নতুন পাঠ্যক্ৰমৰ প্ৰবৰ্ত্তনেৰে যেনেকৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ প্ৰতি আগ্ৰহ আৰু আকৰ্ষণ বঢ়াব লাগিব, তেনেকৈয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, সাংস্কৃতিক আৰু সৃষ্টি প্ৰতিভাৰ বিকাশ আৰু প্ৰকাশৰ প্ৰয়োজনীয় সকলো সা-সুবিধাৰ ব্যৱস্থা কৰিব লাগিব। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ পৰামৰ্শ আৰু সহযোগ হ'ব এই পৰিকল্পনাৰ চালিকাশক্তি। সহায় লাগিব অইল ইণ্ডিয়াৰ, অসম গেছ কোম্পানীৰ। সহায় লাগিব ৰাইজৰো। গঠনমূলক সমালোচনী, দিহা-পৰামৰ্শৰে কৰ্ত্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ, ছাত্ৰ-ছাত্ৰীৰ, দোষ ত্ৰুটী আঙুলীয়াই দিব লাগিব ৰাইজেই।

আগত দিনবিলাক দুলীয়াজান মহাবিদ্যালয়ৰ সমৃদ্ধি আৰু প্ৰগতিৰ আশাৰে—

অমিয় খনিকৰ
হিতেশ বৰদলৈ } সম্পাদক



অধ্যক্ষ, শ্ৰীপূৰ্ণকান্ত হাজৰিকা



শ্ৰীসুৰেণ গগৈ ( সাধাৰণ সম্পাদক )
ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি।



শ্ৰীনকুল বৰুৱা ( সভাপতি )
ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি



Late Cheni Ram Dutta
First President of the Executive Committee & Recipient of Tamrapotra



Late Devendra Nath Acharjee



Mr. K. B. Kanuga



Mr. K. C. Roy

[ Towards the establishment and development of Duliajan College a great many benevolent souls rendered Himalayan contributions. Late Cheni Ram Dutta, Late Devendra Nath Acharjee, Mr. K. B. Kanuga, Mr. K. C. Roy are some of the great contributors. We apologise for our inability to imprint the photographs of many others who deserve this honour ] - Editor, 'Souvenir'.

জ্ঞান-সাগৰৰ মণি মুকুতা



## সূচীপত্ৰ ঃ


* তুলীয়াজান কলেজৰ চমু বুৰঞ্জী ঃ পূৰ্ণকান্ত হাজৰিকা, অধ্যক্ষ
তুলীয়াজান মহাবিদ্যালয়

* আমাৰ মহাবিদ্যালয়ৰ
পুথিভঁৰাল ঃ শিব বৰগোহাঁই
গ্ৰন্থাগাৰিক

* মই যিদৰে জানিব পাৰিছো ঃ দীপজ্যোতি শইকীয়া
অধ্যাপক,
উদ্ভিদ বিজ্ঞান বিভাগ

* কেনেকৈ পাৰ হ'ল
অতীতৰ দিনবোৰ ঃ বীৰেণ চুতীয়া
উপাধ্যক্ষ,
তুলীয়াজান মহাবিদ্যালয়

* তুলীয়াজান মহাবিদ্যালয় আৰু
কেইটিমান প্ৰাসঙ্গিক কথা ঃ তীৰ্থ হাজৰিকা, তুলীয়াজান

* তুলীয়াজান মহাবিদ্যালয়ৰ
সঙ্গীত প্ৰতিযোগিতা—
এটি পৰ্য্যালোচনা ঃ লুইত দাস
অসম গেচ কোম্পানী


*সাগৰ তীৰ্থৰ এই ৰূপালী পাৰত*
*তোমালৈ সজালোঁ শৰাই*
*আছে বুলি ইয়াতেই মণি মুকুতা*
*আনিছোঁ আজলি ভৰাই ॥*

# দুলীয়াজান কলেজৰ চমু বুৰঞ্জী

—*পূর্ণকান্ত হাজৰিকা*, অধ্যক্ষ

১৯৬৮ চন। এই বছৰটো দুলীয়াজানবাসী ৰাইজৰ বাবে এটি চিৰস্মৰণীয় বছৰ। যিহেতু কেইজনমান ব্যক্তিৰ চিন্তা-চর্চ্চাৰ যোগেদি এই মহাবিদ্যালয়ৰ জন্মৰ বাবে প্রস্তুতি চলাই ১৯৬৯ চনৰ ১ আগষ্টৰ পৰা কলেজ-খনৰ শুভাৰম্ভ কৰা হয়।

উক্ত বছৰৰে আগষ্ট মাহৰ এটি পুৱাত তিনিজন যুৱক— শ্রীবীৰেন চুতীয়া, শ্রীতীর্থ হাজৰিকা আৰু শ্রীগহীন চুতীয়া, বর্ত্তমান অধ্যক্ষ হৈ থকা শ্রীপূর্ণকান্ত হাজৰিকাৰ ঘৰলৈ আহে। কাৰণ, শ্রীহাজৰিকা সেই সময়ত দুলীয়াজান আঞ্চলিক যুৱক সংঘৰ সভাপতি আছিল। আন আন বিষয়ৰ লগতে দুলীয়াজান অঞ্চলত এখন কলেজ পতাৰ সম্ভাৱনাৰ বিষয়ে আলোচনা কৰা হয়। সেয়েহে, সেই যুৱক সংঘৰ গুৰিয়ালসকলে অনুভৱ কৰিলে যে, টেঙাখাট, নাহৰকটীয়া আদি ঠাইত যিহেতু একোখনকৈ কলেজ গঢ়ি উঠিছে, সেইবাবে দুলীয়াজানৰ নিচিনা দুটাকৈ উদ্যোগ থকা এখন ঠাইত এখন কলেজ হোৱাৰ সম্পূর্ণ সম্ভাৱনা দেখি এখন কলেজ পতাৰ মত পোষণ কৰে। ইয়াৰেই ফলশ্রুতি হিচাবে ১১-৮-৬৮ তাৰিখে চলাকটকী প্রাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা আহ্বান কৰে। সেই সভাত সভাপতিত্ব কৰে চেনীৰাম দত্তই। তেখেত আছিল স্বাধীনতা যুঁজাৰু, তাম্রপত্রৰ গৰাকী, এগৰাকী প্রকৃত সমাজ কর্ম্মী। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শ্রীবীৰেন চুতীয়া, বর্ত্তমান কলেজৰ উপাধ্যক্ষ আৰু বর্ত্তমান অধ্যক্ষ শ্রীপূর্ণকান্ত হাজৰিকাই দুলীয়াজানত থকা দুটা বৃহৎ উদ্যোগ আৰু আশে-পাশে থকা চাহ বাগিছাবোৰক লৈ এখন কলেজ গঢ়ি উঠাৰ সম্পূর্ণ সম্ভাৱনা আছে বুলি দৃঢ়তাৰে কয়। তাৰোপৰি, বিশ্ববিদ্যালয়ে বিচৰা অনুসৰি দুলীয়াজানৰ আশে-পাশে কমেও বাৰখন উচ্চ মাধ্যমিক স্কুল গঢ়ি উঠাত কলেজ এখন হোৱাৰ যুক্তিযুক্ততা আছে বুলি তেখেতে কয়। সভাত সর্ব্বশ্রী লক্ষী গগৈ, গুণকান্ত চুতীয়া, গহীন চুতীয়া, মোহনলাল গগৈ, হেমকান্ত বৰদলৈ, ৰাজেশ্বৰ হাজৰিকা আদি বক্তাই কলেজ পতাৰ পৰামর্শ দিয়ে। এই সভাত মুঠতে তিনিটা প্রস্তাৱ গ্রহণ কৰা হয়।

প্রথম প্রস্তাৱৰ যোগেদি চেনীৰাম দত্তক সভাপতি, বসন্ত গগৈক উপ-সভাপতি, পূর্ণকান্ত হাজৰিকা আৰু বীৰেন চুতীয়াক যুটীয়া সম্পাদক আৰু শ্রীতীর্থ হাজৰিকাক সহকাৰী সম্পাদক হিচাবে লৈ এখন কার্য্যকৰী কমিটি গঠন কৰা হয়। সেই কার্য্যকৰী কমিটিত তলৰ সদস্য সকলক লোৱা হয়।

| | | |
|---|---|---|
| ১) | চেনীৰাম দত্ত | — সভাপতি |
| ২) | বসন্ত গগৈ | — উপ-সভাপতি |
| ৩) | ভৰত বৰুৱা | — সদস্য |
| ৪) | পূর্ণ কান্ত হাজৰিকা | — যুটীয়া সম্পাদক |
| ৫) | বীৰেন চুতীয়া | — „ „ |
| ৬) | ৰাজেশ্বৰ হাজৰিকা | — সদস্য |
| ৭) | গদাধৰ বৰঠাকুৰ | — „ |
| ৮) | প্রফুল্ল গগৈ | — „ |
| ৯) | হেৰম্ব ৰাজবংশী | — „ |
| ১০) | তৈলেন গগৈ | — „ |
| ১১) | দুতিৰাম গগৈ | — „ |
| ১২) | যজ্ঞেশ্বৰ বৰা | — „ |
| ১৩) | গহীন চুতীয়া | — „ |
| ১৪) | তীর্থ হাজৰিকা | — সহকাৰী সম্পাদক |
| ১৫) | দেবা কোঁৱৰ | — সদস্য |
| ১৬) | লক্ষী গগৈ | — „ |
| ১৭) | মোহনলাল গগৈ | — „ |
| ১৮) | বৈদ্যনাথ গগৈ | — „ |
| ১৯) | হেমকান্ত বৰদলৈ | — „ |
| ২০) | গোলাপ গগৈ | — „ |
| ২১) | গুণাৰাম হাজৰিকা | — „ |
| ২২) | হেম কোঁৱৰ | — „ |
| ২৩) | শিৱ কোঁৱৰ | — „ |

২৪) গুণকান্ত চুতীয়া — সদস্য
২৫) সৰ্ব্বানন্দ তামুলী — ”
২৬) তৰুণ কোঁৱৰ — ”
২৭) ৰামেশ্বৰ গগৈ — ”
২৮) ক্ষীৰোদ শইকীয়া — ”
২৯) প্ৰদীপ দত্ত — ”
৩০) কালীপ্ৰসাদ বৰঠাকুৰ — ”
৩১) গৌলোক চন্দ্ৰ বৰুৱা — ”
৩২) নীলকান্ত গগৈ — ”
৩৩) আনন্দ দত্ত — ”
৩৪) বাঞ্চা শইকীয়া — ”
৩৫) খেৰেমীয়া গাওঁ পঞ্চায়তৰ সভাপতি — সদস্য।

দ্বিতীয় প্ৰস্তাৱৰ যোগে চলাকটকী চৰণীয়া পথাৰৰ পৰা ১০০ বিঘা মাটি কলেজৰ বাবে লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই ক্ষেত্ৰত চলাকটকী ৰাইজক অনুৰোধ কৰে আৰু চৰকাৰে যাতে এই মাটি কলেজলৈ হস্তান্তৰ কৰে তাৰ বাবে চৰকাৰক অনুৰোধ জনাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

তৃতীয় প্ৰস্তাৱৰ যোগে সেই সময়ৰ টিপলিংঘাট হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীভৰত বৰুৱাক আহ্বায়ক হিচাবে লৈ এখন পুঁজি সংগ্ৰহ কমিটি গঠন কৰা হয়। যিহেতু, বিশ্ববিদ্যালয়ে মাটি, পুঁজি আৰু আশে-পাশে থকা হাইস্কুলৰ সংখ্যাৰ ওপৰত জোৰ দিয়ে সেয়েহে পুঁজি সংগ্ৰহটো খুব আৱশ্যক হৈ পৰিছিল।

যিহেতু, আশে-পাশে থকা সকলো ৰাইজৰে সহযোগৰ আৱশ্যকতা হৈছিল আৰু কাষতে থকা উদ্যোগপতি সকলৰো মতামতৰ আৱশ্যকতা হৈছিল। সেই কাৰণে গোটেই অঞ্চলটোৰ ৰাইজক লৈ এখন প্ৰস্তুতি কমিটি গঠন কৰিবৰ কাৰণে সিদ্ধান্ত কৰি ২৫-৮-৬৮ তাৰিখে এখন কাৰ্য্যকৰী কমিটিৰ সভা বহে। সেই সভাতে প্ৰস্তুতি কমিটি গঠনৰ কাৰণে এখন আহ্বায়ক সমিতি গঠন কৰা হয়। তলত সদস্য সকলৰ নাম দিয়া হৈছে—

১) তীৰ্থ হাজৰিকা
২) প্ৰদীপ দত্ত
৩) নীল গগৈ
৪) অতুল হাজৰিকা
৫) পূৰ্ণকান্ত হাজৰিকা
৬) লক্ষী গগৈ
৭) হেৰম্ব ৰাজবংশী

কথামতেই কাম। সেই সময়ৰ অইল ইণ্ডিয়াৰ আৱাসিক সঞ্চালক (Resident Director) শ্ৰীকে, বি, কানুগোৰ সভাপতিত্বত ঐতিহাসিক সাধাৰণ সভা অনুষ্ঠিত হয়। এই সভা টিপলিংঘাট হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত ভৰত বৰুৱাৰ সহযোগত টিপলিংঘাট হাইস্কুলতেই পতা হয়। সভাত আশে-পাশে থকা গাঁৱৰ ৰাইজৰ উপৰিও স্থানীয় বিধান সভাৰ সদস্য শ্ৰীভদ্ৰকান্ত গগৈ, তিনিচুকীয়াৰ শ্ৰীৰাধাকিষাণ খেমকা আৰু ব্যৱসায়ী শ্ৰীদুৰ্গা দত্ত লোহিয়াকে ধৰি কেইবাগৰাকীও নেতৃস্থানীয় ব্যক্তি উপস্থিত থাকে। সেই ব্যক্তি সকলেও ডুলীয়াজানত এখন কলেজ হোৱাৰ পোষকতা কৰে। সেই সকলৰ উপৰিও সৰ্ব্বশ্ৰী ক্ষীৰোদ শইকীয়া, নীৰন গগৈ, গহীন চুতীয়া, চেনীৰাম দত্ত আদিয়েও কলেজখন পতাৰ বিষয়ে বিৱৰি কয়। সভাপতিৰ আসনৰ পৰা অইল ইণ্ডিয়াৰ আৱাসিক সঞ্চালক (Resident Director) শ্ৰীকানুগোদেৱে ডুলীয়াজানত এখন কলেজ হোৱাৰ আৱশ্যকতা আছে বুলি কয়। তেখেতে অইল ইণ্ডিয়াৰ হৈ যিখিনি সহায় সহযোগ কৰিব লাগে সকলো কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। এই সভাত মুঠতে (৫) পাঁচটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

প্ৰথম প্ৰস্তাৱৰ যোগে, কলা, বিজ্ঞান আৰু বাণিজ্য (Arts, Science & Commerce) এই তিনিটা বিভাগক লৈ ১৯৬৯ চনৰ শিক্ষাবৰ্ষৰ পৰাই এখন পূৰ্ণাঙ্গ কলেজ কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

দ্বিতীয় প্ৰস্তাৱৰ যোগে কলেজখন পাতিবৰ বাবে দুই (২) লাখ ৫৮ হেজাৰ টকাৰ পুঁজি সংগ্ৰহ কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

তৃতীয় প্ৰস্তাৱৰ যোগে, চলাকটকী চৰণীয়া পথাৰৰ পৰা এশ (১০০) বিঘা মাটি দিবলৈ চলাকটকী ৰাইজ তথা চৰকাৰক অনুৰোধ জনোৱা হয়।

চতুৰ্থ প্ৰস্তাৱৰ যোগে, সকলো সদস্যৰ পৰা এশ (১০০) টকাকৈ পুঁজি সংগ্ৰহ কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

পঞ্চম প্ৰস্তাৱৰ যোগে, অইল ইণ্ডিয়াৰ আৱাসিক সঞ্চালক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য শ্ৰীকে, বি কানুগাদেৱক সভাপতি আৰু শ্ৰীপবিত্ৰ কুমাৰ চৌধুৰী আৰু চেনীৰাম দত্তক উপ-সভাপতি হিচাবে লৈ তলত দিয়াৰ দৰে এখন প্ৰস্তুতি কমিটি গঠন কৰা হয়।

১) ভদ্ৰকান্ত গগৈ, বিধায়ক, মুখ্য উপদেষ্টা
২) কে, বি, কানুগা, আৱাসিক সঞ্চালক, অইল ইণ্ডিয়া সভাপতি
৩) চেনীৰাম দত্ত উপ-সভাপতি
৪) পবিত্ৰ কুমাৰ চৌধুৰী, প্ৰশাসনিক মেনেজাৰ অইল ইণ্ডিয়া, উপ-সভাপতি
৫) পূৰ্ণকান্ত হাজৰিকা যুটীয়া সম্পাদক
৬) বীৰেন চুতীয়া „
৭) বসন্ত গগৈ সদস্য
৮) নীল গগৈ — „
৯) ক্ষীৰোদ শইকীয়া — „
১০) গহীন চুতীয়া — „
১১) তীৰ্থ হাজৰিকা — „
১২) গোলাপ গগৈ — „
১৩) লক্ষী গগৈ — „
১৪) বৈদ্য গগৈ — „
১৫) হেম কোঁৱৰ — „
১৬) তিলক গগৈ — „
১৭) মোহনলাল গগৈ — „
১৮) তৰুণ কোঁৱৰ — „
১৯) লক্ষীনাৰায়ণ ৰাজকোঁৱৰ — „
২০) শিৱ কোঁৱৰ — „
২১) গুণাৰাম হাজৰিকা — „
২২) লক্ষীনাথ শইকীয়া — „
২৩) প্ৰদীপ দত্ত — „
২৪) যোগেশ শইকীয়া — „
২৫) খগেন তামুলী — „
২৬) ভবেন গগৈ — „
২৭) লীলা বৰশইকীয়া — „
২৮) অমূল্য সোনোৱাল — „
২৯) দূৰ্গা খাখলাৰী —সদস্য
৩০) ভীমকান্ত গোঁহাই — „
৩১) ফণী দাস — „
৩২) লক্ষী তামুলী — „
৩৩) বীৰেন দত্ত — „
৩৪) লম্বেশ্বৰ শইকীয়া — „
৩৫) দূৰ্গা বৰুৱা — „
৩৬) চেনীৰাম বৰা — „
৩৭) আনন্দ দত্ত — „
৩৮) জগত বৰুৱা — „
৩৯) তৰুণ হাজৰিকা — „
৪০) সত্যেন হাজৰিকা — „
৪১) বসন্ত তামুলী
৪২) বীৰেণ চাংমাই — „
৪৩) গোপী তামুলী — „
৪৪) টঙ্কেশ্বৰ হাজৰিকা — „
৪৫) ৰাধাকিষণ খেমকা — „ (ভুতপূৰ্ব্ব বিধায়ক)
৪৬) মাণিক দাস — „ (বিধায়ক)
৪৭) দূৰ্গাদত্ত লোহিয়া — „
৪৮) এম, পি, এবেল — „ (এফ,চি, অইল ইণ্ডিয়া)
৪৯) কে, চি, ৰয় — „
৫০) পি, কে, পদ্মপতি — „
৫১) প্ৰণবানন্দ ভৰালী — „
৫২) পি, ভি, কাটাৰীয়া — „
৫৩) এম, এম, দত্ত — „ (এল,এচ, অইল ইণ্ডিয়া)
৫৪) যতীন শইকীয়া — „
৫৫) এ, এন, ডব্লিও, চোলতান — „
৫৬) ডি, এন, ভট্টাচাৰ্য্য — „
৫৭) সুৰজিত চলিহা — „
৫৮) এ, চি, শৰ্মা — „
৫৯) কে, এৰ, পাল — „
৬০) ডি, ডি, মেধি — „
৬১) এইচ, ইভ, আহমেদ — „
৬২) ধৰ্মেশ্বৰ দত্ত — „ (অইল ইণ্ডিয়া)
৬৩) চিকিৎসা বিষয়া — „ (অইল ইণ্ডিয়া)
৬৪) চিকিৎসা বিষয়া — „ (কছাৰীপথাৰ স্বাস্থ্যকেন্দ্ৰ)

৬৫) চিকিৎসা বিষয়া সদস্য (বকুলনী স্বাস্থ্য কেন্দ্ৰ)
৬৬) হেড্ মাষ্টৰ, কঠালগুৰি হাইস্কুল সদস্য
৬৭) হেড্ মাষ্টৰ, টিপলিংঘাট হাইস্কুল ”
৬৮) হেড্ মাষ্টৰ, নেতাজী বিদ্যামন্দিৰ ”
৬৯) হেড্ মাষ্টৰ, বৰডুবি হাইস্কুল ”
৭০) হেড্ মাষ্টৰ, গোপীনাথ বৰদলৈ হাইস্কুল ”
৭১) হেড্ মাষ্টৰ, নাওহলীয়া হিন্দী হাইস্কুল ”
৭২) হেড্ মাষ্টৰ, ভাদৈ হাইস্কুল ”
৭৩) হেড্ মাষ্টৰ, উষাপুৰ হাইস্কুল ”
৭৪) হেড্ মাষ্টৰ, লালবাহাদুৰ শাস্ত্ৰী হাইস্কুল ”
৭৫) হেড্ মাষ্টৰ, দুলীয়াজান ৰাষ্ট্ৰভাষা হাইস্কুল ”
৭৬) অধ্যক্ষ, অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ”
৭৭) সভাপতি, টেঙাখাট আঞ্চলিক পঞ্চায়ত ”
৭৮) বি, ডি, অ', টেঙাখাট ব্লক্ ”
৭৯) সাগৰমল সুৰেখা ”
৮০) পি, চি, গড্চেল ”
৮১) পূৰ্ণ বৰদলৈ ”
৮২) গিৰিশ চন্দ্ৰ হাজৰিকা ”
৮৩) প্ৰেম সোনোৱাল ”
৮৪) শিশুৰাম চুতীয়া ”
৮৫) হীৰা বৰা ”
৮৬) শ্ৰীকান্ত বৰুৱা ”
৮৭) সৰুমইনা ৰাজকোঁৱৰ ”
৮৮) যজ্ঞেশ্বৰ বৰা ”
৮৯) গনেশ বৰা ”
৯০) ৰূপেশ্বৰ হাজৰিকা ”
৯১) দত্তৰাম দাস ”
৯২) টঙ্কেশ্বৰ হাজৰিকা ”
৯৩) গোলোক চন্দ্ৰ বৰুৱা ”
৯৪) কালীপ্ৰসাদ বৰঠাকুৰ ”
৯৫) দেওৰাম দত্ত ”
৯৬) মনেশ্বৰ গগৈ ”
৯৭) হেম বৰা ”
৯৮) শশীধৰ বৰা ”
৯৯) ফণী ভৌমিক ”
১০০) ফণীধৰ গগৈ সদস্য
১০১) হেমকান্ত বৰদলৈ ”
১০২) বংশী শইকীয়া ”
১০৩) সুধীৰ মল্লিক ”
১০৪) সৰ্ব্বানন্দ তামুলী ”
১০৫) ৰোহিনী তামুলী ”
১০৬) ৰামেশ্বৰ তামুলী ”
১০৭) বসন্তৰাম তামুলী ”
১০৮) লক্ষী তামূলী ”
১০৯) বাঞ্চা শইকীয়া ”
১১০) বন বিষয়া, বৰডুবি ”
১১১) স্কুল উপ-পৰিদৰ্শক, টেঙাখাট চাৰ্কোল ”
১১২) স্কুল উপ পৰিদৰ্শক, নাহৰকটীয়া চাৰ্কোল ”
১১৩) প্ৰাথমিক স্কুলৰ সভাপতি, খেৰেমীয়া কেন্দ্ৰ ”
১১৪) প্ৰাথমিক স্কুলৰ সভাপতি, চিচিয়া বকুলনী ”
১১৫) সভাপতি, খেৰেমীয়া গাওঁ পঞ্চায়ত ”
১১৬) সভাপতি, টিপলিং ” ” ”
১১৭) সভাপতি, কঠালগুৰি ” ” ”
১১৮) সভাপতি, চিৰিংঘাট ” ” ”
১১৯) সভাপতি, নামফাকিয়াল ” ” ”
১২০) সভাপতি, নাওহলীয়া ” ” ”
১২১) সভাপতি, চিচিয়া বকুলনী ” ” ”
১২২) সভাপতি, ৰঙাগড়া ” ” ”
১২৩) সভাপতি, বৰডুবি ” ” ”
১২৪) সভাপতি, দুলীয়া ” ” ”
১২৫) সভাপতি, কছাৰীপথাৰ ” ” ”
১২৬) সভাপতি, উষাপুৰ ” ” ”
১২৭) সভাপতি, ভাদৈ ” ” ”
১২৮) সভাপতি, লাংকাছি ” ” ”
১২৯) এচ, ডি, চি, নাহৰকটীয়া চাৰ্কোল ”
১৩০) অ' চি, বৰডুবি পুলিচ থানা ”
১৩১) অ', চি, টিপলিং আৰক্ষী চকী ”
১৩২) আৱকাৰী বিষয়া, দুলীয়াজান ”
১৩৩) প্ৰবীণ বৰুৱা ”
১৩৪) যুগল কিশোৰ সিং ”
১৩৫) বি, চি দত্ত

১৩৬) অনল চলিহা

১৩৭) প্ৰফুল্ল সেন ,,

১৩৮) এম, এল, পাচাৰী ,,

১৩৯) লক্ষীচান্দ আগৰৱালা ,,

১৪০) কাৰ্য্যবাহী অভিযন্তা ই, এন, ডি ,,

১৪১) প্ৰজেক্ট অফিচাৰ, অসম গেছ কোম্পানী, ,,
দুলীয়াজান

১৪২) হৰেন ভূমিজ (ডিব্ৰুগড় বিশ্ববিদ্যালয়) ,,

১৪৩) সত্যেন সিং, (চাহ মজদুৰ সংঘ) ,,

১৪৪) তৰুণ বৰদলৈ ,,

১৪৫) চতুৰ্ভূজ থাপা ,,

১৪৬) লালবাহাদুৰ তামাং ,,

১৪৭) সৰুটি ভূঞা ,,

১৪৮) যদুনাথ শইকীয়া, পাভজান ,,

১৪৯) দুলাল ৰায় বৰুৱা ,,

১৫০) লক্ষেশ্বৰ ভূমিজ ,,

ইয়াৰ উপৰিও এখন পৰামৰ্শদাতা সমিতি সুকীয়াকৈ গঠন কৰি লোৱা হয়। সেই সকলৰ নাম তলত উল্লেখ কৰি দিয়া হ'ল—

১) সৰ্ব্বশ্ৰী ভদ্ৰকান্ত গগৈ, বিধায়ক মুখ্য উপদেষ্টা

২) ক্ষীৰোদ শইকীয়া উপদেষ্টা

৩) গহীন চুতীয়া ,,

৪) ৰাধাকিষণ খেমকা ,,

৫) মাণিক দাস, বিধায়ক ,,

৬) যদুনাথ ভূঞা ,,

৭) দুৰ্গাদত্ত লোহিয়া ,,

৮) পৰমা গগৈ, বিধায়ক ,,

**বিষয়ববীয়া সকল ঃ**

১) কে, বি, কানুগা সভাপতি

২) চেনীৰাম দত্ত, উপ-সভাপতি

৩) পবিত্ৰ কুমাৰ চৌধুৰী ,,

৪) পূৰ্ণকান্ত হাজৰিকা যুটীয়া সম্পাদক

৫) বীৰেন চুতীয়া ,,

৬) আৰ, আৰ, ভট্টাচাৰ্য্য, কোষাধ্যক্ষ
মেনেজাৰ, ইউ, বি, আই

ইয়াৰ পিছতে ২৮-১০-৬৮ তাৰিখে বহা সভাত আৰু কেইজনমান সদস্য লোৱা হয়। যেনে—

১) এম, এম, দত্ত (অইল ইণ্ডিয়া)

২) টি, জি, এলেন
চেয়াৰমেন, টিংৰাই চাৰ্কোল, (এ, বি, আই, টি, এ,)

৩) বুদ্ধ গগৈ

৪) আৰ, বি, দেব

৫) হীমেন আচাৰ্য্য

৬) পাৰিজাত ফুকন

এইদৰেই উপৰোক্ত লোকসকলকলৈ এখন শক্তিশালী কমিটি গঠন কৰি কলেজ পতাৰ যো-জা চলোৱা হয়। যিহেতু, কলেজখন কৰিবলৈ যাওঁতে বিভিন্ন সম্পদৰ আৱশ্যক হয়, সেই সকলোবিলাক আহৰণ কৰিবলৈ যাওঁতে যথেষ্ট তৎপৰতাৰে কাম কৰিবলগীয়া হয়। এখন কলেজ পাতিবৰ বাবে এডোখৰ মাটি, এটা শকত পুঁজি আৰু আশে-পাশে সেই কলেজখন গঢ়ি উঠিব পৰাকৈ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কিছুমান আশাশুধীয়া ব্যক্তিৰ আৱশ্যক হয়। গতিকে, প্ৰস্তুতি কমিটিয়ে মাটিৰ বাবে চলাকটকী চৰণীয়া পথাৰৰ পৰা ১০০ বিঘা মাটিৰ বাবে আবেদন কৰিছিল যদিও অৱশেষত বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰি ৪৫ বিঘা মাটিহে চৰকাৰৰ পৰা পোৱা হ'ল। চলাকটকী, মহমাৰি আৰু টিপলিংৰ ৰাইজে চলাকটকী গ্ৰেজিঙত হাবি কাটি কলেজৰ আৱশ্যকীয় মাটি পৰিষ্কাৰ কৰিবলৈ লৈছিল যদিও অতি ডাঠ হাবি হোৱাৰ বাবে অইল ইণ্ডিয়া কৰ্ত্তৃপক্ষৰ ওচৰ চাপিবলগীয়া হয়। অইল কৰ্ত্তৃপক্ষই জি, এল, এন আয়াৰ তত্বৱধানত ট্ৰেক্টৰেৰে মাটিডোখৰ পৰিষ্কাৰ কৰি দিয়ে।

মাটি পৰিষ্কাৰ হ'ল। কিন্তু তাত ঘৰৰ ব্যৱস্থা কৰিবলগীয়া হ'ল। যিহেতু ততাতৈয়াকৈ ৰাইজে ঘৰ সজাত অসুবিধা হৈছিল, সেইকাৰণে অইল ইণ্ডিয়াৰ কৰ্ত্তৃপক্ষক দুটা ঘৰ বান্ধি দিবৰ বাবে অনুৰোধ জনায়। অইল ইণ্ডিয়াইও তেওঁলোকৰ পৰিত্যক্ত কেম্প, বৰুৱা গ্ৰাণ্টৰ পৰা চাৰিটা কেঁচা (বঙলা) ঘৰ ভাঙি আনি উপৰোক্ত ঠাইত তিনিটাঘৰ বান্ধি দিয়ে। আৰু সেই তিনিটা ঘৰতেই ১৯৭০ চনৰ পৰা বৰ্ত্তমান চলিথকা কলেজখন আৰম্ভ হয়।

কিন্তু সেই সময়ত কলেজৰ সকলো আৱশ্যকীয় বস্তু আহৰণ কৰিবলৈ যাওঁতে যথেষ্ট পৰিশ্ৰম আৰু চেষ্টাৰ পিচতহে পোৱা হৈছিল। কিয়নো, বহুত চেষ্টাৰ ফলতহে টিলাকটকীৰ চৰণীয়া পথাৰৰ পৰা চৰকাৰৰ হৈ সেই সময়ৰ স্থানীয় কানুনগো শ্ৰীকচেন দাস ডাঙৰীয়াই ৩০-১০-৬৯ তাৰিখে কলেজক ৪৫ বিঘা মাটি হস্তান্তৰ কৰে, আৰু কলেজৰ হৈ চলাকটকী ৰাইজৰ সাক্ষাতত মুটীয়া সম্পাদক শ্ৰীপূৰ্ণকান্ত হাজৰিকাই সেই মাটি চমজি লয়।

ইয়াৰ পিছতে সভাই আৰু কিছুলোকৰ নাম প্ৰস্তুতি কমিটিত চাপি কৰে। সেই সকল ব্যক্তি হ'ল—

১) আৰ, আৰ, বৰুৱা
২) আৰ, বি, দে
৩) পঞ্চ সোনোৱাল
৪) বুদ্ধ গগৈ
৫) পিতাম্বৰ সোনোৱাল
৬) ননী দত্ত
৭) সোমেশ্বৰ কোঁৱৰ
৮) দুৰ্গা গগৈ
৯) পত্ৰ হাজৰিকা
১০) ডি, এম, প্ৰধান
১১) ডাঃ এন, শইকীয়া
১২) ধৰ্মেশ্বৰ শৰ্মা
১৩) থানেশ্বৰ হুৱৰা
১৪) পৰশুৰাম শৰ্মা
১৫) শৈলেন কাকতি
১৬) সোনাৰাম দত্ত
১৭) দুৰ্গা চলিহা
১৮) সৰোজ দত্ত
১৯) ভুৱন বৰুৱা
২০) ভুপেন নেওগ
২১) এ, কে, বণিক
২২) আৰ, আৰ, ভট্টাচাৰ্য্য
২৩) ফটিক গগৈ
২৪) ডাঃ কল্যাণ শইকীয়া
২৫) ডম্বৰু শইকীয়া
২৬) চন্দ্ৰ দত্ত
২৭) চন্দ্ৰ বৰদলৈ
২৮) উমেশ বৰদলৈ
২৯) কনক শইকীয়া

এইদৰেই, এই অঞ্চলৰ সকলো লোককে সামৰি এখন শক্তিশালী প্ৰস্তুতি কমিটি গঠন কৰাৰ পিছত কলেজ পাতিবৰ কাৰণে পূৰ্ণ উদ্যমেৰে যো-জা কৰা হৈছিল। ৰাইজৰ উৎসাহ-উদ্দীপনা দেখি সেই সময়ৰ 'ৰেচিডেন্ট ডাইৰেক্টৰ' আৰু কলেজ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীকানুগাদেৱে সম্ভৱপৰ সকলো সহায় অইল ইণ্ডিয়াৰ তৰফৰ পৰা কৰিব বুলি আশ্বাস দিয়ে। সেয়েহে ২৫-৯-৬৯ তাৰিখে বহা সভাত সেই বছৰৰে ১ আগষ্টৰ পৰা কলেজৰ শ্ৰেনীসমূহ আৰম্ভ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। যিহেতু ৰাজহুৱা তেনে কোনো ঘৰ বা বিজুলী বাতি আদি ব্যৱস্থা থকা ৰাইজৰ কোনো স্কুল ঘৰ আদি নাছিল সেয়েহে অইল ইণ্ডিয়া কৰ্তৃপক্ষক তেওঁলোকৰ উচ্চতৰ মাধ্যমিক স্কুলত সন্ধিয়া কলেজৰ শ্ৰেণীসমূহ বহুৱাবলৈ অনুৰোধ কৰা হয়। অইল ইণ্ডিয়াইও এবছৰৰ বাবে সন্ধিয়া ৪-৩০ বজাৰ পৰা পাঠদান কৰিবলৈ অনুমতি দিয়ে।

যিহেতু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে বিজ্ঞান শিক্ষাৰ ওপৰত বেছি জোৰ দিছিল। সেই কাৰণে কলা শাখাৰ লগতে বিজ্ঞান শাখাৰ শ্ৰেণী সমূহ খুলিবৰ বাবে সিদ্ধান্ত লোৱা হয়।

কলা শাখাত— ইংৰাজী, অসমীয়া, বঙালী, হিন্দী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, ভূগোল আৰু বুৰঞ্জী বিষয়ক সামৰি লোৱা হয় আৰু বিজ্ঞান শাখাত— ইংৰাজী, অসমীয়া বঙালী, হিন্দী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত আৰু উদ্ভিদ আৰু প্ৰাণী বিদ্যাক সামৰি লোৱা হয়।

যিহেতু স্থানীয় ভাবে থিতাতে শিক্ষক পোৱাৰ সম্ভাৱনা নাছিল সেই কাৰণে স্থানীয় চাৰিজন যুৱকৰ বাদে বাকী কেইজন শিক্ষক অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মকৰল কৰা হয়। তলত দিয়াৰ দৰে শিক্ষক সকলক নিয়োগ কৰা হৈছিল।

১) শ্ৰীপূৰ্ণকান্ত হাজৰিকা, অধ্যক্ষ
২) ,, বীৰেন চুতীয়া অধ্যাপক, অসমীয়া বিভাগ
৩) ,, দুৰ্গানাথ বেনাৰ্জী ,, ইংৰাজী ,,
৪) ,, পি, এন, গগৈ ,, অৰ্থনীতি ,,
৫) ,, দি, বি, চেত্ৰী ,, ৰসায়ন ,,
৬) ,, চন্দ্ৰকান্ত দাস ,, বুৰঞ্জী ,,
৬) ,, এন, চি, দেবনাথ ,, গণিত ,,
৮) শ্ৰীমতী বেলা ভাৰেল ,, পদাৰ্থ বিজ্ঞান
৯) শ্ৰীবিনন্দ গগৈ, অধ্যাপক, ভূগোল বিজ্ঞান
১০) ,, যতীন তামুলী, অফিচ সহায়ক
১১) শ্ৰীমতী প্ৰনতি বেনাৰ্জী, অধ্যাপক বাংলা বিভাগ
১২) লক্ষণ শ্যাম, অধ্যাপক জীব/উদ্ভিদ বিভাগ

উপৰোক্ত ব্যক্তি সকলক লৈয়েই সন্ধ্যা ৪-৩০ বজাৰ পৰা নিশা ১০-০০ বজালৈকে শ্ৰেণীসমূহ বহিছিল। তেখেত সকলক সামান্য পাৰিতোষিক দিয়া হয় যদিও তেখেতসকলে দক্ষতাৰে আৰু অতি আগ্ৰহেৰে পাঠদান কৰিছিল। সেয়েহে, সেই বছৰ প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰো উৎসাহজনক আছিল। যিহেতু, কলেজ আৰম্ভহে কৰা হৈছিল সেই কাৰণে কম সংখ্যক ছাত্ৰ-ছাত্ৰীৰে পাঠদান আৰম্ভ কৰা হয়। কলা শাখাত ৭০ জন আৰু বিজ্ঞান শাখাত ৩০ জন ছাত্ৰ-ছাত্ৰীৰে কলেজখন আৰম্ভ কৰা হয়।

যদিও পদাৰ্থ বিজ্ঞানত শ্ৰীমতী বেলা ভাৰেলক দিয়া হৈছিল। তথাপিও তেখেতৰ অসুবিধা হোৱাৰ বাবে সেই সময়ত শিক্ষা সাং কৰি ঘৰতে বহি থকা অভিযন্তা শ্ৰীত্ৰিলোচন চুতীয়াই পদাৰ্থ বিজ্ঞানত পাঠদান কৰি কলেজ কৰ্তৃপক্ষক সহায় কৰে।

ইয়াৰ আগতে বিশ্ববিদ্যালয়ক কলেজ খোলাৰ অনুমতি বিচাৰি যাবৰ বাবে শ্ৰীকে, বি, কানুগা, সভাপতি, শ্ৰীভদ্ৰকান্ত গগৈ, বিধায়ক; শ্ৰীক্ষীৰোদ শইকীয়া, নীল গগৈ আৰু শ্ৰীবীৰেন চুতীয়াক লৈ এটি শক্তিশালী প্ৰতিনিধি দল গঠন কৰা হয়। যথাসময়ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যক লগ ধৰি দুলীয়াজানত কলেজ প্ৰভাৱ সম্বন্ধে যুক্তি দাঙি ধৰে।

বিশ্ববিদ্যালয় কৰ্তৃপক্ষইও এটা পৰিদৰ্শন দল পঠিওৱাৰ পিছত অনুমতি দিয়াৰ আশ্বাস দিয়ে। পিছত সেই সময়ৰ ৰেক্টৰ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তৰ নেতৃত্বত এটি দল আহে আৰু অইল ইণ্ডিয়াৰ সভাকক্ষত এই বিষয়ে আলোচনা হয়। তেখেতসকলে কলেজৰ মাটিৰ লগতে পুঁজিৰ সমন্ধেও নানা প্ৰশ্ন কৰে। অৱশেষত, সভাপতি কানুগাদেৱৰ যুক্তি আৰু সদস্য শ্ৰীৰংগী শইকীয়া, নীল গগৈ আদি লোকৰ আশ্বাসত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে কলেজ খোলাৰ অনুমতি দিব বুলি আশ্বাস দিয়ে। সেই আশ্বাসকে লৈ ওপৰত কৈ অহাৰ দৰে ১৯৬৯ চনৰ ১ আগষ্টৰ পৰা অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান আৰু কলা দুয়োটা শাখাকে লৈ দুলীয়াজান কলেজৰ শুভাৰম্ভ কৰা হয়। এই ক্ষেত্ৰত কানুগাদেৱৰ উৎসাহ আৰু উদ্দীপনা যথেষ্ট আছিল। আনকি বহু ব্যস্ততাৰ মাজতো সুকণ্ঠা উলিয়াই তেখেতে সন্ধিয়া গৈ পাঠদানৰ খবৰ লৈ শিক্ষক তথা অধ্যক্ষক উৎসাহ যোগাইছিল। আনকি পুঁজি সংগ্ৰহটো তেখেতে আগভাগ লৈছিল। কিন্তু তেখেতে অতি কম সময় পালে কিয়নো, অৱসৰৰ সময় আহি পৰাত তেখেতৰ সহযোগ আমি হেৰুৱালো।

তেখেতৰ পিছত অইল ইণ্ডিয়াৰ আৱাসিক মুখ্য বিষয়া (R. C. E.) শ্ৰীকে, চি ৰয়ক সভাপতি হিচাবে নিৰ্ব্বাচন কৰা হয়। তেখেতৰ সভাপতিত্বত বহা সভাত আৰু পাঁচজন সদস্য বাচি লোৱা হয়।

১) ডাঃ পি, চি ৰাজখোৱা
২) জি, এল, এন, আয়া
৩) এন, চি, বৰুৱা
৪) চি, জি, বানাৰ্জী
৫) ৰজনী বৰদলৈ

যিহেতু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলেজৰ পাঠ দান কৰিবলৈ মাত্ৰ এবছৰৰ বাবেহে অনুমতি পোৱা হৈছিল সেই বাবে কলেজৰ নিজাববীয়াকৈ ঘৰ দুৱাৰৰ আৱশ্যক হ'ল। ওপৰত কৈ অহাৰ দৰে অইল ইণ্ডিয়া কৰ্তৃপক্ষৰ সহযোগত মাটি পৰিষ্কাৰ কৰি যি তিনিটা ঘৰ

বন্ধা হৈছিল তাতেই শ্ৰেণীসমূহ আৰম্ভ কৰিবৰ কাৰণে সিদ্ধান্ত লোৱা হয়। যিহেতু তাত কোনো বিজুলী বাঁতিৰ ব্যৱস্থা নাছিল সেয়েহে চৰকাৰক বিজুলী বাঁতিৰ ব্যৱস্থা কৰি দিবলৈ অনুৰোধ কৰে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক আৰু কলেজ কমিটিৰ মুখ্য উপদেষ্টা শ্ৰীভদ্ৰকান্ত গগৈদেৱে যথেষ্ট সহায় কৰে আৰু অইল ইণ্ডিয়া কৰ্তৃপক্ষৰ সংযোগত তাত বিজুলীবাঁতিৰ ব্যৱস্থা কৰিব পৰা গ'ল। এই ক্ষেত্ৰত সেই সময়ৰ উদ্যোগ মন্ত্ৰী মাননীয় বিশ্বদেৱ শৰ্ম্মাদেৱেও যথেষ্ট সহায় কৰে।

প্ৰকৃত শ্ৰী কে, চি, ৰয় ডাঙৰীয়া এজন দক্ষ আৰু উদ্যোগী প্ৰশাসনিক বিষয়া আছিল। তেখেতে সভাপতিৰ পদ গ্ৰহণ কৰাৰ পিছতে পুঁজি সংগ্ৰহত জোৰ দিয়ে। সেয়েহে, বিভিন্ন লোকৰ পৰা ধন সংগ্ৰহৰ বাবে তলৰ উপ-কমিটিবিলাক পুনৰ গঠন কৰা হয়। তেখেতে বিচাৰিছিল যে, যাতে যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে কলেজত পাঠদান কৰিছে কমকৈ হ'লেও নিয়মিত ভাৱে যাতে তেওঁলোকৰ পাৰিতোষিকটো দিব পাৰে।

### ১। চাহ বাগিছাৰ পৰা পুঁজি সংগ্ৰহৰ দায়িত্ব :

১) ডাঃ প্ৰহ্লাদ ৰাজখোৱা
২) বাঞ্চা শইকীয়া
৩) গোলোক বৰুৱা
৪) মনেশ্বৰ গগৈ
৫) কালীপ্ৰসাদ বৰঠাকুৰ

### ২। উদ্যোগ আৰু ব্যৱসায়ীৰ পৰা পুঁজি সংগ্ৰহ :

১) বংশী শইকীয়া
২) প্ৰফুল্ল কুমাৰ সেন
৩) গদাধৰ ঠাকুৰ
৪) গোলাপ গগৈ
৫) দুলাল ৰায় বৰুৱা
৬) ক্ষীৰোদ শইকীয়া

### ৩। মেম্বাৰ সকলৰ পৰা পুঁজি সংগ্ৰহ :

১) মোহন লাল গগৈ
২) লক্ষী তামুলী
৩) হেমকান্ত বৰদলৈ

### ৪। পঞ্চায়তৰ পৰা পুঁজি সংগ্ৰহ :

১) ৰাজেশ্বৰ হাজৰিকা
২) নীল গগৈ
৩) কৃষ্ণ গগৈ
৪) অংগদ দাস
৫) যজ্ঞেশ্বৰ বৰা
৬) প্ৰফুল্ল গগৈ

### ৫। ইঁচৰি গাই পুঁজি সংগ্ৰহ কৰাৰ বাবে :

১) গোপী তামুলী
২) ৰজনী বৰদলৈ
৩) যোগা গগৈ

### ৬। অইল ইণ্ডিয়া আৰু গৰ্ভমেণ্ট চাকৰীয়ালৰ পৰা পুঁজি সংগ্ৰহৰ বাবে :

১) ভুবন বৰুৱা
২) গুণকান্ত চুতীয়া
৩) যতীন শইকীয়া
৪) ফণীধৰ শইকীয়া
৫) গুণকান্ত তামুলী
৬) কনক শইকীয়া
৭) বীৰেন শৰ্ম্মা

### ৭। লটাৰীৰ যোগে পুঁজি সংগ্ৰহ :

১) সুৰজিত চলিহা
২) চি, জি, বানাৰ্জী
৩) অতুল শইকীয়া
৪) এন, চি, বৰুৱা
৫) গোলোক চন্দ্ৰ বৰুৱা
৬) পূৰ্ণকান্ত হাজৰিকা
৭) চেৰিটি ফুটবলৰ যোগে পুঁজি সংগ্ৰহ কৰিবলৈ শ্ৰীডি, কে, শৰ্ম্মাক দায়িত্ব দিয়া হ'ল।

পুঁজি সংগ্ৰহৰ সময়ত বিভিন্ন জনে সহযোগ কৰে। সেই সময়তে অইল ইণ্ডিয়াৰ কৰ্মচাৰী সকলেও মাহেকত এহেজাৰ টকাকৈ এবছৰৰ বাবে দি কলেজৰ পুঁজি সংগ্ৰহ কৰাত সহায় কৰে। সেই হিচাবে অসম গেছ কোম্পানীৰ কৰ্মচাৰী সকলেও তেখেত সকলৰ দৰমহাৰ পৰা মাহেকীয়া নিৰিখত কলেজলৈ এবছৰৰ বাবে অনুদান আগবঢ়ায়।

আগতে কৈ অহা হৈছে যে, কলেজৰ হৈ যোৱা পৰীক্ষাৰ ফলাফল যথেষ্ট উৎসাহজনক আছিল। সেই কাৰণে অধ্যক্ষকে প্ৰমুখ্য কৰি সকলো শিক্ষকক কমিটিয়ে ধন্যবাদ জ্ঞাপন কৰে।

প্ৰস্তুতি কমিটিখন বৰ ডাঙৰ হোৱাত কেতিয়াবা থুলৰ অভাৱত সভা নবহে। সেয়েহে, সভাপতিৰ পৰামৰ্শ অনুসৰি তলৰ সদস্য সকলক লৈ এখন কমিটি গঠন কৰা হয়।

১) কে, চি, ৰয়, — সভাপতি
২) পূৰ্ণকান্ত হাজৰিকা, — সাধাৰণ সম্পাদক
৩) বীৰেন চুতীয়া, সহকাৰী — ,, ,,
৪) গোপী তামুলী, — ,, ,,
৫) পৱিত্ৰ কুমাৰ চৌধুৰী, — সদস্য
৬) গোলোক চন্দ্ৰ বৰুৱা, — ,,
৭) বংশী শইকীয়া, — ,,
৮) ভুবন বৰুৱা — ,,
৯) দেবেন্দ্ৰনাথ আচাৰ্য্য — ,,
১০) প্ৰবীন বৰুৱা — ,,
১১) উপ-পৰিদৰ্শক (ডিব্ৰুগড়), ,, (স্কুল বিভাগৰ)
১২) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুজন মনোনীত সদস্য

যিহেতু বিজ্ঞানাগাৰৰ সুবিধা নাছিল সেইবাবে ১৯৭০ চনৰ বছৰটো প্ৰাক্‌বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাটো বাদ দিবলগীয়া হয়। কিন্তু ৭-৬-৭১ তাৰিখৰ সভাৰ সিদ্ধান্ত অনুসৰি কলা শাখাৰ লগতে প্ৰাক্‌বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখা খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু সেই বছৰৰ পৰাই কলা শাখাৰ স্নাতক মহলাৰ শ্ৰেণীসমূহ আৰম্ভ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। কলা শাখাৰ কলেজ খোলাটো বিশেষ অসুবিধা নাছিল। কিন্তু বিজ্ঞান শাখা খুলিবলৈ যাওঁতে যথেষ্টখিনি অসুবিধা হৈছিল। কিয়নো, এই সম্পূৰ্ণ বিজ্ঞানাগাৰ নহ'লে বিজ্ঞান শাখাত পাঠদান দিয়া সম্ভৱ নহয়। সেই কাৰণে পুনৰ অইল ইণ্ডিয়া কৰ্তৃপক্ষক অনুৰোধ কৰা হয়। অইল কৰ্তৃপক্ষইও এটা ঘৰ পালে বিজ্ঞানৰ সা-সঁজুলি বিলাক দিব পাৰিব বুলি কয়। ইতিমধ্যে সেই সময়ৰ অইল ইণ্ডিয়াৰ ঠিকাদাৰ সম্থাই এটা স্থায়ী ঘৰ নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। এই বিষয়ত শ্ৰী প্ৰবীন বৰুৱা সভাপতি ঠিকাদাৰ সম্থা, বি, চি, দত্ত আৰু মাধু চক্ৰৱৰ্ত্তীয়ে আগভাগ লৈ সোনকালে বিজ্ঞানাগাৰৰ ঘৰটো উলিয়াই দিবলৈ যত্ন কৰে। এই বিজ্ঞানাগাৰৰ ঘৰটোৰ আধাৰশিলা স্থাপন কৰি সেই সময়ৰ ৰেক্টৰ লক্ষীপ্ৰসাদ দত্তদেৱে এখন সুন্দৰ কলেজ হোৱাৰ আশা প্ৰকাশ কৰে। যথা সময়ত ঘৰটো উলিয়াই দিয়াত, সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াই ভৱনটিৰ দুৱাৰ মুকলি কৰে। যিহেতু, স্নাতক মহলাৰ শ্ৰেণীসমূহ খোলাৰ ব্যৱস্থা কৰা হয়, সেই কাৰণে নতুনকৈ কেইবা গৰাকীও শিক্ষক-শিক্ষয়িত্ৰীক মকৰল কৰিবলগীয়া হৈছিল। বিশেষকৈ ৰসায়ন বিজ্ঞানত শ্ৰীনিবাৰণ চন্দ্ৰ দে, পদাৰ্থ বিজ্ঞানত শ্ৰীমতী জয়ন্তী চুতীয়া, অংকৰ বিষয়ত শ্ৰীইন্দ্ৰপ্ৰসাদ বুঢ়াগোঁহাই আৰু প্ৰাণীবিদ্যাত শ্ৰীমতী মঞ্জুলা বুজৰ বৰুৱাক নিয়োগ কৰা হয়।

নতুনকৈ আৰম্ভ কৰা কলেজ বিলাকত কিছুমান অসুবিধাৰ বাবে বহুতো শিক্ষক-শিক্ষয়িত্ৰীয়ে কিছুদিন পাঠ দান কৰি এৰি গুছি যায়। সেই কাৰণে এই কলেজতো বহুতো শিক্ষকক বহুতো সময়ত মকৰল কৰা হৈছে আৰু বহুতকে বিদায় দিবলগীয়া হৈছে। বাহুল্যতাৰ বাবে সেই বিলাক ইয়াত উল্লেখ কৰিব পৰা নহ'ল।

শ্ৰীযুত কে, চি, ৰয়ৰ সভাপতিত্বত কলেজখনে এটা নিশ্চিত ৰূপলৈ আহিছিল। পিচে তেখেতৰ অৱসৰৰ সময় হোৱাত সভাপতি পদৰ পৰা ইস্তফা দিয়ে। গতিকে তেখেতৰ ঠাইত সেই সময়ৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি নীল গগৈদেৱক সভাপতিৰ দায়িত্বভাৰ দিয়া হয়। পঞ্চায়তৰ সভাপতিৰ গধুৰ দায়িত্ব গ্ৰহণ কৰিও কলেজৰ কামত যথেষ্ঠ উৎসাহ-উদ্দীপনা দেখুৱাইছিল।

এইটো উল্লেখ নকৰিলে ভুল হ'ব যে, অইল ইণ্ডিয়া কৰ্তৃপক্ষই সেই সময়ৰ কোম্পানীৰ মুখ্য ৰসায়ন বিষয়া (Chief Chemest) ড° পি, সিন্হাৰ যোগেদি সকলো বিলাক বিজ্ঞানৰ সা-সজুলি দিয়ে। অসম গেছ কোম্পানীয়েও তেওঁলোকৰ পিনৰ পৰা নিয়মীয়াকৈ গেছ আৰু পানীৰ যোগান ধৰি বিজ্ঞানাগাৰটো চলোৱাত

সহায় কৰে। এইখিনিতে সেই সময়ৰ জেনেৰেল মেনেজাৰ দেৱেন্দ্ৰাথ আচাৰ্য্যদেৱৰ সহায় উল্লেখযোগ্য।

১৯৭২ চনত কলেজখনৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হয়। সেয়েহে, পোনপ্ৰথমবাৰৰ বাবে ১০০০ টকাকৈ মাহেকীয়া অনুদান (Adhoc Grant) কলেজলৈ আগবঢ়ায় আৰু ১০,০০০ হেজাৰ টকাৰ এটি গৃহনিমাৰ্ণৰ এককালীন সাহাৰ্য্যৰ অনুদান কলেজলৈ আগবঢ়ায়। এই সময়তে কলেজৰ কমিটিখন চৰকাৰৰ নিয়মানুসৰি গঠন কৰিবলৈ শিক্ষাধিকৰ্তাই নিৰ্দেশ দিয়ে। সেইমতে, সেই সময়ৰ স্থানীয় এম, এল, এ, ইন্দ্ৰেশ্বৰ খাওণ্ডদেৱক লৈ এখন নতুন কমিটি গঠন কৰা হ। তেখেতৰ দিনতেই কলেজখন বিভিন্ন ক্ষেত্ৰত আগবাঢ়িবলৈ সমৰ্থ হয়। কিয়নো তেখেতে নিজাববীয়াকৈও সংগ্ৰহ কৰি কিছু টকা কলেজৰ পুঁজিলৈ আগবঢ়ায়। সেই সময়ৰ পৰাই সকলো কৰ্মচাৰীকে একেটা নিৰিখত দৰমহা দিবলৈ সিদ্ধান্ত কৰে। অধ্যাপক-অধ্যাপিকাসকলক ২৫০/, টকাৰ পৰা ৩৫০/ টকাৰ ভিতৰত দৰমহা ধাৰ্য্য কৰা হয়। বাকী কৰ্মচাৰীসকলকো নূন্যতম ১১৫ টকাকৈ দিবলৈ ঠিক কৰা হয়।

যিহেতু, বিজ্ঞানৰ স্নাতক মহলাৰ শ্ৰেণীসমূহ খুলিবৰ কাৰণে সিদ্ধান্ত লোৱা হয়, সেইকাৰণে দ্বিতীয়টো বিজ্ঞানাগাৰৰ ঘৰ সাজিবলৈ সিদ্ধান্ত কৰা হয়। সেই সিদ্ধান্ত অনুসৰিয়েই বৰ্তমান চলি থকা পদাৰ্থ বিজ্ঞানৰ ভৱনটো নিৰ্মাণ কৰি উলিওৱা হয়। এই সময়তে ধনৰ আৱশ্যক হোৱাত লটাৰীৰ মাধ্যমেৰে পুঁজি সংগ্ৰহ কৰিবলৈ আয়োজন কৰা হয়।

এই ক্ষেত্ৰত শিক্ষক আৰু ছাত্ৰসকলো পিছপৰি থকা নাছিল। শিক্ষক আৰু ছাত্ৰ সকলো অধ্যাপক বীৰেন চুতীয়া আৰু অধ্যাপক গোপী তামুলীৰ তত্বাৱধানত বিভিন্ন গাওঁ অঞ্চলৰ পৰা আনকি, শিক্ষকসকলে এখন ভ্ৰাম্যমান থিয়েটাৰৰ যোগেদি কলেজৰ পুঁজিলৈ ৫,০০০ টকাৰ বৰঙণি আগবঢ়ায়।

এই সময়তে কলা বিভাগৰ তৃতীয় বাৰ্ষিকৰ শ্ৰেণী খুলিবলৈ সিদ্ধান্ত কৰা হয়। আৰু ইয়াত যি সকল শিক্ষকৰ আৱশ্যকতা হৈছিল সেই সেই বিষয়ৰ শিক্ষকসকলক নিযুক্তিও দিয়া হয়। গতিকে, এটি শকত পুঁজিৰ আৱশ্যক হোৱাত লটাৰী খেলি পুঁজি সংগ্ৰহ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

তৃতীয় বিজ্ঞানাগাৰৰো আধাৰশিলা স্থাপন কৰিবলৈ কমিটিয়ে সিদ্ধান্ত গ্ৰহণ কৰে। সেয়েহে, এটি শকত পুঁজিৰ আৱশ্যক হোৱাটো স্বাভাৱিক, আনকি এই কলেজ পৰিচালনা সমিতিৰ তত্বাৱধানতে আদাৰ খেতি, আহু খেতি আদি ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা কৰোৱাই কিছু ধন সংগ্ৰহ কৰাৰো সিদ্ধান্ত লয়। আনকি, শিক্ষকসকলক ছাত্ৰসকলৰ সহযোগত এটি ১৫ দিনীয়া পুঁজি সংগ্ৰহ অভিযান হাতত লোৱাৰ বাবে উদগনি দিছিল। সেইমতে ঢুলীয়াজানৰ আশে-পাশে থকা বৰডুবি, নাহৰকটীয়া, চাচঁনী আদি ঠাইত পুঁজি সংগ্ৰহ হাতত লোৱা হয়।

ইয়াৰ পিছতে বিধায়ক ইন্দ্ৰেশ্বৰ খাওণ্ডদেৱে মন্ত্ৰীত্বৰ পদ গ্ৰহণ কৰে। সেয়েহে, কলেজ পৰিচালনা সমিতিৰ সভাপতিৰ বাব দেবেন আচাৰ্য্যদেৱক অৰ্পণ কৰে। তেখেতৰ দিনতো কলেজ বৰ্হুখিনি উন্নতি পথত আগবাঢ়ি যায়। আগতে কৈ অহা হৈছে যে, বিজ্ঞানৰ স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকৰ শ্ৰেণী ইংৰাজী আৰু অসমীয়া, পদাৰ্থ বিজ্ঞান ৰসায়ন বিজ্ঞান আৰু গণিতক লৈ শ্ৰেণী সমূহ খোলা হয়।

এখন কলেজে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অনুদান পাবলৈ হ'লে সেই কলেজখন পঞ্জীয়ন কৰিব লাগে। গতিকে ঢুলীয়াজান কলেজখনো পঞ্জীয়নৰ নিয়ম অনুসৰি পঞ্জীয়ন কৰা হয়। এইটো অতি গৌৰৱৰ কথা আছিল যে, এই সময় চোৱাৰ ভিতৰতে ১-৭-৭৭ তাৰিখৰ পৰা কলেজৰ কলা শাখাটো ঘাটি মঞ্জুৰীৰ অধিনলৈ অনা হয়। সেয়েহে অৰ্থ সংকটৰ পৰা অলপ সকাহ পোৱা হয়। কিন্তু, যিহেতু বিজ্ঞানৰ স্নাতক শাখা আৰম্ভ কৰা হ'ল সেয়েহে অৰ্থৰ অভাৱ তেতিয়াও পূৰণ নহ'ল। আনহাতেদি ঘাটি মঞ্জুৰী পোৱা বুলি ৰাইজ পৰা আগৰ দৰে দান-বৰঙণিও নহা হ'ল। সেয়েহে বিজ্ঞান শাখাৰ স্নাতক মহলা খোলাৰ লগে লগে সেই অভাৱটো থাকি গ'ল।

আমি কৃতজ্ঞভাৱে সোঁৱৰো যে, সেই সময়ৰ পৰিবহন মন্ত্ৰী আৰু কলেজৰ সভাপতি শ্ৰীইন্দ্ৰেশ্বৰ খাওণ্ড দেৱে স্নাতক মহলাৰ বাবে আৱশ্যক হোৱা নূণ্যতম সা-সৰঞ্জাম বিলাক যি কোনো উপায়েৰে দান সংগ্ৰহ কৰি কলেজৰ অভাৱটো আংশিক ভাবে হ'লেও পূৰণ কৰি বিজ্ঞানৰ স্নাতক মহলা চলোৱাত সহায় কৰে। ১৯৭৭-৮১ চনৰ ভিতৰতে ইংৰাজী, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি বিভাগটো সন্মানৰ (hons.) শ্ৰেণী খোলা হয়। গতিকে মোটামুটি ভাবে ক'বলৈ গ'লে এই সময়ছোৱাতে কলেজ খনে এটি নিৰ্দ্দিষ্ট পৰ্য্যায়লৈ আহে।

১৯৮১ চনৰ পৰা ৮৪ চনলৈ এই সময়ছোৱাত কলেজৰ যথেষ্ঠ উন্নতি হয়। কাৰণ, বিভিন্ন বিষয়ত ইয়াৰ উন্নতি হোৱা পৰিলক্ষিত হয়। বিশেষকৈ স্নাতক মহলাৰ বিজ্ঞান শাখাত বিশ্ববিদ্যালয়ৰ স্বীকৃতি নোপোৱালৈকে চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী পোৱাটো সম্ভৱ হ'ব নোৱাৰে। তাৰোপৰি কলা শাখাত গণিতৰ স্বীকৃতি পোৱাটো উল্লেখ যোগ্য, যিহেতু বহুতো ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান অধ্যয়ন নকৰিলেও কলা শাখাত পঢ়ি, গণিত বিষয়টো লৈ স্নাতক হোৱাৰ আকাংক্ষা কৰে। সেয়েহে কলেজ পৰিচালনা সমিতিয়ে কলা শাখাত গণিতৰ স্বীকৃতিৰ বাবে বিশ্ববিদ্যায়ৰ ওচৰত অনুৰোধ কৰিবলগীয়া হয়।

এই সময় চোৱাত অসমত এটি ছাত্ৰ আন্দোলন গঢ়ি উঠাত প্ৰায় এবছৰ কাল ছাত্ৰসকল শ্ৰেণীৰ পৰা বিৰত থাকে। যাৰ বাবে চালুকীয়া অনুষ্ঠান হিচাবে কলেজখন অৰ্থ সংকটত পৰে। কিন্তু এই সময়চোৱাত সভাপতি পদত থকা অসমৰ ভূতপূৰ্ব্ব অধ্যক্ষ আৰু মুখ্য-মন্ত্ৰী যোগেন হাজৰিকাৰ তত্বাৱধানত সেই সকলো-বিলাক সমস্যাৰ সমাধান হয়। হাজৰিকাই নিজেই বংশী শইকীয়া, কলেজৰ সম্পাদক আৰু দুই-চাৰিজন সদস্যক লৈ বিভিন্ন ঠাইত সংগ্ৰহ কৰি পুঁজিটো টনকীয়াল কৰিবলৈ চেষ্টা কৰে।

সেই সময়তেই অসম গেছ কোম্পানীৰ মেনেজিং ডাইৰেক্টৰ, সু-সাহিত্যিক, কলেজৰ ভূতপূৰ্ব্ব সভাপতি দেবেন্দ্ৰনাথ আচাৰ্য্যদেৱৰ অকাল বিয়োগ হয় আৰু তেখেতৰ বিয়োগত সভাই গম্ভীৰ শোক প্ৰকাশ কৰি শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। যিহেতু, দুলীয়াজান কলেজৰ প্ৰতি তেখেতৰ যি অৱদান সেই অৱদান প্ৰকৃততে প্ৰশংসনীয় আছিল।

আগতে দুলীয়াজান কলেজত তিনিটা বিষয়ৰ সন্মান শ্ৰেণী (Hons.) খোলাৰ কথা কোৱা হৈছে। এই বছৰতে অসমীয়া বিষয়টো সন্মানৰ শ্ৰেণী (Hons.) খুলি-বলৈ সিদ্ধান্ত গ্ৰহণ কৰি কামত আগবঢ়া হয়। তাৰোপৰি শ্ৰেণীকোঠাসমূহত বিজুলী পাংখাৰ ব্যৱস্থা কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। এইটো উল্লেখযোগ্য যে, সভাপতি ডাঙৰীয়াই আনকি গুৱাহাটীৰ এজন ব্যৱসায়ীৰ পৰাও চাৰিখন বিজুলী পাংখা যোগাৰ কৰি দিয়াত কলেজ কৰ্তৃপক্ষই কৃতজ্ঞতা প্ৰকাশ কৰে।

খেল প্ৰথাৰৰ উন্নতিৰ কথাও চিন্তা কৰা হৈছিল। কিয়নো, যেতিয়ালৈকে খেল পথাৰখনৰ উন্নতি নহয় তেতিয়ালৈকে ছাত্ৰ-ছাত্ৰীসকলৰ এটা ডাঙৰ অভাৱ পূৰণ নোহোৱাকৈ থাকে। সেয়েহে, সভাপতি ডাঙৰীয়াই উপায়ুক্তৰ যোগেদি ডি, আৰ, ডি, (D. R. D.) প্ৰজেক্টৰ পৰা প্ৰায় ২২,০০০ হেজাৰ টকাৰ মাটি পেলাই কলেজৰ খেল পথাৰখনৰ উন্নতি সাধন কৰে। এই সময়তেই পুথিভঁৰালৰো অলপ উন্নতি হয়। আনকি, পুথিভঁৰালৰ কাৰণে চৰকাৰে এগৰাকী পুথিভঁৰাল সহায়কাৰী আৰু এজন পুথিভঁৰাল পিয়নৰ অনুমোদন কৰে।

বহুদিনৰ আগৰ পৰা কলাবিভাগত নৈশ শাখা আৰম্ভ কৰা হৈছিল। কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ নৈশ শাখাৰ প্ৰতি স্পৃহা কমি যোৱাত নৈশ শাখাটো বন্ধ কৰা হয়। অন্যহাতেদি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যোৱাত কলা বিভাগত পুৱা শাখা আৰম্ভ কৰা হয় আৰু তেতিয়াৰ পৰা আজি পৰ্য্যন্ত পুৱা কলা শাখাত শ্ৰেণীসমূহ চলি আছে।

এই বছৰতেই কলা শাখাত বিশ্ববিদ্যালয়ৰ পৰা স্থায়ী স্বীকৃতি পোৱা হয়। এইটো এটা উল্লেখযোগ্য সাফল্য কিয়নো, স্থায়ী স্বীকৃতি (Permanent Affiliation)

নোপোৱালৈকে বিশ্ববিদ্যালয় অনুদান আয়োগৰ কোনো অনুদান পোৱাটো সম্ভৱ নহয়। সেয়েহে, এই স্থায়ী স্বীকৃতিৰ যোগেদি অনুদান আয়োগক এটি শকত অনুদান আগবঢ়াবলৈ অনুৰোধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সময়চোৱাতেই আন এটি সাফল্যৰ কথাও ক'ব পাৰি। কাৰণ কলা শাখাৰ প্ৰায়বিলাক শিক্ষকৰে ভৱিষ্যনিধি চৰকাৰে অনুমোদন কৰে। তাৰোপৰি, প্ৰথমবাৰৰ বাবে বছেৰেকত ১৩,০০০ হেজাৰ টকাকৈ বিজ্ঞানাগাৰ চলাবৰ বাবে এটি অনুদানো চৰকাৰৰ পৰা লাভ কৰা হয়।

ইয়াৰ পিছত ১৯৮৬ চনৰ পৰা ১৯৮৯ চনলৈকে এই সময়টো কলেজৰ উন্নতিৰ এটি উল্লেখযোগ্য সময়। কিয়নো, এই সময়চোৱাত কলেজৰ কেইবাটাও অভাৱ পূৰণ হয়। সন্মান শ্ৰেণীৰ (Hons.) পাঠদান কৰিবলৈ শ্ৰেণী-কোঠালীৰ যথেষ্ট অভাৱ হোৱাত অসম গেছ কোম্পানীয়ে সেই সময়ৰ মেনেজিং ডাইৰেক্টৰ আৰু দুলীয়াজান কলেজৰ সভাপতি তীৰ্থব্ৰত ভুঞা লহকৰ ডাঙৰীয়াই কলেজলৈ অসম গেছ কোম্পানীৰ তৰফৰ পৰা চাৰিকোঠালীয়া এটি পকাঘৰ নিৰ্মাণ কৰি দিয়ে। এইটো হোৱাত ভালেখিনি অভাৱ পূৰণ হয়। এই সময়তে ৰসায়ন বিজ্ঞানাগাৰটোত চাৰিখন বিজুলী পাংখা (Exhaust Fan) লগাই বিজ্ঞানা-গাৰটোক নিয়াৰিকৈ চলোৱাৰ ব্যৱস্থা কৰা হয়। অন্যহাতেদি কলেজলৈ প্ৰাকৃতিক গেছ সৰবৰাহ কৰাৰ বাবে অসম গেছ কোম্পানীৰ লগত এখন চুক্তিও কৰা হয়।

যিহেতু কলেজখনে কলাশাখাত বিশ্ববিদ্যালয়ৰ পৰা স্থায়ী স্বীকৃতি লাভ কৰিলে আৰু কলেজখন পঞ্জীয়নও কৰা হ'ল ; সেয়েহে বিশ্ববিদ্যালয় অনুদান আয়োগলৈ অনুদান দিবৰ কাৰণে অনুৰোধ কৰা হয়। তাৰেই ফলস্বৰূপে বিজ্ঞানৰ সা-সঁজুলি কিনিবলৈ আৰু পুথিভঁৰালৰ কিতাপ-পত্ৰ কিনিবৰ কাৰণে এটিকৈ শকত অনুদান পোৱা হয়। তাতোকৈ সুখৰ কথা যে বহুদিন অভাৱ অনুভৱ কৰা এটি ছোৱালীৰ বাবে ছাত্ৰী নিৱাসৰ অনুদান পোৱা যায় আৰু সেই অনুদানৰ সহায়তে বৰ্ত্তমান এটি ছাত্ৰী নিৱাস হৈছে, য'ত ২৪ জনী ছোৱালী থাকিব পৰাৰ ব্যৱস্থা আছে।

বহুদিন অভাৱ অনুভৱ কৰা টেলিফোন সংযোগও এই সময়চোৱাতেই কৰিবলৈ ব্যৱস্থা কৰা হয়। এই সময়-চোৱাতেই চৰকাৰৰ পৰা এটি ঘৰ সজাৰ অনুদান পোৱা হয় আৰু সেই অনুদানেৰেই বৰ্ত্তমান থকা পুথিভঁৰালটো সজা হৈছে।

এই সকলোবোৰ কাম চোৱা-চিতা কৰিবৰ কাৰণে অসম গেছ কোম্পানীৰ অভিযন্তা পদ্ম গগৈক দায়িত্ব দিয়া হয়। তেখেতেও কলেজ আৰম্ভণীৰে পৰা কলেজৰ যিদৰে সকলোবিলাক কামতে সহযোগ কৰি আহিছে সেইদৰে পিচৰ কামবিলাকো কমিটিৰ অনুৰোধক্ৰমে কোনো পাৰিতোষিক নোলোৱাকৈ নিয়াৰিকৈ হোৱাত সহায় কৰে।

ইয়াৰ পিছত কলেজৰ আৰু এটা অভাৱ পূৰণ হয়। সেইটো হৈছে, কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি অহাত পুৱাৰ শাখাত পঢ়ুৱাবলৈ শ্ৰেণীকোঠাৰ অভাৱ অনুভৱ কৰাত অইল ইণ্ডিয়া কৰ্তৃপক্ষক টানি অনুৰোধ কৰা হয়। সেই সময়ৰ চেয়াৰমেন ও মেনেজিং ডাইৰেক্টৰ সুৰজিত চলিহা ডাঙৰীয়াৰ অনুগ্ৰহত এটি ২০০ ফুট দীঘল আৰু ৩২ ফুট বহলৰ ডাঙৰ ঘৰ পোৱা হয়। এই ঘৰটোৱেই কলেজৰ ভালেখিনি অভাৱ পূৰণ কৰিলে।

১৯৯০ চনৰ পৰা ১৯৯৩ চনৰ সময়চোৱাও কলেজৰ কাৰণে এটি গুৰুত্বপূৰ্ণ সময়। কিয়নো, কলেজৰ প্ৰস্তুতি সমিতিৰ সাধাৰণ সভা পাতোতেই এখন পূৰ্ণাঙ্গ কলেজ কৰাৰ পোষকতা কৰি তিনিওটা বিভাগকে সামৰি লৈ (কলা, বিজ্ঞান আৰু বাণিজ্য) এখন কলেজ পতাৰ সিদ্ধান্ত লোৱা হৈছিল। যদিও কেইবাবছৰৰ আগতে কলা আৰু বিজ্ঞান দুয়োটা শাখাতে বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰি ঘাটি মঞ্জুৰীপ্ৰাপ্ত হয়, তথাপিও বাণিজ্যশাখা খুলিব পৰাকৈ ব্যৱস্থা হোৱা নাছিল। কিন্তু, এই সময়চোৱাত বৰ্ত্তমান অইল ইণ্ডিয়াৰ সভাপতি ও পৰিচালন সঞ্চালক (C.M.D.) বিকাশ চন্দ্ৰ বৰাদেৱে আগভাগ লোৱাত বাণিজ্য শাখা খোলাটো সম্ভৱ হ'ল। গতিকে পাঠদানৰ পিনৰ পৰা চাবলৈ গলে কলেজখন তিনিওটা বিভাগকে লৈ এখন স্বয়ং সম্পূৰ্ণ কলেজ বুলি ক'ব পৰা যায়। এই ক্ষেত্ৰত বৰ্ত্তমান অইল

ইণ্ডিয়াৰ এগৰাকী সঞ্চালক পি, চি, চন্দ ডাঙৰীয়াৰ সহায় সহানুভূতিও উল্লেখযোগ্য। এই কামখিনি কৰিবলৈ যাওঁতে অইল ইণ্ডিয়াৰ বিষয়া এন, সেন আৰু উপাধ্যক্ষ বীৰেন চুতীয়াৰ সহযোগ লেখত ল'বলগীয়া। যিহেতু, কলেজৰ কোঠালীৰ অভাৱ সেইকাৰণে সন্ধ্যাহে বাণিজ্য বিভাগৰ বিষয়ৰ পাঠদান কৰা হৈছিল। সেয়েহে, চৰকাৰৰ অনুমোদন সাপেক্ষে অইল ইণ্ডিয়াৰ পৰা বিনামূলীয়াকৈ বিজুলী যোগানৰ ব্যৱস্থাও কৰা হ'ল। এইটোও কলেজৰ বাবে এটি সাফল্য।

এই সময় চোৱাতেই বিজ্ঞান শাখাৰ স্নাতক মহলাৰ বি, গ্ৰুপৰ শ্ৰেণীসমূহ খোলা হয়। কিয়নো কিছুমান ছাত্ৰই গণিত আৰু পদাৰ্থ বিদ্যা লৈ বিজ্ঞানৰ স্নাতক মহলা পঢ়াত কঠিন হয়। সেয়েহে ৰসায়ন, প্ৰাণীবিদ্যা আৰু উদ্ভিদ বিদ্যা এই তিনিটা বিষয়ক লৈ বি, গ্ৰুপৰ (Bio-chemistry) শ্ৰেণীসমূহ খুলি নিয়মিত পাঠদান কৰা হৈছে। তাৰোপৰি এই সময় চোৱাতেই গণিত, সমাজ-বিদ্যা আৰু শিক্ষা বিষয়ত (Mathematics, Sociology & Education) সন্মানৰ শ্ৰেণী খোলা হৈছে। গতিকে বৰ্ত্তমান কলেজত সাতটা (৭) বিষয়ত সন্মানৰ (Major) পাঠদান কৰা হৈছে।

সৰ্ব্বোপৰি, এই সময় চোৱাতেই দুটা নতুন বিষয় নতুনকৈ খোলাৰ দিহা কৰা হৈছে। সেই কেইটা হৈছে — ইলেকট্ৰনিকচ (Electronics) আৰু কম্পিউটাৰ বিজ্ঞান (Computer Science)। এই ক্ষেত্ৰত বৰ্ত্তমান অসমৰ শিক্ষামন্ত্ৰী মাননীয় গোলোক ৰাজবংশীদেৱে সু-পৰামৰ্শ আগবঢ়ায়। শেহতীয়া ভাবে অইল ইণ্ডিয়াইও এই দুয়োটা বিষয়তে আৱশ্যক হোৱা এটি কম্পিউটাৰ (Computer) আৰু আন আন সা-সজুলি দিবলৈ আশ্বাস দিয়ে। গতিকে অতি সোনকালে এই দুয়োটা শাখাই পূৰ্ণাঙ্গ ৰূপ ল'ব।

ইয়াৰ উপৰিও বৰ্ত্তমান অইল ইণ্ডিয়াই কলেজৰ প্ৰশাসনিক ভৱনটো দুমহলীয়াকৈ সাজিবলৈ লৈছে। তাৰে প্ৰথম মহলাটো সম্পূৰ্ণ হোৱাৰ পথত। সেয়েহে অইল ইণ্ডিয়া কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰা হৈছে আৰু এই সময় চোৱাত পৰিচালনা সমিতিৰ সভাপতিক বিভিন্ন ধৰণে সহায় কৰি কলেজৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবে নাৰায়ন মহন্তদেৱ আৰু নকুল বৰুৱাদেৱকো ধন্যবাদ জ্ঞাপন কৰা হয়।

বৰ্ত্তমান দুলীয়াজান মহাবিদ্যালয়ে পঁচিশ (২৫) বছৰত ভৰি দিছে আৰু সেয়েহে ইয়াৰ ৰূপালী জয়ন্তীৰ উপলক্ষে অতীত সোঁৱৰি ইয়াৰ চমু বুৰঞ্জী দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। ৰাইজে নিশ্চয় উপলব্ধি কৰিছে যে, ৰাইজৰ পৰা দান-বৰঙণি লৈ এখন অনুষ্ঠানৰ পূৰ্ণাঙ্গ প্ৰাপ্তি হ'বলৈ পঁচিশ বছৰে যথেষ্ট নহয়। তথাপিও ইয়াৰ ৰাইজে বিচৰাৰ দৰে তিনিওটা বিভাগকে (কলা, বিজ্ঞান আৰু বাণিজ্য) লৈ পূৰ্ণাঙ্গ ৰূপ দিবলৈ যত্ন কৰা হৈছে। বিশেষকৈ বিজ্ঞান শাখাত স্নাতক মহলালৈ ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাদান কৰাৰ সু-বন্দবস্ত কৰিব পৰা হৈছে। বাণিজ্য শাখাটো স্নাতক মহলালৈকে পাঠদান কৰা হৈছে।

অৱশ্যে এখন কলেজ স্নাতকোত্তৰ শ্ৰেণী নোখোলা-লৈকে আজিৰ দিনত পূৰ্ণাঙ্গ কলেজ বুলি ক'ব পৰা নেযায়। অৱশ্যে ৰাইজে নিশ্চয় সেই ফলও এদিন উপভোগ কৰিবলৈ পাব। কিন্তু সময় সাপেক্ষে হ'ব। এখন কলেজ কৰিবলৈ বহুতো বাধা-বিঘিনি অতিক্ৰম কৰিব লগা হয়। কেতিয়াবা আকৌ চৰকাৰী অনুমোদনত বহুতো হেমাহি, কেতিয়াবা হয়তো অৰ্থৰ অভাৱ। এইদৰে, এখন কলেজ গঢ়িবলৈ যাওঁতে অযথা পলম হয়। এইদৰে, এই কলেজখন গঢ়ি উঠোতে যথেষ্ট সময়ৰ আৱশ্যক হৈছে।

সদৌ শেষত, যি সকল ব্যক্তিয়ে এই কলেজৰ প্ৰতি অকুণ্ঠ সহায় আগবঢ়াই স্বৰ্গগামী হ'ল সেই ব্যক্তি সকলক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। যি সকল ব্যক্তিয়ে আজিও তেখেতসকলৰ অৱদান আগবঢ়াইছে তেখেতসকলক হিয়াভৰা ধন্যবাদ আগবঢ়াই সামৰণি মাৰিছো।

অজানিতে কলেজত ওতঃপ্ৰোত: ভাৱে জড়িত কোনো ব্যক্তিৰ যদি নাম বাদ পৰি গৈছে তাৰ বাবে ক্ষমা বিচাৰিছো। লেখনি চমু কৰিব লগা হোৱাত কিছু কথা বাদ পৰিছে যদি তাৰ বাবেও ক্ষমা বিচাৰিছো। ✪

# আমাৰ মহাবিদ্যালয় পুথিভঁৰাল

*—শিৱ বৰগোহাঁই*, গ্ৰন্থাগাৰিক

দুলীয়াজান মহাবিদ্যালয় ১৯৬৯ চনত স্থাপিত হৈছিল। যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানৰ জন্মৰ অন্তৰালত বহুতো কাহিনী তথা মহৎ উদ্দেশ্য থকা দৰে আমাৰ মহাবিদ্যালয়খনিৰ জন্ম লগ্নতো বহুতো কাহিনী নিহিত হৈ আছে। কেইজনমান সৎ সাহসী, নিঃস্বাৰ্থ, হিতাকাঙ্ক্ষী লোকৰ অশেষ পৰিশ্ৰমৰ ফলত মহাবিদ্যালয়খনি স্থাপন কৰা হৈছিল। আমি এই নিৱন্ধত মহা ালয়খনৰ জন্ম কাহিনী সন্দৰ্ভত আলোচনা কৰিব খোজা নাই। আমি কেৱল মহাবিদ্যালয়খনৰ পুথিভঁৰালটিৰ সম্বন্ধে কিছু সম্যক জ্ঞান দিবলৈ প্ৰয়াস কৰিছো। জ্ঞাত বা অজ্ঞাতে কিছু ত্ৰুটি থাকি গ'লেও আমি তাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

মহাবিদ্যালয়খনি স্থাপন হোৱাৰ লগে লগে ইয়াৰ অপৰিহাৰ্য্য অঙ্গ হিচাপে পুথিভঁৰাল এটিৰ আৱশ্যকীয়তা অনুভৱ কৰা হয়। প্ৰথম অৱস্থাত ই নিচেই চালুকীয়া আছিল। বিশেষ ব্যক্তি কেইজনমানৰ পৰা, যেনেকৈ নেকি – শিক্ষক, হিতাকাঙ্ক্ষী আৰু ওচৰ-পাজৰৰ দাতাৰ পৰা অতি কম সংখ্যক গ্ৰন্থ সংগ্ৰহ কৰি মহাবিদ্যালয় পুথি ভঁৰালটি আৰম্ভ কৰা হৈছিল। পুথিভঁৰালৰ দায়িত্ব তেতিয়া এজন শিক্ষকৰ ওপৰত ন্যস্ত কৰা হৈছিল। দিন-মাহ-বছৰ অতিক্ৰমি আজি এই মহাবিদ্যালয়ে পঁচিশ বছৰত ভৰি দিয়া বাবে মহাবিদ্যালয় পুথিভঁৰালেও সেই একে বয়সতে খোজ দিছে। এই বছৰতে এই মহাবিদ্যালয়ে পঁচিশ বছৰ সম্পূৰ্ণ কৰি "ৰূপালী জয়ন্তী" উৎসৱ উদ্‌যাপন কৰিবলৈ মনস্থ কৰিছে। গতিকে এই মহাবিদ্যালয় পুথি ভঁৰালেও "ৰূপালী জয়ন্তী" উদ্‌যাপন কৰা সুবিধা পাইছে।

মহাবিদ্যালয় পুথিভঁৰালটি প্ৰথম অৱস্থাত অতি কম সংখ্যক কিতাপেৰে অৰ্থাৎ আমি জনা তথ্য মতে প্ৰায় চাৰিশমান গ্ৰন্থেৰে আৰম্ভ কৰা হৈছিল। কিন্তু সময় আগবাঢ়ি যোৱাৰ লগে লগে গ্ৰন্থৰ সংযোজনৰ সংখ্যা বাঢ়ি যাবলৈ ধৰে। প্ৰথম দহ বছৰমান ধৰি পুথি ভঁৰালটিৰ অৱস্থা পুতৌ লগা আছিল। কাৰণ সেইখিনি সময়ৰ ভিতৰত চৰকাৰৰ পৰা কোনো অনুদান আদায় কৰিব পৰা নাছিল। কিছু সংখ্যক দাতা আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা সংগ্ৰহ কৰা আৰু কৰ্তৃপক্ষৰ পৰা পোৱা আৰ্থিক সাহায্যেৰে পুথিভঁৰালটিৰ গ্ৰন্থসমূহ সংগ্ৰহ কৰা হৈছিল। কিন্তু ১৯৮৭ চনৰ পাছৰ পৰা অৰ্থাৎ মহাবিদ্যালয়খনিৰ কলা বিভাগৰ চৰকাৰৰ পৰা সাহায্যপ্ৰাপ্ত অনুদানৰ স্বীকৃতি পোৱা পাছৰে পৰা পুথিভঁৰালটি সজীৱ হৈ উঠিছিল।

ইতিমধ্যে পুথিভঁৰালটিয়ে ২৫ বছৰ কাল অতিক্ৰম কৰাৰ লগে লগে ইয়াৰ কিতাপৰ সংখ্যাও আশানুৰূপে সংযোজন হৈছে। এই দীঘলীয়া পঁচিশটা বছৰ (আগৰ ১২/১৩ বছৰ বিশেষ ভাৱে উল্লেখৰ পৰা বিৰত ৰাখি) বৰ্ত্তমানে আমাৰ কিতাপৰ সংগ্ৰহ ২৫০০০ (পঁচিশ হাজাৰ) তকৈ অধিক হৈছে। এইখিনি চৰকাৰৰ অনুদান আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে দিয়া আৰ্থিক সাহায্যেৰে কিনা হৈছে।

এই সমুদায় কিতাপবোৰ বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ পাঠ্য-পুথিৰ ওপৰত গুৰুত্ব দি কিনা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয় – দুয়োখন বিশ্ব-বিদ্যালয়ৰ প্যঠ্যপুথি (Syllabus) তালিকা অনুসৰি কিনা হয়। অৱশ্যে ইয়াৰ লগতে ইয়াৰ আনুসঙ্গিক (Reference Book) কিতাপো সংগ্ৰহ কৰা হয়।

অন্যান্য জিলা পুথিভঁৰাল, কেন্দ্ৰীয় পুথিভঁৰাল বা গ্ৰাম্য পুথিভঁৰালৰ দৰে ইয়াত সকলো প্ৰকাৰৰ কিতাপ সংগ্ৰহ কৰিব বিচৰা নাই। কিন্তু ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে গৱেষণামূলক প্ৰায় সকলো বিষয়ৰ ওপৰতে কিতাপ আনি সংগ্ৰহ কৰা হৈছে। বৰ্ত্তমানে আমাৰ কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা বিভাগৰ প্ৰায় বিলাক কিতাপেই সংগ্ৰহ কৰা হৈছে।

বিশ্ববিদ্যালয় লাইব্ৰেৰীৰ দৰে আমাৰ মহাবিদ্যালয় পুথিভঁৰালো আধুনিক ধৰণে গ্ৰন্থসমূহ সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত বিতৰণ কৰা হয়। কিতাপ বিলাক প্ৰথমতে (Cataloguing) তালিকাভূক্ত কৰি পাছত (Classification) শ্ৰেণী বৰ্গীকৰণ কৰা হয়—



যাতে পঢ়ুৱৈ সমাজে সহজে নিজৰ অভিৰুচি মতে কিতাপ-খন পাব পাৰে।

মহাবিদ্যালয় পুথিভঁৰালটিৰ নিজস্ব এটা ছাত্ৰৰ বাবে আৰু আনটো ছাত্ৰীৰ বাবে অধ্যয়ন কোঠা আছে। তাৰোপৰি শিক্ষক সকলৰ বাবে সুকীয়াকৈ এটি অধ্যয়ন কক্ষৰ ব্যৱস্থা আছে। অন্যান্য লাইব্ৰেৰীত থকা একেটা অধ্যয়ন কক্ষতে ছাত্ৰ-ছাত্ৰী বা অন্যান্য লোক পঢ়িব পৰা ব্যৱস্থা থাকিলেও আমাৰ মহাবিদ্যালয় পুথিভঁৰাল অধ্যয়ন কক্ষক ল'ৰা আৰু ছোৱালীৰ বাবে সুকীয়াকৈ ভাগ কৰি দিয়াত কিছু নিয়মানুবৰ্ত্তিতা আৰু অধ্যয়নৰ স্পৃহাত যাতে বিঘিনি নঘটে তাৰ বাবে লক্ষ্য ৰাখিয়েই এনে কৰা হৈছে। আমাৰ সকলো পঢ়ুৱৈ সমাজৰে অধ্যয়নৰ প্ৰতি যাতে আকৰ্ষণ বাঢ়ি যায়, সেই উদ্দেশ্য আগত ৰাখিয়েই আমি এনে ব্যৱস্থা গ্ৰহণ কৰিছো।

পুথিভঁৰালটি সুকলমে পৰিচালনা কৰি যোৱাত কলেজ কৰ্তৃপক্ষৰ পৰা যথেষ্ট সহযোগিতা পোৱা হয়। কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ পৰা লাইব্ৰেৰীৰ বাবদ পোৱা বৰঙণিৰে পঢ়ুৱৈৰ বাবে বিভিন্ন ধৰণৰ আলোচনী, পুস্তিকা, বাতৰি কাকত আদি যোগান ধৰে। বৰ্ত্তমানে আমি ছাত্ৰ-ছাত্ৰী তথা পঢ়ুৱৈৰ বাবে ইংৰাজী আৰু অসমীয়া প্ৰায় ১০ খন দৈনিক বাতৰি কাকত আমাৰ পুথিভঁৰালত ৰাখিছো। তাৰোপৰি পষেকীয়া আৰু মাহেকীয়া অন্যান্য প্ৰায় ৮ খন মান আলোচনী সংগ্ৰহ কৰা হয়। দেশৰ বিভিন্ন বা-বাতৰি আৰু তথ্যপাতি ও ঘটনাসমূহ ছাত্ৰ-ছাত্ৰীসকলে নিয়মিত ভাৱে যাতে পাই থাকিব পাৰে তাৰ বাবে এই বাতৰি কাকত আৰু মেগাজিনসমূহ সংগ্ৰহ কৰা হয়।

তাৰোপৰি ছাত্ৰ-ছাত্ৰী তথা পঢ়ুৱৈ সমাজে যাতে কিতাপ অধ্যয়নৰ সকলো সা-সুবিধা পায় আৰু তেওঁলোক যাতে পুথিভঁৰালৰ প্ৰতি অধিক আকৰ্ষিত হয় এনে সৎ উদ্দেশ্য আগত ৰাখিয়েই আমি আমাৰ পুথিভঁৰালটি সজ্জিত কৰি ৰাখিব বিচাৰো।

সুখৰ বিষয় যে বৰ্ত্তমানে নিৰ্ম্মাণ কৰি থকা আৰু প্ৰায় শেষ হোৱা পথত থকা দুমহলীয়া ভৱনটিৰ ওপৰ মহলালৈ পুথিভঁৰালটি স্থানান্তৰিত কৰা হ'ব। সেইয়ে যদি হয় তেতিয়া হ'লে আমাৰ পুথিভঁৰালটি নৱ নিৰ্মিত কোঠাত অধিক সা-সুবিধাৰে অধ্যয়নপুষ্টি হৈ পৰিব বুলি ভাৰিবৰ থল আছে। ✪

# মই যিদৰে জানিব পাৰিছো

—দীপজ্যোতি শইকীয়া
অধ্যাপক, উদ্ভিদ বিভাগ

লিখনীৰ আৰম্ভণীতে যোৱা পঁচিশ বছৰে যি সকল খেলুৱৈ আমাৰ কলেজলৈ সন্মান কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে সেই জ্ঞাত-অজ্ঞাত সমূহ খেলুৱৈলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাইছো আৰু ৰূপালী জয়ন্তী বৰ্ষ হিচাপে পালন কৰা উদ্‌যাপন অনুষ্ঠানত সেই সকলো খেলুৱৈলৈ শুভেচ্ছা জনাবলৈ পাই নিজকে ধন্য মানিছো।

এতিয়া আহোঁ যোৱা তিনিবছৰে অৰ্থাৎ মই এই কলেজলৈ চাকৰি কৰিবলৈ অহাৰ পাছৰ । মই যিদৰে খেলৰ বিষয়ে জানিব পাৰিছো তাৰ বিষয়ে কিছু কথা লিখিবলৈ। মই তুলীয়াজান মহাবিদ্যালয়ত ১৯৯১ চনৰ চেপ্তেম্বৰ মাহত চাকৰিত যোগদান কৰো আৰু তাৰ পিছৰ পৰাই মই প্ৰায় সকলো বিলাক মহাবিদ্যালয়ৰ খেলৰ সৈতে জৰিত হৈ পৰো, যিহেতু মই নিজে এজন খেলুৱৈ আছিলো আৰু নিজৰ অসুবিধা নেওচিও মহাবিদ্যালয়ৰ বিভিন্ন খেলত বিভিন্ন ঠাইলৈ খেলুৱৈ সকলৰ লগত গৈছিলো। বিগত এই তিনি বছৰত খেলুৱৈ সকলৰ লগত থাকি মই যিদৰে জানিব পাৰিছো আৰু এই কেইবছৰত হৈ যোৱা খেল সমূহৰ কিছু আভাষ দাঙি ধৰিব বিচাৰিছো।

প্ৰথমে আহোঁ আমাৰ সকলোৰে প্ৰিয় খেল ফুটবল। এই খেলত আমাৰ কলেজ এতিয়ালৈকে মই জনাত এবাৰ যুগ্ম বিজয়ী হৈছিল ১৯৮৪-৮৫ চনত ডিমৌত। তাৰ পিছৰ পৰাই সুদীৰ্ঘ দহ বছৰ এই খেলত কোনো ধৰণৰ ভাল ফলাফল দেখুৱাব পৰা নাছিল। কিন্তু হঠাতে যেন আমাৰ খেলুৱৈ সকল সজীৱ হৈ উঠিল আৰু একেৰাহে যোৱা দুবছৰে ফাইনেলত উপনীত হ'ব পাৰিছে আৰু এবাৰ বিজয়ীৰ সন্মান কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে আমাৰে চুবুৰীয়া কলেজ শক্তিশালী নাহৰকটীয়া মহাবিদ্যালয়ক পৰাজিত কৰি আৰু এই বছৰ ১৯৯৩ চনত সেই একেখন মহাবিদ্যালয়ৰ হাতত পৰাজয় হৈছে। কিন্তু কিয় ? লগতে যোৱা তিনিবছৰে Discipline Trophy কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। এইবাৰ আহোঁ অন্য এবিধ খেললৈ যিবিধ খেল আজিলৈকে আমাৰ মহাবিদ্যালয়ত খেলা দেখা পোৱা নাই আৰু সম্ভৱ খেলাৰ সুবিধাও নাই যেন লাগিছে। কিন্তু এই বিধ খেলেও কলেজলৈ বিজয়ী সন্মান কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। সেয়া হ'ল টেবুল টেনিছ। যোৱা ১৯৯২ চনত আমাৰ কলেজৰ দুগৰাকী ছাত্ৰীয়ে ক্ৰমে দীপাঞ্জলী ভূঞায়ে একক বিজয়ী আৰু দীপাঞ্জলী ভূঞা আৰু প্ৰবিনা চেতিয়াই যুগ্ম বিজয়ীৰ লগতে শ্ৰেষ্ঠ দল হিচাপে সন্মান কঢ়িয়াই আনিছে। কিন্তু ল'ৰাৰ শাখাত যদিওবা কোনো সন্মান কঢ়িয়াই আনিব পৰা নাই (মই জনাত) তথাপি বিজিত চক্ৰবৰ্ত্তীয়ে বিশ্ব-বিদ্যালয়ৰ দলত খেলাৰ সুবিধা পাইছে।

এইবাৰ আঁহো এই বছৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন এথ্‌লেটিক খেল সমূহৰ বিষয়লৈ। এথ্‌লেটিকচ খেল সমূহত মহাবিদ্যালয়ৰ ল'ৰা খেলুৱৈ সকলে যোৱা দুবছৰে যথেষ্ট সুনাম অৰ্জন কৰা লগতে বিশ্ববিদ্যালয়ৰ নতুন ৰেকৰ্ড স্থাপন কৰিব পাৰিছে আৰু দুয়োবছৰে ল'ৰা বিভাগত শ্ৰেষ্ঠ দল হিচাপে মহাবিদ্যালয়লৈ গৌৰৱৰ সন্মান কঢ়িয়াই আনিছে। ইয়াৰ ভিতৰত দীঘল জাপত শ্ৰীমনোজ কৰে নতুন অভিলেখ স্থাপন কৰিছে যোৱা বছৰৰ নিজৰে অভিলেখ ভঙ্গ কৰি। তাৰ পিছত ৪ × ১০০ মিঃ ৰিলে দৌৰত লোকপ্ৰিয় বৰুৱা, কে. যুগা ৰাও, অলক গগৈ আৰু মনোজ কৰে পূৰ্বৰ অভিলেখ ভঙ্গ কৰি নতুন অভিলেখ স্থাপন কৰে। ৪ × ৪০০ মিঃ ৰিলে দৌৰত ক্ৰমে লোকপ্ৰিয় বৰুৱা, কে. যুগা ৰাও, অলক বৰা আৰু মনোজ কৰে নতুন অভিলেখ স্থাপন কৰে। ইয়াৰ বাদে জেভেলিন দলিওৱাত নিপন তামুলীৰ বাদে কোনো প্ৰতিযোগিয়ে নিৰ্দ্ধাৰিত সীমা অতিক্ৰম কৰিব নোৱাৰিলে আৰু লোকপ্ৰিয় বৰুৱাই বিভিন্ন খেলৰ ফলাফলৰ পৰা শ্ৰেষ্ঠ দৌৰ বীৰৰ সন্মান পাই।

ইমান বিলাক সন্মান এই কেইবছৰৰ ভিতৰতে মহাবিদ্যালয়লৈ কঢ়িয়াই অনাৰ বাবে মহাবিদ্যালয়ৰ আমি সকলোৱে গৌৰব অনুভৱ কৰো। কিন্তু এতিয়া কথা হ'ল ইমান বিলাক সন্মান কঢ়িয়াই অনাৰ পাছত আমি খেলুৱৈ সকলক কি কি সুবিধা দিব পাৰিছো। এই ক্ষেত্ৰত খেলুৱৈ সকলৰ লগত থাকি মই প্ৰায় এটা কথা শুনিবলৈ পাওঁ যে— "ইমাৰ কষ্ট কৰি কলেজলৈ সন্মান কঢ়িয়াই আনো কিন্তু কলেজে আমাক কি সুবিধা দিয়ে।" সেয়েহে খেলুৱৈ সকলে কিছু ক্ষেত্ৰত অলপ গা-এৰাই খেলা যেন লাগে, অৱশ্যে কিছু সংখ্যক খেলুৱৈ বাদে। গতিকে যদিহে আমি ভৱিষ্যৎতৰ খেল সমূহত ভাল ফলাফল বিচাৰো তেতিয়া হ'লে কিছু চিন্তা কৰিবলগীয়া হ'ল। খেলুৱৈ সকলক দিয়া সুবিধাৰ বিষয়ে বিশ্লেষণ কৰি চালে দেখা যায় যে খেলাৰ বাবে আৱশ্যকীয় নুণ্যতম বস্তু কেই পদো সম্পূৰ্ণকৈ দিব পৰা নাই (অৱশ্যে সীমিত পুঁজিৰ বাবে)। আনকি খেলাৰ বাবে খেল-পথাৰখন উপযোগীকৈ দিব পৰা নাই। যি খন খেল পথাৰ আছে সেই খনৰ অৱস্থা দিনে দিনে হাবি জংঘলে আৱৰিবলৈ লৈছে। ক্ৰিকেট পিট্চ এটা ডাঙৰ খালত পৰিণত হৈছে। ফুটবলৰ গ'ল পষ্ট দুটা মই দেখাৰ পৰা মাটিত পৰি আছে। ভলীবলৰ পষ্ট দুটা আজি এঠাইত কাইলৈ এঠাইত। টেবুল টেনিছৰ বৰ্ডৰ কথা নকলোৱেবা।

গতিকে এই ক্ষেত্ৰত আমি অলপ চিন্তা-চৰ্চা কৰি কিছু সুবিধা, কিছু সহায় সহযোগ দিবৰ বাবে চিন্তা কৰিবৰ হ'ল। অকল খেল হৈ থকা দিন কেইটাৰ যাবতীয় খৰছ-পাতি বহন কৰি থাকিলেই আমি খেলৰ মানদণ্ড উন্নতি বা ভাল ফলাফল আশা কৰিব নোৱাৰো। তদুপৰি বছৰেকত এবাৰ ছাত্ৰ সকলৰ প্ৰতিভা বিকাশৰ বাবে এবাৰ বিভিন্ন প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়, মই ভাবো এইয়া যথেষ্ট নহয়। ইয়াৰ উপৰিও যদি কৰ্তৃপক্ষৰ সাৰ্মৰ্থ্য সম্ভৱ হয় অন্য কিছু সুবিধা দিবৰ বাবে চেষ্টা কৰিলে আমি আৰু গৌৰবৰ অধিকাৰ হ'ব পাৰিম বুলি আশা কৰিব পাৰে, যেনে— প্ৰথমে আমাৰ এই দুলীয়াজান অঞ্চলত যথেষ্ট সংখ্যক ভাল খেলুৱৈ আছে যি সকলক আমি মাতি আনি বছৰত এবাৰ হ'লেও ছাত্ৰ খেলুৱৈ সকলক প্ৰশিক্ষণ দিবৰ বাবে চেষ্টা কৰিব পাৰো। দ্বিতীয়তে যি সকল ছাত্ৰ-ছাত্ৰীয়ে কলেজলৈ ব্যক্তিগত ভাবে বা দলীয় ভাবে বিশ্ববিদ্যালয়ৰ পৰ্য্যায়ত সন্মান কঢ়িয়াই আনে তেনে ছাত্ৰ-ছাত্ৰী সকলক মাহিলী মাচুল বা ভৰ্ত্তি মাচুল ৰেহাই বা বিশেষ জলপানী দিবৰ বাবে চেষ্টা কৰিব পাৰো যিহেতু পঢ়া-শুনাৰ লগতে খেলা-ধুলাও এটা অভিন্ন অংগ হিচাবে সকলোৱে স্বীকাৰ কৰে আৰু পঢ়া-শুনা ক্ষেত্ৰত যিহেতু জলপানীৰ ব্যৱস্থা আছে আৰু মই জানিব পাৰিছো যে যদিহে কলেজ কৰ্তৃপক্ষই বিশ্ববিদ্যালয়ৰ খেল বিভাগৰ সৈতে যোগা-যোগ কৰি আবেদন কৰে তেনেহ'লে কিছু বৰঙণি পোৱাৰো সুবিধা আছে। এই ক্ষেত্ৰত আমাৰ কলেজে কি ব্যৱস্থা লৈছে নাজানো। তৃতীয়তে আহো খেল পথাৰখনৰ বিষয়ে— খেল পথাৰখন চৰণীয়া পথাৰলৈ পৰিণত নকৰি খেলাৰ উপযোগী কৰি ৰাখিব পাৰো। গতিকে মোৰ ফালৰ পৰা কৰ্তৃপক্ষলৈ বিশেষ ভাবে অনুৰোধ জনালো যাতে ভৱিষ্যতে এই ক্ষেত্ৰত কিছু বিহিত ব্যৱস্থা লয়।

শেষত আঁহো খেলুৱৈ সকলৰ অনুশীলন দিশটোলৈ— কিছু সংখ্যক খেলুৱৈ বাদে প্ৰায় বিলাক প্ৰতিযোগীয়ে প্ৰতিযোগিতাৰ কেইদিনমান আগৰ পৰাহে অনুশীলন কৰা দেখা যায় আৰু সেয়েহে কিছুক্ষেত্ৰত তেওঁলোকে ব্যৰ্থতাৰ সন্মুখীন হ'বলগীয়া হৈছে। যিটো এইবাৰ ডিব্ৰুগড়ত এজন খেলুৱৈৰ ক্ষেত্ৰত দেখা পাইছিলো। গতিকে মই মোৰ ফালৰ পৰা ছাত্ৰ খেলুৱৈ সকলক বিশেষ ভাবে অনুৰোধ জনাও যাতে তেওঁলোকে যি খিনি সুবিধা পাইছে তাকে লৈ তেওঁলোকে যাতে নিয়মীয়া অনুশীলন কৰে, লগতে পঢ়া শুনাৰ প্ৰতিও যত্ন লয়। আজিৰ যুগত শিক্ষাৰ অবিহনে নিজকে প্ৰতিষ্ঠিত কৰিব নোৱাৰি। লগতে তেওঁ লোকৰ প্ৰতি আৰু এটা অনুবোধ য'তে যিহকে পাই তাকে নাখায়, তেওঁলোকে খোৱা-বোৱাৰ লগতে স্বাস্থ্যৰ প্ৰতিও যত্ন লয়। এটা প্ৰবাদ আছে যে "স্বাস্থ্যই মূলধন" সদৌ শেষত আকৌ এবাৰ সকলো খেলুৱৈ লৈ মোৰ আৰু কৰ্তৃপক্ষৰ তৰফৰ পৰা পুনৰবাৰ শুভেচ্ছা জনাইছো আৰু ভৱিষ্যতৰ দিনবোৰত যেন আমাৰ মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন ৰাখিব পাৰে তাৰ প্ৰতি অনুৰোধ জনাইছো আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

বিঃ দ্ৰঃ - এই লিখনীত বহু সংখ্যক খেলুৱৈৰ নাম আৰু তেওঁলোকে কঢ়িয়াই অনা সন্মান মোৰঅজ্ঞাতে থাকি যাব পাৰে। সেইহে তেওঁলোকৰ ওচৰত ক্ষমা খুজিছো।

# কেনেকৈনো পাৰ হ'ল অতীতৰ দিনবোৰ

—বীৰেন চুতীয়া

আমি স্কুলত পঢ়িবলৈ যোৱাৰ সময়ত নাহৰকটীয়া আৰু টেঙাখাটৰ বাহিৰে বাকী এই অঞ্চলত কোনো হাইস্কুল নাছিল। শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটো অতি পিছপৰা আছিল। কঠালগুৰি হাইস্কুল আৰম্ভ কৰিবৰ সময়ত আমি হাইস্কুলৰ প্ৰথম ছাত্ৰ আছিলো। স্কুলৰ বাবে পইচা তোলা, স্কুলৰ মাটিত থকা হাবি জংঘল চফা কৰা, ঘৰ বনোৱা ইত্যাদি অনেক কাম কৰিবলগীয়া হৈছিল সেই সময়ত পাঠদান কৰিবৰ বাবে শিক্ষকৰো অভাৱ আছিল। এনে অৱস্থাত নানা আলৈ আহুকালৰ মাজেদি কঠালগুৰি হাইস্কুলৰ পৰা মই আৰু তিলোচন চুতীয়াই প্ৰথম মেট্ৰিক পাছ কৰিছিলো। সেইদিনা আমাৰ মন আনন্দেৰে নধৰা হৈছিল। সেই সময়ত আমি সকলোৱে ঘৰুৱা কাম বন কৰি পঢ়িছিলো। পঢ়ি-শুনি আহি এই অঞ্চলটোৰ কেনেকৈ উন্নতি কৰিব পাৰি সেই কথা আমি ছাত্ৰ অৱস্থাতে চিন্তা কৰিছিলো। এই ক্ষেত্ৰত শিক্ষকসকল আছিল পথ প্ৰদৰ্শক। শিক্ষক সকলৰ ত্যাগ আৰু ধৈৰ্য্যই আছিল আমাৰ বাবে পৰম সম্বল। শিক্ষক সকলৰ ভিতৰত যোগেশ শইকীয়া চাৰে আমাৰ বন্ধুবোৰ কথাৰ নেতৃত্ব দিছিল। কানৈ কলেজত পঢ়িবলৈ যাওঁতে সেই সময়ত ডিব্ৰুগড়ত শিক্ষানুষ্ঠান পতাৰ নৱজাগৰণ হৈছিল। নন্দলাল গোহাঁই, বি, আৰ যুমুৰাৰাই ডিব্ৰু কলেজ আৰম্ভ কৰিছিল। ডিব্ৰুগড় বিশ্বৱিদ্যালয়, মনোহাৰী ছোৱালী কলেজ, কমাৰ্চ কলেজ, ল' কলেজ ইত্যাদি শিক্ষানুষ্ঠান বিলাক পাতিবৰ বাবে দানবীৰ কানৈৰ সহযোগত নেতৃত্ব দিছিল ৺লক্ষী দত্ত চাৰে। প্ৰাক্তন অধ্যক্ষ যোগীৰাজ বসু চাৰকে প্ৰমুখ্য কৰি কানৈ কলেজৰ সেই সময়ত অধ্যাপনা কৰা সকলো শিক্ষকে এই বিষয়ত সহযোগ কৰিছিল। সেই সময়ৰ ছাত্ৰ হৈ এই বিলাকত আপেকীয়াকৈ জড়িত হৈ শিক্ষানুষ্ঠান পতাৰ অভিজ্ঞতা হৈছিল। ৺ নন্দেশ্বৰ চক্ৰৱৰ্তীক সভাপতি হিচাবে লৈ চণ্ডিকোঁৱৰৰ নেতৃত্বত গহীন চুতীয়া, আৰ হুচেইন, জিতেন চুতীয়া, তীৰ্থ হাজৰিকা আৰু মই গ্ৰেহেম বজাৰৰ এম. ই স্কুলত এখন নৈশ বিদ্যালয় আৰম্ভ কৰিছিলো। নালিয়াপুল নৱজ্যোতি নামৰ এটা ল'জত থাকোতে আমি প্ৰতি দেওবাৰে আলোচনা চক্ৰ পাতিছিলো। প্ৰগতি পুথিভঁৰাল আছিল আমাৰ বাবে কিতাপ, আলোচনী, বাতৰি কাকত কিনি পঢ়াৰ দোকান।

১৯৬৭ চনত টেঙাখাটত ৰাইজে এখন কলেজ পাতিবলৈ প্ৰস্তুতি চলাইছিল। মই তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি আছিলো। ফুলেশ্বৰ গগৈ চাৰে মোক জনালে কলেজ এখন এইবছৰতে আৰম্ভ হ'ব তুমি আহি যোগ দিব লাগে। মোৰ মনটো উৰা মাৰিল টেঙাখাটলৈ। ২৬-৭-৬৭ তাং বুধবাৰৰ দিনা টেঙাখাট কলেজৰ দুৱাৰ মুকলি অনুষ্ঠান আৰম্ভ হ'ল। তিনিচুকীয়া ছোৱালী কলেজৰ প্ৰাক্তন অধ্যক্ষ স্বৰ্গীয় উমা প্ৰসন্ন দে দুৱাৰ মুকলি অনুষ্ঠানৰ বিশিষ্ট অতিথি আছিল। টেঙাখাটবাসী ৰাইজৰ মাজত অপাৰ আনন্দ। উচ্চ শিক্ষাৰ এগছি নতুন বন্তি জ্বলোৱা হ'ল। ৰূদ্ৰেশ্বৰ সোনোৱাল, দেবেন শইকীয়া, গুৰুপ্ৰসাদ দাস, সুবোধ গগৈৰ লগতে অসমীয়া বিভাগত প্ৰবক্তা হিচাবে যোগ দিলো মই। অধ্যক্ষৰ দায়িত্বত থাকিল ফুলেশ্বৰ গগৈচাৰ নিজে। কলা শাখাত (Arts) পুৰাৰ ভাগত টেঙাখাট ছোৱালী হাইস্কুলত প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীটো আৰম্ভ কৰা হ'ল। একেবাৰে শেষৰ পিৰিয়দটো আছিল মোৰ। মহমাৰী গাৰ্ড়ৰ পৰা চাইকেলেৰে গৈ ক্লাচ কৰি আকৌ ঘৰলৈ ঘূৰি আহো। জয়পুৰ আলিটো তেতিয়াও পকা হোৱা নাই। শিলৰ ৰাস্তাটো বৰষুণ দিলে মাজে মাজে বোকা হয়। কলেজৰ বাবদ টকা তুলিবলৈ নাইবা ধান সংগ্ৰহ কৰিবলৈ কলেজ চুটিৰ পাছত কেতিয়াবা কেতিয়াবা আমি ওলাই যাওঁ। মই থকা সময় ছোৱাৰ ভিতৰতেই পোন্ধৰ হাজাৰ টকাৰ ৰিজাৰ্ভ ফাণ্ড আৰু প্ৰায় ৰিশ হাজাৰ টকাৰ ৰকিং ফাণ্ড কৰি বিশ্ববিদ্যালয়ৰ চৰ্ত পূৰণ কৰা হৈছিল। সেইদৰে লাইব্ৰেৰীৰ বাবেও কিতাপ সংগ্ৰহ কৰা হৈছিল। টেঙাখাটৰ প্ৰায়বিলাক মানুহে কলেজখন

প্ৰতিষ্ঠাৰ বাবে উঠিপৰি লাগিছিল। টেঙাখাট কলেজত কাম কৰি থকা অৱস্থাত আমি কেৱল কলেজৰ বাবে চান্দা বৰঙণিয়ে সংগ্ৰহ কৰা নাছিলো, টেঙাখাট সাহিত্য সভা আৰু অন্যান্য সভা সমিতিটো আমি যোগ দিছিলো।

১৯৫৩ চনত নাহৰকটীয়াত তেলৰ আবিষ্কাৰ হোৱাত ডিগবৈৰ A. O. C কোম্পানীয়ে খনন কাৰ্য্য আৰম্ভ কৰিলে। প্ৰথম অৱস্থাত ডিগবৈ আৰু দুলীয়াজানৰ মাজৰ ৰাষ্টাটো হোৱা নাছিল। সেইবাবে তিনিচুকীয়া হৈ গাড়ী বিলাক ঘূৰি আহিছিল। বুঢ়ীদিহিং নদীৰ ইপাৰে-সিপাৰে তেল পোৱাত বৰুৱা কেম্পত অস্থায়ী ভাবে এখন নগৰ গঢ়ি উঠিছিল। ইয়াৰ পাছত জালনী গ্ৰান্ত আৰু সৰু পথাৰ বঙালী গাওঁ বিজাৰ্ভক লৈ কোম্পানীয়ে স্থায়ী-ভাৱে আবাসীক অঞ্চলৰ লগতে উদ্যোগিক ক্ষেত্ৰ নিৰ্মাণ কৰিলে। A. O. C কোম্পানীৰ নাম সলনি হৈ অইল ইণ্ডিয়া কোম্পানী হ'ল। কে, বি, কানুগাৰ নেতৃত্বত অসমৰ ভিতৰতে এখন সুন্দৰ পৰিকল্পিত নগৰ গঢ়ি উঠিল। কোম্পানীৰ কাৰু কাৰ্য্য বৃদ্ধি পোৱাৰ লগে লগে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা জীবিকাৰ সন্ধানত বহুতো মানুহ দুলীয়াজানলৈ আহিল। এই অঞ্চলৰ গাৱঁৰ কৃষিজীবি ৰাইজে কল্পনা কৰিব নোৱাৰাকৈয়ে হাবিৰ মাজত সুন্দৰ নগৰ গঢ়ি উঠিল। তেল শিল্পই এই অঞ্চললৈ অনা অভাবনীয় পৰিবৰ্ত্তনৰ সন্মুখীন হ'বলৈ এই অঞ্চলৰ কৃষিজীৱি সমাজখনৰ কোনো পূৰ্ব প্ৰস্তুতি নাছিল। শিক্ষা দীক্ষাত পিছ পৰি থকা এই অঞ্চলৰ থলুৱা যুৱক সকল মজদুৰ চাকৰিৰ বাহিৰে অন্য কোনো চাকৰিয়ে এই অঞ্চলৰ লোকে লব নোৱাৰিলে। জীয়াই থকাৰ একমাত্ৰ সম্বল মাটি ভেটি কোম্পানীক গটাই দি বহু কৃষক ৰাইজ হ'ল দিশহাৰা। যি সকলৰ হাতলৈ টকা আহিল সদ্-ব্যৱহাৰ কৰিব নাজানি দুদিনতে ভিকহু হ'ল। এনে এক সন্ধিক্ষণত কলেজত পঢ়িবলৈ যোৱা আমাৰ কেইজনমান যুৱকৰ চিন্তা হ'ল এনেবোৰ সমস্যাৰ পৰিত্ৰাণৰ উপায় কি? এফালে পঢ়া আনফালে এনেবোৰ সমস্যাৰ স'তে মোকা-বিলা কৰা। ইয়াৰ পৰিণতিতেই ১৯৬৬ চনত জন্ম দিয়া হ'ল দুলীয়াজান আঞ্চলিক যুৱক সংঘৰ। মহমাৰী, কছাৰী পথাৰ আৰু টিপলিংত যুৱক সংঘৰ তিনিখন বৃহৎ অধিবেশন অনুষ্ঠিত হৈছিল। অইল ইণ্ডিয়া কোম্পানী, যুৱক সংঘ আৰু চৰকাৰৰ মাজত চাকৰিৰ নিয়োগৰ ক্ষেত্ৰত এখন ত্ৰিপাক্ষীক ঐতিহাসিক চুক্তি স্বাক্ষৰিত হৈছিল। তেতিয়াৰ উপায়ুক্ত হৰেণ দাস আৰু উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্ম্মাই চৰকাৰৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। ষাঠিৰ দশকত উজনী অসমত যুৱক সকলৰ দ্বাৰা গণতান্ত্ৰিক ভাৱে চৰকাৰৰ স'তে একত্ৰিত হৈ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত ভূমিকা লোৱা দুলীয়াজান আঞ্চলিক যুৱক সংঘই আছিল সৰ্ববৃহৎ সংগঠন। এই অনুষ্ঠানেই দুলীয়াজানত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠাৰ বিষয়ত প্ৰথম বীজ ৰোপন কৰিছিল।

টেঙাখাট কলেজত চাকৰি কৰি থাকোতেই দুলীয়াজানত এখন কলেজৰ প্ৰয়োজন হ'ল সেই কথা মনে মনে চিন্তা কৰিলো। এদিন এই কথাষাৰ ক'লো মোৰ বন্ধু তীৰ্থ হাজৰিকাক। তেওঁ তেতিয়া বি, এ, পাছ কৰি ঘৰতে বহি আছিল। দুবছৰৰ মানৰ পাছত তেওঁ পঢ়ি শুনি এম, এ, পাছ কৰি আহিব। তাৰ পাছত আমি দুলীয়াজানত কলেজ খুলিম বুলি সিদ্ধান্ত কৰিলো। গহীন চুতীয়া আৰু ক্ষীৰোদ শইকীয়াৰ লগতো আলোচনা কৰিলো। তেওঁলোকেও আমাৰ কথাত সন্মতি জনালে। স্বৰ্গীয় চেনীৰাম দত্তকে প্ৰমূখ্য কৰি গাঁৱৰ অন্যান্য মানুহৰ লগতো আলোচনা কৰা হ'ল। সকলোৱে সন্মতি জনালে। কলেজৰ বাবে মাটি ক'ত পোৱা যাব তাকো চাৰ্ভে কৰি চোৱা হ'ল। সেই সময়তে চলাকটকী চৰণীয়া গেজিংৰ পৰা চৰকাৰে অসম গেছ কোম্পানীৰ বাবে এশ পাঁচ বিঘা মাটি আবণ্টন দিছিল। তাৰ বিপৰীতে থকা বৰ্ত্তমান অৱস্থিত কলেজৰ মাটিখিনিয়েই উপযুক্ত হ'ব বুলি আমি সিদ্ধান্ত কৰিলো। তেতিয়া ফণী গগৈ (বৰুৱা) আছিল এই অঞ্চলৰ মাটি মণ্ডল। অফিচলৈ গৈ মাটিখিনিৰ সম্বন্ধে তেখেতৰ লগত আলোচনা কৰিলো। তেতিয়াহে জানিব পাৰিলো চেটেল-মেণ্ট এৰিয়াৰ বাবে অইল ইণ্ডিয়া কোম্পানীয়ে বিচাৰি উপায়ুক্তক আবেদন কৰিছিল। অতি শীঘ্ৰে ৰাইজৰ প্ৰস্তাৱ লৈ উপায়ুক্তক আবেদন নকৰিলে মাটি পোৱা নাযাব বুলি মোক জানিবলৈ দিলে। সেইমতে এখন সাধাৰণ সভা পাতিবলৈ স্থিৰ কৰা হ'ল। যিহেতু চলাকটকী চৰণীয়া গেজিংৰ মাটি, সেইবাবে চলাকটকী ৰাইজৰ পূৰ্ণ সমৰ্থন

লাগিব। তীৰ্থ হাজৰিকা আৰু মই আহি চলাকটকী গাঁৱৰ ৰাইজৰ লগত বিষয়টো আলোচনা কৰিলো। বিশেষকৈ ৺বৈদ্য গগৈ, লক্ষী গগৈ, বীৰেন ৰাজকোঁৱৰকে আদি কৰি চলাকটকী গাঁৱৰ ৰাইজে কথাটো শুনি বৰ ভাল পালে। গাঁৱৰ এল, পি, স্কুলখনতে সভাখন পতাৰ স্থান নিৰ্দ্ধাৰণ কৰা হ'ল। বসন্ত গগৈদেৱক বিশেষ ভাবে সভাখন আয়োজন কৰাৰ দায়িত্ব দিয়া হ'ল। মোৰ আৰু তীৰ্থ হাজৰিকাৰ নামত ১১-৮-৬৮ তাৰিখ দেওবাৰ দিনা দিনৰ এক বজাত কলেজৰ বিষয়ে আলোচনা কৰিবলৈ উক্ত স্থানতে এখন নিমন্ত্ৰণ চিঠি লিখু কৰি ৰাইজক নিমন্ত্ৰণ জনোৱা হ'ল। প্ৰথম অৱস্থাত বহু ৰাইজৰ মনতে সন্দেহ হৈছিল— "সঁচাকৈ ইয়াত জানো এখন কলেজ হ'ব।" আগষ্ট মাহৰ সেই দেওবাৰৰ দিনটোত বৰ্ত্তমানে থকা চলাকটকী গাঁৱৰ এল, পি, স্কুলখনৰ কাষতে পূৱা-পশ্চিমাকৈ অৱস্থিত বাঁহৰ পূৰ্বৰ এল, পি, স্কুলখনত বসন্ত গগৈদেৱে এবাল্টি পানী; বাতিৰে সৈতে এটা ঘটি; খৰাহী এটাত তামোল-পান আৰু দুখনমান বিচনী লৈ ৰাইজৰ বাবে অপেক্ষা কৰি বহি আছিল। সেই দৃশ্যটো আজিও মোৰ মনত সজীৱ হৈ আছে। সভাখনত উপস্থিত ৰাইজৰ সংখ্যা আছিল একুৰি পোন্ধৰজন। সভাখন পৰিচালনা কৰিবলৈ সভাপতি নিৰ্ব্বাচন কৰা হ'ল স্বৰ্গীয় চেনীৰাম দত্তদেৱক। তেল শিল্পক কেন্দ্ৰ কৰি গঢ়ি উঠা দুলীয়াজান অঞ্চলত কলেজ এখনৰ আৱশ্যকতা, কেনে ধৰণৰ কলেজ হ'ব আৰু ইয়াত কলেজ পাতিব পৰা কি কি সুবিধা আছে ইত্যাদি সকলো কথাই বিতংকৈ উদ্দেশ্য ব্যাখ্যাত মই দাঙি ধৰিলো। ৰাইজৰ ফালৰ পৰা পূৰ্ণসমৰ্থন জনালে হাতচাপৰিবাই। সমজুৱাৰ ফালৰ পৰা কেইবাজনো বক্তাই সমৰ্থন কৰি ভাষণ দিলে। সভাপতিৰ মন্তব্যত অতি সোনকালে কলেজ এখন প্ৰতিষ্ঠা কৰিবৰ বাবে ৰাইজক আহ্বান জনালে। সভাত তিনিটা প্ৰস্তাৱ গৃহীত হ'ল। প্ৰথম প্ৰস্তাৱত দুলীয়াজানত এখন কলেজ খোলাৰ সিদ্ধান্ত গ্ৰহন কৰা হয়। দ্বিতীয় প্ৰস্তাৱত এশ বিঘা মাটি কলেজৰ বাবে চলাকটকী চৰণীয়া গেজিংত আবণ্টন দিবলৈ চৰকাৰক অনুৰোধ জনোৱা হয়। তৃতীয় প্ৰস্তাৱত স্বৰ্গীয় চেনীৰাম দত্তক সভাপতি, বসন্ত গগৈক উপ-সভাপতি, বীৰেণ চুতীয়াক সম্পাদক, তীৰ্থ হাজৰিকাক সহকাৰী সম্পাদক আৰু সভাত উপস্থিত থকা সভ্য সকলেৰে এখন তদৰ্থক প্ৰস্তুতি সমিতি গঠন কৰা হয়। প্ৰতিজন সভ্যৰ পৰা যাৱতীয় প্ৰাৰম্ভিক কাম-কাজ চলাবলৈ পাঁচ টকা প্ৰতিজন সভ্যৰ বৰঙণি নিৰ্দ্ধাৰণ কৰা হ'ল। চলাকটকী গাওঁখনেই হ'ল দুলীয়াজান কলেজৰ জন্মস্থান। চলাকটকী গাঁৱৰ ৰাইজেই হ'ল কলেজ পাতিবলৈ অহা ৰাইজৰ প্ৰথম সভাখনৰ শুশ্ৰূষা কৰা গিৰিহঁত।

পাছদিনা ৰাজহুৱা প্ৰস্তাৱৰ প্ৰতিলিপি সহ এখন দৰখাস্ত লৈ মই আৰু হেমকান্ত বৰদলৈ কলেজৰ বাবে মাটি বিচাৰি বাছেৰে ডিব্ৰুগড়ৰ উপায়ুক্তৰ ওচৰলৈ গ'লো। স্বৰ্গীয় ফণী গগৈদেৱে মাটিখিনিৰ দাগ নম্বৰ সহ এখন ট্ৰেচিং মেপ কৰি দিলে। ৯-১২-৬৮ তাৰিখে পঞ্চলিচ বিঘা মাটি ডিব্ৰুগড় জিলাৰ মাটিৰ উপদেষ্টা পৰিষদে অনুমোদন জনালে। কিন্তু সেই মাটিখিনি বানপানী হোৱাৰ বাবে পুনৰ সলনি কৰি দিবৰ বাবে চৰকাৰক ২১-৭-৬৯ তাৰিখে আবেদন জনোৱা হয়। ৩১-১০-৬৯ তাৰিখে উপায়ুক্তই পুনৰ বৰ্ত্তমানে থকা কলেজৰ মাটিখিনি অনুমোদন জনায়। ৩১-১১-৬৯ ত কলেজৰ মাটিখিনিক বুলড্ৰজাৰ মাৰি সমান কৰি দিবৰ বাবে কোম্পানীক আবেদন জনোৱা হয়।

২৫-৮-৬৮ তাৰিখ দেওবাৰে চলাকটকী এল, পি, স্কুলত তদৰ্থ প্ৰস্তুতি কমিতিৰ দ্বিতীয় বৈঠক বহে। উক্ত বৈঠকতেই বহল ভিত্তিত এই অঞ্চলৰ সকলো লোকক সামৰি তিনিমাহৰ ভিতৰত এখন শক্তিশালী প্ৰস্তুতি কমিটি গঠন কৰিবৰ বাবে সিদ্ধান্ত লোৱা হয়। ইতিমধ্যে কলেজ পতাৰ সম্পৰ্কত বিভিন্নজনৰ সতে আলোচনা কৰা হয়। স্বৰ্গীয় গোলোক চন্দ্ৰ বৰুৱাদেৱে গেছৰ ওপৰত ভিত্তি কৰি কাৰিকৰী স্কুল খুলিবলৈ পৰামৰ্শ দিছিল। তেখেতে মোৰ লগত এই সম্পৰ্কে বহুবাৰ যুক্তিৰে তৰ্কও কৰিছিল। অৱশ্যে পাছত তেখেতে কলেজ পতাত সমৰ্থন জনাইছিল আৰু কলেজৰ সতে জড়িত হৈয়ো পৰিছিল। অইল ইণ্ডিয়াৰ এজন উচ্চ পদস্থ অসমীয়া বিষয়াই কল-তলে বাঁহ তলে কলেজ খোলাতকৈ এল, পি, স্কুল খুলিবলৈ পৰামৰ্শ দিছিল। কিছুসংখ্যক লোকে বিৰোধীতা কৰা নাছিল যদিও দান বৰঙণি দিব বিচৰা নাছিল। সেই সময়ৰ ভদ্ৰকান্ত গগৈ, মানিক দাস, পৰমা গগৈ,

যদুনাথ ভূঞা, ৰাধাকৃষণ খেমকা, ৺দূৰ্গা দত্ত লোহিয়া কলেজৰ সপক্ষে আছিল। কে, বি, কানুগাই সমৰ্থন কৰাই নহয় প্ৰস্তুতি কমিটিৰ সভাপতিৰ পদ গ্ৰহণ কৰিম বুলি আগতীয়াকৈ প্ৰতিশ্ৰুতি দিছিল।

১৫-১২-৬৮ তাৰিখে টিপলিং ঘাট হাইস্কুলত সেই অঞ্চলৰ সকলো মুখিয়াললোককে নিমন্ত্ৰণ জনাই ৰাজহুৱা সভাখন অনুষ্ঠিত কৰা হ'ল। কে, বি, কানুগাই সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা ডাঙি ধৰিলো মই। উদ্দেশ্য ব্যাখ্যাত সকলো দিশ সামৰি কেনেকৈ ইয়াত এখন পূৰ্ণাংগ কলেজ গঢ়ি তুলিব পৰা যাব সেই বিষয়ে ৰাইজৰ আগত ডাঙি ধৰিলো। সকলো ৰাইজে সমৰ্থন জনালে। ভদ্ৰকান্ত গগৈ, ৺ ৰাধাকৃষণ খেমকা, ৺দুৰ্গাদত্ত লোহিয়া, ক্ষীৰোদ শইকীয়া, গহীন চুতীয়া, নীৰেন গগৈ আৰু পূৰ্ণকান্ত হাজৰিকাই কলেজৰ সমৰ্থনত সমজুৱাৰ ফালৰ পৰা বক্তব্য ডাঙি ধৰে। কমিটি গঠন কৰিবৰ সময়ত যুটীয়া সম্পাদকৰ প্ৰশ্ন লৈ কিছু বাদানুবাদৰ সৃষ্টি হৈছিল। তদৰ্থ সমিতিৰ উদ্যোক্তাসকলে যুটীয়া সম্পাদক ব্যৱস্থাৰ বিৰোধিতা কৰিছিল। অৱশেষত সভাপতিৰ অনুৰোধক্ৰমে যুটীয়া সম্পাদকৰ ব্যৱস্থা বাহাল ৰখা হ'ল। সভাত ছটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰথম প্ৰস্তাৱত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক দুলীয়াজানত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ অনুমতি প্ৰদান কৰিবলৈ ; দ্বিতীয় প্ৰস্তাৱত ৩১ জানুৱাৰী ১৯৬৯ ৰ ভিতৰত আঢ়ৈ লাখ টকা ৰাইজৰ পৰা দান বৰঙণি তুলিবলৈ। তৃতীয় প্ৰস্তাৱত গান্ধী আৰু বেজবৰুৱাৰ নামত লাইব্ৰেৰীত দুটা সুকীয়া শাখা খোলা ; চতুৰ্থ প্ৰস্তাৱত ছলাকটকী চৰণীয়া পথাৰৰ পৰা ১০০ বিঘা মাটি কলেজৰ নামত অনুমোদন দিবলৈ চৰকাৰক অনুৰোধ জনোৱা ; পঞ্চম প্ৰস্তাৱত প্ৰতি সভ্যৰ পৰা ১০০ টকা বৰঙণি ল'বলৈ সিদ্ধান্ত কৰা আৰু ষষ্ঠ প্ৰস্তাৱত ভদ্ৰকান্ত গগৈক মুখ্য উপদেষ্টা, কে, বি, কানুগাক সভাপতি, পি, কে, চৌধুৰী আৰু ৺ চেনীৰাম দত্ত উপ-সভাপতি, পূৰ্ণকান্ত হাজৰিকা আৰু বীৰেন চুতীয়াক যুটীয়া সম্পাদক ৰূপে লৈ ১৫৩ জনীয়া এখন সমিতি গঠন কৰা হয়। লগতে ৮ জনীয়া এখন উপদেষ্টা পৰিষদো গঠন কৰা হয়। সেই সভাতে কলেজৰ বাবে নিৰ্বাচন কৰা মাটিত ৫-১১-৬৮ তাৰিখে সকলো ৰাইজ আহি শ্ৰমদান দিৱস পালন কৰি হাবি কাটিবলৈ ৰাইজক অনুৰোধ কৰা হ'ল। এতিয়াৰ ছলাকটকী ৰাজহুৱা খেলপথাৰ আৰু হস্পিতেললৈ যোৱা ৰাস্তাটোৰ সেই ঠাইতে ৰাইজে আহি হাবি কাটিছিল। কেবাইদিনো ধৰি হাবি কটা হ'ল। অতুল হাজৰিকাই "Site for Duliajan College" বুলি লিখা চাইনব'ৰ্ড এজোপা চিকামৰলীয়া গছত আঁৰি দিছিল।

নতুন কলেজ এখনৰ আৰম্ভণিতে কিমান যে কাম আৰু কতবোৰ সমস্যা! বিজ্ঞান আৰু কলা দুটা শাখাত কলেজ আৰম্ভ কৰিব লাগে। ৰাইজক প্ৰতিশ্ৰুতি দিয়া হৈছে— কলেজ হ'বই। সেই সময়ত মোৰ ওপৰতে দায়িত্ব পৰিল সকলোতকৈ বেছি। যুটীয়া সম্পাদকৰ দায়িত্ব লোৱাৰ লগে লগে মই টেঙাখাত কলেজৰ চাকৰি ইস্তফা দিয়াৰ সিদ্ধান্ত কৰিলো। প্ৰায় ১৯ মাহ টেঙাখাত কলেজত চাকৰি কৰি ১৯৬৯ চনৰ ফেব্ৰুৱাৰী মাহত মই তাৰ পৰা বিদায় লৈ গুচি আহোঁ। মই অহাৰ পাছত মোৰ ঠাইত অধ্যাপক গোপী তামুলীয়ে টেঙাখাত কলেজত যোগ দিয়ে। অধ্যক্ষ পূৰ্ণকান্ত হাজৰিকা তেতিয়া নাহৰকটীয়া হায়াৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষক। ঘৰৰ পৰা অহা-যোৱা কৰে নাহৰকটীয়ালৈ। দেওবাৰ নাইবা বন্ধ দিনৰ বাহিৰে বাকী দিন কেইটাত মোক সহায় কৰিছিল তীৰ্থ হাজৰিকাই। কলেজ পাতিব নোৱাৰিলে মই ঘৰলৈ ঘূৰি নাযাওঁ বুলি মই ঘৰৰ পৰা ওলাই আহিলো। আৰম্ভ হ'ল মোৰ এটা যাযাবৰী জীৱন। মা তেতিয়া চিৰৰুগ্ন হৈ পৰি আছিল বিচনাত।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আৰম্ভণিতে বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেই বাবে কলা বিষয়ত নতুন কলেজ খুলিবৰ বাবে অনুমতি নিদিয়াৰ সিদ্ধান্ত লৈছিল। ১৯-১২-৬৯ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কলৈ (Register) ক'লা আৰু বিজ্ঞান শাখা খোলাৰ অনুমতি বিচাৰি এহেজাৰ টকা সহ আবেদন জনালো। ভোজৰাজ শেঠ তেতিয়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। সাতজনীয়া এখন চাৰ্ভে কমিটি আছিল আমাৰ কলেজক অনুমতি দিয়াৰ ক্ষেত্ৰত অধ্যয়ন কৰিবলৈ। 'পৰাগ চলিহাৰ

নেতৃত্বত অহা উক্ত কমিটিৰ সতে কে, বি কানুগাই যুক্তিৰে তৰ্ক কৰিছিল। শ্ৰীকানুগা তেতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্য্যবাহী পৰিষদৰ (Executive Council) প্ৰভাৱশালী সদস্য। কলা শাখাটোৰ লগতে বিজ্ঞান শাখাটো একেলগে খুলিবৰ বাবে কমিটিয়ে পৰামৰ্শ দিছিল। অইল ইণ্ডিয়াই সকলোধৰণৰ সহায় কৰিবনে নকৰে তাৰ প্ৰতিশ্ৰুতি বিচাৰিছিল কানুগাৰ পৰা। ডুলীয়াজান যিহেতু তেল শিল্পক কেন্দ্ৰ কৰি গঢ়ি উঠা শিল্প প্ৰধান অঞ্চল। সেইবাবে কাৰিকৰী আৰু বিজ্ঞান শাখাৰ ওপৰত অধিক গুৰুত্ব দিবলৈ কমিটিয়ে পৰামৰ্শ দিছিল।

১৯৬৯ চনৰ ১ আগষ্ট তাৰিখে সন্ধিয়া ৪-৩০ বজাত অইল ইণ্ডিয়া হায়াৰ চেকেণ্ডাৰী স্কুলত বিজ্ঞান আৰু কলা শাখাত প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী আৰম্ভ কৰা হ'ল। শ্ৰেণীলৈ ৰেজিষ্টাৰখন লৈ গৈ সভাপতি কানুগাদেৱে কলেজ উদ্বোধন কৰিলে। সেই সন্ধিয়াই জন্ম হ'ল ডুলীয়াজান কলেজৰ। বিজ্ঞান শাখাত ২৯ জন ল'ৰা আৰু এগৰাকী ছোৱালী, কলা শাখাত ৫০ জন ল'ৰা আৰু ২০ গৰাকী ছোৱালীয়ে নাম ভৰ্ত্তি কৰিছিল। কেইজনমান অইল ইণ্ডিয়াৰ চাকৰিয়াল আছিল সেই সময়ত কলেজৰ ছাত্ৰ। আৰম্ভনিতে হায়াৰ চেকেণ্ডাৰী স্কুলৰ কেইবাজনো শিক্ষকক ক্লাচ কৰি সহায় কৰি দিবৰ বাবে অনুৰোধ জনোৱা হৈছিল। ডুলীয়াজান স্কুল এছ'ছিয়েচনৰ সম্পাদক পি, টি, কাটাৰিয়াই ২৯-৯-৬৯ তাৰিখৰ চিঠি মতে বি, আৰ সিংহ, চি, কে, দাস, এ, চি, দেৱনাথ, এল, এম, শ্যাম, ডি, বি, চেত্ৰী, পি, এন, গগৈ, বি, চি, গগৈ আৰু ডি, এন, বেনাৰ্জীক কলেজত কাম কৰিবৰ বাবে অনুমতি প্ৰদান কৰে। মই, গোপী তামুলী, পূৰ্ণকান্ত হাজৰিকা, ত্ৰিলোচন চুতীয়া, প্ৰনতি বেনাৰ্জী আদিয়ে শিক্ষক হিচাপে যোগ দিলো। শিক্‌দাৰ বাল্মিকীকো কাম কৰিবৰ বাবে লোৱা হ'ল। কেৰাণীৰ পদত নিযুক্তি দিয়া হ'ল— যতীন তামুলীক। ২০-৯-৬৯ তাৰিখে অইল অডিটৰিয়ামত দিনৰ ১-০০ বজাত প্ৰথম নৰাগত আদৰণি অনুষ্ঠান অনুষ্ঠিত হ'ল। কলেজৰ তৰফৰ পৰা নৰাগত সকলক আদৰণি জনালো মই। কে, বি, কানুগাই অনুষ্ঠানৰ উদ্বোধন কৰিলে। সভাপতিৰ আসন গ্ৰহণ কৰিলে ভদ্ৰকান্ত গগৈদেৱে, বিশিষ্ট অতিথি হিচাবে আহিছিল লীলা গগৈদেৱ। তদৰ্থ ছাত্ৰ একতা সভাৰ সম্পাদক খগেন গগৈদেৱে নৰাগত সকলক আদৰণি জনালে।

এবছৰ অইল হায়াৰ চেকেণ্ডাৰী স্কুলত কলেজখন চলোৱাৰ পাছত কলেজখন নিজা স্থানলৈ তুলি অনা হয়। বুল ড্ৰেজাৰেৰে হাবি ভাঙি সমান কৰা ঠাইখনত বৰুৱা কেম্পৰ পৰা পৰিত্যক্ত দুটা বাছা টাইপ ঘৰ কলেজৰ মাটিত সাজি দিছিল। এটা ঘৰত ক্লাচ হৈছিল, আনটো লাইব্ৰেৰী, অফিচ আৰু শিক্ষকৰ জিৰণি কোঠাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। তেতিয়ালৈকে কলেজৰ কাৰ্য্যালয় চলিছিল বৰ্ত্তমান আই, আৰ, এম বিভাগ চলি থকা তাৰেই এটা সৰু কোঠাত। সেই কোঠাতো আমাক কোম্পানীয়ে অফিচৰ কাম-কাজ চলাবলৈ দিছিল। লগত দিছিল চকী, টেবুল ইত্যাদি আচ্‌বাব। প্ৰায় দুবছৰ ধৰি উক্ত কোঠাটোৱেই আমাৰ কাৰ্য্যালয় আছিল। বিজ্ঞান শাখাতো প্ৰথম বছৰ চলোৱাৰ পাছতেই দ্বিতীয় বছৰ শিক্ষক আৰু বিজ্ঞানাগাৰ দুয়োটাৰ অভাৱ হোৱা বাবে পৰিচালনা কমিটিয়ে বন্ধ কৰিবলৈ বাধ্য হৈছিল।

১৯৬৮ চনৰ ১৫ চেপ্তেম্বৰত টিপলিঙত হোৱা ৰাজহুৱা সভাত ছমাহৰ ভিতৰত আঢ়ৈ লাখ টকা সংগ্ৰহৰ প্ৰস্তাৱ লোৱা হৈছিল। সেই প্ৰস্তাৱ কোনো দিন কাৰ্যকৰী কৰিব পৰা নগ'ল। প্ৰতিজন সভ্যৰ পৰা ১০০ টকাকৈ ধাৰ্য্য কৰা সভ্য ভৰ্ত্তিৰ বৰঙণিও বহুতৰ পৰা পোৱা নগ'ল। ধান সংগ্ৰহ কাৰ্য্যসূচীও আংশিক ভাৱেহে কৃতকাৰ্য্য হ'ল। পৰিচালনা সমিতিয়ে প্ৰতিজন চাকৰিয়ালৰ দৰমহাৰ পৰা কমেও ৫০ টকা বৰঙণি বিচাৰি গোহাৰি জনাইছিল। অইল ইণ্ডিয়া কোম্পানীয়ে ক্লাৱ চীটৰ যোগেদি উক্ত টকা মাহেকীয়া কিস্তিত কটাৰ অনুমতি দিছিল। গোপী তামুলী আৰু মই ক্লাৱ চীটত চহী কৰিবলৈ যাওঁতে আমি যোৱাৰ লগে লগে কিছু সংখ্যকৰ বাহিৰে বাকী সকল যেনি-তেনি আঁতৰি গৈছিল। আমি এইদৰে ক্লাৱ চীটৰ চহী আনিবলৈ যোৱাত তেতিয়াৰ আৰ, চি, কে, চি ৰয়ে নিজে কোম্পানীৰ দুজনমান বিষয়াক সেই দায়িত্ব দিয়ে। সেই সময়ৰ প্ৰচাৰ বিষয়া অতুল শৰ্মাৰ নেতৃত্বত প্ৰায় তিনি হাজাৰ চাকৰিয়ালৰ

পৰা মাহে ১০০০·০০ টকাকৈ বাৰ মাহত বাৰ হাজাৰ টকা তুলি দিয়ে। সেই দৰেই গেচ কোম্পানীৰ পৰাও দুশ চাকৰিয়ালৰ পৰা মাহে সাতশ টকাকৈ বাৰ মাহত মুঠ আঠ হেজাৰ চাৰিশ টকা পোৱা গৈছিল। সেই সকল চাকৰিয়ালৰ ত্যাগ ৰাইজৰ দান-বৰঙণিৰ দ্বাৰেই এই অনুষ্ঠানটোৱে ঠন ধৰি উঠিব পাৰিছিল।

কলেজখনৰ বিত্তীয় সংকটে দেখা দিয়াত পাছৰ বছৰতেই বিজ্ঞান শাখাতো পুনৰ আৰম্ভ কৰিবৰ বাবে পুঁজি সংগ্ৰহৰ বিভিন্ন উপায় গ্ৰহণ কৰা হৈছিল। ১৯৭০ চনৰ ২৪ পৰা ২৮ অক্টোবৰলৈ চাৰিদিনীয়া "দুলীয়াজান কলেজ পুঁজি সংগ্ৰহ দিৱস" পালন কৰা হৈছিল। ইয়াৰ বাবে এখন সুকীয়া কমিটি গঠন কৰা হৈছিল। দেৱা দাস সভাপতি, যোগানন্দ গগৈ উপ-সভাপতি, স্বপন কুমাৰ তহচিলদাৰ, ধৰণীধৰ গোহাঁই আৰু বীৰেণ চাংমাই এই সমিতিৰ প্ৰচাৰ সম্পাদক আছিল। নাটক আৰু সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি ধন সংগ্ৰহ, চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানক কলেজখনক বিত্তীয় সাহাৰ্য আগবঢ়াবলৈ স্মাৰক পত্ৰ প্ৰদান, ৰাইজৰ মাজত সভা-সমিতি পাতি সকলোৰে মাজত বেজ বিক্ৰী কৰি পুঁজি সংগ্ৰহ কৰাই এই দিৱসৰ মূল উদ্দেশ্য আছিল। স্থানীয় ব্যৱসায়ী লক্ষ্মীচাঁদ আগৰৱালাই ১০০১ টকা কলেজৰ পুঁজিলৈ অনুদান দি এই দিৱস মুকলি কৰিছিল। ১৯৭০ চনৰ জানুৱাৰী মাহত দুলীয়াজান, নাহৰকটীয়া, নামৰূপ, টেঙাখাত, নাওহলীয়া আৰু বৰডুবিত মুঠ সাতটা "ভূপেন হাজৰিকা সন্ধিয়া" অনুষ্ঠিত কৰা হৈছিল। লগত আছিল জয়ন্ত হাজৰিকা, ইন্দ্ৰ বনিয়া আদি কেবাজনো শিল্পী। অইল ইণ্ডিয়াৰ ইলেকট্ৰনিকেল ইঞ্জিনিয়াৰ পি, পি, বৰা আছিল এই অনুষ্ঠানৰ উদ্যোক্তা। অৱশ্যে আমাৰ সাংগঠনিক দুৰ্বলতাৰ বাবে এই দুয়োটা কাৰ্য্যসূচীতে বিশেষ কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলো। অইল ইণ্ডিয়াৰ মাটিৰ বিভাগটোৰ কথা উল্লেখ নকৰিলে ভুল হ'ব। সেই সময়ত এই অফিচটোৱে আমাৰ চিঠি-পত্ৰ টাইপ কৰা, গাড়ী দিয়া ইত্যাদি বহু কাম কৰিছিল। ডি, এন, ভট্টাচাৰ্য্য, প্ৰেম বৰুৱা, পি, ভি মাধৱ, মহঃ কায়ুম সেই সময়ত অফিচত কাম কৰা লোক সকলৰ কথা কেতিয়াও পাহৰিব নোৱাৰো। চিভিল বিভাগটোৱে সেইদৰে আমাক সৰু-সুৰা বহু কাম কৰি দিছিল। ধৰ্মেশ্বৰ দত্ত, ৰমা বৰা আমাৰ পৰিচালনা সমিতিৰ সদস্য হৈছিল। বাকী বিভাগ বিলাকেও যেনেকৈ পাৰে আমাক সহায় কৰিছিল।

১৯৭০ চনৰ মাজভাগত কানুগাই চাকৰিৰ পৰা অৱসৰ লৈ গুচি যায়। কে, চি, ৰয় নতুন সভাপতি হয় ২২-১২-৬৯ তাৰিখে। লগে লগে কলেজ পৰিচালনা সমিতিলৈ আহিল জি, এল, এন আয়াৰ। প্ৰকৃততে কে, চি, ৰয় সভাপতি হৈ থকা দিনতেই কলেজ খনে নিজৰ মাটিত ঘৰ-দুৱাৰ বনাই নিগাজীকৈ প্ৰতিষ্ঠিত কৰা হ'ল। তেখেতে কাৰ্যভাৰ লোৱাৰ কিছুদিনৰ পাছতেই বিশ্ববিদ্যালয়ৰ পৰা পৰিদৰ্শন কৰিবৰ বাবে পৰিদৰ্শক আহিল। পাছৰ বছৰতে আমি আকৌ বিজ্ঞান শাখাও খুলিব লাগে। গতিকে বিজ্ঞানাগাৰৰ প্ৰয়োজন। সেইদৰে প্ৰয়োজন হ'ল নতুন শিক্ষকৰ। এনে অৱস্থাত কলেজখন যে হ'ব তেখেতৰ মনও সন্দেহ উপজিছিল। পৰিদৰ্শক অহাৰ দুদিন আগতে অধ্যক্ষ হাজৰিকা আৰু মোক বেলেগে বেলেগে মাতি নিছিল। প্ৰথমতে মোক মাতি নি তেখেতে সুধিলে — পৰিদৰ্শকৰ আগত ওৱৰ্কিং কেপিটেল, আৰু লাইব্ৰেৰী কিতাপ ক'ৰ পৰা দেখুৱাব ? তেখেতৰ লগত আছিল তেতিয়াৰ উপ-সভাপতি পি, কে, চৌধুৰী। মই পাৰিম বুলি কৈ গুচি আহিলো। মোৰ দেউতা তেতিয়া শয্যাগত। ড° ৰাজখোৱাই চিকিৎসা কৰি আছিল। দেউতাৰ পৰা খুজি মই বিশ হাজাৰ টকা আনিলো। বসন্ত তামুলীৰ পৰা আনিলো দহ হাজাৰ টকা। মহমাৰীৰ ৺দেৱেন হাজৰিকাৰ পৰা আনিলো বিশ হাজাৰ টকা আৰু বজাৰতে পাই শ্যামা সিঙক ক'লো বিশ হাজাৰ টকা দিবলৈ। মুঠ প্ৰায় এক লাখ টকা কলেজৰ ওৱৰ্কিং কেপিটেল হ'ল। জগত বৰুৱা, ৺গোলোক বৰুৱাকে আদি কৰি বহুতৰ পৰা কিতাপ অনা হ'ল। গোপী তামুলী আৰু পূৰ্ণকান্ত হাজৰিকাৰ, প্ৰদীপ দত্ত, ৺চেনিৰাম দত্ত আৰু মোৰ নিজৰ কিতাপো দান দি প্ৰায় ছয় হাজাৰ কিতাপেৰে লাইব্ৰেৰীটো কৰা হ'ল। পাছদিনা পৰিদৰ্শন কৰিবৰ সময়ত এইবোৰ দেখি কে, চি, ৰয় আচৰিত হৈছিল। নতুন লেবৰেটৰীটো ঠিকাদাৰে সাজি দিয়াৰ পাছত সমস্যা হ'ল গেচ, পানী, লাইন, ইলেকট্ৰিচিটি

ওৱাৰিং আৰু বিজ্ঞানগাৰৰ টেবুল আৰু অন্যান্য সজুলিৰ। তেওঁৰ কোঠাতে কে, চি, ৰয়ে এদিন এখন সভা পাতিলে। পি, কে, চৌধুৰী, চি, জি, বেনাৰ্জি, জি, এন, এল আয়াৰ, প্ৰনৱানন্দ ভঁৰালী উক্ত সভাত উপস্থিত আছিল। কোনে কেনেকৈ সহায় কৰিব কে, চি, ৰয়ে সোধাত প্ৰথমতে আটাইকেউজনে মাতিবলৈ ভয় কৰিছিল যদিও চি, জি, বেনাৰ্জিয়ে লোৱা ভূমিকাৰ ফলতে লেবৰেটৰীৰ সকলো কাম কোনে কেনেকৈ কৰিব পাৰে তাৰ দিহা হৈ যায়। কলেজৰ মাষ্টাৰ প্লেনটো লৈ কলেজ পৰিচালনা সমিতিৰ এখন বৈঠকত কেবাঘণ্টা ধৰি আলোচনা চলিছিল। এই বিষয়ত কে, চি, ৰয়ৰ সতে মোৰ যুক্তি তৰ্ক হৈছিল। মোৰ যুক্তি আছিল খেল পথাৰখন সন্মুখত দি কলেজ বিল্ডিংটো পাছলৈ নিয়া আৰু তেওঁখেতৰ যুক্তি হ'ল ফিল্ডখন পাছত নাইবা দক্ষিণ ফালে দি বিল্ডিংটো সন্মুখলৈ অনা। ৰাস্তাৰ কাষত বিল্ডিং হ'লে ইলেকট্ৰিক লাইন, গেছ লাইন, পানী লাইন, আৰু ৰাস্তা আদি নিৰ্মাণত কম খৰচ পৰিব। অৱশেষত তেখেতৰ যুক্তিকে মানি লোৱা হ'ল। কলেজৰ চৌহদলৈ সোমাই গ'লেই কেতিয়াবা কেতিয়াবা মনত পৰে মোৰ এই কথাবোৰ। প্ৰকৃততে কে, চি, ৰয় আছিল কথা আৰু কামৰ মানুহ। অলপ দিনৰ পাছতে অইল ইণ্ডিয়াৰ পৰা অৱসৰ লৈ কে, চি, ৰয় দুলীয়াজান এৰি গুচি গ'ল।

অইল ইণ্ডিয়া কোম্পানীত কেইবাজনো বৰেণ্য ব্যক্তিয়ে চেয়াৰমেনৰ পদত অধিষ্ঠিত হৈছিল। সেই সকলৰ ভিতৰত দেৱকান্ত বৰুৱা, শৰৎ চন্দ্ৰ সিংহ আৰু প্ৰফুল্ল গোস্বামী আদি। সকলো চেয়াৰমেনকে স্থানীয় নানা সমস্যা লৈ আমি দেখা সাক্ষাৎ কৰিছিলো আৰু স্মাৰক পত্ৰ দিছিলো। দেৱকান্ত বৰুৱা চেয়াৰমেন হৈ থাকোতেই আমি কলেজ আৰম্ভ কৰো। দুলীয়াজানলৈ আহিলেই আমি তেখেতক লগ কৰিছিলো। তেখেতে অইল ইণ্ডিয়াৰ কৰ্মকৰ্তা সকলক সকলো ধৰণৰ সহায়-সহযোগ কৰিবলৈ অনুৰোধ কৰিছিল। চেয়াৰমেন হৈ থাকোতেই তেখেতে বিহাৰৰ গৱৰ্ণৰ নিযুক্তি পায়। যোৱাৰ আগদিনা তেখেতে মোক লৈ টেঙাখাত আৰু নাহৰকটীয়ালৈ গৈছিল ছোৱালী স্কুল চাবলৈ। দুয়োখন স্কুললৈ তেখেতে শিক্ষামন্ত্ৰী হৈ থাকোতেই অনুদান দিছিল। সেই বাবে যোৱাৰ আগতে স্কুল দুখন চাবলৈ বিচাৰিছিল। বাটত তেখেতে বহু কথা কৈছিল—নিজৰ কথা, ঘৰখনৰ কথা আৰু ৰাজনীতিৰ কথা। টেঙাখাতৰ পৰা নাহৰকটীয়ালৈ গৈ ছোৱালী স্কুল চাই নাহৰকটীয়াত চাবিছ জানুৱাৰীৰ ৰাজহুৱা সভাত ভাষণ দিলে। ভদ্ৰ গগৈ আছিল সেই সভাৰ সভাপতি। বাটত তেখেতে মোক আৰু ক'লে—"অইল ইণ্ডিয়াক কৈ আহিছো কলেজৰ বাবে এক লাখ টকা দিবলৈ"। শৰৎ চন্দ্ৰ সিংহ আৰু প্ৰফুল্ল দত্ত গোস্বামীকো স্মাৰক পত্ৰ দি কলেজখনক সহায় কৰিবলৈ অনুৰোধ কৰিছিলো।

কানুগা, কে, চি, ৰয় যোৱাৰ পাছতো কলেজৰ বন্ধু হৈ বিপদে-আপদে সকলো সময়তে অংশীদাৰ হৈ আমাৰ লগত থাকিল জি, এল, এন আয়াৰ। চাকৰি, প্ৰমোচন, ক্লাৱ লৈ ব্যস্ত থকা সৰহ সংখ্যক বিষয়াৰ বিপৰীতে প্ৰতিদিনে কলেজখনলৈ আহি নানা দিহা পৰামৰ্শ দি প্ৰায় চৈধ্য বছৰ ধৰি এই অনুষ্ঠানটোৰ লগত আয়াৰ জড়িত হৈ পৰিছিল। সেই সময়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু পৰিচালনা সমিতিৰ সদস্যৰ সতে মানুহজনৰ অন্তৰংগতা গঢ়ি উঠিছিল। মানুহজন আমাৰ পৰিচালনা সমিতিৰ বহু দিন ধৰি সদস্য আছিল। ১৯৮৪ চনৰ ৬ মাৰ্চ তাৰিখে গায়নে-বায়নে আদৰি আনি এইজন মানুহক আমি বিদায় দিওঁ। যাবৰ সময়ত ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা প্ৰতি বছৰে প্ৰথম-দ্বিতীয় হোৱা ছাত্ৰ-ছাত্ৰীক বৃত্তি দিবৰ কাৰণে আঠ হেজাৰ টকাৰ তেওঁ এটা অনুদান দি যায়। দুৰ্ভাগ্য বশতঃ এতিয়ালৈকে সেই অনুদানৰ পৰা এজনো ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়া নহ'ল। সুদূৰ কৰ্ণাটকৰ পৰা অসমত চাকৰি কৰিবলৈ অহা এই মানুহজনে চাকৰিৰ লগতে মনে প্ৰাণে বিচাৰিছিল কলেজখন উন্নতি হোৱাৰ কথা। সহজ সৰল অমায়িক এই মানুহজন সময় পালেই কলেজলৈ আহিছিল। কলেজৰ অভাৱ অভিযোগ বিলাকৰ খবৰ লৈছিল। কিবা কৰিব পৰা কাম সামৰ্থৰ ভিতৰ হ'লে তৎক্ষণাত কৰি দিছিল। কলেজলৈ অহা ৰাস্তাটো বহু আবেদন-নিবেদন কৰিও কৰিব পৰা নাছিলো। অৱশেষত ধূলিময় ৰাস্তাটোৰ অৱস্থা দেখি Deptt. ৰ যোগেদি নিজে পকা কৰি দিছিল। সেই জন কৰ্ণাটকী বন্ধুক আমি আজিও শ্ৰদ্ধাৰে স্মৰণ কৰো।

দুলীয়াজানত ব্যৱসায় কৰিবলৈ অহা অন্য এজন ব্যক্তি হ'ল ৺বি, চি, দত্ত। ১৯৬৯ চনৰ কোনোবা এটা

সন্ধিয়া জয়া নগৰৰ তেখেতৰ নিজৰ কেম্পত মই চিনাকি হ'বলৈ গ'লো। সেই সন্ধিয়াটোত তেখেতৰ লগত প্ৰায় ছুই ঘণ্টাতকৈ বেচি সময় মানুহজনৰ স'তে কথা পাতিলো। কলেজৰ কথা, অঞ্চলটোৰ কথা, ৰাজনীতি, ধৰ্ম ইত্যাদি বহু কথা। প্ৰথম চিনাকিতে মানুহজনৰ প্ৰতি মোৰ এটা বেলেগ আৰ্কষণ গঢ়ি উঠিল। পাছলৈ তেখেতৰ স'তে গঢ়ি উঠিল মোৰ নিবিড় সম্পৰ্ক। মানুহজনৰ কথা মই বাকী সকলোকে ক'লো। ত্বলীয়াজানত কোনোবাই ব্যৱসায় কৰিবলৈ অহা বুলি ক'লেই বাস্তৱ অভিজ্ঞতাৰ পৰা মোৰ মানস চেতনাত এটা ধাৰণাই গা কৰি উঠিছিল — এই অঞ্চলটোৰ প্ৰতি যেন তেওঁলোকৰ দ্বায়বদ্ধতা একোৱেই নাই। কেৱল ইয়াৰ পৰা নিব লাগে দিয়াৰ কৰ্তব্য তেওঁলোকৰ নহয়। যিটো পুঁজিবাদৰ নগ্ন দৰ্শন। আজিও ত্বলীয়াজানৰ পৰা যি দৰে কৰি আছে এচামে লুণ্ঠন। স্কুল, কলেজ, সামাজিক, ৰাজহুৱা অনুষ্ঠান নাইবা এই ঠাইখনৰ উন্নতিৰ কথা তেওঁলোকৰ চিন্তাত কোনো দিন ঠাই পোৱা নাই। ত্বলীয়াজানত ঠিকা কৰি ব্যৱসায় কৰিবলৈ অহা একমাত্ৰ ৺বি, চি, দত্ত আছিল ইয়াৰ ব্যতিক্ৰম। "মই যদি ব্যৱসায় কৰিছো তেনেহ'লে ইয়াৰ মানুহকো ব্যৱসায় শিকাব লাগিব আৰু মই য'ত উপাৰ্জ্জন কৰি জীৱিকাৰ পথ আৰ্জন কৰিছো সেই ঠাইৰ উন্নতিত মই এজন অংশীদাৰ হ'ব লাগিব।"— এয়া আছিল মানুহজনৰ জীৱন দৰ্শন। চাকৰিৰ বাহিৰে উদ্যোগ নাইবা ব্যৱসায় কোনো এটাকে সেই সময়ত অসমীয়া ল'ৰাই কৰিবলৈ নিবিচাৰে। আন হাতে এই ক্ষেত্ৰত যাতে অসমীয়া ল'ৰা আহিব নোৱাৰে তাৰ বাবে এচাম ন্যাস্ত স্বাৰ্থ লোকে প্ৰতিক্ষেত্ৰতে বাধা দিছিল থলুৱা যুৱকক। আমি দুয়োজনে এই বিষয়ে কথা পাতিলো। বহু চিন্তা কৰি কিছুমান আঁচনি ল'লো। কোম্পানী আৰু চৰকাৰৰ লগত আলোচনা কৰিলো। কেইজন মান ল'ৰা বাচি অনাৰ দায়িত্ব ল'লো মই। জন্ম হ'ল "পূৰ্ব্বাঞ্চল ষ্টিল এণ্ড ওৱেৰ প্ৰডাক্ট", "ত্বলীয়াজান বাণিজ্যিক সমবায় সমিতি"। মই পোৱা কলেজৰ দৰমহা কেইটা আৰু তেখেতে দিয়া কিছু টকাই হ'ল মূলধন। বাঁহ-খেৰৰ ঘৰ-ত্বৱাৰ মোৰ নিজৰ পৰা দিয়া হ'ল। তাৰ পাছৰ পৰাই অসমীয়া থলুৱা যুৱক ওলাই আহিল ব্যৱসায় কৰিবলৈ। মানুহজনক মই কলেজৰ ভিতৰলৈ সুমুৱাই আনিলো। মৃত্যুৰ সময়লৈকে মানুহজন কলেজৰ স'তে ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকিল। কেনেকৈ কলেজখনৰ উন্নতি কৰিব পাৰি, অঞ্চলটো কেনেকৈ আগবঢ়াই নিব পাৰি; ব্যৱসায় বাণিজ্যত থলুৱা যুৱকক কেনেকৈ সহায় কৰিব পাৰি— নিজে ব্যক্তিগত ভাৱে ঠিকা কৰাৰ মাজতে এই বিলাক চিন্তা কৰিছিল তেখেতে। তেখেতৰ অফিচটো ৰাজহুৱা অফিচলৈ ৰূপান্তৰ হৈছিল। সকলোৱে আমি তাত গোট খাইছিলো। কলেজৰ বাবে ঠিকাদাৰ সকলে সাজি দিয়া ঘৰটোৰ আঁৰত তেখেতৰ ভূমিকাই আছিল সকলোতকৈ বেছি। তেখেতৰ ল'ৰা স্বপন দত্ত বোৱাৰী নন্দাই আমাৰ কলেজত চাকৰী কৰি সহায় কৰি দিছিল। অকালতে মানুহজনক মৃত্যুৱে আমাৰ মাজৰ পৰা আঁতৰাই দিলে, ত্বলীয়াজানে হেৰুৱালে এজন পৰম বন্ধু।

কলেজৰ আৰম্ভণিতে অইল ইণ্ডিয়াই সাজি দিয়া বাছা টাইপ ঘৰটোতে মই ৰাতি শুইছিলো। দিনটো কলেজৰ কামত ঘূৰি ফুৰি ৰাতি আহি তাতে শুই থাকো। বাহিৰত চকীদাৰী কৰে 'দাই' বুলি মতা নেপালী চকীদাৰ এজনে। কাষতে থকা গছজোপাৰ খৰালিমহীয়া পাতবোৰ সৰি গ'লে শিয়ালে ৰাতি আহি পাতবোৰ লুটিয়াই কেঁচু-কুমটি খাইছিল। আমি দুয়োজনে ভিতৰৰ পৰা জোনাক নিশা এইবোৰ চাই বৰ আনন্দ পাইছিলো। কাষতে থকা গেছ কোম্পানীৰ দুটামান ঘৰ সাজি কেশৱ তামুলী, ঢেকীয়াল ফুকনদেৱ থাকে আৰু আমি আহি সন্ধিয়া তাতে বহোঁ। মাঘ-ফাগুন মহীয়া শুকাই থকা পেঙেৰী লতাবোৰত মই প্ৰায় জুই লগাই চফা কৰিছিলো। সেই সময়ত হাবিখনত বহুত বন কুকুৰা, ডৰিক আছিল। জুই লগোৱাৰ পাছত বন কুকুৰা আৰু ডৰিক চৰাই ওলাই লৰ মাৰিছিল। আগৰ ঘৰ দুটাৰ ক্লাচ কৰিবলৈ নোজোৰাত নতুনকৈ বাঁহ-খেৰৰ ঘৰ এটাৰ প্ৰয়োজন হ'ল। ইঞ্জিনিয়াৰিং ডিপাৰ্টমেণ্টত নৃপেন গগৈ তেতিয়া মুৰব্বী হৈ আছে। তেখেতক পাইপৰ কথা কোৱাত কলেজৰ বাবে কেবাডালো পাইপ আমাক যোগাৰ কৰি দিলে। জি, এল, এন, আয়াই সেইবোৰকে কাটি খুটা আৰু চ'টি কৰি ওৱেলডিং কৰি দিলে। এইদৰেই ঘৰটো বাঁহ-খেৰেৰে সম্পূৰ্ণ কৰা হ'ল। পাছত পৰিচালনা সমিতিয়ে ঘৰটোত টিনপাত লগাই ক্লাচ

কমৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল যদিও বৰ্ত্তমান ঘৰটো পৰিত্যক্ত অৱস্থাত আছে। হিতেশ্বৰ শইকীয়া, শৰৎ চন্দ্ৰ সিংহ মন্ত্ৰীসভাৰ শিক্ষামন্ত্ৰী হৈ থাকোঁতে ইয়ালৈ আহি সেই ঘৰটোতে সভা পাতি গৈছিল। যোগা গগৈ আৰু গোপী তামুলী থাকিবলৈ অসুবিধা হোৱাত আমি তিনিও জনে বৰ্ত্তমান ছোৱালী হোষ্টেলটোৰ সমুখত এটি বাঁহৰ দীঘল ঘৰ সাজি থাকিবলৈ ল'লো। ইয়াৰ আগতে ৰত্নেশ্বৰ সোনোৱাল নামৰ ল'ৰা এজনক মই মাতি আনি চকিদাৰৰ চাকৰিত ভৰাওঁ। তেতিয়া সি আমাক ভাত-পানী ৰান্ধি খুৱাইছিল। কলেজৰ ন-ভাঙনি মাটি দেখি আমি তিনিওজনে খেতি কৰাত লাগিলো। গেছ কোম্পানীৰ পৰা এডাল পাইপেৰে আমাক পানীৰ যোগান ধৰিছিল। কবি, বিলাহী নানা ধৰণৰ খেতি কৰিছিলো। একো কবিৰ ওজন প্ৰায় চাৰি কেজিলৈকে হৈছিল। দিবীয়াল বজাৰলৈ নি আমি কবি বেচিছিলো। সিপাৰে থকা দেবেন আচাৰ্য্যৰ ঘৰখনৰ লগত আমাৰ তেতিয়া ঘনিষ্ঠ সম্পৰ্ক। আচাৰ্য্যৰ মাকে আমি দিয়া শাক-পাচলি পাই বৰ আনন্দ পাইছিল।

কলেজ পৰিচালনা সমিতিয়ে কলেজৰ মাটিত খেতি কৰাৰ সিদ্ধান্ত কৰিছিল। বহুতে পৰামৰ্শ দিছিল সৰিয়হ খেতি কৰিবলৈ। কে, চি, ৰয়ে সৰিয়হ খেতি কৰি সৰিয়হ ফুল দেখাতকৈ ধান খেতি কৰাই ভাল হ'ল বুলি পৰামৰ্শ দিলে। বি, চি, দত্তই পৰামৰ্শ দিছিল আদ, খেতি কৰাৰ। পাছত ধান খেতি কৰাই ঠিক হ'ল। শিক্ষক, ছাত্ৰ আৰু কৰ্ম্মচাৰীৰ সহযোগত গোটেই মাটিখিনিতে আহুধানৰ খেতি কৰা হ'ল। ধান ভালেই হৈছিল। কলেজৰ ল'ৰা-ছোৱালী বিলাকক ধান কাটিবলৈ দিয়াত সমস্যা হ'ল। বাম জোক দ জোক দুয়োবিধে ল'ৰা-ছোৱালীবিলাকক বৰকৈ খাইছিল। সেইদৰেই ধান কাটি শেষ কৰা হ'ল। খেতিৰ ধান মাৰি বেচালৈকে লোকচান নহ'ল যদিও লাভো নহ'ল। পদাৰ্থ বিজ্ঞান আৰু জীৱবিজ্ঞানৰ লেবৰেটৰী দুটা সাজিবৰ সময়ত বহুতৰে পৰা বস্তু দান বৰঙণি হিচাপে লোৱা হৈছিল। এই দুয়োটা ঘৰ সাজিবৰ সময়ত মই নিজে মিস্ত্ৰীৰ সৈতে যোগালি কৰিছিলো। বেলদাৰ আমাৰ প্ৰধান মিস্ত্ৰী, লগত আছিল দুজনমান সহায়কাৰী মিস্ত্ৰী। দুলীয়া গাঁৱৰ জলেশ্বৰে তাৰ পৰাই যোগালি শিকি মিস্ত্ৰী হৈছিল। এই দুটা ঘৰৰ ড্ৰয়িং কৰিছিল আচাৰ্য্য চাহাবে। ইন্দ্ৰেশ্বৰ খাউণ্ড মন্ত্ৰী থাকোঁতে আমাৰ কলেজৰ পৰিচালনা সমিতিৰ সভাপতিও আছিল। কলা বিভাগে ঘাটি মঞ্জুৰী পোৱাত তেখেতৰ বহুখিনি অৰিহণা আছিল। কলেজৰ বাবে তেখেতে দান-বৰঙণিও তুলি দিছিল। তেখেতে আমাক বহু চেফ্‌টি কাঠ নাহৰকটীয়া কাঠৰ মিলবোৰৰ পৰা কলেজলৈ অনুদান হিচাপে আনিদিছিল। মই আৰু অধ্যক্ষ হাজৰিকাই জয়পুৰৰ ৰমতুল্লা আৰু দুটা মিলৰ পৰা গোটেই দিন কাঠ বাছি বাছি গাড়ীত তুলি আনিছিলো। আমাৰ শিক্ষকসকলৰ অনুৰোধ ক্ৰমে ৰমেশ দাসে লেবৰেটৰীৰ বাবে প্ৰয়োজন হোৱা দৰ্জা-খিৰিকীৰ কাঠবিলাক দিছিল। এটা ঘৰৰ বাবে গেছ কোম্পানীয়ে আমাক টিনপাতখিনি দিছিল। ইটা ভাটাৰ পৰা আমি কেইহাজাৰমান ইটা পাইছিলো আৰু কেইজন-মানে দিছিল বালি আৰু শিল। বিজ্ঞানাগাৰৰ অভাৱ হোৱাত আমি ঠিকাদাৰ সকলক অনুৰোধ কৰাত তেখেত সকলে এটা ঘৰ সাজিবলৈ সন্মত হয়। দেউমনি প্ৰধানে ঠিকাদাৰ সকলৰ পৰা টকা সংগ্ৰহ কৰা ৺মাধু চক্ৰৱৰ্ত্তীয়ে ঘৰটো চোৱা-চিতা কৰা, অইল ইণ্ডিয়াই ড্ৰয়িংটো কৰি দিয়াৰ ফলত প্ৰথম পকী ঘৰটো কলেজৰ মাটিত নিৰ্মিত হ'ল।

১৯৬৯ চনৰ পৰা ১৯৭৬ চনলৈ যদিও অইল ইণ্ডিয়া কোম্পানীয়ে আমাক বহু ধনৰ সহায় কৰিছিল; কিন্তু স্থায়ী ভাৱে পকাঘৰ সাজি দিয়াৰ পক্ষপাতী নাছিল। অথচ সেই সময়ছোৱাৰ ভিতৰত অইল ইণ্ডিয়াই বহু কোটি টকা লাভ কৰিছিল। সেইবাবে আমাৰ মনত এটা ক্ষোভ হৈছিল। ১৯৭৬ চনত এটা দাবী লৈ তেলপথাৰ কৰ্ম পৰিষদ নাম দি স্থানীয় ৰাইজে বাৰটা আন্দোলন কৰিছিল। প্ৰহ্লাদ ৰাজখোৱা সভাপতি, মই সম্পাদক আৰু নিত্যা দত্তক প্ৰচাৰ সম্পাদক ৰূপে লৈ এটা শক্তিশালী আন্দোলন তৈয়াৰ কৰা হ'ল। অজিত শৰ্মা যিদিনা আৰ, চি, হৈছিল সেই-দিনাৰ পৰাই তিনিদিন ধৰি অইল ইণ্ডিয়াৰ জেনেৰেল অফিচৰ সমুখত স্থানীয় বহু ৰাইজে (পুৰুষ আৰু মহিলা) অনশন কৰিছিল। অইল ইণ্ডিয়া কোম্পানীৰ তেতিয়াৰ ডাইৰেক্টৰ ৺অনিল চৌধুৰীৰ মধ্যস্থতাত অজিত শৰ্মাই আমাৰ লগত আলোচনাত বহিল। কেৱালানিও আলোচনা

হ'ল পৰিষদৰ কৰ্ম্মকৰ্ত্তা সকলৰ লগত। এক কোটি টকা প্ৰতিবছৰে সামাজিক আঁচনিত খৰচ কৰিবৰ বাবে কোম্পানীক দাবী জনোৱা হৈছিল। আমাৰ দাবী মানি লৈ দুই লাখ টকাৰে সামাজিক দায়বদ্ধতা আঁচনি প্ৰথম গ্ৰহণ কৰি এক নতুন নজিৰ তৈয়াৰ কৰিলে অইল ইণ্ডিয়াই। গেচ পোৰা বন্ধ কৰা, স্থানীয় যুৱকক চাকৰি আৰু ব্যৱসায়ত অগ্ৰাধিকাৰ দিয়া, বিহুতলীৰ ৰভাখন চিৰস্থায়ীকৈ সজা, জনসাধাৰণৰ চিকিৎসাৰ বাবে হস্পিতেল পতা ইত্যাদি, কেবাটাও দাবী কোম্পানীয়ে নীতিগত ভাবে মানি লয়। কলেজখন সম্পূৰ্ণকৈ সাজি দিয়াৰ আমাক প্ৰতিশ্ৰুতি দিয়ে। এটা ড্ৰয়িং কৰি সেই বছৰতে বনোৱাৰ সিদ্ধান্ত লৈছিল। পাছত অধ্যক্ষৰ লগত ব্যক্তিগত ভাৱে আলোচনা কৰি খণ্ড খণ্ডকৈ সজাৰ সিদ্ধান্ত কৰে। দুটা অংশ বনোৱাৰ পাছত মাজৰ অংশটো থাকি যায়। ইতিমধ্যে সময় সলনি হয়। অস্তিত্ব ৰক্ষাৰ আন্দোলন দুলীয়াজানত জোৰদাৰ হৈ দেখা দিয়ে। ইয়াৰ পাছত বহু ঘটনা। অইল ইণ্ডিয়া কোম্পানীলৈ আহিল জেনেৰেল জাটাৰ আৰ, চি, হৈ। নাগপাল তেতিয়া চিভিল ডিপাৰ্টমেণ্টৰ অধীক্ষক আছিল। কলেজৰ কিবা কাম কৰি দিয়া দূৰৰে কথা, খুজিলে এটা আলপিনো দিয়া নাছিল। সুৰজিত চলিহা চি, এম, ডি. হৈ থাকোতে শিক্ষক আৰু ছাত্ৰসকলে তেখেতক স্মাৰক পত্ৰ দিছিল বিল্ডিং সাজিবৰ বাবে। কোম্পানীৰ ল'ৰা ছোৱালীক কমৰ অভাৱত নাম ভৰ্তিকৰণত অসুবিধা হ'ব বুলি জনোৱাত তেখেতে তিনিটা কমৰ এটা বিল্ডিং সাজিবলৈ গাত লয়। সেইমতে কে, চি, বৰদলৈৰ নেতৃত্বত, মেহৰাৰ তত্ত্বাৱধানত ২০৮ ফুট দীঘল এটা ঘৰ সাজি দিয়ে। ইয়াৰ পাছত জে, এম, বুজৰবৰুৱা কোম্পানীৰ জি, জি, এম, হয়। তেখেতক মই ব্যক্তিগতভাৱে লগ কৰি কলেজৰ মাজৰ বিল্ডিংটো বনাবলৈ অনুৰোধ কৰো। তেখেতে প্ৰত্যেকটো বিভাগৰ বিষয়া সকলক কলেজলৈ মাতি আনি অসম্পূৰ্ণ হৈ থকা ঘৰবোৰ সম্পূৰ্ণ কৰাৰ দায়িত্ব লয়। লগতে কলেজৰ কিছু আচবাব আৰু বিজ্ঞানাগাৰৰ আহিলা দিবলৈও গাত লয়। মাজতে অইল ইণ্ডিয়াই প্ৰায় আঢ়ৈ লাখ মান টকা আমাক অনুদান হিচাপে দিয়ে। সুৰজিত চলিহাৰ দিনত প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত পঢ়া অইল ইণ্ডিয়া কোম্পানীৰ প্ৰতিজন ছাত্ৰ ছাত্ৰীৰ বাবদ প্ৰতিমাহে বিশ টকাকৈ অনুদান দিয়াৰ সিদ্ধান্ত লয়। ইয়াৰ আগতে এন, এন, গগৈ জি, জি, এম, হৈ থাকোতেই আমাক এটা ডাঙৰ চাইকেল ষ্টেণ্ড সাজি দিয়ে। কলেজৰ ক্লাচৰুমত ইলেকট্ৰিক আৰু বিজুলী পাংখাৰ ব্যৱস্থা কৰি দিয়ে। বিনয়ব্ৰত শৰ্ম্মাও আমাৰ কলেজৰ লগত আৰম্ভণিৰ পৰাই জড়িত।

অসম গেছ কোম্পানীয়ে ফিল্ডখনৰ মাজেদি এল, পি, জি প্লাণ্টলৈ এডাল প্ৰকাণ্ড গেছৰ পাইপ নিবলৈ বিচাৰিছিল অধ্যক্ষৰ অনুমতিক্ৰমে। মই আহি গাত খনা দেখা পাই পাইপ লাইন নিয়া বন্ধ কৰি দিও। গেছ কোম্পানীৰ মেনেজিং ডাইৰেক্টৰ শ্ৰীলহকৰ চাহাবৰ লগত আলোচনা কৰি ফিল্ডৰ মাজেদি পাইপ লাইন নিবলৈ নিদি সীমাইদি নিবলৈ দিয়া হ'ল এটা চৰ্ত্তত যে গেছ কোম্পানীয়ে কলেজক এটা ঘৰ সাজি দিব লাগিব। সেইমতে ৬০ ফুট দীঘলৰ মেজৰ ক্লাচ কৰিব পৰাকৈ চাৰিটা কোঠা গেছ কোম্পানীয়ে সাজি দিয়ে। আৰম্ভনিৰ পৰাই অসম গেছ কোম্পানীয়ে আমাক নানা ধৰণে সহায় কৰি আহিছে। ৺দেবেন আচাৰ্য্যই বহুত দিন ধৰি কলেজৰ লগত পৰিচালনা সমিতিৰ সদস্য আৰু সভাপতি হৈ আছিল। তেখেতে নিজে টকা তুলিবলৈ আমাৰ লগত গৈছিল। অফিচৰ লোক সকলে যাবতীয় কাম কৰি দিছিল। শ্ৰীপদ্ম গগৈ আজিও কলেজৰসতে জড়িত। শ্ৰী টি, বি, বি, লহকৰ কলেজ পৰিচালনা সমিতিৰ সভাপতি থাকোতে কলেজৰ বহুখিনি উন্নতি হয়। তাৰ পাছতেই একলাখ সত্তৰ হাজাৰ টকা খৰচ কৰি তাৰ কাষতে কলেজৰ ফালৰ পৰা আমি নিজাকৈ এটা ঘৰ সাজো। বৰ্ত্তমান তাক লাইব্ৰেৰী হিচাপে ব্যৱহাৰ কৰা হৈছে। সপ্তম পৰিকল্পনাত অধ্যক্ষ হাজৰিকা আৰু মই দিল্লীলৈ গৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ (U. G. C) ওচৰত আবেদন কৰি প্ৰায় সাত লাখ টকাৰ অনুদান আনিবলৈ সক্ষম হওঁ। সেই বছৰে ছোৱালী হোষ্টেল, লাইব্ৰেৰীৰ কিতাপ আৰু বিজ্ঞানাগাৰৰ কিছু আহিলা-পাতি অনা হয়। অষ্টম পৰিকল্পনাতো-ইতিমধ্যে কলেজে কিছু অনুদান লাভ কৰিছে।

কলেজৰ আজি বহুদিন ধৰি এটি প্ৰশাসনিক ভৱনৰ অভাৱ আছিল। আমি কলেজৰ ফালৰ পৰা নিজা এটি

ড্ৰয়িং কৰিছিলো। অইল ইণ্ডিয়াক এই ঘৰটো সাজি দিবৰ বাবে বহুদিন ধৰি অনুৰোধ কৰা হৈছিল। শ্ৰীনগেন গগৈ জি, জি, এম, আৰু শ্ৰীবিকাশ বৰা চি, এম, ডি. হোৱাৰ প্ৰাছত কোম্পানীয়ে নীতিগত ভাৱে এই ঘৰটো বনোৱাৰ দায়িত্ব গ্ৰহণ কৰে। শ্ৰীযুত শৰৎ দত্তই এই বিল্ডিং টোৰ আঁৰত বহুখিনি সহায় কৰিছে। শ্ৰী ডি, ডি, মেধি প্ৰানজিৎ ডেকা, এ. এছ, চেহৰা, গুনীন গোস্বামীৰ নাম এই প্ৰসংগতে শ্ৰদ্ধাৰ সোঁৱৰাতো সমীচিন হ'ব। শ্ৰীএন, এন, গগৈয়ে আধাৰ শিলা স্থাপন কৰা এই ভৱনটোৰ তলৰ মহল্য প্ৰায় পূৰ্ণ হোৱাৰ পথত। আমি আশাৰাখিছো অহাবছৰৰ ভিতৰত ওপৰ মহলাটো কোম্পানীয়ে সম্পূৰ্ণ কৰিব। ১৯৭৭ চনত কলেজখনে চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী পোৱাত যুটীয়া সম্পাদকৰ পদ উঠি যায়। সেই দিন ধৰি কলেজৰ অভ্যন্তৰীণ টকা পইচাৰ আয়-ব্যয় সম্বন্ধে আৰু বহু কথাই নজনা হলো। পৰিচালনা সমিতিয়ে বেঙ্কৰ লগত লেন দেন কৰাৰ সকলো দায়ীত্ব একক ভাৱে অধ্যক্ষৰ হাতত ন্যাস্ত কৰে।

কলেজৰ আৰম্ভণিৰ পৰাই শিক্ষক সকলৰ ত্যাগ আৰু তেখেতসকলে কলেজলৈ আগবঢ়োৱা বৰঙণিৰ অবিহনে ৰূপালী জয়ন্তীবৰ্ষ পালন কৰা সম্ভৱ নহলহেঁতেন। নিচেই কম দৰমহাত চাকৰি কৰি নানা অসুবিধাৰ মাজতো কলেজখনৰ কাৰণে শিক্ষক সকলে বহুখিনি বৰঙণি আগবঢ়াই আহিছে। ছাত্ৰ সকলৰ লগত বাঁহ কাটি ঘৰ বনোৱা, চান্দা, বৰঙণি তোলা, থিয়েটাৰ লটাৰীৰ যোগেদি পুঁজি সংগ্ৰহ কৰা সকলো প্ৰকাৰৰ কামকে শিক্ষক সকলে কলেজ খনৰ কাৰণে কৰিছিল। ভ্ৰাম্যমান থিয়েটাৰৰ যোগেদি কলেজলৈ এটা লিথো মেচিন, আলমিৰা আৰু কলেজৰ পুঁজিলৈ বৰঙণি আগবঢ়াইছিল। সৰোজিনী দেৱী গোহাঁই, জয়ন্তী চুতীয়াই শিক্ষক সকলৰ সতে গৈ গাড়ীত তুলি ভাটাৰ পৰা ইটা আনিছিল। ১৯৭৭ চনলৈকে কলেজখনে ঘাটি মঞ্জুৰী নোপোৱা পৰ্য্যন্ত ঢুলীয়াজানৰ দৰে ব্যয়বহুল, কষ্ট সাধ্য ঠাইত অতি কম বেতনত চাকৰি কৰিবলগীয়া হৈছিল। সেই সকলৰ ভিতৰত বৰ্ত্তমানে কাম কৰি থকা আই, পি, গোহাঁই, প্ৰভাত ফুকন, নবীন গোহাঁই, নিত্যা দত্ত, শশীন শইকীয়া, ব্ৰজেন নিৰ্মলীয়া ইত্যাদি। বিজ্ঞান শাখাটোৱে ১৯৮৪ চনতহে ঘাটি মঞ্জুৰী পায়। এই সকল শিক্ষকৰ এই সময়ছোৱাৰ ভিতৰত নানা সমস্যাৰ সন্মুখীন হৈছিল। ৰানী বৰুৱা, ৰীনা শৰ্মা, মঞ্জুলা বুজৰ বৰুৱা, প্ৰণতি বেনাৰ্জী আৰম্ভণিতে সোমোৱা এই মহিলাসকলেও যথেষ্ট ত্যাগ কৰিবলগীয়া হৈছিল। জয়ন্তী চুতীয়া, যোগা গগৈকে আদি কৰি বহু শিক্ষক-শিক্ষয়িত্ৰী বহুতো কলেজখনৰ বাবে ত্যাগ কৰাৰ পাছত ইয়াৰ পৰা গুছি গ'ল। কেতিয়াবা আনন্দ কেতিয়াবা বিষাদ, পোৱা আৰু নোপোৱা মাজতেই গঢ়ি উঠিল আমাৰ মধুৰ সম্পৰ্ক। ৰূপালী বৰ্ষৰ এই বছৰটোতো বহু শিক্ষক-শিক্ষয়িত্ৰী চাকৰি ঘাটি মঞ্জুৰীৰ অন্তৰ্ভুক্ত হোৱা নাই। কেবাগৰাকীও শিক্ষকে আজি বহুদিন ধৰি ঘাটি মঞ্জুৰী নোপোৱাত দুখ কুলাই পাচিয়ে নধৰা হৈছে। কেবাটাও বিষয়ত এতিয়াও শিক্ষকৰ অভাৱ। বুৰঞ্জী, বেঙ্গলী আৰু বিজ্ঞানৰ কোনো বিষয়তে মেজৰ খুলিব পৰা হোৱা নাই। ইলেকট্ৰনিকচ আৰু কম্পিউটাৰ বিজ্ঞানৰ ব্যৱহাৰিক কোনো যন্ত্ৰপাতি নাই। বাণিজ্য শাখাটো নতুনকৈ খোলা হৈছে যদিও শিক্ষক আৰু প্ৰয়োজনীয় সা-সুবিধাখিনি এতিয়াও বাকী। কলেজৰ লাইব্ৰেৰীটোৰ অৱস্থাও খুব ভাল নহয়। পঢ়াৰ বাবে কোঠা আৰু চকী-মেজৰ অভাৱ আৰু উপযুক্ত কিতাপৰো অভাৱ বুলি ক'ব পাৰি।

যোৱা ২৫ বছৰত বহু ছাত্ৰ-ছাত্ৰী এইখন কলেজলৈ আহিল। কিছুৱে চাৰ্টিফিকেট লৈ বা ডিগ্ৰীলৈ গুছি গ'ল। বহুত আকৌ গুছি গ'ল পাছ কৰিব নোৱাৰি এনেয়ে। শিক্ষানুষ্ঠান এখনত ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক সদায় মধুৰ হোৱাটো বাঞ্চনীয়। তুলনামূলক ভাৱে আমাৰ কলেজত শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধ বহুখিনি মধুৰ। আৰম্ভণিৰ পৰা এতিয়ালৈকে অনুষ্ঠানটো গঠনত ছাত্ৰ সকলৰ ভূমিকাও গুৰুত্বপূৰ্ণ। সীমিত সা-সুবিধা, প্ৰয়োজনীয় শিক্ষকৰ অভাৱ। খেলা-ধূলাৰ সা-সজুলিৰ অভাৱ— তাৰ মাজতে আমাৰ ছাত্ৰসকলে পঢ়া-শুনা কৰি কলেজখনৰ উন্নতিতো যথেষ্ট সহায় কৰি আহিছে। কলেজৰ হাবি কটা, খেতি কৰা, ঘৰ বনোৱাত সহায় কৰা, পুঁজি সংগ্ৰহ কৰা ইত্যাদি বহু কামেই ছাত্ৰসকলে কলেজৰ কাৰণে কৰিছিল। নৱাগত আদৰণি, কলেজ সপ্তাহ, সৰস্বতী পূজা, নানা উৎসৱ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বৰ সুন্দৰ ভাৱে সীমিত সা-সুবিধাৰ

মাজেৰেই পাতিছিল। ডুলীয়া গাওঁ, চলাকটকী, পাভজান ৰঙাগড়া, আদি গাওঁবোৰত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে গৈ কেম্প পাতি সমাজ সেৱা কৰিছিল। খেলা-ধূলাত আৰু নাটক, সাংস্কৃতিক বিষয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। বেড্‌মিণ্টন, টেবুল টেনিচ, কুইজ আদিত আমাৰ ছাত্ৰই পাৰদৰ্শিতা দেখুৱাব পাৰিছে। ৰিজাল্টৰ ক্ষেত্ৰত আমাৰ কলেজৰ সুনাম বৰ ভাল নহ'লেও মধ্যমীয়া বুলি ক'ব পাৰি। তুলনামূলক ভাবে ডুলীয়াজানত পঢ়াৰ পৰিবেশ কিছু হেৰাই গৈছে। সহজতে ধন ঘটাৰ মানসিকতাই ছাত্ৰ সকলক অধ্যয়নৰ প্ৰতি আকৃষ্ট কৰাতকৈ সেই ফালেহে বেছি মন দিয়া দেখা গৈছে। ইয়াৰ মাজতে সুভাস দাস বিশ্ববিদ্যালয়ত ভিতৰতে প্ৰথম আৰু কেৱাজনেও ডিষ্টিংচন আৰু অপূৰ্ব গগৈয়ে অসমীয়া সন্মান বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম হোৱাতো কলেজখনৰে গৌৰৱৰ বিষয়। ইয়াৰ পৰা পাছ কৰি যোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈ দেশলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে। কিন্তু কলেজ এখনৰ সকলো কথা নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, আধ্যাত্মিক আৰু শাৰীৰিক বিকাশত। শিক্ষাই কিমান দূৰ অৰিহনা যোগাব পাৰিছে ৰূপালীবৰ্ষত ছাত্ৰ আৰু শিক্ষক সকলোৱে শিক্ষানুষ্ঠানটোৰ গুণগত মানদণ্ড উন্নতি কৰাৰ চিন্তা কৰিবৰ হ'ল।

ৰূপালীবৰ্ষৰ আগে আগে কলেজত বাণিজ্যিক শাখাটো নতুনকৈ আৰম্ভ কৰা হৈছে। অইল ইণ্ডিয়াৰ বিত্ত বিভাগৰ ডিৰেক্টৰ পি, জি, চন্দই এই শাখাটো খোলাত আগভাগ লোৱাৰ লগতে এন, সেন, আৰু বিত্ত বিভাগৰ অন্যান্য বিষয়া সকলে সহযোগ কৰাত বৰ্ত্তমান এই শাখাটোয়ে এইবাৰ স্নাতক চুড়ান্ত পৰীক্ষাত ছাত্ৰ ছাত্ৰীয়ে পৰীক্ষা দিব। চি, এম, ডি, বিকাশ চন্দ্ৰ বৰাদেৱেও এই শাখাটোৰ বাবে যথেষ্ট আগভাগ লৈছে।

আমি আশা ৰাখিছিলো অইল, গেচ আৰু চাহ শিল্পৰ ওপৰত ভিত্তি কৰি অসমৰ ভিতৰতে ডুলীয়াজান এখন সৰ্বাঙ্গ সুন্দৰ কলেজ হিচাবে গঢ়ি উঠিব।

কলেজৰ আৰম্ভণিৰ পৰা এতিয়ালৈকে বহু মানুহকে লগ পালো। বহুটো লোকে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে এই কলেজখন গঢ়ি উঠাত সহায় কৰিলে। সেই সকলোৰে নাম মই ইয়াত উল্লেখ কৰি শেষ কৰিব নোৱাৰো। নতুনকৈ গঢ়ি উঠা এই ঠাইখনত কলেজকে আদি ক'ৰি নানা ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আমি পাতিবলৈ আহি কাৰ স'তে কেতিয়া ক'ত ক'ত একেলগে সমভাগী হৈ কোন কোন অনুষ্ঠানৰ প্ৰতিষ্ঠা কৰাৰ অংশীদাৰ হ'লো সেইবোৰ বহুকথা জীৱনৰ বাট বুলোতে আজি পাহৰি গৈছো। মনত থকা বহু কথাৰ কিছু টুকুৰা খবৰ হে মাত্ৰ লিখিবলৈ যত্ন কৰিছো। কলেজ খনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যি সকলৰ পৰা আতিথ্যকে আদি কৰি দান-বৰঙণি, কায়িক আৰু মানসিক সকলো ধৰণৰ সহায়-সহযোগ পালো— জ্ঞাত, অজ্ঞাত সেই সকলো লোককে আজি শ্ৰদ্ধাৰে স্মৰণ কৰিছো।

ৰাইজৰ লগতে যৌৱনৰ সোণালী দিনবোৰত এখন সুন্দৰ কলেজৰ কল্পনা কৰিছিলো। — ভাবিছিলো অসমৰ ভিতৰতে এখন সুন্দৰ কলেজ গঢ়ি তুলিব পাৰিম আমি! দিন-ৰাতি, ধুমুহা-বতাহ, জাৰ-জহ সকলো পাৰ কৰি যোৱা পচিশ বছৰত পাৰিলো জানো আমি সুন্দৰ কলেজ এখন গঢ়ি তুলিবলে? কলেজৰ চৌহদৰ ভিতৰলৈ আজি মই সোমাই গ'লে এই প্ৰশ্নটোৱে মোক বাৰে বাৰে আমনি কৰে। ⊛

# দুলীয়াজান মহাবিদ্যালয় ঃ কেইটিমান প্ৰাসঙ্গিক কথা

আমি তেতিয়া ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ। আমি মানে সৰ্ব্বশ্ৰী বীৰেন চুতীয়া, গহীন চুতীয়া আৰু মই। প্ৰসঙ্গক্ৰমে আমি আমাৰ কিছুমান স্থানীয় সমস্যাৰ কথা আলোচনা কৰিছিলোহঁক। যেনে— আমাৰ ঠাই বিলাকত শিক্ষাৰ মানদণ্ড যি হাৰত স্তিমিত হৈ আহিছে তাৰ প্ৰতি আলোকপাত কৰি আমি দেখিছিলো যে তেল উদ্যোগটো গঢ়লৈ উঠাৰ লগে লগে শিক্ষাৰ যি মানদণ্ড গঢ়লৈ উঠিব লাগিছিল তাৰ ঠাইত মানুহৰ মনবোৰ তেল উদ্যোগটোৰ সাধাৰণ এজন নিম্নস্তৰৰ কৰ্ম্মচাৰীহৈ কেনেকৈ এটি চাকৰি যোগাৰ কৰি ল'ব পাৰি সেই দিশটোৰ প্ৰতি অধিক মনোনিৱেশ কৰাৰ দৃষ্টান্ত বৰ প্ৰকট ভাৱে পৰিলক্ষিত হৈছে। সৰ্ব্বসাধাৰণৰ তেনে এটা মনোবৃত্তি গঢ়লৈ উঠাতো যিদৰে উদগণি দিব লগা কথা, ঠিক সেইদৰে ল'ৰা-ছোৱালী বিলাকৰ তথা অভিভাৱক সকলৰ তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকক শিক্ষা দিয়াতকৈ চাকৰি এটি যোগাৰ দিয়াতহে অধিক মনোনিৱেশ কৰা পৰিলক্ষিত হোৱাত স্বাভাৱিকতে শিক্ষাৰ প্ৰতি থকা ধাউতিটো কমি আহিবলৈ ধৰিলে। অতি দুখ আৰু পৰিতাপৰ কথা যে, মানুহ বিলাকে নভবা নিচিন্তাকৈ পৈতৃক সম্পত্তি মাটিবাৰী বিলাক তেল কোম্পানীক বিক্ৰী কৰি দিয়াতো।

এই জলন্ত সমস্যা বিলাক আমি চিন্তা কৰিছিলো। লগে লগে আমাৰ অঞ্চলৰ শিক্ষাৰ প্ৰতি বা উচ্চ শিক্ষাৰ প্ৰতি ৰাইজৰ মন কি দৰে পৰিবৰ্ত্তিত কৰিব পাৰি তাৰ বাবে নতুনকৈ চিন্তা-চৰ্চ্চা কৰাৰ অৱকাশ আহি পৰাত আমি প্ৰসঙ্গক্ৰমে দুলীয়াজানত শিক্ষানুষ্ঠান কিছু প্ৰসাৰ কৰাৰ কথা পাতোতে হঠাতে বীৰেনে এখন কলেজৰ কথা উন্নুকিয়ালে। প্ৰথমে আমি যদিও কথাটোত বৰকৈ জোৰ দিবলৈ ইচ্ছা প্ৰকাশ কৰা নাছিলো কিন্তু বীৰেনৰ (মানে বীৰেন চুতীয়াৰ) আকোৰগোজ মনোভাৱে আৰু সুবিধা পালেই প্ৰশ্নটোৰ ক্ষেত্ৰত আমাৰ মনোযোগ বাৰে বাৰে সেই ফালে আকৰ্ষণ কৰাত গহীন চুতীয়া আৰু মই স্বাভাবিকতে সেইফালে দৃষ্টি দিবলৈ একৰকম বাধ্য হৈ পৰিলো। বীৰেনক সন্তুষ্ট কৰিবলৈকে অন্ততঃ কেইদিনমান আমি কলেজৰ স্থান, টকা পইচাৰ আমদানিৰ আহিলা (উৎস)

—তীৰ্থ হাজৰিকা

ইত্যাদি বিলাকৰ পাতনি তথা কোন কোন ব্যক্তিৰ দ্বাৰা কামটো কৰিব পৰা যাব আদি আনুষঙ্গিক কথা কিছু আলোচনা কৰি বৰ সন্তোষ পোৱা হ'ল।

আগতেই কৈ আহিছোঁ যে তেতিয়া আমি কলেজৰ ছাত্ৰহে আছিলো। কলেজ শেষ হোৱাই নাই। কেতিয়াবা ভাবিছিলো বোধহয় আমি কথাবোৰ দৰকাৰতকৈ বেছিকৈ ভাবিছো। কিন্তু কথাবোৰ ফুটাই কোৱাৰ সাহস নাছিল। মানে বীৰেনলৈ ভয়। তেওঁ আমাৰ মানসিকতাক এনেদৰে আক্ৰমণ কৰে যে তেওঁৰ যুক্তিক নাকচ কৰাৰ আমাৰ এজনৰো সাহস নোহোৱা হৈ পৰে। গহীনৰ যুক্তি হ'ল সদ্যহিতে বৰ্ত্তমানৰ অধ্যয়নত জোৰ দিয়া হওক আৰু সময়ত আমিয়েই ঢুলীয়াজানত নিশ্চয় কিবা-কিবি কিছুমান কাম কৰিব লাগিব। অইল ইণ্ডিয়াই সৃষ্টি কৰা সমস্যা বিলাকৰ ওপৰতে পাছলৈ জন্ম হ'ল ঢুলীয়াজান আঞ্চলিক যুৱক সংঘৰ।

ইতিমধ্যে গহীন স্নাতক হৈ গুৱাহাটীত স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে পঢ়িবলৈ গ'লগৈ। তেতিয়াও ডিব্ৰুগড়ত বিশ্ববিদ্যালয় হোৱা নাই। গহীন গুচি যোৱাত আমাৰ আলোচনাবোৰ কিছু হ'লেও ম্লান হৈ পৰিছিল। কিন্তু আমি আলোচনা অব্যাহত ৰাখিছিলো। আমাৰ কলেজত অধ্যয়ন শেষ হৈ আহিছিল। মই আৰু বীৰেন স্নাতকৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ কিছুদিন ঘৰত আছিলোহি। সেই সময়তে আমি কলেজ সম্পৰ্কে স্থানীয় বিভিন্ন সমস্যা লৈ স্থানীয় ৰাইজৰ লগত আলোচনা কৰাৰ এটা সুযোগ পালো। মহমাৰী গাৱঁকে কেন্দ্ৰস্থল হিচাবে লৈ চলাকটকী, পাভজান, কছাৰী পথাৰ, মেৰবিল, ঢুলীয়াজান, টিপলিং আৰু নাওহলীয়া আদি ঠাই সমূহলৈ গৈ বিভিন্ন গাঁৱৰ মুৰব্বী সকলৰ লগত আলোচনা কৰি এখন কলেজ যে ঢুলীয়াজানত অতীৱ প্ৰয়োজন হৈ পৰিছে আৰু ঢুলীয়াজানৰ তৈল উদ্যোগটোৰ লগত ৰজিতা খুৱাই ঢুলীয়াজান অঞ্চলৰ কোনো এখন সুবিধাজনক ঠাইতে যে ইয়াক প্ৰতিষ্ঠা কৰা হওক এই কথাটো পতিয়ন নিয়াওঁতে আমাৰ অকণো কষ্ট নহ'ল। কিছুলোকে আমাক এই ক্ষেত্ৰত বহু পৰামৰ্শ ও অধিক প্ৰেৰণা আগবঢ়াইছিল। সেই সকল নমস্য ব্যক্তিক আমি আজিও শ্ৰদ্ধাসহকাৰে স্মৰণ কৰো। সেই সকলৰ ভিতৰত বিশেষকৈ ৺চেনীৰাম দত্ত, ৺দুৰ্গা বৰুৱা, ৺বেণু দত্ত, ৺বৈদ্য নাথ গগৈ, আনন্দ দত্ত, বসন্ত গগৈ, লক্ষী গগৈ, হেমকান্ত বৰদলৈ আদি বহুতো ব্যক্তি।

স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত বীৰেন গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পঢ়িবৰ বাবে গ'লগৈ। মোৰ ঘৰুৱা অৱস্থা স্বচল নোহোৱাৰ বাবে যাব নোৱাৰি চাকৰিৰ অনুসন্ধানত লাগিব লগা হ'ল। গহীন-বীৰেনৰ লগ নোহোৱাত মোৰ অৱস্থাটো পুতৌ লগাকৈ হতাশাৰে ভৰি পৰিছিল। তথাপিও তেওঁলোকৰ পৰা পোৱা অনুপ্ৰেৰণা মূলক চিঠিবোৰে নতুন নতুন ভাবাবেগৰ খোৰাক যোগাই-ছিল আৰু কলেজৰ কথাটো ৰাইজৰ লগত আলাপ-আলোচনা অব্যাহত ৰখাৰ বাবে সকীয়াই আছিল। গহীনে ইতিমধ্যে স্নাতকোত্তৰ ডিগ্ৰীলৈ নাহৰকটীয়া মহাবিদ্যালয়ত অধ্যাপনা আৰম্ভ কৰিছিল। কিছুদিনৰ পাছত সেই কলেজৰে অন্য এজন অধ্যাপক ক্ষীৰোদ শইকীয়াদেৱৰ লগত গহীনেই মোক চিনাকি কৰি দিছিল। তেখেতো টেঙাখাট অঞ্চলৰ মানুহ আৰু ঢুলীয়াজানত এখন কলেজ স্থাপনৰ বাবে তেখেতো উৎসাহী বুলি জানিব পাৰি নথৈ সুখী হ'লো।

ইতিমধ্যে টেঙাখাটত এখন কলেজ প্ৰতিষ্ঠা কৰাৰ প্ৰস্তুতি চলিছিল আৰু টেঙাখাট ছোৱালী স্কুলতে শ্ৰেণী আৰম্ভ কৰিছিল। বীৰেনে স্নাতকোত্তৰৰ শেষ পৰীক্ষাত অৱতীৰ্ণ হৈ আহি টেঙাখাট কলেজত কাম কৰি থাকোতে ঢুলীয়াজানত কলেজ পতাৰ প্ৰসঙ্গটো আকৌ মোৰ লগত আলোচনা কৰিলে। কিছুদিনৰ পাছত এদিন আমি আটাইকেইজন মানে বীৰেন, গহীন, মই আৰু ক্ষীৰোদ শইকীয়া কঠালগুৰিৰ প্ৰদীপ দত্তৰ ঘৰত মিলিত হওঁহক। প্ৰসঙ্গক্ৰমে ঢুলীয়াজানৰ কলেজৰ প্ৰসঙ্গটোৱেই একমাত্ৰ বিষয় হৈ পৰে আৰু সেইদিনাই এখন ৰাজহুৱা সভা আহ্বান কৰিবৰ বাবে সিদ্ধান্ত কৰা হয়।

পৰৱৰ্ত্তী বৈঠক আমাৰ ঘৰতে আৰম্ভ কৰা হয়। বোধকৰো সেই সময়ত গ্ৰীষ্মকালীন বন্ধ আছিল। সেয়ে আটাইকেইজন প্ৰায়ে একে লগে ফুৰা-চকাত বা থকা মেলাত অকণো অসুবিধা হোৱা নাছিল। সৰ্ব্বসাধাৰণ

ৰাইজৰ অদ্ভুত পূৰ্ব সহাৰি ও উৎসাহ পাই আমি অভিভূত হৈ পৰিছিলো। প্ৰথম কথাটো আছিল মাটিৰ ব্যৱস্থা কৰা। চলাকটকী অঞ্চলত এটা চৰকাৰী গ্ৰেজিং আছিল। গতিকে সেই গ্ৰেজিঙতে কলেজ প্ৰতিষ্ঠা হ'ব লাগিব। আমাৰ সিদ্ধান্ত। কিন্তু সেই সময়ছোৱাৰ ভিতৰতে চলাকটকী গ্ৰেজিঙৰ কিছু মাটি "অসম গেছ কোম্পানীয়ে" অধিগ্ৰহণ কৰি কাম-কাজ আৰম্ভ কৰাৰ আমাৰ দৃষ্টি গোচৰ হয়। গতিকে অধিক বিলম্ব নকৰি আমাৰ পৰিকল্পনাৰ বাস্তৱ ৰূপায়ণ কৰিব লাগে। কাৰণ ৰাজহুৱা মাটি বিলাক এই দৰে কোম্পানী সমূহে অধিগ্ৰহণ কৰি কৰি উদ্যোগ স্থাপন কৰাৰ যি প্ৰস্তুতি চলিছে তাত যদি বাধা দান কৰা নাযায় তেতিয়া হলে সুবিধাবাদী পুঁজিপতি সকলে অশিক্ষিত জন-সাধাৰণৰ নিবুৰ্ধিতাৰ সুযোগ গ্ৰহণ কৰি ৰাজহুৱা সম্পত্তি বিলাক নিঃশেষ কৰি পেলাব। বীৰেনে এইদৰে যুক্তি দাঙি ধৰাত আমি সকলোৱে তাত হয়ভৰ দি চলাকটকী ৰাইজক এনে বিলাক কথাৰ প্ৰতি সচেতন কৰি তুলিবৰ বাবে আৰু ৰাইজে যাতে অকপটে কলেজৰ বাবে মাটি এৰি দি আমাৰ লগত সহযোগ আগবঢ়াই সেই সম্পৰ্কে কথা-বতৰা পাতিবৰ বাবে বীৰেন আৰু মই চলাকটকীৰ প্ৰায় ৰাইজক লগ কৰি কথাবোৰ পাতিলোঁগে। এটা অনুকুল বাতাবৰণ গঢ়ি উঠাৰ অন্তত চলাকটকী গাঁৱৰ প্ৰাইমেৰী স্কুলখনতে এখন ৰাজহুৱা সভা আহ্বান কৰিবৰ বাবে আমি দুয়ো দায়িত্ব ললো আৰু আমিয়েই আহ্বায়ক হিচাবে ১৯৬৮ চনৰ আগষ্ট মাহৰ এঘাৰ তাৰিখে সেই সভাখন চেনীৰাম দত্তদেৱৰ সভাপতিত্বৰ অনুষ্ঠিত হয়। সেই সভালৈ গোটেই দুলীয়াজান অঞ্চলৰ বিশিষ্ট নেতৃবৃন্দক আমন্ত্ৰণ জনোৱা হৈছিল। তাৰোপৰি কঠালগুৰি, টিপলিং, উষাপুৰ, ভাদৈ, নাওহলীয়া, কছাৰী পথাৰ আদিৰ স্কুল সমূহৰ প্ৰধান শিক্ষক সমূহ, গাওঁ পঞ্চায়তৰ সভাপতি সমূহক বিশেষ ভাবে নিমন্ত্ৰণ জনোৱা হৈছিল। সেই সময়ত বৰ্ত্তমান কলেজখনৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধেয় পূৰ্ণকান্ত হাজৰিকাদেৱ নাহৰকটীয়া উচ্চতৰ মাধ্যমিক স্কুলত শিক্ষকতা কৰি আছিল। তেখেত আমাৰ অঞ্চলটোৰ এজন উচ্চ শিক্ষাৰে শিক্ষিত ব্যক্তিত্ব সম্পন্ন লোক। গতিকে তেখেতকো সেই সভালৈ নিমন্ত্ৰণ জনোৱা হৈছিল।

সেইদিনাৰ সভাখনত চলাকটকী ৰাইজ তথা যুৱক সকলৰ উৎসাহ উদ্দীপনা দেখি আমাৰ মন শ্ৰদ্ধাত ভৰি পৰিছিল। বিশেষকৈ বসন্ত গগৈ, লক্ষী গগৈ, বৈদ্য গগৈ আদি বয়োজ্যেষ্ঠ লোক সকলে কৰা আদৰ আপ্যায়ন আজিও মানসপটত বৰ তীব্ৰ ভাবে সতেজ হৈ আছে।

সেই সভাতে এখনি তদৰ্থ সমিতি গঠন কৰি দিয়া হয়। চেনীৰাম দত্ত সভাপতি, বীৰেন চুতীয়া সম্পাদক, আৰু মোক সহকাৰী সম্পাদকৰ দায়ীত্ব দিয়ে। পৰৱৰ্ত্তী সভাখনি অনুষ্ঠিতৰ স্থান নিৰ্ণয় কৰা হয় টিপলিংঘাট হাই স্কুল। সেই সময়ত টিপলিংঘাট হাইস্কুলৰ প্ৰধান শিক্ষক আছিল ভৰত চন্দ্ৰ বৰুৱাদেৱ।ময়ো সেই স্কুলতে সেই সময়ত শিক্ষকতা কৰি আছিলো। চলাকটকী গাঁৱৰ সেই সভাতে বহু কেইখন আঁচনি ও সৎপৰামৰ্শ বহু কেইজন বিশিষ্ট ব্যক্তিয়ে আগবঢ়াইছিল। হাবি-জংঘল কেনেকৈ চফা কৰা হ'ব, মাটি চৰকাৰৰ পৰা কি দৰে পোৱা হ'ব, পুঁজি কেনেকৈ গঠন কৰা হ'ব ইত্যাদি ভালেমান আনুষঙ্গিক বিষয় আলোচনা কৰা হৈছিল। সেই সন্দৰ্ভত চলাকটকী শ্ৰদ্ধেয় লক্ষী গগৈদেৱৰ এষাৰ কথা মোৰ কাণত আজিও বাজি আছে। তেখেতে কৈছিল যে, চলাকটকী গাঁৱৰ ৰাইজে এবছৰ সেই মাটিত সৰিয়হ খেতি কৰিবলৈ ল'ব লাগে সমবায় হিচাবে। তেতিয়া ৰাইজও উপকৃত হ'ব আৰু মাটিও ওলাব। অৱশ্যে যদিও তেনে জাতীয় কোনো ব্যৱস্থা লোৱা হোৱা নাছিল, তথাপিও এজোকন সাধাৰণ মানুহৰ মনত কলেজ সম্বন্ধে উদ্ৰেক হোৱা মানসিকতাখিনি নিশ্চয় শ্ৰদ্ধা কৰিবলগীয়া।

আগতেই উল্লেখ কৰি অহা হৈছে যে, অইল ইণ্ডিয়াই সৰহ টকাৰ বিনিময়ত ৰাইজৰ মাটি-বাৰী বিলাক খাদৰ বাবে কিনি লৈছে। কিন্তু অইল ইণ্ডিয়াইযে চলাকটকী গ্ৰেজিংটোৰ ওপৰতো দৃষ্টি ৰাখিছে সেই কথা আমি বহুদিনলৈ গমেই পোৱা নাছিলো। টিপলিংৰ ফনী বৰুৱা সেই সময়ত কাননগু আছিল। আমি প্ৰায়ে সেই মানুহজনৰ ঘৰলৈ অহা যোৱা কৰিছিলো।

এদিন বীৰেনক প্ৰসংগক্ৰমে তেখেতেই বোলে ক'লে চলাকটকী গ্ৰেজিঙত যে কলেজ পাতিব বিচাৰিছা পিচে অইল ইণ্ডিয়াই যে আবাসিক গৃহ বনাবৰ বাবে ডেপুটি কমিচনাৰ চাহাবক সেই মাটিখিনিকে বিচাৰিছে গম পাইছানে নাই। চৰকাৰে তেল কোম্পানীক মাটি নিদি তোমালোকক মাটি দিব বাৰু হৈছে। বীৰেনৰ মূৰত বজ্ৰপাত পৰা যেন লাগিল। কথাখিনি পিছত বীৰেনে চেনীৰাম দত্ত প্ৰমুখ্যে ভালেকেইজন লোকৰ লগত আলোচনা কৰি চলাকটকী ৰাইজৰ লগত পুনৰ সভা আহ্বান কৰি আলোচনা কৰিলে। এইবাৰ চলাকটকীৰ ৰাইজ জাঙোৰ খাই উঠিল। কোনোমতেই গ্ৰেজিঙত অইল ইণ্ডিয়াক সোমাবলৈ দিয়া নহ'ব। এটা প্ৰস্তাৱ গ্ৰহণ কৰি ডেপুটি কমিচনাৰলৈ আৰু চৰকাৰকৈ পঠাবৰ বাবে সিদ্ধান্ত কৰা হ'ল। সেই সময়ত হেমকান্ত বৰদলৈ মহকুমা মাটি বন্দবস্তী আয়োগৰ সভ্য আছিল বুলি কিবা সূত্ৰে বীৰেনে জানিব পাৰি তেখেতক লগত লৈ সকলো ঠিক-ঠাক কৰি আহিল। তাৰ এক দীঘলীয়া বৰ্ণনা বীৰেন চুতীয়াৰ লগত আছে।

ইয়াৰোপৰি আমাৰ এই অঞ্চলৰে এনে কিছুমান লোকৰ পৰা এনেকুৱা কিছুমান অভিযোগো উত্থাপন হৈছিল যে, যিহেতু ডুলীয়াজানৰ নাতিদূৰ নাহৰকটীয়াত এখন মহাবিদ্যালয় থাকোতে আকৌ এখন মহাবিদ্যালয় কিয় পাতিব লাগে। বহুকেইজনৰ মুখৰ পৰা কিছুমান পৰামৰ্শও আগবঢ়াইছিল যে, তোমালোকে মহাবিদ্যালয়ৰ কথা ডুলীয়াজানত চিন্তা কৰাতকৈ ইয়াৰ প্ৰাইমেৰী স্কুল কেইখনকে উন্নতি কৰাত মনোনিবেশ কৰাহঁক। কিন্তু বৰ ৰহস্যজনক কথা যে এনেধৰণৰ উক্তি ৰখা ভালে কেইজন লোক পৰবৰ্ত্তি কালত ডুলীয়াজান মহাবিদ্যালয়ৰ গভনিংবডিৰ সদস্যৰ বাবে হেঁতা-ওপৰা কৰিছিল আনকি অধ্যাপক বাছনি বৰ্ডৰ সদস্যলৈও উন্নীত হৈছিল।

যি কি নহওক অৱশেষত ১৯৬৮ চনৰ ১৫ অক্টোবৰ তাৰিখে টিপলিংঘাট হাইস্কুলত সেই ঐতিহাসিক সভাখন অনুষ্ঠিত হৈছিল। সমগ্ৰ ডুলীয়াজান এলেকাৰ বহু গণ্যমান্য ব্যক্তি তথা অইল ইণ্ডিয়াৰ ভালেমান বিষয়াৰ উপস্থিতিত সভাখন লোকাৰণ্য হৈ পৰিছিল। টিপলিংঘাট স্কুলৰ সমীপতে থকা ই, এণ্ড, ডি, বিভাগৰ অতিথিশালাৰ পৰা অনা ভালেমান চকী তথা স্কুলৰ বেঞ্চ আদিৰ উপৰিও বহুলোক বাহিৰৰ বাৰান্দাত থিয় হৈ সভাত উপস্থিত থাকিব লগা হৈছিল। স্কুলৰ সন্মুখৰ খেল পথাৰখন অতিথি সকলৰ গাড়ীৰে ভৰি পৰিছিল। সেই সভাখনিত সভাপতিত্ব কৰিবৰ বাবে অইল ইণ্ডিয়াৰ বাবে অইল ইণ্ডিয়াৰ সেই সময়ৰ সৰ্বময় কৰ্ত্তা ৰেচিডেণ্ট চীফ ডাইৰেক্টৰ কে, বি, কানুনগোদেৱক আমন্ত্ৰণ জনোৱা হৈছিল। তেখেতৰ নিপুণ ব্যক্তিত্বই সেই-দিনাৰ সভাত ৰাইজক এক বিৰল আনন্দৰ সোৱাদ প্ৰদান কৰিছিল। আগন্তুক কলেজখনৰ আৰ্হি তথা কলেজখন যে বিজ্ঞান ভিত্তিক হ'ব লাগে আৰু প্ৰযুক্তি বিজ্ঞান শিক্ষাৰ বিষয় হ'ব লাগে ইত্যাদি কথা বিলাকৰ বিশদ ব্যাখ্যা বীৰেন চুতীয়াই দাঙি ধৰিছিল আৰু বিজ্ঞানৰ সকলো বিলাক পাঠ্যক্ৰমৰ বাবে যে ডুলীয়াজানত কোনো ৰকমৰ অসুবিধা নাই, এই সকলো কথা ৰাইজক বুজাই কৈছিল।

গতিকে ডুলীয়াজানত এখন আটকধুনীয়া বিজ্ঞান ভিত্তিক মহাবিদ্যালয়ৰ এখনি প্ৰস্তুতি সমিতি সেই সভাতে গঠন কৰা হ'ল। সেইদিনাৰ সভাৰ সভাপতি কানুনগো চাহাবকে সৰ্বসন্মতিক্ৰমে সভাপতি নিৰ্ব্বাচন কৰা হয়। চেনীৰাম দত্ত আৰু প্ৰবীন কুমাৰ চৌধুৰী উপ-সভাপতি, পূৰ্ণ হাজৰিকা আৰু বীৰেন চুতীয়াক যুটীয়া সম্পাদক হিচাবে নিৰ্ব্বাচন কৰি এখনি শক্তিশালী প্ৰস্তুতি সমিতি গঠন কৰা হ'ল। তাৰোপৰি নিম্নলিখিত ব্যক্তি সকলেৰে এখনি পৰামৰ্শদাতা সমিতিও গঠন কৰা হ'ল। তেখেত-সকল ভদ্ৰকান্ত গগৈ, (এম, এল, এ) ক্ষীৰোদ শইকীয়া গহীন চুতীয়া, ৰাধাকৃষ্ণ খেমকা, যদু ভূঞা আৰু মানিক চন্দ্ৰ দাস (এম, এল, এ)।

সেই সভাতে ২'৫০ লাখ টকাৰ এখন বাজেট তৈয়াৰ কৰি সেই বছৰৰ ভিতৰতে উক্ত টকাখিনি সংগ্ৰহৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি লোৱা হৈছিল। গতিকে সেইদিন ধৰি আমাৰ শান্তি নোহোৱা হৈছিল। বিভিন্ন গাওঁসমূহলৈ গৈ একোখনি বিত্ত উপ সমিতি গঠন কৰা হৈছিল। তেখেত

সকলক প্ৰতি গাওঁৰ পৰা ধান সংগ্ৰহ কৰিবৰ বাবেও পৰামৰ্শ দিয়া হৈছিল।

কানুগা চাহাব সভাপতি হোৱাৰ পাছৰে পৰা আমাৰ বন্ধুতো অভাৰ সোনকালে সমাধা হৈছিল। যেনে তেখেতেই এটি কোঠা কলেজৰ যাবতীয় কাম-কাজ চলাবৰ বাবে সুবিধা কৰি দিছিল। ইয়াৰোপৰি কলেজখন প্ৰাৰম্ভিক ভাবে আৰম্ভ কৰিবৰ বাবে কোম্পানীৰ হায়াৰচেকেণ্ডেৰী স্কুলখন লওঁ বোলোতে সকলো সুবিধা কৰি দিছিল।

পূৰ্ণকান্ত হাজৰিকাদেৱক অস্থায়ী অধ্যক্ষ হিচাবে কাম চলাই যাবৰ বাবে অনুমতি প্ৰ' ন কৰাৰ পাছত তেখেতৰ অধ্যক্ষতাতে অইল ইণ্ডিয়া হায়াৰচেকেণ্ডাৰী স্কুলৰ জনচেৰেক বাছকবনীয়া শিক্ষকক অস্থায়ী হিচাবে অধ্যাপকৰ পদত নিযুক্তি দি প্ৰি, ইউনিভাৰচিটি ক'লা বিভাগটি সেই স্কুলতে চলাই থকা হৈছিল। ইয়াৰ পাছত পৰ্য্যায়ক্ৰমে চৰকাৰে অনুমোদন দিয়া চলাকটকী গ্ৰেজিঙৰ মাটিলৈ কলেজখন স্থানান্তৰ কৰা হৈছিল।

আজি অসমৰ ভিতৰতে ডুলীয়াজান মহাবিদ্যালয়ৰ এখনি বিশিষ্ট স্থান আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ ভিতৰত ডুলীয়াজান মহাবিদ্যালয় খনিয়ে অলপ দিনৰ ভিতৰতে যি সুনাম অৰ্জ্জন কৰিবলৈ সমৰ্থ হৈছে তাৰ বাবে মহাবিদ্যালয়খনিৰ শিক্ষক সকলৰ অকুণ্ঠ পৰিশ্ৰম আৰু নিষ্ঠাবান শিক্ষাদানে উল্লেখনীয় ভাবে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাত আমি সীমাহীন আনন্দ লাভ কৰিছো।

মহাবিদ্যালয়খনিয়ে এই পচিশটা বছৰত কেৱল শিক্ষাৰ ক্ষেত্ৰতে নহয় আনকি খেলা-ধুলা, কৃষ্টি-সংস্কৃতিৰ ক্ষেত্ৰত দেখুৱাই অহা পাৰদৰ্শিতাখিনি লেখত ল'বলগীয়া। তাৰ বাবে আমি ডুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সমূহৰ লগতে গৌৰৱ অনুভৱ কৰো।

আজি আমি ২৫ বছৰীয়া যৌৱনপ্ৰাপ্ত কলেজখনৰ কাষেৰে পাৰহৈ আহোঁতে এটি কথালৈ বাৰে বাৰে মনত পৰে— এদিন এটা গছৰ পুলি ৰোপন কৰিছিলোঁহঁক; আজি সি ডাল-পাত, ফল-ফুলেৰে নদন-বদন হৈছে আৰু তাৰ সুবাসে বহুজনক আনন্দিত কৰিছে। তাতোকৈ আৰু কিবা ৰোপন কৰা সকলে বিচাৰিলে নিশ্চয় অন্যায় কৰা হ'ব।

সদৌ শেষত ডুলীয়াজান মহাবিদ্যালয়খনি এই অঞ্চলৰ সমূহ ৰাইজৰ বাবে এখন আদৰ্শ শিক্ষানুষ্ঠান হিচাবে চিহ্নিত হওক তাৰ প্ৰতি ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনালো। ✪

(লিখক প্ৰথম কলেজ পৰিচালনা তদৰ্থ সমিতিৰ সহকাৰী সম্পাদক আছিল।)

# দুলীয়াজান মহাবিদ্যালয়ৰ সংগীত প্ৰতিযোগিতা ঃ এটি পৰ্য্যালোচনা

— লুইত দাস

দুলীয়াজান মহাবিদ্যালয়ৰ সৈতে মোৰ চিনাকি ১৯৭৪ চনতে। বছৰৰ লেখেৰে একুৰিয়েই হ'লহি সান্নিধ্যতা লাভৰ। সেই বছৰেই গাতে লাগি থকা প্ৰাকৃতিক গেছৰ উদ্যোগ অসম গেছ কোম্পানীৰ গাণনিক বিভাগত কৰ্ম সংস্থানৰ দুৱাৰদলিত ভৰি দিছোঁহি। মহাবিদ্যালয়খনৰ অৱস্থা তেতিয়া দুখলগা। কোম্পানীৰ কৰ্মচাৰী সকলৰ দৰমহা বিলৰ পৰা কৰ্ত্তন কৰি এইখন মহাবিদ্যালয়লৈ আৰ্থিক সাহাৰ্য্য আগবঢ়োৱাৰ স্মৃতি আজিও সজীৱ হৈ আছে।

মনত পৰে—<br>
পূৱা-পশ্চিমাকৈ থকা তেতিয়াৰ এটা দীঘল কেচাঘৰ।<br>
ডিচেম্বৰ মাহ<br>
সেমেকা সন্ধিয়া।

অঁনাতাৰ শিল্পী কমী বৰবৰা (এতিয়া গোস্বামী) নাহৰকটীয়াৰ পৰা আহিছে সেই বছৰৰ প্ৰতিভা বিকাশ সপ্তাহৰ শেষৰ সন্ধিয়া কেচাঘৰৰ মুৰাল সজা মঞ্চতে গীত গাবলৈ। গীত পৰিবেশনৰ বাবে এই লিখককো অনুৰোধ জনালে। গালো। তাৰ পাছৰ পৰাই আমাৰ সান্নিধ্যতা বৃদ্ধি পালে। অৱশেষত প্ৰায়বোৰ প্ৰতিভা বিকাশ সপ্তাহৰ কাৰ্য্যসূচীত উপস্থিত থকাৰ উপৰিও সংগীত প্ৰতিযোগিতাৰ বিচাৰকৰ আসনত বহি গধুৰ দায়িত্ব বহন কৰিব লগাত পৰিলো।

অৱশ্যে এইটো স্বীকাৰ্য্য যে এজন গাঁৱলীয়া শিল্পী হিচাপে থকা সীমিত জ্ঞানে বিচাৰকৰ আসন এখন গ্ৰহণ কৰাত কেতিয়াও অনুমতি নিদিয়ে। তথাপিও ছাত্ৰ-ছাত্ৰী, একতা সভা বা শিক্ষক গোটৰ ফালৰ পৰা আন্তৰিকতাৰে অহা অনুৰোধ উপেক্ষা কৰিব নোৱাৰি বিচাৰকৰ দায়িত্ব পালন কৰিব লগা হয়। আনকি যোৱাটো বছৰো বিচাৰকৰ আসনৰ পৰা আঁতৰি থাকিব নোৱাৰিলো।

## বিচাৰকৰ সৈতে ঘনিষ্ঠতা ঃ

দুলীয়াজানস্থ উল্লেখনীয় কেইবাজনো যথেষ্ট অভিজ্ঞ ব্যক্তি বা সংগীতজ্ঞৰ সৈতে ঘনিষ্ঠতাৰ সুযোগ আৰু পৰিচয় ঘটিছিল প্ৰথম দুলীয়াজান মহাবিদ্যালয়ৰ সংগীত প্ৰতিযোগিতাত। তাৰে ভিতৰত গীতিকাৰ, সুৰকাৰ আৰু গায়িকা স্বৰ্গীয়া লাৱণ্য প্ৰভা নাথ আৰু বেহেলা বাদক

স্বৰ্গীয় ৰাম ঠাকুৰদেৱক এই সুযোগতে সোঁৱৰিছো। ইয়াৰ উপৰিও সুনীল কাকতি, প্ৰশান্ত নাথ, অৰুণ বৰদলৈ, বদন ভূঞা, দীপক গগৈ, সুৰেন্দ্ৰ গগৈ, গোপী তামুলী, নিত্যা দত্ত, শুভ্ৰা বৰুৱা, ব্ৰজেন নিৰ্ম্মলীয়া, দিলীপ তামুলী প্ৰমূখ্যে আৰু বহুকেইজন বিচাৰকক সালসলনিকৈ বিচাৰকৰ আসনত লগ পোৱাৰ সৌভাগ্য আৰু প্ৰতিযোগিতাৰ অন্তত হোৱা আলাপ-আলোচনাই সংগীত প্ৰতিযোগিতাৰ বিচাৰত যথেষ্ট অৰিহণা যোগাইছিল। এই সকল ব্যক্তিৰ ঘনিষ্ঠতা আজিও বিৰাজমান।

## সংগীত প্ৰতিযোগিতা আৰু অংশ গ্ৰহণ ঃ

এইটো সত্য যে প্ৰত্যেক বছৰে মহাবিদ্যালয়লৈ আগমন হোৱা নতুন নতুন ছাত্ৰ-ছাত্ৰী সকলৰ শ্ৰেণীগত শিক্ষাৰ উপৰিও অন্যান্য দিশত ব্যক্তিগত প্ৰতিভা বিকাশৰ এটা সোণালী সুযোগ শিক্ষানুষ্ঠানৰ বাৰ্ষিক প্ৰতিভা বিকাশ সপ্তাহে আগবঢ়াই আহিছে। অৱশ্যে কেতিয়াবা মহাবিদ্যালয়ৰ নতুন পৰিবেশত বিদ্যাৰ্থী সকলৰ বহুতে নিজকে সহজ কৰি লোৱাত পলম হয়। মন কৰিবলগীয়া কথা এয়ে যে ডুলীয়াজান মহাবিদ্যালয়ৰ সৰ্বমুঠ বিদ্যাৰ্থীৰ প্ৰায় ৭০ শতাংশই গাওঁ অঞ্চলৰ। গতিকে সংগীতৰ প্ৰতি একাগ্ৰতা থাকিলেও বিভিন্ন কাৰণত পিছহোঁহকি থকা প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়েও প্ৰতিযোগিতাত ভাগ লোৱাৰ পৰা বিৰত থাকে। কেতিয়াবা আকৌ লাজ-শংকা ভাৱে অংশ গ্ৰহণত বাধাৰ সৃষ্টি কৰে। বাদ্যযন্ত্ৰৰ সহযোগীতাৰ প্ৰশ্নটো আছেই। আকৌ বহুতো ছাত্ৰ-ছাত্ৰী আছে, যি সকলৰ ঘৰ দূৰনিৰতীয়া। যাতায়তৰ অসুবিধা। প্ৰতিযোগিতাত যোগদান কৰিলেও বিশেষকৈ ছাত্ৰী সকলৰ ক্ষেত্ৰত সময় আৰু যাতায়তৰ অসুবিধাৰ হেতু পৰিৱেশন এৰি ঘৰমুখী হ'ব লগা হয়। অৱশেষত প্ৰতিযোগিতা চলি থকাৰ সময়ত মঞ্চত নাম ঘোষণা বাৰে বাৰে কৰি থকাৰ বাবে অবাবত সময় নষ্ট আৰু আমনিদায়ক হয়।

## প্ৰতিযোগিতাৰ বিষয় আৰু নিৰ্বাচন ঃ

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পূৰ্ণ সমৰ্থন সাপেক্ষে ছাত্ৰ একতা সভাৰ নিৰ্বাচিত অন্যান্য শাখাৰ সম্পাদকৰ লগতে সাংস্কৃতিক সম্পাদক এজন এবছৰৰ বাবে বাচনি কৰা হয়। লগতে কোনোবা এজন অধ্যাপকক সেই বিভাগৰ দায়িত্বত দিহা-পৰামৰ্শৰ বাবে অন্তৰ্ভূক্ত কৰি লোৱা হয়। বছৰটোত অনুষ্ঠিত কৰা যি কোনো সাংস্কৃতিক কাৰ্য্যসূচী তথা প্ৰতিভা বিকাশ সপ্তাহৰ সংগীত প্ৰতিযোগিতাৰ মানদণ্ড, সৌষ্ঠৱ আদি সকলো কথা বিভাগীয় সম্পাদকে লক্ষ্য কৰিব লাগে।

বিচাৰকৰ আসনৰ পৰা আমি লক্ষ্য কৰি আহিছো যে সংগীত প্ৰতিযোগিতাত কেইটামান নিৰ্দিষ্ট বিষয়ে গতানুগতিক ভাৱে স্থায়ীত্ব লভি আহিছে। তাৰে ভিতৰত শাস্ত্ৰীয় সংগীততকৈ লঘু সংগীতে বেচিকৈ প্ৰাধান্যতা লাভ কৰাত সফল হৈছে বুলি কোৱাৰ থল আছে। উদাহৰণ স্বৰূপে ঃ কণ্ঠ সংগীতৰ অন্তৰ্গত যেনে ঃ বৰগীত / আধুনীক গীত / লোক গীত / জ্যোতি সংগীত / বিষ্ণুৰাভা সংগীতৰ উপৰিও মাজে সময়ে অনুষ্ঠিত কৰা পাৰ্বতী প্ৰসাদ বা ভূপেন্দ্ৰ সংগীত অন্যতম। আকৌ কোনো কোনো বছৰত বিহুগীত / বনগীত, বিয়ানাম বা টোকাৰী গীতো প্ৰতিযোগিতাৰ পৰা আঁতৰি থকা দেখা নাযায়। ভজন, গজলৰ বাদে খেয়াল কিম্বা ঠুংৰী আদিৰ প্ৰতিযোগিতা আয়োজন কৰা অৱশ্যে মনত নাই।

বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো মেণ্ডোলীন / গীটাৰ / ঢোল-খোল বা বাঁহীৰ দৰে প্ৰতিযোগিতাও এইখন মহাবিদ্যালয়ত অনুষ্ঠিত নকৰাকৈ থকা নাই। কিন্তু এইটো ঠিক যে তুলনামূলক ভাৱে শাস্ত্ৰীয় সংগীততকৈ লঘু সংগীতত যোগদান কাৰীৰ সংখ্যা আৰু স্পৃহা ক্ৰমাৎ বৃদ্ধি পোৱাটো সহজে উপলব্ধি কৰিব পৰা যায়।

কণ্ঠ সঙ্গীতেই হওক বা যন্ত্ৰ সংগীতেই হওক সংগীত প্ৰতিযোগিতাৰ বিভিন্ন বিষয়ত অংশ গ্ৰহণ কৰিব পৰাৰ সুনিশ্চিত পৰিকল্পনা বা আচনিয়ে প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি কৰাত সহায় কৰে। কিন্তু এসপ্তাহৰ অন্যান্য কাৰ্য্যসূচী যেনে ঃ সাহিত্য, খেল-ধেমালি ইত্যাদি বিলাক পৰিচালনা কৰোঁতে সময়সূচী বা যোগদানত কেতিয়াবা বেমেজালিৰ সৃষ্টি হয়। ফলস্বৰূপে প্ৰতিযোগিতা আৰম্ভ

কৰাত যথেষ্ট পলম হয়। তাৰ উপৰিও প্ৰতিযোগীসকলৰ আকস্মিক প্ৰস্তুতিৰ বাবে বিশেষকৈ সংগীত পৰিবেশনত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। শ্ৰোতা বা দৰ্শকৰ সংখ্যাও সেই অনুপাতে হ্ৰাস পায় বা উপভোগৰ পৰা বঞ্চিত হয়। এই আটাইবোৰ দিশ সুক্ষ্ম ভাবে চিন্তা কৰি সকলোবোৰ প্ৰতিযোগিতা নিয়াৰিকৈ সপ্তাহটোৰ ভিতৰতে সমাধা কৰাৰ মুলতে বিভাগীয় সম্পাদক সকলৰ সামুহিক প্ৰচেষ্টা আৰু আগতীয়াকৈ নিখুত আঁচনি গ্ৰহণ কৰাতো প্ৰয়োজন। একোটা বিভাগে নিজাবীয়াকৈ প্ৰস্তুতিত অগ্ৰসৰ হ'লে কাৰ্য্যক্ষেত্ৰত উল্লেখিত সমস্যাবোৰে কেতিয়াবা বাট ভেটি ধৰাতো স্বাভাৱিক।

## সংগীত পৰিবেশন আৰু বিচাৰ ঃ

বিচাৰক সকলে সাধাৰণতে প্ৰতিযোগিতাৰ বাবে নিৰ্দ্দিষ্ট এটা কণ্ঠসংগীতৰ বিষয়ৰ বাবে তিনি-চাৰি ভাগত বিভক্ত কৰি প্ৰাপ্তাংকসূচী তৈয়াৰ কৰি লয়। এনে প্ৰাপ্তাংক-সূচী প্ৰতিযোগিতাৰ বিষয় অনুযায়ী পৃথক পৃথক ভাবে বিচাৰৰ উপযোগী কৰি লোৱা হয়। সংগীত প্ৰতিযোগিতা বুলিয়েই নহয় প্ৰতিভা বিকাশ সপ্তাহৰ অন্যান্য প্ৰতি-যোগিতাৰ ক্ষেত্ৰতো বিচাৰকৰ শ্ৰেষ্ঠত্বই মহাবিদ্যালয় আন্তঃ মহাবিদ্যালয় বা বিভিন্ন মঞ্চৰ পৰাও এইখন মহাবিদ্যালয়লৈ সন্মান গৌৰব বা যশস্যা কঢ়িয়াই আনিব পৰাকৈ বিচাৰক তেনে যোগ্যতাৰ অধিকাৰী বা গুণীজনক নিৰপেক্ষ ভাবে বিচাৰকে বিচাৰ কৰি দিয়াৰ দায়িত্ব বহন কৰিব লগা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাক বিকশিত কৰাত অৱশ্যে এনেবোৰ অনুষ্ঠানেই আঁত ধৰি আহিছে। ইন্ধন বা প্ৰেৰণা যোগাই আহিছে। সেয়ে মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিভা সপ্তাহ ছাত্ৰ-ছাত্ৰী সকলৰ এক প্ৰকাৰ প্ৰতিভা পথৰ জোনাকী পৰুৱা।

আগতে উল্লেখ কৰি অহাৰ দৰে বিচাৰকে বিচাৰৰ বাবে যুগুতোৱা প্ৰাপ্তাংকসূচীত প্ৰথমে উপস্থাপক মুখ্য কৰি লোৱা হয়। প্ৰতিযোগী এজনৰ কণ্ঠ, সুৰ, লয়, তাল, উচ্চাৰণ, গীতৰ কথা, সংযোজিত বাদ্যযন্ত্ৰ, স্বৰ, ৰাগ প্ৰযোজনা ইত্যাদি সকলোবোৰ পৰিবেশনেই শ্ৰাব্যিক বিচাৰৰ ওচৰ চপায়। প্ৰতিযোগিতা যিহেতু এটা Live অনুষ্ঠান, সেয়ে প্ৰতিযোগীসকলে চাক্ষুক তৃপ্তি, মনোৰঞ্জন আৰু আকৰ্ষণৰ প্ৰতিও সজাগ হৈ গীত উপস্থাপন কৰাতো বিচাৰকে বিচাৰৰ বহিঃ দৃষ্টিকোনৰ পৰাও কামনা কৰে। গীত পৰিবেশনৰ আৰম্ভতে সেয়ে প্ৰতিযোগী সকলে উপস্থাপনৰ প্ৰতি বিশেষ লক্ষ্য ৰখা অতি দৰকাৰ। কেৱল সংগীত প্ৰতিযোগিতা বুলিয়েই নহয়; সাধাৰণতে মঞ্চত বা আন দহজনৰ আগত কিবা এটা নিবেদিব খুজিলে উপস্থাপনৰ দিশটোত বিশেষ মনোযোগ দিয়া উচিত।

শিপিনীৰ হাতত নাহৰ কাঠৰ এটা মাকো দেখাত শুৱনি হোৱাই নহয়, গুণাগুণৰ ফালৰ পৰাও যেনেকৈ উন্নত, থিক তেনেকৈ কোনোবা এটা বিষয়ৰ গীত প্ৰতিযোগিতাত পৰিবেশন কৰোঁতে গীতৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰতো গুণাগুণৰ প্ৰতি চকু দিব লাগে। গীতৰ কথা, সুৰ, ৰাগ আদি চাই-চিতি পৰিবেশনৰ উপযোগীকৈ নিৰ্ব্বাচন কৰি ল'ব লাগে। কণ্ঠত যাতে জড়তা নাহে তাৰ প্ৰতিও সচেতন হোৱা ভাল। কাৰণ একোজন ভাল গায়কেও সকলো ধৰণৰ গীত গাব নোৱাৰিবও পাৰে। এনেবোৰ কথাৰ প্ৰতি দৃষ্টি নৰখাৰ ফলত প্ৰতিযোগীসকলৰ একেটা গীতৰ সহস্ৰ পৰিবেশনে বিচাৰকক অধিক সুচল কৰি দিয়াই নহয় শ্ৰোতাৰ দৃষ্টিতো দুজনৰ পাৰ্থক্যটো উদঙাই দিয়া হয়। উদাহৰণ হিচাপে বিষ্ণুৰাভা সংগীত বা জ্যোতি সংগীতৰ ক্ষেত্ৰত যদি "বিলতে হালিছে ধুনীয়া পদুমী" গীতটো একে লেঠাৰিকৈ দহজন মানে পৰিবেশন কৰে, তেনে ক্ষেত্ৰত শ্ৰাব্যিক মনোৰঞ্জন বা আকৰ্ষণ অলপ হ'লেও কমিব। তাকে নকৰি সংগীত বিভাগে নিৰ্দ্দিষ্টকৈ দুটা বা তিনিটা গীত নিৰ্দ্ধাৰণ কৰি দিয়াই শ্ৰেয়।

অকল এইখন মহাবিদ্যালয়তে নহয়; প্ৰায়বোৰ সংগীত প্ৰতিযোগিতাতে সাধাৰণতে বৰগীতেৰেই প্ৰতি-যোগিতা শুভাৰম্ভ কৰা দেখা যায়। কাৰণ বৰগীতৰ প্ৰতি থকা আমাৰ শ্ৰদ্ধা ভক্তিৰ বাবেই এনে পৰম্পৰা এটাৰ সৃষ্টি হৈছে। প্ৰতিযোগিতা আৰম্ভৰ সময় আৰু বৰগীতৰ ৰাগৰ সময়ৰ মাজত গুৰুত্ব দিয়া নহয়। প্ৰতিযোগী আৰু

বিচাৰকৰ সম্মতিত প্ৰতিযোগিতা আৰম্ভ হয়। এনে পৰিচালনাত উদ্যোক্তা সকল জগৰীয়া নহ'লেও বৰগীতৰ পাছত বিহুগীতৰ দৰে একোটা বিষয়ৰ পৰিবেশন থাকিব নালাগে। দেখাতো অশুৱনি হয়। লঘু সংগীত আৰু শাস্ত্ৰীয় সংগীতৰ কাৰ্য্যসূচী সুকীয়াকৈ নিৰ্দ্দিষ্ট সময়ত গ্ৰহণ কৰা ভাল। যি কি নহওক সেই একেই শ্ৰদ্ধাৰে প্ৰতিযোগী সকলে তেওঁলোকৰ দেহ সজাই তোলে নিজস্ব সংস্কৃতিক পোচাকেৰে, লক্ষণটো অতি ভাল। কিন্তু খোলটো বা তালযোৰ ? বাঁহী-বেহেলাৰ কথা বাৰু দূৰতে থলো। কণ্ঠ সংগীতত কণ্ঠই মুখ্য। সাজ-সজ্জা গৌণ। কিন্তু বাদ্যযন্ত্ৰ গীতৰ অধীন হ'লেও সাজ-সজ্জাৰ স্থান বাদ্যযন্ত্ৰ পিছতহে। তথাপি পৰিৱেশনত প্ৰয়োজনীয় বাদকৰ ভাৱ পৰিলক্ষিত হয়। আমি সকলোৰে খোলটো বা তালযোৰৰ সৈতে জন্মৰে পৰাই চিনাকি যদিও মঞ্চত দেখো এজন বা দুজনে আন দহজনৰ সৈতে সংগত কৰিছে। আনহাতে অন্য লঘু সংগীত বা আধুনিক গীতৰ ক্ষেত্ৰত দেখিব বাদকৰ পয়োভৰে মঞ্চৰ কালি গ্ৰাস কৰিছে। নাল বা ত্ৰিপুল কঙ্গু অথবা গীতাৰখনৰ প্ৰতি সৃষ্টি হোৱা খন্তেকীয়া আগ্ৰহে খোল তালৰ প্ৰয়োজনীয়তাক দিনক দিনে গ্ৰাস কৰি আহিছে। পলমকৈ হ'লেও এইবোৰ সৰু সুৰু কথা যদিও আমাৰ ছাত্ৰ ছাত্ৰী সকলেই চিন্তা কৰিব লাগিব। অন্যথাই বৰগীতৰ সুমধুৰ পৰিবেশনে কৃত্ৰিম শ্ৰদ্ধাৰ আঁৰত জীয়াই থকাৰ বাহিৰে অন্য উপায় নাথাকিব। এনে ধৰণৰ বহু কথা আছে যদিও আলোচনা কৰি অন্ত পেলাব নোৱাৰি।

## বিচাৰকৰ সমস্যা ঃ

প্ৰতিযোগিতাৰ বাবে কমেও তিনিজন বিচাৰকৰ দৰকাৰ। সেইমতে বিভাগীয় সম্পাদকে তিনিজন বিচাৰকক আগতীয়াকৈ নিৰ্দ্ধাৰণ আৰু নিৰ্ব্বাচন কৰি দিয়া নিৰ্দ্দিষ্ট বিষয়ৰ প্ৰতিযোগিতাৰ ভাৰ অৰ্পণ কৰে। কিন্তু কেতিয়াবা বিশেষ অসুবিধাবশতঃ বা কিবা কাৰণত কোনোবা এজন বিচাৰকৰ অনুপস্থিতিয়ে সম্পাদকক বিমোৰত পেলোৱা স্বাভাৱিক। এইখন মহাবিদ্যালয়তো এনে অসুবিধা প্ৰায়ে সৃষ্টি হয়। অৱশেষত মহাবিদ্যালয়ৰ শিক্ষকক সম্পাদকে কাকুতি মিনতি কৰি বিচাৰকৰ আসনত বহুৱাব লগা হয়। কেতিয়াবা আকৌ তিনিটা বা চাৰিটা বিষয়ৰ বাবে বিচাৰকক মাত্ৰ নিছয় সাতোটা বিষয় বিচাৰ কৰিব লগাৰ উদাহৰণো অলেখ। বিভাগীয় সম্পাদকৰ চিন্তা হ'ল— কোনোৰকম শেষ কৰাৰ। বিচাৰকেই পৰিস্থিতি সাপেক্ষে উপায় নাপায় অনুৰোধ ৰক্ষা কৰিব লগাত পৰে। সেই সময়ত দেখিব বিচাৰকৰ পাছফালে দুই তিনিজন মান মাথোন ছাত্ৰ। ইফালে গধূলি হৈ আহিল, বিজুলী যোগানো ব্যাহত। অন্ধকাৰত কেইটামান উকি, কাণ তাল মৰা। ৰৈ থাকক বোন্দাপৰদি। সিমানতে থওঁ বুলিও থব নোৱাৰি। ইতিমধ্যে যিহেতু প্ৰতিযোগিতাৰ সাজ লাগিছে। স্থগিতৰ প্ৰস্তাৱ আগবঢ়ালেই সম্পাদকে হাতযোৰ কৰে। এনেধৰণৰ সমস্যাৰ সন্মুখীন হোৱাৰ পৰা বিৰত থাকিবলৈ হ'লে ছাত্ৰ একতা সভাৰ পাৰস্পৰিক বুজা বুজি, সুপৰিকল্পিত ভাবে যুগুতোৱা আঁচনি আৰু শিক্ষক গোটৰ পৰা দিহা পৰামৰ্শৰে পৰিপুষ্ট অভিজ্ঞতাৰে বিভাগীয় সম্পাদকে কাৰ্যক্ষেত্ৰত অগ্ৰসৰ হ'ব লাগিব।

## মহাবিদ্যালয়ৰ গৌৰৱ ঃ

সংগীতৰ প্ৰতি একাগ্ৰতা নিষ্ঠা আৰু ব্যক্তিগত সাধনাৰ বলত এইখন মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিভা বিকাশ সপ্তাহৰ সংগীত প্ৰতিযোগিতাৰ মঞ্চত শ্ৰেষ্ঠ গায়ক-গায়িকাৰ সন্মান লাভ কৰাই নহয়; কেইবা গৰাকী ছাত্ৰ-ছাত্ৰী আজি অসমৰ জনপ্ৰিয় আকাশবাণী বা দূৰদৰ্শনৰ স্বীকৃত শিল্পী হিচাবে প্ৰশংসা আৰু গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। হঠাতে মনত পৰাৰ ভিতৰত উষা আলে, সংগীতা পাঠক, সুলেখা ডেকা, দিলীপ তামুলী, স্বপ্না বৰুৱা, ইয়াচমিন আৰা ৰহমান, মাধুৰী দত্ত, অনিতা কৰ আৰু কেইবাগৰাকীও। কণ্ঠ সংগীতত ভালে সংখ্যক প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰী এইখন মহাবিদ্যালয়ৰ মঞ্চত আমি লগ পোৱা মনত আছে। ঠিক তেনেকৈ বাদ্যযন্ত্ৰৰ ক্ষেত্ৰটো বহুতো প্ৰতিযোগী বৰ্ত্তমান তুলীয়াজান তথা অন্যান্য অঞ্চলৰ মঞ্চত উদীয়মান যন্ত্ৰ সংগীতৰ শিল্পী হিচাপে প্ৰতিভাৰ পৰিচয় দি শ্ৰোতাৰ ভূয়সী প্ৰশংসা লাভ কৰা আমি দেখিবলৈ পাইছো। তুলীয়াজান মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা ৰূপালী জয়ন্তীবৰ্ষলৈকে এই দীৰ্ঘদিনৰ

স্মৃতিত ছাত্ৰ-ছাত্ৰী সকলৰ এনে প্ৰতিভা সচাঁয়ে প্ৰশংসনীয় আৰু মহাবিদ্যালয়খনো গৌৰৱৰ অধিকাৰী।

**"গীতং বাদ্যং তথা নৃত্যং"—"এয়ং সংগীতমুচ্যতে":**

সংগীত বিশ্বমানৱৰ এক অভিনৱ কলা। শ্ৰেষ্ঠ বিদ্যাও। ডালত কুলি ফুলপাহে গছজোপাৰ সৌন্দৰ্য্য সৃষ্টি কৰাৰ দৰেই সংগীতে মানুহৰ জীৱনকো সুন্দৰ কৰি তোলে। ডাল ভৰি ফুলা শৰতৰ শেৱালী জোপাই বিয়পোৱা সুগন্ধিৰ দৰেই দহৰ অন্তৰত আনন্দ জগাব পৰা, মন ৰঞ্জিত কৰিব পৰা ঐশ্বৰিক শক্তি সম্পন্ন এক কলা হ'ল সংগীত। সেয়ে হিন্দু শাস্ত্ৰত কৈছে:—

"ন বিদ্যং সংগীত পৰ"

অৰ্থাৎ সংগীতক সবাতোকৈ শ্ৰেষ্ঠ বিদ্যা বুলি আখ্যা দিছে। গতিকে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীৰ পাঠ্য পুথিৰ পৰা সংগীত শিক্ষাক বৰ একাষৰীয়াকৈ আঁতৰাই ৰখাতকৈ ওচৰ চপাইহে আনিব লাগে। আৰ্য্য ঋষিৰ ভাৱাত এই বিদ্যাক 'সুৰ ব্ৰহ্ম' বুলি অভিহিত কৰিছে। বিশ্বব্যাপি থকা সুৰ, লয়, ছন্দৰ মনোমুগ্ধকাৰী সুৰ নিৰন্ধ ৰাগৰ ৰূপ প্ৰকাশেই হ'ল সংগীত। সেয়ে এনেবিধ পৰিসীমাহীন সংগীত শিক্ষাৰ প্ৰাথমিক পৰ্য্যায়ৰ অন্ততঃ কিছু সাধাৰণ জ্ঞান আৰ্জি থলে নিজৰ দহৰ উপকাৰ তথা আমাৰ সমাজখনে সংগীত বা সাংস্কৃতিক দিশত এখোজ হ'লেও অগ্ৰগতি লাভ কৰাত সহায়ক হ'ব।

প্ৰখ্যাত সংগীতজ্ঞ Palmes এ তেওঁৰ Music নামৰ গ্ৰন্থত প্ৰাৰম্ভতে উল্লেখিছে যে "Music, more than any other art, is the heritage of simple folk, for it fills one of their greatest needs, the need for mental relayation. They have only to enter the realm of music and all the cares and heartaches, all the trials and disillusionments of a workday world are forgotten. So let no one dietale to you what music you aught to like or dislike. Play sing and liston to all the music you can and you will very soon findout what pleaser you.........".

⊛ ⊛ ⊛

# সঁকীয়নি

*—অজিত বৰগোহাঞি*

দীঘলকৈ ক'বৰ মন নাই,
তৰ্ক কৰাবো ইচ্ছা নাই।
ইচ্ছা হয় মাত্ৰ
সকীয়াবলৈ—
জুইৰ সৈতে খেলাৰ আগতে
জুই জ্বলাৰ কাৰণটো
বিচাৰিবলৈ!

(পুৰণি আলোচনীৰ পাতৰ পৰা)

## কৃতজ্ঞতা প্ৰকাশ ঃ

প্ৰচাৰ বিভাগৰ আহ্বান ক্ৰমে ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ হৈ ডুলীয়াজানৰ বিভিন্ন ঠাইত আদৰণি তোৰণ নিৰ্ম্মাণ কৰি দিয়াত তলৰ সংগঠন আৰু ব্যক্তিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

অসম [illegible] কোম্পানী কৰ্ম্মী সন্থা " দেবেন্দ্ৰ নাথ আচাৰ্য্য সোৰঁৰণী তোৰণ " ।

অইল ঠিকাদাৰ সন্থা " বি, চি দত্ত সোৱঁৰণী তোৰণ " ।

গৌতম দত্ত আৰু ৰামবচ্চন গুপ্তা " চেনীৰাম দত্ত সোৱঁৰণী তোৰণ " ।

অসম জাতীয়তাবাদী যুৱ পৰিষদ, ডুলীয়াজান শাখা ।

ডুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা ।

সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থা ।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকল ।

ডুলীয়াগাওঁ ।



# উপকূলৰ ৰূপৰেখা



## সূচীপত্ৰ


o তুলীয়াজানৰ অতীত আৰু
বৰ্ত্তমানৰ শৈক্ষিক পৰিবেশ : যোগেশ চন্দ্ৰ শইকীয়া
শিক্ষাবিদ

o তুলীয়াজানৰ সংবাদ সেৱাৰ
ইতিবৃত্ত : প্ৰদীপ কুমাৰ দত্ত
সাংবাদিক

o তুলীয়াজান অঞ্চলৰ পৰিবেশ
সম্পৰ্কে এটি পৰ্য্যালোচনা : ডঃ অমৃত গগৈ
প্ৰবক্তা, ৰসায়ন বিভাগ
তুলীয়াজান মহাবিদ্যালয়।

o ঔদ্যোগিক চহৰ তুলীয়াজানৰ
শৈক্ষিক পৰিবেশ : অনুৰাধা দাস
শিক্ষয়িত্ৰী, অইল ইণ্ডিয়া
হায়াৰ চেকেণ্ডাৰী স্কুল।

o তুলীয়াজানৰ বৌদ্ধিক পৰিবেশ
আৰু সাহিত্যকৰ্ম :
এটি চমু অৱলোকন : মঃ চৰিফুল ইছলাম
তুলীয়াজান


*পলাশ সোনাৰু ফুলে*
*দুচকুত সপোন দিলে*
*দীপলিপ উপকুল ৰেখা*
*জুইৰন্তী বাসনাই*
*ইয়াতেই দাপোন চাই*
*গঢ়ি ললে জীৱনৰ পেশা॥*

# দুলীয়াজানৰ অতীত আৰু বৰ্তমানৰ শৈক্ষিক পৰিবেশ

*শ্ৰীযোগেশ চন্দ্ৰ শইকীয়া*
কঠালগুৰি

এয়া কুৰি শতিকাৰ কুৰি দশকৰো আগৰ কথা। দুলীয়াজান অঞ্চলটোত মানুহৰ বসতি তেতিয়া আছিল অতি সেৰেঙা। ডাঠ হাবিৰ কাষে কাষে বনৰীয়া জন্তুৰ ভয়ত চুবুৰি পাতি মানুহবিলাকে থুপ খাই বাস কৰিছিল। চুবুৰীয়া গাওঁবিলাকৰে সৈতে দুলীয়াজান অঞ্চলটো তেতিয়া আছিল এটা কৃষি প্ৰধান অঞ্চল। মাছ, গাখীৰ আৰু অন্যান্য খাদ্য শস্যৰে অঞ্চলটোত নদন-বদন হৈ আছিল। বনৰীয়া জন্তু আৰু প্ৰকৃতিৰ লগত যুঁজ বাগৰ কৰি খেতি বাতি পাতি খাই বৈ জীয়াই থকাটোৱেই আছিল সেই সময়ৰ মানুহ বিলাকৰ চিন্তা। সমস্যা বুলিবলৈ তেওঁলোকৰ বিশেষ সমস্যা নাছিলেই বুলিব পাৰি। একোখন ঘৰৰ পুৰুষ মহিলা উভয়ে মিলি কৃষি, কুটীৰ শিল্প আৰু বয়ন শিল্পকে জীৱন নিৰ্বাহৰ মাধ্যম হিচাপে লৈছিল। দুবেলা দুমুঠি খাই এডোখৰ বস্ত্ৰৰ যোগাৰ কৰি লোৱাটোতেই তেওঁলোকৰ অৰ্থনীতি সীমাবদ্ধ আছিল। চিকিৎসাৰ বাবে অঞ্চলটোৰ বহু দূৰলৈকে কোনো চিকিৎসালয় নাছিল। হাবিতলীয়া অঞ্চল বাবে ইয়াত মেলেৰিয়া, জ্বৰ, কলাজ্বৰ, গ্ৰহণী আৰু বসন্ত ৰোগত আক্ৰান্ত হোৱা লোকৰ সংখ্যাই আছিল বেছি। চিকিৎসাৰ অভাৱত সৰহ সংখ্যক লোকেই প্ৰাণ হেৰুৱাব লগীয়াত পৰিছিল।

দুলীয়াজান অঞ্চলটোত তেতিয়া নিম্ন পৰ্য্যায়ৰ স্কুলৰ সংখ্যাও সম্ভৱ দুখনমানহে আছিল। হাইস্কুল কিম্বা কলেজৰ সংখ্যা সমূলি নাছিলেই। কাষৰীয়া অঞ্চল টেঙা-খাতত চল্লিশ দশকৰ ভিতৰত এখন উচ্চ মাধ্যমিক বিদ্যালয় গঢ়ি উঠিছিল বুলি জনা যায়। একে সময়তে বৰডুবি, নাওহলীয়া, টিপলিং, কঠালগুৰি, বুঢ়ীদিহিঙৰ দক্ষিণ পাৰৰ চাচনী অঞ্চলত একোখনকৈ ইংৰাজী মজলীয়া স্কুল প্ৰতিষ্ঠা হৈছিল। নাহৰকটীয়াত হাইস্কুল প্ৰতিষ্ঠা হোৱা এইবিলাকতকৈ কিছু আগ বুলি জনা যায়। এইকেইখন ঠাইত ৫০ চন কিম্বা তাৰ দুই এবছৰৰ আগৰ পৰাহে (M.E.) স্কুল বিলাক উচ্চ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰিত হয়। আগৰছোৱাত শিক্ষাৰ প্ৰতি মানুহৰ ধাউতি আছিল অতি কম।

ত্ৰিশ দশকৰ পৰা পৰাধীন ভাৰতৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশ সাধন, জাতীয় আৰু শ্ৰেণীগত অসঙ্গতি বিলাকৰ স্থায়ী সমাধানৰ বাবে যেতিয়া জন-সাধাৰণৰ দ্বাৰা বৃটিছ চৰকাৰৰ ওচৰত দাবী উত্থাপিত হ'ল তেতিয়া অসমতো চুকে কোণে সেইটোৰ খলকনি উঠিল ; জনশিক্ষাৰ অভিযান আৰম্ভ হ'ল। গাৱেঁ-ভূঞেঁ শিক্ষানুষ্ঠান গঢ়ি তোলাত ৰাইজে অধিক মনোনিবেশ কৰিলে। ফলশ্ৰুতি হিচাপে ৰাইজৰ অনুদানেৰে একেবাৰে নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্য্যায়লৈকে ৰাজ্যখনত বহুতো শিক্ষানুষ্ঠান গঢ় লৈ উঠিল। স্থানীয় শিক্ষানুৰাগী আৰু সমাজৰ হিতাকাঙ্খী লোকে চৰকাৰী সাহায্য নোপোৱালৈকে অন্ততঃ ১০/১২ বছৰ পৰ্য্যন্ত এনেবোৰ অনুষ্ঠানত বিনাবেতনেই শিক্ষাদান কৰিবলৈ আৰম্ভ কৰিলে। অৱশ্যে শিক্ষানুষ্ঠান নতুনকৈ গঢ়াত সেই দিনৰ অৱস্থাৰ লগত আজিৰ প্ৰগতিৰ (?) যুগতো চৰকাৰে কোনো পৰিবৰ্ত্তন কিম্বা উন্নত ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়।

দুলীয়াজান অঞ্চলতো ৪২ ৰ গণ আন্দোলনৰ আগে পাছে ৰাইজে নিজৰ দান বৰঙণিৰে সাজি উলিওৱাৰ পিছত, অনেক খাটি খোচামতি কৰিও চৰকাৰী মঞ্জুৰী নোপোৱাত, ভালেকেইখন প্ৰাইমেৰী স্কুল জহি পমি গ'ল বুলি শুনা যায়। তথাপি ৰাইজৰ আশাশুধীয়া প্ৰচেষ্টাত

ডুলীয়াজানৰ আশে-পাশে বৰডুবি, নাওহলীয়া, টেঙাখাত, কঠালগুৰি, টিপলিং, উষাপুৰ, ভাদৈ পাঁচআলি আদি ঠাইত দেশে স্বাধীনতা পোৱাৰ পিছৰ পৰা একোখনকৈ হাইস্কুল ভালকৈ ঠন ধৰি উঠিল। হাইস্কুল বিলাকৰ শেষান্ত পৰীক্ষাৰ ফলাফলো ক্ৰমাৎ উন্নত হৈ আহিল। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে আন এটা সমস্যাই দেখা দিলে। অঞ্চলটোত যথেষ্ট সংখ্যক হাইস্কুল থকা স্বত্বেও উচ্চ শিক্ষাৰ কাৰণে এখনো কলেজ নাছিল। ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলে ডিব্ৰুগড় কিম্বা অন্যান্য ঠাইলৈ যাব লগা হৈছিল। ডুলীয়াজানলৈ তেল-কোম্পানী অহাৰ পিছৰ পৰা তেল কৰ্ম্মচাৰী সকলৰ ল'ৰা-ছোৱালী বি .কক বাছ গাড়ীৰে অনা নিয়া কৰি ওচৰৰ হাইস্কুল বিলাকত পঢ়োৱাবৰ কাৰণে কোম্পানীয়ে ব্যৱস্থা কৰি দিছিল। পিছলৈ কোম্পানীয়ে নিজা ধৰীয়াকৈ প্ৰাইমেৰী স্কুল, হাইস্কুল, হায়াৰ চেকেণ্ডাৰি স্কুল আদি পাতি তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকৰ, অভাৱ পূৰণ কৰিলে। কিন্তু স্থানীয় ৰাইজে অঞ্চলটোত এখন কলেজৰ অভাৱ অনুভৱ কৰাৰ দৰে কোম্পানীৰ কৰ্ম্মচাৰী সকলেও পিছত একে অভাৱকে অনুভৱ কৰিলে।

'৬৮ চনৰ চেপ্তেম্বৰ মাহৰ দ্বিতীয় সপ্তাহত ডুলীয়াজানত কলেজ প্ৰতিষ্ঠাৰ কাৰণে আলোচনা কৰিবলৈ এক বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয়। ওচৰৰ গাওঁ বিলাকৰ পৰা আৰু তেল কোম্পানীৰ পৰা বহুখিনি গণ্য মান্য লোকে সভাত অংশ গ্ৰহণ কৰে। সেই সভাতেই মহমাৰীৰ মুক্তি যোদ্ধা ৺চেনিৰাম দত্তক সভাপাত আৰু শ্ৰীগহীন চুতীয়া আৰু শ্ৰীবীৰেণ চুতীয়াক যুটীয়া সম্পাদক হিচাপে লৈ কলেজৰ কাৰণে এখন আহ্বায়ক কমিটি গঠন কৰা হয়। কলেজ নিৰ্ম্মাণৰ কাৰণে স্থানীয় চলাকটকী গাৱঁৰ ৰাইজে নিজৰ চৰণীয়া পথাৰৰ পৰা ১০০ বিঘা মাটি এৰি দিবলৈ সম্মতি প্ৰকাশ কৰে। আহ্বায়ক কমিটিৰ তৎপৰতাত কলেজৰ কাৰণে প্ৰয়োজনীয় মাটিৰ বাবে চৰকাৰৰ পৰা মঞ্জুৰী লাভ কৰিলে। গাৱঁৰ ৰাইজে হাবি কটাৰ পৰা ঘৰ সজালৈকে আনন্দেৰে হাতে-কামে লাগি গ'ল। লগে লগে তেল কোম্পানী আৰু ঠিকাদাৰ সন্থায়ো ৰাইজৰ লগতে সঁহাৰি জনালে। পিছতীয়াকৈ ডুলীয়াজান গেছ কোম্পানীয়েও সাধ্যমত সহায় আগবঢ়ালে।

এনেকৈয়ে ডুলীয়াজান কলেজৰ কাম সেই বছৰৰ পৰা আৰম্ভ হ'ল। ৰাইজৰ বহুদিনীয়া আশা পূৰণ হ'ল। চাওঁতে চাওঁতে ওপৰত উল্লেখ কৰা হাইস্কুল বিলাকৰ উপৰিও অঞ্চলটোত টিংৰাই চাৰিআলি, কছাৰীপথাৰ, ডুলীয়াজান উচ্চ বিদ্যালয়, ডুলীয়াজান ছোৱালী হাইস্কুল (২), বিভিন্ন মাধ্যমৰ উচ্চ মাধ্যমিক বিদ্যালয় বিলাক ৮০/৯০ দশকৰ ভিতৰত ৰাইজৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছে। আনহাতে এই সকলো বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীক একেখন কলেজতে আসন দিব পৰাটো অসম্ভৱ হৈ উঠাত যোৱা বছৰৰ পৰা ডুলীয়াজানত সুকীয়াকৈ আন এখন ছোৱালীৰ কলেজো আৰম্ভ কৰা হৈছে। ইয়াৰ পিছতো শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত ৰাইজৰ কৰণীয়খিনি সময়ে কৈ যাব।

চকুৰ পচাৰতে এটা শতাব্দী পাৰ হ'বৰ হ'ল। যুগবোৰ পাৰ হৈ যোৱাৰ লগে লগে ডেকীয়াল ফুকনে কোৱা কথাষাৰ হাতে হাতে ফলিয়াইছে। পূৰ্ব্বৰ হাবিৰ মাজত বাঘ ঘোঙৰ গৰ্জ্জনৰ ঠাইত আজি গোটেই ডুলীয়াজান অঞ্চলটোত বিভিন্ন কল কাৰখানাৰ গৰ্জ্জনে মানুহৰ নিদ্ৰা ভঙ্গ কৰিছে। পূৰ্ব্বৰ কৃষিজীৱি সমাজখনে যেন কৃষি এৰি শিল্প উদ্যোগমুখী হোৱাৰহে প্ৰয়াস কৰিছে। শিক্ষানুষ্ঠান বিলাকে বহুতো শিক্ষিত যুৱক যুৱতীক বছৰি বছৰি বাহিৰৰ জগতখনলৈ আগবঢ়াই আছে। ইয়াৰ কত জনে কত বছৰ ধৰি নিবনুৱাৰ আসনত বহি টোপনিয়াই আছে সীমা নাই।

যুগবোৰ পাৰ হৈ গৈ আছে। সমাজৰ চিন্তাধাৰাবোৰ বহুমুখী হৈ পৰিছে। শিক্ষা জগতত আজি প্ৰতিযোগিতা চলিছে। ইফালে বজাৰৰ চৰা দামে মধ্যবিত্ত সকলক পেপুৱা লগাইছে। সমৰ্থবান লোকে ল'ৰা-ছোৱালীৰ প্ৰতি ভাল যত্ন লৈ তল খাপৰ পৰাই ইংলিচ মাধ্যমত পঢ়ুৱাৰ ব্যৱস্থা কৰিছে। দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে আৰ্থিক দুৰ্বলতাৰ হেতু উচ্চ শিক্ষাৰ আশা পৰিত্যাগ কৰি কোনো ৰকম পৰিয়ালৰ সংস্থান বিচাৰি ঘূৰ্মুটিয়াই ফুৰিছে। কোনোবাই অনুন্নত সম্প্ৰদায়ৰ বুলি চৰকাৰৰ আনুগত্যতাত 'তেলীৰ মূৰতে তেল' সনাৰ সুবিধাকণ লাভ কৰিছে। মানুহে কয় বোলে কোনোবাই ঘিঁউৰ চৰুত হাত দি আছিছে, কোনোবাই চূণৰ চৰুত হাত দি আছিছে।

অৰ্থনীতি, ৰাজনীতিত সমাজৰ বৈষম্যখিনি দূৰ কৰিবৰ কাৰণে, মুখৰ ভাত কাঢ়ি খোৱা ৰঘূমলা খিনিৰ শিপা উভালিবৰ কাৰণে এসময়ত ছাত্ৰ আন্দোলন গঢ় লৈ উঠিছিল। বিশ্বক চমক খুৱাই অসমত ৰাজনীতিৰ এটা অস্থায়ীভাবে হ'লেও পৰিবৰ্ত্তন আনিবলৈ -ছাত্ৰ সংগঠন সমৰ্থ হৈছিল। ডুলীয়াজানত আন্দোলনৰ বলি হোৱা সকলৰ কেঁচা তেজৰ দাগ তেল কোম্পানীৰ বেৰত আজিও লাগি আছে। আন্দোলনৰ কোনোবা নেতাই নিজৰ স্বাৰ্থ পূৰণ কৰি চিৰ দিনলৈ নিজৰ জীৱনটো কলঙ্কিত কৰি ল'লে। আকৌ এচামে আন এটা ৰূপত জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ বাবে কিম্বা দেশৰ হকে মাত মাতিলে। কিন্তু পৰিচালনাত বিজুটি ঘটাত তেওঁলোকো পথভ্ৰষ্ট হৈ পৰিল। বহুজনে তাৰবাবে অনাহকত প্ৰাণ হেৰুৱাব লগীয়াত পৰিল। আনহাতে পাবত গজা এচামে সদায় শুদ্ধ বস্তুত কলঙ্ক সানিবলৈ চান্দি ফুৰিছিল। শাসক গোষ্ঠীৰ প্ৰলোভনত এতিয়া আনেক সংগঠনেই ছেদেলি ভেদেলি হৈ পৰিল। এতিয়া জনসাধাৰণে কোনো সংগঠনকে আপোন কৰি ল'ব নোৱাৰাত পৰিল।

যোৱা ছবছৰীয়া আন্দোলনৰ পৰা শিক্ষানুষ্ঠান বিলাকত শৈক্ষিক পৰিবেশ বিনষ্ট হৈ পৰিছে। শিক্ষানুষ্ঠান আৰু শিক্ষক সকলৰ প্ৰতি ছাত্ৰসকলৰ শ্ৰদ্ধা-ভক্তি যেন কমি গৈছে। পৰিণাম স্বৰূপে অনুষ্ঠান বিলাকৰ চূড়ান্ত বা শেষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ক্ৰমাৎ নিম্নগামী হ'ব ধৰিছে। পুলিচ প্ৰহৰীৰ সহায় নল'লে অনুষ্ঠানত পৰীক্ষাও ল'ব নোৱাৰাত পৰিছে। গতিকে পৰীক্ষাৰ ৰূপৰ সলনি নকৰিলে পৰীক্ষা পতাৰ কোনো অৰ্থ নাই বুলি অনেকে মন্তব্য কৰিছে।

অনেক ছাত্ৰ-ছাত্ৰীলৈ মানুহৰ আজিকালি সন্দেহ আৰু ভয়লগা হৈ পৰিছে। বাচ গাড়ীত বয়সস্থ সকলক ঠেলা মাৰি তেওঁলোকে নিজে আসন লোৱাটো স্বাভাৱিক হৈ পৰিছে। শিক্ষাগুৰু আৰু বয়সস্থ জনক দেখিলে সন্মান কৰিবলৈ আজিৰ ছাত্ৰ-ছাত্ৰীসকলে পাহৰি গৈছে। মহিলাৰ সাজ-পাৰ, আ-অলঙ্কাৰ বিজতৰীয়া হৈ পৰিছে। ডেকা-গাভৰুৰ কথাকোৱাৰ ঢং, ভাৱ-ভাষা বিজতৰীয়া হৈ পৰিছে। নিজৰ উপাৰ্জনতকৈ ব্যয়ৰ মাত্ৰা বঢ়াই নিছে। কুটীৰ শিল্প, বয়ন শিল্প, কৃষি বাণিজ্য আদিৰ প্ৰতি উঠি অহা সকলৰ শ্ৰদ্ধা কমি গৈছে। ছাত্ৰ-ছাত্ৰীসকল কেৱল চাকৰি মুখী হৈ পৰিছে।

ছাত্ৰ আন্দোলনৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ কিছুমানে মানুহক ভাওনা কৰি দেখুৱালে। কিছুমানে বাটে-ঘাটে জোতা পালিচ কৰা দেখা গ'ল। কিছুমানে মানুহৰ চুলি কাটি দিয়া দেখা গ'ল। কিছুমানে দোকান-পোহাৰ দিব বুলি বাঁহৰ ঘৰ সজা দেখা গ'ল। তুমাহৰ পিছতে সেই বিলাক কোনোবাই খৰি খালে। এই সকলো বিলাক কথাৰ পৰা সৰ্বসাধাৰণৰ সিবিলাকৰ ওপৰত এটা সন্দেহৰ ভাৱ ঘণীভূত হৈ পৰিছিল আৰু এই বিলাক সুস্থিৰ মগজুৰ সিদ্ধান্ত হ'ব নোৱাৰে বুলি মন্তব্য কৰিছিল। ঠিক তেনে এচাম লোকে আজি মানুহৰ পৰা ডকা হকা দি টকা লুটি নগৰে-চহৰে অশান্তি কৰি ফুৰিছে। ঘৰলৈ মটৰ চাইকেলেৰে দুজন অচিনাকি ল'ৰা অহা দেখিলেই আজি মানুহৰ বুকু চিৰিং কৰি যোৱা হৈছে। অচিনাকি অতিথি দেখিলেও তেওঁলোক বা কি ভেশচনত আহিছে? গতিকে অতিথিক ঘৰত থাকিবলৈ দিবলৈ ভয় হ'ল।

ডুলীয়াজানলৈ তেল কোম্পানী, গেচ কোম্পানী আদি আহিল। তাত বহুতে চাকৰি পালে। অনেকে কোম্পানীৰ ঋণৰ টকাৰে থকা ঘৰ কিটাও আগৰ টকৌ-পাত গুচাই টিন পাত লগাইছে। আগৰ মামৰে খোৱা চাইকেল কিখনৰ ঠাইত ঘৰে ঘৰে মটৰ চাইকেল, মাৰুতি গাড়ী সোমাইছে। ঘৰৰ দুৱাৰ মুখলৈকে পকা আলি হৈছে। গাৱেঁ গাৱেঁ বি এ, এম, এ পাছ কৰা ল'ৰা-ছোৱালীৰে ঠাহ খাই পৰিছে। তথাপি গাৱঁত মানুহ-বাঘৰ কাৰণে ৰাতি বিয়লি ঘূৰা ফুৰাত মানুহৰ ভয় হৈছে।

তেল কোম্পানীৰ মাজ মজিয়াতে এটা অতি দ মদ-পানীৰ পুং বহিল। তেল বিক্ৰীতকৈ ইয়াৰ বিক্ৰী আৰু উৎপাদন বেছি হ'ল। বিহু সংক্ৰান্তি, পূজা উৎসৱ আদিত ভদ্ৰ আৰু উচ্চ শিক্ষিত কিছুমানৰো মুখা খুলি দিব পৰাটো এই পুঙৰ এটা বিশেষ গুণ। এই অমৃতৰ (?) প্ৰক্ৰিয়াত প্ৰতি দিনে দুৰ্ঘটনাত পতিত হৈ নিৰাপদে আৰু সহজে মানুহ মৃত্যু হোৱাৰ কথা ডুলীয়াজানৰ স্থানীয় বাতৰি কাগজত প্ৰকাশ পায়ে থাকে। ৰঙালী বিহুত আজিৰ বিহুৱাই হেনো দেউতাৰ পচুলিত মাধুৰী গোন্ধৰ ঠাইত

বাটে-ঘাটে কেৱল মদৰ গোন্ধকে পাই ফুৰে। ভাৱৰীয়ায়ো ইয়াৰ অকনমান নাখালে হেনো গদা ভালকৈ ঘূৰাব নোৱাৰে। উঠি অহা বা শিক্ষিত ডেকা চামে নাম-প্রসঙ্গত নবহা হৈছে। গায়ন বায়নতো খোল তাল বজাবলৈ বেয়া পোৱা হৈছে। আজিৰ পৰা অন্ততঃ কুৰি বছৰৰ আগলৈকে তুলীয়াজানৰ কাষৰ তুলীয়া, চলাকটকী, পাভজান, মহমাৰী, কছাৰীপথাৰ, খেৰেমীয়া আদি গাঁৱৰ গায়ন বায়নত অন্ততঃ ৩০/৪০ জনকৈ লোকে অংশ গ্রহণ কৰি ৰাইজৰ ভূয়সী প্রশংসা লাভ কৰিছিল। কিন্তু আজিকালি সেই বিলাকত এনেবোৰ ধৰ্মীয় অনুষ্ঠান একেবাৰে ম্লান পৰি গৈছে।

ক'লা সংস্কৃতিৰ দিশত তুলীয়াজানত এখন সঙ্গীত মহাবিদ্যালয় স্থাপন কৰি কিছুসংখ্যক লোকৰ অন্ততঃ অনুৰাগ বৃদ্ধি কৰাইছে। অলপতে টিপলিঙতো আন এখন সঙ্গীত মহাবিদ্যালয় প্রতিষ্ঠাৰ আয়োজন চলিছে বুলি জানিব পৰা গৈছে। তুলীয়াজানত এক শ্রেণী সাহিত্যপ্রেমী লোকে 'উত্তৰণ কবি চক্র', 'জোনালী চ'ৰা' আদি নামেৰে কেইটামান অনুষ্ঠানৰ জৰিয়তে সাহিত্য-কলাৰ প্রতি মানুহক সজাগ কৰি তুলিছে আৰু কিছু সংখ্যক ছাত্র-ছাত্রীক তেওঁলোকৰ প্রতিভা বিকাশত সহায় কৰিছে।

তুলীয়াজানত শিক্ষা, ক'লা, সংস্কৃতি, খেলা-ধূলাৰ মানদণ্ড উন্নত স্তৰলৈ আগবাঢ়িব লাগিছে। কিন্তু ইয়াৰ ওচৰে-পাজৰে হাট-বজাৰ, দোকান-পোহাৰ আদিত মদ জুৱাৰ প্রচলন অতিকৈ বৃদ্ধি পাইছে; তাৰ ফলত অঞ্চল-টোৰ শৈক্ষিক পৰিবেশ নষ্ট হৈছে। মানুহৰ আৰ্থিক অৱস্থা কিছু টনকিয়াল হোৱাৰ লগে লগে মানুহৰ মাজত মৰম স্নেহৰ ভাববিলাক যেন কিছু কমি গৈছে। আগৰ দিনত গাঁৱৰ এজনৰ ঘৰত সকাম নিকাম হ'লে আন এজনৰ ঘৰত থকা তামোল-পাণ, কল-কুঁহিয়াৰ, গাখীৰ, গুৰ অকন ভকতত লাগিব বুলি এনেয়ে আগবঢ়াইছিল। আজিৰ যুগত কিন্তু সেইদৰে পোৱা নাযায়। আগৰ দিনত মানুহৰ শিক্ষা-দীক্ষা কম আছিল যদিও মানুহে ইজনে সিজনক বিশ্বাস কৰিব পাৰিছিল, কিন্তু, আজি-কালি ভাই-ককাইৰ ভিতৰতো মিলাপ্রীতিৰ অভাৱ আৰু বিশ্বাস হেৰাই গৈছে।

তুলীয়াজানত তেল কোম্পানী, গেছ কোম্পানীৰ আলমতে কাষে কাষে অন্যান্য সৰু-সুৰা উদ্যোগ ভালেখিনি গঢ়ি উঠিছে। এইবিলাকত বিভিন্ন কাৰিকৰী শিক্ষাৰ অৰ্হতা সম্পন্ন লোকৰ প্রয়োজন। তুলীয়াজানৰ সকলো উদ্যোগতে প্রয়োজন হোৱা অভিজ্ঞ অভিযন্তা বহুসংখ্যকেই অসমৰ বাহিৰৰ। সেইদৰে সিবিলাকত অন্যান্য সৰু-সুৰা চাকৰিতো বাহিৰৰ অনেক লোকে নিযুক্তি পাইছে। তাৰ উপৰিও অঞ্চলটোত মুচী, নাপিত, ধুবী, বাঢ়ৈ, কমাৰ, চমাৰ আদি কৰি বিভিন্ন সেৱাত অঞ্চলটোক সহায় কৰিছে বাহিৰৰ লোকে। অন্যহাতে বাগানৰ চাহ শিল্পত সহায় কৰা সকল আগতেই অহা অসমৰ বাহিৰৰ লোক। এই সকলো বিলাকে আমাকেই সহায় কৰিছে যেতিয়া এওঁলোকৰ মাজত আমাৰ ভাষা-সংস্কৃতি বিয়পাই দিয়াটো আমাৰ শিক্ষিত যুৱকসকলৰ প্রধান দায়িত্ব।

তুলীয়াজান কলেজৰ কেইজনমান শিক্ষকে ছাত্র আন্দোলনৰ সময়ত অঞ্চলটোত নেতৃত্ব দিছিল। ঠিক সেই দৰে তেওঁলোকৰ দায়িত্ব আৰু নেতৃত্বৰ সদায়েই প্রয়োজন হ'ব। এইখন কলেজত উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষক শিক্ষয়িত্রী আছে। সুবক্তা আছে, গীতিকাৰ, নাট্যকাৰ, সাহিত্যিক, সমালোচক আছে। গতিকে ইয়াৰ ছাত্র-ছাত্রী সকলে সিবিলাকৰ আৰ্হিৰে নিজৰ নিজৰ অঞ্চল বিলাকত নিজৰ সেৱা আগবঢ়াই নিজেও ধন্য হ'ব পাৰে। তেওঁলোকৰ দায়িত্ব আৰু আছে; অঞ্চলটোত মদ, জুৱা, লটাৰীৰ প্রকোপ অতি বেছি হৈ পৰিছে। ঠগ-প্রৱঞ্চক চোৰ ডকাইতৰ সংখ্যা বাঢ়ি গৈছে। এই বিলাক নিৰ্মূল কৰাৰ চেষ্টা চলাব লাগে। গাঁৱৰ পুথিভৰাঁল, স্কুল, নামঘৰ আদিৰ উন্নতি সাধন কৰিব লাগে। আখৰিক জ্ঞানৰ লগতে মানুহবিলাক যাতে আধ্যাত্মিক জ্ঞানেৰে পুষ্ট হ'ব পাৰে তাৰ কাৰণে তেওঁলোকে মাজে মাজে আলোচনা চক্র আদি পাতি সকলোকে বুজাব লাগে। আনক আদৰ্শবান কৰিবলৈ যাওঁতে নিজৰ চৰিত্ৰও আদৰ্শনীয় কৰি তুলিব লাগিব।

# দুলীয়াজানত সংবাদ সেৱাৰ ইতিবৃত্ত



— প্ৰদীপ কুমাৰ দত্ত

পঞ্চাশ দশকলৈকে দুলীয়াজানৰ অস্তিত্বৰ বিষয়ে কোনেও ঠাৱৰ কৰিব পৰা নাছিল। সেই সময়লৈকে দুলীয়াজান বিধান সভা সমষ্টি বুলি কোনো নামো নাছিল। ১৯৫৩ চনত বাৰ্মা অইল কোম্পানীৰ দ্বাৰা নাহৰ-কটীয়া আৰু ১৯৫৬ চনত মৰাণত তেল ক্ষেত্ৰ আবিষ্কাৰ হোৱাৰ পাছত কোম্পানীটোৰ অস্থায়ী কাৰ্য্যালয় সমূহ টিপলিং বৰুৱা গ্ৰাণ্টত নিৰ্মাণ কৰাৰ পৰাই দুলীয়াজানৰ অস্তিত্ব ক্ৰমান্বয়ে অনুভৱ কৰা হ'ল। সেই সময়লৈকে দুলীয়াজানত সংবাদ সেৱাৰ নামত একোৱেই হোৱা নাছিল। কোম্পানীটোৰ খবৰ বাতৰি বিলাক নিজাববীয়াকৈ বিবৃতি ( Press Release ) হিচাপে অসমৰ বাহিৰৰ দুই এখন কাকতত প্ৰকাশ পাইছিল। অৱশ্যে সেই সময়ত মাত্ৰ গুৱাহাটীৰ পৰা প্ৰকাশিত "নতুন অসমীয়া" আৰু "আসাম ট্ৰিবিউন" যোৰহাটৰ "দৈনিক জনমভূমি" এই তিনিখনহে দৈনিক বাতৰি কাকত আছিল। ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত অইল ইণ্ডিয়া গঠন কৰি সেই সময়ৰ জালনী গ্ৰাণ্ট আৰু সৰুপথাৰ বঙালী গাঁৱৰ মাটিত ( বৰ্তমান দুলীয়াজান অইলৰ আবাসিক অঞ্চল আৰু কাৰ্য্যালয় থকা ঠাই ) স্থাপন হোৱাত ঠাই ডোখৰৰ অস্তিত্ব অসম তথা ভাৰতবৰ্ষৰ বাইজৰ চকু লগাকৈ গঢ়লৈ উঠিবলৈ ধৰিলে। অইল ইণ্ডিয়াৰ খনন আৰু উৎপাদন কাৰ্য ক্ৰমান্বয়ে বাঢ়ি অহাৰ লগে লগে ইয়াত সংবাদ সেৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে দুই এক লোকে চিন্তা-চৰ্চ্চা কৰিবলৈ আৰম্ভ কৰিলে। যদিও বা দুই এক লোকে এই বিষয়ে চিন্তা চৰ্চ্চা কৰিছিল তথাপি সংবাদ সেৱাৰ আঁত বিচাৰি নোপোৱাত ১৯৬৪ চনৰ প্ৰথমাৰ্দ্ধলৈকে কোনেও সংবাদ সেৱাৰ নামত আগবাঢ়ি অহা নাছিল। সেই বছৰৰ শেষৰ ফালে টিপলিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীভৰত চন্দ্ৰ বৰুৱাই "জনমভূমি" আৰু "নতুন অসমীয়া" কাকতলৈ এই অঞ্চলৰ বাতৰি পৰিৱেশন কৰিবলৈ আৰম্ভ কৰিলে। তাৰ কিছুদিনৰ পিছতেই শ্ৰীবৰুৱাই এই দুয়োখন কাকতৰ সংবাদদাতা হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। ১৯৬৬ চনত "নতুন অসমীয়া" কাকতখন বন্ধ হৈ পৰাত ১৯৮৬ চনলৈকে "দৈনিক জনমভূমি" কাকতৰ নিজা সংবাদদাতা হৈ থকাৰ সময়তে গুৱাহাটীৰ পৰা প্ৰকাশিত "দৈনিক অসম" কাকতত নিজা সংবাদদাতা নিযুক্তি পোৱাত "দৈনিক জনমভূমি"ৰ পৰা অব্যাহতি লয়। "দৈনিক অসম" কাকতত সুদীৰ্ঘ কাল নিজা সংবাদদাতা হিচাপে থাকি ১৯৯৩ চনৰ এক অক্টোবৰত বাৰ্দ্ধক্যজনিত কাৰণত তাৰ পৰাও অৱসৰ লয়। শ্ৰীবৰুৱাই ১৯৮৪ চনৰ পৰা ১৯৮৬ চনলৈ তিনিবছৰ কাল ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি আছিল। সেই সময়ৰ একমাত্ৰ ইংৰাজী দৈনিক কাকত "আসাম ট্ৰিবিউন"ত দুলীয়াজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীভৱেশচন্দ্ৰ চাংকাকতিয়ে বাতৰি পৰিবেশন কৰি নিজস্ব সংবাদদাতা ৰূপে স্বীকৃতি পাইছিল যদিও ১৯৬৫-৬৬ বৰ্ষটোহে কাম কৰিলে। শ্ৰীচাংকাকতিয়ে অনিবাৰ্য্য কাৰণ বশতঃ সংবাদ সেৱাৰ কাম ত্যাগ কৰাত বহুদিন ধৰি

"আসাম ট্ৰিবিউন" কাকতত ঢুলীয়াজানৰ খবৰ বাতৰি প্ৰকাশ নোহোৱা হ'ল। কিন্তু উক্ত বিদ্যালয়ৰে অন্য এজন শিক্ষক শ্ৰীকান্তেশ্বৰ পাঠকে কিছুদিন "আসাম ট্ৰিবিউন" কাকতলৈ বাতৰি পঠাই আছিল। তেখেতেও হঠাতে পৰিবেশন কৰিবলৈ এৰি দিব লগীয়া হয়, অৱশ্যে কাকত খনৰ ফালৰ পৰা তেখেতক স্বীকৃতি দিছিলনে নাই জনা নাযায়। ষাঠি দশকৰ শেষ বছৰত অৰ্থাৎ ১৯৬৯ চনত অইল ইণ্ডিয়াৰ জনসম্পৰ্কৰক্ষী বিভাগৰ শ্ৰীডম্বৰুধৰ মেধী আৰু শ্ৰীবিনোদ খনিকৰ "দৈনিক জনমভূমি" আৰু "দৈনিক অসম" কাকতত কিছুদিন সংবাদ সেৱা কৰিছিল যদিও ১৯৭০ চনত তেখেত সকলেও ইয়াৰ পৰা অব্যাহতি লয়। শ্ৰীমেধীও ডিব্ৰুগড় জিলা সাংবাদিক স ৰ উপদেষ্টা হিচাপে আছিল। এইয়াই হ'ল ষাঠি দশকৰ ঢুলীয়াজানৰ সংবাদ সেৱাৰ ইতিহাস।

সত্তৰ দশকত কেৱল শ্ৰীভৱতচন্দ্ৰ বৰুৱা একমাত্ৰ ঢুলীয়াজানৰ সংবাদ সেৱা কৰি থকা সময়ত কঠালগুৰি নিবাসী শ্ৰীযোগেশ চন্দ্ৰ শইকীয়াই কিছুদিনৰ বাবে দৈনিক জনমভূমিলৈ বাতৰি পৰিবেশন কৰিছিল। তাৰ আগতেও কিছুদিন "নতুন অসমীয়া" কাকততো শ্ৰীশইকীয়াই পঠোৱা বাতৰি প্ৰকাশ পাইছিল। পিছত তেখেতেও সংবাদ সেৱা বাদ দিয়ে। সেই দশকত শ্ৰীযতীন তামুলীয়ে অসমবাণীত আৰু জনমভূমিত লিখিবলৈ লৈছিল কিছুদিনৰ বাবে। সেই সময়তে শ্ৰীতামুলী অবিভক্ত ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৭০ চনৰ পৰা ১৯৭৫ চনলৈকে এই পদত থাকে আৰু তেখেতৰ দিনতেই ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ পৃথক পৃথক সাংবাদিক সন্থা গঠন হয়। সত্তৰ দশকত ভাৰতৰ আভ্যন্তৰীণ অৱস্থা যেনে ১৯৭৫ চনৰ জৰুৰী কালীন ব্যৱস্থা প্ৰৱৰ্তন কৰা সময়ত বাতৰি কাকত সমূহে যিদৰে আত্মপ্ৰকাশ কৰিছিল তাৰ তুলনাত ঢুলীয়াজানৰ সংবাদ সেৱা অতি দুৰ্বল আছিল বুলি ৰাইজে সমালোচনা কৰিছিল। যেইকি নহওঁক যি কেইজন সংবাদ সেৱীয়ে পৰিস্থিতিৰ লগত খাপ খুৱাই নিজৰ সাধ্যানুসাৰে বাতৰি পৰিবেশন কৰি আছিল তাৰ তেখেতসকল নিশ্চয় ধন্যবাদৰ পাত্ৰ।

আশীৰ দশকতে টিপলিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীজগত বৰুৱা, ঢুলীয়াজানৰ যুৱক শ্ৰীকৰুণজ্যোতি শইকীয়াই সংবাদসেৱী হিচাপে আত্ম প্ৰকাশ কৰে। শ্ৰীবৰুৱাই ১৯৮৫ চনৰ পৰা এবছৰ কাল অৰ্থাৎ ১৯৮৬ চনলৈ "দৈনিক জনমভূমি" কাকতত সেৱা আগবঢ়াইছিল কিন্তু তেখেতেও মাত্ৰ এটা বছৰ সেৱা কৰাৰ পিছত এৰি দিয়ে। শ্ৰীশইকীয়াই আজিও "দৈনিক জনমভূমি" কাকতত নিজা সংবাদ দাতা হিচাপে সেৱা আগবঢ়াই আছে। তেখেতে "জনমভূমি" কাকতৰ উপৰিও নতুন দৈনিক কাকতটো কাম বৰ্তমান কৰি আছে। মাজতে কিছুদিনৰ বাবে "দি নৰ্থ ইষ্ট টাইমচ্" ইংৰাজী কাকতখনতো বাতৰি পৰিবেশন কৰিবলৈ সুবিধা পাইছিল যদিও সেই সুবিধা গ্ৰহণ নকৰিলে। শ্ৰীশইকীয়া সদৌ অসম সাংবাদিক সন্থাৰ সহকাৰী সম্পাদক হিচাপে ১৯৯০ চনত ঢুলীয়াজানত অনুষ্ঠিত হোৱা অধিবেশনত নিৰ্বাচিত হয়। সেই দশকতে অৰ্থাৎ ১৯৮৪ চন ৩১ অক্টোবৰ তাৰিখে এই নিবন্ধ লিখকৰ দ্বাৰা "প্ৰগতি" নামৰ এখন মাহেকীয়া বাতৰি কাকত ঢুলীয়াজানৰ পৰা প্ৰকাশ হয়। যদিওবা প্ৰথম অৱস্থাত বাতৰিখন মাহেকীয়া কৰা হৈছিল পিছলৈ ইয়াক সাপ্তাহিক কৰা হ'ল আৰু ভাৰতৰ বাতৰি কাকত পঞ্জীয়কে "প্ৰগতি" নামটো অনুমোদন নকৰাত "দেশৰ প্ৰগতি" নাম দিয়া হয় আৰু পঞ্জীয়নভুক্ত কৰা হয় (পঞ্জীয়ন নং আৰ. এন, আই ৫৩৮-২৩ আৰু অসমৰ পঞ্জীয়ন নং ৮২৩/৮৪৮৫) এই কাকতখনেই সমগ্ৰ অঞ্চলটোৰ একমাত্ৰ সাপ্তাহিক বাতৰি কাকত। বৰ্তমান মুঠ ৫৩০০ শ কপি ছপা কৰা হয় আৰু অসমৰ প্ৰায়বোৰ ঠাইতে বিক্ৰেতা আছে আৰু বৰ্তমান অসমৰ বিভিন্ন ঠাইৰ ৪৫ জন সংবাদসেৱীয়ে এই কাকতৰ লগত জড়িত হৈ আছে। কেইবা বছৰো এই লিখকে কাকতখন অকলে সম্পাদনা কৰি আছিল। পিছলৈ মাত্ৰ কেইমাহমানৰ কাৰণে টেঙাখাতৰ শ্ৰীভুৱন চন্দ্ৰ বৰাই সহকাৰী সম্পাদক হিচাপে কাম কৰিছিল। তেখেতে এৰি দিয়াৰ পিছত কিছুদিন শ্ৰীকৰুণজ্যোতি শইকীয়াইও সহকাৰী সম্পাদক হিচাপে সহায় কৰিছিল। তেখেতেও পিছত এৰি দিয়াত নিজে সম্পাদনা কৰি আছিলো। বৰ্তমান নাহৰকটীয়াৰ উদীয়মান যুৱক সাংবাদিক শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰাই কাকতখনৰ সহকাৰী সম্পাদক হিচাপে সেৱা আগবঢ়াই আছে। ঢুলীয়াজানৰ অন্য এজন সাংবাদিক শ্ৰীমৃত্যুঞ্জয় দাসেও কাকতখন

সম্পাদনা কৰাত সহায় কৰিছে।

৯০ দশকৰ আৰম্ভণীতে এই লিখকে গুৱাহাটীৰ পৰা প্ৰকাশিত "দি চেন্টিনেল" আৰু "আজিৰ অসম" দৈনিক কাকত দুখনত "নিজস্ব প্ৰতিবেদক" হিচাপে নিযুক্তি পাওঁ। সেইদিন ধৰি দুয়োখন কাকততে অঞ্চলটোৰ বা বাতৰি সমূহ পৰিৱেশন কৰি আছো। মাজত প্ৰায় এটা বছৰ "নৰ্থ ইষ্ট টাইমচ্" কাকতখনত টেঙাখাত অঞ্চলৰ সংবাদদাতা হিচাপে নিয়োগ কৰিছিল যদিও সময়ৰ অভাৱত এৰি দিব লগীয়া হয়। গুৱাহাটী দূৰদৰ্শনত বাতৰি যোগোৱাৰ সুবিধা দিছিল কিন্তু যথাবিহিত ভাবে নিযুক্তি নোপোৱাত ছেগাচোৰোকাকৈ খবৰ বাতৰি পৰিবেশন কৰি আছো। ১৯৯০ চনৰ পৰা ১৯৯৩ চনলৈ কেইবাজনো সংবাদ সেৱীয়ে সংবাদ সেৱা কৰিবলৈ আগবাঢ়ি আহে। ই অঞ্চলটোৰ বাবে শুভ লক্ষণ। সেইসকলৰ ভিতৰত অধ্যাপক নবীন গোহাঁইয়ে "দি নৰ্থ ইষ্ট টাইমচ" ইংৰাজী দৈনিক কাকতখনত নিজা সংবাদদাতা হিচাপে নিযুক্তি পায়। তেখেতে আগ-তেও "আসাম ট্ৰিবিউন" কাকতৰ সৈতে জড়িত আছিল। বৰ্ত্তমানো অব্যাহত ৰাখিছে। শ্ৰীগোহাইয়ে "দেশৰ প্ৰগতি" কাকতত দীৰ্ঘ দিন ধৰি "বিক্ষিপ্ত চিন্তা" নামৰ শিতানত লিখি কাকতখনৰ সৌষ্ঠৱ বঢ়াই আহিছে। ডুলীয়াজানত একমাত্ৰ বঙালী কাকতৰ সংবাদদাতা হিচাপে এই সময় চোৱাৰ ভিতৰতে শ্ৰীমৃত্যুঞ্জয় দাস গুৱাহাটীৰ পৰা প্ৰকা-শিত "সময় প্ৰৱাহ" নামৰ দৈনিক কাকতৰ নিজা সংবাদদাতা হিচাপে নিযুক্তি পায়। শ্ৰীদাসে "দেশৰ প্ৰগতি" কাকতত স্থায়ীভাবে বিভিন্ন শিতানত লিখি থাকে। শ্ৰীভৰত বৰুৱাই অৱসৰ লোৱাৰ পিছত গুৱাহাটীৰ পৰা প্ৰকাশিত "দৈনিক অসম" কাকতত নিজস্ব ডুলীয়াজানৰ সংবাদদাতা হিচাপে অধ্যাপক শ্ৰীঅমৃত গগৈয়ে নিযুক্তি পায়। ১৯৯০ চনৰ পৰা বৰ্ত্তমানলৈকে সংবাদ সেৱাৰ প্ৰতি ভালেসংখ্যক লোকে আগ্ৰহ প্ৰকাশ কৰা দেখিবলৈ পোৱাটো এটা শুভ লক্ষণ হৈছে। এই সময় চোৱাত অন্য এজন অধ্যাপক শ্ৰীভূপেন শইকীয়াই স্থানীয় কাকত "দেশৰ প্ৰগতি"ত সংবাদ সেৱা কৰি আছে আৰু অধ্যাপক শ্ৰীব্ৰজেন নিৰ্ম্মলীয়াই সংবাদ সাহিত্যৰ সৈতে জড়িত হৈ পৰিছে।

ডুলীয়াজানত সংবাদ সেৱাৰ নামত ১৯৯৩ চন বছৰটোত ডুলীয়াজান প্ৰেছক্লাব গঠন হৈছে আৰু ইয়াৰ সভাপতি ৰূপে স্থানীয় প্ৰবীন সাংবাদিক শ্ৰীভৰত চন্দ্ৰ বৰুৱা, উপসভাপতি অধ্যাপক নবীন গোহাঁই, সম্পাদক শ্ৰীপ্ৰদীপ কুমাৰ দত্ত, কোষাধক্ষ্য শ্ৰীকৰুণ জ্যোতি শইকীয়া সদস্য শ্ৰীমৃত্যুঞ্জয় দাস, শ্ৰীদুদুল চন্দ্ৰ বৰা, শ্ৰীসুপ্ৰীয় বৰুৱা আদিক লৈ সমিতি গঠন হোৱাটো উল্লেখ যোগ্য। বৰ্ত্তমান অসমৰ প্ৰায় সকলো কাকতৰে সংবাদ পৰিবেশন কৰা সাংবাদিক ডুলীয়াজানত আছে আৰু সেইবাবেই বৰ্ত্তমান নিতৌ ডুলীয়াজানৰ দৰে সৰু ঠাইখনৰ খবৰ বাতৰি প্ৰকাশ হৈ থকা দেখিবলৈ পোৱা যায়॥ ◎

**বিক্ষিপ্ত চিন্তা—**

"প্ৰত্যেক মানুহৰ জীৱনত পত্নীৰ ভূমিকা অনস্বীকাৰ্য্য। কোনোৱে কলমেৰে, কোনোৱে বল্লমেৰে আৰু কোনোৱে প্ৰেৰণা আৰু সৎ উপদেশেৰে স্বামীক উদ্‌বুদ্ধ কৰি পৰিয়াল তথা দেশ মাতৃক উদ্ধাৰ কৰাত সহায় কৰে। কিন্তু সম্প্ৰতি আমাৰ সমাজৰ এচাম শিক্ষিত নাৰীয়ে ব্যক্তিগত সুখ-সম্ভোগৰ নিমিত্তে নিজৰ স্বামীক নানা অসৎ কাৰ্যত লিপ্ত হোৱাত ইন্ধন যোগায়। এওঁলোকৰ স্বাৰ্থপৰ সংকীৰ্ণ মনোভাৱে জানো স্বামী তথা সমাজৰ উন্নতিত বাধা দিয়া নাই ?"

— শ্ৰীপ্ৰণৱ হাজৰিকা, প্ৰাক্তন ছাত্ৰ

# ডুলীয়াজান অঞ্চলৰ পৰিবেশ সম্বন্ধে এটি পৰ্যালোচনা

— ডঃ অমৃত গগৈ
অধ্যাপক, ৰসায়ন বিভাগ

পৰিবেশ বুলিলে আমি সাধাৰণতে আমাক চাৰিওফালে আৱৰি থকা, মাটি, পানী, বায়ু সকলো প্ৰকাৰৰ উদ্ভিদ, পানীত বাস কৰা বিভিন্ন প্ৰকাৰৰ প্ৰাণী আদি আটাইকে সামৰি লোৱা পৰিবেশটোকে বুজো। ইয়াৰে কোনোবা এটাৰ পৰিমাণ কমি গ'লেই বা নাইকিয়া হৈ গ'লেই পৰিবেশৰ ভাৰসাম্য নাইকিয়া হৈ পৰে আৰু পৰিবেশ বা প্ৰকৃতিৰ ভাৰসাম্য নাইকিয়া হৈ গ'লেই কিবা এটা সমস্যা বা দুৰ্ভিক্ষই দেখা দিয়ে। আজিৰ পৰা প্ৰায় ৫০ বছৰ মানৰ আগৰ পৰিবেশৰ লগত আজিৰ পৰিবেশৰ সামঞ্জস্য নোহোৱা হৈ পৰিছে। আমি প্ৰকৃতিক যিমানেই নিজৰ স্বাৰ্থৰ বাবে ধ্বংস কৰিছো, সিমানেই পৰোক্ষভাৱে নিজৰ ধ্বংসকে মাতি আনিছো। উদাহৰণস্বৰূপে, আজি কালি উত্তৰ-পূৰ্বাঞ্চলত বৰষুণৰ পৰিমাণ কমি যোৱাৰ প্ৰত্যক্ষ কাৰণ হ'ল গছ-গছনি কাটি ধ্বংস কৰাটো। পৃথিৱীৰ ভিতৰত সৰ্বোচ্চ বৰষুণ হোৱা ঠাই চেৰাপুঞ্জীত আজিকালি প্ৰায় বৰষুণেই নহয়। ইয়াৰ প্ৰধান কাৰণ যে গছ-গছনি কাটি ধ্বংস কৰাটোৱেই তাক লিখকে নিজে প্ৰত্যক্ষ কৰিছে। গতিকে পৰিবেশৰ ভাৰসাম্য নোহোৱা হ'লে কি ধৰণৰ পৰিণতি হয় তাক নেদেখাজনে উপলব্ধি কৰিব নোৱাৰে। আজি কালি কল-কাৰখানা বৃদ্ধি পোৱাটো পৰিবেশ বিনষ্ট হোৱাৰ অন্যতম কাৰণ।

এই প্ৰবন্ধত পৰিবেশ সম্বন্ধে সাধাৰণ আলোচনাৰ পৰিবৰ্তে আমি ডুলীয়াজান অঞ্চলৰ কেনে পৰিবেশত বাস কৰিছো সেই সম্বন্ধেহে আলোচনা কৰা হব। এই প্ৰবন্ধত প্ৰকাশ কৰা তথ্যপাতি সমূহ ডুলীয়াজান বিজ্ঞান সমিতিৰ গবেষণা শাখাই ডুলীয়াজানৰ পৰিবেশৰ ওপৰত কৰা গবেষণাৰ ফল। ইয়াত সকলোবোৰ বিষয়ৰ ওপৰত আলোচনা নকৰি অকল ডুলীয়াজান অঞ্চলৰ পানী, বায়ু, এই দুটাৰ ওপৰতহে বিশেষকৈ বহলভাৱে আলোচনা কৰিম। আমি নিজে কি পৰিবেশত বাস কৰিছো, কেনে-কুৱা ধৰণৰ পানী খাইছো, কেনে ধৰণৰনো বায়ু সেৱন কৰিছো তাক জানো জানিবলৈ মন নাযায়? এই জিজ্ঞাসাৰ ফল স্বৰূপেই ডুলীয়াজান বিজ্ঞান সমিতিয়ে এই পৰিবেশ গবেষণাৰ কাম হাতত লৈছিল আৰু তাৰেই ফল স্বৰূপে আমি আজি অলপ হ'লেও আমাৰ পৰিবেশ সম্বন্ধে জানিব পাৰিছো।

প্ৰথমে আমি পানীৰ বিষয়ে আলোচনা কৰিম। অইল কোম্পানী আৰু অসম গেছ কোম্পানীৰ আবাসত থকা বিষয়া, কৰ্মচাৰীৰ বাবে আৰু ডুলীয়াজান অঞ্চলত থকা সকলো ৰাইজৰ খোৱা পানীৰ উৎস হ'ল— অগভীৰ নলী নাদ, নাদ, পুখুৰী আৰু দিহিং নৈ। এই কেইটাৰ ভিতৰত নলী নাদেই প্ৰধান। সাধাৰণতে এই নলী নাদৰ পাইপ সমূহ ৪৬ ফুটৰ পৰা ৬৬ ফুটৰ ভিতৰতে বহুওৱা হয়। কোনো কোনোৱে অৱশ্যে ৮৬ ফুট মানলৈকে বহুৱায়। কিন্তু জৰীপ কৰি গম পোৱা গৈছে যে ডুলীয়াজান অঞ্চলৰ কেইখনমান বিশেষ ঠাইৰ বাহিৰে বাকী অঞ্চলৰ নলী নাদৰ পানী মানুহৰ স্বাস্থ্যৰ পক্ষে উপযোগী নহয়। কাৰণ নলী নাদৰ পানী বিশ্লেষণ কৰি জানিব পৰা গৈছে যে এই পানীত লৌহ পদাৰ্থৰ পৰিমাণ অতিশয় বেছি। পানীত লৌহ পদাৰ্থৰ পৰিমাণ আৱশ্যকতকৈ বেছি পৰিমাণে থাকিলে পানীখিনি খোৱাৰ উপযোগী নহয় আৰু কাপোৰ-কানি ধুলে কাপোৰত ৰং ধৰে— বিশেষকৈ, বগা কাপোৰৰ ক্ষেত্ৰত আৰু পানীখিনিত এটা গোন্ধ পোৱা যায়। (পানীত লৌহ পদাৰ্থৰ থাকিব লগা পৰিমাণ হ'ল ০·৩ ভাগ প্ৰতি ১ মিলিয়ন ভাগত— বিশ্ব স্বাস্থ্য সন্থাৰ মতে আৰু ভাৰতীয় হিচাপ মতে ০·১ ভাগ প্ৰতি ১ মিলিয়ন ভাগত।) ডুলীয়াজানৰ প্ৰায় ভাগ অঞ্চলৰ নলী নাদৰ পৰা পোৱা পানীত থকা লৌহ পদাৰ্থৰ পৰিমাণ ১ৰ পৰা

৫ ৰ ভিতৰত। এই লিখকে পানীৰ জৰীপ কাৰ্য চলোৱাৰ সময়ত প্ৰায় প্ৰত্যেক মানুহৰ মুখত নলী-নাদৰ পানী সম্পৰ্কে অভিযোগ পাইছিল। গতিকে দুলীয়াজান অঞ্চলৰ নলী-নাদৰ পানী ব্যৱহাৰৰ আগতে বালিৰ মাজেদি চেকি-লৈহে ব্যৱহাৰ কৰিব লাগে। এই পানী নলী নাদৰ পৰা পোনে পোনে খালে পেটৰ অসুখ হোৱা সম্ভাৱনা থাকে। কিন্তু ইয়াৰ বিপৰীতে কেইটামান অঞ্চলৰ যেনে— কঠাল গুৰি হাইস্কুলৰ সমুখৰ ঠাইত, নাওহলীয়া নগৰ পোৱাৰ অলপ আগৰ ঠাইখিনিত আৰু কছাৰীপথাৰ অঞ্চলৰ ঠাই বিশেষে বৰ সুন্দৰ নলী-নাদৰ পানী পোৱা যায়। পানী খিনিৰ এটা সোৱাদো আছে আৰু এঘণ্টামান পাত্ৰত ৰাখিলেও কোনো ধৰণৰ চামনি নপৰে। আটাইতকৈ বেয়া অৰ্থাৎ গোন্ধ থকা আৰু বেছি পৰিমাণে লৌহ পদাৰ্থ থকা অঞ্চল কেইটা হ'ল কঠালগুৰি অঞ্চলৰ ৰাষ্ট্ৰীয় পথৰ বাওঁফাল অঞ্চলটো ( দুলীয়াজান নগৰৰ ফালৰ পৰা গ'লে কমলাবাৰী অঞ্চল, ২নং ছলাকটকী অঞ্চল— জয়া নগৰকে সামৰি ) আৰু মহমাৰী অঞ্চলৰ ঠাই বিশেষে। কিন্তু তাৰো মাজে মাজে বৰ ভাল পানী থকা অগভীৰ নলী নাদ আছে। গতিকে এই অঞ্চল কেইটাৰ ৰাইজে নলীনাদ বহুৱাওঁতে অভিজ্ঞ কাৰিকৰৰ দ্বাৰাহে বহুৱাব লাগে যাতে কম পৰিমাণে লৌহ পদাৰ্থ থকা পানী পাব পাৰে।

কিন্তু দুলীয়াজানৰ প্ৰায় সকলো অঞ্চলতে য'ত পকী নাদ আৰু পুখুৰী আছে তাৰ পানীত লৌহ পদাৰ্থৰ পৰিমাণ বৰ কম অৰ্থাৎ সকলোধৰণৰ ব্যৱহাৰৰ বাবে উপযোগী। গতিকে যিমান দূৰ সম্ভৱ হয় দুলীয়াজান অঞ্চলৰ গাঁৱৰ ৰাইজে পকী নাদ খন্দোৱাই ল'ব লাগে যাতে স্বাস্থ্য-সম্মত পানী পাব পাৰে। পাৰিলে পঞ্চায়তৰ যোগেদি গভীৰ নলীনাদ ( প্ৰায় ১৫০-২০০ ফুট ) বহুওৱাৰ ব্যৱস্থা কৰিব লাগে বা চৰকাৰী পানী যোগান আঁচনিৰ বাবে চৰকাৰৰ ওচৰত আৰ্জি পেচ কৰিব পাৰে। লৌহ পদাৰ্থ আঁতৰ কৰিব পৰা আৰু কম খৰচতে সাজিব পৰা সজুলিৰ এটি চিত্ৰ সিঁদাতিত দিয়া হৈছে।




( সজুলিটোৰ দীঘ, প্ৰস্থ, উচ্চতা পৰিয়ালৰ দিনটোৰ বাবে প্ৰয়োজনীয় পানীৰ পৰিমাণ অনুসৰি কম, বেচ কৰি লব পাৰে। সোঁফালৰ কোঠাটোত ব্লিচিং পাউদাৰ দি থলে খোৱাৰ বাবেও উপযোগী হ'ব। )

আমি এইবাৰ দুলীয়াজান অঞ্চলৰ বায়ু আৰু মাটিৰ কথালৈ আহোঁ। আমি দুলীয়াজান আৰু দাতি কাষৰীয়া অঞ্চলৰ মানুহখিনিয়ে কেনেকুৱা ধৰণৰ বায়ু দৈনিক সেৱন কৰিছো তাক বাৰু জানিবলৈ মন নাযায়নে ? কাৰণ আমাৰ দুলীয়াজান অঞ্চলৰ প্ৰায় বিলাক ঠাইতে খাৰুৱা তেলৰ লগত মাটিৰ তলৰ পৰা অহা প্ৰাকৃতিক গেছৰ কিছু অংশ জ্বলাই দিয়াৰ কেন্দ্ৰ আছে। এই জ্বলাই দিয়া গেছৰ পৰা কাৰ্বনডাই অক্সাইড, কাৰ্বন মন' অক্সাইড, নাইট্ৰজেন অক্সাইড, ডাই অক্সাইড, হাইড্ৰ'কাৰ্বনৰ গেছ ইত্যাদি বিভিন্ন ধৰণৰ গেছ নিৰ্গত হয়। এই বিলাকৰ পৰা দুলীয়াজানৰ বায়ু দূষিত হোৱাৰ আশংকা আছে যদিহে বৰ বেছি পৰিমাণে নিৰ্গত হয়। মাজে মাজে কৰা বায়ুৰ পৰীক্ষাৰ পৰা দেখা গৈছে যে দুলীয়াজান অঞ্চলৰ বায়ু ওপৰত উল্লেখ কৰা গেছ কেইটাৰ পৰিমাণ বৰ বেছি নহয় অৰ্থাৎ এটা সীমাৰ ভিতৰতে আছে। কিন্তু কাৰ্বন ডাইঅক্সাইডৰ পৰিমাণ মাজে মাজে বেছি হয় যদিও প্ৰদূষণীয় গেছ হিচাপে ধৰা নহয়। তথাপি ইয়াৰ প্ৰভাৱ অন্য প্ৰকাৰেও পৰিলক্ষিত হয়। আমি দুলীয়াজান অঞ্চলত হোৱা বৰষুণৰ পানী বিশ্লেষণ কৰি বায়ুত থকা বিভিন্ন গেছৰ উপস্থিতিৰ বিষয়ে

জানিব পাৰো । কাৰণ বৰষুণৰ পানীয়ে বায়ুত থকা বিভিন্ন গেছ সমূহক দ্ৰবীভূত কৰি তললৈ লৈ আনে। গতিকে বৰষুণে বায়ুমণ্ডল পৰিষ্কাৰক হিচাবেও কাম কৰে । সেয়ে যিমানে বৰষুণ দিয়ে সিমানে মঙ্গল ।

এতিয়া আমি বৰষুণৰ পানীৰ বিষয়ে আলোচনা কৰো। আমাৰ তুলীয়াজান অঞ্চলত হোৱা গোটেই বাৰিষা কালটোৰ পানী বিশ্লেষণ কৰি দেখা গৈছে যে এই পানী ক্ষাৰকীয় গুণসম্পন্ন । অৰ্থাৎ এই পানীৰ $p^H$ ৰ মান 6 5 ৰ 9 ৰ ভিতৰত আৰু এই বৰষুণৰ পানীত $Co_3^-$ আৰু $HCo_3^-$ আয়ন যথেষ্ট পৰিমাণে আছে । এই বৰষুণৰ পানী খাৰুৱা হোৱাৰ কাৰণে তুলীয়াজান অঞ্চলৰ মাটিও খাৰুৱা গতিকে সাধাৰণ খেতিয়ক ৰাইজে ৰবি শস্য বা অন্যান্য ফচল কৰাৰ আগতে মাটিখিনি ভালদৰে পৰীক্ষা কৰি লব লাগে। সাধাৰণতে তুলীয়াজান অঞ্চলৰ মাটি খাৰুৱা হোৱাৰ কাৰণে যিবিলাক ফচলৰ বাবে আম্লিক গুণ থকা মাটিৰ প্ৰয়োজন তেনে ধৰণৰ ফচল কৰিবলৈ হলে মাটিখিনিৰ ক্ষাৰকীয় গুণ নোহোৱা কৰি আম্লিক কৰি লব লাগে। নহলে ভাল ফচল পোৱা নেযায় আৰু যিবিলাক ফচলৰ বাবে খাৰুৱা মাটিৰ প্ৰয়োজন তেনেধৰণৰ ফচলৰ খেতি ভাল হ'ব।

বৰষুণৰ পানী খাৰুৱা হোৱাৰ বাবে আৰু এটা অসুবিধাৰ সন্মুখীন হব লগীয়া হয় । বিশেষকৈ পকীঘৰৰ ক্ষেত্ৰত। এই খাৰুৱা ৰবষুণৰ পানীয়ে মাটি খাৰুৱা কৰাৰ উপৰিও পকী ঘৰৰ ভেটিও নষ্ট কৰে আৰু ঘৰৰ দেৱালত দিয়া ৰঙো নষ্ট কৰে । গতিকে পকী ঘৰৰ ভেঁটি তৈয়াৰ কৰাৰ সময়ত মাটিখিনি ভালদৰে পৰীক্ষা কৰোৱাই লব লাগে যাতে ঘৰৰ ভেটিৰ মাটি বৰ বেছি খাৰুৱা নহয় আৰু ঘৰৰ চাৰিসীমাৰ ভিতৰত যাতে বৰষুণৰ পানী জমা হৈ থাকিব নোৱাৰে তালৈ চকু ৰখা দৰকাৰ ।

তুলীয়াজান অঞ্চলৰ ভূগৰ্ভৰ খোৱা পানী বায়ু আৰু বৰষুণৰ পানী ওপৰত কৰা এয়া এটা প্ৰাৰম্ভিক পৰীক্ষা। ইয়াৰ পৰিবেশৰ ওপৰত আৰু অধিক গভীৰ ভাৱে গবেষণা কৰা প্ৰয়োজন । তেতিয়াহে প্ৰকৃত স্বৰূপটো গম পোৱা যায় । কিন্তু তাকে কৰিবলৈ গলে বহুতো অত্যাধুনিক সা-সজুলি, অৰ্থ আৰু প্ৰশিক্ষণপ্ৰাপ্ত মানুহৰ প্ৰয়োজন। তুলীয়াজান বিজ্ঞান সমিতিৰ এই প্ৰয়োজনীয় সমল নাই তথাপি সীমিত অৰ্থ আৰু মানুহেৰে তুলীয়াজান বিজ্ঞান সমিতিয়ে যিমানখিনি পাৰে গৱেষণা কৰি আছে আৰু আগলৈও এই গবেষণা জনসাধাৰণৰ স্বাৰ্থতে কৰি থাকিব।

**মুক্তকণ্ঠ**

*" নিজৰ মনত সামাজিক সচেতনতা জগাই তুলি ছাত্ৰসকলে সমাজৰ সহস্ৰ ব্যাধিৰ বিৰুদ্ধে যুঁজ দিব পাৰে। সমাজৰ অভাৱ - অনাটন, ভ্ৰষ্টাচাৰ সমূহ নিৰ্মূল কৰিবলৈ চৰকাৰক সহযোগিতা আগবঢ়াব লাগে ।*

— মদিৰা শইকীয়া, স্নাতক ২য় বাৰ্ষিক (কলা)

# ঔদ্যোগিক চহৰ দুলীয়াজানৰ শৈক্ষিক পৰিবেশ

— অনুৰাধা দাস

কেতিয়াবা সপোন দেখো জাগ্ৰত অৱস্থাত। দিহিঙৰ পাৰে পাৰে সেউজীয়া বনৰ আঁৰে আঁৰে তুমি, মই আৰু বহুতো মিলি যেন ওমলিছো, নাচিছো, গীত জুৰিছো, হাঁহিছো। চৌপাশৰ বতাহে বতাহে যেন উৰি ফুৰিছে চেতনাৰ ঢৌ। নৈৰ বুকুৰে ভটিয়াই যোৱা পানচৈ বোৰ উপচি আছে ৰঙীন কৃষ্টিৰে। দিগন্তত আছে এক প্ৰাণভৰা শোভা। দিহিঙৰ সোঁতে সোঁতে বৈ আছে এক ৰোমান্টিক ছবি। চৌদিশে আনন্দৰ জোৱাৰ। আকাশত উৰি ফুৰিছে এজাক সুললিত কণ্ঠৰ পক্ষী। এই যে নৈখন, পাৰৰ সেউজীয়া বননি, আমি আৰু চেতনাৰ মধুৰ সমন্বয়ত গঢ়ি উঠা জীৱনৰ ৰঞ্জিত অনুভূতিবোৰ— ঠিক যেন তাৰেই প্ৰাবল্যত সৃষ্টি হ'ল এখন সোণালী পাম য'ত সিঁচৰতি হ'ল এক সাংস্কৃতিক চেতনা। কি যে এক নিৰিবিলি শান্তিৰ পৰিবেশ।

কেতিয়াবাস্তো সপোনো দিঠকত পৰিণত হয়!! সময়ত যেতিয়া সপোন আঁতৰি যায় বাস্তৱে জনাই দিয়ে আমি যে বহু আঁতৰত। এনে নিবিড় পৰিবেশৰ পৰা আমি বহু আঁতৰত।

দিহিঙৰ পাৰতে এই দুলীয়াজান এখন ঔদ্যোগিক চহৰ প্ৰায় ৭·৫ বৰ্গ কিলোমিটাৰ এলেকাৰ এই চহৰৰ জনসংখ্যা প্ৰায় ৭০ হাজাৰৰ ওচৰা-ওচৰি। অসমৰ আন চহৰৰ তুলনাত ইয়াৰ দৈনন্দিন জীৱন ধাৰণৰ সা-সুবিধাবোৰ যথেষ্ট বেছি। এখন সু-পৰিকল্পিত চহৰ। ইয়াৰ বাতাবৰণো সম্পূৰ্ণ সুকীয়া। আন চহৰৰ তুলনাত হাই উৰুমিও কম। অসমৰ আন পুৰণা চহৰৰ দৰে অৱশ্যে ইয়াৰ কোনো ঐতিহ্য নাই। ক'লনীৰ ঘৰবোৰত অবিৰাম ভাৱে পাই থকা বিজুলীবাতি, পানী, ইন্ধনৰ বাবে মানুহে কোনোদিন চিন্তা কৰিব লগীয়া নহয়। ক'লনীৰ আলিয়ে আলিয়ে সোণাৰু, এজাৰ, কৃষ্ণচূড়া, কাঞ্চন, অশোক আদি ফুলৰ গছেৰে ভৰা। বসন্তৰ বতৰত দুলীয়াজানৰ ঠায়ে ঠায়ে ফুলৰ পয়োভৰে মন জুৰ পেলায়। তথাপিও প্ৰাকৃতিক সৌন্দৰ্য্যৰ স্বতঃস্ফুৰ্ত্ত আনন্দৰ পৰা যেন এই চহৰখন বঞ্চিত। কিবা এক কৃত্ৰিম আবেগ পৰিস্ফুট হয় দুলীয়াজানৰ মাজ মজিয়াত। প্ৰাকৃতিক দৃশ্যাৱলীৰ যোগসূত্ৰৰ অভাৱত নদী, পাহাৰ, পৰ্ব্বত, জান-জুৰিৰ সৰলতা ইয়াত নাই।

দুলীয়াজান হৈছে মিশ্ৰ সংস্কৃতিৰে গঢ়া এখন চহৰ। এই মিশ্ৰ সংস্কৃতিত ৰহণ লাগি আকৌ গঢ়ি উঠিছে ঔদ্যোগিক সংস্কৃতি। মানুহ সদায়েই পৰিবেশৰ সৃষ্টি। মনৰ মাজত শিপাই যোৱা এই সংস্কৃতিৰ বাবে ইয়াত মুকলি মনেৰে মানুহে সকলো মানুহৰ স'তে হাঁহিব নোৱাৰে। এই সংস্কৃতি হ'ল শ্ৰেণী বিভাজনৰ সংস্কৃতি। ঔদ্যোগিক চহৰত অফিচৰ কামত এনে বিভাজন থকাটো গ্ৰহণযোগ্য আৰু নিতান্তই আৱশ্যক। কিন্তু ঘৰুৱা পৰিবেশত এই ভাৱ পৰিহাৰ কৰি চলাটো আমাৰ সকলোৰে বাবে অতি প্ৰয়োজনীয়। মিলিজুলি কাম কৰা সংস্কৃতিৰ অভাৱতেই আজি দুলীয়াজানৰ সামাজিক পৰিবেশৰ লগতে শৈক্ষিক পৰিবেশতো কেৰোণ লাগিছে।

শিক্ষানো কি এই বিষয়ে ক'বলৈ গ'লে প্ৰথমেই আমি ক'ব লাগিব প্ৰকৃতাৰ্থত শিক্ষা হ'ল ওবে জীৱনজুৰি চলা এক অভিযান— পথে পথে অভিজ্ঞতা বুটলি লোৱা কিছুমান সজীৱ সত্যৰ সন্ধান। শিক্ষা হ'ল জীৱনৰ মূল্য বোধৰ এক সুদৃঢ় মাধ্যম— ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধনৰ এক শৃঙ্খল প্ৰক্ৰিয়া।

ব্যক্তি বিশেষেই প্ৰত্যেকৰে মাজত সুপ্ত হৈ থাকে এক যুগজয়ী পূৰ্ণতা— আৰু এই পূৰ্ণতাৰ বিকাশ সাধনেই হ'ল শিক্ষাৰ মূল লক্ষ্য। ব্যক্তি মনৰ সৌন্দৰ্য্য আৰু পূৰ্ণতা প্ৰদানেই হ'ল শিক্ষাৰ মূল উদ্দেশ্য।

আজি আমি বহু সময়ত স্কুল কলেজৰ দেওনা পাৰ হৈ বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লৈয়েই নিজকে শিক্ষিত

বুলি পৰিচয় দিওঁ। কিন্তু শিক্ষাৰ যথাৰ্থ গুণাগুণ আয়ত্ব কৰিব নোৱাৰিলে আমি তেনে শিক্ষাক প্ৰকৃত শিক্ষা বুলিব নোৱাৰো। শিক্ষাৰ পৰিসৰ আমি কোনো নিৰ্দিষ্ট সীমা-ৰেখাৰে জুখিব নোৱাৰো। জীৱনৰ অভিজ্ঞতাৰ ভেটিতহে মানুহৰ শিক্ষা প্ৰতিষ্ঠিত হয়। জন্মৰ পিচৰে পৰা মৃত্যুলৈকে জীৱনৰ বিভিন্ন ঘটনাই দিয়া অভিজ্ঞতাবোৰ ক্ৰমবিকাশৰ পদ্ধতিৰে শিক্ষালৈ ৰূপান্তৰিত হয়। জন্মৰ লগে লগে প্ৰতিটো শিশুৱে কান্দি উঠে। মাকৰ গৰ্ভৰ বাহিৰত শিশুৱে বিচাৰি পায় এক সম্পূৰ্ণ নতুন পৰিবেশ আৰু নিজকে সেই পৰিবেশত খাপ খুৱাব নোৱাৰি সেয়ে শিশুৱে কান্দি উঠে। এয়া প্ৰতিজন মানুহৰ জীৱনৰ প্ৰথম অভিজ্ঞতা। এনেকৈয়ে আৰম্ভ হয় শিক্ষাৰ বিভিন্ন দিশ। শৈক্ষিক পৰিবেশ বুলিলে আমি বিজ্ঞান, সাহিত্য, সংস্কৃতি, সঙ্গীত, নাট, খেল-ধেমালি আদি সকলো মিলি সৃষ্টি হোৱা পৰিবেশকে বুজো।



তুলীয়াজানৰ ঠায়ে ঠায়ে কেবাখনো প্ৰাইমেৰী স্কুল, হাইস্কুল আৰু কলেজ আছে। সঙ্গীত কলাৰ চৰ্চাৰ বাবে কেবাখনো বিদ্যালয় আছে। ক্ৰীড়া চৰ্চাৰ বাবে ইনদ'ৰ আৰু আউটদ'ৰ ষ্টেডিয়াম আছে। সাহিত্য, বিজ্ঞান চৰ্চাৰ ভালেকেইটি অনুষ্ঠান আছে। কিন্তু সেই অনুপাতে তুলনামূলক দৃষ্টিভঙ্গীৰে চালে দেখা যায় তুলীয়াজানে সৃষ্টি কৰিব পৰা নাই তেনে কোনো স্বনামধন্য সঙ্গীতজ্ঞ, বিশেষজ্ঞ বা মনিষীৰ। ইয়াৰ মূলতে আমি ক'ব পাৰো যে বাহিৰৰ জগতখনৰ সতে সম্পৰ্ক স্থাপনৰ সুবিধা অৰ্থাৎ Exposure আমাৰ ল'ৰা-ছোৱালীবোৰে নাপায়। দ্বিতীয়তে আমি দোষিব পাৰো তুলীয়াজানৰ শৈক্ষিক পৰিবেশক। তাৰ বাবে আমি কেবাটাও দিশ ফঁহিয়াই চাব লাগিব।

তুলীয়াজানৰ ক'লনী জীৱনটোত বয়সস্থ লোকৰ অভাৱ। বয়সস্থ জ্ঞানী লোকৰ উপস্থিতিত একোখন সমাজৰ পৰিবেশ গাম্ভীৰ্য্যতা পূৰ্ণ হয়। ইয়াত এনে লোকৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা। ফলত এক সুস্থ নিৰাপত্তাৰ অভাৱ যেন ইয়াত প্ৰতি মুহূৰ্ত্ততে অনুভূত হয়। বিভিন্ন ঠাইৰ পৰা তুলীয়াজানৰ কৰ্মথলীলৈ মানুহ আহে। কৰ্ম জীৱনৰ ওৰ পৰিলে তেওঁলোক উভটি যায় নিজ নিজ ঠাইলৈ। ইয়াত ককাদেউতা, আইতাৰ মুখৰ পৰা ৰসাল সাধু শুনি শুনি নিজ কল্পনা ৰাজ্যত উটি ফুৰা শিশুৰ সংখ্যা নিচেই তাকৰ। সেয়ে সন্ধিয়াৰ আজৰি মুহূৰ্ত্তবোৰ সিহঁতে কটায় দূৰদৰ্শনৰ সন্মুখত। ফলত এই শিশুবোৰৰ কল্পনা পিয়াসী মনবোৰ তেনেই কুমলীয়া অৱস্থাতে নষ্ট হৈ যায়।

এগৰাকী শিক্ষয়িত্ৰী ৰূপে মই আজি এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছো যে তুলীয়াজানৰ ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱকসকলৰ এক তৃতীয়াংশই প্ৰকৃত শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত— তাৰ বহু সংখ্যকেই নিৰক্ষৰো। ফলত বহুসময়ত সন্তানসকলৰ জীৱনৰ উচিত মূল্যায়ন কৰিব নোৱাৰি সুচল পথ দেখুৱাবলৈ তেওঁলোক অসমৰ্থ হৈ পৰে। এনে বহু পৰিয়াল আছে য'ত ঘৰৰ মূৰব্বীজনে দিনটোৰ পৰিশ্ৰমৰ শেষত ঘৰলৈ আহি উশৃংখল পৰিবেশৰ সৃষ্টি কৰে। তেনে পৰিবেশত ডাঙৰ দীঘল হোৱা ছাত্ৰ ছাত্ৰীসকলৰ চিন্তাধাৰাৰ পৰিসৰ কিমান সীমিত সেই কথা আমি সকলোৱেই উপলব্ধি কৰিব পাৰো। ঘৰত যদি শিশুক আদৰ্শনীয় আচৰণ হিচাবে অনুকৰণ কৰাবলৈ উপযুক্ত আচৰণশীল ব্যক্তিৰ অভাৱ পৰিলক্ষিত হয় তেন্তে শিশুৱেই গৈ এই অসুস্থ গৃহ পৰিবেশৰ পৰা স্কুল আৰু বাহিৰৰ জগতখনত সামাজিক উশৃঙ্খলতাৰ সৃষ্টি কৰে। ইয়াৰ প্ৰতিকাৰ ৰূপে যদি আমি এনে অভিভাৱসকলক জীৱনৰ মূল্যবোধৰ সম্যক জ্ঞানো দিব পাৰো মোৰ বোধেৰে এই ঔদ্যোগিক চহৰৰ সামাজিক দিশৰ যথেষ্ট সুপৰিবৰ্ত্তন হ'লহেঁতেন।

অভিভাৱক শিক্ষিত হলে সন্তান বহু পৰিমাণে উপকৃত হয়। প্ৰয়োজনীয় সময়ত উপযুক্তভাৱে শাসন প্ৰয়োগ কৰিলে সন্তানৰ জীৱন প্ৰণালী শৃঙ্খলাবদ্ধ হয়। বহু সময়ত পুত্ৰ স্নেহত অন্ধ পিতৃ-মাতৃয়ে সন্তানৰ ওচৰত অপদস্থ হৈয়ো তাৰ প্ৰতিবাদ নকৰে। ফলত সন্তানৰ সাহস বাঢ়ি যায়। গুৰুজনৰ শাসন ব্যৱস্থাত ঘূণে ধৰিলে সন্তানৰ মানসিক চিন্তা ধাৰাও পতনমুখী হয়। বিশেষকৈ শাসনৰ ব্যৱস্থা লোৱাত ব্যৰ্থ হোৱাটোৱেই আমাৰ সমাজত সৰহ সংখ্যক দুৰ্ভগীয়া ঘটনাৰ মূল কাৰণ হৈ পৰে।

যি শিক্ষাই মানুহৰ মানসিক উৎকৰ্ষ সাধন কৰি আধ্যাত্মিক জ্ঞান প্ৰদান কৰে আৰু মানুহক কৰ্ম্ম মুখৰ কৰি তোলাত সহায়ক হয় সেই শিক্ষাহে প্ৰকৃত শিক্ষা। ঔদ্যোগিক চহৰৰ কাৰখানাৰ পৰা কৰ্ম্ম বিমুখলোকক আঁতৰোৱাৰ প্ৰচেষ্টা অটুট থকাহেঁতেন আমাৰ সমাজখনত এনে বিশৃঙ্খলতাৰ কেতিয়াও সৃষ্টি নহ'লহেঁতেন।

শিক্ষাজগতৰ শক্তিয়েহে জাতিৰ ৰাজহাড় পোনপটীয়াকৈ ৰখাৰ কাম কৰিব পাৰে। শিক্ষা বিষয়ৰ লগত সাঙোৰ খাই থকা তুলীয়াজানৰ প্ৰতিজন ব্যক্তিয়েই আজি এই কথা উপলব্ধি কৰি সজাগ হব লাগিব। তাৰ বাবে লাগিব মানসিক তপস্যা।

'মনঃ প্ৰসাদঃ সৌম্যত্বং মৌন মাত্ম বিনিগ্ৰহঃ
ভাৱ সংশুদ্ধি ৰিত্যেতৎ তপো মানস মুচ্যতে"

অৰ্থাৎ মনৰ প্ৰসন্নতা, শান্ত স্বভাৱ, নীৰৱতা ( বাক্য সংযম ) আত্মসংযম আৰু ভাৱশুদ্ধি— এইবোৰেই মানসিক তপস্যা।

তুলীয়াজানৰ বিভিন্ন শিক্ষানুষ্ঠানবোৰত শিক্ষিত লোকৰ সংখ্যা যথেষ্ট আছে। কিন্তু এনে এখন ঔদ্যোগিক চহৰত আমি এটা কথা মন কৰিব লাগিব যে এই লোকসকলে তেওঁলোকৰ ৰুচি অনুযায়ী ইয়াত মনে বিচৰা পৰিবেশ পাইছেনে নাই। আজৰি পৰত নিজ ৰুচি অনুযায়ী সময় অতিবাহিত কৰিব পাৰিলে মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন হয়। স্কুল কলেজৰ পাঠ্যক্ৰমৰ উপৰিও সাহিত্য, কলা নাট, সংস্কৃতিৰ চৰ্চা হৈ থাকিলে মানুহৰ মাজত সুপ্ত হৈ থকা সূক্ষ্ম অনুভূতিৰ বিকাশ হয়। মানসিক শান্তিৰ য'ত অভাৱ সেই পৰিবেশত মানুহৰ চিন্তাধাৰা সুস্থ ৰাখিবলৈ হলে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগীয়া হয়। সুস্থমানসিকতাৰেহে শিক্ষক সকলে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক যোগাব পাৰিব প্ৰতিবাদৰ সাহস, জ্ঞানৰ প্ৰতি অদম্য স্পৃহা, বিজ্ঞানৰ প্ৰতি আগ্ৰহ, মানৱকল্যাণৰ বাবে বিভিন্ন সৃষ্টিমূলক প্ৰচেষ্টাৰ উৎসাহ আৰু জন সাধাৰণৰ প্ৰতি দায়িত্বজ্ঞান।

গীতাত আছে

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে' অৰ্থাৎ এই সংসাৰত জ্ঞানৰ সদৃশ পৱিত্ৰ বস্তু নাই।

যি সমাজত এনে জ্ঞানী ব্যক্তি বেছি সেই সমাজত পাপ, পঙ্কিলতা, শোষণৰ স্থান নাই। কিন্তু এই ঔদ্যোগিক চহৰখনত হত্যা, আত্মহত্যা, মাৰপিত, মদ, জুৱাৰ প্ৰকোপত শৈক্ষিক পৰিবেশৰ দিনে দিনে অৱনতি ঘটিছে। সকলো ধৰণৰ কৰ্ম্মপটুলোক থাকিও আমাৰ এই সমাজৰ বেছিভাগ লোকেই কৰ্ম্ম বিমুখ হৈ পৰিছে। বৰ্ত্তমান আমাৰ সমাজখন এনে এখন সমাজ য'ত সমাজৰ বাবে কাৰোবাৰ স্বাৰ্থ ত্যাগৰ প্ৰতিদানত আছে সমাজৰে আন এচাম লোকৰ বিদ্ৰুপসূচক মন্তব্য। সমাজৰ উপকাৰৰ বাবে হাতে কামে লগা দূৰৰ কথা যি কেতিয়াও আনৰ হিত চিন্তাও কৰিব নোৱাৰে মাথো তেওঁলোকৰ অন্তৰ উজাৰি ওলাই আহে তাচ্ছিল্যৰ সুৰ। তাতে নাৰী পুৰুষৰ যুটীয়া প্ৰচেষ্টাত যদি কোনো ভাল কামো হৈ উঠে তাত থাকিব সেই সকলৰ নীচ মানসিকতাৰে ভৰা সন্দেহৰ অশ্লীল চকু। ঘৃণনীয় বিৰূপ মন্তব্যৰে এই সকল লোকে সমাজত আত্মপ্ৰকাশ কৰে। অবৈধ সম্পৰ্কে, প্ৰেম প্ৰীতিৰ বাহিৰে যেন নাৰী পুৰুষৰ মাজৰ আন বন্ধনবোৰ এইখন সমাজত নিঃশেষ হৈ গ'ল। এনেলোক সমাজত মুষ্টিমেয় হ'লেও নিমিষতে পৰিবেশ দূষিত কৰাত এওঁলোক সিদ্ধহস্ত। এনে ৰুচিবোধৰ প্ৰতিজন লোকক বাচি উলিয়াই যদি সমাজে নিৰ্বাসন দিলেহেঁতেন হয়তো তুলীয়াজানৰ চৌদিশৰ পৰিবেশো সুস্থ হলহেঁতেন।

শিশুৱে সদায় গুৰুজনক অনুকৰণ কৰে। অকল স্কুল বা সমাজে এজন শিক্ষিত ব্যক্তি গঢ়ি তুলিব নোৱাৰে যদিহে তাত পিতৃ-মাতৃ, পৰিয়ালবৰ্গ বা ওচৰ চুবুৰীয়াৰ পূৰ্ণ সহযোগ নাথাকে। আমি প্ৰাপ্তবয়স্ক অভিভাৱকসকলেই য'ত উশৃংখল— উঠি অহা সন্তানসকলৰ পৰাও তেনে ব্যৱহাৰ পোৱাটো স্বাভাৱিক।

ছুলীয়াজ্ঞান এনে এখন ঠাই য'ত, কিছুমান অভিভাৱক নিজৰ পদমৰ্য্যাদাৰ খাটিৰত ভয়ঙ্কৰ ৰূপে সচেতন। ইয়াত কিছুলোকে মানুহৰ মূল্যায়ণ কৰে ক্ষমতাৰ মান চাই —সুবিধাৰ খাটিবতে যেন মানুহৰ মৰম চেনেহবোৰ নিঃসৰিত হয়— অন্তৰৰ অনুভূতিবোৰ যান্ত্রিক ৰূপতহে যেন প্ৰকাশ পায়। ইয়াত বহু বুদ্ধিজীৱীয়ে নিজৰ বিবেকক সঁহাৰি নজনায়। সেয়ে বহু ল'ৰাছোৱালীৰ মানসিকতাৰ মানদণ্ডও ঠিক তেনেধৰণৰেই হয়।

সাধাৰণতে নৈতিক আৰু আধ্যাত্মিক সংযম যেতিয়াই মনৰ গভীৰতালৈ প্ৰৱেশ কৰে তেতিয়াই জ্ঞানৰ বিকাশ হয়। ছুলীয়াজানত তুলনামূলকভাৱে আধ্যাত্মিক মনোভাৱৰ প্ৰভাৱ কম। য'ত ধৰ্ম্ম নাথাকে তাত ইজনৰ প্ৰতি সিজনৰ ত্যাগৰ ভাবো থাকিবই নোৱাৰে। ভাৰতীয় দৰ্শন আধ্যাত্মবাদৰ ওপৰতে প্ৰতিষ্ঠিত পশ্চিমীয়া সমাজৰ সৰু কাৰ্য্য, সৰু ৰীতিনীতিক আদৰি লৈ আমাৰ সমাজৰ বাবে অনুপযোগীখিনি বাদ দি নৈতিক আৰু আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব আজি আমাৰ হাতত। জাতীয় জীৱনদৰ্শনত নিজ সংস্কৃতিক সাঙুৰি লৈ যদি আমি সহজ সৰল শিক্ষানীতি কিছুমান দাঙি ধৰিব পাৰো শিশুমন তেতিয়াই সত্যপথেৰে পৰিচালিত হ'ব।

ডঃ হোমেন বৰগোহাঞিদেৱৰ লিখনীত পঢ়িছিলো 'অভ্যস্ত, নিৰাপদ আৰু গতানুগতিক পথত চলা বেছিভাগ মানুহৰ কাৰণেই জীৱনটো অন্ধৰ হস্তী দৰ্শনৰ নিচিনা।'

ছুলীয়াজানৰ গতানুগতিকতাৰ মাজত আমি আমাৰ সন্তান সকলক যেন অন্ধ হৈ পৰিব নিদিও তাৰ বাবে আমি প্ৰতিজন অভিভাৱকেই সতৰ্ক হ'ব লাগিব। আমি চাব লাগিব যাতে আমাৰ দৰেই আমাৰ সন্তান সকলেও যেন বিষয় বাসনাৰ এক অপৰিতৃপ্তিৰ অনন্ত অশান্তিত জীয়াই থাকিব লগীয়া নহয়। প্ৰতিজন শিক্ষিত ব্যক্তিলৈ মোৰ কাতৰ নিবেদন যেন এই সমস্যাবোৰৰ গুৰুত্ব বুজি উদাৰ দৃষ্টি ভঙ্গীৰে তেওঁলোকে সৃষ্টি কৰক এক সুস্থ, মুক্ত শৈক্ষিক পৰিবেশ যাৰ বতাহে বতাহে উৰি ফুৰিব চেতনাৰ সুবাস। ◎

**মুক্তকণ্ঠ**

***"ছাত্ৰ সমাজত বিভিন্ন অশ্লীল হিন্দী আৰু ইংৰাজী ছবিৰ বহুল প্ৰচাৰ আৰু তাত দেখা পোৱা পশ্চিমীয়া সাজ-পোছাক পৰিধান কৰি নিজকে নায়ক-নায়িকা ভাবি গৰ্বিত হোৱা ছাত্ৰসকলে আনক সন্মান কৰিব নজনা হৈছে। তেওঁলোকে হয়তো নাজানে যে আনক সন্মান কৰিব জানিলেহে নিজেও সন্মান পাবলৈ সক্ষম হয়। ছাত্ৰসকলে সন্মান কি তাক উপলব্ধি কৰিব পাৰিব লাগিব।"***

— **মৌচুমী গগৈ**, স্নাতক (বিজ্ঞান) ১ম বাৰ্ষিক

# দুলীয়াজানৰ বৌদ্ধিক পৰিৱেশ আৰু সাহিত্যকৰ্ম ঃ
## এটি চমু অৱলোকন

★ মঃ চৰিফুল ইছলাম

অটব্য অৰণ্য গুচি দুলীয়াজান নগৰ হবৰ বৰ বেছি দিন হোৱা নাই। ইয়াৰ আগতে দুলীয়াজানৰ নাম নিচানেই নাছিল। বৰ্তমানৰ ৰেল ষ্টেচনটো সেইসময়ত ডিৰিয়াল বাগান প্ৰমুখ্যে কাষৰীয়া চাহ বাগান কেইখনৰ মাল উঠোৱা-নমোৱা কৰাৰ বাবে ছাইডিং হিচাবেহে ব্যৱহৃত হৈছিল। অৱশ্যে এই ছাইডিঙৰ পৰা কাষতে থকা দুলীয়া গাওঁ, ছলাকটকী গাওঁ, কছাৰী পথাৰ আদি গাঁৱৰ জনসাধাৰণো উপকৃত নোহোৱা নহয়। দুলীয়াজানৰ পৰা টিপলিং হৈ মহমাৰি, কঠালগুৰি, নাহৰকটীয়ালৈ অথবা উষাপুৰ, ভাদৈ, বৰজান, ডিগবৈলৈ যোৱা পথছোৱা সেই সময়ত সৰু লুংলুঙীয়া হাবিতলীয়া পথহে আছিল, যি পথেদি যাওঁতে শৰীৰত চেঁচা শিহৰণ জাগি উঠাৰ লগতে মনলৈ ভয়ভাব এটি আহিছিল। ডিগবৈ-দুলীয়াজান পথত থকা আপাৰ দিহিং সংৰক্ষিত বনাঞ্চল পাৰ হৈ আহোঁতে পথচাৰীয়ে প্ৰায়ে জালপহীয়া অজগৰ, শৰপহু, বনৰজা, পোৱালিৰে সৈতে বনৰ ৰাণী আৰু পালি-পহৰীয়াৰে সৈতে গজৰাজৰ মুখামুখী হোৱাৰ কথা আমাৰ স্বৰ্গীয় দেউতাই কোৱা শুনিছিলো। টিপলিং নৈৰ দুয়োপাৰে থকা সেৰেঙা জনবসতিপূৰ্ণ গাওঁকেইখনকে ধৰি সেইসময়ত কাষৰীয়া গাঁৱৰ চিকাৰপ্ৰিয় লোকসকলে দলবদ্ধ হৈ এই হাবিবোৰত বনৰীয়া হাঁহ, কুকুৰা, পহু আদিৰ চিকাৰ কৰি আমোদ লভিছিল।

দ্বিতীয় মহাসমৰৰ প্ৰায় লগে লগে টিপলিঙৰ বিস্তৃত হাবিতলীয়া অঞ্চলটোত এঘৰ দুঘৰকৈ মানুহ বহিবলৈ আৰম্ভ কৰে। এনে সময়তে টিপলিং নৈৰ ডিগবৈ-মুখী পাৰৰ এটা বৃহৎ অঞ্চলত স্বৰ্গীয় টঙ্কেশ্বৰ বৰুৱা প্ৰমুখ্যে কেইবাটাও পমুৱা পৰিয়ালে নিগাজীকৈ থাকিবলৈ ঘৰ দুৱাৰ সাজি বহে। বিয়াল্লিশৰ গণ বিপ্লৱৰ সময়ত স্বৰ্গীয় গোলোক চন্দ্ৰ বৰুৱাকে ধৰি আন কেইটামান পৰিয়াল টিপলিঙত স্থানীয়ভাবে থাকিবলৈ লয়। এনেদৰে লাহে লাহে টিপলিং ঘনবসতিপূৰ্ণ অঞ্চল এটালৈ ৰূপান্তৰিত হোৱাত এই অঞ্চলৰ লগতে কাষৰীয়া অঞ্চলৰো গুৰুত্ব বাঢ়ে।

১৯৫৩ চনত নাহৰকটীয়াৰ ১ নং খাদত ভাল তেল পোৱা গ'ল। পনীয়া সোণৰ এই বিপুল ভাণ্ডাৰৰ সন্ধান পাই ডিগবৈৰ 'আসাম অইল কোম্পানী' (AOC) উৎসাহিত হৈ পৰিল। উৎসাহে বিদেশী কোম্পানীটোক সাহস যোগালে। সাহসে দিলে পৰিকল্পনা। পৰিকল্পনাই উদ্যোগক। ১৯৫৩-৫৪ চনত আসাম অইল কোম্পানীয়ে তৈলক্ষেত্ৰ বিস্তাৰৰ বাবে স্বৰ্গীয় টঙ্কেশ্বৰ বৰুৱাৰ পৰা প্ৰায় ৩০ পুৰা মাটি লয়। এই মাটিতে সম্পূৰ্ণ অস্থায়ী ভিত্তিত কোম্পানীটোৱে নিজ কাৰ্যালয়, বাসস্থান, স্কুলঘৰ, ক্লাবঘৰ, খেল পথাৰ আদি নিৰ্মাণ কৰে। 'বৰুৱা কেম্প' নামেৰে প্ৰসিদ্ধি লাভ কৰা কোম্পানীৰ এই নতুন কলনীয়েই পাছলৈ টিপলিং অঞ্চলটোক সজীৱ কৰি তোলে। দূৰদৰ্শী, উদ্যোগী পুৰুষ ৺ বৰুৱাই এই কেম্পৰ বাসিন্দা তথা স্থানীয় লোকৰ বিনোদনৰ চাহিদা পুৰাবলৈ 'বৰুৱা টকীজ' নামেৰে কথাছবি গৃহ এটিও নিৰ্মাণ কৰি চলাইছিল। বৰ্তমান অনাদৃত হৈ কিছুলোকৰ বাসগৃহ মাত্ৰ হৈ থকা এই কথাছবি গৃহই আছিল এই অঞ্চলৰ প্ৰথম কথাছবি গৃহ। সি যি কি নহওক, আধুনিক দুলীয়াজানৰ জন্ম সন্ধিত 'বৰুৱা কেম্প'ৰ ভূমিকা নুই কৰিব নোৱাৰি।

১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত 'আসাম অইল কোম্পানী'ৰ মালিকী কোম্পানী 'বাৰ্মা অইল কোম্পানী' (BOC) আৰু ভাৰত চৰকাৰৰ যৌথ সহযোগত 'অইল ইণ্ডিয়া লিমিটেড' নামেৰে (OIL) নতুন তেল কোম্পানী এটা গঠন কৰা হয়। এই কোম্পানীটোক উজনি অসমত আবিষ্কাৰ হোৱা তেল উৎপাদান কৰিবলৈ ভাৰ দিয়া হয়। নতুন কোম্পানীটোৱে স্বতন্ত্ৰীয়াভাৱে কাম কৰিবলৈ লৈ প্ৰথম পদক্ষেপ হিচাবে উৰ্দ্ধতন কৰ্তৃপক্ষৰ অনুমোদন মৰ্মে স্থানীয়ৰূপত কাৰ্যালয়, ঔদ্যোগিক অঞ্চল, আবাসিক অঞ্চল

আদি গঢ়িবৰ বাবে এডোখৰ আহল-বহল সুবিধাজনক ঠাইৰ সন্ধানত নামিল । এই ক্ষেত্ৰত কোম্পানীটোৰ প্ৰথম জেনেৰেল মেনেজাৰ শ্ৰী কে, বি, কানুনগো প্ৰমুখ্যে উচ্চ পদস্থ বিষয়াবৰ্গক সহায় কৰিবলৈ আগবাঢ়ি আহিল স্বৰ্গীয় গোলোক চন্দ্ৰ বৰুৱা প্ৰমুখ্যে স্থানীয় নেতৃস্থানীয় ব্যক্তি-সকল । অৱশেষত আধুনিক দুলীয়াজানৰ বুনিয়াদ গঢ়োতা এইসকল অগ্ৰণী পুৰুষৰ সহযোগত অসমৰ প্ৰবল প্ৰতাপী পৰাক্ৰমী আহোম জাতিৰ গৰিষ্ঠসংখ্যক দুলীয়াফৈদৰ বাস-ভূমি দিহিংপাৰৰ ঘন জঙ্ঘল আৰু চৰণীয়া পথাৰে ঘেৰি থকা বৰ্ত্তমানৰ দুলীয়াজান অঞ্চলটি কোম্পানী কৰ্তৃপক্ষই গ্ৰহণ কৰে । অঞ্চলটিৰ সৰহখিনি অংশ সেইসময়ত বৃটিছ টি কোম্পানীৰ দ্বাৰা পৰিচালিত 'জালনী টি এষ্টেট'ৰ অধীনস্থ জালনী গ্ৰাণ্টৰ ভিতৰুৱা আছিল । টিলা, জলাশয়, ডাঠ হাবি-বননিৰে ঘেৰি থকা এই অঞ্চলৰ মাজে মাজে থকা সৰু পথাৰ বঙালী গাওঁ, বৰাগাধৈ গাওঁ, দুলীয়া গাওঁ হুকুতা গাওঁ আদি সৰু সৰু চুবুৰিযুক্ত কেইবাখনো গাৱঁত এটি ক্ষীণ জনবসতি বিদ্যমান হৈছিল । 'জালনী গ্ৰাণ্ট'ৰ অংশ হোৱাৰ বাবে তথা স্থানীয় বাসিন্দাৰ মাজত 'জালনী' নামটো সাধাৰণতে চলন্তি হৈ থকাত কোম্পানী বহা এই অঞ্চলটো প্ৰথমে 'জালনী' নামেৰে জনাজাত আছিল । তেতিয়াৰ 'বৰুৱা কেম্প'ৰ পৰা ইয়ালৈ কাম কৰিবলৈ অহা লোকসকলে 'জালনী'লৈ কামৰ বাবে যোৱা বুলি অন্যসকলক কৈছিল । 'জালনী' নামৰ বাবেই অঞ্চলটোৰ প্ৰথম ক্লাব 'জালনী ক্লাব' ( ১৯৬০-৬১ চনত স্থাপিত ), বিদ্যালয় নিৰ্ম্মাণৰ বাবে লায়নচ্ ক্লাবৰ তত্ত্বাৱধানত গঠিত প্ৰথম সংস্থাৰ নাম 'জালনী স্কুলচ্ এছোছিয়েচন' ( বৰ্ত্তমান দুলীয়াজান স্কুলচ এছোছিয়েচন ) আৰু প্ৰথম শিক্ষানুষ্ঠানৰ নাম 'জালনী প্ৰাইমেৰী স্কুল' হৈছিল । এই নামটো বৰ বেছি-দিনলৈকে প্ৰচলন নাছিল । তেতিয়া দুলীয়াজান নামটো ৰেল-ষ্টেচনৰ ফলকতে মাত্ৰ জিলিকিছিল । 'জালনী টি এষ্টেট' আৰু নতুন কোম্পানীটোৰ চিঠি-পত্ৰ অন্য ঠাইৰ পৰা আহোঁতে বিলি কৰাৰ সময়ত সঘনাই কিছু খেলি-মেলিৰ সৃষ্টি হোৱাত তথা অন্য কিছু ভিতৰুৱা কাৰণত পাছলৈ অইল ইণ্ডিয়া কৰ্তৃপক্ষই 'দুলীয়াজান' নামটো গ্ৰহণ কৰে । জনশ্ৰুতি অনুসৰি এই নামটো দুলীয়া গাঁৱৰ পৰা অহা য'ত ডুলি সজা লোকৰ বসতি আছিল অথবা 'দুলীয়া' ( দোলাভাৰী ) লোকৰ বসতি স্থল দুলীয়া গাঁৱৰ কাষেদি যোৱা, 'দুলীয়া' লোকে ব্যৱহাৰ কৰা 'জান' 'দুলীয়াজান'ৰ পৰা অহা । সি যি কি নহওক, দুলীয়াজান নামটো এনেদৰেই বিশ্বৰ তৈল ক্ষেত্ৰৰ ইতিহাসত যুক্ত হৈ পৰিল । এয়া আছিল চাৰিটা দশকৰ আগৰ কথা ।

নতুন টেক্‌নিক লৈ অহা তেলকোম্পানীটোৱে অটব্য অৰণ্য ভাঙি আধুনিক দুলীয়াজান গঢ়াৰ পৰিকল্পনা লৈ কামত অগ্ৰসৰ হয় আৰু পৰ্য্যায়ক্ৰমে বৰুৱা কেম্পৰ পৰা কাৰ্য্যালয়, স্কুলঘৰ আদি উঠাই আনে । সময়ত 'বৰুৱা কেম্প'ত অ, চি, এচ, ৩ ৰ বাদে একোৰেই অস্তিত্ব নাথাকিল । আধুনিক দুলীয়াজান নগৰৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হ'ল হয়, পিছে হঠাতে হোৱা ভাৰত পাকিস্থানৰ যুদ্ধই এই প্ৰক্ৰিয়া মন্থৰ কৰি পেলালে । প্ৰতিপক্ষ দলৰ শিল্প-নগৰ সমূহ ধ্বংস কৰাৰ লক্ষ্যৰ কথা প্ৰচাৰ হোৱাত যুদ্ধৰ সময়তে বহুতো কৰ্মী কোম্পানীৰ কাম এৰি পলাই গ'ল । দুলীয়াজানৰ ঠায়ে ঠায়ে বোমা-বাৰুদৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ অৰ্থে চেল্টাৰ খন্দা হ'ল, অস্থায়ী কেম্প সাজি যুদ্ধকালীন সময়ৰ ভগনীয়াসকলক ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰচেষ্টাও লোৱা হ'ল । চেল্টাৰসমূহ যুদ্ধৰ বহু পিছলৈকে দুলীয়াজানত দেখা গৈছিল । অৱশেষত যুদ্ধ শাম কটাত পুনৰ নগৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হয় । দৰাচলতে ১৯৬২-৬৩ চন মানৰ পৰাহে দুলীয়াজানৰ গঠন প্ৰক্ৰিয়া পূৰ্ণৰূপত চলে ।

ক'বলৈ আজি দ্বিধাবোধ নকৰো যে তেলকোম্পানী এটাই বৃহৎ তৈল উদ্যোগ এটা খুলি নবহা হ'লে বোধহয় আধুনিক শিল্পনগৰ দুলীয়াজানৰ জন্মই নহ'লহেঁতেন । এই ক্ষেত্ৰত উনবিংশ শতিকাৰ শেষভাগত ডিগবৈত তেলপথাৰ আৱিষ্কাৰ হোৱা আৰু এই তেল পথাৰ পৰিচালনাৰ ভাৰ ১৯২১ চনত 'আসাম অইল কোম্পানী'ৰ পৰা বৃটিছ সাম্ৰাজ্যৰ 'বাৰ্মা অইল কোম্পানীয়ে' লৈ পাছত তেওঁ-কুৰি শতিকাৰ মাজভাগত নাহৰকটীয়া অঞ্চলত খনন কাৰ্য সম্পাদন কৰি উপৰ্যুপৰি সফলতা লাভ কৰা ঘটনাসমূহৰ কাকতলীয় সংযোগো নুই কৰিব নোৱাৰি । সি যি কি নহওক, স্বাধীন ভাৰতৰ যুটীয়া খণ্ডত প্ৰতিষ্ঠা কৰা প্ৰথম

তৈল প্ৰতিষ্ঠান হিচাপে গুৰুত্ব লাভ কৰিয়েই হওক বা পেট্ৰোলিয়াম সভ্যতাৰ খৰতকীয়া বিকাশৰ বাবেই হওক দুলীয়াজানে সেই সময়ত দ্ৰুত উন্নয়নী প্ৰক্ৰিয়া লাভ কৰে। ইয়াৰ পৰা আমি দুই প্ৰকাৰে উপকৃত হওঁ। প্ৰথম, জন্ম-লগ্নৰে পৰা সম্পূৰ্ণ আধুনিকতাৰ ছত্ৰছায়াত বিকশিত হোৱা এখন গতিশীল নগৰ পাওঁ আৰু দ্বিতীয়তে, ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সৃষ্টিশীল উদ্যম থকা, অভিজ্ঞতাপুষ্ট, সুসাংস্কৃতিক মনৰ এচাম লোকৰ সম্মিলিত কৰ্ম তৎপৰতাৰ আমিও অংশীদাৰ হোৱাৰ সুযোগ লাভ কৰো। এই দুই কাৰণতে দুলীয়াজানত এক বৌদ্ধিক বাতাবৰণ পৰিও নপৰাকৈ, মৰিও নমৰাকৈ আজিও বৰ্তি আছে বুলিব পাৰি।

প্ৰথমতে, দুলীয়াজান বোলোতে তেলকোম্পানীৰ আবাসিক অঞ্চল থকা ঠাইখণ্ডকে সাধাৰণতে বুজোৱা হৈছিল। আজি আৰু সেই অৱস্থা নাই। বৰ্তমান দুলীয়াজানৰ পৰিসৰ যথেষ্ট বৃদ্ধি পাইছে। আধুনিক সা-সুবিধাৰে ভৰি থকা নগৰখনক কেন্দ্ৰ কৰি ইয়াৰ চৌদিশে নিতৌ যুদ্ধকালীন ক্ষিপ্ৰতাৰে আবাসিক অঞ্চল কিছুমান গঢ় লৈ উঠিবই লাগিছে। (বৰ্তমান দুলীয়াজানৰ কালি ৬ বৰ্গ কিলোমিটাৰ আৰু জনসংখ্যা লাখৰ ওচৰা-ওচৰি) এতিয়া, দুলীয়াজানৰ বিষয়ে কোনো আলোচনা কৰিব লগা হ'লে ইয়াৰ উপকণ্ঠ অঞ্চলবোৰো অপৰিহাৰ্যভাৱে সামৰি লব লগা হয়। আমিও তাকেই কৰিছো।

যুদ্ধোত্তৰ কালছোৱাত অসমীয়া জনজীৱনত যি ধৰণৰ নতুন চিন্তাধাৰা, নতুন পৰিকল্পনা, নবচেতনাৰ উদয় হ'ল তাৰ প্ৰভাৱত পৰি নতুন তেলকোম্পানীটোত কাম কৰিবলৈ অহা অসমীয়া, অনা অসমীয়া দুলীয়াজানবাসীও উটি-ভাঁহি গ'ল। সেইসময়ত শিল্পনগৰখনত নকৈ গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছেহে মাথোন। শিক্ষানুষ্ঠান, হস্পিতেল, ডাকঘৰ, বজাৰ-সমাৰ, বাট-পথ আদিৰ নিৰ্মাণকাৰ্য চলি আছে। এনেসময়তে, সচেতন লোকসকলৰ মাজত নতুন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়াৰ ধুম উঠিল। এই সকল লোকৰ সামূহিক প্ৰচেষ্টাত দুলীয়াজানত যি প্ৰশংসনীয় বাতাবৰণ গঢ় লৈ উঠিল, উত্তৰকালত সিয়ে দুলীয়াজানক বৌদ্ধিকভাৱে জাগৰুক কৰি ৰখাত সহায় যোগালে। এইসময়মতে, কেন্দ্ৰীয় নামঘৰ (১৯৬১), দুলীয়াজান মছজিদ (১৯৬২), জালনী প্ৰাইমেৰী বিদ্যালয় (১৯৬১-৬২), অইল ইণ্ডিয়া উচ্চ মাধ্যমিক বিদ্যালয় (১৯৬৩) দুলীয়াজান ক্লাব(১৯৬৩), দুলীয়াজান সাহিত্য সভা (১৯৬৪), দুলীয়াজান কলা পৰিষদ (১৯৬৫), দুলীয়াজান কালীবাৰী (১৯৬৫) আদি বিভিন্ন শৈক্ষিক, সাংস্কৃতিক, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান সমূহ গঢ় লৈ উঠিল। এই ক্ষেত্ৰত অইল ইণ্ডিয়াৰ পৃষ্ঠ-পোষকতা নিঃসন্দেহে শলাগিবলগীয়া।

চাকৰিৰ তাগিদাত অহা বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বাবে দুলীয়াজান আজিও সাম্য-মৈত্ৰীৰ অনুপম থলী হৈ আছে। ইয়াত সকলোৱে সমানে সুবিধা ভোগ কৰি নিজ নিজ ধৰ্মৰ সমূহীয়া প্ৰাৰ্থনা গৃহ সাজি লৈছে। ঘাইকৈ পূজা, ঈদ, তিথি, উৎসৱ আদি পালনেৰে দুলীয়াজানবাসীয়ে যি ধৰ্মীয় পৰম্পৰা অটুট ৰাখিছে, সিয়ে এই অঞ্চলৰ ঐক্য আৰু সমন্বয় সাধনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সাধাৰণতে ধৰ্মানুষ্ঠান বিলাক বৌদ্ধিক আচাৰ-অনুষ্ঠানবো প্ৰাণকেন্দ্ৰ তথা ক'লা-সংস্কৃতিবো বাৰ্তাবাহক। এইফালৰ পৰা চাবলৈ গ'লে দুলীয়াজানত স্বধৰ্মৰ উৎকৰ্ষ সাধন কৰিবলৈ গৈ যি সকলে মন্দিৰ, মছজিদ, গীৰ্জা, নামঘৰ, গুৰুদ্বাৰ, বৌদ্ধ মন্দিৰ আদি নিৰ্মাণত নিঃস্বাৰ্থ সেৱা আগবঢ়ালে, তেওঁলোকে বৌদ্ধিক বাতাবৰণ এটি সৃষ্টি কৰাতো পৰোক্ষ অৰিহণা যোগালে। এনে কেইগৰাকীমান ধাৰ্মিক লোকৰ ভিতৰত থাউকতে মনলৈ অহা ৺গোলোক চন্দ্ৰ বৰুৱা, ৺যতীন শইকীয়া, কালীচৰণ দাস, মুক্তানাথ নেওগ, অখিল গগৈ, যোগেশ শইকীয়া, ৰজনী বৰদলৈ, ধৰ্মেশ্বৰ খনিকৰ, নীল গগৈ, হৰগোবিন্দ তালুকদাৰ, বিপিন দত্ত, ৺হবিবুদ্দিন আহমেদ, ৺দেৰাজুদ্দিন আহমেদ, ৺ঈউচুফ আলী, গৌছ আলি, কালীপদ সৰকাৰ, ৺ডাঃ জে, এন, চক্ৰবৰ্ত্তী, ৺প্ৰফুল্ল কুমাৰ সেন, ৺অনিল দাসগুপ্তা, বিধু ভূষণ দাস, শৈবাল দাস, ফণীধৰ শইকীয়া, আব্দুল ৰহিম, ৺ফিৰদোচ আলি, ৺মানিক আলি, আব্দুল কায়ুম, আব্দুৰ ৰহমান খনিকৰ, হেমকান্ত শ্যাম, দেওমণি প্ৰধান, জগন্নাথ যাদৱ, মহম্মদ গজনবী, অতুল চন্দ্ৰ হাতীকাকতি আদিও অন্যতম।

আগতেই উল্লেখ কৰা হৈছে যে যুদ্ধোত্তৰ পিছৰ

পৰা অৰ্থাৎ ১৯৬২-৬৩ চন মানৰ পৰাহে দুলীয়াজানৰ প্ৰকৃতৰূপত বিকাশ হবলৈ ধৰে। এইখিনি সময়তে সাহিত্য কলা, সংস্কৃতি, ক্ৰিয়াৰ যথাৰ্থ উৎকৰ্ষ সাধন হয় বুলিব পাৰি। দুলীয়াজান ক্লাব, দুলীয়াজান কলা পৰিষদ, দুলীয়াজান সাহিত্য সভা, দুলীয়াজান ফ্লিম ছচাইটি আদি সাহিত্য, কলা, সংস্কৃতিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ লৈ উঠাৰ উপৰিও এইসময়তে নাট্য শিল্পইও প্ৰসাৰতা লাভ কৰে। উল্লেখযোগ্য যে অইল ইণ্ডিয়াৰ সেইসময়ৰ সৰহ ভাগ বিষয়া কৰ্ম্মচাৰীয়েই ডিগবৈৰ সাহিত্য-কলা-সংস্কৃতিৰ বিনোদনিক জীৱনৰ সৈতে ওতঃপ্ৰোত সম্পৰ্ক বজাই ৰখা আসাম অইল কোম্পানীৰ প্ৰাক্তন কৰ্ম্মী হোৱা বাবে দুলীয়া-জানতো সেই পৰিবেশ সজীৱ কৰাৰ ক্ষেত্ৰত অকণো অসুবিধাবোধ কৰা নাছিল। বৰঞ্চ এইসকল ব্যক্তিয়ে অভিজ্ঞতাপুষ্ট হোৱাৰ বাবে এনেবিলাক দিশত নিজকে জড়িত কৰিবলৈ পাই উৎসাহবোধ কৰিছিল।

দুলীয়াজানৰ সাংস্কৃতিক ক্ষেত্ৰলৈ প্ৰভুত অৰিহণা যোগোৱা সকলোৰে মৰমৰ দুলীয়াজান ক্লাবটো প্ৰথমাৱস্থাত 'অইল ইণ্ডিয়া এমপ্লয়িজ ক্লাব' ৰূপে কোম্পানীৰ "এ" টাইপৰ এটা সৰু ঘৰত আৰম্ভ কৰা হৈছিল। পিছত ইয়াক বৰ্ত্তমান ক্লাবটো থকা ঠাইলৈ অনা হয়। বাহৰ বেৰেৰে চোৱা ছাং বঙলা সদৃশ কেইটামান ঠেক কোঠালিৰ সমষ্টি এই ক্লাবত প্ৰথমে জালনী প্ৰাইমেৰী স্কুল আৰু পাছলৈ যুদ্ধৰ বাবে হোৱা ভগনীয়া সকলৰ কেম্প তথা 'জৰুৰীকালীন ভৰাল' এটি স্থাপন কৰা হৈছিল। আনহাতে শত্ৰুৰ আক্ৰমণৰ পিছত হ'ব পৰা সম্ভাব্য সমস্যা বিলাকৰ সন্মুখীন হব পৰাকৈ এই যুদ্ধৰ সময়তে ইয়াত এটি PAD ( Passive Air Defence ) কেন্দ্ৰও স্থাপন কৰিছিল।

দুলীয়াজান ক্লাবৰ নতুন বিল্ডিংটো ১৯৬৩ চনত সম্পূৰ্ণ কৰা হয়। এই ক্লাবৰ প্ৰতিষ্ঠাপনত শ্ৰী কে, বি কানুগা, ৺ হবিবুদ্দিন আহমেদ, জে, চি, ভট্টাচাৰ্য্য, ডি বি, তৰফদাৰ, এম, এম, দত্ত, প্ৰসন্ন কুমাৰ হাজৰিকা, ধৰণী শৰ্ম্মা আদিৰ অৱদান শলাগিবলগীয়া। এই ক্লাবত এটা প্ৰেক্ষা-গৃহও নিৰ্ম্মাণ কৰা হয়, য'ত প্ৰথমাৱস্থাত কোম্পানীৰ কৰ্ম্মী সকলৰ মনোৰঞ্জনৰ বাবে চিনেমা দেখুওৱা হৈছিল। এই ক্লাবৰ উত্থানত দুলীয়াজানৰ সাংস্কৃতিক বাতাৱৰণেই সলনি হৈ গ'ল বুলিব পাৰি। ইয়াৰ আগছে স্থানীয়লোকৰ বাবে এই অঞ্চলত বিনোদনৰ কোনো প্লেটফৰ্ম নাছিল। ১৯৬১-৬২ চনত স্থাপন হোৱা 'জালনী ক্লাব'টো কেৱল বিষয়া বৰ্গৰ বাবে নিৰ্ম্মাণ কৰা হৈছিল। সাধাৰণ লোকৰ বাবে দুলীয়াজান ক্লাবৰ মানসিক পৰিপুষ্টিৰ বহু আহিলা আছিল। এই ক্লাবক কেন্দ্ৰ কৰি নাটক, নৃত্যানুষ্ঠান, বিচিত্ৰানুষ্ঠান, সভা-সমিতি আদি আজিলৈকে যথেষ্ট হৈ গৈছে। এই ক্ষেত্ৰত দুলীয়াজান ক্লাবৰ বিষয়ববীয়াসকলৰ অৱদান সঁচাই প্ৰশংসনীয়। সম্পাদকৰ দায়িত্ব লৈ অনুষ্ঠান টিক সুচাৰুৰূপে পৰিচালনা কৰা সকলৰ ভিতৰত জে, চি, ভট্টাচাৰ্য্য, ধৰণী শৰ্ম্মা, দুৰ্গা প্ৰসাদ গগৈ, সুনীল কাকতি, উপেন বৰুৱা, বিকাশ বৰুৱা, নীৰেণ শইকীয়া, হিৰণ্য কুমাৰ দাস, জীতেন বুঢ়াগোঁহাই আদিৰ নাম উল্লেখ কৰিব পাৰি। দুলীয়াজান ক্লাবে সচৰাচৰ অনুষ্ঠিত কৰি অহা বিভিন্ন অনুষ্ঠানৰ ভিতৰত বেজবৰুৱা স্মৃতি দিৱস, ৰবীন্দ্ৰ জয়ন্তী, জ্যোতি দিৱস, স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস আদি উল্লেখনীয়। বৰ্ত্তমান এই ক্লাবৰ উদ্যোগত ৺ তৰুণ হাজৰিকা মেমৰিয়েল একাঙ্কিকা নাট প্ৰতিযোগিতা, ৺ দেৱযানী দত্ত মেমৰিয়েল তৰ্ক প্ৰতিযোগিতা দুখনিও অনুষ্ঠিত হয়। আনহাতে দুলীয়াজান ক্লাবৰ প্ৰেক্ষাগৃহত ৺ পঙ্কজ শৰ্ম্মা মেমৰিয়েল কুইজ প্ৰতিযোগিতা, বিভিন্ন সংগঠনৰ নাট্যাভিনয় নৃত্যানুষ্ঠানো প্ৰণিধান যোগ্য। দুলীয়াজান ক্লাবৰ দ্বাৰা পৰিচালিত গ্ৰন্থাগাৰ, জালনী ক্লাবৰ গ্ৰন্থাগাৰে এই অঞ্চলটোৰ কিতাপ পত্ৰ পঢ়া লোকক বিশেষ ভাৱে উপকৃত কৰিছে। দুলীয়াজান ক্লাবত প্ৰথম অভিনীত হোৱা নাটকখন হ'ল 'শকুনিৰ প্ৰতিশোধ।' ইয়াত অভিনয় কৰা সকলৰ ভিতৰত স্বৰ্গীয় নগেন নাথ, ( অসমৰ একালৰ সুগায়িকা ৺ লাৱণ্য প্ৰভা হাজৰিকাৰ পতি ), উপেন শৰ্ম্মা, সত্য কাকতী, উমা দাসৰ নামটোহে আমি জানিব পাৰিছো। ইয়াৰ পাছত হোৱা উল্লেখযোগ্য নাট্যাভিনয় হ'ল তাজৰ ৰচনা, ছিৰাজ, ফেৰাৰী ফৌজ, মৃত্যুঞ্জয়, এন ইন্সপেক্টৰ কলচ আদি। ইয়াৰ ভিতৰত 'ছিৰাজ'ৰ অভিনয়াংশত অংশ গ্ৰহণ কৰা ৺ নটসূৰ্য ফণী শৰ্ম্মা, 'ফেৰাৰী ফৌজ'ৰ অভিনেতা আব্দুল মজিদ, 'তাজৰ ৰচনা'ৰ অৰুণ দত্ত, মহম্মদ গজনবী, মণি ভট্ট, বসন্ত দুৱৰা, আঙ্গুৰ বৰুৱা, হেমেন দাস, গোপাল সেনৰ নাম উল্লেখনীয়।

তুলীয়াজান ক্লাবৰ পিছত এই অঞ্চলত আন বহু সাংস্কৃতিক, সামাজিক অনুষ্ঠান গঢ় লৈ উঠিল, যিবিলাকৰ বৌদ্ধিক পৰিবেশ গঠনত যথেষ্ট অৱদান আছে। ইবিলাকৰ ভিতৰত তুলীয়াজান কলা পৰিষদ, তুলীয়াজান ক্লিম ছছাইটি, বাণী শিল্পী সমাজ, তুলীয়াজান নাট্য সন্মিলন, সজাগ নাট্য চৰ্চ্চা, তুলীয়াজান সংগীত বিদ্যালয়, মঞ্চদীপ গোষ্ঠী ( ১৯৮৫ চনত স্থাপিত ), মঞ্চদীপ সংগীত মহাবিদ্যালয়, তুলীয়াজান মহিলা সমিতি, দৰদী যুৱক সংঘ, কমলাবাৰী যুৱক সংঘ আদি অন্যতম। ১৯৬৪-৬৫ চন মানৰ পৰা তুলীয়াজানত ৰাজহুৱা ভাৱে বিহু পালনৰ প্ৰক্ৰিয়া চলি আহিছে। বিহু-ৰৰীয়া, সংস্কৃতিপ্ৰেমী লোকৰ হৃদয় আন্দোলিত কৰি অহা এই বিহু সন্মিলন সমূহত ভূপেন হাজৰিকা, জিতু-তপন, খগেন মহন্ত, ৺মঘাই ওজা, দুৰ্গেশ্বৰ বৰঠাকুৰ, ৺জয়ন্ত



হাজৰিকা, ৺ৰুদ্ৰ বৰুৱা, ৰামেশ্বৰ পাঠক, দিলীপ শৰ্মা আদি অসমৰ তথা ভাৰতৰ বিশিষ্ট শিল্পীসকলে সময়ে সময়ে অংশ গ্ৰহণ কৰি ধন্য কৰিছে। বৰ্ত্তমান তুলীয়াজানত কেইবাখনো বিহু সন্মিলন, বিহু মেলা হয় আৰু ই জাতীয় জীৱনৰ এক উল্লেখযোগ্য কলা-সংস্কৃতিৰ সংযোজন ৰূপে স্বীকৃত হৈছে। তুলীয়াজানত কেন্দ্ৰীয় ভাৱে অনুষ্ঠিত হৈ অহা 'বিহু সন্মিলন'ক সন্মান প্ৰদৰ্শন কৰি অইল ইণ্ডিয়া কৰ্তৃপক্ষইও ইয়াৰ ৰাজহুৱা মঞ্চগৃহৰ নাম 'বিহুতলী' ৰাখিছে।

তুলীয়াজানত আজি কিছুবছৰৰ পৰা নিয়মীয়াকৈ হৈ অহা ৰামলীলা, শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা, গুৰুজনাৰ তিথি আদিয়েও সাংস্কৃতিক বাতাবৰণ এটা গঢ়াত সহযোগ দিছে। এই অঞ্চলৰ পৰা অসমৰ সাংস্কৃতিক জীৱনলৈ উল্লেখনীয় অৱদান যোগোৱা সকলৰ ভিতৰত সুগায়িকা স্বৰ্গেয়া লাৱণ্য প্ৰভা নাথ, স্বৰ্গীয় ৰাম বৰঠাকুৰ, সুনীল কাকতি, বসন্ত তুৱৰা, জয়া শইকীয়া (তুৱৰা), লুইত দাস, সুলেখা ডেকা, সংগীতা পাঠক, উষা আগ্নে, নিলাক্ষী ৰৰা আৰু মীনাক্ষী ৰৰা (ওড়িছী নৃত্য শিল্পী) আদিৰ নাম ল'ব পাৰি। ইয়াৰ বাহিৰেও এই অঞ্চলতে থাকি স্বযোগ্যতা প্ৰদৰ্শন কৰা শিল্পী ইন্দিৰা পি, পি, ৰৰা বৰ্তমান গুৱাহাটীৰ বাসিন্দা হৈছে।

১৯৬২ চনৰ ৩১ মাৰ্চত অসমৰ তেতিয়াৰ ৰাজধানী শ্বিলঙত অসম চৰকাৰৰ পৃষ্ঠপোষকতাত জন্ম লাভ কৰা অসম গেচ কোম্পানী লিমিটেডে তৈলক্ষেত্ৰ অঞ্চলত পৰ্যাপ্ত পৰিমাণে উৎপাদন হোৱা প্ৰাকৃতিক গেচৰ সদ্ব্যৱহাৰৰ অৰ্থে প্ৰথম আনুষ্ঠানিক ভাৱে চিন্তা-চৰ্চা কৰে। এই কোম্পানীৰ মুখ্য কাৰ্যালয় ১৯৭২ চনৰ জুলাই মাহত তুলীয়াজানলৈ আহে। ইয়াৰ আগতে ১৯৬৯ চনৰ ৩ ফেব্ৰুৱাৰীত তুলীয়াজানলৈ ইয়াৰ প্ৰকল্প কাৰ্যালয় নামৰূপৰ পৰা স্থানান্তৰিত হৈছিল। বৰ্ত্তমান এই কোম্পানী বহা ঠাইডোখৰ 'জয়া নগৰ' নামেৰে পৰিচিত হৈছে। এই নগৰ তুলীয়াজানৰে বিস্তৃত অংশবিশেষ মাত্ৰ। এই কোম্পানী গঠন হোৱাৰ পাছত অঞ্চলটোলৈ অন্য এক ঔদ্যোগিক বাতাবৰণ নামি আহে। এই কোম্পানীৰ তুলীয়াজানস্থ কাৰ্যালয়ত ১৯৬৯ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে প্ৰথম ক্ষেত্ৰ পৰিচালক হিচাপে যোগদান কৰে আন্তৰ্জাতিক খ্যাতি সম্পন্ন কাৰিকৰীবিদ তথা সু-সাহিত্যিক, সংস্কৃতিপ্ৰেমী ৺দেৱেন্দ্ৰ নাথ আচাৰ্যই। এখেতৰ যোগদানে তথা তুলীয়াজানলৈ আগমনে অঞ্চলটোৰ সাংস্কৃতিক জীৱনক নতুন উদ্দীপনা দিলে। ইয়াৰ পাছৰ পৰিচালন সঞ্চালক শ্ৰীতীৰ্থ ব্ৰত ভূঞা লহকৰ আৰু শ্ৰীবসন্ত তুৱৰাইও কোম্পানীটোৰ

উন্নতিকল্পে যথেষ্টখিনি কাৰ্য কৰিছে। অসম গেচ কোম্পানী এই অঞ্চলত গঠন হোৱাৰ বাবে সাংস্কৃতিক জীৱনৰ যি উৎকৰ্ষ সাধন হ'ল, সেয়া সামগ্ৰিকভাৱে ডুলীয়াজানৰে প্ৰাপ্য। এই অনুষ্ঠানৰে সুগায়ক লুইত দাস, সুশিল্পী বসন্ত ডুৱৰা আদিৰ অৱদানো নুই কৰিব নোৱাৰি।

ডুলীয়াজানৰ সাংগঠনিক দিশত যথেষ্টখিনি অৰিহণা যোগোৱা ডুলীয়াজান যুৱছাত্ৰ পৰিষদ, ডুলীয়াজান যুৱক সংঘ, ডুলীয়াজান ছাত্ৰ সন্থা, দুইটা কোম্পানীৰ শ্ৰমিক সংগঠন সমূহৰ ভূমিকাও প্ৰশংসনীয়। এই সংগঠন সমূহৰ উদ্যোগত ইয়াত বহুতো সভা-সমিতি, ৰাজহুৱা সভা, সাংস্কৃতিক, সামাজিক অনুষ্ঠান হৈ গৈছে। ইয়াৰ জৰিয়তে অঞ্চলটোৰ নেতৃত্ব দিব পৰা যুৱক-যুৱতীৰ সৃষ্টি হোৱাটো অতি সুখৰ কথা। এই আপাহতে উল্লেখ কৰিব পাৰি যে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বাধীন ডুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাই অঞ্চলটোত তেলৰ কাৰণে, ভাষাৰ কাৰণে, বিদেশী বহিষ্কাৰৰ কাৰণে বা অন্য দাবী লৈ হোৱা আন্দোলনৰ সুনেতৃত্ব দি আহিছে। বিদেশী বহিষ্কাৰৰ বাবে হোৱা গণ-আন্দোলনৰ আৰম্ভণিতে শ্বহীদ ৺কুমুদ গগৈ, ৺নগেন ডেকা, ৺নৃপেন বৰা আৰু ৺অজিত নেওগে আত্ম বলিদান দি অঞ্চলটোৰ গণশক্তিৰ মৰ্যদা বঢ়ায়।

১৯৮৫ চনত অসম বিজ্ঞান সমিতিৰ অধীনস্থ ডুলীয়াজান বিজ্ঞান সমিতি গঠন হয়। ইয়াৰ লগে লগে



অঞ্চলটোলৈ সাধাৰণ লোকৰ বাবে প্ৰয়োজন হোৱা বৈজ্ঞানিক চিন্তা-চৰ্চাৰ কিঞ্চিত হ'লেও অৰিহণা আছে। সমিতিৰ তত্বাৱধানতে অঞ্চলটোৰ পৰিবেশ নিকাকৰণ, প্ৰদূষণ নিয়ন্ত্ৰণ, সুস্বাস্থ্য গঢ়ন তথা সাধাৰণ বৈজ্ঞানিক জ্ঞান বিস্তাৰৰ ক্ষেত্ৰত একাধিক সভা-সমিতি আলোচনা হৈ আহিছে। এই সমিতিৰ আহ্বানক্ৰমে 'ভাৰত জন বিজ্ঞান যাত্ৰা' নামৰ স্বেচ্ছামূলক সুন্দৰ অনুষ্ঠান এটাই নিজৰ শিল্পী, কলা-কুশলীৰে ডুলীয়াজানতো জনসাধাৰণৰ উপকাৰত অহা সাধাৰণ বিজ্ঞানৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কাৰ্যক্ৰম দাঙি ধৰে। ডুলীয়াজান বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জড়িত থকা সকলৰ ভিতৰত অইল ইণ্ডিয়াৰ বিশিষ্ট ভূতত্ববিদ ডঃ গৌৰী কান্ত সন্দিকৈ, ডুলীয়াজান মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰবক্তা ডঃ অমৃত গগৈ প্ৰমুখ্যে ব্যক্তিসকলৰ অহোপুৰুষাৰ্থ স্মৰণযোগ্য।

ডুলীয়াজানত হোৱা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানসমূহৰ ভিতৰত অসম সাহিত্য সভাৰ আহ্বানত ডুলীয়াজান সাহিত্য সভাৰ উদ্যোগত হোৱা অসমীয়া বিজ্ঞান সাহিত্যৰ দ্বিতীয় আলোচনা শিবিৰ, ডুলীয়াজান নাট্য সন্মিলনৰ উদ্যোগত হোৱা অসম নাট্য সন্মিলনৰ ৩০ তম বাৰ্ষিক অধিৱেশন, সদৌ অসম শিশু সমাৰোহ, ডুলীয়াজান বিজ্ঞান সমিতিৰ উদ্যোগত হোৱা অসম বিজ্ঞান সমিতিৰ ৩৯ তম বাৰ্ষিক অধিৱেশন, সদৌ অসম শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৬২ তম বাৰ্ষিক অধিৱেশন আদি উল্লেখনীয়। এইবিলাক অনুষ্ঠানৰ বৌদ্ধিক গুৰুত্বও নুই কৰিব নোৱাৰি।

যিসকল বিশিষ্ট ব্যক্তিৰ উপস্থিতিৰে ডুলীয়াজান ধন্য হৈ আহিছে, সেই সকলৰ ভিতৰত ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী স্বৰ্গীয় জৱাহৰলাল নেহেৰু ( উল্লেখযোগ্য যে ডুলীয়াজান ক্লাব, অইল ইণ্ডিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত পদাৰ্পণ কৰা একমাত্ৰ প্ৰধানমন্ত্ৰী নেহেৰুৱে ১৯৬৩ চনৰ মে মাহত ডুলীয়াজানৰ যিখন ৰাজহুৱা ফিল্ডত বক্তৃতা প্ৰদান কৰিছিল, সেই ফিল্ডৰ নাম 'নেহেৰু ফিল্ড' ৰখা হয়), প্ৰথম এভাৰেষ্ট শৃঙ্গ বিজয়ী স্বৰ্গীয় টেনজিং নৰকে চেৰ্পা, আন্তৰ্জাতিক খ্যাতিসম্পন্ন চিত্ৰ পৰিচালক শ্ৰীমৃণাল সেন, ভাৰতীয় চলচিত্ৰ জগতৰ সৰ্বোচ্চ দাদা চাহেব ফালকে বঁটা বিজয়ী ভূপেন হাজৰিকা ( উল্লেখযোগ্য যে ভূপেন হাজৰিকা ডুলীয়াজানলৈ বহুবাৰ আহিছে, কোনো এবাৰ তেখেতক ৰাজহুৱা সম্বৰ্দ্ধনাও জনোৱা হৈছিল), শাস্ত্ৰীয় সংগীতৰ বিশিষ্টা গায়িকা কুকিল কণ্ঠী পাৰবীন চুলতানা, আন্তৰ্জাতিক খ্যাতিসম্পন্ন সৰোদবাদক আমজাদ আলি খান, অসমৰ

কেইবাগৰাকী মুখ্যমন্ত্ৰী আৰু অসম সাহিত্য সভাৰ সভাপতি আদিৰ নামো অন্যতম।



অসমৰ শিক্ষা জগতলৈ তুলীয়াজানৰ অৱদান অতি প্ৰশংসনীয়। এই অঞ্চলৰ পৰা বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্বৰে উত্তীৰ্ণ হৈ অঞ্চলটোৰ সুনাম ৰাখিছে। ১৯৬১-৬২ চনত স্থাপন কৰা জালনী প্ৰাইমেৰী স্কুল এতিয়া চাৰিখন হৈছে আৰু ইয়াৰ যোগেদি অঞ্চলটোৰ বুনিয়াদী শিক্ষাৰ প্ৰসাৰত সহযোগিতা বাঢ়িছে। ১৯৬৩ চনত অইল ইণ্ডিয়া উচ্চ মাধ্যমিক বিদ্যালয় আৰম্ভ হয় অস্থায়ী ভিত্তিত "অইল ইণ্ডিয়া এমপ্লয়িজ ক্লাবত"। এই বিদ্যালয় গঠনে অঞ্চলটোলৈ শিক্ষাৰ নতুন পৰিবেশ এটা কঢ়িয়াই আনে। এই বিদ্যালয় গঠনত শ্ৰী কে, বি, কানুগাৰ নেতৃত্বাধীন তদান্তীন 'জালনী স্কুলচ' এছোচিয়েচনৰ অৰিহণাই বেছি। ইয়াৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল শ্ৰীহৰেকৃষ্ণ দাস। এখেতৰ সুপৰিচালনাতে বিদ্যালয়খন ঠন ধৰি উঠি বৰ্ত্তমানৰ অৱস্থালৈ উন্নীত হৈছে। ইয়াৰ পাছত তুলীয়াজানত আৰু বহু বিদ্যালয় স্থাপন হয়। ইবিলাকৰ ভিতৰত তুলীয়াজান উচ্চ বিদ্যালয়, লালবাহাদুৰ শাস্ত্ৰী হাইস্কুল, নেতাজী বিদ্যালয়, আদৰ্শ বালিকা বিদ্যালয়, কেন্দ্ৰীয় বিদ্যালয়, ছেইন্ট জেভিয়াৰ্ছ স্কুল, টাইনি ট'টছ, বাল্য ভৱন আদিয়েই প্ৰধান। ১৯৬৯ চনত শ্ৰীকে, বি, কানুগা, বীৰেণ চুতীয়া, পূৰ্ণকান্ত হাজৰিকা, গোপী তামুলী প্ৰমুখ্যে কেইগৰাকীমান শিক্ষানুৰাগী, উচ্চশিক্ষিত ব্যক্তিৰ সৎ প্ৰচেষ্টাত তুলীয়াজানত গঢ় লৈ উঠে অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ তুলীয়াজান মহাবিদ্যালয়। অঞ্চলটোৰ শৈক্ষিক পৰিবেশৰ যথেষ্ট উন্নতি সাধন কৰি ৰূপালী জয়ন্তী বৰ্ষত উপনীত হোৱা এই মহাবিদ্যালয়ে আজিলৈকে ভাল ফলেই দেখুৱাই আহিছে। বৰ্ত্তমান এই মহাবিদ্যালয়ৰ অধীনতে কমাৰ্চৰ ডিগ্ৰী পাঠ্যক্ৰমো (কলা আৰু বিজ্ঞানৰ লগতে) আৰম্ভ হৈছে। তুলীয়াজানৰ বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ চাই ১৯৯১-৯২ চনত তুলীয়াজানত মহিলা মহাবিদ্যালয় এখনো শ্ৰীনৃত্যা দত্তৰ তত্বাৱধানত, অইল ইণ্ডিয়াৰ সহযোগত মুকলি কৰি শ্ৰেণী সমূহ চলাই ৰাখিছে।

অসম সাহিত্য সভাৰ পুৰণি, বিশিষ্ট শাখা সাহিত্য সভা সমূহৰ ভিতৰত 'ডিগবৈ সাহিত্য সেৱা সমিতি'ও অন্যতম। এই সমিতিৰে জনচেৰেক প্ৰাক্তন উৎসাহী সভ্য চাকৰিৰ সূত্ৰে তুলীয়াজানলৈ সত্তৰ দশকৰ আগভাগত বদলি হৈ আহে। এওঁলোকৰে তৎপৰতাত ১৯৬৪ চনৰ ৮ জানুৱাৰীত তুলীয়াজানত অসম সাহিত্য সভাৰ এটি শাখা খোলা হয়। এই শাখাৰ সৈতে জড়িত প্ৰথমাৱস্থাৰ সদস্য সকলৰ ভিতৰত ৺বেদনাৰায়ণ শৰ্ম্মা, দ্ৰোণকান্ত কলিতা, ডম্বৰুধৰ মেধি, উমানন্দ বৰুৱা, হৰেকৃষ্ণ দাস, জয়চন্দ্ৰ দাস, লম্বোদৰ গোহাঁই, খগেন্দ্ৰনাথ দাস, ৺মানিক আলি, নৰেন্দ্ৰ নাথ চেতিয়া, ৰজনী বৰদলৈ, প্ৰভাত চন্দ্ৰ বৰুৱা, যদুনাথ কাকতি, আব্দুল মতিন, অখিল চন্দ্ৰ গগৈ, কালিচৰণ দাস, চন্দ্ৰকান্ত গগৈ, অভয়া প্ৰসাদ ভট্টাচাৰ্য, প্ৰসন্ন হাজৰিকা, ৺যতীন্দ্ৰ নাথ শইকীয়া, চন্দ্ৰশেখৰ মিশ্ৰ, ৺যজ্ঞেশ্বৰ ভট্টাচাৰ্য, হৰগোবিন্দ তালুকদাৰ আদিৰ নাম উল্লেখনীয়। শাখাটোৰ প্ৰথম সভাপতি শ্ৰীহৰেকৃষ্ণ দাস আৰু সাধাৰণ সম্পাদক শ্ৰীথানেশ্বৰ দুৱৰা।

তৎকালীন সময়ত সাহিত্যিক, বৌদ্ধিক বাতাবৰণ এটাৰ সৃষ্টি কৰাত তুলীয়াজান সাহিত্য সভাই যি বৰঙনি যোগালে, পাছৰকালত সিয়ে তুলীয়াজানৰ সাহিত্য চৰ্চাৰ পৰিসৰ বৃদ্ধিত মাইলৰ খুটি ৰূপে চিহ্নিত হৈ ৰল। সভাৰ উদ্যোগত তুলীয়াজানত বহুবিলাক অনুষ্ঠান উদ্‌যাপন কৰা হৈছে। ইবিলাকৰ ভিতৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ( ১৯৬৮ ), সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা ( ১৯৭২ ), ভাওনিকোঁৱৰ আনন্দ চন্দ্ৰ আগৰৱালা ( ১৯৭৪ ), সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা ( ১৯৭৪ ), বাগ্মীবৰ ককা নীলমণি ফুকন ( ১৯৮০ ) আৰু জ্ঞানদাভিৰাম বৰুৱাৰ ( ১৯৮০ ) জন্ম শতবাৰ্ষিকী উছৱ ; বুৰঞ্জীবিদ,

সাহিত্যিক বেণুধৰ শৰ্ম্মা ( ১৯৭৯ ), ঐতিহাসিক উপন্যাস প্ৰণেতা দেবেন্দ্ৰ নাথ আচাৰ্য ( ১৯৭৯ ), বিশিষ্ট গায়ক, গীতিকাৰ, চিত্ৰ পৰিচালক, সম্পাদক ডঃ ভূপেন হাজৰিকা,



বিশিষ্ট গায়িকা লাৱণ্য প্ৰভা নাথ, বিশিষ্ট কবি ৰাম গগৈ ( ১৯৮৭ ) ক সম্বৰ্দ্ধনা জনোৱাৰ [illegible]বে কৰা অনুষ্ঠান আদিয়েই প্ৰধান। ইয়াৰ বাহিৰেও তুলীয়াজান সাহিত্য সভাৰ সৌজন্যত হোৱা সাংস্কৃতিক সমাৰোহ আৰু 'অসম সাহিত্য সভাই কেনেধৰণে কাম-কাজ কৰা উচিত' শীৰ্ষক আলোচনা চক্ৰখনি উচ্চমানৰ হৈছিল। আলোচনা চক্ৰ আৰু সমাৰোহলৈ বুলি চৈয়দ আব্দুল মালিক, নৱকান্ত বৰুৱা, ডঃ মহেন্দ্ৰ বৰা, লক্ষ্যধৰ চৌধুৰী, বীৰেন বৰকটকী, অম্বেশ্বৰ চেতিয়া ফুকন, অৰুণ গোস্বামী, অজিত শৰ্ম্মা, প্ৰফুল্ল ভট্টাচাৰ্য, অনিল বৰুৱা, ৰাম গগৈ আদি অসমৰ জনপ্ৰিয় সাহিত্যিক, বুদ্ধিজীৱিৰ আগমন হৈছিল। আনহাতে সভাৰ আহ্বানক্ৰমে হোৱা অসম সাহিত্য সভাৰ 'অসমীয়া বিজ্ঞান সাহিত্যৰ আলোচনা শিবিৰ' আৰু ডিব্ৰুগড় জিলা সাহিত্য সভাৰ 'লেখক শিবিৰ' দুটা উল্লেখযোগ্য অনুষ্ঠান। তুলীয়াজান সাহিত্য সভাৰ লেখনী পাঠৰ অনুষ্ঠান 'জোনালী চৰা'ই ইতিমধ্যে জনপ্ৰিয়তা লাভ কৰিছে আৰু বৌদ্ধিক চৰ্চাৰ দিশত এক সফলকাম ৰূপে চিহ্নিত হৈছে। বৰ্ত্তমান সভাৰ সদস্য সংখ্যা বহুত বাঢ়িছে। টিপলিং, মহমাৰি, কঠাল গুৰি, তুলীয়া গাওঁ, কছাৰী পথাৰ, হুকুতা গাওঁ, মাজ গাওঁ আদি, কাষৰীয়া অঞ্চলৰ জনসাধাৰণো এই সভাৰ সদস্যভুক্ত হৈ তুলীয়াজান সাহিত্য সভাৰে যশস্যা বৃদ্ধি কৰিছে। ই শুভ লক্ষণ।

তুলীয়াজানৰ পৰা প্ৰকাশ পোৱা আলোচনী সমূহৰ ভিতৰত তুলীয়াজান কলা পৰিষদৰ মুখপত্ৰ 'নাহৰণি'য়েই প্ৰথম। মাহেকীয়া বেতনভোগী শ্ৰমিকৰ সাধাৰণ সমস্যা জৰ্জৰিত জীৱনবোধেই এই আলোচনীৰ লেখাসমূহৰ উৎস। ইয়াৰ লগে লগে উদয়ীমান লিখক তৰুণ ৰাজখোৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'শিখা' আৰু 'পোহৰ' আলোচনীয়েও এই অঞ্চলটোৰ 'বৌশন' বঢ়াইছিল। আনহাতে ডিগবৈৰ পৰা প্ৰকাশ হোৱা 'ডিগবৈ বাতৰি'ৰ আৰ্হিত ১৯৬৪ চনৰ পৰা তুলীয়াজানতো অইল ইণ্ডিয়াৰ গৃহ পত্ৰিকা 'অইল নিউজ' প্ৰকাশ হ'বলৈ ধৰে। ১৯৬৫ চনত প্ৰকাশ পায় অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম বাৰ্ষিক মুখপত্ৰ 'মঞ্জৰী'। আলোচনীখন যথেষ্ট মৰ্যদাসম্পন্ন। ইংৰাজী, অসমীয়া, হিন্দী আৰু বেঙ্গলী ভাষাত উলিওৱা এই আলোচনীখনৰ কেইগৰাকীমান প্ৰাক্তন এই সম্পাদক হ'ল— ৰঞ্জিত কুমাৰ বৰুৱা, ৰবেন্দ্ৰ কুমাৰ দাস, চৰিফুল ইছলাম, অজিত কুমাৰ দত্ত, আহমদ হুচেইন মজুমদাৰ, মনোজ দত্ত, আদি। এই সকলোবিলাক আলোচনীৰ যোগেদি বহুতো ন-লিখক লিখিকাই অসমীয়া সাহিত্যৰ বাটচ'ৰালৈ ওলাই আহিবলৈ সুবিধা লাভ কৰে। বৰ্তমান এই লিখক-লিখিকা সকলৰ ভিতৰৰে কেইবাজনেও প্ৰতিষ্ঠিত লিখক হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰতে থাউকতে মনলৈ অহা কেইগৰাকীমান লেখকৰ ভিতৰত যতীন গগৈ (গৰিমা গগৈ), ৰবেন্দ্ৰ দাস, ৰুদ্ৰেশ্বৰ দাস অন্যতম।

কোম্পানীৰ মাহেকীয়া গৃহ পত্ৰিকা 'অইল নিউজ' প্ৰথমে ইংৰাজীতে প্ৰকাশ পাইছিল। আশীদশকৰ শেষৰ পৰাহে ইয়াত প্ৰথমে অসমীয়া, পাছত হিন্দী সংযোজন কৰা হ'ল। এই পত্ৰিকাখনিৰ প্ৰথম সম্পাদক আছিল শ্ৰীঅজিত চন্দ্ৰ শৰ্ম্মা। পিছে আৰম্ভনিৰে পৰা একেলেঠাৰিয়ে লাগি থকা আৰু সৰহ সময় সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰা শ্ৰীডম্বৰুধৰ মেধিৰহে পত্ৰিকাখনিলৈ বৰঙণি প্ৰণিধানযোগ্য। তেখেতৰ অনুপ্ৰেৰণাতে তুলীয়াজানৰ বহু কেইগৰাকী লিখক লিখিকাই সাহিত্য চৰ্চাত ব্ৰতী হোৱাৰ উৎসাহ পালে। বৰ্তমান 'অইল নিউজ'ৰ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ চলাই থকা শ্ৰীজগত চন্দ্ৰ বৰদলৈয়ে অইল নিউজখন আৰু অধিক সুন্দৰকৈ প্ৰকাশ কৰিবলৈ অহোপুৰুষাৰ্থ নকৰা নহয়। এইক্ষেত্ৰত অইল ইণ্ডিয়াৰ গ্ৰুপ জেনেৰেল মেনেজাৰ শ্ৰীনলিনী চৰণ বৈশ্যৰ দিহা-পৰামৰ্শও শলাগিবলগীয়া। 'অইল নিউজ'ত প্ৰকাশ পোৱা ইংৰাজী, অসমীয়া, হিন্দী

ভাষাৰ লেখনী সমূহৰ সাহিত্যিক মূল্যও নোহোৱা নহয়। এই গৃহ-পত্ৰিকাৰ পাতত ভুমুকি মৰা কেইগৰাকীমান থাউকতে মনলৈ অহা লেখক-লেখিকাৰ নাম উল্লেখ কৰিলো। তেওঁলোক হ'ল ৺দেবেন্দ্ৰ নাথ আচাৰ্য, ৺তৰুণ হাজৰিকা, ৺লাবণ্য প্ৰভা নাথ, এ, বি, দাসগুপ্তা, কে, বি, কানুগা, ডঃ বিশ্বনাথ, অজিত কুমাৰ শৰ্ম্মা, ডঃ প্ৰণব ভৰালী, নলিনী চৰণ বৈশ্য, যুতীন্দ্ৰ নাথ ফুকন, নৰেন্দ্ৰ নাথ চেতিয়া, কল্যাণব্ৰত আদিত্য, সুব্ৰত তৰফদাৰ, ফণীন্দ্ৰ কুমাৰ দেৱ-চৌধুৰী, হেমেন দাস, ডাঃ ধ্ৰুৱজ্যোতি দাস, চৰিফুল ইছলাম, নৃপেন ভৰালী, গোপী তামুলী, জীৱ গগৈ, নীলকান্ত শইকীয়া, ৰাজীৱলোচন মহন্ত, বীণা পুৰকায়স্থ আদি।

১৯৮১-৮২ চনৰ পৰা প্ৰকাশ পোৱা অসম গেচ কোম্পানীৰ গৃহ-পত্ৰিকা 'ইন্ধন' অসমীয়া আৰু ইংৰাজীত উলিওৱা হয়। এই আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত শ্ৰীতীৰ্থব্ৰত ভূঞা লহকৰ, লুইত দাস প্ৰমুখ্যে কেইবাজনো ব্যক্তিৰ অহোপুৰুষাৰ্থ স্মৰণযোগ্য। গেচ কোম্পানীৰ কৰ্মী সকলৰ মাজত সাহিত্য, কলা, সংস্কৃতিৰ চৰ্চা ক্ষীণকৈ হ'লেও বহমান হৈ আছে। এই ক্ষেত্ৰত প্ৰাক্তন পৰিচালন সঞ্চালকদ্বয় ৺দেবেন্দ্ৰ নাথ আচাৰ্য, তীৰ্থব্ৰত ভূঞা লহকৰ তথা বৰ্তমানৰ পৰিচালন সঞ্চালক বসন্ত তুৱৰাৰ ভূমিকা নুই কৰিব নোৱাৰি। ৺দেবেন্দ্ৰ নাথ আচাৰ্যৰ সোঁৱৰণত অনুষ্ঠিত হোৱা সদৌ অসম একাঙ্কিকা নাট প্ৰতিযোগিতাৰ বাৰ্ষিক মুখপত্ৰখনিও গেচ কৰ্মীৰ সাহিত্যৰ চৰ্চাৰ উৎস স্বৰূপ। 'ইন্ধন' আৰু 'মুখপত্ৰ' খনিৰ লিখক-লেখিকা সকলৰ ভিতৰত তীৰ্থব্ৰত ভুঞা লকৰ, প্ৰবোধ কুমাৰ বৰুৱা, তফিক দলা ৰফিক, লুইত দাস, কিশোৰ শইকীয়া, ঘন বৰা, ধ্বজেন্দু হাজৰিকা, অতুল্য হাজৰিকা, গোপী তামুলী, মাধৱ শইকীয়া, বসন্ত তুৱৰা, চৈতন্য কুমাৰ বৰুৱা, দেৱজিৎ শৰ্ম্মা কাকতি, ত্ৰম্বক শইকীয়া, ৰূপালী শৰ্ম্মা, পৰাগ সুলভ বৰুৱা, চৰিফুল ইছলাম, ৰাম গোস্বামী, লীলা বৰা আদিৰ নাম উল্লেখ কৰিব পাৰি।

দুলীয়াজানৰ পৰা এসময়ত প্ৰকাশ পোৱা আলোচনী সমূহৰ ভিতৰত তিনিমহীয়া আলোচনী 'ন-জোন' (সম্পাদক— জীতেন বৰদলৈ), 'খেলৰ বাতৰি' ( সম্পাদক-উমেশ গগৈ), 'প্ৰগলভ,' মিনি আলোচনী 'ৰুচি' (সম্পাদক : চৰিফুল ইছলাম), ঝুনকিৰি, ( নেপালী ভাষাৰ আলোচনী), Mini Mag (Editor : Hom Bahadur chetry) আদি উল্লেখনীয়।

দুলীয়াজানত বিভিন্ন সময়ত বিভিন্ন স্মৃতিগ্ৰন্থ প্ৰকাশ পাই আহিছে। এইবিলাকৰ ভিতৰত দুলীয়াজানত অনুষ্ঠিত হৈ অহা বিভিন্ন বিহু সন্মিলনৰ স্মৃতিগ্ৰন্থ সমূহ, ( যেনে, বিহুতলী, বৰদৈচিলা, বিৰিণা, সমন্বয় আদি ), সদৌ অসম ৺পঙ্কজ শৰ্ম্মা সোঁৱৰণী কুইজ প্ৰতিযোগিতাৰ বাৰ্ষিক মুখপত্ৰ, সদৌ অসম ৺ তৰুণ হাজৰিকা সোঁৱৰণী একাঙ্ক নাট প্ৰতিযোগিতাৰ মুখপত্ৰ, দুলীয়াজান সাহিত্য সভাৰ বছেৰেকীয়া মুখপত্ৰ 'উৰ্বীজা', সদৌ অসম ৺ দেৱযানী দত্ত সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাৰ বাৰ্ষিক মুখপত্ৰ 'অহল্যা', দুলীয়াজান ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ, দুলীয়াজান কালীবাৰীৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ, দুলীয়াজান বিজ্ঞান সমিতিৰ বাৰ্ষিক মুখপত্ৰ 'বিজ্ঞান বৰ্ণালী', অসম নাট্য সন্মিলনৰ ত্ৰিংশতম দুলীয়াজান অধিবেশনৰ ( ১৯৯০ ) স্মৃতিগ্ৰন্থ 'ৰঙ্গ-মঞ্চ', জয়মতী উছবৰ স্মৃতিগ্ৰন্থ, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাৰ পঞ্চদশ দুলীয়াজান অধিবেশনৰ স্মৃতিগ্ৰন্থ, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ নৱম বাৰ্ষিক দুলীয়াজান অধিবেশনৰ স্মৃতিগ্ৰন্থ, ডিব্ৰুগড় জিলা দবাখেল চেম্পিয়নশ্বিপৰ স্মৃতিগ্ৰন্থ, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰসন্থাৰ উদ্যোগত হোৱা শিশু সমাৰোহৰ স্মৃতিগ্ৰন্থ 'ৰামধেনু', সদৌ অসম মইনা পাৰিজাতৰ দুলীয়াজনন্ত হোৱা চতুৰ্থ বাৰ্ষিক শিশু সমাৰোহৰ ( ১৯৮৯ ) স্মৃতিগ্ৰন্থ 'সূৰুযমুখী', দুলীয়াজান আঞ্চলিক নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ বাৰ্ষিক অধিবেশনৰ মুখপত্ৰ 'ন-সতীৰ্থ', দুলীয়াজান ৰাসলীলা সমিতিৰ বছেৰেকীয়া মুখপত্ৰ, দুলীয়া-জান নামঘৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ, মঞ্চদীপ গোষ্ঠীৰ বাৰ্ষিক সমাৰোহৰ স্মৃতিগ্ৰন্থ 'মঞ্চদীপ' আদি উল্লেখ-যোগ্য প্ৰকাশন।

দুলীয়াজান কমলাবাৰী ৰোডত থকা ত্ৰিশূল প্ৰেছৰ পূৰ্ণ সহযোগত সেই প্ৰেছৰ পৰাই মঃ চৰিফুল ইছলামৰ সম্পাদনাত প্ৰকাশ পোৱা অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাৰ ত্ৰিভাষী আলোচনী 'ত্ৰিশূল বাৰ্তা'ই সদৌ অসমতে এক সুকীয়া মৰ্যদা লাভ কৰাৰ সময়তে ১৯৯২ চনত বন্ধ হৈ যায়। উল্লেখযোগ্য যে বিনামূলীয়াকৈ বিতৰিত এই আলোচনীয়েই আছিল উত্তৰ পূৰ্বাঞ্চলৰ

এনেধৰণৰ একমাত্র প্রকাশন । অসমৰ স্বনামধন্য সাহিত্যিক, নাট্যকাৰ, অভিনেতা শ্রীলক্ষ্যধৰ চৌধুৰীয়ে স্থানান্তৰত এই আলোচনীৰ ওপৰত সুদীৰ্ঘ আলোচনা কৰিছে । উচ্চ প্রশংসা লাভ কৰা ইয়াৰ কেইগৰাকীমান লেখক-লেখিকাৰ ভিতৰত শ্রীলক্ষ্যধৰ চৌধুৰী, হেমেন দাস, মুকুন্দ মাধৱ শৰ্ম্মা, মদন শৰ্ম্মা, নলিনী চৰণ বৈশ্য, নৃপেন ভৰালী, বিমল খনিকৰ, ৰাবিয়া খাতুন, ফণীন্দ্র কুমাৰ দেৱচৌধুৰী, সমীৰ তাঁতী, অনুৰাধা দাস ডাঃ বিমল কুমাৰ শৰ্ম্মা, ডাঃ ধ্রুৱজ্যোতি দাস, বীণা পুৰকায়স্থ, ৺ লাবণ্য প্রভা নাথ, দীপ্তি দত্ত, মঞ্জুলা শইকীয়া আদি অন্যতম ।

দুলীয়াজানৰ পৰা নিয়মীয়াকৈ প্রকাশিত হোৱা সাপ্তাহিক বাতৰি কাকত 'দেশৰ প্রগতি'য়ে এই অঞ্চলৰ ৰাইজৰ অভাৱ অভিযোগ তথা অন্যান্য বা-বাতৰিৰ বিষয়ে প্রকাশ কৰি আহিছে । শ্রীপ্রদীপ কুমাৰ দত্তৰ সুসম্পাদনাত ওলোৱা এই কাকতখনৰ যোগেদি বহুতো ন লিখক-লেখিকাই আত্মপ্রকাশ কৰিছে । এই কাকতখনৰ কেইগৰাকীমান নিয়মীয়া লেখক হ'ল নবীন গোঁহাই, ভূপেন শইকীয়া, গোপী তামুলী, ফণীন্দ্র কুমাৰ দেৱ চৌধুৰী, মৃত্যুঞ্জয় দাস, চৰিফুল ইছলাম, অজিৎ শইকীয়া আদি ।

দুলীয়াজানৰ পৰা প্রকাশিত পুথিৰ ভিতৰত ১৯৬৮ চনত 'ছদ্ম বৰুৱা' নামেৰে লিখা জগত বৰুৱাৰ 'তেলনগৰীৰ কাব্য' নামৰ ব্যঙ্গ কবিতা পুথিখনেই প্রথম প্রকাশিত পুথি । 'এফালেদি ধন-দৌলতৰ কাঞ্চনজঙ্ঘা আৰু আনফালে মুমূৰ্ষ পৰিয়াল কিছুমানৰ বাচি থকাৰ বাবে কৰা আপ্রাণ চেষ্টা'ৰ তাগিদাতে ৰচিত হোৱা তেলনগৰীৰ কাব্যৰ ভাব-ভাষা সৰু হ'লেও গুৰুত্বপূৰ্ণ । ১৯৬৯ চনত নিজৰ ছোৱালীৰ বিয়া উপলক্ষে প্রকাশ কৰা যোগ্য প্রভা গগৈৰ 'পতি নাৰায়ণ ব্রত'ত মহাৰাজ বিশ্বামিত্রৰ সতী-সাধ্বী পত্নী সুনেত্রাৰ পতিৰ মঙ্গলৰ উদ্দেশ্যে পালন কৰা 'ব্রত'ৰ সহজ-সৰল, সাৱলীল বৰ্ণনা আছে । সাহিত্য সৃষ্টিক জীৱনৰ ব্রত কৰি লোৱা ৺যজ্ঞেশ্বৰ ভট্টাচাৰ্যৰ 'ইও এক উপন্যাস' এখনি আদৰ্শমূলক পুথি । নিজৰ গাঁঠিৰ ধন ভাঙি ছপা কৰা এই পুথিখনিত কিছুমান বাস্তৱ চৰিত্রৰ যোগেদি লিখকে ধনী-দুখীয়াৰ মাজৰ প্রভেদ আঁতৰ কৰি এখন আদৰ্শ সমাজ গঠনৰ পোষকতা কৰিছে । ৺ভট্টৰ আন বহু নাটক, কবিতাৰ পুথি অপ্রকাশিত অৱস্থাত আছে ।

শিশু সাহিত্যিক ৰূপে বৰ্তমানে স্বীকৃতি লাভ কৰা শ্রীযুতীন্দ্র নাথ ফুকনৰ (প্রাক্তন অধ্যক্ষ, অইল ইণ্ডিয়া উচ্চ মাঃ বিদ্যালয়) ইতিমধ্যে পোন্ধৰ খন পুথি প্রকাশ পাইছে । ইয়াৰে 'আমাৰ জ্যোতিপ্রসাদ' পুথিখন বাবে লিখকে অসম সাহিত্য সভাৰ শ্রেষ্ঠ শিশু সাহিত্যিকৰ বঁটা লাভ কৰিছে । তেখেতৰ 'মহাবীৰ লাচিত' নামৰ পুথিখনি অসম সাহিত্য সভাই প্রকাশ কৰিছে । লিখকৰ আন আন পুথিসমূহ হ'ল, আমাৰ লক্ষ্মীনাথ, আমাৰ বিষ্ণুৰাভা, আমাৰ ৰঘূককা, আমাৰ পদ্মনাথ, শুনা সাধু পুৰাণৰ, শুনা সাধু কীৰ্ত্তনৰ, শুনা সাধু পঞ্চতন্ত্রৰ, বনপৰ্বৰ সাধু, মহাকাব্যৰ সাধু, দিছে পাৰৰ বং (শিশু উপন্যাস), সাধু সন্তই কয়, আমাৰ ৰবীন্দ্রনাথ আৰু একমাত্র কবিতা পুথি 'অঞ্জলি' । তেখেতৰ এলানি জীৱনী, সৰু বৰ কাহিনী বিভিন্ন আলোচনী কাকতত সিঁচৰতি হৈ আছে । বৰ্তমান শ্রীফুকন তিনিচুকীয়াৰ বাসিন্দা ।



দুলীয়াজানৰ এগৰাকী নীৰৱ সাহিত্যিক, সংস্কৃতিৰ পূজাৰী নাট্যকাৰ ৺তৰুণ হাজৰিকাৰ অৱদানৰ কথা দুলীয়াজান বাসীয়ে সদায় মনত ৰাখিব । অকালতে মৃত্যুক সাৱটি লোৱা হাজৰিকাদেৱৰ 'প্রগতি'ৰ পাতত ধাৰাবাহিক

ৰূপে প্ৰকাশ পোৱা 'আমাৰ অঞ্চলটোৰ কলা-সাংস্কৃতি আৰু তাৰ ক্ৰমবিকাশ' নামৰ সুদীৰ্ঘ নিবন্ধটি ডুলীয়াজান আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ কলা-সংস্কৃতিৰ ওপৰত লিখা একমাত্ৰ তথ্যভিত্তিক ৰচনা। ১৯৭১ চনত জগত বৰুৱাৰ সহযোগত প্ৰকাশ পোৱা 'নীতিচণ্ড' হাজৰিকাদেৱৰ একমাত্ৰ প্ৰকাশিত পুথি। তেখেতে আকাশবাণী গুৱাহাটী, ডিব্ৰুগড় যোগে প্ৰচাৰিত, অসংখ্য মঞ্চত উপস্থাপিত বহুতো একাঙ্কিকা ৰচনা কৰি গৈছে। ভাওনাৰ বাবেও তেখেতে সাতখন নাট ৰচি থৈ গৈছে। গীতি নৃত্য নাটিকা সাতখন, কবিতা বিশটা আৰু যোল্লটা প্ৰতিকৃতি তেওঁৰ কাপ আৰু অঙ্কনত ওলাইছে। হাজৰিকাদেৱৰ 'সোণ বিৰিঙা বৰিয়নি' নাট-খনিয়ে ১৯৭৪ চনত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে আয়োজন কৰা নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতাত বঁটা লাভ কৰে। তেখেতৰ সোঁৱৰণীত ডুলীয়াজান ক্লাবে ১৯৮৭ চনৰ পৰা এখন একাঙ্ক নাট প্ৰতিযোগিতাও পাতিবলৈ লৈছে।

ডুলীয়াজানৰ এগৰাকী সুপ্ৰতিষ্ঠিত, প্ৰতিভাবান লেখক হ'ল শ্ৰীফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী। এখেতৰ লেখাই ইতিমধ্যে অসমীয়া সাহিত্য জগতত খলক লগাইছে। একে ধাৰে গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, নাট্যকাৰ, সুসমা-লোচক চৌধুৰী অইল ইণ্ডিয়াৰ গুৰুত্বপূৰ্ণ পদবীত থকা সুঅভিযন্তা। তেখেতৰ প্ৰকাশিত গ্ৰন্থ সমূহ হ'ল অনুৰাধাৰ দেশ, (ইতিমধ্যে হয় মুদ্ৰণ হৈও সমাপ্তিপ্ৰায় হোৱা, উৰিয়া ভাষালৈ অনুদিত হোৱা, ৰেডিঅ' যোগে প্ৰচাৰিত হোৱা অসমৰ জনপ্ৰিয় উপন্যাস সমূহৰ অন্যতম) সত্যানুসন্ধান (পাঁচখন সৰু সৰু উপন্যাসিকাৰ সংকলন), ইদিপাস-ইদিপাস (ডুলীয়াজানৰ এটি নৃশংস হত্যাকাণ্ডৰ পটভূমিত ৰচিত উপন্যাস) আৰু গল্প লিখাৰ গল্প (একমাত্ৰ গল্প সংকলন)। দেৱচৌধুৰী ইতিমধ্যে বুধবাৰ, সাদিন, অসম বাণী সুত্ৰধাৰ, প্ৰান্তিক আদিত প্ৰকাশ পোৱা বহু প্ৰবন্ধ, তথা লেখা সুধীজনৰ সমৃদ্ধ হৈছে।

নবৈৰ দশকত আত্ম প্ৰকাশ কৰা ডুলীয়াজানৰ আন এগৰাকী প্ৰতিভাবান লেখক হ'ল শ্ৰীধীৰেন্দ্ৰ কুমাৰ বৰুৱা। অইল ইণ্ডিয়াৰ নিৰাপত্তাৰক্ষী বিভাগৰ জ্যেষ্ঠ বিষয়া বৰুৱাৰ ইতিমধ্যে প্ৰকাশ পোৱা সুবৃহৎ উপন্যাস 'সোণৰ খাৰু নেলাগে মোক' এ অসমীয়া পাঠকবৰ্গৰ জনপ্ৰিয়তা লাভ কৰিছে। উপন্যাসখনৰ পটভূমি দুখ-দাৰিদ্ৰৰে জৰ্জৰিত এখন শ্ৰমমুখী গাওঁ। ইয়াত লেখকৰ বৰ্ণনা-মাধুৰ্যই সকলোকে মোহিত কৰিছে।

ডুলীয়াজানৰ আন এগৰাকী নীৰৱ সাহিত্যিক হ'ল শ্ৰীবিনোদ কুমাৰ খনিকৰ। অতি অধ্যয়নশীল আৰু ধৰ্মা-নুৰাগী এই গৰাকী লিখকে অসমীয়া ৰূপক কাব্য 'পুণ্যব্ৰত গন্ধৰ্বৰ সংবাদ' (প্ৰথম খণ্ড) 'স্বাধীনতাৰ প্ৰথম প্ৰহৰত', বেণুধৰ শৰ্মাক, আদৰণি জনাই যুটীয়াভাৱে সম্পাদনা কৰি উলিওৱা 'আদৰণি' আদি পুথি লিখি প্ৰকাশ কৰিছে। তেখেতৰ পুণ্যব্ৰত গন্ধৰ্বৰ সংবাদ' (দ্বিতীয় খণ্ড) আৰু 'স্থল পদ্ম'নামৰ চাৰিঙৰ পটভূমিত ৰচিত সৰু উপন্যাস এখন প্ৰকাশৰ পথত।



ডুলীয়াজানৰ এগৰাকী বিশিষ্ট সাহিত্যিক হ'ল স্বৰ্গীয় দেবেন্দ্ৰ নাথ আচাৰ্য। অসমীয়া সাহিত্যিলৈ তেখেতৰ বাৰে-বৰণীয়া অৱদানৰ ভিতৰত 'অন্য যুগ অন্য পুৰুষ' (সম্পূৰ্ণ গ্ৰাম্য জীৱনৰ ভিত্তিত লিখা সামাজিক উপন্যাস), কালপুৰুষ (অসম প্ৰকাশন পৰিষদৰ পৰা যুটীয়াভাৱে বঁটা প্ৰাপ্ত ঐতিহাসিক উপন্যাস), জঙ্গম (দ্বিতীয় মহাসমৰত ভগনীয়া হৈ পলাই অহা ব্ৰহ্মদেশীয় ভাৰতীয় সকলৰ পটভূমিত ৰচিত উপন্যাস), ৰামধেনু-কাৰধেনু (অসম সাহিত্য সভাৰ 'প্ৰেমধৰ দত্ত সোঁৱৰণী' শিশু সাহিত্যৰ বঁটা প্ৰাপ্ত শিশু পুথি), হাতি-পটি চিকিমিকি (শিশু সাহিত্য) আদি উল্লেখনীয়। ইয়াৰ বাহিৰেও তেখেতৰ

কেবাটাও সুন্দৰ প্ৰবন্ধ, গল্প, কবিতা বিভিন্ন আলোচনীত প্ৰকাশ পাইছে।

অইল ইণ্ডিয়া, ডুলীয়াজানৰ বিশিষ্ট ভূবিজ্ঞানী ডঃ গৌৰীকান্ত সন্দিকৈৰ 'নানা দেশৰ সাধু' আৰু 'ৰাচিয়াৰ সাধু', দুখন পঠনযোগ্য শিশু সাহিত্যৰ পুথি। অন্যান্য সকলৰ ভিতৰত ৰহস্য গল্প, কাহিনী তথা লিমাৰিক লিখি জনপ্ৰিয়তা অৰ্জন কৰা গোপী তামুলীয়ে গ্ৰন্থাকাৰে নিজৰ লেখাসমূহ প্ৰকাশৰ প্ৰচেষ্টা চলাই আছে। এগৰাকী নিৰব সাহিত্য সাধক, অক্লান্ত কৰ্মী শ্ৰীগুণকান্ত চুতীয়াই সৰু সৰুকৈ হ'লেও কেইবাখনো কিতাপ লিখি প্ৰকাশ কৰিছে। ইবিলাকৰ ভিতৰত 'চুটিয়া বুৰঞ্জীৰ অত তত' বিষ্ণুৰাভা আদি উল্লেখনীয়। ইতিমধ্যে বিভিন্ন আলোচনী, কাকতত নিজৰ গল্প কবিতা, প্ৰবন্ধ লিখি জনপ্ৰিয়তা লাভ কৰা সকলৰ ভিতৰত শ্ৰীহিতেশ বৰদলৈ, নবনীতা গগৈ, অনুৰাধা দাস, ৰণদীপ গোস্বামী, চৰিফুল ইছলাম, নৰেন্দ্ৰ নাথ চেতিয়া আদিৰ নাম উল্লেখ কৰিব পাৰি।

ডুলীয়াজানৰ পৰা কেইবাগৰাকী কবিয়ে কবিতা-পুথি লিখি প্ৰকাশ কৰিছে। এওঁলোকৰ ভিতৰত মনলৈ অহা কেইটামান নাম হ'ল স্বৰ্গীয়া লাৱণ্য প্ৰভা নাথৰ গীতৰ পুথি 'গীতিধাৰা', সুনন্দা চক্ৰবৰ্তীৰ 'নাম নেই, প্ৰযত্ন সময়' (বেঙ্গলীত), সুব্ৰত তৰফদাৰৰ ফ্লাসলাইট (বেঙ্গলীত), কমল চন্দ্ৰ শৰ্মা বৰদলৈৰ 'পাল তৰা নাও', লুইত দাসৰ গীতৰ সংকলন 'বনগীত সুৰীয়া সুৰ', কান্তেশ্বৰ পাঠকৰ 'মিলন সুৰৰ কঁপনি', দেৱৰাজ চক্ৰবৰ্তীৰ 'কল্পনাৰ এপাহি কুসুম', নীলকান্ত শইকীয়াৰ 'সোণালী শইচৰ ছেই' (সদৌ অসম কবি সন্মিলনৰ কবিতা পুথিৰ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত), এমিল খনিকৰৰ কবিতা পুথি। উল্লেখযোগ্য যে ডুলীয়াজান সাহিত্য সভাই প্ৰকাশ কৰা মঃ চৰিফুল ইছলামৰ মুখ্য সম্পাদনাত উলিওৱা 'উৰ্বীজা কবিতা সংকলন' অসমৰ বিশিষ্ট, জনপ্ৰিয়, নতুন কবিসকলৰ এক উত্তম সংকলন।

ইয়াৰ বাহিৰেও বৰ্ত্তমানে বিভিন্ন বাতৰি কাকত, আলোচনীত নিজৰ ৰচনাদি প্ৰকাশ কৰি ডুলীয়াজান অঞ্চলৰ কেইবাজনো লিখকে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত বিমল ৰাজখোৱা, দিপ্তী দত্ত, জগত শৰ্মা, ডাঃ ধ্ৰুবজ্যোতি দাস, জীৱ গগৈ, বীণা পুৰকায়স্থ, বিপদ ভঞ্জন সৰকাৰ, ইন্দ্ৰজ্যোতি ফুকন, ডম্বৰু শইকীয়া, মীৰা বৰা (শৰ্মা), দিলীপ কুমাৰ বৰা, ৰেখা শইকীয়া, কল্পনা বৰুৱা, বীৰেণ চুতীয়া, ব্ৰজেন নিৰ্মলীয়া, ৰাজীৱলোচন মহন্ত, অজিত কুমাৰ দত্ত, সত্যকাম বৰঠাকুৰ, মনোজ দত্ত, ৰাহিদা বেগম, প্ৰশান্ত বৰকাকতী, দ্বিজেন খাউণ্ড, গায়ত্ৰী গগৈ, ৰাবিয়া খাতুন, কুকিল দত্ত, কুশল গগৈ, সুধীৰ শৰ্মা, কৃষ্ণজ্যোতি বৰুৱা, নাৰদ প্ৰসাদ উপাধ্যায়, নাৰায়ণ শৰ্মা, পৰজ বকুল বৰুৱা, নৃত্যা দত্ত, মিনা শৰ্মা, গকুল গগৈ, আদিত্য গোস্বামী, ধৰ্মেশ্বৰ বৰা, উজ্জ্বল শৰ্মা, আইচেনা বুঢ়াগোহাঁই, ধীৰেণ কুমাৰ বৰা, কৰুণ জ্যোতি শইকীয়া, দুলাল শৰ্মা, যজ্ঞোৰাম গগৈ, লখিমী ফুকন, ক্ষীৰোদ চেতীয়া, নৱ ভূঞা, অঞ্জন কুমাৰ ফুকন, সুৰেন শইকীয়া আদিৰ নাম উল্লেখনীয়।

ডুলীয়াজানৰ বৌদ্ধিক পৰিবেশ আৰু সাহিত্য কৰ্মৰ এই সুদীৰ্ঘ লেখাটো প্ৰস্তুত কৰি উলিয়াওঁতে বহুক্ষেত্ৰত ধাৰাবাহিকতা ব্যাহত হৈ ক'ৰবাত হয়তো কিছু কথা বেছি যোগ হৈছে, কৰবাত হয়তো কথা লিখিবলৈ বৈ গৈছে। এই ত্ৰুটি বিচ্যুতিৰ বাবে আমাক যেন ক্ষমা কৰে। ভুল ত্ৰুটি আঙুলিয়াই দিলে ভৱিষ্যতে শুধৰোৱাৰ মানস থাকিল। ★



# স্মৃতিকথা



## সুচীপত্ৰ ঃ


* এৰি অহা দিনবোৰ— অপুল ৰঞ্জন বৰুৱা, প্ৰাক্তন ছাত্ৰ। * সোঁৱৰণী মোৰ কলেজীয়া জীৱনৰ— যজ্ঞোৰাম গগৈ, প্ৰাক্তন ছাত্ৰ। * ইটো সিটো কিছু সোঁৱৰণ— গকুল চন্দ্ৰ গগৈ, প্ৰৱক্তা ৰসায়ন বিভাগ। * মহাবিদ্যালয়ত স্মৰণীয় কেইটিমান মুহূৰ্ত্ত— কুমাৰী আইচেনা বুঢ়াগোহাঁই, প্ৰাক্তন ছাত্ৰী, প্ৰবক্তা, অসমীয়া বিভাগ। * মোৰ দৃষ্টিত ডুলীয়াজান মহাবিদ্যালয়ৰ অতীত আৰু বৰ্তমান— বাচা বৰা, প্ৰাক্তন ছাত্ৰ। * শিক্ষক জীৱনত ঘটা দুই-এটা ইটো সিটো— গোপী তামুলী, প্ৰবক্তা, অসমীয়া বিভাগ।

স্মৃতিকথা

# এৰি অহা দিনবোৰ

অপুল ৰঞ্জন বৰুৱা
প্ৰাক্তন ছাত্ৰ

"সাহিত্য অকাডেমী" বঁটাৰে সন্মানিত "প্ৰেম আৰু ৰদালি"ৰ কবি হীৰুদাই লিখিছে—

"মানুহ স্মৃতি পৰায়ণ
নিজৰ দুহাতে আজলি পাতে।" তেতিয়া ১৯৮৬ চন। মই তুলীয়াজান কলেজত একাদশ শ্ৰেণীৰ ক'লা শাখাত ছাত্ৰ হিচাপে ভৰ্ত্তি হ'লো। মনৰ অপাৰ আনন্দ। স্কুলীয়া জীৱন সমাপ্ত কৰি কলেজীয়া জীৱন আৰম্ভ কৰিছো। সিদিনা চেপ্তেম্বৰ মাহৰ পহিলা তাৰিখ। বাৰটো পাহৰিলো। শৰতৰ কোমল মিঠা ৰ'দজাক গাত লৈ কলেজত উপস্থিত হ'লোগৈ। ঠিক দহ বজাৰ পৰাই আমাৰ ক্লাচ আৰম্ভ হৈছিল। মোৰ অলপ পলম হোৱাত দহ বাজি পাঁচ মিনিটমান যোৱাৰ পিছত মই চাৰক সুধি ভিতৰ সোমালো। সিদিনা আমাৰ ক্লাচ লৈছিল শ্ৰীযুত সোনাৰাম খনিকৰ চাৰে। ইংৰাজী ক্লাচ। কবিজনৰ নাম পাহৰিলো। "The Village School master" নামৰ কবিতাটি চাৰে অসমীয়াত বুজাই দিছিল। গাঁৱৰ সেই শিক্ষকজনে কেনেকৈ ছাত্ৰসকলক শাসন কৰিছিল, শিক্ষকজনৰ একোটা ঘোপা চাৱনিত ল'ৰাহঁতৰ মনবোৰ কেনেকুৱা হৈছিল ইত্যাদি ইত্যাদি। কোঠাটো যথেষ্ট আহল বহল। ভিতৰ সোমাই গৈয়ে খালী হৈ থকা প্ৰথম বেঞ্চখনতে বহিলোগৈ। বাকী-বোৰ বেঞ্চ ইতিমধ্যে দখল হৈ গৈছে। ইফালে-সিফালে চাবলৈ সাহস হোৱা নাছিল। আটাইবোৰ একেবাৰে নতুন মুখ। তাতে আকৌ মোৰ কাষৰ বেঞ্চত বহি থকা চচ্‌মা পিন্ধা ছোৱালী দুজনীমানে মোলৈ দুৰ্বাসা মুনিৰ চাৱনিৰে চাইছিল। সিহঁতে চচ্‌মা পিন্ধি থকাৰ কাৰণেহে নে মোৰ টেলেকা চকুৰ পৰা নিৰ্গত হোৱা অতিৰিক্ত energy ৰ বাবেই নাজানো, সিহঁতৰ চাৱনিয়ে মোক হ'লে ভস্ম কৰি দিব নোৱাৰিলে।

এৰিষ্টটলে কৈছিল—When life is not banal, it is often tragic মোৰ কলেজীয়া জীৱনটো banal নহ'লেও tragic হ'লে হোৱা নাছিল। লাহে লাহে দিনবোৰ পাৰ হৈ গ'ল। হায়াৰ চেকেণ্ডৰী পাচ কৰি এদিন ডিগ্ৰীত এডমিচন ললো। আগতকৈ বন্ধু-বান্ধৱীৰ সংখ্যা বাঢ়িল। ডিগ্ৰীত পঢ়া বুলিয়েই নেকি নিজকে অলপ ডাঙৰ ডাঙৰ যেন লগা হ'ল। নতুনকৈ লগ পোৱা হৰেণ, যাদৱ, অপূৰ্ব, মহেন্দ্ৰ, অনুপ, যতীন, ক্ষীৰেশ্বৰহঁত অন্তৰংগ বন্ধু হৈ পৰিল। অকনমান কথাতে লাজত ৰঙা-চিঙা পৰি যোৱা গ্ৰুপটো আগতকৈ অলপ বেছি চঞ্চল হৈ পৰিল। হৰেণটো অলপ Peculiar টাইপৰ ল'ৰা আছিল। কাণত ৰিং পিন্ধে। পঢ়া-শুনাইও ভাল। আমাৰ লগৰ ছোৱালী বোৰে তাক দেখিলেই ওঁঠ টিপি হাঁহে। কাণত ৰিং পিন্ধাৰ কাৰণেই চাগৈ। আৰু জীতেন নামৰ ল'ৰাটো? খোজে-কাটলে, কথাই-বতৰাই, মুখত সদায়ে এটা মিঠা হাঁহি লৈ ফুৰা। তাক দেখিলেই কোনোবা ৰোমান্টিক চিনেমাৰ নায়ক যেন লাগি যায়। নাচীৰোতো কম ল'ৰা নাছিল। এবাৰ তাৰ কাৰণেই কলেজলৈ নতুনকৈ অহা নবাগতসকলৰ লগত চিনাকি হ'বলৈ গৈ ক্লাচ ইলেভেনৰ অসমীয়া ক্লাচত পুৰা ৪৫ মিনিট বহি থাকিবলগীয়া হৈছিল। তেতিয়াৰ আমাৰ ভাইচ্ প্ৰিন্সিপাল চাৰে সিদিনা ক্লাচ ইলেভেনৰ অসমীয়া ক্লাচত বিহগী কবি ৰঘুনাথ চৌধুৰীৰ "গিৰিমল্লিকা" নামৰ কবিতাটি বুজাই ক্লাচ শেষ কৰি দিলে। আমিও (নাচীৰ আৰু মই) তাতে বহি থাকিলো— ওলাই আহিলে ধৰা পৰি যোৱাৰ ভয়ত।

অন্যান্য শিক্ষকসকলৰ লগতে সেই সময়ত আমাৰ কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰীযুত অমিয় খনিকৰ চাৰৰ তীক্ষ্ণ বুদ্ধিদীপ্ত আৰু অধিক সংবেদনশীল ব্যক্তিত্বই মোক আকৰ্ষণ কৰিছিল। প্ৰথমাৱস্থাত অসম্ভৱ গহীন, ৰহস্যময় ব্যক্তিত্বসম্পন্ন, পাতল-ক্ষীণকায় শৰীৰৰ চাৰৰ চকুৱে চকুৱে চাবলৈ সাহস হোৱা নাছিল। কিন্তু জানো কিছুমান মানুহ আছে যাৰ চকুৱে চকুৱে চাই কথা কব নোৱাৰি। কবিতা ভালপাওঁ কাৰণেই নেকি এবাৰ কলেজ

সপ্তাহত থিতাতে লিখা কবিতা প্ৰতিযোগিতাত মই জাপানী হাইকু টাইপৰ এটি অকনমানি কবিতা লিখি পুৰস্কৃত হৈছিলো। তাৰ ঠিক এবছৰ মানৰ পিছত ডিগ্ৰী ফাইনেল দিয়াৰ আগে আগে চাৰৰ পৰা অ'ট লবলৈ যাওঁতে চাৰে মোৰ সেই অকনমানি কবিতাটোৰ কথা উল্লেখ কৰি কবিতা লিখি থাকিবলৈ প্ৰেৰণা দি অ'টৰ পাতত সাক্ষৰ কৰি দিছিল। চাৰৰ সেই উৎসাহে মোৰ কবিতা-প্ৰীতি মনটো নতুনকৈ জীপাল কৰি তুলিলে।

ডিগ্ৰী চেকেণ্ড ইয়েৰত থাকোতে ভেশচন প্ৰতি-যোগিতাতো অংশ গ্ৰহণ কৰি ঋষি বিশ্বামিত্ৰৰ ভাও লৈ প্ৰথম হৈছিলো। সিদিনা আমাৰ প্ৰিন্সিপাল চাৰৰ অফিচৰ কাষতে থকা কৃষ্ণচূড়া জোপাৰ তলত গেৰুৱা বস্ত্ৰ পৰিধান কৰি হাতত ত্ৰিশূল-কমণ্ডলু লৈ, ডিঙিত ৰুদ্ৰাক্ষ মালা পিন্ধি বহি থাকোতে মোৰ চাৰিওকাষে আগুৰি থকা কলেজৰ অন্যান্য ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বিজ্ঞান বিভাগৰ প্ৰবক্তা শ্ৰীযুত সুৰেশ বৰা চাৰেও হাতখন চাবলৈ আগবঢ়াই দিছিল। চাৰৰ হাতৰ ৰেখাবোৰ লিৰিকি বিদাৰি চাই চাৰে পকাঘৰ সাজিবলৈ লোৱা বুলি কোৱাত চাৰে হাঁহি হাঁহি কৈছিল— "আশীৰ্বাদ কৰা বাবা, ঘৰটো যাতে সোনকালে সাজি উলিয়াব পাৰো।" ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক শ্ৰীযুত সুৰেন গগৈ চাৰৰ হাত চায়ো এই ছদ্মবেশী বিশ্বামিত্ৰই বহুত কিবাকিবি ভৱিষ্যত বাণী কৰিছিলো। এতিয়া মাজে মাজে একোটা নিঃসঙ্গ আৰু নিৰলস মুহূৰ্ত্তত কলেজীয়া জীৱনৰ সেইবোৰ দিনলৈ মনত পৰিলে মনটো আনন্দৰে ভৰি পৰে।

সুদীৰ্ঘ পাঁচটা বছৰৰ অন্তত এদিন ডিগ্ৰী লৈ কলেজৰ পৰা ওলাই আহিলো। হৰেণ, ধ্ৰুৱ, অপূৰ্বহঁতে ইউনিভাৰচিটিত এডমিশ্বন ললে। ময়ো মনতে সাঁচি থোৱা আশাবোৰ লৈ ৰোমান্টিক চিনেমাৰ নায়ক যেন লগা জীতেনৰ সৈতে আইন পঢ়িবলৈ গুচি গ'লো। মোৰ অন্যতম প্ৰিয় কবি নৱকান্ত বৰুৱাৰ এই কবিতা ফাকিয়ে মনটোক মাজে মাজে দোলা দি যায়—

> "তথাপিও আশা আছে
> মানুহৰ মনে মনে দলঙৰ স্বপ্ন আঁকা আছে।
> সেইখন দলঙকে বিচাৰি বিচাৰি
> মানুহৰ যাত্ৰা অবিৰাম
> লগৰে, অকলে।"

ময়ো চাগে সেইখন দলঙকে বিচাৰি জীৱনৰ বাটত এখুজি দুখুজিকৈ বাটকুৰি বাই আগবাঢ়ি গৈ আছো— লগৰে অকলে।

**বিক্ষিপ্ত চিন্তা—**

***"কেতিয়াবা ভাবো যে আজি আমাৰ ছাত্ৰ সমাজৰ যি বিশৃংখলতা, সেই বিশৃংখলতাই আমাক কি দিছে? কি দিব? বোধহয় কিছুমান মানসিকভাৱে বিকল ধ্বংসমুখী এক শ্ৰেণী মানুহৰ জন্ম দিব। সেয়েহে চিন্তা হয় যদি এইবিলাক পুলিয়ে পোখাই ধ্বংস কৰিব পৰা নাযায় তেনেহ'লে আমাৰ এই বিশৃংখল ছাত্ৰ সমাজক সুপথলৈ কেতিয়াও আনিব পৰা নাযাব।"***

শ্ৰীবন্দনা হাজৰিকা, প্ৰাক্তন ছাত্ৰী

স্মৃতিকথা

# সোঁৱৰণী মোৰ কলেজীয়া জীৱনৰ



যজ্ঞোৰাম গগৈ
প্ৰাক্তন ছাত্ৰ

(১)

Retrospective ! ঠিকেই, কেতিয়াবা এৰি অহা অতীতটোক ঘূৰি চাবৰ মন যায় । অতীত মানেই হেৰুৱাই পেলোৱা । সেয়েহে অতীতলৈ মোৰ ভয় লাগে । তথাপি বৰ্ত্তমানে নোপোৱাখিনি অতীত আছিল নেকি তাকেই বিচাৰ কৰি চাবৰ বাবে মাজে মাজে পিছলৈ ঘূৰি চাবলৈ মন যায় । বিষণ্ন অতীত আমি সুঁৱৰিব নোখোজো, তথাপি আমাৰ অতীত প্ৰীতি আছে । অতীতত যি ঘটিছিল বৰ্ত্তমানে সেয়া তেনেৰূপত ঘটিব নোৱাৰে, এয়ে আমাৰ সান্তনা । অৱশ্যে যি নিজৰ অতীতলৈ ভয় কৰে তেওঁ অতীতটো পাহৰিব খোজে সুৰা বা অন্যান্য নিচাৰ আশ্ৰয়ত । কিন্তু কিছুমান স্মৃতি প্ৰথম প্ৰেমৰ স্মৃতিৰ দৰেই থাকি যায়, কিছুমান স্মৃতি আনিব নুখুজিলেও আহে মনলৈ যি খন্তেকৰ বাবে হলেও আমাৰ সচেতনতাক জোকাৰি যায়, অতীতলৈ লৈ যায় । ময়ো কেতিয়াবা অতীতত জীয়াই থাকিব খোজো, যেতিয়া যৌৱনৰ কিছুমান স্মৃতিয়ে মোক আমনি কৰে । যৌৱনৰ বহু স্মৃতি গঁঠা আছে এই ডুলীয়াজান কলেজৰ সৈতে । ১৯৮৭ চনৰ পৰা ১৯৯০ লৈকে ডুলীয়াজান কলেজত কটোৱা তিনিটা বছৰত মোৰ জীৱনৰ বহুবোৰ উল্লেখযোগ্য ঘটনাই ঘটি গ'ল । হয়তো সেই তিনিটা বছৰত পৃথিৱীত বহু ঘটনা ঘটি গ'ল মোৰ অজানিতে বহু পৰিৱৰ্ত্তন আহিল । মোৰ ব্যক্তিগত জীৱনৰ কিছুমান ঘটনা কিছুমান স্মৃতি সেই সময়ছোৱাৰ বৃহৎ পৰিবৰ্ত্তনৰ তুলনাত নিচেই নগণ্য আন কোনেও মনত ৰাখিব লগা কথা নহয় । আনকি ডুলীয়াজান কলেজৰ সামগ্ৰিক পৰিবৰ্ত্তনৰ তুলনাত মোৰ ব্যক্তিগত চিন্তা-চৰ্চ্চা, মোৰ ব্যক্তিগত স্মৃতিৰ মূল্য তেনেই নগণ্য । বহুতে কয়— "তুমি কি দিলা সেয়াহে বিচাৰ্য, কি পালা সেয়া নহয় ।" কিন্তু মই কি দিলো সেয়া মোৰ ভাবিবলৈকে ভয় লাগে । ঋণ হিচাপে কি ললো, সেয়া ভাবিলেও দোষবোধ জাগে । কাৰণ তিনিটা বছৰত যি ললো সেয়াটো মই কাহানিও ঘূৰাই দিব নোৱাৰো । তথাপি মোৰ জীৱনৰ তিনিটা গঠনমূলক বছৰ মই ডুলীয়াজান কলেজত কটালো । কলেজখন এৰি যোৱা প্ৰায় তিনিবছৰ হ'ল । বিশ্ববিদ্যালয় জীৱনৰ ব্যস্ততাৰ দুটা বছৰত মই বহুখোৰ কথাই পাহৰি আছিলো । আকৌ কোনো এক নিজা প্ৰয়োজনত ইয়ালৈকে অহাত সেই ধূসৰ হ'ব খোজা অতীতটো যেন হঠাৎ জীৱন্ত হৈ উঠিল । আনৰ বাবে যিমানেই মূল্যহীন বা পঢ়ি চাব নলগীয়া কথা হওক মই ইয়াৰ মাজত কেতিয়াবা নিজক বিচাৰো আৰু সেই সন্ধানেই মোক জীৱনৰ প্ৰতি অনুৰক্ত কৰি তোলে ।

(২)

১৯৮৭ চনৰ জুলাই মাহত ডুলীয়াজান কলেজলৈ মই প্ৰথম আহিছিলো । স্নাতক প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰিব বাবে ফৰ্ম জমা দিলো, লৰালৰিকৈ আহিলো, গলো, পৰিবেশটোৱে মোৰ মনত প্ৰতিক্ৰিয়া কৰিবৰ বাৰে কোনো সুবিধা নিদিলো । এদিন নাম ভৰ্ত্তি কৰিলো, গুছি গ'লো, তেতিয়া মাথো মোৰ অলপ ভয় লাগিছিল, এডোখৰ নতুন ঠাইত । অৱশ্যে এযাৰ কথা সুঁৱৰিবই লাগিব যে মোৰ নামৰূপ এ, পি, এলত থকা দদাইদেউ শ্ৰীপ্ৰদীপ গগৈৰ বাবেই মই ডুলীয়াজান কলেজলৈ আহিব লগা হ'ল । মোৰ ঘৰুৱা আৰ্থিক অৱস্থা ভাল নোহোৱাত দদাইদেউৱে ডুলীয়াজান কলেজৰ তিনিটা বছৰ মোক সহায় কৰিছিল । সেই বছৰৰে আগষ্ট মাহৰ পৰা প্ৰথম ক্লাচবোৰ আৰম্ভ হয় । মই নামৰূপৰ দদাইদেউৰ ঘৰৰ পৰা প্ৰথম অহা যোৱা কৰিছিলো ।

প্ৰথম দিনা অসম গেছ কোম্পানীৰ মাজেৰে কলেজলৈ আহোঁতে কোম্পানীৰ পৰিস্কাৰ পৰিচ্ছন্ন ৰাস্তাবোৰে আৰু সুন্দৰ পৰিবেশটোৱে মোক খুবেই আকৰ্ষণ কৰিছিল। শিল্প নগৰীত প্ৰকৃতিৰ শান্ত সমাহিত ৰূপ এটা যেন মই প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষ কৰিলো। কিন্তু কলেজ চৌহদৰ শুকান খেৰনিখনে মোৰ সেই আনন্দ নিমিষতে মষিমূৰ কৰি পেলালে। অৱশ্যে এতিয়া সেই ৰিঙা ৰিঙা পৰিবেশ নাই, মোৰ মনৰ নিজম কোণতহে।

দুলীয়াজান কলেজলৈ সাধাৰণতে দূৰৰ পৰা ল'ৰা-ছোৱালী কেৱল পঢ়িম বুলি নাহে। দুলীয়াজান অইল-ইণ্ডিয়া, অসম গেছ কোম্পানীৰ চাকৰিয়াল সকলৰ ল'ৰা-ছোৱালী আৰু তেওঁলোকৰ অওহী-বওহীৰ ল'ৰা-ছোৱালীয়েই সাধাৰণতে ইয়াত পঢ়ে। দুলীয়াজান উপকণ্ঠ অঞ্চলৰো খুব কম ল'ৰা-ছোৱালীহে ইয়ালৈ আহে। মই আগৰ পৰাই এটা ধাৰণা কঢ়িয়াই লৈ আনিছিলো যে— Industrial society is very complex, and boys and girls of an industrial society will be smart intelligent and advanced. কিন্তু পিছৰটো ধাৰণা সিমান শুদ্ধ নহয় বুলি কিছুদিনৰ পাছতেই বুজিব পাৰিছিলো। ভাবিছিলো যে শিল্প নগৰীৰ এই 'smart, intelligent and advanced' ল'ৰা-ছোৱালীবোৰৰ লগত মই নিজকে adjust কৰিব নোৱাৰিম। এনে এক inferiority complex ত প্ৰথমতে মই ভুগিছিলো।

দুলীয়াজান কলেজৰ তেতিয়া কোনো হোষ্টেল নাছিল। অইল ইণ্ডিয়াত চাকৰি কৰা লোকৰ কোনো সমন্ধীয় ল'ৰা-ছোৱালী আহি কৰ্ম্মীসকলৰ কোৱাৰ্টাৰবোৰক হোষ্টেল বুলি গণ্য কৰে। মই শ্ৰীগকুল গগৈ চাৰৰ ঘৰ এটাতে ( ছলাকটকী গাঁৱৰ ওচৰত ) ভাড়া কৰি থাকিবলৈ ললো। প্ৰায় এবছৰ মানৰ পাছত শ্ৰীলিখন বড়াচাৰে সেই ঠাইতে ঘৰ সাজে আৰু তাতে ময়ো থাকিবলৈ ললো। পিছৰ দুটা বছৰো তাতে কটালো। বড়া চাৰক মই থকাৰ বাবদ কোনো ভাড়া দিয়া নাছিলো। শিক্ষক-ছাত্ৰৰ সমন্ধ পাহৰি আমি আত্মীয় মানুহৰ দৰেই আছিলো। শিক্ষা জীৱনৰ এই দুটা বছৰত শ্ৰীবড়া চাৰে কৰা সহায়খিনি মই কাহানিও পাহৰিব নোৱাৰো বা তাৰ কোনো মূল্যও মই পৰিশোধ কৰিব নোৱাৰো।

মই ইংৰাজী মুখ্য বিষয় ( major ) হিচাপে লৈ পঢ়িছিলো। আমি প্ৰথমতে মেজৰৰ তিনিজন ছাত্ৰ আছিলো মই, শ্ৰীপ্ৰশান্ত বড়া, শ্ৰীমেঘালী দাস। প্ৰথমে English major খুব টান পাইছিলো, ইংৰাজীবোৰ একো বুজি পোৱা নাছিলো। সেয়েহে আৰম্ভণিতে এক frustration ত ভুগিছিলো আৰু নিজকে a fish out of water যেন লাগিছিল। যেই কি নহওক পিছত পৰিস্থিতিটো আয়ত্ব কৰিছিলো। বিশেষকৈ major পোৱাত শ্ৰীঅমিয় খনিকৰ চাৰে মোক যথেষ্ট সহায় কৰিলে। শ্ৰীখনিকৰ চাৰ নোহোৱাহলে মই হয়তো major নাপালোহেঁতেন। অৱশ্যে শ্ৰীনবীন চন্দ্ৰ গোঁহাই আৰু শ্ৰীসোনাৰাম খনিকৰ চাৰেও যথেষ্ট সহায় কৰিলে। পৰীক্ষাত বৰ ভাল নম্বৰ পাবলৈ সমৰ্থ নহলো। অৱশ্যে যিমান পঢ়িব লাগিছিল মই সিমান পঢ়া নাছিলো। অন্য সামাজিক অনুষ্ঠানৰ কামত লাগি থাকোতে পঢ়া বহু সময়ত আওকাণ কৰিছিলো। এতিয়াহে অনুতাপ আহিছে। সেয়েহে ভাবিছো যি ভালদৰে পঢ়ি ভাল ৰিজাল্ট কৰিম বুলি ভাৱে তেওঁলোকে সমাজৰ প্ৰতি সচেতন হ'ব লাগে কিন্তু সম্পুৰ্ণৰূপে নিজকে ( ছাত্ৰ অৱস্থাত ) নিয়োজিত কৰিব নালাগে।

বান্ধৱী মেঘালীৰ লগত মোৰ অতি সৌহাৰ্দপূৰ্ণ সমন্ধ আছিল, আমি অতি আপোন বন্ধু আছিলো। মোৰ ওচৰত বহু সময়ত মেঘালীয়ে বন্ধুত্ব সুলভ অভিমানো ৰাখিছিল, সেয়ে বহুতে আমাৰ মাজত প্ৰেমৰ সমন্ধ গঢ়ি উঠিছে বুলি সন্দেহ কৰিছিল আৰু কোনোবাই কৈছিলও! আমি কিন্তু আম'ৰ সমন্ধৰ প্ৰতি অতি স্পষ্ট আছিলো। অৱশ্যে মই যে কোনো ষোড়শীৰ প্ৰতি প্ৰেম অনুভৱ কৰা নাছিলো এনে নহয়। কাৰ প্ৰতি অনুভৱ কৰিছিলো নাম নকওঁ সেয়া একান্তই গোপনীয়, আৰু নিজস্ব কৰি আজি ৰাখিব খোজো। হৃদয়ৰ সেই উত্ৰাৱল ভাৱক "কাকলি" আলোচনীত ৰোমাণ্টিক প্ৰেমৰ কবিতা লিখি ফ্ৰয়ডৰ ভাষাত sublimate কৰিছিলো।

দুলীয়াজান কলেজত তিনিটা বছৰ মই effectively কটাইছিলো বুলি ভাবো। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত

সচেতনতা বৃদ্ধি কৰিবৰ বাবে মই যথেষ্ট চেষ্টা কৰিছিলো।
প্ৰথম বছৰতে মই সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰূপে নিৰ্ব্বাচিত হওঁ। বহুদিনে পৰি থকা প্ৰাচীৰ পত্ৰিকা "কাকলি" খন মেৰামতি কৰি মই মোৰ বন্ধু আৰু ছাত্ৰ-ছাত্ৰীসকলক লিখিবৰ বাবে বহু তাগিদা দিছিলো। তাৰ ফলতেই আমাৰ এটা strong group গঢ় লৈ উঠিল। মই, দিগন্ত শইকীয়া, বনজিৎ তালুকদাৰ, অজিত শইকীয়া, ভৱানী গগৈ, ভূপেন শইকীয়া, উমাকান্ত ভূঞা আৰু বুদ্ধজ্যোতি চেতিয়া এই "অষ্টধাতু" লগ লাগি আমাৰ গ্ৰুপটো গঠন হৈছিল। কলেজৰ বিভিন্ন উন্নয়নমূলক কামত আৰু দুলীয়াজান নগৰৰ যিকোনো সভা সমিতি বা ৰাজহুৱা কামত আগভাগ লৈছিলো। শ্ৰীলিখন বড়া চাৰৰ ঘৰত আমি সঘনে 'পাৰ্টিৰ' আয়োজন কৰিছিলো। আমাৰ লগত কেতিয়াবা শ্ৰীগোপী তামুলী, শ্ৰীজ্যোতি চেতিয়া, শ্ৰীঅমিয় খনিকৰ, শ্ৰীগকুল গগৈ চাৰ সকলেও অংশ গ্ৰহণ কৰিছিল। আমি সেই পাৰ্টিতেই কলেজখনৰ দোষ গুণবোৰ আলোচনা কৰিছিলো আৰু কিবা ধৰিব লগা কথা থাকিলে পাৰ্টিৰ পিছদিনা কৰ্তৃপক্ষক ধৰিছিলো। শেষৰ ফালে কলেজত কিবা উত্তেজনাপূৰ্ণ খবৰ ওলালেই উপাধ্যক্ষ শ্ৰীবীৰেন চুতীয়া চাৰে কালি পাৰ্টি হৈছিল নেকি তাৰহে প্ৰথমতে খবৰ কৰিছিল। শ্ৰীচুতীয়া চাৰে আমাক বহু সময়ত ধমকি দিয়েই কথাবোৰ কৈছিল। কিন্তু সেই ধমকিবোৰ আন্তৰিকতাপূৰ্ণ আছিল। মই আজি এটা কথালৈ গৌৰৱ কৰো যে সেই সময়ত মই সকলো শিক্ষকৰে চিনাকি আছিলো আৰু সেই বাবেই সেই সময়ছোৱা effectively কটাব পাৰিছিলো। আমি শিক্ষকসকলৰ সৈতে যথেষ্ট বন্ধুত্বপূৰ্ণ ভাৱে কটাইছিলো যদিও কোনো শিক্ষককে অসন্মান কৰিবলৈ শিকা নাছিলো। শিক্ষা আহৰণৰ অন্য এটা মূল চৰ্ত্ত হ'ল শিক্ষকৰ লগত মুক্ত আৰু বন্ধুত্ব-পূৰ্ণ সমন্ধ এটা গঢ়ি তোলা। আমাৰ সেইছোৱা সময়ৰ ভিতৰতে শ্ৰীদিগন্ত শইকীয়া আৰু মোৰ যুটীয়া সম্পাদনাত মহাবিদ্যালয়ৰ ভিতৰতে "বৰদৈচিলা" নামৰ এখন মাহেকীয়া কবিতা আলোচনী উলিয়াইছিলো। কিন্তু উদ্যোগ আৰু অৰ্থাভাৱত সোনকালে আলোচনীখনৰ অপমৃত্যু ঘটিল।

( ৩ )

দুলীয়াজান এক শিল্প নগৰ হিচাপে মানুহৰ মানসিকতা কিছু পৰিমাণে বস্তুবাদী হ'বলৈ বাধ্য। ইয়াত 'inner thought' তকৈ 'outer appearance'ৰ গুৰুত্ব বেছি। কিন্তু দুলীয়াজান কলেজখন এখন ধনী নগৰৰ মাজ মজিয়াত অৱস্থিত হোৱাটো। ইয়াৰ সিমান বাহ্যিক উন্নতি নাছিল। আজি পঁচিশ বছৰৰ পাছতো কলেজখনৰ যথোপযুক্ত বিল্ডিং নাই, এটা ল'ৰা হোষ্টেল নাই, এখন ভাল কেন্টিন নাই। দুলীয়াজান আৰু ইয়াৰ সমীপৱৰ্ত্তী অঞ্চলৰ মূল শিক্ষা-কেন্দ্ৰ এই কলেজখনৰ প্ৰতি স্থানীয় ৰাইজ তথা অভিভাৱক সচেতন নোহোৱাটোৱে শিক্ষাৰ প্ৰতি অনীহাকে প্ৰকাশ কৰে। অইল ইণ্ডিয়া কৰ্মীৰ প্ৰায় ল'ৰা-ছোৱালীয়ে ইয়াত পঢ়ে। সেইসকল অভিভাৱকেও কলেজখনৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া যেন নালাগে। চৰকাৰে দিব বুলি ভাবি নাথাকি অইল ইণ্ডিয়াৰ সমাজ কল্যাণ আঁচনিৰ পৰাই ইয়াৰ শিক্ষক-শিক্ষয়িত্ৰীৰ আবাস গৃহ পৰ্যন্ত দিব পৰা গ'লহেঁতেন। কিন্তু সেইখিনি আজি পঁচিশ বছৰৰ পাছতো হৈ নুঠাত আমাৰ শিক্ষাৰ প্ৰতি উদাসীনতা আৰু অসচেতনতাকে প্ৰকাশ পাইছে।

বয়সৰ হিচাপেৰে পঁচিশ বছৰ নিচেই কম সময় নহয়। পঁচিশ বছৰত এটা জাতিৰ জাতীয় বুৰঞ্জী, জাতিগত চৰিত্ৰ সলনি হব পাৰে। তথাপি আমি এটা শিক্ষানুষ্ঠা-নলৈ পৰিবৰ্ত্তন অনাত সমৰ্থ নহমনে ? তাৰ বাবে লাগে মাথো অনুষ্ঠানটোৰ শুভাকাঙ্খীসকলৰ অকনমান ত্যাগ আৰু প্ৰচেষ্টা। বহু দোষ থাকিলেও নিজকে কোনেও বেয়া বুলি নাভাৱে। নিজে পঢ়ি যোৱা কলেজখনৰ কিছু দোষ থাকিলেও মই বেয়া বুলি কব নোখোজো। কিন্তু সেই দোষবোৰ অলপ চেষ্টা কৰা হলেই আঁতৰাব পৰা গ'ল-হেঁতেন। ইয়াৰ লগত জড়িত ব্যক্তিসকলে কেৰোণবোৰ ভালদৰে জানে মই নকলেও হ'ব।

শেষত দুলীয়াজান কলেজৰ পঁচিশ বছৰীয়া বুৰঞ্জীত ক'ৰবাত যদি মোৰ ভুল লিখা হৈছিল তাৰ বাবে সেই অভিযোগকাৰীজনৰ ওচৰত ক্ষমা বিচাৰিলো মোৰ অজানিত ভুলৰ বাবে। ❀

স্মৃতিকথা

# ইটো সিটো কিছু সোঁৱৰণ

শ্ৰীগকুল চন্দ্ৰ গগৈ
ৰসায়ন বিভাগ

দুলীয়াজানত এখন কলেজৰ প্ৰয়োজন অনুভৱ কৰা অঞ্চলৰ দূৰদৰ্শী ৰাইজ, অনুষ্ঠান-প্ৰতিষ্ঠান, সুধীব্যক্তি সকল যাৰ আপ্ৰাণ চেষ্টা আৰু ত্যাগৰ বিনিময়ত দুলীয়াজান কলেজৰ আজিৰ অৱস্থা প্ৰাপ্ত হৈছে সেইসকল নমস্যব্যক্তিক আমি আজি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

তৈল নগৰী দুলীয়াজান। দুলীয়াজানলৈ অহা নাই আগতে— ভবাও নাছিলোঁ চাউল কঠা উলিয়াবৰ বাবে ইয়ালৈকে আহিব লাগিব বুলি। এম, এচ চ পৰীক্ষা ফাইনেল দি ভাবিছো কি কৰা যায়। লগৰ দুই এজনে ক'ৰবাত সংস্থাপন লৈছে। পঢ়াৰ পাচত চাকৰিৰ অনুসন্ধান যিটো আমাৰ দিনত সাধাৰণতে হয়। সেই সময়ত পঢ়ি থাকোতে চাকৰি বা ব্যৱসায়ৰ কথা কম ছাত্ৰ-ছাত্ৰীয়েহে ভাবিছিল।

১৯৭৮ চনৰ শেষৰ ফালে পৰীক্ষাৰ ফলাফল ওলালত চাকৰিৰ চিন্তা আহিল। বাতৰি কাকতৰ দ্বিতীয় পৃষ্ঠাত দৃষ্টিপাত আৰম্ভ হৈছে। দুই এঠাইত আবেদন পত্ৰ পেলাইছোঁ। উজুতে পোৱা কলেজৰ চাকৰিৰ সেই সময়ত জাননী নাথাকে। জুন জুলাইতহে সাধাৰণতে থাকে। দুলীয়াজান কলেজত যোগদান কৰা বন্ধুবৰ সহপাঠী অমৃত কুমাৰ গগৈক লগ কৰো বুলি আহি দুলীয়াজানলৈ আহিলোঁ। বাটত পালো আনজন বন্ধু বীৰেণ দুলাকাষৰীয়াক। গধুলি আলহী হলোহি দুলাকাষৰীয়াৰ ভিনিহিয়েকৰ ঘৰত। নিয়ন লাইটৰ পোহৰত উজ্জ্বলি উঠা গধুলিৰ দুলীয়াজান দেখিলোঁ। পৰিস্কাৰ ৰাস্তা-পদুলি, শাৰী-শাৰী বিবিধ গছ, মনোমোহা ফুলনি বাৰী, আটোম টোকাৰিকৈ ৰখা কোম্পানীৰ ঘৰ-বোৰে দুলীয়াজান সচাঁকৈয়ে ৰম্যপুৰী। খেলা-ধূলাৰ কাৰণে আহল বহল খেল পথাৰ, বিভিন্ন অনুষ্ঠান, পাকঘৰত গেছ— সকলো দেখি ভাল লাগিল দুলীয়াজান। কলেজত খবৰ লৈ গম পালো যে ৰসায়নবিভাগত চাকৰি খালি আছে। ইতিমধ্যে সহপাঠী পবিত্ৰ কলিতাই যোগদান কৰাৰ কথা গম পালো ইয়াতে। পদাৰ্থ বিজ্ঞান বিভাগত খালি থকা পদৰ বাবে সদা দত্তক খবৰ কৰাই আনিলোঁ। আমাৰ লগৰে অসমীয়াৰ হিতেশ বৰদলৈয়ে যোগদান কৰিছে। ইংৰাজীৰ অমিয় খনিকৰ, ৰাজনীতি বিজ্ঞানৰ টপেশ সোণোৱাল, অৰ্থনীতিৰ বীৰেণ বৰুৱা, সমাজ শাস্ত্ৰৰ পূৰ্ণ শইকীয়া, পদাৰ্থ বিজ্ঞানৰ জয়ন্ত ভূঞা, নিৰঞ্জন বৰুৱা, বায়ল'জিৰ শিৱতোষ দাস, বাসন্তী বৰুৱা. অংকৰ সুৰেশ বৰা, ৰাজনীতি বিজ্ঞানৰ হৰেণ ফুকনকে আদি কৰি ডেকা শক্তিৰ প্ৰয়োভৱ। মিচিকিয়াই হাঁহি থকা জয়ন্ত ভূঞাই পাচত বেংকত যোগদান কৰে। মিঠা মাতৰ গৰাকী বীৰেন বৰুৱা আৰু কমনৰোমত গম গমাই থকা পবিত্ৰ কলিতাই এ, চি, এছত যোগদান কৰে। খুহুটীয়া কথাৰে হহুঁৱাই থকা হৰেণ ফুকনে চাকৰি বাদ দি ব্যৱসায়ত নামে। শিৱতোষ যায় ডিগবলৈ, বাসন্তীৰ বিয়াহৈ যোৰহাট পায়গৈ। গুছি যোৱাৰ আগত ডেকাখিনিৰ আড্ডা আমাৰ ঘৰ মানে মাহে ১২০.০০ টকা ভাৰাত লোৱা কোম্পানীৰ B–typeৰ কোৱাৰ্টাৰ। যেন বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাস।

জয়ন্ত, অমৃত, টপেশ আৰু মই থকা ঘৰত গধুলি আড্ডা বহে— সকলো যায় তালৈ। কথাৰ শেষ নাই শব্দৰ কণ্ট্ৰোল নাই। মাজে মাজে ভোজ ভাত। কাষৰীয়া ঘৰলৈ আমাৰ ভ্ৰুক্ষেপ নাই। পোনে পোনে আপত্তি জনাব নোৱাৰে, আমাৰ পৰিচয় নাই। কোম্পানীৰ অফিচত আপত্তি দিলে হুলস্থুল হয় বুলি। ৰিজাল্ট ভাল নহয় আমাৰ বাবে। মোহন সেনাপতি দেউতা আহি বাপহঁতক ঘৰ খালি কৰাৰ জাননী দিলে। বিছুলৈকে সময়লৈ দিহা দিহি গলো। বিছুত বিচনা পত্ৰ ক'ৰবাত, কিতাপ বাকচ এঠাইত থৈ বিহু খাই আহিলোঁ। বিচনা পত্ৰ প্ৰভাত ফুকন দেৱৰ লগত, কিতাপ বাকচ হেমচন্দ্ৰ ঢেকিয়াল ফুকনৰ ঘৰত থৈ গুচি গলোঁ। ঘৰৰ পৰা ঘূৰি আহি নিৰঞ্জন আৰু সদা থকা ঘৰত দুদিনমান থাকিলোঁ। সিহঁতৰ পাৰ্ট হাউচ ভাৰা ঘৰ। আমাৰ বিলৈ দেখি নিৰঞ্জন আৰু সদাই মুখৰ মাত কমালে। মোৰ মাত ডাঙৰ—নিৰঞ্জনে

মাত ডাঙৰ হোৱাৰ লগে লগে মুখত আঙুলি দি সতৰ্ক কৰে। অলপ পাচত পুনৰ ডাঙৰ হয়। কেইদিন-মান থকাৰ পাচত মালিকনীয়ে অনুসন্ধান চলালে সংখ্যা বাঢ়িছে নেকি ? অসুবিধা সবৰে হয় — টেপ এটা, লেট্ৰিন এটা, গেছ এটা—আকৌ কাষত একুৰা গেছৰ জুই। ঘৰৰ অনুসন্ধান চলালো— পাবলৈ নাই। চিনাকি মানুহ বা আপোন মানুহৰ গইনা লাগে— আমাৰ কোনো নাই। ক'ৰবাত দাংবৰলাক নিদিয়ে, ক'ৰবাত বিবাহিতক পাৰ্টিহাউচৰ ভাৰা নিদিয়ে। ক'ৰবাত অগ্ৰিম ধন লাগে। ক'ৰবাত ল'ৰা-ছোৱালী পঢ়াই দিব লাগে। এইবোৰ কৰোতে দহ পোন্ধৰ ঘৰ মানুহৰ ওচৰত গৈ নিৰাশ হ'ব লাগে। সেই সময়ত দুলীয়াজানত চাকৰি পোৱা সহজ আছিল যদিও থকা ঠাইৰ বৰ অভাৱ। কোম্পানীৰ ঘৰ বাদ দি ভাল ঘৰ দুৱাৰ কেইটামানহে আছিল। ইফালে আমাৰ আত্মসন্মান বেচি। য'তে ত'তে বা যাৰে তাৰে লগত আমিও থাকিব নোৱাৰো।

আমাৰ আড্ডা ভাগিল। টপেশ গ'ল অমিয় খনিকৰ ওচৰলৈ—কালীবাৰীৰ ওচৰলৈ। মই গলো অভাৱ-চিয়াৰ তীৰ্থ বৰাৰ লগলৈ। অমৃত আৰু জয়ন্ত গ'ল আন এঠাইলৈ। পাচত তীৰ্থ বৰাৰ সহায়ত জয়ন্ত, অমৃত আৰু মই লগ লাগিলো চেটেলমেণ্টৰ কোৱাৰ্টাৰ এটাত। মালিকে মাজে মাজে আহি ধৰ্ম্মৰ কথা কয় আমাৰ টোপনি অহালৈকে। অমিয় খনিকৰৰ তালৈ যাওঁ মাজে মাজে। পাকঘৰ ঠেক— দুটা গেছৰ মাজত এখন সৰু বেৰ। বেৰৰ সিপাৰৰ পৰা মালিকে ৰাম-ৰাৱণৰ যুদ্ধ, সীতা হৰণৰ ৰসাল কথা উলিয়ায়। খনিকৰে শলাগি যায়। ইংৰাজী সাহিত্যৰ কথা পড়ি যায় এফালে— আনফালে শলাগি যায় ভকতৰ কথা।

আমাৰ সমস্যাৰ শেষ নাই। ভাৰাঘৰ পাবলৈ নাই— সিফালে বজাৰ-সমাৰ, ৰন্ধা-বঢ়া, পঢ়া-শুনা, পঢ়োৱা অনেক কাম। কোম্পানী চাকৰিয়ালৰ সৈতে একে বজাৰ। দৰমহা সামান্য—খা-খৰছ অনেক। তথাপি কিনো ১২·০০ টকাত মাংস, কুঁহিমাছ ১০·০০ টকা, শাক-পাচলি খুউব কম দৰত পাইছিল। মানুহ কম, তেতিয়া অইল মাৰ্কেত আৰু দেইলি বজাৰ—এই দুখনে বজাৰ। টিংৰাই কলনি, কমলা-বাৰী ৰোড, সোণাপুৰ আৰু বহুবোৰ ঠাইত মানুহ নাই। সংযুক্তা হোটেল অঞ্চল তেতিয়া সোণালী পথাৰ। কলেজ পথ অনুন্নত, কমলাবাৰী ৰোডত কম সংখ্যক মানুহ চলাচল কৰে। গেছ-কোম্পানীৰ প্ৰশাসনিক ভৱন খেৰৰ। কলেজৰ লগত থকা বালিকা বিদ্যাপীঠ আৰু গেছ-কোম্পানীৰ কোৱাৰ্টাৰ সজা ঠাইবোৰ পিতনি আৰু হাবি।

ইতিমধ্যে অসম আন্দোলনৰ আৰম্ভণি। স্কুল কলেজৰ শ্ৰেণী অনিয়মীয়া। আমাৰ কলেজৰ ঘৰ-দুৱাৰৰ তেতিয়া অৱস্থা নাই। অইল ইণ্ডিয়াই দিয়া প্ৰথমটো ঘৰ আৰু খেৰ-বাঁহৰ দীঘলীয়া ঘৰটো। পদাৰ্থ বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰত শিক্ষক জিৰণি কোঠা। অন্য এঠাইত বাঁহৰ ঘৰত লাইব্ৰেৰী। ল'ৰা-ছোৱালী কম যদিও শ্ৰেণীত উপস্থিত থাকি সকলো কামত সহায় কৰে। খেল-ধেমালি, থিয়েটাৰ আদি হলে সকলোৱে সহযোগিতা কৰে। কলেজ সপ্তাহত উদুলি-মুদুলি পৰিবেশ। ছাত্ৰ-ছাত্ৰী সকলে সততে শিক্ষক শিক্ষয়িত্ৰী সকলৰ সহায় বিচাৰে, শিক্ষক সকলেও ঘৰ সংসাৰ এৰি হলেও একেৰাহে খাটে। আজি কালি শিক্ষক শিক্ষয়িত্ৰী নহ'লেও কলেজ সপ্তাহ চলে। ল'ৰা-ছোৱালী কেইজনমানে যোগদান কৰি উৎসৱ পালন কৰে। সহায় সহযোগৰ কাৰণে অচিনাকি মুখৰ ভুমুকি।

কলেজত ৰসায়ন আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰ দুটাৰ ভৱন তেতিয়া আছে। বৰ্ত্তমানৰ ৰসায়ন পৰীক্ষাগাৰৰ ভৱন স্থান দিয়া বাবে অইলৰ ঠিকাদাৰ সন্থাক ধন্যবাদ। আনহাতে পৰীক্ষাগাৰলৈ গেছ আৰু পানী যোগান ধৰাৰ বাবে আৰু লগতে পদাৰ্থ বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰ ভৱনত সহায় আগবঢ়োৱাৰ বাবে 'অসম গেছ কোম্পানীৰ শলাগ লৈছোঁ। পদাৰ্থ বিজ্ঞান পৰীক্ষাগাৰৰ এটা অংশত পৰীক্ষাগাৰ, এটা অংশ অফিচ আৰু আন অংশত শিক্ষক জিৰণি কোঠা। ৰসায়নগাৰৰ তিনিটা ভাগৰ এভাগত ৰসায়ন পৰীক্ষাগাৰ, এভাগ পদাৰ্থ বিজ্ঞানৰ পৰীক্ষাগাৰ আৰু আন অংশত বায়'লজিৰ পৰীক্ষাগাৰ। বিজ্ঞান কলেজ হিচাবে আৰম্ভ কৰা কলেজৰ বিজ্ঞান বিভাগ ঘাটি মঞ্জুৰী প্ৰাপ্ত হোৱাৰ পৰা পিচ পৰি ৰয়। আমি নতুন মানুহ হিচাবে ক'ত কি কৰিলে হ'ব তাৰ একো

ভূ-নাপাও। নিচুকণি দৰমহা লৈ ল'ৰা-ছোৱালী পঢ়াইছোঁ। ৰিজাল্ট ভাল হৈছে— ভাবিছো ঘাটি মঞ্জুৰী প্ৰাপ্ত হ'ব। কথাবোৰ সুধিলেও কৰ্ত্তৃপক্ষই কিবা এষাৰ কৈ সামৰে।

বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষক বিজ্ঞানাগাৰ ভাগে ভাগে লাগে। কলেজ পৰিদৰ্শক ডম্বৰু গগৈ চাৰক আনি কলেজ পৰিদৰ্শন কৰাব লাগে। লগে লগে ৰসায়ন আৰু পদাৰ্থ বিজ্ঞানৰ পৰীক্ষাগাৰ দুটাকৈ কৰি চাবক পৰিদৰ্শন কৰালে। ইতিমধ্যে প্ৰভাত ফুকন, ইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁই, নিত্যা দত্ত আৰু বীৰেণ চুতীয়া দেৱে গুৱাহাটীলৈ গৈ বিজ্ঞান শাখাৰ কেইবাটাও আউল ভাঙি আহে।

আমাৰ মন ভাঙি পৰে। দেশ বিদেশী (?) খেদা আন্দোলনত তোলপাৰ। চাকৰি বাকৰি সকলো ফালে বন্ধ। দেশত চৰকাৰ নাই। ৰাষ্ট্ৰপতি শাসন। শাসন চলাই ৰাজ্যপালৰ উপদেষ্টাই। গোপী তামুলি নিত্যা দত্ত, প্ৰিন্সিপাল চাৰ আৰু মই গুৱাহাটীলৈ গলোঁ— কলেজ পৰিচালনা সমিতিৰ সভাপতি অসমৰ প্ৰাক্তন মুখ্য-মন্ত্ৰী শ্ৰীযুত যোগেন্দ্ৰ নাথ হাজৰিকা দেৱৰ ঘৰ ওলালো। তেখেতে এম, এল, এ হোটেল এটাত থকাৰ ব্যৱস্থা কৰিলে। ৰাজ্যপালৰ উপদেষ্টা শ্ৰৱণ সিং আৰু সুব্ৰৱনিয়াম দেৱক লগ কৰিলো। তেখেতলোক আইন শৃঙ্খলালৈয়ে ব্যস্ত। শিক্ষা-বিভাগৰ অন্যান্য সকলক লগ কৰিলো— বিশেষ ফল নাপালো। শ্ৰীযুত হাজৰিকা দেৱে আগবঢ়োৱা সহায়ৰ কাৰণে শলাগ লৈছোঁ।

বছৰবোৰ বাগৰি থাকে। কলেজত ল'ৰা-ছোৱালীৰ সংখ্যা বাঢ়ি গৈ আছে। বিজ্ঞানৰ প্ৰি-ডিগ্ৰী শাখাত এশ পঞ্চাশ জনলৈ ছাত্ৰ-ছাত্ৰীৰ ভিৰ। প্ৰেকৃটিকেল শ্ৰেণীবোৰ দিনৰ বেলাত সময় নহয়। পুৱা বেলাও প্ৰেক্টিকেল শ্ৰেণী হয়। আমাৰ ব্যস্ততা বাঢ়ে। ৰাতি পুৱাৰ পৰা গধুলি-লৈকে কলেজত ব্যস্ত। এতিয়াৰ দৰে চল্লিশ বা পঞ্চল্লিশটা ল'ৰা-ছোৱালীৰ শ্ৰেণী নহয়। তেতিয়া ল'ৰা-ছোৱালীৰ পঢ়াত একাগ্ৰতা বেছি—ৰিজাল্ট ভাল। বস্তুবাদী সংস্কৃতিত ল'ৰা-ছোৱালী মাৰ্জিত হোৱা নাছিল। পঢ়িব পাৰিলে কিবা এটা হ'ব পৰাৰ আশা থকাৰ দিন। আজিৰ প্ৰায় ল'ৰা-ছোৱালীয়ে কি বিচাৰে নাজানে। ৰিজাল্ট বেয়া হলে শিক্ষক-শিক্ষয়িত্ৰীক সমালোচনা কৰি দায়িত্ব সাৰে।

বছৰ বাগৰা লগে লগে বস্তু-বাহানিৰ দৰদাম বাঢ়ি গৈ থাকে। আমাৰ দা-দৰমহা একে থাকে। কেইটকা-মান বঢ়াই দিয়ে যদিও নুজুৰে। আমাৰ কথা শুনোতা কোনো নাই। ইতিমধ্যে উনৈশ তিৰাশী চনৰ সাধাৰণ নিৰ্ব্বাচন। গণ সংগ্ৰাম পৰিষদ আৰু ছাত্ৰ সন্থাৰ দ্বাৰা নিৰ্ব্বাচন বৰ্জনৰ আহ্বান। তাৰ মাজতে শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছ (আই) চৰকাৰ গঠন। আকৌ চৰকাৰক বৰ্জন কৰাৰ আহ্বান। এম, এল, এ বা মন্ত্ৰীক লগ ধৰা সকলক বৰ্জন বা ভাবুকি। উবা বাতৰিও ওলায় মন্ত্ৰীক লগ ধৰাৰ কাৰণে মাৰ পিত। আমি ভাবো আমাৰ কথা চৰকাৰক জনাও। মতৰ অমিল হয় আমাৰ মাজত। তথাপি শিক্ষামন্ত্ৰী মুকুট শৰ্ম্মা ডাঙৰীয়াক লগ কৰাৰ আলো-চনা কৰো অধ্যক্ষ চাৰৰ লগত। প্ৰিন্সিপাল চাৰ, নবীন গোহাঁই আৰু মই কামৰূপ এক্সপ্ৰেছত যাত্ৰা কৰিলো; শিক্ষা বিভাগৰ বৰমুৰীয়া সকলক লগ ধৰাৰ আশাত। ৰাতিপুৱা আনন্দ লজত গা-পা ধুই শিক্ষা মন্ত্ৰীৰ ঘৰলৈ বুলি যাও। দেখো তাত মানুহৰ ভীষণ ভিৰ। ভাবিলো নামনিৰ টোলৰ কোবতকৈ উজনিৰ উঠৰ কোব বেচি। আমাৰ শিক্ষাবিভাগৰ অধ্যাপিকা বীনা শৰ্ম্মা বাইদেউৰ সহযোগত শিক্ষা মন্ত্ৰীৰ লগত অলপ সময় আলোচনা কৰি কলেজৰ ঘাটি মঞ্জুৰীৰ আশ্বাস আদায় কৰিলো। এই চেগতে বাইদেউ আৰু অসমৰ প্ৰাক্তন শিক্ষা মন্ত্ৰী মুকুট শৰ্ম্মা ডাঙৰীয়ালৈ ধন্যবাদ জনালোঁ। মন্ত্ৰীৰ পৰা পোৱা আশ্বাস তিনিজনৰ ভিতৰতে আবদ্ধ ৰাখিলো। পাঁচদিনা যোৱা গোপী তামুলি আৰু ইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁই দেৱকো সেই কথা নহল কোৱা। ইতিমধ্যে ১৯৮৩ চনৰ চেপ্তেম্বৰ মাহৰ পৰা বিজ্ঞান শাখাই ঘাটি মঞ্জুৰী পোৱাত এটা ডাঙৰ বোজা কৰ্ত্তৃপক্ষৰ পৰা আঁতৰিল।

আনহাতে অইল ইণ্ডিয়াৰ ফালৰ পৰা আনটোঘৰৰ কাম শেষ হৈছিল। ছাত্ৰ-ছাত্ৰীৰ ভিৰলৈ চাই অইল কৰ্ত্তৃপক্ষক হেঁচা দিয়াত পুনৰ এটা ঘৰ দিয়াত ঘৰ দুৱাৰ যথেষ্ট হৈছে। আনহাতে গেছ কোম্পানীৰ দ্বাৰা চাৰিটা কোঠাৰ এটা অংশৰ লগত কলেজ কৰ্ত্তৃপক্ষই বনোৱা ঘৰেৰে সৈতে কলেজৰ কলেৱৰ এতিয়া যথেষ্ট হৈছে। আমাক কিন্তু আৰু ঘৰ দুৱাৰ লাগে।

কলেজৰ সকলো ফালে যাতে উন্নতি হয় তাৰ চেষ্টাত আমাৰ শিক্ষক-শিক্ষয়িত্ৰী সকল সদায় আগ্ৰহী। শিক্ষক সংস্থাই সময়মতে সকলো ফালে চকু ৰাখে। গছ-গছনি, উদ্যান আদিৰ ব্যৱস্থাৰে সৌন্দৰ্য্যবৰ্দ্ধনৰ চেষ্টা চলালেও উপযুক্ত ৰক্ষণাবেক্ষণৰ অভাৱত সি সম্পূৰ্ণ নহয়। বেঞ্চ ডেস্কৰ প্ৰকৃত হিচাব প্ৰতি বছৰে কিয় নোলায় ই এক পৰম ৰহস্য। ডেস্ক বেঞ্চ কিনি থাকিলেও সংখ্যা নাবাঢ়ে। ভগা ডেস্ক বেঞ্চ মেৰামতিৰ কাৰণে নাথাকে। এইবোৰ যেন কৰ্ত্তৃপক্ষই চাব লগা কথা নহয়েই।

আমাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজত সহযোগিতা সদায় আছে। শিক্ষক কল্যাণ পুঁজি গঠন কৰি শিক্ষক-শিক্ষয়িত্ৰী সকলে নিজে বহু সময়ত সকাহ পাইছে। এই ক্ষেত্ৰত লটাৰীখেলৰ বাবে শ্ৰীটপেশ সোণোৱাল আৰু থিয়েটাৰৰ লভ্যাংশৰ বাবে এই লিখকৰ কষ্ট স্বীকাৰ কৰিব লাগিব। লগতে সকলোৱে আগবঢ়োৱা সহায়ত শলাগ ল'ব লাগিব।

শেষত সকলোলৈকে আমাৰ সশ্ৰদ্ধ নিবেদন যাতে আমাৰ সকলোৰে সহযোগিতা, উদ্যোম, আৰু ঐক্যই ডুলীয়াজান কলেজক ভৱিষ্যতে এটি মহৎ অনুষ্ঠান ৰূপে গঢ়ি তোলাত সহায় কৰিব পাৰে। ◎

**মুক্ত কণ্ঠ**

*"ৰাজনীতি বিষয়টোৰ ওপৰত সম্যক জ্ঞান আহৰণ নকৰাকৈয়ে ৰাজনীতিত প্ৰবেশ কৰাটো যে দেশ আৰু জাতিৰ বাবে মঙ্গলজনক নহয়, ই বৰ্ত্তমান পৰিস্থিতিয়ে কয়।"*

স্মৃতিকথা

# মহাবিদ্যালয়ত স্মৰণীয় কেইটিমান মুহূৰ্ত্ত

১৯৬৯ চনত প্ৰতিষ্ঠিত হোৱা ডুলীয়াজান মহাবিদ্যালয়খনৰ জন্মৰ শুভমুহূৰ্ত্তৰ বহু কথাই আমাৰ অবিদিত। কিন্তু এইটো স্বীকাৰ কৰিবই লাগিব, জন্মৰ এই শুভ-ক্ষণটোত বহু ব্যক্তিৰ ত্যাগ, কষ্ট, একাগ্ৰতা থকা হেতুকেই ডুলীয়াজান তৈল নগৰীৰ কাষতে এনে এখন শিক্ষানুষ্ঠান গঢ় লৈ উঠিবলৈ পালে। জানিবলৈ পোৱামতে মুষ্টিমেয় কেইজনমান ব্যক্তিৰ সহযোগত এই অনুষ্ঠানে জীপ পাই উঠিছিল। প্ৰথমেই বৃহৎ আকাৰৰ বিল্ডিং নহলেও সাধাৰণ বাঁহ খেৰৰ ঘৰতেই ইয়াৰ শুভ উদ্বোধন হয়। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা প্ৰথম অৱস্থাত নগণ্য হ'লেও ক্ৰমান্বয়ে অঞ্চলটোৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সোঁত ববলৈ আৰম্ভ কৰে। প্ৰথমে ক'লা শাখা, পিছত বিজ্ঞান শাখা আৰু শেহতীয়া ভাৱে ১৯৯১ চনটোত বাণিজ্য শাখা খোলা হয়। পুৱা, দিন আৰু ৰাতি ভাগত পূৰ্ণোদ্যমে এইকেইটা বিভাগৰ শ্ৰেণীসমূহ চলি থাকে। বৰ্ত্তমান মহা-বিদ্যালয়খনিয়ে ২৫ বছৰত ভৰি দিছেহি। মহাবিদ্যালয়খনৰ অতীতৰ আৰম্ভণি দিনটোৰ পৰা মহাবিদ্যালয়খনত প্ৰবেশ কৰা দিনটোলৈকে আমাৰ স্মৃতি পটৰ ছবি উহ্য।

স্কুলী শিক্ষা সাং কৰি ডুলীয়াজান মহাবিদ্যালয়ত প্ৰথম পদাৰ্পণ কৰাৰ মুহূৰ্ত্ত-টোৱে আছিল অসমৰ এটি উত্তপ্ত পৰিবেশ। এনে উত্তপ্ত পৰিবেশত থাকি আমি অনিশ্চিত ভবিষ্যতলৈ বুলি এখোজ-দুখোজকৈ আগবাঢ়িছিলো। শ্ৰেণীসমূহ এৰা-ধৰা মাজেৰে হ'লেও হৈছিল। আন্দোলনৰ পূৰ্ণ পয়োভৰত প্ৰায়ে শ্ৰেণীবৰ্জন কৰিবলগীয়া হৈছিল। এনেকৈয়ে এটা বছৰ পাৰহৈ গৈছিল। বছৰবোৰৰ খেলিমেলিৰ মাজতো প্ৰাক স্নাতকৰ পৰীক্ষা, স্নাতকৰ পৰীক্ষা হৈছিল। ভয় ভয় ভাবেৰে ফলাফলবোৰৰ ওপৰত চকু ফুৰাইছিলো আৰু সফল হৈছিলো বাবেই মনটোও ফৰকাল হৈ পৰিছিল। আন্দোলনত এটা বছৰ লোকচানৰ বাবে মহাবিদ্যালয়ত আমি পাঁচোটা বছৰ কটাবলগীয়া হৈছিল। এই পাঁচোটা বছৰত বহু কিছু দেখিলো, শিকিলো, বহুজন ব্যক্তিকে লগ পালো, বহুজনেই আমাৰ মনৰ পৰা বিস্মৃতিত লয় পালে আৰু বহু কিছু কথা মনৰ মাজত অতীত ৰোমন্থনৰ মিঠা আমেজ দিবলৈকে সিক্ত হৈ ৰৈছিল গোপনে···।

বিদ্যালয়ৰ পৰা মহাবিদ্যালয়। বহু আশা আৰু সপোনৰ ঠাই। মহাবিদ্যালয়লৈ অহা ছাত্ৰী বাইদেউ সকলক বিদ্যালয়ত পঢ়ি থাকোতেই মন কৰিছিলো তেওঁলোকে চাদৰৰ আঁচলটো কঁকালত খোচনি মাৰি নিপিন্ধে। যিটো আমি বিদ্যালয়ত থাকোতে কৰিবলগীয়া হৈছিল। তেতিয়াই ভাবিছিলো মহাবিদ্যালয়ত ভৰি দিলে অন্তত চাদৰৰ আঁচল খোচনি মাৰিব নেলাগে। দশম মান শ্ৰেণীৰ এসোপা মান কিতাপৰ মাজৰ পৰা ওলাই আহি আনন্দ লাগিছিল। কিন্তু এটাই লেঠা ৰেগিং। ৰেগিংলৈ বৰ ভয় লাগিছিল। কিন্তু সৌভাগ্যক্ৰমে দূৰ সম্পৰ্কীয় ককাইদেউ এজন মহাবিদ্যালয়ত পঢ়ি থকাত ৰেগিং মাষ্টাৰ বুলি জনাজাত ককাইদেউৰ পৰা অন্তত হাত সাৰিব পাৰিলো। প্ৰাক্ স্নাতক মহলাৰ শ্ৰেণীসমূহত পাঠদান আৰম্ভ হৈছিল। মনত পৰে, অসমীয়া বিষয়টো পঢ়াবলৈ আহি শ্ৰদ্ধেয় হিতেশ বৰদলৈ চাৰে আমাৰ পৰা কিছুদিনৰ বাবে বিদায় লৈ গুচি যোৱা। ইংৰাজী বিষয়টো পঢ়াইছিল বৰ্ত্তমান অইল ইণ্ডিয়াৰ কৰ্মচাৰী বীনা গগৈ ( পুৰকায়স্থই ) হিতেশ চাৰৰ অনুপস্থিতিত অসমীয়া বিষয়টি পাছলৈ বীৰেণ চুতীয়া চাৰে লৈছিল। আৰম্ভণি কবিতাটি বুজাবলৈ লওঁতে তেখেতে কৰা আবৃত্তিৰ

কুমাৰী আইচেনা বুঢ়াগোঁহাই

সুৰটো মনৰ মাজত এতিয়াও বাজি উঠে— "মই এক অসি-জীৱী চামুৰাই।" বিষয়টিৰ পাঠদান শেষ হোৱাৰ পাছত আমাক দেওবাৰ এটাত তিনি ঘণ্টা সময় ১০০ নম্বৰৰ পৰীক্ষা লৈছিল। চাৰে কৈছিল ঃ যিজনেই আটাইতকৈ বেচি নম্বৰ পাব তেওঁকেই এটা ভাল পুৰস্কাৰ দিয়া হ'ব। বহীবোৰ ঘৰত বনাই আনিবলৈ কৈছিল। যথাসময়ত আমি ক্লাচ ৰুমত উপস্থিত হৈছিলো। প্ৰশ্নবোৰ চাৰে ব'ৰ্ডত লিখি দিছিল আৰু আমি কপি কৰি লৈছিলো। পৰীক্ষাৰ অন্তত বহীবোৰ জমা দি ঘৰাঘৰি গৈছিলো। সেইদিন ধৰি আজিলৈকে কোনজন ছাত্ৰ-ছাত্ৰীয়েনো চাৰৰ পৰা পুৰস্কাৰটি পালে জানিবলৈ মনটো ইচ্ছুক হৈয়ে ৰ'ল।



আমাৰ ক্লাচবোৰ আৰম্ভ হোৱাৰ সময়ৰ পৰা একেবাৰে শেষ ক্লাচটোলৈকে উপস্থিত থাকি ক্লাচৰ অন্তত Civil Defence ৰ ক্লাচবোৰো তুলীয়াজান মহাবিদ্যালয়তে কৰিছিলো।—সেই ক্লাচবোৰ কৰোঁতে আমাৰ লগত তুজন-মান অধ্যাপকেও প্ৰশিক্ষন লৈছিল। মনত পৰাৰ ভিতৰত ইন্দ্ৰ গোঁহাই চাৰ, প্ৰভাত ফুকন চাৰ আৰু পূৰ্ণ শইকীয়া চাৰ আছিল। চাৰ সকলৰ দৰে আমাৰ শিকাৰ উদ্দেশ্য নাছিল, প্ৰশিক্ষণ লওঁতে পোৱা টকা কেইটালৈহে আমাৰ মোহ আছিল। তথাপি প্ৰশিক্ষণৰ যোগেদি বহুকথাই শিকি পেলাইছিলো।

মহাবিদ্যালয়ত তেতিয়া আমি প্ৰাক্স্নাতক মহলাৰ ছাত্ৰী আছিলো। মহাবিদ্যালয়লৈ অহা অধ্যাপিকা সকলৰ চাল-চলন, ভাৱ ভঙ্গীমাক আমি অনুকৰণ কৰিবলৈ লৈছিলো। জয়ন্তী চুতীয়া আৰু জয়ন্তী খাউণ্ড তুগৰাকী বাইদেউ। এগৰাকী এতিয়া অসমৰ সুবিখ্যাত বৈজ্ঞানিক। তুয়োগৰাকী বাইদেউ খুউব্ বান্ধৱী আছিল। প্ৰায়ে একেলগে আহে যায়। তুয়োৰে ককাললৈ পৰা দীঘল একোচা বেনী। স্বাভাৱিকতে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ভাবিছিলো বাইদেউহঁতৰ দৰে আমিও কেতিয়াকৈ মহাবিদ্যালয়ৰ অধ্যা-পিকা হ'বলৈ পাম।

প্ৰাক্স্নাতক মহলাত পঢ়ি থাকোতেই হঠাতে জানি-বলৈ পালো আমাৰ অতিকে প্ৰিয় চাৰ অমিয় খনিকৰ চাৰ মহাবিদ্যালয়ৰ পৰা যাবলৈ ওলাইছে। ছাত্ৰ-ছাত্ৰী বন্ধু মহলত এক হুলস্থুলৰ সৃষ্টি হৈছিল। পাছত যেনিবা চাৰে আমাক এৰি থৈ নগ'ল।

সময়মতে প্ৰাক্ স্নাতকৰ পৰীক্ষা অনুষ্ঠিত হৈছিল। যথাসময়ত পৰীক্ষাৰ ফলাফলো ঘোষণা কৰা হৈছিল। পুনৰ একেখন মহাবিদ্যালয়তে নামভৰ্ত্তি কৰি লৈছিলো। স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকৰ অসমীয়াত সন্মান ল'বলৈ বিচৰাত অসমীয়াত সন্মান বিষয়টি খোলা হোৱাই নাই বুলি জানি তুখ লাগিছিল। তেতিয়াই ব্ৰজেন নিৰ্ম্মলীয়া চাৰে আমাক বহুখিনি উৎসাহ যোগায় আৰু অশেষ কষ্ট কৰি অসমীয়া বিভাগৰ সন্মান বিষয়টি খোলে। চাৰে আমাক কৈছিল— "প্ৰথম বেটছ হোৱাৰ বাবে কিতাপ পত্ৰৰ অসুবিধা হয়তো আহি পৰিব। কিন্তু যিমান পাৰো মোৰ ফালৰ পৰা তোমালোকক মই/সহায় কৰিবলৈ সাঁজু আছো। খেলি-মেলিৰ মাজেৰে অসমীয়াত সন্মান খোলা হবনে নহয় দোধোৰ-মোধোৰ অৱস্থাত থকাত আমি আটাইকেইটা বিষয়ৰ শ্ৰেণীসমূহত উপস্থিত আছিলো। এমাহমানৰ পিছতহে, আমাৰ সন্মানৰ শ্ৰেণীসমূহ হৈছিল। ১৯৮২ চনৰ ১৪ চেপ্তেম্বৰত সন্মান বিষয়টিৰ শুভ উদ্বোধন হয় চাহ মিঠাইলৈ। বৰ্ত্তমান শিক্ষক জিৰণি কোঠাটো আছিল তেতিয়াৰ লাইব্ৰেৰী কোঠা। সীমিত সংখ্যক কিতাপৰ মাজৰ পৰা কেইখনমান কিতাপৰ প্ৰথম পৰিচয় কৰাই দিছিল নিৰ্ম্মলীয়া চাৰে। চাৰে কৈছিল, "প্ৰতিটো কিতাপকে খৰচি মাৰি পঢ়ি বুজি লবা। তেতিয়াহে সহজ হৈ পৰিব।"

প্ৰতিটো ক্লাচকে খুউব সুন্দৰকৈ পঢ়াই গৈছিল। অধ্যাপক অধ্যাপিকা সকলে। বীনা বৰদলৈ বাইদেউক আমি তেতিয়া নতুনকৈ পাইছিলো। হিতেশ বৰদলৈ চাৰ, বীনা বাইদেউ আৰু নিৰ্ম্মলীয়া চাৰে আমাৰ সন্মানৰ বিষয়টি লৈছিল। সন্মানৰ বিষয়কেইটিৰ বাবে শ্ৰেণী কোঠা অভাৱ হোৱাত এটা চাৰি কোঠলীয়া বাঁহৰ ঘৰ সাজি দিছিল, য'ত কেতিয়াবা ক্লাচ কৰি থাকোতে কোনেও কাৰোৰ মাত নুশুনা হৈছিল। এদিন এনে এটি কোঠাত বৰদলৈ চাৰে ক্লাচ কৰি থকা অৱস্থাত শ্ৰেণীকোঠাত এটি সাপ সোমাই আহিল। সাপটো দেখা পালে আমাৰে সহপাঠী বাচা বৰাই (ধৰ্ম্মেশ্বৰ)। আমি মুঠ ছয়জন ছাত্ৰ-ছাত্ৰী আছিলো সন্মান বিষয়টিত। তিনিগৰাকী ছাত্ৰীয়েই বেঞ্চৰ ওপৰত দিলো ভৰি তুলি। চিঞৰৰ বাখৰত আমাতকৈ সাপে বেচি ভয় খাই পলাই পত্ৰং। চাৰে তৰ্কিবই নোৱাৰিলে। তেনেকৈয়ে এদিনাখন বীনা বাইদেউৰ ক্লাচত বাইদেউৱে বহা চকীখনৰ কাষতে বোন্দা কেচু এটা ওলাইছিল। কেচুটো দেখি বাইদেউৱে ভয়ে ভয়ে কিন্তু বৰ গহীনাই সহপাঠী এজনক পেলাই দিবলৈ কৈছিল। এনেবিলাক মৌকুঁহৰ মাজত থাকি আমাৰ বন্ধুকেইজনে ইজনে সিজনক সঁচা আন্তৰিকতাৰে সহায় সহযোগ আগবঢ়াইছিলো। চাৰ সকলে ক্লাচ কৰি যোৱাৰ পাছত আটাইকেইজনে পঢ়াই যোৱা পাঠটিৰ আলোচনা কৰি ইজনে-সিজনক প্ৰশ্ন সোধা-সুধি কৰিছিলোঁ।

মহাবিদ্যালয়ৰ ঘৰটি তেতিয়া ইমান প্ৰকাণ্ড নাছিল। মজিয়াকেইখন কেঁচা আছিল। ওপৰত ফেন লাইট নাছিল। হ'লেও কাৰো ওজৰ আপত্তি নাছিল। চাৰ বাইদেউ সকলে ঘামি-জামি ক্লাচ কৰি থকা অৱস্থাত আমাৰো হাতৰ বিচনি খন মাৰিবলৈ সংকোচ হৈছিল। মহাবিদ্যালয়ৰ সন্মুখৰ মুকলি ঠাইডোখৰত এজোপা বৰ ডাঙৰ গছ এতিয়াও আছে। আজৰি সময়কণত 'কমনৰুমৰ' অভাৱত সেই গছজোপাৰ তলত গৈ জিৰাইছিলো আৰু বহুবিষয়ৰ— আলোচনা কৰিছিলো। ভূত প্ৰেতৰ পৰা মানৱ অধিকাৰলৈকে সাহিত্যৰ পৰা ৰাজনীতিলৈকে, নেওঁতাৰ পৰা সাধাৰণজ্ঞানলৈকে। এইদৰেই সময়বোৰ অতিবাহিত হৈছিল।

আমিবোৰ যেতিয়া ছুবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ পৰীক্ষাৰ্থী, ফাইনেলৰ আগে আগে মহাবিদ্যালয়ৰ বাকী ছাত্ৰ-ছাত্ৰীসকলে 'বিদায় সভা' পাতিছিল। গোপী তামুলী চাৰৰ সভাপতিত্বত সভাখন খুবেই আনন্দদায়ক হৈছিল ভজন, বৰগীত, আধুনিক গীত আদিৰে আমাক আপ্যায়িত কৰিছিল। চাৰ বাইদেউ সমন্বিতে আমি ছাত্ৰ-ছাত্ৰীসকলে একেলগে বহি চাহ খোৱাৰ আমোদকণো আজি পাহৰিব নোৱাৰা এটি মুহূৰ্ত্ত।

স্নাতকৰ চূড়ান্ত পৰীক্ষা দিবলৈ ওলোৱাত বৰদলৈ চাৰে আমাক কৈছিল, 'যিজনে Frist Class পাবা তেওঁকেই খুউব ভালধৰণৰ এটি পুৰস্কাৰ দিয়া হ'ব।' পুৰস্কাৰটি অৱশ্যে আমাৰ ভাগ্যত নঘটিল। কিন্তু এটা কথা ভাবিলে এতিয়াও ভাল লাগে, প্ৰথম সন্মানৰ পৰীক্ষাৰ দিনটোত পৰীক্ষাৰ হলত বহি যেতিয়া আমি বৰ অসহায়বোধ কৰিছিলো তেতিয়া পৰীক্ষা আৰম্ভ হোৱাৰ কিছুসময়ৰ আগে আগে বৰদলৈ চাৰ আহি আমাৰ মনত সাহস যোগায়হি আৰু পৰীক্ষাৰ বাবে শুভেচ্ছা জনায়হি। আমি সঁচাকৈয়ে মনত সাহস গোটাব পাৰিছিলো।

মহাবিদ্যালয়ৰ সপ্তাহত পাৰো বা নোৱাৰো নিজৰ প্ৰতিভা প্ৰকাশ কৰাতকৈ জাহিৰ কৰিবলৈকে নাটক, গান, (কোৰাচ আধুনিক) ইত্যাদিত সাহিত্যৰ লিখনিত, আবৃত্তি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিলো। মহাবিদ্যালয়ৰ এনে এটি সপ্তাহত আবৃত্তি প্ৰতিযোগিতাত ভাগ লৈ নিৰ্দিষ্ট কবিতাটি মুখস্থ কৰি মঞ্চত উঠি আবৃত্তিৰ সুৰেৰে আকাশ মাৰ্গলৈ চাই মাতি গৈছো। সন্মুখত তেতিয়া তিনিজন বিচাৰক। বাকী দুজন কোন আছিল মোৰ বিশেষ মনত নাই যদিও মাজৰ আসনখনত অমিয় খনিকৰ চাৰ বহি মোৰ মুখলৈ চাই থকা দেখি অলপ নাৰ্ভাচ হৈছিলো। সেই নাৰ্ভাচৰ লগতে যোগ হৈছিল আমাৰ বন্ধু মহলৰ নাৰ্ভাচ কৰোৱাৰ প্ৰচেষ্টা 'পাহৰিলে পাহৰিলে' বুলি কৰা ঐক্যবদ্ধ সুৰ। আপোনমনে আকাশমাৰ্গলৈ চাই থকা মোৰ চকুযুৰি প্ৰেক্ষাগৃহৰ চিঞৰৰ ফাললৈ নিজে নিজে নামি আহিছিল আৰু সঁচাকৈয়ে কবিতাৰ পাছৰ ফাঁকিৰ এটা শব্দ 'তাৰপিছত' উচ্চাৰণ কৰি বাকী সকলোবোৰেই পাহৰি পেলাইছিলো। মূৰত যেন তেতিয়াই সৰগ ভাগি পৰিছিল।

লাজতে মঞ্চৰ পৰা দৌৰি ওলাই আহিছিলো। পাছত অমিয় চাৰে মাতি নি মৃদুভাৱে গালিও দিছিল।

এইদৰে মিঠা মিঠা আমেজৰ দিনবোৰ পলকতে শেষ হৈ আহিল। পৰীক্ষা দি মহাবিদ্যালয়ৰ ছাত্ৰী জীৱনৰ অৱসান ঘটিলেও মনৰ পটত ৰৈ যোৱা ছবিবোৰেই আমাৰ অতীতলৈ ঘূৰি যোৱাৰ এটি লুংলুঙীয়া বাট কাটি দিলে। এই বাটেৰে বহুজনেই আহিল-গ'ল। মহাবিদ্যালয়ৰ পঁচিশ বছৰীয়া জীৱনৰ বহুজনৰ বাবে শেষ নোহোৱা ছবি হৈয়ে ৰ'ল। ●

পুৰণি আলোচনীৰ পাতৰ পৰা–

## নৈখন কেনি বৈ যায়

*—বিকাশ কুমাৰ কেওঁট*

সোমাব পৰাহ'লে
এবাৰ
মই মোৰ ভিতৰত
চুই চালোহেঁতেন
হৃদয় নামৰ নদীখন
অথবা
নদীখনৰ ডুবিটোৰ পৰা
বৰশী টোপাই
ধৰি আনিলোহেঁতেন
অনুভূতিৰ জীয়া মাছবোৰ।
বাহিৰৰ পৰাই মই
উমান লৈ আছো
নৈখন কেনি বৈ যায়। ◎

(দশম সংখ্যা, ১৯৯০-৯১)

স্মৃতিকথা

# মোৰ দৃষ্টিত দুলীয়াজান মহাবিদ্যালয়ৰ অতীত আৰু বৰ্ত্তমান

— বাচা বৰা

সমাজ সদায় পৰিবৰ্ত্তনশীল। এই পৰিবৰ্ত্তন আনিবলৈ হ'লে গতিশীল হ'ব লাগিব। যিখন সমাজ মন্থৰশীল হ'ব সেই সমাজ কাহানিও পৰিবৰ্ত্তন নহয়। পৃথিবীৰ যি কোনো বস্তু যে স্থায়ী হৈ থাকিব নোৱাৰে তাৰ উদাহৰণ আমি বাস্তৱত নেদেখা নহয়। যিহেতু আমাৰ দেশখনৰ অতীতৰ কথাকে ধৰি লব পাৰো। অতীতৰ ৰজা, মহাৰজা সকলে নিজৰ নাম যুগমীয়া কৰি ৰাখিবৰ বাবে কিছুমান কাম কৰিছিল। কোনোৱে শিলত কাটি কাটি নাম লিখিছিল, কোনোৱে ডাঙৰ পুখুৰী খন্দালে, ডাঙৰ আলি, গড়, মঠ-মন্দিৰ সাজিলে। হাবি কাটি নগৰ সাজিলে কিন্তু সময়ৰ সোঁতত নগৰ সাগৰ হয়, সাগৰ নগৰ হয়। নগৰত বাঘে বাস কৰে, অৰণ্যত পুনৰ অট্টালিকা গঢ়ি উঠে। সেই অট্টালিকাৰ শিলত পুনৰ শেলুৱৈ ধৰে। এইয়া হ'ল সৃষ্টিৰ নিয়ম।

দুলীয়াজানৰ বুৰঞ্জী নাজানিলেও জ্যেষ্ঠসকলৰ মুখত কেতিয়াবা শুনো— দুলীয়াজান এসময়ত হাবিৰে ভৰি আছিল। য'ত বনৰীয়া বাঘ, হাতীৰ ৰাজত্ব চলিছিল। কিন্তু বৰ্ত্তমান আমি কি দেখিছো— অটবা হাবিৰ ঠাইত সৃষ্টি হ'ল ভাবি নোৱাৰা ডাঙৰ ডাঙৰ অট্টালিকা। বাঘ, হাতীৰ বিনিময়ত আহিল কল-কাৰখানা। অকল ইমানেই নে? বহুত উন্নতি হ'ল। যিখিনিৰ আলোচনা এই লিখনিত সামৰিব নোৱাৰি। এই লিখনিত দুলীয়াজান মহাবিদ্যালয়ৰ শ্ৰদ্ধাঞ্জলি হিচাপে চমুকৈ ক'বলৈ লৈছো।

১৯৬৯ চনতে প্ৰতিষ্ঠা লাভ কৰা দুলীয়াজান মহাবিদ্যালয়ত ভৰি দিওঁগৈ ১৯৮০ চনত। তেতিয়া আজিৰ দৰে মহাবিদ্যালয়ৰ অৱস্থা নাছিল। যিহেতু, বৰ্ত্তমান মহাবিদ্যালয়খনিৰ পৰিসৰ ইমানে বৃদ্ধি পালে ভাবিলে আচৰিত লাগে। এটি ছাত্ৰী নিবাস ঘৰ হোৱাৰ উপৰিও আঠটা প্ৰকাণ্ড অট্টালিকা গঢ়ি উঠিল। পুথিভঁৰাল উন্নতি হ'ল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িল আৰু যে কিমান উন্নতি হ'ল যিখিনি দেখিলে আনন্দতে মন নাচি উঠে। ১৯৮২ চনত প্ৰাক্ স্নাতক পৰীক্ষাত উৰ্ত্তীণ হৈ মনে মিলা কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে ছাৰসকলৰ সৌজন্যত অসমীয়া সন্মানৰ বিভাগটো আৰম্ভ কৰো। উল্লেখযোগ্য যে একে বছৰতে বিশ্ববিদ্যালয় তৰফৰ পৰা অসমীয়া সন্মানৰ বিভাগটোৱে স্বীকৃতি পাবলৈ সক্ষম হয়। মোৰ লগৰ ছাত্ৰ-ছাত্ৰীসকল হ'ল (যি সকলে অসমীয়া সন্মানৰ পাঠত আগভাগ লৈছিল) আইচেনা বুঢ়াগোহাঁই, ৰাজেন গগৈ, অজিত গগৈ, কল্পনা নাথ আৰু অনু গগৈ। তাৰোপৰি মোৰ নলে গলে লগা ভাতৃহেন বন্ধু বহুত পাইছিলো। তাৰ ভিতৰত— অৰবিন্দ শৰ্ম্মা, পৱন বৰা, গোপী গোস্বামী, দিলীপ তামুলী আদি। ছাৰ সকলৰ পৰা যিখিনি মৰম পাইছিলো সেইখিনি মই জীৱনত পাহৰিব নোৱাৰো। লগৰ ছাত্ৰ-ছাত্ৰীসকলে যিদৰে বন্ধুত্ব ভাৱেৰে মৰম কৰিছিল যি মৰমৰ চিন আজিও প্ৰকট হৈ আছে। মোৰ শ্ৰদ্ধাৰ ছাৰ সকল আছিল— সৰ্ব্বশ্ৰীহিতেশ বৰদলৈ, বীনা বৰদলৈ, সদা দত্ত, সুৰেণ গগৈ, নিৰঞ্জন বৰুৱা, নবীন গোহাঁই, ইন্দ্ৰ গোহাঁই, বীৰেণ চুতীয়া, বীৰেণ বৰুৱা, পূৰ্ণ শইকীয়া, ভূপেন শইকীয়া, প্ৰভাত ফুকন, টপেশ সোনোৱাল আদি কৰি বহু কেইজন।

দুলীয়াজান মহাবিদ্যালয়ৰ স্মৃতিখিনিয়ে মাজে মাজে মনত দোলা দি থাকে। সেয়ে, অলপতে পবিত্ৰ শিক্ষানুষ্ঠানটোলৈ দৰ্শনৰ উদ্দেশ্যে গৈছিলো। মহাবিদ্যালয়খনিৰ বাহ্যিক পৰিবেশটো উন্নতি হৈছে যদিও ভিতৰ চৰাখন কিছু দুৰ্ব্বলতা দেখিলো কিয়নো, আমাৰ দিনত ছাত্ৰ-ছাত্ৰী সকলৰ কথা বাদেই শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যি মধুৰ মৰম-স্নেহ আছিল বৰ্ত্তমান যেন সেইবিলাক ম্লান পৰিছে তেনে কিছুমান লক্ষণ মোৰ পৰিলক্ষিত হ'ল।

ছাত্ৰীসকলৰ পোছাক কিছু পৰিবৰ্ত্তন দেখি ভাব হ'ল যেন অনুশাসনৰ শক্তি কমি আহিছে। যি কি নওঁহক শিক্ষা এক অতুলনীয় অমূল্য সম্পদ। শিক্ষাই এফালে যেনেকৈ সমাজৰ আমূল পৰিবৰ্ত্তন কৰে আনফালে ই ব্যক্তিৰ ব্যক্তিত্ব, প্ৰতিভা, সুস্থ মানসিকতা আৰু নৈতিকতাত সুন্দৰ ৰূপে গঢ় দিয়ে। তাৰোপৰি শিক্ষাৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশটোত ইয়াৰ এক উমৈহতীয়া বিশুদ্ধ প্ৰভাৱ আছে। সেয়েহে আমি কব লাগিব যে, শিক্ষা এক অবিচলিত জ্ঞানৰ বান্ধোন এই শিক্ষাৰ উৎস সমূহৰ ভিতৰত প্ৰধান হ'ল— শিক্ষানুষ্ঠান সমূহ। গতিকে আমি এই মহান তথা পৱিত্ৰ অনুষ্ঠান সমূহ ৰক্ষণাবেক্ষণ সহ উন্নতি কৰা কৰ্তব্য। আন আন শিক্ষানুষ্ঠান সমূহৰ ভিতৰৰে আমাৰ এই ছুলীয়াজান মহাবিদ্যালয়। বৰ্ত্তমান আমাৰ জ্ঞানী পুৰুষৰ আৱশ্যক হৈছে। এই জ্ঞানী পুৰুষ গঢ়ি তুলিব শিক্ষানুষ্ঠান সমূহে। যিহেতু, বৰ্ত্তমান অসমবাসী এক সংকটপূৰ্ণ জটিল সময়ৰ সন্মুখীন হৈছে। অসমৰ সম্পূৰ্ণ পৰিবেশ বৰ্ত্তমান ধোঁৱামায়। এই অৱস্থাত আমি প্ৰত্যেকজনে আন্তৰিক আদান-প্ৰদান কৰি সমন্বয় গঢ়াৰ সময় আহি পৰিছে। বৰ্ণবাদৰ নিচিনা ঠেক মনোভাব পৰিহাৰ কৰি পৰস্পৰে পৰস্পৰক আঁকোৱালি লোৱাৰ সময় সমাগত। আশা কৰিছো— ছুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এইবিলাক কথাত গুৰুত্ব দিব।

সদৌ শেষত, এই পবিত্ৰ ক্ষণত নৱ প্ৰজন্মই যেন অন্তৰৰ মলিনতাখিনি আঁতৰাই পৰস্পৰে পৰস্পৰক ভাতৃসুলভ মনোভাবেৰে আঁকোৱালি লৈ আমাৰ এই মহাবিদ্যালয়খনিলৈ অমৰ জ্যোতি কঢ়িয়াই আনে তাৰ বাবে আশা ৰাখিছো। ◎

---

**বিক্ষিপ্ত চিন্তা—**

*"......আমাৰ শিক্ষা ব্যৱস্থাই আমাক কৰ্মমুখী মানসিকতাৰ বিনিময়ত এটা চৰকাৰী চাকৰিমুখী শিক্ষা গ্ৰহণৰ সুবিধা দিছে। কিন্তু সকলোৱেতো চৰকাৰী চাকৰি পোৱা সম্ভৱ নহয়। সেয়ে কেতিয়াবা নিজকে সমাজৰ এটা বোজা যেন লাগে।"*

— শ্ৰীমতী দিব্যজ্যোতি বৰশইকীয়া, প্ৰাক্তন ছাত্ৰী

স্মৃতিকথা

# শিক্ষক জীৱনত ঘটা দুই এটা ইটো সিটো

— *গোপী তামুলী*

[ আগকথা ॥ স্মৃতি গ্ৰন্থৰ সম্পাদকৰ স্পষ্ট নিৰ্দেশ। নিৰ্দিষ্ট কৰি দিছে বিষয় বস্তু। শিক্ষক জীৱনত ঘটা বিভিন্ন ঘটনাৰ ওপৰত লেখিবলৈ। আদেশ শিৰোধাৰ্যৰ এয়া তাৰেই প্ৰস্তুতি। ]

**শ্বেত চৰ্ম ঃ চমৎকাৰ তোমাৰ কৰ্ম**

পৰিকল্পনা পুঁজি সংগ্ৰহৰ। কলেজৰ। অ ন্য উপায়ৰ লগতে 'ক্লাব চিট।' অইলৰ কৰ্মী, বিষয়াৰ। বিষয়টোৰ ওপৰত সৰ্বসম্মত সিদ্ধান্ত। কলেজ পৰিচালনা কমিটিৰ। দুলীয়াজানৰ। সিদ্ধান্ত কাৰ্যকৰী কৰাৰ দায়িত্ব পৰিল সহকৰ্মী বীৰেণ চুতীয়া আৰু মোৰ ওপৰত।

সমৰত জপিয়াই পৰিলো। সহৃদয় দুজনমান কৰ্মী বিষয়াই জনালে আন্তৰিক সহযোগ। আমাৰ সংগ্ৰহ অভিযান 'ইণ্ডাষ্টিয়েল এৰিয়াৰ' পৰা প্ৰথমতে।

প্ৰথমতে দুই এজনে আদৰিলে। উত্তম কাৰ্য বুলি শলাগিলে। যেই মাত্ৰ ক্লাব চিট্‌খন আগবঢ়াই দিওঁ, ভাগি পৰে আত্মীয়তাৰ বালিঘৰ। বৰজনাকৰ আগত নবোৱাৰীৰ অৱস্থাৰ অনুৰূপ দৃশ্যৰ অবতাড়না।

প্ৰস্তাৱনা শুনিয়েই, আমাক দেখিয়েই,—

"কোনোৱে জুমি চাই
বহুতে আঁতৰি যায়
ভুলতো নেচাপে কাষ আঁতৰি পলাই।"

পলাই যায়। আতংকগ্ৰস্ত হয় অধিকাংশই। আগ দুৱাৰেদি গ'লে পাচ দুৱাৰেদি, পাচফালে গ'লে বিপৰীত হয়। তাৰোপৰি টেলিফোনৰ সুব্যৱস্থাত আমাৰ উপস্থিতি শত্ৰু-পক্ষৰ বিমান অৱস্থান—

'গৃহত থাকিয়া
তথু চৰণ'ৰ সমতুল্য।

প্ৰমূল্যৰ এনে চমৎকাৰিত্ব বেচ উপভোগ্য হৈ পৰিছিল। বন্ধ দুৱাৰত কৰাঘাতৰ কাৰ্যসূচী আমাৰ যিমানেই প্ৰাৱল্য হৈ পৰিছে পলায়নৰ পাশাখেল হৈ পৰিছে সিমানেই প্ৰৱল।

অমল সম্ভাষণ যাচিছিল তাৰ মাজতে এজনে। যিজনে সোঁতৰ বাৰ ভাৰত আক্ৰমণ কৰিছিল আমাৰ অভিযানক ৰাইঞ্জে দিছিল তেনে আখ্যা।

ব্যাখ্যা যিয়েই নহওঁক, নিষ্ঠা আৰু ঐকান্তিকতাৰে আমি গৈ আছো। আমনি লাগিছে 'ৱশ্যে বন্ধ দুৱাৰ আঙুলিৰ আঘাত সানি সানি।

হঠাৎ দেখো,

'সিন্ধি খান্দি ফুৰন্তে
দুৱাৰৰ পাইলো পথ।'

পথত অন্তৰায় নথকা এটা সুসজ্জিত কোঠা। কুণ্ঠাবোধ নকৰি চুতীয়া আগবাঢ়িল। তালৈকে ঠিকেই আছিল। কিন্তু আমাৰ খোজৰ শব্দ ব্ৰহ্মৰ ব্ৰহ্মাই পুষ্প বনত লগালে অযথা খলকনি।

আলখনীয়ে পোৱা মানুহৰ দৰে ইমান সময়ে ফাইলৰ হাবিত তন্ময় হৈ থকা শ্বেত চৰ্মৰ এজন লোকে আছিল নহয় খেদি। মুখত প্ৰত্নতাত্বিক যুগৰ ভাষাৰ প্ৰশ্ন-স্থষ্টিকৰা সেই ভাষাক পাঠোদ্ধাৰ কৰিলো বহুত পলমকৈ। অৰ্থটো হ'ল,

'বিনা অনুমতিত মোৰ কোঠা,
জোতাৰ ধূলা কিয় দিলি, হেৰ হতভগা।'

"সেই এইটো।" ইমান সময়ে সাঁচি ৰখা চুতীয়াৰ বিৰক্তিৰ বোমা।

বোমাৰ পৰা বোমাৰু বিমান। কাৰণ চুতীয়াই মুবুজে শ্বেত চৰ্মৰ কথা। ই পক্ষই নুবুজেই চুতীয়াৰ ঋনা। সংলাপ প্ৰক্ষেপনৰ তীব্ৰ প্ৰতিযোগিতা চলিছে। দুয়োৰে।

চলিছে মোৰো অনুশীলন। শ্বেতধুম্ৰ দণ্ডিকা সেৱন। বুদ্ধিৰ বৌদ্ধিক চেতনা জাগৰণৰ। ধোঁৱাৰে মগজ পৰিষ্কাৰ কৰি, মধ্যস্থতাৰ ভূমিকা গ্ৰহণ কৰি কলো,

শ্বেতচৰ্মৰ মানৱ সন্তানক কথমপি বাকৰুদ্ধ কৰি,

'হে মৰতত শাপভ্ৰষ্টা স্বৰ্গৰ সন্তান !
নেভাবিবা দিছো বুলি অযাচিত জ্ঞান,
সংবৰণ কৰা ক্ৰোধ শুনিয়ো সম্প্ৰতি,
আহিছো সোমাই আমি লবলৈ অনুমতি।

অনুভূতি আৰু অভিভূতৰ এনে নিদৰ্শন বিৰল। মোৰ উপস্থিত বুদ্ধিৰ এনে নিদৰ্শন পাই সেই শ্বেত চৰ্মৰ চাহাব হ'ল মুগ্ধ।

বিমুগ্ধ আমি দুয়ো। কাৰণ, চাহাবে উলাহেৰে চকীত বহোৱাই, আদৰেৰে কফি খুৱাই সাদৰেৰে নগদ টকাৰে আমাক উৎসাহিত কৰি লগতে যাচিলে পুনৰ আমন্ত্ৰণৰ শৰাই।

## তাচ্ছিল্যৰ হাঁহি ঃ মই বালিমাহী

তেতিয়া মই নিৰ্মাণ শাখাৰ সম্পাদক কলেজৰ। কলেজৰ শ্ৰেণীকোঠাৰ কাৰণে ঘৰৰ অতীৱ প্ৰয়োজন। পৰিচালনা কমিটিয়ে সিদ্ধান্ত ললে। ঘৰৰ নিৰ্দিষ্ট জোখ-মাফ দিলে।

আৰু দিলে দায়িত্ব মোক। "কিমান লাগিব নিৰ্মাণৰ খৰচ।" সভাপতি আসনৰ পৰা মিঃ কে, চি ৰয়ৰ প্ৰশ্ন।

"আঠ শ টকা।" মোৰ উত্তৰ।

"আঠ হেজাৰ।" মই ভুলকৈ কৈছো বুলি সভাপতিয়ে মোক ৰক্ষা কৰাৰ প্ৰচেষ্টা। অযথা প্ৰশ্ন নহয় বুলি মই চিন্তিত। তথাপিও মনতে জমা খৰচ কৰি মই বেছি কোৱা নাই বুলি প্ৰত্যয় গলো। দৃঢ়তাৰে পূৰ্বৰ উত্তৰকে দোহাৰিলো।

দলগত উপহাসৰ হাঁহি। বাকী সদস্যৰ মুখত। দুয়ো মুখত ভাগি নপৰি, সেই হাঁহি হজম কৰি পাছদিনা দুয়ো গলো। চুতীয়া আৰু মই। মই নিশাটো শুব পৰা নাছিলো। আঠশ টকাত ঘৰ বনাই দিম বুলি দৃঢ় প্ৰতিজ্ঞ হলো।

গ'লো পুৱাতেই অগতিৰ গতি তেতিয়াৰ 'প্ৰডাক্সন চুপাৰ' মিঃ চি, জিৰ ওচৰলৈ। পাছদিনা। পৰম আত্মীয়তাৰে তেখেতে আদৰিলে।

আন্তৰিকতাৰে আমাৰ আবেদন শুনিলে। অকল শুনাই নহয় তেতিয়াই কৰিলে তাৰ বিহিত ব্যৱস্থা।

ব্যৱস্থা মানে ছুটা মান টেলিফোনৰ। চাহ কফিৰ। কফিৰ লগত চলিল কলেজ সম্পৰ্কে দুই এটা উপদেশ, আলোচনা। আলোচনা সামৰি দুই এঠাইত সোমাই আমি যেতিয়া কলেজ চৌহদ পাওঁহি তাৰ আগতেই পৰিলহি এতিয়া লাইব্ৰেৰীৰ কাষত নাওঠ হৈ থিয় দি থকা ঘৰটোত ব্যৱহৃত পাইপৰ খুটা, কেচি আদি মূল্যবান সামগ্ৰী। এদিনতে। এটকা খৰচ নকৰাকৈ।

## স্বপ্নময় ঃ বিস্ময়

১৯৬৯ ত কলেজ পাতিলো। ল'ৰা-ছোৱালী পাচ কৰি ক'ৰবাৰ পালেগৈ। '৭৭ চৰকাৰে ক'লে, 'আঁহা, তোমালোকে কিদৰে পঢ়োৱাইছা পৰীক্ষা লওঁহক।'

গলোহঁক। কিন্তু বৰ অস্বস্তিৰে। কলেজৰ পুঁজিৰ কাৰণে থিয়েটাৰ মাতিছো। শিক্ষকসকলে। প্ৰথম বাৰলৈ। সেই বাৰেই ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰথম পদাৰ্পণ।

পদাৰ্পণ (?) কৰিবগৈ লাগে আমি। গুৱাহাটীত।

থিয়েটাৰৰ দুদিনৰ আগতে। মাতিছে ৭/৮ জনমানক একে লগে। গ'লো। পুৱা পালোগৈ। দহ বজাত সাক্ষাতকাৰ।

সহযাত্ৰী বীৰেণ চুতীয়াই ক'লে, একেবাৰে অন্নমুঠি ধৰিলও কি বোলা!"

"বুলিবলৈ নাই। আগে চাউলকঠা। পাচে পৰেও চাকৰি ফেৰা।" উজান দিলে নিৰ্মলীয়াই।

ময়ো দিলো। উজানৰ বিপৰীতেহে। সেই ফেৰা কাম দিনৰ বেলা মোৰ দ্বাৰা অলপ পলমকৈ চলে। নচলিলেও চলালো দুভৰি তেওঁলোকক অনুসৰণ কৰি।

অন্নমুঠি ধৰি মুখত সেলেঙী বোৱাই দুয়ো আগে আগে। শ্বেতধুম্ৰ দণ্ডিকা জ্বলাই ময়ো পাছে পাছে গৈ এসময়ত

প্ৰৱেশ কৰিলোঁগৈ বধ্যভূমিত। আৰু যেতিয়া যন্ত্ৰণাৰ জেৰেঙাৰ পৰা ওলাই আহোঁ সময় তেতিয়া দিনৰ ডেৰ বাজি গৈছে।

হৈছে চিগাৰ উপক্ৰম। ভোকত। পেটৰ নাড়ী। মেট্ৰিকৰ পৰা ওপৰৰ যিমান চাৰ্টিফিকেট লগতে অন্যান্য যিমান বিলাক অৰ্হতা, অভিজ্ঞতা, জ্ঞান প্ৰদৰ্শনৰ তুলাপাতৰ 'অৰিজিন' আছিল ডাঙৰ কাগজৰ বেগত ভৰাই আনিছিলো। সেই সোপা বীৰেণক দি ক'লো," মই পেটৰ কম্পেইনত গ'লো, এইবোৰ তোমাক গটালো।"

"কেনেবাকৈ যদি হেৰাই ?"

"হেৰুৱাৰ আগতে ব্ৰহ্মপুত্ৰত পেলোৱাগৈ। বিচৰাৰ কষ্ট নহ'ব।"

সময় নষ্ট নকৰি মই আগুৱালো।

আগতেই উল্লেখ কৰিছো, অপচয় কৰিবলৈ আমাৰ হাতত তেতিয়া সময় নাছিল। সেয়ে, সন্ধিয়াৰ ৬ বজাৰ ট্ৰেইনত উভতি অহাৰ ব্যৱস্থা কৰি ৰাখিছিলো।

অপেক্ষা কৰিছিলো বীৰেণহঁতলৈ এক নিৰ্দিষ্ট হোটেলত। হোটেলখনত আছিল সপত্নীক নবীন গোহাঁই। গোহাঁইৰ কোঠাৰ খিৰিকীৰ কাষত বৈ অভাৱ ত্ৰীজেদি অহা যোৱা কৰা জনসমুদ্ৰত ডুব গৈ আছিলো।

জনা নাছিলো কেতিয়াবাৰ পৰাই মাতি আছিল বুলি। মোক। ইতিহাস পঢ়োওৱা সৰুজিনীয়ে মুলাগাভৰুৰ কণ্ঠেৰে ক'লে, "অথনিৰ পৰা মাতি আছো শুনা নাই? গম পাইছে নে নাই আপুনিয়ে ডুবিল।"

বেলি ডুবিছিল কেতিয়াবাই। ডুব গৈ আছিলো বহুপৰ। ভাবত। জানো। নেজানিলো আৰুনো কি ডুবিল বুলি।

এই বুলি ভাবি, উভতি চালো। এখিনি উৎকণ্ঠিত জনতাৰ সমাবেশ। সস্ত্ৰীক নবীন, প্ৰবীনৰ শাৰীত চুতীয়া, নিৰ্মলীয়া। ডাৱৰীয়া— মুখৰ অভিব্যক্তি। সকলোৰে।

"হেবাল বুজিছা।" কম ভলিউমৰ কণ্ঠস্বৰ। বীৰেণৰ।

"চৰ চাৰ্টিফিকেট পেলাই আহিছে।" নবীনৰ নৱতম সংযোজন।

"ক'ত পৰিল, কোনে পালে— কোনে জানে।"

ইতিহাস পঢ়োৱা গৰাকীৰ নেপথ্য সংগীত। কথাটো সঁচা।" তামোলৰ সেলেঙী বোৱা জনৰ জনমত।

জন প্ৰতিনিধিটোলৈ চালো। এজনক নিৰ্দিষ্ট বক্তা ৰূপে দায়িত্ব দিয়াত যি বুজিলো তাৰ সাৰমৰ্ম এনেধৰণৰ।

একেধৰণৰ বেগত চাৰ্টিফিকেট ভৰোৱা বেগ দুটা লৈ বীৰেনে পান, ফাঁচী, উজান, পল্টন নামৰ যিমান বজাৰ আছে তালৈ গ'ল। কিনিলে বিভিন্ন সামগ্ৰী। ভৰালে বিভিন্ন বেগত। আনিলে কাবলতিৰ কেপত। দেখুৱালেহি হোটেলত। নবীনহঁতক। শতবাক হ'ল তেতিয়াহে যেতিয়া গম পালে উল্লেখিত বেগৰ অনুপস্থিতি। ক'ত পেলাই আহিল ভগৱানেহে জানে।

"মই কি কৰিব লাগে? পৰিল, পৰিল। মইতো অথনি ব্ৰহ্মপুত্ৰত—।"

"ধেমালী নকৰিব।" কোনো দিনে টান কথা নোকোৱা সৰুজিনীৰ অনুশাসন।

"ধেমালী নকৰো যদি চিৰিয়াচ কাম কৰোগৈ বলা।" মোৰ নিমাখিত উক্তি।

"মানে?"— সমবায়ী প্ৰশ্ন।

"হেৰুওৱা বস্তুৰ সন্ধান।" কণ্ঠত সুষমা সনা মোৰ উত্তৰ।

নিৰুত্তৰ হৈ ৰ'ল চাৰিওজন সতীৰ্থ। প্ৰথমতে। অবিশ্বাস চাৱনিৰে চাই ৰ'ল মোলৈ। মোৰ মগজুৰ সুস্থিৰতা সম্পৰ্কে তেওঁলোক যে সন্দিহান হৈছিল মই উপলব্ধি কৰিছিলো। কৈছিল স্পষ্টভাৱে তেওঁলোকে। "এইটো একেবাৰে অসম্ভৱ। এইখন গুৱাহাটী মহানগৰী। সময়টো হ'ল সন্ধিয়া। হেজাৰ হেজাৰ মানুহৰ সমাগম। হাতী এটা হেৰালেও বিচাৰি পোৱা টান। এনে অৱস্থাত তোমাৰ পৰিকল্পনা অৱাস্তৱ, অচিন্তনীয়, অসম্ভৱ।"

কিন্তু অসম্ভৱো সম্ভৱ হৈছিল। মই দৃঢ়প্ৰতিজ্ঞ হৈ আৰম্ভ কৰিলো মোৰ তদন্ত। আৰু প্ৰায় বিশ মিনিটৰ ভিতৰত অসম্ভৱক সম্ভৱ কৰি উদ্ধাৰ কৰিছিলো আমাৰ জীৱনৰ হেৰুৱা অমূল্য সম্পদ ৰাজি অবিশ্বাস্য বিস্ময়কৰ ভাবে।

সেয়া এক অন্য কাহিনী।

স্মৃতিকথা

# স্মৃতিৰ ভীৰ ফালি এৰি অহা দিনৰ আলেখ্য

— *অজিত শইকীয়া*
প্ৰাক্তন ছাত্ৰ

***পাতনি ঃ—***

১৯৬৯ চনত স্থাপিত হোৱা মহাবিদ্যালয়খনৰ ২৫ বছৰ পূৰ্ণ হৈছে। ময়ো জীৱনৰ পঁচিশটা বসন্ত পাৰ কৰিছো। সমবয়সীয়া হিচাপে আনজনৰ দোষ-গুণ বিচাৰ কৰিবলৈ যোৱাটো মোৰ পক্ষে ধৃষ্টতা হয় যদিও একেলগে কটোৱা সমকালীন সময়ছোৱাৰ বন্ধুবোৰ আনন্দ-বিষাদ স্মৃতিয়ে মোৰ সোঁৱৰণীক জোকাই থাকে। মহাবিদ্যালয়ত কটোৱা বছৰ কেইটাৰ ভিতৰত সান্নিধ্যলৈ অহা শিক্ষাগুৰু সকল; সহপাঠী, অগ্ৰজ-অনুজৰ সতে পাৰ কৰি দিয়া বিভিন্ন স্মৰণীয় মুহূৰ্ত্তবোৰ, বিভিন্ন কাম-কাজত হোৱা অনুভৱ উপলব্ধি-অভিজ্ঞতাবোৰৰ কথা মনত পৰিলেই মোৰ মন ময়ূৰী সেইবোৰ পৰিবেশলৈ এতিয়াও বাৰে বাৰে ঘূৰি যাব বিচাৰে। এই মোৰ সোঁৱৰণী সম্পূৰ্ণ স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি লিখা, কিছুমান উল্লেখযোগ্য কথাও যে সময়ৰ সোঁতত নিঃশেষ হৈ যোৱা নাই সেই কথা ডাঠি কব নোৱাৰো।

***পৃষ্ঠভূমি ঃ—***

ডুলীয়াজান মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী ‥ ‥ মহাবিদ্যালয়ৰ বয়স ২৫ বছৰ। একালৰ ছাত্ৰ হিচাপে স্মৃতি আৰু অনুভৱৰ কথা কবলৈ লৈ ভাবিছো ক'ৰ পৰা আৰম্ভ কৰো। এই মহাবিদ্যালয়ত মই ১৯৮৭-৯০ লৈ অৰ্থাৎ স্নাতক মহলাৰ তিনিবছৰৰ বাবেহে ছাত্ৰ আছিলো।

কিছুমান ব্যক্তিৰ ব্যক্তিত্বই মানুহক সহজতে আকৰ্ষণ কৰে। সেই আকৰ্ষণে প্ৰভাৱ পেলায়। কলেজীয়া জীৱন আৰম্ভ কৰিছিলো শিৱসাগৰ কলেজত। খুব কম দিনৰ বাবে লগপোৱা অধ্যক্ষ শ্ৰীপৰাগ চলিহা চাৰৰ পৰা শিকিছিলো স্পষ্টবাদিতা। …… তাৰ পাছত ঘটনাচক্ৰত ডিগবৈ মহাবিদ্যালয়ত পঢ়িবলৈ আহিলো। মই তেতিয়া স্নাতক মহলাৰ বিজ্ঞান শাখাৰ ছাত্ৰ। বিভিন্ন উত্থান-পতনৰ মাজেৰে ডিগবৈ মহাবিদ্যালয়ত এবছৰ কটালো, পৰীক্ষা দিলো; কিন্তু আজিও ৰিজাল্ট লবলৈ যোৱা নহ'ল। নানা সমস্যাৰ হেঁচাত জীৱনৰ গতি সলনি হ'ল। উচ্চশিক্ষাৰ আকাংক্ষা ক্ৰমশঃ শ্লথ হৈ আহিল। ঘৰতে পঢ়ি পৰীক্ষা দিয়াৰ মানসেৰে ডুলীয়াজান মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ক'লা শাখাত নাম ভৰ্ত্তি কৰিলো। ঘৰৰ পৰা মহাবিদ্যালয়ৰ দূৰত্ব কম হ'লেও নিয়মিতভাৱে শ্ৰেণীলৈ যাব নোৱাৰো। …… কিছুমান সমস্যা আঁতৰি গ'ল। শ্ৰেণীলৈ আহিবলৈ ধৰিলো। প্ৰথমতে ৰাজনীতি বিজ্ঞানক মুখ্যবিষয় ( Major ) হিচাপে লৈ পঢ়া আৰম্ভ কৰিলো। কিন্তু কিছুদিনৰ পিছত বিজ্ঞানৰ ছাত্ৰ বুলিয়েই নাটকীয় ভাৱে মুখ্যবিষয়ৰ নামৰ তালিকাৰ পৰা মোৰ নামটো মুৰব্বীয়ে বাতিল কৰিলে। ব্যক্তিগত ভাবেও বিভাগীয় মুৰব্বীক লগ ধৰিলো, অনুৰোধ কৰিলো কিন্তু কোনো ফল নধৰিল। বিষয়টো আজিও মোৰ বাবে ৰহস্য হৈ থাকিল। ইতিমধ্যে শ্ৰেণী আৰম্ভ হোৱা কেবামাহো হৈ গৈছে। মই পুনৰ অৰ্থনীতিৰ মুৰব্বীৰ ওচৰলৈ গ'লো। মুৰব্বী শ্ৰীশচীন শইকীয়াই একেবাৰে নতুন বিষয় এটা লোৱাতকৈ অসমীয়াকে মুখ্য বিষয় হিচাপে লৈ পঢ়াৰ পৰামৰ্শ দিলে আৰু যথেষ্ট অনুপ্ৰেৰণাও যোগালে। অৱশেষত মই অসমীয়া বিভাগৰ ছাত্ৰ হৈ পৰিলো। তিনিটা বছৰ পাৰ কৰিলো এইখন মহাবিদ্যালয়ত। বিষয়গত আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালভাৱে অপসৃয়মান গতিৰে বৈ থাকিল অন্যান্য দিশৰ জ্ঞান আহৰণৰ প্ৰবাহ। অভিজ্ঞতাৰ

ঘাটে ঘাটে সঞ্চয় অপচয়ৰ অনন্ত খেলাৰ এই সমুদ্ৰৰূপী জ্ঞানৰ মজিয়াত লগ পালো বহুতো সুহৃদ ; লাভ কৰিলো প্ৰেমৰ পৰা প্ৰেম, জীৱনৰ পৰা জীৱন, অনুভৱ কৰিলো হৃদয়ৰ মাজত হৃদয় ।

ব্যক্তি মাত্ৰেই নিজস্ব ভাব-ভঙ্গী থকাটো স্বাভাৱিক । সকৰে পৰা মই কিছু লাজকুৰীয়া, অল্পভাষী আৰু নিঃ সংগতাপ্ৰিয় আছিলো যিবোৰে মোক বহুসময়ত বিপদতো পেলাইছিল । স্নাতক মহলাৰ প্ৰথম বছৰটো অকলশৰীয়া হৈয়ে পাৰ কৰি দিলো । শ্ৰেণী বহা সময়ৰ বাদে অন্য সময়বোৰ লাইব্ৰেৰীত পাৰ কৰিছিলো বা বাহিৰলৈ ওলাই আহিছিলো । সেয়ে প্ৰথম বছৰত মোৰ বন্ধু অতি সীমিত আছিল । তথাপি প্ৰথম বছৰত বিষয় বন্ধু হিচাপে লগ পাইছিলো প্ৰদীপ গগৈ, দ্বিজেন গগৈ আৰু ৰঞ্জন দত্তক । তেওঁলোক এতিয়া বিভিন্ন বিভাগৰ কৰ্ম্মচাৰী আৰু ব্যৱসায়ী । দ্বিতীয় বছৰৰ শেষৰ ফালে প্ৰায়বিলাক সহপাঠীৰ লগতে বিভিন্ন কাৰণত চিনাকি হৈ পৰিছিলো । এই কালছোৱাতে আমাৰ এটা শক্তিশালী বন্ধুদল গঢ়ি উঠিছিল যিটো দলে মহাবিদ্যালয়ৰ সকলো সভা সমিতি আৰু কাম কাজতে অংশ গ্ৰহণ কৰিছিল । এই দলতে থাকি আমি লেখা-মেলাৰ মাজেৰে এটা বৌদ্ধিক পৰিবেশ সৃষ্টি কৰাৰ চেষ্টা কৰিছিলো । তাৰ ফলতে বহুদিন বন্ধহৈ থকা 'কাকলি' নামৰ প্ৰাচীৰ পত্ৰিকা খনে প্ৰাণ পাই উঠিছিল, স্থানীয় সাপ্তাহিক কাকতত মাজে মাজে 'ধূমকেতু লেখা' ওলাইছিল । মহাবিদ্যালয়ৰ বিভিন্ন বিভাগবোৰৰ তত্বাৱধানত অনুষ্ঠিত হোৱা আলোচনা চক্ৰ, মহাবিদ্যালয় সপ্তাহ, আৰু অইল ইণ্ডিয়াৰ পৰা অনুদান আদায় কৰা আদি কাৰ্য্যত আমাৰ দলটোৱে সক্ৰিয় অংশ গ্ৰহণ কৰিছিলো । তদুপৰি এই সময়ছোৱাত মই আলোচনী বিভাগৰ সম্পাদকৰ দায়িত্বত আছিলো । এনে বহু কাৰণত মই শেষৰ ফালে সৰহভাগ ছাত্ৰ-ছাত্ৰীৰ লগতে চিনাকি হৈ পৰিছিলো ।

### *কিছুমান বিক্ষিপ্ত সোঁৱৰণীৰ টুকুৰা ঃ—*

ছাত্ৰৰ কৰ্ত্তব্য অধ্যয়ন তথাপি এজন সচেতন ছাত্ৰৰ সমাজৰ প্ৰতি আন কৰ্ত্তব্যও আছে । অস্বাস্থ্যকৰ শৈক্ষিক পৰিবেশ নিৰ্মূল কৰাৰ বাবে আমি ঢাক ঢোল কোবাই যিমানেই আস্ফালন নকৰো কিয়, এনে ৰুগ্ন পৰিবেশ কেতিয়াও নিকা নহব যেতিয়ালৈকে আমি নিজেই তেনে পৰিবেশত নামি নিজৰ গাৰ ময়লাবোৰ চাফা কৰিবলৈ যত্ন নকৰো । সেয়ে কৰ্তৃপক্ষ, শিক্ষক, অভিভাৱকৰ লগতে আমিও নিজকে নিকা কৰাৰ দায়িত্ব নিজেই ল'ব লাগিব । তাৰবাবে আমি বিকশাই তুলিব লাগিব আমাৰ বৌদ্ধিক চিন্তা চৰ্চ্চাৰ পৰিসৰ গঢ়ি তুলিব লাগিব, সাংস্কৃতিক ৰুচি-বোধ আৰু সামাজিক শৃংখলা ৰচনা কৰিব লাগিব । ... প্ৰথম বছৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে পদ্ম ৰাজকোঁৱৰক পাইছিলো । দ্বিতীয় বছৰ পাইছিলো প্ৰদীপ সোণোৱালক । দুয়োজনেই দক্ষতাৰে কাম কৰি গৈছে । ইতিমধ্যে আমাৰ আঠজনীয়া দলটোও গঢ় লৈছিল । বিভিন্ন দিশত অমিল থাকিলেও কিবা এক আদৰ্শত মিল থকাৰ বাবেই আমি আঠজনে কোনেও কাকো এৰি থাকিব পৰা নাছিলো । যজ্ঞোৰাম গগৈ, দিগন্ত শইকীয়া, ৰঞ্জিৎ তালুকদাৰ, উমাকান্ত ভূঞা, বুদ্ধ জ্যোতি চেতিয়া, ভূপেন শইকীয়া, ভৱানী গগৈ আৰু মই আছিলো এই দলটোৰ প্ৰধান সদস্য । যজ্ঞোৰাম ৰঞ্জিতৰ প্ৰচেষ্টাতে 'কাকলি' প্ৰাচীৰ পত্ৰিকাই ঠন ধৰি উঠিছিল । দিগন্ত, উমাকান্ত, বুদ্ধজ্যোতি আৰু মই তাৰ নিয়মীয়া লিখক আছিলো । কাকলিত 'মহাকাল' ছদ্মনামত ৰস ৰচনা লিখি আৰু মঞ্চত চিন্তানায়কৰ বেশত অভিনয় কৰি ভূয়সী প্ৰশংসা আৰু জনপ্ৰিয়তা লাভ কৰিছিল উমাকান্ত ভূঞাই । সভা সমিতিত অগতানুগতিক কথাকৈ শ্ৰোতাৰ মনোযোগ আকৰ্ষণ কৰা দিগন্ত শইকীয়া প্ৰেমৰ কবিৰূপে মহাবিদ্যালয়ৰ পৰিবেশত চিনাকি হৈ পৰিছিল । আনহাতে বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী হিচাপে ৺দেবেন্দ্ৰ নাথ আচাৰ্য্য সোঁৱৰণী বটা লাভ কৰিবলৈ সক্ষম হোৱা যজ্ঞোৰাম গগৈয়ে বক্তৃতাৰ উপস্থাপন কৌশলৰ বাবে ছাত্ৰ সমাজত সুবক্তা হিচাপে জনাজাত হৈ পৰিছিল । বুদ্ধজ্যোতি একেৰাহে দুবছৰ শ্ৰেষ্ঠ তাৰ্কিক হৈছিল । ভূপেনেও বক্তৃতা দিয়াৰ আৰু লিখাৰ কছৰৎ কৰিছিল । ভৱানী গগৈ ভাল খেলুৱৈ আছিল । মই আৰু ৰঞ্জিত তালুকদাৰে নীৰৱে লেখাৰ অভ্যাস কৰিছিলো । এই কেইজনৰ বাহিৰেও লেখা-মেলা কাম কাজৰ মাজেৰে লগ পাইছিলো অৱন্তী বৰগোহাঞি, আঞ্জুম আৰা ইচলাম, মীনা কলিতা, মায়া শইকীয়া, মামনি কেওঁট, শ্যামলী ঠাকুৰ, টুটুমনি কাকতি, জয়শ্ৰী বৰা, কেশৱ কাকতি, বিকাশ কেওঁট, প্ৰদীপ বড়া, ৰুণু দেৱী, অপুলৰঞ্জন বৰুৱা আদি ছাত্ৰ-ছাত্ৰী-

সকলক। লাহে লাহে সান্নিধ্যলৈ আহিছিল শ্ৰদ্ধাৰ সৰ্বশ্ৰী ব্ৰজেন নিৰ্মলীয়া, হিতেশ বৰদলৈ, অমিয় খনিকৰ, সোনাৰাম খনিকৰ, জ্যোতি চেতিয়া, লিখন বড়া, গকুল গগৈ, আইচেনা বুঢ়াগোঁহাই, বীনা বৰদলৈ আদি শিক্ষা গুৰু সকল।

জীৱনৰ বাটত লগপোৱা সকলোৰে কথা স্মৃতিত ৰাখিব নোৱাৰি। তথাপি কিছুমান কথা বিভিন্ন শিক্ষকৰ চালচলন, পাঠ উপস্থাপন ভঙ্গী বহুদিনলৈ মনত থাকিব। তদুপৰি ছাত্ৰ-শিক্ষকৰ মাজৰ সমন্ধ পাহৰি জ্যোতি চেতিয়া, লিখন বৰা, গকুল গগৈ চাৰৰ বন্ধুত্ব সুলভ উপদেশবোৰৰ বাবেই এখেতসকলৰ স্মৃতি কেতিয়াও মচ খাই নাযাব।

তৃতীয় বছৰ মই বন্ধুমহলৰ হেঁচাত নিৰ্ব্বাচনত আলোচনী বিভাগৰ সম্পাদক পদৰ বাবে প্ৰাৰ্থীত্ব আগ বঢ়ালো। প্ৰতিদ্বন্দী আন দুজন মোৰেই সুহৃদ বুলি গম পাই দুখ লাগিল। তথাপি বন্ধুমহলৰ মতে মইহে হেনো বেছি উপযুক্ত। মোৰ হৈ তেওঁলোকেই প্ৰচাৰ চলালে। প্ৰতিটো ক্লাচতে যজ্ঞেৰাম গগৈয়ে একোটা বক্তৃতাৰে আমাক চিনাকি কৰি দিয়ে। আমি নমস্কাৰ দিওঁ। এনেদৰেই মই আলোচনী, ৰঞ্জিৎ তালুকদাৰ সাহিত্য আৰু তৰ্ক, ভৱানী গগৈ বহিঃ ক্ৰীড়া আৰু ভূপেন শইকীয়া সহঃ সাধাৰণ সম্পাদকৰ বাবে নিৰ্বাচিত হলো। পুতুল কুমাৰ বড়া আমাৰ সাধাৰণ সম্পাদক। আনহাতে এইবছৰতে সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি তুলীয়াজান আঞ্চলিকৰ দায়িত্ব পৰে আমাৰ দলটোৰ ওপৰতে। মই সমিতিৰ সাধাৰণ সম্পাদক। আনফালে গাঁৱৰ সোনাপুৰ জ্ঞানোদীপ সামূহিক কেন্দ্ৰ' নামৰ সামাজিক সাংস্কৃতিক অনুষ্ঠানেৰো সাধাৰণ সম্পাদক। ইমানবোৰ দায়িত্বৰ মাজতো বন্ধুমহলৰ সহায়ৰ বাবেই অবশেষত আলোচনীখন উলিয়াবলৈ সক্ষম হৈছিলো। বহু তিতা মিঠা অভিজ্ঞতাৰ মাজেৰে গাঁঠিব ধন ভাঙি সামাজিক কাম কৰাৰ সোৱাদ ইয়াতে পালো। এই বছৰতে যজ্ঞেৰাম গগৈ আৰু দিগন্ত শইকীয়াৰ যুটীয়া সম্পাদনাত 'ৰৰদৈচিলা' আৰু মোৰ সম্পাদনাত 'চিন্তামঞ্চ' নামৰ দুখন কাব্যালোচনী প্ৰকাশ পায়। কিন্তু অৰ্থাভাৱত দুয়োখনৰে ক্ৰমে প্ৰথম আৰু তৃতীয় সংখ্যাতে মৃত্যু ঘটিল।

### কেইটামান তিতা-মিঠা স্মৰণীয় মুহূৰ্ত্ত :

(১) তুলীয়াজান শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিবেশনৰ অভ্যৰ্থনাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ পৰা এটা স্বেচ্ছা-সেৱকৰ দল বিচাৰিছিল। উপাধ্যক্ষ চুতীয়া চাৰে আমাৰ দলটো পঠাই সাহিত্য সভাৰ সাধাৰণ সম্পাদক চক্ৰ গগৈক কৈছিল— চক্ৰ, কলেজৰ এক নম্বৰ দলটো পঠাইছো। দায়িত্ব চমজি লোৱাৰ পাছত কোনো-কাম চাবগৈ নালাগে।

(২) সাপ্তাহিক 'প্ৰগতি' কাকতত পোন প্ৰথমে মোৰ 'তাণ্ডৱী' নামৰ কবিতা এটা প্ৰকাশ পাইছিল। সোনাৰাম চাৰে পঢ়িবলৈ পাই কৈছিল— "ভাল কবিতা হৈছে, ই যিকোনো ভাল আলোচনীত প্ৰকাশ হোৱাৰ যোগ্য।' এইষাৰ কথাই মোক অনুপ্ৰাণিত কৰিছিল।

(৩) আলোচনীৰ অনুদান আদায়ৰ বাবে বহু বাক্ বিতণ্ডা হৈছিল। সেই তিতা মিঠা অভিজ্ঞতাবোৰ বৰ্ণাৰৰ বাবে অন্য এটা দীঘল প্ৰবন্ধৰ প্ৰয়োজন হ'ব।

### *অন্যান্য প্ৰসংগ :*

নিজে পঢ়ি অহা মহাবিদ্যালয় কেইখনত নিজে দেখাৰ ওপৰিও শুনিবলৈ পোৱামতেও প্ৰায়বোৰ মহাবিদ্যালয়তে অধ্যক্ষই পাঠদান কাৰ্য্যসূচী নিজে পৰ্যবেক্ষণ কৰে। কিন্তু দুলীয়াজান মহাবিদ্যালয়ত এই নিয়মৰ সম্পূৰ্ণ ব্যতিক্ৰম দেখা যায়। এই বিষয়ে সচেতন ছাত্ৰ-ছাত্ৰী সকলৰ মুখত প্ৰায়ে আক্ষেপ শুনিছিলো। একতা সভাৰ হৈ বিভিন্ন কাম কাজত অধ্যক্ষক লগ ধৰোতে প্ৰায়ে আমাৰ ফালৰ পৰা চাৰক এই বিষয়টো কোৱা হৈছিল। কিন্তু কিয় নাজানো আমি পঢ়া কালছোৱাত তেখেতে এদিনো শ্ৰেণী পৰিদৰ্শন কৰা চকুত নপৰিল। ছাত্ৰৰ সমস্যাৰ প্ৰতি তেখেত সচেতন আছিল যদিও বহু ছাত্ৰ-ছাত্ৰীয়ে তেখেতক চিনি পোৱা নাছিল। তেখেতৰ কিন্তু প্ৰশাসনিক দক্ষতা আছে। উপাধ্যক্ষ চুতীয়া চাৰৰ বক্তৃতাবোৰ ভাল লাগিছিল। তেখেত অসমীয়া বিভাগৰ মুৰব্বী আৰু মহাবিদ্যালয়ৰ উন্নয়নত তেখেতৰ যথেষ্ট অবিহণা আছে। শিক্ষক সকলৰ লগত ভাল সমন্ধ বজাই ৰাখিবলৈ সদায় চেষ্টা কৰিছিলো। কেবাজনো শিক্ষাগুৰুক Friend, philosopher and Guide হিচাপে পাইছিলো। লাইব্ৰেৰীৰ শিৱ গোঁহাই চাৰ, মালা বাইদেউ আৰু কুমুদ দাই যথেষ্ট সহায় কৰিছিল। কাৰ্য্যালয়ৰ কৰ্ম্মচাৰী সকলৰ লগতো যথেষ্ট আন্তৰিকতা পূৰ্ণ সম্পৰ্ক আছিল।

প্ৰথম বাৰ্ষিকত পঢ়িবলৈ যাওঁতে মহাবিদ্যালয়খনৰ যিটো ৰূপ চকুত পৰিছিল পাছৰ তিনিবছৰত তাৰ ক্ষীপ্ৰ পৰিৱৰ্ত্তন চকুত পৰিছিল। বাঁহৰ ঘৰটো পকী হ'ল, যথেষ্ট সা-সুবিধা আহিল। অসম গেছ কোম্পানী আৰু অইল ইণ্ডিয়াই মহাবিদ্যালয়ৰ উন্নতিত যথেষ্ট অৰিহণা আগ-বঢ়াইছে। শিক্ষক, ছাত্ৰ, অভিভাৱক আৰু সামাজিক অনুষ্ঠান সমূহৰ সমূহীয়া প্ৰচেষ্টাত আৰু উন্নতি হ'ব বুলি আশা কৰো। এই মহাবিদ্যালয়ৰ পৰাই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পোৱা ছাত্ৰ ওলাইছে, ইয়াৰ ছাত্ৰই বাহিৰতো ভাল নাম কৰিছে !

**সামৰণি ঃ**

এক সমূহীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত জন্ম পোৱা এই মহান শিক্ষানুষ্ঠানটিয়ে আজি পঁচিশটা বছৰ সম্পূৰ্ণ কৰিছে। যিসকলে মহান উদ্দেশ্য আগত ৰাখি এই অনুষ্ঠানটো গঢ় দিছিল, সেই মহান উদ্দেশ্য সফল কৰাত আমি অৰিহণা যোগাব লাগিব। শেষত ৰূপালী জয়ন্তীৰ এই মূহূৰ্ত্তত মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ কামনা কৰিলো।

পুৰণি আলোচনীৰ পাতৰ পৰা —

## সাম্প্ৰতিক

— নৱজ্যোতি বৰা

ভৰ দুপৰৰ নিজান বাট
ৰিং মাৰি নোপোৱা নিজক
পৰিচিত আকাশ, বিশ্বাসী নদী
লাহে লাহে অপৰিচিত হৈ আঁতৰি যায়
স্নেহৰ নিজৰাত জিলিকে নিজৰ ভঙা-ছিঙা মুখ
শস্যৰ পথাৰত মৃত্যু মহোৎসৱ
প্ৰহৰীৰ কামানৰ শব্দত
এটি সিক্ত গজলৰ দৰে কৰুণ হৈ পৰে
আজিৰ দুপৰীয়া
চেতনাৰ চৌদিশে তুমুল ধুমুহা
হাউলি পৰিছে আদৰ্শৰ গছ
দেহ —
মাটি —
পানী আৰু তেজ
দুঃ স্বপ্নৰ ৰাগীৰে ঘৰলৈ ঘূৰোতে দেখো
এডোখা তেজত নিজৰ আহত মুখ ॥

( দশম সংখ্যা, ১৯৯০-৯১ )



ৰামধেনু

## ঃ সূচীপত্ৰ ঃ


o ছাত্ৰৰ মনস্তত্ব : হতাশা আৰু নিৰাশা : ডঃ আতিকুদ্দিন আহমেদ, প্ৰবক্তা, কানৈ মহাবিদ্যালয়।

o বুৰঞ্জী শিক্ষাৰ প্ৰয়োজনীয়তা : ভুপেন শইকীয়া, প্ৰবক্তা বুৰঞ্জী বিভাগ ডুলীয়াজান মহাবিদ্যালয়।

o অতীতৰ মুকলি বিহু আৰু বৰ্তমানৰ মঞ্চ বিহু : জয়শ্ৰী বৰা, প্ৰাক্তন ছাত্ৰী

o অসমীয়া ফকৰা-যোজনাৰ মূল অধ্যয়ন : গুণকান্ত চুতীয়া প্ৰধান শিক্ষক, পূৰ্বাঞ্চল কাৰিকৰী বিদ্যালয়।

o হেমাঙ্গ বিশ্বাসৰ গণকাব্য 'কুল খুৰাৰ চোতাল' : ৰঞ্জন দত্ত, প্ৰাক্তন ছাত্ৰ।

o বড়ো সংস্কৃতি—এটি পৰ্য্যালোচনা : মায়া শইকীয়া প্ৰাক্তন ছাত্ৰী।

o পৰিশীলন পাঠ্যক্ৰম আৰু শিক্ষক : ইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁই প্ৰবক্তা, গণিত বিভাগ, ডুলীয়াজান মহাবিদ্যালয়।

# ছাত্ৰৰ মনস্তত্ব ঃ হতাশা আৰু নিৰাশা

—ডঃ আতিকুদ্দিন আহমেদ

অপৰ্য্যাপ্ত প্ৰাকৃতিক সম্পদ থকা সত্বেও অসম আৰ্থিকভাবে এখনি পিচ পৰা ৰাজ্য। তদুপৰি অসমত জনসংখ্যা বৃদ্ধিয়ে এক ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। কাৰণ ৰাজ্যখনৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্ব্বভাৰতীয় হাৰতকৈ অধিক। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত নিবনুৱা সমস্যাও ক্ৰমান্বয়ে জটিল হৈ আহিছে। সেয়েহে আমাৰ ছাত্ৰ সমাজত অনাগত ভৱিষ্যত সম্পৰ্কে এক হতাশাই গা কৰি উঠিছে। অৰ্থনৈতিক বৈষম্য, আঞ্চলিক অসমতা, সমান সুযোগ-সুবিধাৰ অভাৱ আৰু সমাজৰ প্ৰতিটো স্তৰলৈকে বিয়পি পৰা দুৰ্নীতিয়েও ছাত্ৰৰ মনস্তত্বত বিষময় ক্ৰিয়া কৰিছে।

স্বাধীনোত্তৰ কালত অসমৰ উদ্যোগীকৰণ, ব্যৱসায় বাণিজ্যৰ প্ৰসাৰ আদি যিখিনি উন্নয়নমূলক কাম হৈছে তাত অসমৰ স্থানীয় লোকৰ অংশ গ্ৰহণ তেনেই নগণ্য। কাৰিকৰী শিক্ষাৰ উন্নয়নৰ অভাৱতেই হওক বা ব্যৱসায় বাণিজ্যৰ বাবে লগা অৰ্হতাৰ অভাৱতেই হওক আজিও অসমৰ লোকে নিজাকৈ উদ্যোগী হ'ব পৰা নাই। আমাৰ শিক্ষা ব্যৱস্থা, পাঠ্যক্ৰম আদিও ইয়াৰ বাবে দায়ী। অন্যহাতে অসমৰ বাহিৰত তুলনামূলকভাবে শিক্ষাৰ সা-সুবিধা বেছি থকাৰ বাবে কাৰিকৰী ভাবে অধিক অৰ্হতা সম্পন্ন লোকে সহজেই অসমত কৰ্ম্ম সংস্থান যোগাৰ কৰি লব পাৰিছে। অসমৰ তেল, কয়লা ৰেল আদি উদ্যোগখণ্ডৰ নিয়োগ গাঁঠনিলৈ মন কৰিলেই এই কথাৰ সত্যতা প্ৰতিপন্ন হয়।

আগন্তুক দিনবোৰত হ'ব পৰা অসমৰ উদ্যোগীক গতিৰ উপযোগী শিক্ষা ব্যৱস্থা অবিহনে সম্প্ৰতি ছাত্ৰ সমাজত দেখা দিয়া হতাশাৰ মনোভাৱ আঁতৰ কৰিব পৰা নহ'ব। নুমলীগড় শোধনাগাৰ, গেচ ক্ৰেকাৰ, ব্ৰডগজ সম্প্ৰসাৰণ নাইবা অন্যান্য উদ্যোগত কৰ্ম্ম সংস্থাপন লাভ কৰিব পৰাকৈ অসমৰ ছাত্ৰ-ছাত্ৰীক উপযুক্ত কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰে শিক্ষিত কৰি নিয়োগৰ সুযোগ দিলে তেওঁলোকৰ মনত উদয় হোৱা নিৰাশাবাদী মনোভাৱ বহু পৰিমাণে আঁতৰ হ'ব। এনে ব্যৱস্থাৰ প্ৰভাবো হ'ব সুদূৰপ্ৰসাৰী আৰু অসমৰ উন্নয়নৰ বাবেও ই ফলদায়ক হোৱাটো আশা কৰিব পাৰি।

অন্য এটি মন কৰিবলগীয়া কথা এই যে অসমত সমতাপূৰ্ণ বিকাশ সম্ভৱ হৈ উঠা নাই। আঞ্চলিক অসমতাৰ প্ৰতিচ্ছবিহে সততে চকুৰ আগত দৃশ্যমান হয়। ফলস্বৰূপে অৰ্থনৈতিক বৈষম্য প্ৰকট হৈ উঠিছে। জাতি-বৰ্ণ নিৰ্বিশেষে অসমৰ সকলো লোকেই উন্নয়নমূলক কাৰ্য্যত অংশ গ্ৰহণ কৰিবলৈকো পোৱা নাই। সেয়েহে আজি প্ৰায়েই অঞ্চল-ভিত্তিক, জাতি ভিত্তিক উন্নয়নৰ দাবী লৈ আঞ্চলিকতাবাদে গা কৰি উঠিছে। বিভিন্ন জাতি-উপজাতিৰ লোকে স্বায়ত্ব শাসন বিচাৰিবলগীয়া হৈছে। এনেবোৰ সমস্যা আৰু ফলস্বৰূপে গঢ়ি উঠা আন্দোলন আৰু দাবী আমাৰ চলিত উন্নয়ন প্ৰক্ৰিয়াৰে ফলশ্ৰুতি। সমতাপূৰ্ণ বিকাশ আৰু সকলো লোকলৈকে সমান সুযোগ সুবিধা আগবঢ়োৱাত আমাৰ ৰাজনৈতিক ব্যৱস্থাটো বিফল হৈছে বুলি ক'লেও বঢ়াই কোৱা নহয়। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত এক নিৰাশজনক মনোভাৱে ছাত্ৰৰ মনস্তত্বত সহজে ঠাই পোৱাটো স্বাভাবিক কথা।

এতিয়াৰ ৰাজনীতি সম্পূৰ্ণ সুবিধাবাদৰ ওপৰত প্ৰতিষ্ঠিত। ক্ষমতা আৰু বিষয় সম্পতিয়েই আজিৰ ৰাজনীতিৰ একমাত্ৰ কাম্য। দেশৰ স্বাৰ্থ বা সমাজ সেৱাৰ মনোভাৱ ক্ৰমান্বয়ে লোপ পাই আহিছে। দুৰ্নীতিৰো কোনো সীমা নাই। এনে এখন সমাজত বাস কৰা উঠি অহা ছাত্ৰ সকলৰ চিন্তা-চৰ্চ্চাত সাম্প্ৰতিক ৰাজনীতিৰ ছবিখনে খেলি-মেলি লগাই বহুতকে শিক্ষা, সমাজ, ভৱিষ্যত আদি সম্পৰ্কে বিচলিত কৰি দিছে। নেতিবাচক চিন্তা চৰ্চ্চাৰ আৰম্ভণিও ইয়াতেই হৈছে।

যি শিক্ষা কৰ্ম সংস্থানৰ বাবে উপযুক্ত নহয়; যেতিয়া চাকৰি পাবৰ বাবে ভেটিৰ প্ৰয়োজন আৰু যেতিয়া ব্যৱসায় বাণিজ্যৰ বাবেও সুযোগ-সুবিধা পোৱা নাযায় তেতিয়াই যুৱ ছাত্ৰৰ মন অনিশ্চিত ভৱিষ্যত আৰু নিৰাশাৰে

ভাবাক্রান্ত হৈ পৰে। অৱশ্যে এইটোও ঠিক যে অসমৰ দৰে ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ ৰাজ্য এখনত কেৱল চাকৰিৰে নিবনুৱা সমস্যাৰ সমাধান কৰিব পৰা নেযায়। কাৰণ চাকৰিৰ সম্ভাৱনাখিনি সীমিত। তদুপৰি অসমৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই শিক্ষাৰে শিক্ষিত। সেয়েহে আত্মনিয়োগৰ বাবেহে আমাৰ যুৱ-ছাত্ৰসকলে আগ্ৰহী হোৱা উচিত। কাৰণ বিভিন্ন ধৰণৰ ব্যৱসায় বাণিজ্য কৰি অসমৰ বাহিৰৰ এচামলোকে কিদৰে মুনাফা অৰ্জন কৰিছে সেয়া আমাৰ সকলোৰে জ্ঞাত। এই ক্ষেত্ৰত চৰকাৰে বৃত্তিমূলক আৰু বাণিজ্যমুখী শিক্ষা আৰু প্ৰশিক্ষণেৰে যুৱ-ছাত্ৰসকলক লাভজনক সংস্থানৰ পথ গ্ৰহণ কৰাৰ বাবে আগ্ৰহী কৰি তুলিব পাৰে।

যোৱা আশীৰ দশকৰ প্ৰাৰম্ভৰে পৰা অসমৰ ছাত্ৰ সমাজত ছাত্ৰ সংগঠনৰ নেতৃত্ব আৰু ইয়াৰ প্ৰভাৱ মন কৰিবলগীয়া। বিষয়টোৰ ওপৰত যথেষ্ট চিন্তা চৰ্চাৰ অৱকাশ আছে। কিন্তু এই নিবন্ধত আমি কেৱল এনে ছাত্ৰ সংগঠনে সমাজৰ বৌদ্ধিক বিকাশ কৰ্ম সংস্থানৰ বাবে উদ্দেশ্যধৰ্মী শিক্ষা গ্ৰহণ আদিৰ বাবে কৰিব পৰা খিনিৰ কথাহে আলোচনা কৰিম। শিক্ষালৈ একেবাৰে পিঠি দি সংগঠনৰ কামত লাগিলে ছাত্ৰ সমাজৰ অপূৰণীয় ক্ষতি হয়। এক আত্মসমালোচনা মূলক দৃষ্টিভঙ্গীৰে কথাবোৰ বিবেচনা কৰি চালেহে ভুলবোৰ দৃষ্টিগোচৰ হ'ব। বৰ্ত্তমান প্ৰায় বিনষ্ট হোৱা শিক্ষাৰ পৰিবেশ, ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে আগ্ৰহী মন আদি পুনৰুদ্ধাৰ কৰাৰ বাবে ছাত্ৰ সংগঠনে কিবা কৰিছেনে? যুৱ ছাত্ৰৰ মনত বৰ্ত্তমানে ঠাই পোৱা অনিশ্চিত ভৱিষ্যত আৰু হতাশাৰ ভাৱবোৰ আঁতৰাব পৰা নেযায়নে?

ছাত্ৰ সংগঠনে নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ বাবে Orientation Course Summer institute আৰু অন্যান্য শিক্ষা আৰু কৰ্মমুখী প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰে। এনে পাঠ্যক্ৰমত অংশ গ্ৰহণ কৰিলে ছাত্ৰৰ মনবোৰ বহু পৰিমাণে ফৰকাল হ'ব। লগতে ইতিবাচক চিন্তা-চৰ্চাই ঠাই পাব আৰু মনৰ হতাশজনক ভাব বহুখিনি কমিব। যুৱ ছাত্ৰ সকলৰ বাবে উপযুক্ত সুবিধা (শিক্ষা আৰু নিয়োগ) খিনিৰ সন্ধান দিব পাৰিলেহে এনে নেতৃত্বমূলক সংগঠনে কিবা এটা কৃতিত্ব দাবী কৰিব পাৰিব। ছাত্ৰ সংগঠনৰ কাৰ্য্যসূচী কেৱল ৰাজনৈতিক উদ্দেশ্যতে সীমিত থাকিব নেলাগে। বৰ্ত্তমান সময় আৰু অৱস্থাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ সংগঠনে ছাত্ৰ উপযোগী এখন কাৰ্য্য আঁচনি ( action Pian ) প্ৰস্তুত কৰিব লাগে য'ত থাকিব ছাত্ৰৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ প্ৰচেষ্টা, শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহী আৰু প্ৰতিযোগী মন, ব্যক্তিত্বৰ বিকাশ, ইতিবাচক চিন্তা আৰু ছাত্ৰক আশাবাদী কৰি তোলাৰ প্ৰয়াস। মুঠতে অসমৰ ছাত্ৰ শক্তিক অনাগত ভৱিষ্যতৰ বাবে এক সম্ভাব্য সম্পদ হিচাপে গঢ়ি তোলাৰ দায়িত্ব ছাত্ৰ সংগঠনে ল'ব পাৰে। বৰ্ত্তমান বিষয়টোৰ প্ৰতি কোনোৱেই গুৰুত্ব নিদিয়াৰ বাবে ছাত্ৰ শক্তিৰ বিৰাট অপচয় হৈছে। এই অপচয় ৰোধ কৰিব নোৱাৰিলে পিছৰ প্ৰজন্মই সকলোকে দোষী সাব্যস্ত কৰিব।

সাম্প্ৰতিক কালত এচাম ছাত্ৰৰ মনস্তত্বত ঠাই অধিকাৰ কৰা অন্য এটি প্ৰধান বিষয় হৈছে টকা পইচাৰ প্ৰতি বৰ্দ্ধিত আসক্তি আৰু ইয়েই তেওঁলোকৰ শিক্ষাৰ পথত প্ৰধান অন্তৰায় হৈছে। কিন্তু উপযুক্ত শিক্ষা-দীক্ষা থাকিলে ভবিষ্যতে ছাত্ৰৰ উপাৰ্জন কৰিবলৈ বয়স নোহোৱা নহয়। অসমত উন্নয়নৰ সম্ভাৱনাও নাইকীয়া হৈ যোৱা নাই। সেয়েহে বৰ্ত্তমানৰ মূল্যবান সময়খিনি ছাত্ৰই সদ্‌ব্যৱহাৰ কৰিবলৈ শিক্ষা লোৱা উচিত।

এই প্ৰসঙ্গতে অসমৰ বাবে এটা নতুন নিয়োগ নীতি আৰু এখনি বাস্তৱ সম্মত জনশক্তি পৰিকল্পনাৰ প্ৰয়োজনৰ কথা উল্লেখ কৰিব পাৰি। উদ্যোগীক আৰু অন্যান্য ব্যৱসায় বাণিজ্য আৰু আনুসঙ্গিক কাম-কাজৰ লগত সংগতি ৰাখি আমাৰ যুৱ ছাত্ৰ সকলৰ বাবে শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা হাতত ল'লে নিয়োগ সম্ভাৱনাও নিশ্চয় ওলাব। অসমৰ প্ৰগতিৰ বাবে বৰ্ত্তমান আটাইতকৈ প্ৰয়োজন হৈছে জাপান বা জাৰ্মেনীৰ দৰে উন্নত মানৰ জনশক্তি। আমাৰ যুৱ সকলে এই কথাৰ উপলব্ধিৰে নিজকে অৰ্হতা সম্পন্ন কৰি তুলিব লাগিব। অন্যথা অসমৰ প্ৰগতি কেতিয়াও সম্ভৱ নহয়। সেয়েহে আহক আমি সকলোৱে নিজ নিজ স্থানৰ পৰাই আমাৰ ৰাজ্যখনত আশাৰ পৰিবেশ এটা গঢ়ি তোলাত সহায় কৰোঁ।

# বুৰঞ্জী শিক্ষাৰ প্ৰয়োজনীয়তা

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত, বৃটিছ ৰাজতন্ত্ৰৰ ঠাইত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাত, জনসাধাৰণক সৰ্ব্বাধিক ক্ষমতা আৰু গুৰুত্ব দিয়া হ'ল। ভাৰতৰ প্ৰত্যেক নাগৰিকে উচ্চ পদস্থ প্ৰশাসনিক বিষয়াৰ পৰা ৰাষ্ট্ৰৰ সৰ্ব্বোচ্চতম পদ ৰাষ্ট্ৰপতি হোৱাৰ যোগ্যতানুযায়ী অধিকাৰ পালে। সিখিনি মানুহক ৰাজনৈতিক ভাবে ৰাষ্ট্ৰৰ সকলো গুৰুত্বপূৰ্ণ দায়িত্বশীল পদ গ্ৰহণ কৰাৰ অধিকাৰ প্ৰদান কৰা হ'ল, সেই মানুহখিনিক শিক্ষিত, দায়িত্বশীল, কৰ্ত্তব্য অধ্যয়ন কৰি গঢ়ি তুলিবৰ বাবে এক পৰিকল্পিত শিক্ষা আঁচনিৰ অতি প্ৰয়োজনীয়। আমি এনে এক শিক্ষা আঁচনি বাচি লোৱা উচিত, যি আঁচনিয়ে আমাৰ নাগৰিক সকলক নৈতিক ভাবে গঢ়ি তুলিব পাৰে, এজন সু-নাগৰিক হিচাপে দেশৰ দায়িত্বশীল পদ সমূহ গ্ৰহণ কৰিব পাৰে, সমাজৰ প্ৰতি, দেশৰ প্ৰতি গণতন্ত্ৰৰ প্ৰতি সচেতন হ'ব পাৰে, নৈতিক তথা আধ্যাত্মিক শিক্ষাৰ যোগেদি জনগণে জীৱনৰ সোৱাদ পাব পাৰে, তেন্তে এনে আঁচনি গ্ৰহণ কৰা উচিত। যি শিক্ষাৰ যোগেদি প্ৰত্যেক নাগৰিকে উচ্চ-নীচ, সত্য-অসত্য, ভাল-বেয়া বিচাৰ কৰিব পাৰে, তেনে শিক্ষাৰে শিক্ষিত কৰি তোলা উচিত। এইয়াই হ'ল আমাৰ জাতীয় শিক্ষাৰ স্পষ্ট উদ্দেশ্য।

বুৰঞ্জী এনে এটা বিষয় যাৰ অধ্যয়নৰ এক স্বাধীন ক্ষেত্ৰ আছে। বুৰঞ্জী অধ্যয়নে বৰ্ত্তমান আৰু ভৱিষ্যত নাগৰিক সকলক নিখুটভাবে গঢ়ি তুলিব পাৰে। কিন্তু এইটো অতি দুৰ্ভাগ্যজনক যে ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ ৰাজ্যতে বুৰঞ্জীৰ নিচিনা এটা ৰাজকীয় বিষয়ক "সমাজ বিজ্ঞান" নামৰ এক নতুন বিষয়ে অপসাৰিত কৰিব বিচাৰিছে। অথচ সমাজ বিজ্ঞান বুৰঞ্জীৰ এটা অংশহে মাত্ৰ। সমাজশাস্ত্ৰৰ সমগ্ৰ পাঠ্যক্ৰম বুৰঞ্জীয়ে সামৰি লৈছে। কোনো একোটা যুগৰ বুৰঞ্জী বুলিলে সেই যুগৰ ৰাজনৈতিক ইতিহাসকেই নুবুজায়; সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, ধৰ্মীয় সকলো দিশ বুৰঞ্জীয়ে সামৰি লয়, আৰু সেই বাবেই বুৰঞ্জীক ৰাজকীয় বিষয় হিচাবে গণ্য কৰা হয়।

বুৰঞ্জী হ'ল নজনা কথা জনাৰ ভঁৰাল। সংস্কৃতত ইতিহাস, ইংৰাজীত History বোলে। এই History শব্দটি গ্ৰীক ভাষাৰ পৰা গ্ৰহণ কৰা হৈছে। গ্ৰীক ভাষাত Historia মানে information বা সত্যৰ অনুসন্ধান। মানুহ আৰু তাৰ কাহিনী বুৰঞ্জীয়ে আলোচনা কৰে। মানুহৰ জীৱনত পাই অহা প্ৰেম ক্ষুধা, স্বাধীনতা, সৌন্দৰ্য্য, জ্ঞান আদিৰ পূৰ্ণাঙ্গ কাৰ্য্যবিৱৰণী আলোচনা কৰাৰ বাবে ইয়াক মানৱ জীৱনৰ পূৰ্ণাঙ্গ ইতিহাস বুলি কোৱা হয়। আধুনিক চিন্তাবিদ সকলে বুৰঞ্জী সংজ্ঞা দি কৈছে যে— বুৰঞ্জী হ'ল, আমাৰ অতীতৰ সামাজিক জীৱনৰ এক বিজ্ঞানসম্মত অধ্যয়ন আৰু বিশ্বাসযোগ্য দলিল। দ্বিতীয়তে বুৰঞ্জী হ'ল— অতীতৰ আধাৰত বৰ্ত্তমানৰ সামাজিক জীৱনৰ কৰ্ম্মধাৰা অধ্যয়ন। আকৌ কৈছে— বুৰঞ্জী হ'ল বিগত বছৰবোৰৰ মানৱ সভ্যতাৰ ক্ৰমোন্নতিৰ এক ক্ৰম বিকাশ। সেয়ে বুৰঞ্জীয়ে মানৱৰ অতীত সভ্যতা, সংস্কৃতি, ক'লা ধৰ্ম্মৰ এক বিশ্বাসযোগ্য তথ্য দাঙি ধৰিব পাৰে আৰু তাৰেই আধাৰত উত্তৰ-পুৰুষে ভৱিষ্যত গঢ়ি তুলিব পাৰে।

বুৰঞ্জী অধ্যয়নৰ প্ৰথম আৰু প্ৰধান লক্ষ্য হ'ল স্থান, কাল আৰু সমাজৰ প্ৰকৃত ধাৰণা উপলব্ধি কৰা বা বুজি উঠা। বুৰঞ্জীয়েই হ'ল একমাত্ৰ বিষয় যি পাঠকক স্থান কাল আৰু সংশিষ্ট সমাজৰ আচল ধাৰণা দিব পাৰে। বুৰঞ্জীয়ে অতীত আৰু বৰ্ত্তমানৰ যুগসূত্ৰ স্থাপন কৰাত সহায় কৰে। ভিন্ন ভিন্ন সময়ৰ মানৱৰ ব্যক্তিগত তথা জাতীয় জীৱনৰ

শ্ৰীভূপেন শইকীয়া
ইতিহাস বিভাগ।
দুলীয়াজান মহাবিদ্যালয়।

পূৰ্ণাঙ্গ কাৰ্য্যৱলী বুৰঞ্জীয়ে জনাত সহায় কৰে। ইয়াৰ যোগে বিভিন্ন দেশৰ বিভিন্ন সময়ৰ, বিভিন্ন জাতিৰ লোকে তেওঁলোকৰ পুৰণি ৰীতি-নীতি, ভাষা অনুষ্ঠান, প্ৰতিষ্ঠান, কলা- সংস্কৃতি অতীত গৌৰৱৰ বিষয়ে জাতিব পাৰে। সংশ্লিষ্ট জাতি সমূহৰ, দেশ সমূহ জাতীয় উন্নতিৰ ক্ৰমবিকাশ বুৰঞ্জীৰ পাতততেই বিচাৰি পাব পাৰি। বুৰঞ্জীৰ অবিহনে শিশুসকল যে সময়ৰ সোঁতত শুদ্ধভাৱে আগবাঢ়ি যাব নোৱাৰে, সি নিশ্চিত। ঠিক সেইদৰে বুৰঞ্জীয়ে মানুহক ভবিষ্যতৰ বাবে শুদ্ধ পথ বাছি উলিওৱাত সহায় কৰে।

বুৰঞ্জীয়ে মানুহক সঠিক জ্ঞান দিব পাৰে। এগৰাকী ভাল নাগৰিক হ'বৰ বাবে নিৰ্দিষ্ট কিছুমান জ্ঞানৰ অধিকাৰী নিশ্চয় হ'ব লাগিব। এজন সু-নাগৰিকে শুদ্ধচিন্তা, শুদ্ধ বিচাৰৰ যোগে এখন সমাজ প্ৰগতিৰ পথত আগুৱাই নিব পাৰে। ঘটনা সংক্ৰান্তীয় জ্ঞানে ছাত্ৰ-ছাত্ৰী বা পঢ়ুৱৈৰ স্বাভাৱিক অনিসন্ধিৎসু ভাৱ জগাই তোলে, লগতে তেওঁলোকৰ কল্পনাজ্ঞান প্ৰখৰ কৰে আৰু ই তেওঁলোকৰ ব্যক্তিগত চিন্তাধাৰাৰ উৎকৰ্ষ সাধন কৰে। শুদ্ধ চিন্তা আৰু সূক্ষ্ম আলোচনা অবিহনে বৰ্ত্তমানৰ সামাজিক সমস্যাসমূহ সমাধান কৰা সম্ভৱ নহয়। বুৰঞ্জীয়ে বিভিন্ন জাতি-উপজাতিৰ মাজত যুগসূত্ৰ তথা ঐক্য সংহতি স্থাপন হোৱাত সহায় কৰে। লগতে মানুহৰ বিভিন্ন সময়ৰ অভিজ্ঞতাৰ যোগে সভ্যতাৰ ক্ৰম বিকাশৰ বিষয়ে জ্ঞান দিব পাৰে। বিজ্ঞানৰ অগ্ৰগতিৰ ফলত যে সামাজিক পৰিৱৰ্ত্তন অৱশ্যম্ভাবী তাক বুজি উঠিব পাৰে আৰু ব্যক্তিবাদৰ ঠাইত কেনেকৈ সমাজবাদ আহিব পাৰে তাক জনাত সহায় কৰে।

বুৰঞ্জী অধ্যয়নে এজোন ছাত্ৰক সজ চৰিত্ৰ গঠনত সহায় কৰে। পুৰণি কালত বৰ্ত্তমানৰ বিদ্যালয়ৰ ঠাইত গীৰ্জা আৰু ঘৰখনেই— শিশুসকলৰ শিক্ষালয়ৰ ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু বৰ্ত্তমান শিশু সকলৰ সজ-আচৰণ, সৎ-চৰিত্ৰ গঠন হোৱাত বিশেষকৈ বিদ্যালয় সমূহে দায়িত্ব বহন কৰে। গতিকে শিশু সকলক সু-নাগৰিক হিচাবে গঢ়ি তোলাত বিদ্যালয় সমূহৰ প্ৰধান কৰ্ত্তব্য। এজন বুৰঞ্জী শিক্ষকে এই ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিব পাৰে। তেওঁ পৃথিৱীৰ, ৰাষ্ট্ৰৰ মহা মহা পণ্ডিত, দাৰ্শনিক, সংস্কাৰক, নেতা, দিগ্বিজয়ী বীৰ— যেনে- শঙ্কৰাচাৰ্য্য, শ্ৰীমন্ত শঙ্কৰদেৱ, বুদ্ধদেৱ, ৰাম, মহাৰাণা প্ৰতাপ সিংহ, গুৰু নানক, স্বামী দয়ানন্দ, স্বামী বিবেকানন্দ মহাত্মা গান্ধী, লিও টলচট্‌য়, ৰুচ,' মণ্টেচক,' ভলটেয়াৰ আদিৰ কাহিনীৰে ছাত্ৰসকলক সত্যবাদী, সাহসী, স্বাৰ্থহীন, মানৱ-প্ৰেমী, দয়াশীল, সহনশীলতাৰে গঢ়ি তুলিব পাৰে। বিদ্যালয়তেই শিশুৰ মানসিক বিকাশ দ্ৰুতগতিত সম্ভৱ হয়। গতিকে তেতিয়া শিশুক বুৰঞ্জীৰ জ্ঞান দিয়া উচিত। এই সময়ত বুৰঞ্জীৰ বিশৃংখল ঘটনা বিলাকৰ পাতনি মেলাতকৈ পৌৰাণিক গল্প নাইবা ঈশ্বৰ সম্বন্ধীয় কাহিনী-সমূহ ব্যাখ্যা কৰিব লাগে। অতিন্দ্ৰীয়বাদী গল্প নাইবা কাহিনীয়ে তেওঁলোকৰ নৈতিক জ্ঞান বঢ়াব পাৰে। নৈতিকতাই হ'ল সজ-চৰিত্ৰৰ মূল ভেঁটি।

কোনো এটা জটিল বিষয় বুৰঞ্জীৰ ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে শুদ্ধ দৃষ্টি ভঙ্গীৰে সমাধানৰ উপায় দিব পাৰে। শুদ্ধ দৃষ্টিভঙ্গী গঢ়ি তুলিব পৰাটো বুৰঞ্জী অধ্যয়নৰ অন্যতম প্ৰধান লক্ষ্য। কিন্তু এই ক্ষেত্ৰত শিক্ষক জনৰ স্বনিয়ন্ত্ৰণ, সহানুভূতিশীল, ধৈৰ্য্যশীল, সহিষ্ণুতা আৰু নিজক সন্মান কৰি চলি উদাহৰণ দেখুৱাব পাৰিব লাগিব। তেতিয়া ছাত্ৰ-ছাত্ৰী সকলে আবেগিকভাৱে দৃষ্টিভঙ্গী গ্ৰহণ নকৰি বিজ্ঞান সন্মত ভাবে বিষয়টো চালি জাৰি চাই শুদ্ধ মনোভাব ল'ব পাৰে। বুৰঞ্জীয়ে দক্ষতা আৰু সু অভ্যাস গঠনতো সহায় কৰে।

বুৰঞ্জী অধ্যয়নৰ অন্য এটা প্ৰধান উদ্দেশ্য হ'ল সমাজত সমন্বয় সম্প্ৰীতি গঢ়ি তোলা। আমাৰ সমাজ, ৰাজ্য তথা ৰাষ্ট্ৰৰ বিভিন্ন জনগোষ্ঠী সমূহৰ মাজত সমন্বয় সম্প্ৰীতি গঢ়ি তোলাত সহায় কৰিব পাৰে বুৰঞ্জীয়ে। সংশ্লিষ্ট গোষ্ঠী সমূহৰ বিভিন্ন সময়ত সমাজলৈ, দেশলৈ আগবঢ়োৱা অৱদান, দেশৰ প্ৰগতিত বিভিন্ন জাতি সমূহৰ ভূমিকা নাইবা দুৰ্গতিৰ সময়ত সকলো জনগোষ্ঠী একেলগ হৈ দেশৰ অস্তিত্ব ৰক্ষা কৰা বুৰঞ্জীৰ কাহিনীয়ে ছাত্ৰ ছাত্ৰী সকলক সম্প্ৰীতি গঢ়ি তোলাত অৰিহণা যোগায়। এনে জ্ঞানে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় বুজাবুজিত সহায় কৰাৰ ওপৰিও মানবীয় মূল্যবোধ জগাব পাৰে। বিশ্বৰ মানৱ সমাজৰ নানান সম্বন্ধৰ কথা বুৰঞ্জীয়ে কব পাৰে। বিশ্বৰ নানান ধৰ্ম্ম তথা অনুষ্ঠানৰ মাজত বুজাবুজি তথা মানুহৰ জীৱনৰ সঠিক পথ বুৰঞ্জীয়ে নিৰ্দ্ধাৰণ কৰিব পাৰে।

বুৰঞ্জীয়ে ছাত্ৰ সকলক সামাজিক দায়বদ্ধতাৰ জ্ঞান দিব পাৰে। দেশৰ বিভিন্ন ঐতিহাসিক জ্ঞানে ছাত্ৰ সকলক সুস্থ নাগৰিক তথা জনকল্যাণকামী কৰি গঢ়ি তুলিব পাৰে। এজন বিশ্বাসযোগ্য সহযোগী, নিৰ্ভৰযোগ্য চুবুৰীয়া হিচাবে হ'বলৈ এজন নাগৰিকৰ যিমানখিনি গুণ যেনে সত্যবাদিতা, সাধুতা, গঠনমূলক চিন্তাধাৰা, সূক্ষ্ম বিচাৰ, সহযোগিতা, সহিষ্ণুতা, ত্যাগ, সহানুভূতিশীল আদিৰ জ্ঞান বুৰঞ্জীয়ে দিব পাৰে। স্বাধীন ভাৰতবৰ্ষ, ধৰ্ম্ম-নিৰপেক্ষতা, গণতন্ত্ৰ, সমাজবাদ, শান্তিৰ বাণীৰে শাসিত হ'বলৈ ধৰিছে। এই বিল্লাকৰ শুদ্ধ জ্ঞানো বুৰঞ্জীয়ে দিব পাৰে। বুৰঞ্জীৰ অবিহনে ধৰ্ম্ম-নিৰপেক্ষতা, সমাজবাদৰ সঠিক জ্ঞান পাব পাৰে বুলি ধাৰণা নহয়। ই সাম্প্ৰদায়িকতা নিঃশেষ কৰাৰ ওপৰিও সমাজৰ অসূয়া অশান্তি দূৰ কৰিব পাৰে। সমাজ তথা ৰাষ্ট্ৰত শান্তিৰ কপৌ চৰাই উৰাব পাৰে। এসময়ত ভাৰতৰ স্বাস্থ্য মন্ত্ৰী কৰণ সিঙে এনেদৰে কৈছিল— It is absolutely necessary to create Throughout the length and breath of this country an idealistic concept of greatness and unity of India of pride in her past achievements and confidence in her future progress.',

বুৰঞ্জী অধ্যয়নে মানুহক দূৰদৰ্শিতাৰ জ্ঞান দিব পাৰে। প্ৰতিটো কাৰ্য্যৰ এটা ফলাফল থাকে। হয় ই সমাজৰ উপকাৰ কৰিব পাৰে নহয় ধ্বংস কৰিব পাৰে। বিশ্বৰ ইতিহাসৰ বিভিন্ন ঘটনা উপ ঘটনাৰে কিছুমান ফলাফল আছে। ইয়াৰ সু ফলখিনি গ্ৰহণ কৰি বেয়া ফল খিনি বাদ দি এক সঠিক সিদ্ধান্তত উপনীত হ'ব পাৰি। পৰবৰ্ত্তী সময়ত তেনে ঘটনাৰ ফলাফল কি হ'ব পাৰে তাক বুৰঞ্জীৰ জ্ঞানে সঠিককৈ কৈ দিব পাৰে নাইবা সতৰ্ক হ'ব পাৰি। বুৰঞ্জীজ্ঞানৰ অভাৱত এজন পূৰ্ণাঙ্গ মানুহ কেতিয়াও হ'ব নোৱাৰে।

জীৱনৰ বাটত বাট বোলোতে প্ৰতিটো খোজতে বুৰঞ্জীয়ে দিশ নিৰ্ণয়ত সঠিক পথ দেখুৱাব পাৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে বুৰঞ্জীক আজি কালি পাঠ্যক্ৰমৰ পৰা অপসাৰিত কৰিব বিচৰা হৈছে। বুৰঞ্জী জ্ঞানৰ অভাৱতেই যে বৰ্ত্তমান সমাজত বিশৃঙ্খলতা, যুৱ উশৃঙ্খলতা বৃদ্ধি হৈছে তাক নুই কৰিব নোৱাৰি। সৰ্ব্বভাৰতীয় তথা প্ৰাদেশিক প্ৰশাসনিক প্ৰতিযোগিতামূলক পৰীক্ষা সমূহত বুৰঞ্জীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা বেছি। অন্যান্য প্ৰতিযোগিতা-মূলক পৰীক্ষা বা সাক্ষাৎকাৰৰ সৰহভাগ বুৰঞ্জীৰ প্ৰশ্ন থাকে। গতিকে বুৰঞ্জী প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা দৰকাৰ। কিন্তু এইটো নহয় যে আমি কোনোবা এটা জাতি অতীতত পাহাৰত আছিলো এতিয়াও পাহাৰত থাকিব লাগিব। অন্য কিবা এটা ভাষা কৈছিলো এতিয়া সেই ভাষাটো বা দোৱানটো ক'ব লাগিব। সমাজ গতি-শীল। গতিশীল সমাজ ব্যৱস্থাত নিজক খাপ খুৱাই চলিবলৈ বুৰঞ্জীৰ জ্ঞান অতি প্ৰয়োজনীয়। বুৰঞ্জীবিদ বেনুধৰ শৰ্ম্মাৰ এটি উক্তিৰে মুখনি মাৰিছো 'যি নিজৰ ভূগোল বুৰঞ্জী নাজানে তেওঁ একোৱেই নাজানে।" ◎

**মুক্তকণ্ঠ**

*"দেশখনৰ ভবিষ্যত নিৰ্ভৰ কৰিছে ছাত্ৰসকলৰ ওপৰত। সেয়ে ছাত্ৰ সকলে সদায় সচেতন থাকি সমাজৰ প্ৰগতি, একতা তথা দোষমুক্ত এখন নিকা সমাজ গঢ়াত নিজকে দায়বদ্ধ কৰিব লাগে।"*

—দিলীপ কুমাৰ কোঁচ, স্নাতক (ক'লা) ৩য় বাৰ্ষিক

# অতীতৰ মুকলি বিহু আৰু বৰ্ত্তমানৰ মঞ্চ বিহু

—জয়শ্ৰী বড়া
প্ৰাক্তন ছাত্ৰী

'উৎসৱ' আনন্দৰ প্ৰতীক। ই মানৱ জীৱনৰ কৰ্ম্ম-প্ৰেৰণাৰ উৎস। উৎসৱৰ মাজতেই একোটা জাতিৰ প্ৰাণৰ স্পন্দন অনুৰণিত হয়। 'বিহু' এনে এক উৎসৱৰ অন্য এক নাম। বিহু বিনিময়ৰ উৎসৱ, য'ত নেকি আবাল বৃদ্ধ বণিতা সকলোৱে বিনিময় কৰে স্নেহ, প্ৰেম-প্ৰীতি, শ্ৰদ্ধা, সম্ভাষণ আৰু মৰম। পৃথিৱীৰ যি জাতিয়েই নহওঁক সকলো জাতিৰে আত্মাৰ বিকাশ সাধন হয় সংস্কৃতিৰ যোগেদি। অসম যিদৰে ভাৰতৰ বৈচিত্ৰপূৰ্ণ অঙ্গ— অসমীয়া সংস্কৃতিয়ে মহীয়ান কৰি তোলা ভাৰতীয় সভ্যতা এসময়ত জাভা, সুমাত্ৰা, চীন প্ৰভৃতি দেশলৈও বিয়পি পৰিছিল। সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ বিভিন্ন জাতি উপজাতি আৰু জন-জাতি মিলি যি অসমীয়া সংস্কৃতিৰ গঢ় দিছিল, সেই সময়তে জন্ম হৈছিল অসমৰ চিৰ চেনেহৰ আপোন পাহৰা বিহুটি। এই বিহু যিমানেই প্ৰাচীন, সিমানেই যেন নতুন সময়ৰ গতিত বিহুৱে বিচিত্ৰ পোছাক পৰিধান কৰিছে। ইয়াৰ ব্যপ্ত ইমান গম্ভীৰ যে, অসমীয়াৰ লগত বিভিন্ন জনগোষ্ঠীক প্ৰাণোচ্ছাস উদ্দীপনাৰে বান্ধ খুৱাই ৰাখিছে একমাত্ৰ বিহুৱে। 'বিহুৰ' নিচিনা উৎসৱ— এক মহৎ আদৰ্শ পূৰ্ণ সামাজিক অনুষ্ঠান, ই মানুহক মৈত্ৰী আৰু সম্প্ৰীত্তিৰ বাণীকে শুনাই আহিছে কোনোবা বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰে পৰা। 'বিহু' প্ৰথমে প্ৰকৃতিত স্থিত হয়, তাৰ পৰা সঞ্চাৰিত হয় জীৱ জগতলৈ, মানুহৰ অন্তৰৰ নিভৃত কোণলৈ। কাৰো আহ্বান নাই, কাৰো তাগিদা নাই। বাৰে বৰণীয়া অসমীয়া সংস্কৃতিৰ দৰে বিহুও যেন সেই সংস্কৃতিৰে এটা বলিষ্ঠ ধাৰা। 'বিহু' শব্দটো 'বিষুৱ' শব্দৰ পৰা ওলাইছে। 'বিষু' হ'ল আকৌ 'দ্বীষু' শব্দৰ ৰূপান্তৰ। অন্য কিছুমানে কয় বিহু "বৈশাসু" ৰ পৰা হোৱা বুলি। 'বিহু' য'ৰ পৰা উৎপত্তি নহওক কিয় ই এটা সাৰ্ব-জনীন, ধৰ্ম্মনিৰপেক্ষ আৰু কৃষিভিত্তিক উৎসৱ ইয়াত অকনো সন্দেহ নাই। 'বিহু' অসমীয়াৰ জাতীয় উৎসৱ বুলি কলে যেন বিহুৰ সম্যক পৰিচয় দিয়া নহয়, বিহু যেন তাতকৈ বহুত বেছি। ই অসমীয়াৰ জাতীয় জীৱনৰ উৎস, আনন্দৰ ৰহঘৰা, প্ৰেৰণাৰ মূল, উদ্যমৰ সপোন আৰু একতাৰ সূত্ৰ। বিহু যদিও মূলতঃ তিনিটা— ৰঙালী বিহুৱেই ৰূপে ৰসে পৰিপূৰ্ণ। ইয়াৰ ৰং ধেমালি, উলহ-মালহৰ বা-বতৰা চোতালৰ পৰা ৰাজপথলৈ আৰু পথাৰৰ পৰা ৰাজ সভালৈ বিস্তৃত ভাৱে বিয়পি পৰিছে।

বিহু উৎপত্তিৰ তাৎপৰ্য্য যিয়েই নহওক বা বিহু উৎসৱক যি দৰে বৰ্ণনা কৰা নহওঁক যদি আমি অতীতলৈ ঘূৰি চাওঁ তেনে তেতিয়াৰ বিহু আৰু এতিয়াৰ বিহুৰ মাজত দুটা বিপৰীত চিত্ৰ দেখিবলৈ পোৱা যায়। বৰ্ত্তমান সময় আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তেতিয়াৰ বিহুক আজি আদৰিবলৈ বা তেতিয়াৰ দৰে চলাই থাকিবলৈ কিছু ক্ষেত্ৰত অসুবিধা আহিলেও বহুক্ষেত্ৰত অসমীয়া সমাজৰ দোষৰ বাবেই গাঁৱৰ বিহু, লগৰীয়া বিহুলৈ থলুৱা সংস্কৃতিটো দ্ৰুত ৰূপান্তৰ ঘটিল।

মুকলি বিহুৰ ইতিহাস হিচাবে পাত লুটিয়ালে দেখা যায় যে, সাংগঠনিক হিচাবে তথা আনুষ্ঠানিক ভাৱে শোণিতপুৰ জিলাৰ জামুগুৰি হাটৰ বৰপুখুৰী পাৰতেই মুকলি বিহুৰ পাতনি মেলিছিল ১৯৬৪ চনত। এই পুখুৰীৰ পাৰত আনুষ্ঠানিক ভাৱে মুকলি বিহু পতাৰ আগতেই এই অঞ্চলৰ খাট পথাৰ, উধবৰাচুকৰ কদমনি পাৰ, আমৰ তল, ঔটেঙা তলত আদি ভালেমান ঠাইত কোনোবা অখ্যাত ঢুলীয়াই নাচনীক পাগলী কৰি লুকাই-চুৰকৈ পতা বিহু কিমান দিনৰ বা যুগৰ পৰা চলি আহিছিল তাৰ কোনো সঠিক দিন তাৰিখ নাই। এই বিহু আছিল বনৰ বস্তু। ডেকা-গাভৰুৱে মিলি বিহু গীত আৰু নাচেৰে গছৰ তলত

বা মুকলি পথাৰত বিহু মাৰিছিল। সেয়েহে ইয়াৰ নাম ৰখা হৈছিল মুকলি বিহু। মন খুলি গীত গাবলৈ, হেপাহ পলুৱাই নাচিবলৈ ডেকাসকল যায় মুকলি পথাৰলৈ, গাভৰুসকল যায় গছতললৈ, জেঙনিলৈ। মুকলি বিহু আছিল স্বতঃ স্ফূৰ্ত্ত, আদিম আৰু সেয়েহে স্বাভাৱিক। তাত বন্যতা আছিল, আছিল আদিম যৌনগন্ধী ভাবৰ প্ৰাবল্যতা। ম'হৰ পিঠিত উঠি ম'হ গুৱালে মনৰ নিভৃত কোণত গুজৰি -গুমৰি থকা বনগীতবোৰ বেথাভৰা সুৰত চিঞৰি গাবলৈ ধৰে। প্ৰণয় ভাৱ জড়িত হৈ থাকিলেও বহু সময়ত "সম্পূৰ্ণ যৌন গন্ধী" বুলি ক'লেও, অসমীয়াৰ যি মুকলি বিহু ধীৰ স্থিৰ, ইংগিত ধৰ্ম্মী, মাৰ্জিত। এই বিহু অসমীয়াৰ জাতীয় জীৱনৰ উচ্ছাস বিজড়িত জাতীয় উৎসৱ আছিল। এদিন মানুহে প্ৰকৃতিৰ বুকুতেই সংগীতৰ সন্ধান পাইছিল। বতাহত হালি-জালি থকা গছ-গছনিৰ পৰা নাচোনৰ ভংগী আৰু বাঁহে বাঁহে, শিলে শিলে ঘঁহনা খাই ওলোৱা মাতে বাদ্যৰ সন্ধান দিছিল। এই মুকলি বিহুত পূৰ্ব্বৰ ডেকা-গাভৰুৱে বিহু মাৰিছিল গছৰ তলত দৰ্শক নোহোৱা ঠাইত। ডেকা-গাভৰু নিজেই নিজৰ দৰ্শক। জোনৰ সুকোমল পোহৰত ডেকা-গাভৰুৱে ইদলে সিদলৰ অৱস্থিতিহে বুজিছিল। তাত পৱিত্ৰ প্ৰণয় ভাৱহে হয়তো ঠাই পাইছিল, উগ্ৰ কামনাই ঠাই ল'ব পৰা নাছিল। অসমীয়া ছোৱালীয়ে প্ৰেমৰ পাক ঘূৰণিতে হয়তো বিহু নাচ নাচিছিল, কিন্তু সম্পূৰ্ণৰূপে নিজক আবুৰত ৰাখিহে নাচিছিল। মুকলি বিহুতে হওক বা গাভৰু বিহুতে হওক বিহুৱতী হালিজালি যি নাচ পৰিবেশন কৰে সি সঁচাকৈয়ে মনোৰম। এই মুকলি বিহুৰ অন্যতম বৈশিষ্ট্য হ'ল পোছাক। মুকলি বিহুত পৰিধান কৰা সাজ-পোছাকে পৰম্পৰা ৰক্ষা কৰিছে, কিন্তু গতানুগতিকতা নহয়। তাত সাজযোৰ যে, শুদ্ধ মুগাৰ হ'ব লাগিব এনে নহয়। হাতে বোৱা কপাহী ৰিহা-মেখেলা বা চাদৰ হ'লেই হয়। এই মুকলি বিহুত সমাজৰ আৰ্থিক ভাৱে দুৰ্ব্বল শ্ৰেণীৰ গাভৰু হঁতকো বিহুৰ মাদকতা লোৱাৰ সুবিধা দিবলৈকে ইয়াত কোনো সাজপাৰৰ ক্ষেত্ৰত কঠিনতা ৰাখি থোৱা নাই। এই মুকলি বিহু এফালে বাস্তৱ সমন্বয় আৰু মিলন থলী বুলি ক'ব পাৰি। কাৰণ ইয়াত মিচিং, থলুৱা, নেপালী, চাহ জনজাতি, বড়ো আদি বিভিন্ন থলুৱা জনগোষ্ঠীৰ ডেকা গাভৰুৱে একেলগে বিহু মাৰে। ডেকা গাভৰু এই মুকলি বিহুত নিজে বাউল হয় আৰু বাসন্তী প্ৰকৃতিকো বউল কৰি তোলে।

সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে সকলো বস্তুৰেই পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন হয়। বিজ্ঞানক বোকোচাত বান্ধি যুগে অগ্ৰগতি লাভ কৰাৰ দৰে পথাৰৰ বিহু আহি সুশোভিত মঞ্চত ঠাই পাইছেহি। যিজনা স্বনাম ধন্য ব্যক্তি স্বৰ্গীয় ৰাধা-গোবিন্দ বৰুৱাৰ সজ চিন্তাই বিহুক সকলোৰে আদৰৰ সকলো ঠাইতে সমান জনপ্ৰিয়তা অৰ্জন কৰোৱাৰ চেষ্টাৰে মঞ্চলৈ আনিছিল, বৰ্ত্তমান উশৃংখলতাৰ কবলত লক্ষ্য আৰু উদ্দেশ্যই সেইটো শূণ্যস্থানত অৱস্থান কৰিলে। তাহানি স্বয়ম্ভু গছতলৰ মুকলিমুৰীয়া বিহু আজি মঞ্চত উঠিছে। বিহুৰ এইয়া নতুন ৰূপ। পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰ মাজেদি ইয়াৰ বিকাশহে হৈছে নতুন ৰূপত, হেৰাই যোৱা নাই। আহোম ৰজা ৰুদ্ৰসিংহই গছতলৰ বিহু আনি ৰংপুৰৰ ৰংঘৰৰ চোতাল পোৱাইছিলহি আৰু ঢুলীয়া নাচনী প্ৰতিযোগিতা পাতি বটাপ্ৰসাদ দি এক নতুন পৰম্পৰাৰ পাতনি তৰিছিল যাৰ পূৰ্ণ প্ৰচলন এতিয়াহে দেখিবলৈ পোৱা গৈছে। বিহুক বিকৃত কৰাৰ অভিযোগ প্ৰায়েই শুনা যায়। এই অভিযোগৰ সত্যতা নথকা নহয়। মুক্ত অৰণ্যত মুক্ত সিংহৰ শৌৰ্য, সাহস আৰু গৰিমামণ্ডিত বিচৰণ, চাকাৰ্চৰ প্ৰশিক্ষকৰ চাবুকৰ ইংগিতত সঞ্চালিত সিংহত বিচৰাৰ অপচেষ্টাৰ দৰে আধুনিক সংস্কৃতিৰ কৃত্ৰিম সূত্ৰৰ আধাৰত পৰিবেশিত বিহু নৃত্য গীতত স্বাভাৱিক ছন্দোময় আৰু উচ্ছল প্ৰাণময় বিহু গীত-নৃত্যৰ সুষমা আৰু সৌন্দৰ্য্য বিচাৰি আধুনিকতাৰ প্ৰবক্তাবৃন্দই বাৰ্ষিক পণ্ডশ্ৰম কৰিছে। সেয়েহে আধুনিক সংস্কৃতিৰ চিৰিয়াখানা আৰু চাৰ্কাচত আজি অসমৰ 'বিহু' উৎসৱ বন্দী। মঞ্চৰ বিহু অভিনয় সদৃশ হৈছে। গতিকে দেখা যায় তাত কাৰোবাৰ অনুগ্ৰহত নাচিব লগা হৈছে, কাৰোবাৰ নিৰ্দ্দেশত গাবলগীয়া হৈছে। মুঠতে মঞ্চ অভিমুখী বিহুত আন্তৰিকতাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হয়, প্ৰকৃত বিহুৰ ছৱিখন যেন নিষ্প্ৰভ হৈ পৰে, কৃত্ৰিমতাই গ্ৰাস কৰি পেলায়। জোৰৰ পোহৰত মৰা বিহু এতিয়া নগৰৰ বিজুলী বাতিৰ পোহৰত পোহৰ হৈ উঠিল। জোৰৰ পোহৰত কোনেও কাৰো দেহটো নেদেখিছিল। আধুনিক বিহুতলীৰ দৰ্শকৰ দৰে কোনেও কাৰোৰ দেহ জুমি জুমি চাব নোৱাৰিছিল। গতিকে গছৰ

তলৰ মুকলি বিহু কোনোমতেই দেহবাদী নহৈছিল আৰু অংগ শোভা উপভোগৰ কোনো ব্যৱস্থা নাছিল। নাচোনৰ নামত কোনো ধৰণৰ যৌনিক উত্তেজনা সচেতন ভাৱে প্ৰকাশ নহৈছিল। যি প্ৰকাশ কৰা হৈছিল পৰম্পৰাগত ভাৱে হৈছিল আৰু শালীনতা ৰক্ষা কৰি হৈছিল। আজিৰ মঞ্চৰ জিৰ্গজাগ পোহৰত শতকৰা দহ ভাগেহে বিহুনাচ উপভোগ কৰে বাকী নব্বৈ ভাগেই লোভনীয় হৈ পৰা গাভৰুজনীক উপভোগ কৰে। আজিৰ মঞ্চৰিহু হাজাৰ টকীয়া মুগাৰ সাজেৰে নাচনী জনী নাচোনৰ লহৰটিও যেন কৃত্ৰিম হৈ পৰিল। ঠিক সেইদৰেই বিহুৱলীয়া ডেকা সকলোৰে একো একোটা জাৰ্চি অৰ্থাৎ মুগাৰ চোলা, চুৰিয়া, টঙালী মজুত থকা হ'ল। বিহু নামবোৰো সলনি হৈ গ'ল। মঞ্চত স্বতঃস্ফুৰ্ত্ততাৰ চোক কিছু কমি গৈছে। সেয়েহে মঞ্চত বিহু সংস্কৃতিৰ ভাওনা পতাৰ বাহিৰে গত্যন্তৰ নোহোৱা হৈছে। আজিৰ মঞ্চ বিহু "বিহুকুঁৱৰী প্ৰতিযোগিতা", "বিহুৰাণী প্ৰতিযোগিতা", "বিহু সমাজ্ঞী প্ৰতিযোগিতা" ই সকলোকে প্ৰতিযোগিতা মুখী কৰি তুলিছে। আধুনিকতাৰ ব্যাকৰণ আমদানি কৰি কোনো কোনো বিশেষজ্ঞই নাচৰ ছেওৰ তাল, মুদ্ৰা আৰু মাত্ৰাৰ মাপকাঠি আৱিষ্কাৰ কৰি শ্ৰেষ্ঠ বিহুৱা, বিহুৱাণী আৰু বিহুকুঁৱৰী নিৰ্বাচন কৰে। যাৰ ফলস্বৰূপে এসময়ৰ মুকলি বিহুৰ অসমীয়া গাভৰুৰ বিহুনাচ দ্ৰুতগতিত বিকৃত হৈ আহিবলৈ ধৰিছে। হোমেন বৰগোহাঞি দেৱে লিখিছে— "গাঁৱৰ ডেকা-গাভৰুৱে যেতিয়া মুকলি আকাশৰ তলত জোন বা তৰাৰ পোহৰত বিহু মাৰিছিল, তেতিয়া বিহু বলিয়া আৰু যৌৱন বলিয়া ডেকা-গাভৰুৱে উদ্দাম নৃত্য-গীতৰ মাজেদি পূজা কৰিছিল যৌৱনৰ দেৱতাৰ আৰু সইতৰ ভাৱ বিনিময় ঘটিছিল পৰস্পৰৰ মাজত, কিন্তু চহৰীয়া বিহুতলীৰ সুউচ্চ আলোকোজ্জ্বল মঞ্চত আৰ্থিক দক্ষিণাৰ বিনিময়ত বিহু-নৃত্য কৰা গাভৰুৰ গুৰু ভাৰ নিতম্ব যেতিয়া সহস্ৰ দৰ্শকৰ আগত কঁপিবলৈ ধৰে, তেতিয়া কোন দেৱতাৰ পূজা কৰে তেওঁ? কাৰ লগত কি ধৰণৰ ভাৱ বিনিময় ঘটে তেওঁৰ"? মুঠতে নগৰৰ হেজাৰটকীয়া মঞ্চত বিহু কৃষ্টি মাথো কৃত্ৰিমতাৰেই ভৰি পৰিছে।

এইয়া নহয় যে, মঞ্চৰ বিহু বুলিলে সকলো ফালৰ পৰাই নিম্নগামী কৰি তুলিব অসমীয়াৰ চেনেহৰ বিহুটিক। আজিৰ মঞ্চৰিহুৰ আটাইতকৈ সফল দিশটো হ'ল ইয়াৰ "সাৰ্বজনীনতা"। মঞ্চ বিহুৰ দৰ্শক সকলৰ মাজত কেৱল অসমীয়াই নহয় ভাৰতৰ সকলো প্ৰান্তৰৰ মানুহ আছে। অসমৰ বাহিৰৰ এজনেও এতিয়া বিহুগীতৰ দুটা কলি গাই দিব পাৰে। সেয়েহে— 'বিহু' এতিয়া কেৱল এটা বিহু নাচেই হৈ থকা, ই এক সমন্বয়ৰ সেতু হৈ পৰিছে। মঞ্চবিহুৰ সেয়েহে ই এক ডাঙৰ অৱদান বুলি ক'লেও হয়তো অতিৰঞ্জিত কৰা নহ'ব। মঞ্চই বিহুক গাঁৱৰ জকাই চুকৰ পৰা আনি বিশ্বদৰবাৰ পোৱালেহি। মঞ্চৰ বিহুৱে বিহুমণ্ডলীয়া সকলৰ কিছু কাঞ্চন মূল্য দিয়াৰ উপৰিও ধনী, শিক্ষিত, সম্ভ্ৰান্ত লোকসকল বিহুৰ দিনা কান্ধত ভমকাফুলীয়া গামোচাখন ল'বলৈ লাজ নোপোৱা কৰি দিলে বৰং লোৱাটোহে বিহু পালনৰ অপৰিহাৰ্য্য অঙ্গ হৈ পৰিল। জীয়ৰী বোৱাৰীহঁতেও হাতত জেতুকাৰ বোল লৈ, খোপাত কপৌ ফুল গুজি বিহুৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ল। গতিকে দেখা যায় বিহু উৎসৱ মঞ্চ সৰ্বস্ব। প্ৰকৃতিৰ গতি চাঞ্চল্যতাৰ মাজত আজি আৰু ই বৈ থকা নাই। সমাজ বিৱৰ্ত্তন আৰু বৈজ্ঞানিক উদ্ধমুখিতাই আগৰ গাওঁ আৰু পথাৰ বোৰকো আগৰ দৰে ৰখা নাই। সেয়েহে আজিৰ বিহু উৎসৱ গ্ৰাম্য কেন্দ্ৰিক আৰু প্ৰকৃতি মুখী নহয়। অকল কৃষকৰ মাজতে আজিৰ বিহু উৎসৱ আৱদ্ধ থাকিব নোৱাৰে। কৃষকৰ ল'ৰা নগৰমুখী হোৱাৰ দৰে বিহুও মঞ্চ মুখী হৈছে। মঞ্চ বিহুৱে বিসঙ্গতিৰ মাজলৈ সঙ্গতি আৰু সংহতি আনিছে। এইয়া হ'ল কৃষ্টি সংস্কৃতিৰ কাল কুৰি শতিকাৰ বিহু উৎসৱৰ ৰূপ। গতিকে দেখা যায় বিহু মঞ্চ মুখী হোৱাটো এটা স্বাভাৱিক বিৱৰ্ত্তন। কিছু ঋণাত্মক দিশ থাকিলেও তাৰ সুফলেই সৰহ।

বিহু অসমীয়া জাতিৰ কৃষ্টি। সেইবাবে বিৱৰ্ত্তমান জগতত ইয়াৰ পৰিৱেশ পৰিৱৰ্ত্তিত হ'লেও বিহু হিচাপে এই বিহু সদায় বিহু হৈয়েই থাকিব লাগিব। কোনো পৰিস্থিতিতে ইয়াৰ চিৰশাশ্বত পৰম্পৰাই কেতিয়াও মোট সলাব নোৱাৰে।

**সহায়ক পুথি :** ১। "বিহু সংস্কৃতিৰ ৰূপৰেখা"—
জয়কান্ত গন্ধীয়া
২। বিভিন্ন আলোচনী আৰু বাতৰি কাকত।

# অসমীয়া ফকৰা যোজনাৰ মূল অধ্যয়ন

পুৰণি অসমীয়া সাহিত্যত ফকৰা বা যোজনাৰ এক বিশেষ স্থান আছে। অসমীয়া লোক সমাজৰ গভীৰ অভিজ্ঞতাৰ মূলেই লোক সাহিত্যৰ যেনেকৈ সৃষ্টি ফকৰা যোজনা সমূহৰ মূল ভেটিও সিয়েই বুলিব পাৰি। ফকৰা যোজনা সমূহত জন জীৱনৰ সুখ-দুখ, চাল-চলন, প্ৰেম বিৰহ আদিৰ বৰ্ণনাৰ লগতে গাৱঁলীয়া চহা জীৱনৰ লগত নিবিড় ভাৱে জড়িত অৰ্থনীতি, সমাজনীতি, কৃষি, শিল্প, বাণিজ্য, জ্যোতিষ আদিৰ বহু কথাৰ আভাষ পোৱা যায়। মুঠ কথাত ক'বলৈ গ'লে অসমীয়া সাহিত্যৰ সম্পদ স্বৰূপ ফকৰা যোজনা সমূহ অভিজ্ঞতাৰে পুষ্ট সাৰুৱা বিবেকৰ সাৰুৱা উদ্ভাৱন।

আমাৰ পাঠৰ মূল লক্ষ্যই হ'ল ফকৰা যোজনাৰ মূলগত অধ্যয়নৰ এক প্ৰচেষ্টা। অলিখিত বুৰঞ্জী বিহীন মুখ ৰাগৱি জীয়াই থকা এই সম্পদ সমূহৰ মূলস্থিতিৰ সঠিক অধ্যয়ন কষ্টকৰ হ'লেও পুৰণি বুৰঞ্জী কাব্য, নাটক আদিত ভেজাদি কিছুমান মূল্যবান ফকৰা যোজনাৰ মূলভেটি অনুমান কৰিব পৰা যায়। জাতি ধৰ্ম্ম দেশ যিয়েই নহওক জীয়াই থকাৰ কালত মানুহৰ জীৱনত কৰ্ম্ম বিস্ততা অবিচ্ছেদ্য। এই অবিচ্ছেদ্য কৰ্ম্ম জীৱনত অভিজ্ঞতাৰ মূলত সৃষ্টি হোৱা ফকৰা যোজনা সমূহ পৃথিৱীৰ সকলো জাতিৰ জন সমাজত পোৱা যায়। সেইদৰে এই সমূহে লোকসাহিত্যৰ মাজতো প্ৰবেশ কৰিছে। ৰিদেশী লিখক এলানডানডিজৰ মতে ফকৰা যোজনা সমূহৰ বিশ্লেষণ তিনি প্ৰকাৰে কৰিব পাৰি। "Alau Daudes advocates three level as the analysis of folklare. These are text, texture and context." ডানডিজৰ এই সিদ্ধান্ত আমেৰিকাৰ বিখ্যাত প্ৰৱন্ধকাৰ লিখক ৰংগাৰ আবাহাম, ডানবেন ওমচ, কেনিথ গোল্ডষ্টেন আদিয়েও সমৰ্থন জনাইছে। ফকৰা যোজনা সমূহৰ আঁত বিচাৰিলে দেখা যায় এই বিলাকৰ বহুতৰ সৃষ্টিৰ মূলতে ঃ কাহিনী ভিত্তিক অভিজ্ঞতা কৌশলেৰে সজোৱা অথবা প্ৰসঙ্গৰ মুৰকত উদ্ভাৱনা সুৰব্যঞ্জক অৰ্থপূৰ্ণ এবিধ কবিতা। কাহিনী বা পাঠৰ (Text) লগত কেতিয়াবা প্ৰসঙ্গ (Context) মিল হৈ একোটা ফকৰাৰ সৃষ্টি হ'ব পাৰে। উদাহৰণ স্বৰূপে তলৰ ফকৰাটোকে চাব পাৰো।

"খং নকৰিবা তিৰী, কিন্তু মহৰ নেজডাল চুটি"।

ওপৰৰ ফকৰাটো কি ভিত্তি বা প্ৰসঙ্গত কোৱা হ'ল সহজে বুজা টান। গতিকে ইয়াৰ আঁৰত থকা পাঠৰ আধাৰতহে মূল অৰ্থ ওলাব। সেই পাঠেই হ'ব হয়তো এটা সৰু কাহিনী। এজন খেতিয়কে বেলি ছুপৰলৈকে হালবাই থকাত ভোকত কল মলাবলৈ ধৰিলে। ঘৈণীয়েকে জলপান অনালৈ বাট চাই চাই তাৰ ধৈৰ্য্য নাইকিয়া হ'ল। অৱশেষত ভোকত থৰ কাচুতি হেৰুৱালে। উপায় নেপায় খেতিয়কজনে হালবোৱা মহটোৰ নেজডালকে কামুৰি কামুৰি খাই ভোকৰ সান্ত্বনা লভিল। কিছুদেৰিৰ পাচত তেওঁৰ পৰিবাৰে জলপান লৈ আহিল। স্বামী হালোৱাৰ চেহেৰা দেখিয়েই বুজিব পাৰিল যে তেওঁ জলপান অনা যথেষ্ট দেৰি হ'ল। তেওঁ নিজেই সুধিল জলপান দেৰি হোৱাত খং উঠিছে নেকি? হালোৱাজনে অন্য একো নকৈ মাথো ক'লে "খং উঠা নাই তিৰী, কিন্তু মহৰ নেজডাল চুটি।" অৰ্থাৎ তেওঁ ভোকত ইমানেই আতুৰ হ'ল মুৰকত হালবোৱা মহটোৰ নেজডালকে খাইহে ভোক উপশম কৰিব পাৰিছে। উপৰুক্ত কাহিনীৰ পাঠ আৰু প্ৰসঙ্গৰ ভিত্তিত "খং উঠা নাই····· নেজডাল চুটি" এই ফকৰাটোৰ সৃষ্টি হৈছে। ঠিক এনেদৰে কিছুমান ফকৰা যোজনাৰ ক্ষেত্ৰত পাঠ আৰু



*শ্ৰীগুণকান্ত চুতীয়া*
প্ৰধান শিক্ষক
কাৰিকৰী উঃ মাঃ বিদ্যালয়

প্ৰসঙ্গ জানিলেহে সহজে বুজা যায়। তেনে কাহিনীৰ মুৰকত উৎপত্তি হোৱা ফকৰা যোজনা হয়তো বহুতো পোৱা যায়। ৰামায়ণৰ ৰামৰ কাহিনীৰ লগত জড়িত ৰামো নাই অযোধ্যাও নাই" ৰাৱণৰ অতি দৰ্পৰ কাৰণেই চূৰ্ণ হোৱা লঙ্কা নগৰৰ কথা বুজাবলৈ গৈ সৃষ্টি হোৱা "অতি দৰ্পে হত লঙ্কা" এনে ফকৰা সমূহৰ মাজত গভীৰ অৰ্থব্যঞ্জক ভাৱ বা কোনো কাহিনীৰ অংশ অন্তৰ্নিহিত হৈ আছে।

বহু সংখ্যক ফকৰা বা যোজনা গভীৰ অভিজ্ঞতাৰ মুৰকত সৃষ্টি হোৱা বুলিও ক'ব পাৰি। "পঢ়াই পঢ়ে ৰোৱে পাণ এই তিনিও নিচিন্তে আন" হয়তো পাণ খেতিকৰা কৃষকজনে বহুদিনীয়া খেতিৰ অভিজ্ঞতাৰে বুজি পালে নেৰা-নেপেৰা চেষ্টা নহ'লে পাণ খেতিত সফল হ'ব নোৱাৰে। পঢ়োৱা শিক্ষকজনে শিক্ষা গ্ৰহণ কৰা ছাত্ৰজনে হয়তো বুজি পালে একাগ্ৰতাৰে এই বৃত্তি পালন নকৰিলে কৃতকাৰ্য্য হ'ব নোৱাৰে। কিন্তু পাণ খেতি, পঢ়োৱা, পঢ়া কেউটাৰে দিশ বেলেগ। প্ৰশ্ন হয় একেটা ফকৰাতে কেউটা দিশ সামৰিল কেনেকৈ? ইয়াৰ অনুধাৱনত সহজেই অনুমেয় অতীতৰ চহা জীৱনৰ লোক সমষ্টিয়ে কোনো সময়ত সামাজিক পৰিবেশত একেলগ হওঁতে বিভিন্ন বৃত্তিৰ অভিজ্ঞ সকলে মত পোষণ কৰি ফকৰা যোজনাবোৰত বিভিন্ন দিশ সংযোগ হয়তো কৰিছিল। তাৰ মূলতেই একোটাইত ফকৰাত ভিন্ন দিশৰ জ্ঞান সমাবেশ হৈছিল। তলত উল্লেখ কৰা ফকৰাটিও এনে নিদৰ্শন যেনেই লাগে।

মাটি কিনিবা মাজ খাল।  
ছোৱালী আনিবা জাত ভাল ॥

বহু সংখ্যক ফকৰা যোজনাৰ অন্তৰালত একোটাইত কাহিনী থাকিলেও বহুত ফকৰা যোজনা কাহিনী বিহীন অৱস্থাতো সৃষ্টি হৈছে। অনাহাতেদি ফকৰা যোজনা গঠনত সামাজিক পৰিবেশৰ প্ৰভাৱও পোৱা যায়। কেতিয়াবা আকৌ কোনো কাহিনীৰ শেষৰ শাৰী অথবা সাৰাংশ বা মূল ভাবটোৱেই একোটা ফকৰা বা যোজনাত পৈনত হয়। অসমীয়া সাহিত্যত ফকৰা যোজনাৰ সংগ্ৰহ হৈছে যদিও কিছুমান দুৰূহ অৰ্থৰ ফকৰাৰ আঁৰত থকা মূল কাহিনীৰ আভাষ নথকাৰ হেতুকে কালক্ৰমত এনেবোৰ ফকৰা বা যোজনাৰ অৰ্থ বুজিব নোৱাৰা হৈছে অথবা বিকৃতৰূপ দিয়া হৈছে। সেইহে ফকৰা যোজনাৰ অন্তৰালত থকা প্ৰসঙ্গ কথাও সংগ্ৰাহকে চিন্তা কৰা অতীৱ প্ৰয়োজন বুলি ক'ব পাৰি। এই খিনিতে অন্য এটা ফকৰা অনুকিয়াব পৰা যায়। "একে চুঙত দুটা বাঘ নেথাকে" ইয়াৰ মূল অৰ্থ এনে হ'ব পাৰে সমশক্তিৰ দুজন ব্যক্তি একেলগে থাকিলে স্বাভাৱিকতে কন্দল সৃষ্টি হ'বই। সেইহে তেনে ব্যক্তি একেলগে থাকিব নিবিচাৰে। এইটো ফকৰাৰ সৃষ্টিৰ গুৰিতো বুৰঞ্জীমূলক এক সত্য কাহিনী জড়িত হ'ব পাৰে। চুকাফা আৰু চুকামফা দুয়োজন ককাই-ভায়েই বুদ্ধি আৰু শক্তিৰ ক্ষেত্ৰত সমান। সেইহে চুকাফাই অসমলৈ আহোঁতেই ৰাজ্য শাসনৰ লৈ কন্দল হোৱাৰ সন্দেহ কৰি উপৰোক্ত ফকৰাৰ উদ্ধৃতি দি ভায়েকক পশ্চিম দিশলৈ পঠাই নিজে পুব দিশত ৰাজ্য বিস্তাৰৰ কাৰণে আগ বাঢ়িছিল। এনে ধৰণৰ ফকৰা বা যোজনা অসমীয়া ভাষাত যথেষ্ঠ আছে। কিন্তু কাহিনীৰ প্ৰসংগসহ ইয়াৰ অৰ্থ বহুতে নজনাত এইবোৰ অপ্ৰচলিত হোৱাৰ উপক্ৰম হৈছে—

ওপৰে মানুহ তলে গৰু  
বধিলেও পাপত মৰো।

উপৰোক্ত ফকৰাটোৰ আঁৰতো এটি বুৰঞ্জীমূলক আখ্যান জড়িত আছে। আখ্যানাংশ পঢ়িলেহে যোজনাৰ অৰ্থ বুজাত সহজ হয়। হিন্দু ধৰ্ম্মৰ ওপৰত অগাধ বিশ্বাসী নৰ নাৰায়ণ ৰজাৰ বৰ সেনাপতি চিলাৰায়ে এবাৰ আহোমৰ লগত যুদ্ধ কৰিব লগা হৈছিল। চিলাৰায়ৰ পৰাক্ৰম দেখি আহোম সেনাই যুদ্ধ জয়ৰ আশা এৰিব লগা হৈছিল। ইতিমধ্যে আহোম সেনাই বুজিব পাৰিলে যে, চিলাৰায় গোড়া হিন্দু তেওঁ কেতিয়াও গো বধ নকৰে। সেইহে আহোমৰ প্ৰতিজন সেনাই গৰুৰ পিঠিত উঠি যুদ্ধ কৰিবলৈ আহিছিল। চিলাৰায়ে গৰুৰ পিঠিত অহা সেনাৰ লগত যুজিবলৈ ইচ্ছা কৰা নাছিল। কাৰণ আহোম সৈন্য বধ কৰিবলৈ যাওঁতে গৰুও বধ কৰিব লগা হ'ব পাৰে। এই প্ৰসংগতে চিলাৰায়ে ওপৰত উল্লেখিত ফকৰাটো ব্যৱহাৰ কৰিছিল। এনেদৰে আৰু কিছুমান ফকৰা আছে য'ত বুৰঞ্জীমূলক কাহিনী লুকাই আছে বা এনে কাহিনীৰ গইনালৈ ফকৰাটোইঁতৰ সৃষ্টি হৈছে। যেনে "লগুণৰ গুৰি

লেকাই চেতিয়া ।" "কেঁচা বৰলক জোকাই নলবি" "নাই ৰঙামাটি নাই গুৱাহাটী" ইত্যাদি । আহোমৰ লগত কোচ সেনাপতি চিলাৰায়ে বহুবাৰ যুদ্ধ কৰিছিল । কিন্তু আহোম-বীৰে বলেৰে নোৱাৰি চলৰে চিলাৰায়ক পৰাজয় কৰিছিল। এইবাৰো চিলাৰায়ে ব্ৰাহ্মণ বধ নকৰে জানি আহোমৰ সেনাপতি লেকাই চেতিয়াই আহোমৰ প্ৰতিজন যুদ্ধাকে লগুণ পৰিধান কৰি যুদ্ধলৈ যাবলৈ কৈছিল যাতে প্ৰকৃত ব্ৰাহ্মণ বুলি চিলাৰায়ে বধ নকৰে । প্ৰকৃততে আহোমৰ কোনো সৈন্যই ব্ৰাহ্মণ নাছিল । এই বিলাক লেকাই চেতিয়াই ৰণ জিকিবলৈ বনোৱা ব্ৰাহ্মণহে । সেই কাৰণেই কোৱা হয় "লগুণৰ গুৰি লেকাই চেতিয়া" আচলতে এই ফকৰাটোৰ অৰ্থ হ'ল জাতৰ গুৰি গোষ্ঠীৰ সম্পৰ্কত সন্দেহ থকা । অন্যটো ফকৰা কেঁচা বৰলক জোকাই লোৱা মানে অসময়ত কাম কৰি নিজৰ অনিষ্ট সধা । কোনোটোইঁত ফকৰা দুটা অৰ্থতো ব্যৱহাৰ কৰিব পাৰি । যেনে ওপৰত উল্লেখ কৰা ফকৰা "নাই ৰঙামাটি নাই গুৱাহাটী" এই ফকৰাটোৰ অৰ্থ প্ৰাণ থাকে মানে । এনে অৰ্থত ব্যৱহাৰ কৰা হয় । আহোমৰ সেনাপতি লাচিতে মুছলমান সেনাৰ লগত যুদ্ধ দিওঁতে কৈছিল প্ৰাণটাকি চেষ্টা কৰি হলেও এইবাৰ মুছলমান সেনাক পৰাজয় কৰি হয় ৰঙামাটি নহয় গুৱাহাটী উদ্ধাৰ কৰিবই লাগিব। মনৰ দৃঢ়তা বুজোৱাৰ ক্ষেত্ৰতো এই ফকৰাটো বিশেষত ব্যৱহাৰ কৰা হয় । অসমীয়া ভাষাত ব্যৱহৃত "শিশুপাল খেদা দিয়া" এটা জনপ্ৰিয় ফকৰা দেখাত এটা খণ্ডবাক্য হলেও প্ৰকৃতাৰ্থত ই এটা ফকৰাহে । এই ফকৰাটোৰ আতি গুৰি বিচাৰিলেও ইয়াৰ সৃষ্টিৰ মূলতে আছে ভাগৱতত বৰ্ণিত এক জনপ্ৰিয় সত্য কাহিনী । দ্বাৰকাৰ কৃষ্ণই সুদূৰ উত্তৰ পূৰ্ব প্ৰান্তৰ ভীষ্মকৰ জীয়াৰী ৰুক্মিণীক বিয়া কৰাবলৈ আহি ৰুক্মিণী প্ৰণয়ত আসক্ত শিশুপালে ভীষণ প্ৰতিবন্ধকৰূপে ঠিয় দিছিল । প্ৰতি বন্ধকৰ পোটক লবৰ কাৰণেই কৃষ্ণই ক্ৰোধান্বিত হৈ শিশুপালক বধ কৰিবলৈ তাল ফাল কৰি খেদি ফুৰিছিল । ৰজা শিশুপালে নিজক ৰক্ষাৰ কাৰণে প্ৰাণটাকি দৌৰিব লগা হৈছিল । ইয়াৰ মুৰকতে হয়তো কোনোবাৰ কৌশলী মগজুত "শিশুপাল খেদা দিয়া" এই সাৰ্থক ফকৰাটোৰ জন্ম হ'ল ।

অন্য হাতেদি বহুতবোৰ ফকৰা একোটাইঁত সাধু বা আখ্যানৰ পৰা সৃষ্টি হোৱা পৰিলক্ষিত হয় । সংস্কৃতৰ বহুবোৰ গল্পৰ শেষৰ বাক্যটোৱেই যেনেকৈ একোটাইঁত ফকৰা সেইদৰে সাহিত্যৰ কোনো কোনো সাধুৰ শেষৰ শাৰীটোৱেই এটা ফকৰাত পৰিণত হয় । সংস্কৃতৰ পঞ্চতন্ত্ৰ সাধুৰ "মাইকী কুকুৰা আৰু কলা সাপ" এই সাধুটোৰ সামৰণি শাৰীটো হ'ল "বুদ্ধি যস্যা বলম তস্যা" ইও এটা অসমীয়া বা সংস্কৃত সাহিত্যৰ ফকৰা । সেইদৰে অসমীয়া সাহিত্যৰ "লোভেই পাপ পাপেই মৃত্যু," ইয়াৰ সৃষ্টিৰ মূলতে আছে এটা চুটি সাধু । সেয়া হ'ল সোণৰ খাৰুৰ লোভত বাঘৰ হাতত মৃত্যু হোৱা এজন লুভীয়া বামুণৰ কাহিনী । তেনে আৰু কিছুমান অসমীয়া ভাষাত প্ৰচলিত জনপ্ৰিয় সাথৰ আছে যিবোৰ সৃষ্টিৰ গুৰিতে আছে একোটা-ইঁত গল্প বা সাধু ।

প্ৰৱন্ধৰ শেষত নিঃসন্দেহে কব পাৰো অসমীয়া ভাষাত প্ৰচলিত এনেবহুবোৰ ফকৰা যোজনা আছে যাৰ মূলগত অধ্যায়ণ অকল মনোৰন্‌জকেই নহয় গভীৰ অৰ্থ আৰু জ্ঞানৰ বাহক হ'ব পাৰে । হয়তো এই সমূহৰ সাৰ্থক উদ্ধাৰ হ'লে অসমীয়া সাহিত্যৰ পৰিসৰ বৃদ্ধিতো সহায়ক হ'ব পাৰে । ★

**মুক্তকণ্ঠ**

*"নিজ কৰ্ত্তব্য অধ্যয়নক আওকাণ কৰি ৰাজনীতিত মনোনিবেশ কৰাটো দেশ আৰু জাতি বাবে মই মঙ্গলজনক বুলি নাভাবো ।"*

# হেমাংগ বিশ্বাসৰ গণকাব্য "কুল খুৰাৰ চোতাল"

— ৰঞ্জন দত্ত

লোককাব্যৰ বিপ্লৱী সত্বাৰ প্ৰকাশভঙ্গীপূৰ্ণ কাব্য অংশই গণকাব্য। গণশিল্পী হেমাংগ বিশ্বাসৰ "কুলখুৰাৰ চোতাল" হৈছে অসমীয়া সাহিত্য জগতত গণকাব্যৰ উজ্জ্বল নিদৰ্শন। অসমীয়া লোক জীৱনৰ আত্মাৰ উমান লোৱা, অসমৰ লোক সংস্কৃতি তথা গণকলাকাৰ সকলৰ প্ৰকৃত মূলবুজা শিল্পী কবি বিশ্বাস আছিল এক নিৰ্মোহ বিপ্লৱী সত্বা। প্ৰচাৰ প্ৰতিষ্ঠা স্বীকৃতিৰ পৰা বিদূৰত হেমাংগ বিশ্বাস বিশুদ্ধ পণ্ডিত তথা বিদগ্ধ সমালোচকৰ দৃষ্টিৰ পৰা আজিও বহু দূৰত। আটাইতকৈ ডাঙৰ কথা, অসমীয়া সাহিত্য জগতৰ কবিতাৰ বুৰঞ্জীত ঠাই দিব পৰা নাই। অসম তথা ভাৰতৰ লোকসংস্কৃতিৰ গৱেষক-সমীক্ষক আৰু অসমৰ গণনাট্য সংঘৰ বাটকটীয়া এইগৰাকী কবি অসমীয়া আৰু বঙালী দুই জাতিগত সমন্বয়ৰ মূৰ্ত্ত প্ৰতীক আছিল। এইজনা কবি-শিল্পীৰ গীত-মাত কাব্য অভিনয়ৰ মাজত প্ৰকাশ লাভ কৰিছিল মানৱতাবাদ, সম্প্ৰীতিৰ সাঁকো, শ্ৰেণী দৃষ্টিভঙ্গী আৰু প্ৰকৃত কমিউনিষ্টৰ সমাজতন্ত্ৰৰ প্ৰীতি, শ্ৰেণী সংগ্ৰামৰ প্ৰেৰণা আৰু এইবিলাকৰ বিপ্লৱীসত্বাপূৰ্ণ শৈল্পিক ৰূপ।

বিভিন্ন কাকত আলোচনী "আমাৰ প্ৰতিনিধি, আবাহন, প্ৰবাহ," পাতত সিঁচৰিত হৈ থকা কবিতা পুঞ্জৰ নিৰ্বাচিত কবিতাৰ এই ক্ষুদ্ৰ সংকলনটি ১৯৭০ চনত প্ৰকাশ হৈছিল। অসমৰ গণসংস্কৃতিৰ আন্দোলনত কবিজনাৰ লগৰীয়া আৰু অসমৰ ভাষা সাহিত্যৰ সেউজীয়া পথাৰত বিচৰণ কৰাৰ বাবে বাট দেখুৱাওঁতা জ্যোতিপ্ৰসাদ আগৰৱালালৈ উৰ্চৰ্গা কৰিছে। কবিতাৰ ৰূপান্তৰৰ হাতিয়াৰ হিচাপে জ্ঞান কৰি 'কুলখুৰাৰ চোতাল'ত কবিজনাই কাব্য-ৰচনাৰ প্লেটফৰ্মৰ ৰূপত পৰিগ্ৰহণ কৰিছে। আত্মকেন্দ্ৰিকতাৰ মুক্তি পিয়াসী কবিজনাই শ্ৰমজীৱি সংগ্ৰামী কুলখুৰা আৰু বজ্ৰেশ্বৰ ৰাভাৰ দলৰ হাতত কাব্যৰ প্ৰকৃত বিচাৰ তুলি দিছে। তেওঁলোকে কবিৰ কবিতা বুলি ল'ৰ আৰু বিপ্লৱী চেতনাৰে উদ্বুদ্ধ অসমৰ অগণিত ডেকা-গাভৰুৱে কাব্যৰপৰা প্ৰেৰণা আহৰণ কৰিব ; তেতিয়াই কবিজনাৰ কবিতাই সাৰ্থকতা লাভ কৰিব।

১৯৭০ চনত প্ৰথম সংস্কৰণ প্ৰকাশৰ পাছত ১৯৭৮ চনত পুথিখনৰ ২য় সংস্কৰণ প্ৰকাশিত হয়। প্ৰথম সংস্কৰণৰ তিনিটা কবিতা বাদ দিয়াৰ উপৰিও বাকী কেইটাও সংস্কাৰ সাধন কৰিছিল। সৰল কাব্যৰ ঠাচ আৰু আঙ্গিকতাৰে কাব্যিক ব্যঞ্জনাপূৰ্ণ গদ্য আৰু কাব্যৰ ভাষাৰ সঙ্গতিপূৰ্ণতাৰে কবিতাকেইটিক সজায় গৈছে। শিৰোনামাৰ কবিতা "কুলখুৰাৰ চোতাল" প্ৰথম স্তবকটোৱেই ইয়াৰ উজ্জ্বল নিদৰ্শন— "জোনাক কুঁৱলীঘেৰা/বেলতলা পথাৰৰ ৰাতিৰ ধানশ্ৰী, পাৰহৈ'লাহে লাহে গৈ পালো নিকা ফৰকাল/কুল খুৰাৰ চোতাল/এই চোতালত/কৃষি বিপ্লৱৰ মন্ত্ৰণা/খুৰা তাৰেই সভাপতি / (কুলখুৰাৰ চোতাল)।

আজীৱন সংগ্ৰামী আন্ধাৰৰ উকথা জুপুৰীৰ টিমিক-টামাক লেম্পৰ পোহৰত কুলখুৰা মৃত্যু পথৰ যাত্ৰী। এটি খীণ আঙুলিৰে ডিঙিত চেপিদি অস্পষ্ট মাতেৰে খুৰাই সমগ্ৰ শোষিত বঞ্চিত লাঞ্চিত মানুহচামক যেন কব খুজিছে শোষণ ভিত্তিক সমাজৰ ব্যৱস্থা বৰ যন্ত্ৰণাদায়ক,' বৰ অস্বস্তিকৰ। কিন্তু কুলখুৰাহঁতৰ সংগ্ৰাম অপৰাজেয়। কুলখুৰাৰ জীৱনৰ শৌৰ্য-বীৰ্য্য, সাহস তাত যেন কাৰুণ্যৰ এন্ধাৰৰ মাজতো জিলিকি উঠিছে।

যুগে যুগে শোষিতৰ কণ্ঠ পান কৰি, নীলকণ্ঠ খুৰা ;
যুগে যুগে বসুমাতাৰ গৰ্ভবিদাৰি, লখিমী উলিয়াই
খুৰা হ'ল বসুমাতাৰী ;
নাঙলৰ সিৰলুত মানিকী মাধুৰী কাব্য, যুগে যুগে ৰচি
মহাকবি খুৰা।
বাৰে বাৰে শোষকৰ পাল খেদি
বীৰ বসুমাতাৰী ৰণক্লান্ত আজি।
(কুলখুৰাৰ চোতাল)

বিশ্বৰ বিপ্লৱী জনতাৰ প্ৰাণত, ৰাইজৰ হিয়াৰ মাণিক, অলিখিত ইতিহাসৰ নায়ক, জীৱন সংগ্ৰামী কুল-খুৰা অমৰ। তেওঁ যেন যুগ যুগ ধৰি কৈ থকা জীয়াটলৰ এটা সুঁতি যি বাৰিষাত দুকূল ভাঙি আহে, অথচ খৰালি শুকাই নাযায়। তেওঁৰ খবৰ শাসক শোষকৰ বুৰ্জোৱা প্ৰচাৰ মাধ্যমত প্ৰকাশ নাপায়। বাতৰি কাকতত তেওঁ-লোকৰ খবৰে শিৰোনামা নাপায়।

খুৰা নাই বাতৰি কাকতত খবৰ নোলাল।
আজিৰ বাতৰিত শিৰোনামা নাপাই খুৰাই
কুলখুৰা, সপ্তাহৰ যে মানুহ নহয়, নহয় বছৰৰ
কুলখুৰা শক্ত শতিকাৰ।
কম্ৰেড্ বসুমাতাৰী, বাতৰি নহয় ইতিহাস।

( কুলখুৰাৰ চোতাল )

লোকবিশ্বাসৰ সমল প্ৰতীককেৰে হেমাংগ বিশ্বাসে উৎকৃষ্ট নিদৰ্শন ৰূপে ৰচনা কৰিলে "বৰদৈচিলা" কবিতাটি। বহাগত বিহুত বসন্তৰ ধুমুহাই অসমী আইৰ ঘৰলৈ কঢ়িয়াই অনা বৰদৈচিলাজনীয়ে পুৰণিক নাশি নতুনৰ প্ৰজন্ম সৃষ্টি কৰে। বিশ্বাসে বৰদৈচিলাৰ মাধ্যমেদি আন্তৰ্জাতিক আদৰ্শেৰে এচিয়াৰ মুক্তি সংগ্ৰামৰ ৰক্তাক্ত বাৰ্তা দিছে—

পঠিয়াব খোজা যদি মোৰ বিহুৱান, ঠিকনা বিচাৰি লবা
দানাংহুৱে নাইবা মেকঙৰ অৱবাহিকাত
ব-দ্বীপ বননিৰ আঁৰে আঁৰে গেৰিলাৰ সতে
নাইবা অৱৰুদ্ধ খেছাঙৰ আগপৰিখাত।

( বৰদৈচিলাৰ চিঠি )

ৰঙালী বিহুটিৰ হিয়াভৰা আনন্দৰ বোলেৰে পূৰ্ণ আনন্দৰ উপভোগ কৰিবলৈ কবিৰূপী বৰদৈচিলাৰ এতিয়া আহৰি নাই। "বি-৫২ বোমাৰুৰ হিংস্ৰতা আৰু মাতৃৰ গৰ্ভ ফালি কেঁচুৱাৰ তেজ পিয়া পিশাচৰ" সতে কবিৰ অবিৰত সংগ্ৰাম। সেয়েহে কবিৰ ঠিকনা ভিয়েটনামলৈ গৈছে। কিন্তু পাহৰি যোৱা নাই অসমীৰ বাপতিসাহোন বিহুৱানখনি—

ঠিকনা বিচাৰি মোৰ ফুৰিব নালাগে খেপিয়াই আই
কেৱল লেখিবা মোৰ নাম,
কেয়াৰ-অৱ" হো, চি, মিন
ভিয়েটনাম।

( বৰদৈচিলাৰ চিঠি )

দুকেজি খাদ্যৰ প্ৰত্যাশাত ৰেচনৰ লাইনত অপেক্ষা-ৰত অৱস্থাত প্ৰাপ্য খাদ্যৰ পৰিবৰ্ত্তে পাষাণ বুলেটত বিদ্ধ হৈ উদং মোনাটিৰে ভৰদুপৰীয়া নদ'মাৰ দাঁতিত বোকাৰে লুতুৰি-পুতুৰি হৈ পৰি থকা ল'ৰাটিলৈ ভেলেঙী চকুৰে নিঃসহায় মাকজনীয়ে অধীৰ হৈ অপেক্ষাত ৰৈ থকা আধুনিক সমাজৰ কৰুণ ছবি কবি বিশ্বাসে "ওভটনি" নামৰ কবিতা-টিৰ মাজেৰে প্ৰকাশ ঘটাইছে। বসন্তৰ মদাৰ ফুলত তেজ ডোঙাডোঙে ফুল হৈ ফুলে। কিন্তু সেই গুলীবিদ্ধ সন্তানটি ঘূৰি নহাত মাতৃৰ প্ৰাণ হাঁহাকাৰ কৰি উঠে—

ৰঙা নিচানৰ হেন্দোলনি / দূৰণিত মিছিলৰ ধ্বনি
তাই ওলাই আহিল।

মাতৃৰ ৰিক্ত হৃদয়ে এই মিছিলৰ মাজতেই হৃতপুত্ৰৰ অস্তিত্ব অনুভৱ কৰিছে "সি আহিব ধৰিছে।"

প্ৰতিটো যুগ, প্ৰতিখন সমাজ আৰু প্ৰতিজন ব্যক্তিৰ মানস জগতেই ৰোমাণ্টিক ভাৱানুভূতি নিহিত হৈ আছে। কিন্তু ব্যক্তিবাদী খামখেয়ালিয়ে এই ভাৱাদৰ্শত অধিক প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। পিছে এনে ভাৱা-দৰ্শতো উন্নত চেতনাৰ বৌদ্ধিকতাত সংগ্ৰামী ৰূপ পায়। ৰোমাণ্টিক প্ৰেম আৰু প্ৰেমিকা সৰহভাগৰ বাবে সবল বীৰ্য্যৰ সমাজবদ্ধ সম্বল। গণকবি হেমাংগ বিশ্বাসৰ প্ৰেয়সীও 'এটিন' — ৰোমাণ্টিক কবিতাত বহল অৰ্থত প্ৰকাশ লাভ কৰিছে। কবি নৱকান্ত বৰুৱাৰ প্ৰেয়সী "অলকানন্দাঞ্জনী" আৰু মহেন্দ্ৰ বৰুৱাৰ প্ৰেমিকা "আইভিৰ লতা কলেজ কুইন" ৰ বিপৰীতে বিশ্বাসৰ প্ৰেয়সী হ'ল "নাইলন উৰ্বশী" আধুনিক জটিলতা আৰু কৃত্ৰিমতা প্ৰকাশৰ জ্বলন্ত স্বাক্ষৰ। কিন্তু কৃত্ৰিম চিন্তাৰ ছন্দপতন ঘটি সংগ্ৰামী কবি ৰূঢ় বাস্তৱলৈ নামি আহিছে—

সিদিনা তোমাক দেখা পালোঁ।
ক্ষুধাৰ্ত জনতাৰ শাৰীত
ৰাজধানীৰ ধূলি ধুমুহাত
বিক্ষুব্ধ শোভাযাত্ৰাৰ অগ্ৰগা নায়িকা
তেজোদীপ্ত নগাযাঠি মুখ
মুকলি খোপাৰ চুলি আউল-বাউল
কপালত জুই ফুট।

১৯৭৮ চনৰ কবিতাপুথিখনিৰ পৰা তিনিটা কবিতা বাদ দিয়া হয় বুলি আগেয়ে উল্লেখ কৰা হৈছে। তাৰ ভিতৰত 'ডিব্ৰুগড়লৈ' নামৰ কবিতাটিও বিশ্ববিখ্যাত ৰমাঁ-ৰ'লা আপ্তবাক্য "য'ত শৃঙ্খলাই অন্যায়ত'ত বিশৃঙ্খলাই ন্যায়ৰ আৰম্ভণি" প্ৰকাশ ঘটাইছে। যি দেশত ভোকাতুৰ-জনৰ ভোক বে-আইনী, প্ৰপীড়িত, পুথি পঢ়া-শালীও ভোক লাঞ্ছিত, বঞ্চিত নিষিদ্ধ, সেই দেশত "ছাত্ৰানাং অধ্যয়নং তপঃ" দৰে মহৎ বাণীও "শ্মশানৰ মৃত্যু বাণীও" যেন হয়। সেইখন দেশত লঘোণৰ বাবে দিয়া শ্লোগান অশ্লীল হৈ পৰে আৰু এই শ্লোগানে অহিংসজনৰ গৰম চিচাৰ গুলি হৈ ধৰা দিয়ে। কবিজনাই এই কবিতাটিত অন্যায় বিচাৰৰ বাবে ন- চানেকীৰে ন পাঠ্যৰ চুপাৰিশ কৰিছে—

মই যদি হওঁ জনতাৰ কবি। কৈ যাওঁ ৰিডিয়াই
ৰাজপথে পথে বিদ্যাৰ্থীৰ। পদৰেণু কঢ়িয়াই
দূৰণীত সোঁ শুনিছানে নাই। ক্ষুধাতুৰ উত্তাল ?
লগত বাজিছে তাল ? খুতিতাল নহয়, ভোৰতাল
হৰতাল! হৰতাল!

বনুৱাৰ বুকু ভোকৰ বয়লাৰ। বলৰাম খেতিয়ক।
হাতত ধৰিছে তীক্ষ্ণ ওলোটা ফাল।
কবি মই তাৰেই, হাতে হাতে দিম। ছন্দ প্ৰকৰণ।
সময়ৰ ঘড়ী প্ৰহৰ লেখিছে। ভূ গৰ্ভ বিস্ফোৰণ।

জীৱনত সীমাহীন বা-মাৰলী, অজস্ৰ ভূঁইকপ ব্ৰজপাতেও যুগৰ বিস্ময় গ্ৰেণাইট সদৃশ দৃঢ় শাল গছ স্বৰূপ হিত প্ৰঞ্জ কম্‌ৰেড, ৰত্নেশ্বৰ ৰাভাক বিচলিত কৰিব নোৱাৰিলে। তেওঁ বাপতিসাহোন একঠা মাটিৰ বাবে মাটি মহাজনৰ লগত যুঁজ কৰে। দৃপ্ত শান্ত দিগন্ত প্ৰসাৰী মাটি ডবালৈ, জীৱিকা নিৰ্ব্বাহৰ পথটিলৈ—

"বলিয়া হাতীৰ পাল আহে। শুৰত মেৰাই তাৰ উচ্ছেদ নোটিছ আলফুল কেঁচুৱা কুঁহিটি। টানি চিঙি গছকি মোহাৰি। কিন্তু কবি বিশ্বাসৰ আশাবাদী সংগ্ৰামী ৰাভাই আস্থা হেৰুৱা নাই—

"মুখত দেখিছোঁ তাৰ দাৰিদ্ৰৰ চেঁকা
চকুত জিলিকি উঠে ভৱিষ্যতৰ আভা
নাম তাৰ— ৰত্নেশ্বৰ ৰাভা।

জ্যোতিপ্ৰসাদৰ উন্নত চেতনা আৰু গণশিল্পীৰ ভূমিকাক সমদৰ্শী হেমাংগ বিশ্বাসে জাতীয়তাবাদী ঠেক গণ্ডীৰপৰা সমাজতান্ত্ৰিক দৃষ্টিভঙ্গীলৈ লৈ যোৱাত উদ্‌গণি যোগাইছিল আৰু সেই উদ্দেশ্যেৰেই তেওঁক গণনাট্য সংঘৰ সভাপতি পদত অধিষ্ঠিত কৰিছিল। কবি বিশ্বাসৰ দৃষ্টিত জ্যোতিপ্ৰসাদ শান্তিৰ সেনানী, অভিনেতা তথা গণনাট্যৰ সন্দেদ দিওঁতা —

দেশপ্ৰেম প্ৰবাহক বন্ধা নাই। জাতীয়তাৰ ঠেক পুখুৰীত,
বিহুৰ পেপাৰ সতে গাঁঠি দিলা। স্পেনিছ গীটাৰ।

কবিয়ে এইজনা গণশিল্পীৰ অস্তিত্বক যেন সৰ্ব্বত্ৰতে অনুভৱ কৰিছে অসমৰ অগণিত সমাজৰ মাজত জ্যোতি-প্ৰসাদ এটি উজ্জ্বল ভাস্কৰ্য্য।

তুমি আছা / কঠিয়াতলীত / কৃষকৰ সেউজী স্বপ্নত
ধান যত মূৰ দাঙি গান হৈ জাগে
চাহ বনুৱাৰ ঝুমুৰৰ / মাদলে মাদলে।
তেজৰ বুলনি সনা বাগিছাৰ পাতে পাতে
বিদ্ৰোহৰ কঁপনি তোলা / ৰুদ্ৰ সংগীতত
ধনতন্ত্ৰী অপসংস্কৃতিৰ / ধ্বংসকামী / তুমি আছা
সাম্যবাদী সংস্কৃতিৰ / ৰঙা দিগন্তত।

কবি বিশ্বাসৰ মাত— "জ্যোতি চিৰ জ্যোতিষ্মান।" কবি বিশ্বাসৰ অতিকে চিনাকি খাছীয়া গাভৰু ইবন বাই-দেউ চিলং পাহাৰত বেপাৰ কৰি নিজৰ পৰিয়ালক পোহ-পাল দিছিল। অকণি পোনাটিক বেপাৰলৈ আহোঁতে বাইদেউয়ে চুমা এটি দি আহে আৰু অকণি পোনাটিয়েও বুঢ়ীমাকৰ কোলাৰ পৰা থুনুক-থানাক মাতেৰে বাইদেউক হাত বাউল দি কয়— "আই তই বেগেতে আহিবি দেই।" এদিন বিকট চাইৰেণৰ চিঞৰত এই সুললিত্যপূৰ্ণ শব্দক উপলুঙা কৰি ইবন বাইদেউ মাৰ্কিন সৈনিকৰ উদ্ধত ইয়াংকী গামবুট আৰু কামাতুৰ চিগাৰেটৰ ধোঁৱাৰ ষাহুবেষ্টনীৰ মাজত পিষ্ট হ'ব লগা হ'ল। মাৰ্কিন সৈন্যৰ পশুত্ব আৰু মাতৃ শিশুৰ ধ্বংস হোৱা মনুষ্যত্বৰ নিকৰুণ ছবিখনি কবি বিশ্বাসে "আই তই বেগতে আহিবি দেই" কাব্যৰূপত সজাই তুলিছে।

গ্ৰাম্যজীৱনৰ বোকা পানীৰ পৰা বুটলি অনা পদুম, অসমৰ মঘাই ওজাৰ চহাপ্ৰাণ হেমাংগ বিশ্বাসৰ শ্ৰেষ্ঠতম আৱিষ্কাৰ বুলি কবি জনাই নিজেই অকপটে স্বীকাৰ কৰি গৈছে। কবিজনাই ঢোলক "সুৰ সংগতিৰ আশ্চৰ্য্য

অৰ্কেষ্ট্ৰী' আখ্যা দি বাদ্যযন্ত্ৰটিক প্ৰতীকি অৰ্থত গ্ৰহণ কৰিছে। কাৰণ ঢোল সৃষ্টিৰ আৰু জাগৰণৰ প্ৰতীক, বিপ্লৱৰ উদ্গাতা। সেয়ে তেখেতে আমাৰ ওজাদেৰক আহ্বান জনাইছে—

ওজা ভাই / আকৌ লাগে আজি, আৰণ্যক ঢোলৰ মাত?
নিস্ফলা মাটিৰ কইনাৰ / গৰ্ভকোষ উদ্দীপিত কৰি
বজ্ৰৰ গৰ্জনে অনা ধুমুহাৰ তাল।
ভীষণ মধুৰ তোমাৰ ঢোলৰ চাপৰ,
ভীষণ মধুৰ। ( মঘাই ওজাৰ ঢোল )

মঘাই ওজাৰ মৃত্যুৱে প্ৰাণসখা কবি বিশ্বাসৰ দূৰণিবটীয়া "জিৰণিৰ বুকুৰে উচুপনি" কঢ়িয়াই আনিছে।

সহযোদ্ধা বিষ্ণুৰাভাৰ মৃত্যু বাৰ্ত্তাত কবি বিশ্বাসে পৰ্ব্বতৰ চূড়া খহি পৰা যেন পাইছিল। অক্লান্ত বিপ্লৱী সংগ্ৰামী ৰাভাৰ বাতৰিয়ে যেন লুইতৰ ভুঁইকপ উঠা অসমক যেন মূৰ্চ্ছিতা কৰি কেউফালে উচুপনিৰ সৃষ্টি কৰিছে যেন কবি বিশ্বাসে অনুভৱ কৰিছিল। অৱশ্যে আশাবাদী কবিজনাই ৰাভাৰ মৃত্যুত হতাশাক প্ৰশ্ৰয় নিদি সংস্কৃতিৰ বেঁাৱতী সুঁতিত যৌৱনভৰা মৃত্যুহীন গীতৰ কলি ফেনে-ফুটকাৰে বৈ অহা দেখা পাইছিল। আত্মবিশ্বাসী কবি বিশ্বাসে লিখিছিল।

শোণিতৰ ৰঙা পোৱালেৰে গঁঠা / আলোক মিনাৰ
চিৰ অনিৰ্বাণ জ্বলে "মুক্তি দেউলতা / তাৰে খনিকৰ, ৰূপৰ
শিকলি বন্ধা / অমিয়া সুৰক মুক্তি দিলা ধাননিত,
সাম্যবাদী চেতনাৰে সুদীপ্ত সুন্দৰ
ৰাখি গ'লা হেঙুলীয়া তোমাৰ স্বাক্ষৰ। ( বিষ্ণুদালৈ )

'উটি যোৱা ন বেউলা' "কুলখুৰাৰ চোতাল" কবিতা পুথিত সন্নিবিষ্ট এটি সুন্দৰতম ব্যঙ্গ কবিতা। লোক-গাঁথাৰ বেউলাই ভেলাত উঠি স্বামীৰ জীৱন লাভৰ বিপৰীতে আজি বিমানত উঠি দেশনেতাই ভণ্ডামী কৰে। ৰাইজক মহাকাশবাণী প্ৰবোধ দি শুনাই—

নিয়ন্ত্ৰণ হ'ব / ব্ৰহ্মপুত্ৰ বান্ধ খাব / ঘৰে ঘৰে পানীয়ে কঢ়িয়াব/
বিজুলীৰ চাকি / কিন্তু ৰাইজৰ লাউফুল ওপঙা দিয়ে।

বিপ্লৱী কবিজনাৰ কাপত জাতিয়তাবাদী তথা সাম্প্ৰদায়িকতাৰ বিপৰীতে গঙাচিলনীজনী বিপ্লৱৰ আন্তৰ্জা-তিক প্ৰতীক হৈ ধৰা দিছে। সুদূৰ হিৰোচীমা দ্বীপত কবিৰ গঙাচিলনীজনী। আনৱিক, সামৰিক, মৃত্যু, ধ্বংসৰ নৃত্যৰ বাৰ্তা পাই তাই প্ৰতিবাদী কণ্ঠেৰে ভয়ঙ্কৰ ৰূপত আগবাঢ়ি আহিছে। দুপাখিত ধুমুহাৰ গীত গুজি লৈ, তাই চিৰউদ্দীন, অক্লান্ত হৈ দুনিৰ্বাৰ গতি দিকবিদিক ভ্ৰমিছে—

"প্ৰশান্তৰ পৰা অটলান্ত / প্ৰতিৰোধ, প্ৰতিশোধ, চিৰক্ষমাহীন
মোৰ ডেউকাৰ গানে, বিদ্ৰোহবান আনে / এফ্ৰো এচিয়া
আমেৰিকাত ( গঙাচিলনীৰ গীত )

... ৰক্তেৰে আদায় কৰোঁ ৰক্তৰ ঋণ
মইহে ভিয়িৎমিন / মইহে ভিয়েৎমিন (গঙাচিলনীৰ গীত)

শাৰিৰীক অসুস্থতাৰ বাবেই হওক কিম্বা অন্যান্য কাৰণতেই হওক কবি বিশ্বাসে চীনলৈ তিনিবাৰ যাত্ৰা কৰিছিল। জীৱনৰ বহু সময় চীনত কটাই সঁচা অভিজ্ঞ-তাৰে পৰিপুষ্ট কবি হেমাংগ বিশ্বাসে জনসাধাৰণৰ স্বতঃস্ফূৰ্ত উদ্যোগত কাৰিকৰী জ্ঞানৰ সতে পাশ্চাত্য বিজ্ঞানৰ সাৰ্থক সংমিশ্ৰণ ঘটা দেখা পাইছে। দুই ভৰিৰ ওপৰত খোপনি পুতি আগবঢ়া নীতিৰে চীনৰ কৃষি শিল্পৰ ক্ষেত্ৰত নতুন দিগন্ত সৃষ্টি কৰিছে। চীনৰ কৃষক 'নৱযুগৰ ভগীৰথ" হৈ পৰিছে। বান্ধ আৰু জলাধাৰবোৰ নিৰ্ম্মাণ কৰি তেওঁ-লোকে হোৱাংহোৰ দৰে চকুলোৰ নৈক আনন্দৰ নিজৰা কৰি তুলিছে। চীনামানুহৰ চিন্তা আৰু কৰ্ম্মনিপুণতাই আজি দুখৰ ঠাইত সুখ আৰু অনিশ্চয়তাৰ ঠাইত নিৰাপত্তাৰ বাট প্ৰশস্ত কৰিছে। এসময়ৰ বনৰীয়া বাইছন আজি ঘৰচীয়া কামধেনু। দুঃখৰ দুকূল ওপচায় দুখৰ প্ৰবাহ, বৰিষাত উঠি যোৱা মানুহৰ দুঃখৰ বিননি আৰু শুনিবলৈ নাপায়। চৌপাৰৰ জনতাৰ মথাউৰি কোনো ক্ৰুৰ মহাকালে ভাঙিব নোৱাৰে। কিন্তু তেতিয়াই কবিৰ লুইতৰ পাৰৰ দুৰ্গতিৰ স্মৃতিয়ে আমনি কৰিছে; মনৰ চাক্ষুষ দৃষ্টিত দেখা পাইছে লুইতপৰীয়াৰ হোৱাংহোৰদৰে নিস্কৃতি বিচৰা নিবিড় আকুতি—

কেতিয়াবা মনে জুমি চায় লুইতলৈ
কিমানদিন মাজৰাতি মই শুনিছোঁ
উচুপনি তাৰ। নীলাচল উমানন্দৰ
শিলে শিলে ক্ষত-বিক্ষত বুকুত তাৰ
অসংখ্য হোৱাংহোৰ নিৰুদ্ধ আকুতি।
( মই ফুৰোঁ হোৱাংহোৰ পাৰে পাৰে )

হোৱাংহোৰ কল্যাণৰূপী ৰূপ আমাৰ লুইতৰ ভয়ঙ্কৰ ৰূপলৈ মনত পেলায়। হোৱাংহোৰ নিৰুদ্ধ আকুতিৰে ব্ৰহ্মপুত্ৰ দেৱতায়ো যেন 'ঘৰচীয়া' কামধেনু" হৈ দুধৰ প্ৰবাহ বোৱাব, মাথো মগজু আৰু হৃদয়ৰ প্ৰয়োজন।

অসমীয়া কবিতাজগতত গণশিল্পী হেমাংগ বিশ্বাসৰ কবিতা পুথি "কুলখুৰাৰ চোতাল" এক অপূৰ্ব্ব সংযোজন। কুলখুৰা বা বিষ্ণুৰাভাৰ যি সমাজ, সংস্কৃতি আৰু ঐতিহ্যৰ পৰিবেশত কবিজনাই দেখিছিল, শুনিছিল আৰু ভাল পাইছিল, সেই পৰিবেশতে ধৰি ৰাখিবলৈ চেষ্টা কৰাৰ ফলশ্ৰুতিত অসমীয়া কাব্য জগতত "কুলখুৰাৰ চোতাল" প্ৰকাশ লাভ কৰিছিল। তেখেতে অসমীয়া জনজীৱনত অনুভূতিৰ অনুবান অসমীয়া ভাষাৰ যোগেদি প্ৰকাশৰ জৰিয়তে লুইতৰ মাছ লুইততে ধৰি ৰখাত মনোনিবেশ কৰিছিল। কাব্যখনৰ মূল প্ৰেৰণা ৰাজনৈতিক হ'লেও আবেগ অনুভূতিৰ জোৱাৰত কুলখুৰাৰ চোতালখন বহিৰ্মুখী জীৱনত অন্তৰঙ্গ আলোচনাত প্ৰবৃত্ত হৈছে। ইয়াত আমি হো-চি-মিন, জ্যোতিপ্ৰসাদ, বিষ্ণুদা আৰু পিঠিত খৰিৰ বোজা বোৱা সুমথিৰা গালৰ দিন মজুৰিণী ইবন বাইদেউক লগ পালো, আমাৰ কাণত শ্ৰুৱিত হয় মাটিহীন কৃষকৰ ঢোলৰ চাপৰ, সুদূৰ হিৰোচীমা দ্বীপৰ ভগনীড় আৰু গঙা-চিলনীজনীৰ গীত।

ভাৰত, অসম আৰু আন্তৰ্জাতিক বিপ্লৱী সত্তাৰ স্বাক্ষৰ বহন কৰা কাব্যৰূপ হিচাবে গণশিল্পী বিশ্বাসৰ "কুলখুৰাৰ চোতাল' এক ক্ষুদ্ৰ কাব্যস্তম্ভ। সহজভাষা আৰু শব্দ প্ৰয়োগেৰে বৈশিষ্টপূৰ্ণ কবিতাবোৰ আত্মকেন্দ্ৰিকতাৰ পৰা মুক্ত। চিন্তা আৰু চিত্ৰকল্প তথা প্ৰতীত ব্যৱহাৰত কবিজনাই জটিলতাক বৰ্জনৰ চেষ্টা অব্যাহত ৰাখিছে। কবিৰ মানবীয় চেতনা আৰু সহানুভূতিয়ে কবিতাসমূহৰ অন্য এটি উপভোগ্য দিশ হৈ ধৰা দিছে বিশেষকৈ শিৰোনামাৰ কবিতাটিত। অনুভূতিৰ গভীৰতা, ট্ৰেজিক বিষাদ আৰু শ্ৰদ্ধাৰ গাঢ়তাই বিশ্বাসৰ বহু কেইটা কবিতাৰ মূল বস্তু হোৱাৰ উপৰিও প্ৰেৰণা আৰু বিশ্বাসৰ বাহক হৈ পৰিছে। ✱

**মুক্তকণ্ঠ**

*"সাধাৰণতে আজি কালি শিক্ষা ব্যৱস্থা কেৱল পৰীক্ষা কেন্দ্ৰিক হৈ পৰাত ছাত্ৰ-ছাত্ৰীৰ মাজত যেনে তেনে পৰীক্ষা 'পাছ' কৰাৰ মনোবৃত্তিয়ে গা-কৰি উঠিছে। ইয়াৰোপৰি, প্ৰকৃত শিক্ষাতকৈ এখোখন চাৰ্টিফিকেটক হে অধিক গুৰুত্ব দিয়া হয়। ফলস্বৰূপে, নকল কৰাৰ প্ৰবৃত্তি ব্যাপক হৈ উঠিছে।"*

—দিপাস্ত কুমাৰ গগৈ, স্নাতক ৩য় বাৰ্ষিক

# বড়ো সংস্কৃতি

## এটি পৰ্য্যালোচনা

মায়া শইকীয়া

বড়ো সংস্কৃতি যে বৃহৎ অসমীয়া সংস্কৃতিৰ এটি অপৰিহাৰ্য্য অংগ, এই কথা অনস্বীকাৰ্য্য । কিয়নো স্বকীয়ভাৱে পৰিপুষ্টি লাভ কৰা এই বড়ো সংস্কৃতি আমাৰ অসমীয়া জনজীৱনৰ নানা দিশ প্ৰভাৱান্বিত কৰিছে । এই সত্যটি উপলব্ধি কৰিবলৈ হ'লে বড়ো সংস্কৃতিৰ বিভিন্ন দিশ অধ্যয়ন কৰিবই লাগিব আৰু লগে লগে ইবিলাকে বাৰে বৰণীয়া অসমীয়া জনজীৱনত কেনেকৈ অঙ্গাঙ্গীভাৱে মিলি গৈছে তাকো আত্মীয়তাৰে চালিজাৰি চাবলৈ শিকিব লাগিব । এই প্ৰৱন্ধটিত তাৰেই কিছু দিশ আমাৰ সীমিত জ্ঞানেৰে উন্মোচন কৰিবলৈ প্ৰয়াস কৰা হৈছে । বড়োকে মুখ্য কৰি অসমৰ অন্যান্য জন-গোষ্ঠীৰ সংস্কৃতিয়েহে অসমীয়া সংস্কৃতিক পুৰঠ কৰিছে, এই সত্যটি উপলব্ধি কৰি আগবাঢ়িলেহে অসমৰ সৰ্বাঙ্গীণ মঙ্গল হ'ব । আমাৰ এই ক্ষুদ্ৰ প্ৰৱন্ধটিৰ তাৎপৰ্য্যটিও এই কথাষাৰিতেই নিহিত হৈ আছে ।

বড়ো সকলৰ মূল গোষ্ঠীটো হ'ল মঙ্গোলীয় গোষ্ঠী, যি সকলক চীন তিৰ্ব্বতীয় জনগোষ্ঠী বুলি কোৱা হয় । বৰ্ত্তমান উত্তৰবঙ্গ আৰু গোৱালপাৰা জিলাৰ পশ্চিমাঞ্চলত বাস কৰা বড়ো কছাৰী সকলৰ মেচ নামে পৰিচয় পোৱা যায় । অইন সম্প্ৰদায়ৰ মানুহে ম্লেচ্ছৰ পৰা মেছ হোৱা বুলি ভাৱি পুৰণি ম্লেচ্ছ জাতিৰ মানুহ বুলি ঠাৱৰ কৰে । কিন্তু উত্তৰ পূৰ্ব্ব, ভাৰতৰ প্ৰাচীন ভৌগোলিক অৱস্থানৰ পৰা জনা যায় যে— বৰ্ত্তমান কোচ-বিহাৰ ৰাজ্যৰ উত্তৰে এখন মিচি নদী আছে । সেই নদীৰ পাৰত বাস কৰা বড়ো কছাৰী সকলে নিজকে মেছ বুলি পৰিচয় দিছিল । 'বড়' শব্দৰ অৰ্থ বড়ো কছাৰীৰ ভাষাত জ্ঞান বা হুচ । ডিমাচাসকলৰ বিশ্বাসমতে আমি সেই বড়ৰেই পৰৱৰ্ত্তী কালৰ বংশধৰ আৰু তেওঁৰ অৱস্থা বা নামানুযায়ী বড়ো বা বডো নামৰ উৎপত্তি হৈছে ।

বড়ো শাখাৰ ভিতৰত বড়ো ভাষা কোৱা লোকৰ সংখ্যা যথেষ্ট বেছি । বড়োৰ আন দুটা নামৰ এটা কছাৰী আৰু আনটো মেচ । আন এটা সৰহ সংখ্যক লোকে কোৱা বড়ো শাখাৰ ভাষা হৈছে গাৰো । এই শাখাৰ আন আন কেইটামান ভাষা হ'ল— ৰাভা, ত্ৰিপুৰী, লালুং, ডিমাছা আৰু দেউৰী চুতীয়া । বড়ো ভাষাবোৰৰ ভিতৰত আটাইতকৈ পূৰ্ব্বদেশীয় ভাষা হৈছে চুতীয়া ভাষা । বড়ো শাখাৰ ভাষাৰ ভিতৰত চুতীয়া আৰু কছাৰী এই দুটা ভাষাই দুটা সীমাৰ সংকেট দিয়ে— এটা আটাইতকৈ কম বিকশিত আৰু আনটো আটাইতকৈ বেছি বিকশিত । বড়ো শাখাৰ আন এটা ভাষা হৈছে মিকিৰ । আগতে মিকিৰক নগা কুকি শাখাৰ অন্তৰ্গত হিচাবে ধৰা হৈছিল । কিন্তু বৰ্ত্তমানৰ অনুসন্ধানৰ পাছত ১৯৬১ চনৰ লোক গণনাত মিকিৰক বড়ো শাখাৰ অন্তৰ্গত কৰা হৈছে ।

বডো বা বড়ো কছাৰীসকলৰ বাসস্থান অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা, উত্তৰবঙ্গ, কাছাৰ জিলা, ত্ৰিপুৰা আৰু দক্ষিণ নেপালত আছে । তেওঁলোকক বৰ্ত্তমান খৃষ্টান, ব্ৰহ্ম কছাৰী, শৰণীয়াহৈ সৰু কোচ হোৱা আদি ধৰ্ম্মত দেখিবলৈ পোৱা যায় । ব্ৰহ্মধৰ্ম্মত দীক্ষিত হোৱা বড়ো কছাৰী সকলক বৰ্ত্তমানে ব্ৰহ্মপুত্ৰ উপত্যকাৰ গোৱালপাৰা, কামৰূপ, দৰং, নগাওঁ, মিকিৰপাহাৰ, উত্তৰ লক্ষীমপুৰ আদি জিলাত পোৱা যায় । কাছাৰবাসী বড়োকছাৰী, ডিমাছাসকলে শৰণ লোৱাৰ পিছত বৰ্মন উপাধি ললে ।

ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰমতে মঙ্গোলীয় গোষ্ঠীৰ বড়ো কছাৰীসকল মাতৃ প্ৰধান

জাতিৰ পৰা অহা লোক। তেখেতৰমতে অসমীয়া ঘৰুৱা জীৱনত স্ত্ৰীজাতিৰ স্বাধীনতাত বড়ো কছাৰী সংস্কৃতিৰ প্ৰভাৱ পৰিছে। অসনৰ মঙ্গোলীয় গোষ্ঠীৰ ভিতৰত বড়ো শাখাৰ গাড়ো সকল আজিও মাতৃ প্ৰধান হৈ আছে।

বড়ো কছাৰীসকলে পিতৃবংশীয় আৰু মাতৃবংশীয় এই দুটা প্ৰথাৰ মাধ্যমেৰে ৰিবাহ কাৰ্য্য সমাধা কৰে। বড়ো কছাৰী সকলৰ ছয় প্ৰকাৰে বিবাহৰ সমাধা কৰা হয়। যেনে:—

১) সমাজৰ দস্তুৰ মতে বিবাহ,
২) ঘৰ জোঁৱাই ৰাখি দিয়া বিবাহ
৩) ছোৱালীয়ে গা-যাঁচি ঘৰ সোমোৱা বিবাহ
৪) ঢোকা প্ৰথাৰে কৰা বিবাহ
৫) টানি লৈ গৈ বিবাহ কৰোৱা
৬) পলোৱাই নি বিবাহ কৰোৱা।

তাৰে প্ৰথম চাৰি প্ৰকাৰ সমাজে স্বীকৃতি দিয়া প্ৰথা আৰু ৰাকী দুটা অবৈধ বুলি ধৰা হয়।

বড়ো কছাৰী সকলৰ জীৱিকাৰ প্ৰধান উপায় ধানখেতি। ধানখেতিৰ উপযোগিতাৰ বাবে সমতল ঠাই, আলতীয়া মাটিক 'হা-মা-হা' বুলি তেওঁলোকে বেছি পচন্দ কৰে। তেওঁলোক নাৰী পুৰুষ নিৰ্বিশেষে সমানে অতি পৰিশ্ৰমী আৰু সৌন্দৰ্য্যৰ উপাসক। বড়ো কছাৰী সকলে প্ৰধানকৈ তিনিটা জাতৰ ধানৰ খেতি কৰে। যেনে: (১) আহু (২) বাও আৰু (৩) শালি। বড়ো কছাৰী সকলে ধানখেতিৰ বাহিৰেও মৰাপাট আৰু অন্যান্য খৰালি খেতিও কৰে।

বড়ো কছাৰী পৰিয়াল বিলাকে ঘৰৰ চালৰ খাঁথনি খুটাৰ বাবে বাঁহ ব্যৱহাৰ কৰে। গাঁথনিৰ গাঁথিবোৰৰ বাবে কোমল বাঁহৰ টঙাল ব্যৱহাৰ কৰে। ঘৰৰ চাল উলু খেৰৰ দ্বাৰা ঢকা হয়। তেওঁলোকে চাৰিওফালে কেই-বাটাও ঘৰ সাজি মাজতে চোতাল ৰাখে। ঘৰবোৰ ছুচলীয়; বৰঘৰ, ভঁৰালঘৰ আৰু গোহালিঘৰ। এই তিনিটা ঘৰ বড়োসকলৰ প্ৰত্যেকৰ ঘৰত থাকিব লাগিব। বৰঘৰটো তিনিটা কোঠালিত ভাগ কৰি মাজতে বেৰ দিয়া হয়। তাৰে পূৱৰ কোঠালিক ইছিং, মাজৰ কোঠালিক অখং আৰু পশ্চিমৰ কোঠালিক খক্ৰা বোলে।

বড়োসকল বৰ চিকাৰপ্ৰিয়। বছৰৰ প্ৰথমদিনা চিকাৰলৈ ওলালে জন্তুৰ গৰাকী দেৱতাক পূজা দি কুকুৰা চৰাই আগবঢ়াই চিকাৰ বিচাৰি যায়। চিকাৰ পালে চিকাৰত পোৱা জন্তুৰ কলিজা, তেজ মঙহেৰে ভোগ ৰান্ধি দিয়া হয়।

বড়ো কছাৰীসকলে জাতীয় পানীয় হিচাবে লাও-পানী ( জুমায়, জৌ ) ব্যৱহাৰ কৰে। লাওপানীৰ ব্যৱহাৰ উঠি গ'লে তেওঁলোকৰ সংস্কৃতিও ব্যাহত হ'ব। বড়ো কছাৰীসকলে মাছ মঙহবোৰ ৰান্ধি খোৱাৰ বাহিৰেও তাক শুকাই বহুত দিনলৈ সাঁচি থৈ খোৱাৰ অভ্যাস আছে। শুকান মাছক নাফাম ( সিন্দল ) কৰি দুই তিনি বছৰলৈ সাঁচি থৈ খোৱা হয়। বড়ো কছাৰীৰ পৰম্পৰাৰে চলি অহা কেইটামান আঞ্জা বন্ধনৰ নাম দিয়া হ'ল। যেনে— ১) ভজা (২) শুকান ৰন্ধা আঞ্জা (৩) অলপ পানী ৰাখি ৰন্ধা আঞ্জা (৪) মাছ নাইবা মঙহৰ আঞ্জাত অলপ পানী ৰাখি ৰন্ধা আঞ্জা (৫) জোল ৰাখি ৰন্ধা আঞ্জা আৰু (৬) পাতত দিয়া এই কেইটাই প্ৰধান। তেওঁ লোকে বাৰটা মাহত তেৰ প্ৰকাৰৰ আঞ্জা খাই জুতি লয়।

পণ্ডিত সকলৰমতে সাজ-পাৰ বড়ো কছাৰীৰ পূৰ্ব্ব পুৰুষৰ পৰা চলি অহা প্ৰাচীন সম্বল। অসমীয়া জাতীয় জীৱনৰ পিন্ধা-উৰা এড়ি কাপোৰ আৰু তিৰুতা মানুহে পিন্ধা ৰিহা-মেখেলা প্ৰাচীন কালত বড়ো-কছাৰীৰ পূৰ্ব্ব পুৰুষে তিব্বতৰ পৰা অসমলৈ লৈ আহিছিল। বড়ো কছাৰীৰ তিৰুতা মানুহৰ সাজ পাৰ দুই ভাগত ভগাব পাৰি। যেনে:— ১) দখনা আৰু ২) মেখেলা। দখনা আৰু মেখেলাত নানা ৰং বিৰঙৰ ফুল ৰাচি চকুত ৰোৱা কাপোৰ কৰি তোলে। দখনা সাধাৰণতে পাঁচহাত দীঘল।

বড়ো কছাৰীসকলে সাধাৰণতে কেইপদমানহে অলঙ্কাৰ ব্যৱহাৰ কৰে। যেনে:—

কাণত পিন্ধা অলঙ্কাৰৰ নাম—
১) খেৰা, অৰ্থ: কাণ পচা ২) জাপখ্ৰিং, অৰ্থ ইয়াৰিং ৩) তালিংলৰা অৰ্থ: দুল ইত্যাদি।

নাকত পিন্ধা অলঙ্কাৰৰ নাম— ১) গঠাংনিবালি অৰ্থাৎ নাকফুল ২) বৌলা অৰ্থাৎ জোঙা আকাৰৰ এৰিধ সোণৰ অলঙ্কাৰ। গলত পিন্ধা অলঙ্কাৰৰ নাম— ১) চন্দ্ৰহাৰ ২) বিছাহাৰ ইত্যাদি। হাতত পিন্ধা যিকোনো অলঙ্কাৰক বড়ো কছাৰীসকলে আছান অৰ্থাৎ খাৰু বুলি কয়। তাৰ

ভিতৰত আছান মুঠি অৰ্থাৎ মুঠিখাৰু, বালাখাৰু ইত্যাদি। আখতাম অৰ্থাৎ আঙঠিও ব্যৱহাৰ কৰে। উৎসৱ পাৰ্বন মানৱ জাতিৰ সভ্যতাৰ দাপোণ। একোটা উৎসৱ পাৰ্বনৰ যোগেদি একোটা মানৱ গোষ্ঠীৰ সামাজিক জীৱনৰ পটভূমি পৰিষ্কাৰকৈ ফুটি ওলায়, যেনেঃ— অসমীয়া তথা বড়ো কছাৰীৰ জাতীয় জীৱনত বহাগ বিহুৰ উৎসৱ পাৰ্বন। বড়ো কছাৰীৰ বহাগ বিহুক দুই ভাগত ভগাব পাৰি। যেনে ঃ— গৰুৰ বিহু আৰু মানুহৰ বিহু।. গৰুৰ বিহুৰ দিনা গৰুৰ শ্ৰী আৰু সংখ্যা বৃদ্ধিৰ কামনা কৰি গৰুক পূজা কৰা হয়। মানুহৰ বিহুৰ দিনা (১) মানুহৰ তথা জীৱৰ পৰম শত্ৰু জ্ঞান কৰা খাপৰ বংশ ধ্বংস কৰা (৩) মৃত পূৰ্ব্ব পুৰুষ সকলৰ পূজা (৪) যোৱা বছৰক বিদায় দিয়া (৫) গুৰু সেৱা (৬) প্ৰীতিৰ চিন বিনিময় কৰা (৭) নৃত্যগীত (৮) শস্যৰ মঙ্গল আৰু শ্ৰীবৃদ্ধি কামনা কৰি পূজা দিয়া আৰু (৯) বিহুক বিদায় দিয়া।

বড়োসকলৰ বাদ্য যন্ত্ৰৰ ভিতৰত চিফুংবাঁহী উল্লেখ-যোগ্য, তেওঁলোকৰ মাজত ডেকাসকলে বাঁহী, হাৰমনিয়াম, তাল চাপৰি বজাবলৈ ভলুক। বাঁহ ফালি লোৱা এবিধ বাদ্য (খৰখা) আৰু গাভৰুহঁতে গগনা, ৰামতাল আদি বাদ্য লৈ বিহুমাৰিবলৈ ওলায়। কিন্তু আদিম বাদ্যবাজনাৰ ভিতৰত তেওঁলোকে খাম মাদল ব্যৱহাৰ নকৰে।

উপসংহাৰ ঃ— অসমীয়া জাতীয় জীৱনৰ দৈনন্দিন জীৱন যাত্ৰাত বড়োকে আদি কৰি অসমৰ চৌদিশে থকা জন-গোষ্ঠীৰ অৱিহণা সঁচাই অপৰিসীম। আমি মাত্ৰ বিশ্লেষণা-ত্মক দৃষ্টিৰে চাব পৰা নাই কিম্বা চোৱাৰ প্ৰয়াস কৰা নাই। সাংস্কৃতিক জীৱনটোত আমি পৰস্পৰ এনে অঙ্গাঙ্গীভাৱে সাঙুৰ খাই আছোঁ যে আমি পৃথক হোৱাটো অসম্ভৱ। বাস্তৱ জীৱনতো আমি গভীৰ উপলব্ধিৰে মিলি জুলি থাকিব পাৰিলে অসম পুনৰ ঠন ধৰি উঠিব বুলি মনে প্ৰাণে ভাবোঁ। আমাৰ সাংস্কৃতিক সংহতিৰ লগতে জাতীয় সংহতিও সুদৃঢ় হওঁক ইয়াকে আমি কামনা কৰোঁ। ●

**বিক্ষিপ্ত চিন্তা—**

*মই চিন্তা কৰি পোৱা এইবোৰ মানৱ জীৱনক সন্তোষ্টি দিবলৈ কিছুমান বুদ্ধিজীৱিয়ে দি থৈ যোৱা অসাধাৰণ ফৰ্মুলা, যাৰ পৰা এচামৰ লাভ হয় আৰু লোকচান হয়।"*

— শ্ৰীদিগন্ত শইকীয়া, প্ৰাক্তন ছাত্ৰ।

# পৰিশীলন পাঠ্যক্ৰম
# ( Refresher Course )
# আৰু শিক্ষক

—ইন্দ্ৰপ্ৰসাদ বুঢ়াগোহাঁই

ভাৰতবৰ্ষৰ মহাবিদ্যালয় সমূহৰ শিক্ষক সকলৰ মাজত পৰিশীলন পাঠ্যক্ৰমৰ বাবে উখলমাখল পৰিবেশ এটা সৃষ্টি হৈছে। ইউ, জি, চিৰ নিৰ্দ্দেশাৱলী অনুযায়ী মহাবিদ্যালয়ৰ শিক্ষক সকলৰ চিনিয়ৰ স্কেল আৰু চিলেকচন গ্ৰেড্ৰ নিৰিখত দৰমহা অকাডেমিক ষ্টাফ কলেজৰ দ্বাৰা পৰিচালন কৰা ছুটাকৈ পৰিশীলন পাঠ্যক্ৰম নিতান্তই প্ৰয়োজন হৈ পৰিছে। এই পাঠ্যক্ৰম অৰ্থনৈতিক দিশত যে প্ৰয়োজন তাক নুই কৰিব নোৱাৰি। তদুপৰি ইয়াৰ আনুসাঙ্গিক দিশটোৰ যে সমানেই প্ৰয়োজন আছে সেই ভাবিবৰ স্থল আছে।

সময়ৰ গতিত বিজ্ঞান, প্ৰযুক্তি বিদ্যা, ক'লা, সংস্কৃতিৰ আমুল পৰিবৰ্ত্তন হোৱাটো স্বাভাৱিক। শিক্ষাজগতত বৰ্ত্তমানৰ চাহিদা অনুসৰি পাঠ্যক্ৰমত নতুন নতুন বিষয় সন্নিবিষ্ট কৰা হৈছে। অনাহাতেদি চুবুৰীয়া বিশ্ববিদ্যালয় সমূহৰ সৈতে শিক্ষাৰ দিশত থকা পাৰ্থক্য দ্ৰুত গতিত আগবাঢ়িব ধৰিছে। এনে এটা পৰিস্থিতিত পুৰণি চাম শিক্ষকে আওকলীয়া পদ্ধতিৰে পাঠদান কৰি থাকিলে আমি উন্নতশীল দেশ সমূহৰ তুলনাত বহুপিছলৈ যাম বুলি ধাৰণা হয়। কৰ্ম্মব্যস্ত জীৱনত বাৰে বুৰি সমস্যাৰে আগুৰা কালছোৱাত শিক্ষক সকলে পাঠ্যক্ৰম গ্ৰহণ কৰা মাধ্যমেৰে নিজৰ জীৱনলৈ বহুখিনি নতুনত্ব আনিব পাৰে। দেশখনৰ বিভিন্ন প্ৰান্তৰ পৰা লগখোৱা ই এটা সুমধুৰ পৰিবেশ অসমৰ পৰা গুজৰাটলৈ, কাশ্মীৰৰ পৰা কণ্যাকুমাৰীলৈকে এই বিশাল উপমহাদেশখনত বিভিন্ন পৰিবেশত শিক্ষা আহৰণ কৰা অভিজ্ঞ শিক্ষক সকলৰ ই এক সমন্বয়ৰ ক্ষেত্ৰ। বিভিন্ন ভাষাৰ সংমিশ্ৰণৰ লগতে শিক্ষা বিষয়ৰ বিভিন্ন কথা আলোচনা কৰা উপযুক্ত স্থল হিচাবে গণ্য কৰিব পাৰি। এনে R. C. ৰ দৰে Summer Training Short Term Course Orientation আদি পাঠ্যক্ৰমৰ মাজে মাজে প্ৰচলন হয়, নামত বেলেগ হ'লেও প্ৰায়বোৰৰ উদ্দেশ্য একে। পুৰণা পদ্ধতিক ৰহনসানি নতুনত্ব অনাৰ বাবে ইয়াক বহুমুখী মঞ্চ হিচাপে তৈয়াৰ কৰিব পৰা যায়। এনে পাঠ্যক্ৰম বহুসময়ত মহাবিদ্যালয়ৰ পাঠ্যক্ৰমৰ লগত সঙ্গতি বিহীনভাবে চলি থাকে। গতিকে এনে পৰিশীলনশীল পাঠ্যক্ৰমবোৰ প্ৰস্তুত কৰোতা সকলে এই বোৰ সূক্ষ্ম ভাবে লক্ষ্য নকৰিলে প্ৰশিক্ষাৰ্থী সকলৰ বহু ক্ষতিসাধন হয়। এইখিনি সময়তে বহুকথা খৰচি মাৰি শিকিবলৈ সুবিধা পোৱা হয়। এই কথা সত্য যে বহু মহাবিদ্যালয়ৰ গ্ৰন্থগাৰ সমূহত সীমিত সংখ্যক পাঠ্যপুথিহে পোৱা যায়। কেতিয়াৰা প্ৰয়োজনীয় কিতাপৰ অভাৱত বহুকথা আধৰুৱা হৈ থাকে। বেলেগ বিশ্ববিদ্যালয়লৈ গৈ তাৰ পৰা আৱশ্যকীয় কিতাপ, আলোচনী আদি পঢ়ি তেনে অভাৱ দূৰ কৰিব পৰা যায়। মূল্যবান গ্ৰন্থবোৰৰ পৰা টোকা বা জেৰক্স কৰি অনাৰ ও সুব্যৱস্থা বহু বিশ্ববিদ্যালয়ত পোৱা যায়। M. Phil বা Research কৰোঁতা সকলৰ বাবে ই এক সোণালী সুযোগ। কিছুমান শ্ৰেণীত এম্ ফিল বা গবেষণা পৰ্য্যায়ৰ পাঠদান কৰে। গতিকে গবেষক সকলে এনে ক্ষেত্ৰত যথেষ্ট উপকৃত হয়। নিজে বুজি নোপোৱা কথাখিনি গেষ্ট হাউচতে থকা সময়ত অন্য শিক্ষক সকলৰ লগত আলোচনা কৰি সহজ কৰি তুলিব পাৰি।

কিছুমান অকাডেমিক ষ্টাফ কলেজত Seminar Paper, Home assignment দিব লগীয়া হোৱাত অংশ গ্ৰহণকাৰী সকলে পঢ়াত ব্যস্ত হ'ব লগাত পৰে আৰু পুনৰ ছাত্ৰ জীৱন ঘূৰাই পোৱা যেন অনুভৱ হয়। তাৰবাবে প্ৰায় এমহীয়া কালছোৱা অতিবাহিত কৰিবৰ বাবে অবিৰাম গতিত অধ্যয়ন চলাই যাব লাগে। সেইয়েহে শিক্ষা দিয়াতকৈ শিক্ষা গ্ৰহণ কৰি ভাল লগা কথাষাৰ কিছুপৰিমাণে হ'লেও সত্য যেন লাগে কিয়নো বিষয় বস্তুৰ লগত খাপ খোৱা উচ্চমান দণ্ডৰ বক্তৃতাই শিক্ষক সকলক অধিক আগ্ৰহী কৰে। কিছুমান অকাডেমিক ষ্টাফ কলে-

জত একোটিকৈ প্ৰৱন্ধ দিব লাগে। সেইবোৰ সংকলন কৰি কিতাপ আকাৰেৰে—সজাই সংশ্লিষ্ট কলেজ সমূহলৈ পঠাই দিয়ে। এনে প্ৰৱন্ধ সমূহৰ বাবে কেনে প্ৰস্তুতিৰ প্ৰয়োজন সি সহজেই অনুমেয়। সেই বুলি তাৰ পৰা এৰাই চলিবলৈ যত্ন কৰাতো ভুল হ'ব বুলি ভাবো।

এই পাঠ্যক্ৰম বিলাকত কিছুপৰিমাণে হলেও ত্ৰুটি নথকা নহয়। কেতিয়াবা বিষয় বস্তুৰ ওপৰত সীমিত জ্ঞান থকা বা নিম্ন স্তৰৰ পাঠদান কৰে। যিবোৰ আলোচনা চক্ৰত ( Seminar ) অংশ গ্ৰহণ কৰা শিক্ষক সকলৰ ভাষণতকৈ তলৰ পৰ্য্যায়ৰ বুলিব পাৰি। সময়ৰ অভাবত বহুত বক্তৃতা লিখিবলৈ বা সংগ্ৰহ কৰি ৰাখিবলৈ অসুবিধা হয়। ইয়াৰ বাবে বক্তৃতাবোৰ জেৰক্স বা চাইক্লষ্টাইল কৰি সকলো অংশ গ্ৰহণকাৰীক দিলে ভাল হয়। Library Class বা Library Works অৰ্থাৎ গ্ৰন্থগাৰ দৰ্শনৰ সুবিধা কম দিয়া হয়। দৈনিক এবাৰকৈ গ্ৰন্থগাৰ দৰ্শনৰ ব্যৱস্থা কৰিব লাগে। এনে ব্যৱস্থা কম হ'লে বহুত মূল্যবান কথা সংগ্ৰহ কৰাতো সম্ভৱ হৈ নুঠে। এই সময়চোৱাত কমেও দুবাৰ শিক্ষামূলক ভ্ৰমণ সূচী থাকিব লাগে। অৱশ্যে বহু বিদ্যালয়ত এনে ব্যৱস্থা এবাৰকৈ কৰা দেখা যায়। এনে শিক্ষা মূলক ভ্ৰমণ সূচীত বুৰঞ্জী প্ৰসিদ্ধ ঠাই সমূহ, গবেষণাগাৰ তথা বিশিষ্ট গ্ৰন্থগাৰ দৰ্শনৰ দৰে কাৰ্য্যসূচী থাকিব লাগে। Resourse Person অৰ্থাৎ আমন্ত্ৰিত শিক্ষক যিমান দূৰ সম্ভৱ বেচি থাকিব লাগে। সচৰাচৰ কলেজীয়া পাঠ্যক্ৰমৰ লগত খাপ খুৱাকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰা উচিত। কেতিয়াবা বহু উচ্চ স্তৰত, আকৌ কেতিয়াবা অতি নিম্ন স্তৰৰ পাঠদান দিলে অংশ গ্ৰহণকাৰী সকলে বিৰক্তি অনুভৱ কৰে। তেনে কৰিলে পাঠ্যক্ৰমৰ প্ৰকৃত উদ্দেশ্যৰ পৰা ফালৰি কাটি যায়। শ্ৰেণীকোঠাৰ ভিতৰত প্ৰণালীবদ্ধ হিচাপে নতুন নতুন পদ্ধতিৰে ছাত্ৰ সকলক শিক্ষা দিব পৰাকৈ কেইটামান পিৰিয়দত থাকিব লাগে। Methodology ৰ ক্লাচ সেইবাবে কমেও ১০ ( দহ ) মান থাকিব লাগে। অংশ গ্ৰহণকাৰীসকলক উপহাৰ স্বৰূপে মাত্ৰ দুই তিনিখনমান কিতাপহে দিয়ে। এনে কিতাপৰ সংখ্যা কমেও দহ, বাৰখনমান হ'ব লাগে।

কিছুমান পৰিশীলন পাঠ্যক্ৰমত পৰীক্ষা পদ্ধতি আৰু তাৰ কিছুমান আসোঁৱাহৰ বিষয়ে আলোচনা হয় যদিও সেয়া সন্তোষজনক নহয়। গতিকে দেশজুৰি সকলো শিক্ষকে যাতে একেদৰে পৰীক্ষাৰ বহীসমূহ মূল্যায়ন কৰিব পাৰে তাৰ এটা স্থিৰ নীতি উদ্ভাৱন কৰিবলৈ চেষ্টা কৰিব লাগে। এই বিষয়ত আলোচনা চক্ৰ হোৱাতো অতি প্ৰয়োজন। অকাডেমিক ষ্টাফ কলেজ দেশৰ সকলোবোৰ বিশ্ববিদ্যালয়ত আৰু সকলো বিষয়ত প্ৰৱৰ্ত্তন কৰিব লাগে। নহ'লে বহু শিক্ষকে প্ৰৱল ইচ্ছা থকাৰ সত্বেও স্বাস্থ্যজনিত কাৰণত বা অন্যকোনো কাৰণত দূৰ-দূৰণিত গৈ পাঠ্যক্ৰম ল'ব নোৱাৰিলে অৰ্থনৈতিক বা মানসিক দিশত তেওঁলোকৰ যথেষ্ট ক্ষতিসাধন হয়। এনেক্ষেত্ৰত অনুষ্ঠানৰো ক্ষতি হোৱা বুলিয়েই কব পাৰি। কিয়নো সেই শিক্ষা কেৱল নিজৰ বাবেই নহয়, তাৰ পৰা কণমানি হ'লে ছাত্ৰ-ছাত্ৰী সকল উপকৃত হয়।

সেইয়েহে আমাৰ শিক্ষকসকলে ইয়াৰ অৰ্থনৈতিক দিশটোতে সীমাবদ্ধ নাথাকি কৰ্ম্মজীৱনৰ প্ৰয়োজনীয় অংশ হিচাবে ধৰি পাঠ্যক্ৰমবোৰলৈ পৰাপক্ষত যাবলৈ অৱহেলা কৰিব নালাগে। যথাসম্ভৱ চাকৰিৰ পৰা অৱসৰ পোৱা আগমূহূৰ্ত্তলৈকে এনে পাঠ্যক্ৰমত যোগ দিবলৈ সংকোচ নকৰাকৈ অধ্যয়নপুষ্ঠ মনলৈ যাব লাগে। এনে পাঠ্যক্ৰমৰ সংখ্যা দিনক দিনে বাঢ়ি যাওক আৰু উদ্দেশ্য সফল হওক এয়ে কামনা। ★

# জিলমিল অনুভূতি

*তিৰবিৰ তৰা এটি নিশাৰ সাক্ষী*
*আনি দিয়ে বিষাদৰ ছায়া*
*জিলমিল অনুভূতি যেন চাতক পক্ষী*
*আনি দিয়ে জীৱনৰ মায়া ॥*



## ঃ সূচীপত্ৰ ঃ


o স্বপ্ন নগৰীলৈ কল্প ভ্ৰমণ ঃ
(ভ্ৰমণ কাহিনী) ঃ ফণীন্দ্ৰ দেৱ চৌধুৰী
দুলীয়াজান।
o নেপোলিয়ন (চুটি গল্প) ঃ অজিত বৰগোহাঞি
কাৰ্য্যালয় সহায়ক
দুলীয়াজান মহাবিদ্যালয়।

পাঁচটা কবিতা ঃ

o মৌন প্ৰতিধ্বনি ঃ চিনুমণী কোঁচ, একাদশ শ্ৰেণী।
o শ্বাশ্বত ঃ দিপান্ত কুমাৰ গগৈ
স্নাতক তৃতীয় বাৰ্ষিক।
o সময়ৰ স্বৰলিপি ঃ যজ্ঞেশ্বৰ গগৈ, প্ৰাক্তন ছাত্ৰ।
o আত্ম সংলাপ ঃ দিগন্ত শইকীয়া, প্ৰাক্তন ছাত্ৰ।
o কঁাচি ঃ অমল পাঠক।



ভ্ৰমণ কাহিনী

# স্বপ্ন-নগৰীলৈ কল্প-ভ্ৰমণ

## ( দুলীয়াজানত এশ পঞ্চাশ মিনিট )

—ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী

( এক )

ফ্ৰেছেন ইউৰ চীট বেল্ট ।

আফটাৰ এ শ্বৰ্ট হোৱাইল উই শ্যাল বী ল্যাণ্ডিং ইন দ্যা ইন্টাৰনেচনেল এয়াৰপৰ্ট অৱ দুলীয়াজান— দ্যা চিটি অৱ লিকুইড গোল্ড ।

আৰু মাত্ৰ কেইটামান মুহূৰ্ত্তৰ পিছতেই আমি পনীয়া সোণৰ নগৰী দুলীয়াজানৰ আন্তৰ্জাতিক বিমানবন্দৰত অৱতৰণ কৰিম ।

নীলা আকাশৰ পৰা মন্থৰ গতিত তললৈ নামি অহা প্ৰকাণ্ড এয়াৰ বাছখনৰ খিড়িকিৰ স্বচ্ছতাৰ মাজেৰে বাহিৰলৈ দৃষ্টি নিক্ষেপ কৰি বেচ কৌতুহলী হৈ উঠিলো । ধীৰে ধীৰে যেন ছবিৰ দৰে এখন সুবিশাল কেনভাছ মোৰ ওচৰলৈ আগবাঢ়ি আহিছে । আকাশমাৰ্গৰ পৰা দিয়াচলাইৰ বাকচৰ দৰে লগা অজস্ৰ শাৰী শাৰী ঘৰ, অ'ত ত'ত এচপৰা বৰ্গাকাৰ সেউজ, ৰ'দত চিকমিকাই ৰোৱা চিলভাৰ ৰঙৰ টেঙ্কবোৰ, সাপৰ দৰে যেনিয়ে তেনিয়ে ঘূৰি ফুৰা ৰূপালী পাইপবোৰ— এই সকলোবোৰে নিৰ্ভুলভাৱে কৈ দিয়ে আমি এখন পৰিকল্পিত উদ্যোগ নগৰীৰ কাষ চাপি আহিছো ।

মাইক্ৰো টেলিস্কোপ ফিট কৰা মোৰ গ্লাছযোৰ এইবাৰ দুচকুত এনেয়ে পিন্ধি লৈ আকৌ এবাৰৰ বাবে বিমানখন ৰান ওৱেত অৱতৰণ কৰাৰ আগে আগে তললৈ চালো । লগে লগে ক্ষন্তেক আগৰ সেই কেনভাছখন মোৰ দুচকুৰ নিচেই ওচৰলৈকে দৌৰি আহিল । এইবাৰ আৰু বেচি ওচৰৰ পৰা মাত্ৰ কেইটামান মুহূৰ্ত্তৰ বাবে হ'লেও ঔদ্যোগিক নগৰখন চোৱাৰ সুযোগ পালো— পৰিচ্ছন্ন এখন পৰিকল্পিত চহৰ । যেন এইমাত্ৰ লিওনাৰ্দো দ্যা ভিঞ্চি অথবা ৰেমব্ৰেন্টে অশেষ কষ্টেৰে তুলিকাৰে ৰং সানি শেষ কৰিছে ।

—ফৰ ইউৰ ইনফৰ্মেছন, দ্যা আউটচাইড টেম্পাৰেছাৰ ইজ টুৱেন্টি ডিগ্ৰী চেলচিয়াচ ।

বিমানৰ অদৃশ্য মাইক্ৰোফোনত ভাঁহি অহা নাৰীকণ্ঠৰ চিনাকি ঘোষণাতহে গম পালো বিমান আহি পনীয়া সোণৰ নগৰী দুলীয়াজানৰ আন্তৰ্জাতিক বিমানবন্দৰত অৱতৰণ কৰিলেহি । হাতৰ ঘড়ীলৈ চালো ন বাজি ত্ৰিশ মিনিট । মোৰ ৰিটাৰ্ন ফ্লাইট বাৰ বজাত । দুলীয়াজানৰ বাবে মোৰ হাতত এতিয়া আঢ়ৈ ঘণ্টা সময় আছে । তিনি ঘণ্টা কম সময় নহয় ।

বাকী যাত্ৰীৰ লগতে ময়ো চীটৰ পৰা উঠি পৰিলো । প্ৰতি দিনে বিমানেৰে ইমান সংখ্যক যাত্ৰী দুলীয়াজানলৈ আহে নে ? অৱতৰণৰ পিচত ইমান সময়ে চীটৰ ভিতৰত প্ৰায় অদৃশ্য হৈ সোমাই ৰোৱা যাত্ৰীবোৰ এজন এজনকৈ থিয় হোৱাৰ পিচতহে বিভিন্ন যাত্ৰীৰ প্ৰতিনিধিত্বমূলক প্ৰফাইল এটা অনুমান কৰিবলৈ মই সক্ষম হ'লো । বিচিত্ৰ, বৰ্ণময় বেশভূষা, বয়স, অৱয়ব, ৰং-বিৰঙ, অঙ্গী-ভঙ্গী, ভাষাৰ এক অদ্ভুত, মিশ্ৰিত প্ৰ'ফাইল । বিদেশৰ পৰা অহা প্ৰায় আচ্ছাদন বিহীন নাৰী পুৰুষৰ এটা ট্যুৰিষ্ট গ্ৰুপ । সমগ্ৰ শৰীৰৰ পোছাকতে কম্পিউটাৰৰ সৰু সৰু বাটন সম্বলিত কেইজনমানক দেখি অনুমান কৰিলো তেওঁলোক কোনোবা মাল্টিনেশ্যনেল কোম্পানীৰ বিজিনেছ টাইকুন, ল'ৰা-ছোৱালী কেইজনমানৰ অবিৰাম কলৰৱ, পখিলীৰ চাঞ্চল্য আৰু উন্মাদনাৰ পৰা ধৰি ল'লো তেওঁলোক কোনোবা কলেজ অথবা ইউনিৰ্ভাচিটিৰ পৰা ষ্টাডী ট্যুৰত মৌজ কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰী ।

যাত্ৰীৰ এই বিচিত্ৰ প্ৰফাইলটোত মোৰ নিজস্ব অৱস্থান কি হব বাৰু ?

( দুই )

বহুদিনৰ পৰা নাম শুনি অহা তুলীয়াজান নামৰ এই ঔদ্যোগিক চহৰখনলৈ মোৰ এয়া প্ৰথম ভ্ৰমণ। বাহ্যিক ভাবে এই ভ্ৰমণৰ উদ্দেশ্য যদিও বা বিশ্বৰ শ্ৰেষ্ঠ তৈল-নগৰী হিচাবে স্বীকৃতি পোৱা তুলীয়াজানৰ বিষয়ে টাইমছ ম্যাকতৰ বাবে এটা ৰিপ'ৰ্ট তৈয়াৰ কৰা, এই ভ্ৰমণৰ আঁৰত প্ৰেৰণা হিচাবে এটা আৱেগিক কাৰণো নিহিত হৈ আছে (ইউনিভাৰ্চিটি মোৰ দ'ৰে দুই এজন ব্যক্তিৰ মাজত এতিয়াও আৱেগ শব্দৰ কিবা এটা অৰ্থ আছে)। এই মুহূৰ্ত্তত মোৰ অনুভৱ হৈছে যেন সেই আৱেগিক কাৰণটোৱেহে তুলীয়াজানলৈ আহিবলৈ মোক বেচি প্ৰলুব্ধ কৰি তুলিছেঃ ৰিপ'ৰ্ট ফাইল কৰাৰ প্ৰফেছনেল কাৰণটো হৈ পৰিছে গৌণ।

মই টাইমছ ম্যাকতৰ ইণ্ডিয়ান কাৰেছপনদেণ্ট। আজি ৰাতিপুৱা টাইমছৰ হেড অফিচৰ পৰা মেছেজ এটা পালো যে এই বছৰৰ বাবে ভাৰতবৰ্ষৰ তুলীয়াজান নগৰখনক বিশ্বৰ শ্ৰেষ্ঠ তৈল নগৰী বুলি ঘোষণা কৰা হৈছে। সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ সৰু বৰ সকলো তৈল নগৰী ছাৰ্ভে কৰাৰ পিচত এক্সপাৰ্ট সকলে কোম্পানীৰ পাৰ্ফমেঞ্চ, নগৰখনৰ প্ৰতি দায়বদ্ধতা, নগৰৰ পাৰকেপিটা ইনকাম, পলিউছন, গ্ৰোথ আদি বিভিন্ন তথ্য চালি-জাৰি চোৱাৰ পিচত সৰ্বসম্মতিক্ৰমে ঘোষণা কৰিছে যে তুলীয়াজানৰ সমকক্ষ কোনো তৈল-নগৰী সম্ভৱতে ক'তো নাই। এনেকুৱা এটা প্ৰেষ্টিজিয়াছ ঘোষণাৰ লগত সামঞ্জস্য ৰাখি কাইলৈৰ সংখ্যা টাইমছত তুলীয়াজানৰ ওপৰত ৰিপ'ৰ্ট এটা, ফটো ফিছাৰসহ প্ৰকাশ পোৱাটো অতীব প্ৰয়োজনীয়।

প্ৰথম প্ৰথম ভাবিছিলো দিল্লীত বহি বহিয়েই তুলীয়াজানৰ ওপৰৰ ফটো ফিছাৰ এটা তৈয়াৰ কৰিম। আজি-কালি ছেটেলাইট ফটোগ্ৰাফীৰ জৰিয়তে বিশ্বৰ যিকোনো ঠাইৰ পৰাই অন্য যিকোনো ঠাইৰ ওপৰত কেমেৰা ফ'কাচ কৰি ফটো লব পাৰি। সেয়েহে দিল্লীত বহি বহিয়েই নিমিষতে মই তুলীয়াজান চহৰৰ কেইখনমান ফটো লৈ টাইমছৰ হেড অফিচলৈ পঠিয়াই দিব পাৰো।

কিন্তু হেড অফিচৰ পৰা মোক মেছেজটো পঠিওৱাৰ উদ্দেশ্যই হ'ল মই পাৰ্চনেলী গৈ তুলীয়াজানৰ ওপৰত ৰিপৰ্ট এটা তৈয়াৰ কৰা উচিত। ফাৰ্ষ্ট হেণ্ড ৰিপৰ্টৰ প্ৰফেছনাল ভ্যালু আজিৰ এই দিনতো অনেক বেচি।

আৰু পাৰ্চনেলী তুলীয়াজানলৈ অহাৰ সিদ্ধান্ত লোৱাৰ অন্তৰালত সেই সৰু আৱেগিক কাৰণটোও আছিল। মোৰ আজোককাই এসময়ত তুলীয়াজানৰ তেল কোম্পানীত চাকৰি কৰিছিল। আজোককাই প্ৰায়ে কৈছিল— ছ্যাটছ এ মাৰ্ভেলাছ চিটি উইথ লট অৱ প'টেনচিয়েলছ। তেল কোম্পানীৰ মেনেজমেণ্ট যদি অলপ দূৰদৰ্শী হ'লহেঁতেন তুলীয়াজান ক্যান বী মেড এ হেভেন। ইমান মনোৰম ঠাই মই পৃথিবীৰ ক'তো দেখা নাই। ইউ মাষ্ট ভিজিট চামটাইমছ।

অৱসৰ লৈ দিল্লীত থকা সময়ছোৱাত যাকেই লগ পায়, তাৰেই আগত আজোককাই কোৱা এই কথা কেইষাৰ মোৰ এতিয়াও মনত আছে। সেই শৈশৱতে মই মনে মনে ঠিক কৰিছিলো সুযোগ পালেই কেতিয়াবা তুলীয়াজানলৈ যাম।

টাইমছৰ মেছেজটো পোৱাৰ লগে লগেই আজোককালৈ মনত পৰিছিল। তৎক্ষণাৎ সিদ্ধান্ত লৈ লৈছিলো তুলীয়াজানলৈ যোৱাৰ। পাৰ্চনেল কম্পিউটাৰৰ বুটাম টিপি গম পাইছিলো আৰু ঠিক আধা ঘণ্টাৰ পিচত চিটি টাৰ্মিনেলৰ পৰা তুলীয়াজানলৈ ডাইৰেক্ট ফ্লাইট এটা এৰিব। কম্পিউটাৰৰ জৰিয়তেই বুকিং কনফাৰ্ম কৰি মই দহ মিনিটৰ ভিতৰত ঘৰ এৰিছিলো, ফ্লাইট এৰাৰ ঠিক দুই মিনিট আগতে নিজকে আৱিষ্কাৰ কৰিছিলো দিল্লীৰ পৰা তুলীয়াজান অভিমুখী বিমানৰ অন্তিম চীটটোত।

( তিনি )

আৰু এয়া মই হাতৰ মুঠিত কনমানি মুভি-কেমেৰা এটা, ঘড়ীত মোৰ সৰু পাৰ্চনেল কম্পিউটাৰ-কাম-টেপ ৰেকৰ্ডাৰটো লৈ তুলীয়াজানত বিমানৰ পৰা নামিবলৈ উদ্যত হৈছো। এছকেলেটৰৰ জৰিয়তে কোনো কষ্ট নোহোৱাকৈ মই নিমিষতে গ্ৰীণ চেনেলেৰে বাহিৰ ওলালো।

সোঁ সোঁ শব্দ এটা হোৱাত পিচলৈ ঘূৰি চাই দেখিলো প্যান এমেৰিকানৰ বিশাল বিমান এখনে এই মাত্ৰ বন্দৰৰ পৰা আকাশমাৰ্গলৈ উৰা মাৰিছে।

বিমান বন্দৰৰ স্বচ্ছ এন্‌কেলাজাৰৰ কাঁচৰ দুৱাৰ ঠেলি মই বাহিৰলৈ ওলাই আহিয়েই ক্ষন্তেকৰ বাবে বিমুগ্ধ হৈ ৰ'লো— সকলো বিমান-বন্দৰেই মোটামুটিভাৱে পৰিষ্কাৰ-পৰিচ্ছন্ন, কিন্তু এনে সুদৃশ্য, পৰিকল্পিত, ঝক্‌-মকাই থকা কোনো বিমান বন্দৰেই কিজানি মোৰ আজিলৈকে চকুত পৰা নাই। তৈল-নগৰীলৈ স্বাগতম জনাই তেল-কোম্পানীৰ সৰু অফিচ এটাত কেইগৰাকীমান সপ্ৰতিভ তৰুণী। বাহিৰত শাৰী শাৰী কেবাখনো হালধীয়া ৰঙৰ টু-চীটাৰ হেলিকপ্তাৰ। আন এটা চাইদত ভাৰাৰ বাবে সৰু সৰু অত্যাধুনিক কাৰ। হেলিকপ্তাৰ বোৰে দুলীয়াজান বিমান বন্দৰৰ পৰা ডিগবৈ, ভাদৈ পাঁচআলি, টেঙাখাট, ৰাজগড়, নাহৰকটীয়া আদি ওচৰৰ ঠাইবোৰলৈ যাত্ৰী অনা-নিয়া কৰে। কিছু ব্যস্ত টুৰিষ্টে দুলীয়াজান, আকাশমাৰ্গৰ পৰা চাবলৈকেও এনেকুৱা সৰু হেলিকপ্তাৰ ভাৰাত লয়।

মোৰ বাবে পথ যাত্ৰাইয়ে সুবিধাজনক হ'ব বুলি ভাবি মই সৰু ৰঙা ৰঙৰ কাৰ এখন ঘণ্টা হিচাবত ভাৰাত ল'লো। কাৰ কাউণ্টাৰত থকা তৰুণীজনীয়ে মনোৰম হাঁহি এটা মাৰি গাড়ীৰ নাম্বাৰ লিখা থকা ট'কেন এটাত সময় পাঞ্চ কৰি গাড়ীৰ চাবি এটা মোলৈ আগবঢ়াই দিলে। ধন্যবাদ জনাই মই কাৰ পাৰ্কিং কৰা ঠাইৰ ওচৰ পালো। ট'কেনত সময় পাঞ্চ কৰাৰ সময়তে দেখিবলৈ পালো ভিতৰৰ সৰু কম্পিউটাৰৰ স্ক্ৰীনত মোৰ ফটোগ্ৰাফ এটা সঞ্চিত হৈ গৈছে।

নাম্বাৰ মিলাই চাই গাড়ীত বহি লৈ দেখিলো ষ্টীয়েৰিঙৰ ওচৰতে সৰু কম্পিউটাৰ এটা। অন্ কৰি দেখিলো স্ক্ৰীনত ভাঁহি উঠিছে দুলীয়াজান নগৰৰ মানচিত্ৰ; বাটন টিপিলো, দুলীয়াজানৰ ৰাস্তা-পদূলিৰ নিৰ্দেশ, দৰ্শনীয় ঠাই, দুলীয়াজানৰ ইতিহাস, বিৱৰণ……। ভাব হ'ল গাড়ীৰ ভিতৰত বহি বহিয়েই দেখোন মই মোৰ ৰিপ'ৰ্টটো তৈয়াৰ কৰিব পাৰো।

কম্পিউটাৰে দেখুওৱা নিৰ্দেশমতে মই সামান্য অসুবিধা নোহোৱাকৈয়ে বিমান বন্দৰৰ পৰা বাহিৰ ওলাই মূল ৰাস্তা পালোহি। সাগৰীয় কোনো বাকলিবিহীন মাছৰ দৰে মসৃন ৰাস্তা, গাড়ী যেন চলা নাই, স্বয়ংক্ৰিয়ভাৱে পিচ্ছিল ৰাস্তাৰে পিচলি পিচলি গৈ আছে, ষ্টীয়েৰিঙৰ ওচৰৰ কম্পিউটাৰৰ পৰ্দাৰ এচুকত প্ৰতিটো মুহূৰ্ত্ততে ভাঁহি উঠিছে মোৰ গাড়ীৰ অৱস্থান……। ক্ষিপ্ৰগতিৰে এক মুহূৰ্ত্তৰ বাবে মই চিন্তা কৰি চালো— আৰু খুব বেছি দুঘণ্টা পঞ্চল্লিশ মিনিট সময় মই দুলীয়াজান তৈল-নগৰীত আছো। এইখিনি সময়ৰ ভিতৰতে তেল কোম্পানীৰ পাব্লিক ৰিলেছন অফিচত এটা ভুমুকি, সাক্ষাৎকাৰ, সুবিধা হ'লে তেল-পথাৰত হেলিকপ্তাৰৰ এটা শ্বৰ্ট, চহৰখনৰ এটা হাৰিকেন পৰিভ্ৰমণ, তৈল নগৰী হিচাবে এই চহৰখনৰ বৈশিষ্টনো কি যাৰ বাবে বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ তৈল নগৰী হিচাবে পৰিগণিত হোৱাৰ গৌৰৱ ই অৰ্জন কৰিবলৈ সক্ষম হৈছে— সেই সম্পৰ্কত কিছু তথ্যভিত্তিক অনুসন্ধান—

( চাৰি )

গাড়ী চলিছে।

প্ৰশস্ত ৰাস্তাৰ দুইকাষে শাৰী শাৰী দোকান-পোহাৰ, সুবৃহৎ ডিপাৰ্টমেণ্টেল ষ্টোৰছ; বৰ্ণময় গাড়ীৰ শৃঙ্খলাবদ্ধ আহ-যাহ, স্বয়ংচালিত আলোকৰ নিয়মিত নিয়ন্ত্ৰণ; গাড়ী ৰাখি দুই-এঠাইত মোৰ মুভি কেমেৰাটোৰে কেইটামান সুন্দৰ শ্বট ল'লো, ৰাস্তাৰ একাষে অনতিদূৰত চকুত পৰিল কেইটামান ইণ্ডাষ্ট্ৰিয়েল শ্বেদ, এটা ইণ্ডাষ্ট্ৰীৰ খবৰ লৈ জানিব পাৰিলো— তেল-কোম্পানীৰ প্ৰত্যক্ষ সহায়-সহযোগিতা, টেকনিকেল নো-হাউৰ ওপৰত ভিত্তি কৰি দুলীয়াজান চহৰৰ আশে-পাশে অজস্ৰ সৰু-বৰ ইণ্ডাষ্ট্ৰী গঢ় লৈ উঠিছে, য'ত তেল-উদ্যোগৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰীয়েই উৎপাদিত হয়। জাপান, আমেৰিকা আদি দেশৰ পৰা যিবোৰ সামগ্ৰী বিশ-ত্ৰিশ বছৰ আগলৈকে আমদানি কৰা হৈছিল - সেই সকলোবোৰ সামগ্ৰী আজি উৎপাদন হয় দুলীয়াজানতে। তেল-কোম্পানীত যিমান কৰ্মী আছে, তাতকৈও অধিক সংখ্যক কাৰিকৰী কৰ্মীয়ে আজি-কালি কাম কৰে তেল-কোম্পানীক কেন্দ্ৰ কৰি চৌপাশে গঢ় লৈ উঠা ইণ্ডাষ্ট্ৰীবোৰত। 'এন ইনডাইৰেক্ট এমপ্লয়মেণ্ট', 'ইট কেন বী এ মেছেজ টু আদাৰ অইল

ইণ্ডষ্ট্ৰীজ’— মই কথাবাৰ মোৰ ঘড়ীত থকা কম্পিউটাৰ ডায়েৰীত টুকি ৰাখিলো।

ষ্টীয়েৰিঙৰ ওচৰৰ কম্পিউটাৰত চকু ঘূৰাই মই গম পালো অলপ আগবাঢ়ি গৈ বাওঁফালে ঘূৰিলেই তেল-কোম্পানীৰ গেটখন। ফ্লাইটত আহি থাকোতেই এয়াৰ টেলিফোনৰ জৰিয়তে তেল-কোম্পানীত মই মোৰ উদ্দেশ্য, আগমনৰ কথা জনাই থৈছো। পি, আৰ, ও, মি, দত্তৰ সৈতে মোৰ দহ বাজি দহ মিনিটত দহ মিনিটৰ এপইন্ট-মেণ্ট এটা আছে। এতিয়াও দহ বাজিবলৈ তিনি মিনিট আছে।

মোৰ গাড়ীৰ গতিবেগ কমাই মই চাৰি আলিটোৰ স্বয়ংক্ৰিয় আলোক নিৰ্দেশ অনুসৰি বাওঁফালে টাৰ্নিং ল’লো। সন্মুখত চকুত পৰিল কম্পিউটাৰ নিৰ্দেশিত বিশাল পৰ্দাত তেল-কোম্পানীৰ আকৰ্ষণীয় নাম-ফলক। কেবাটাও ৰাস্তাৰ পৰা গম পালো কোম্পানীৰ কৰ্মচাৰী, চৰকাৰী বিষয়া, অন্যান্য ভিজিটৰচ আদি যাবলৈ বেলেগ বেলেগ ৰাস্তা নিৰ্দ্ধাৰণ কৰা আছে। ভিজিটৰচ ৰাস্তাৰ কাষৰ পাৰ্কিং স্পেচত মই গাড়ীখন ৰাখি ওচৰৰে ৰিচেপচন ৰুমটোলৈ সোমাই গ’লো। শাৰী শাৰী কম্পিউটাৰ সন্মুখত লৈ আশ্বৰ্য্য সপ্ৰতিভ তৰুণী কেইগৰাকীমান বহি আছে। দুৱাৰৰ ওচৰৰ পৰা এনেয়ে তেওঁলোকৰ আচৰণ ক্ষন্তেকৰ বাবে নিৰীক্ষণ কৰিলো। মোৰ আগে আগে অহা যুৱক এজনে কি জানো এটা কামৰ বাবে অনুসন্ধান কৰাৰ লগে লগেই নীলা স্কাৰ্ট আৰু গাৰ হালধীয়া টপ পৰিহিতা তৰুণী এগৰাকীয়ে তাইৰ জোৰা আঙুলিৰে কম্পিউটাৰৰ কী-বোৰ্ড টক্ টক্ কৈ স্পৰ্শ কৰিলে। প্ৰিন্ট আউট এখন উলিয়াই যুৱকৰ হাতত দি ক’লে— আপুনি বিচৰা সকলো ইনফৰ্মেছন ইয়াত পাব। তথাপি আপুনি যদি বিচাৰে মি, বৰুৱাক লগ কৰিব পাৰে। তেখেত দহ বাজি পঞ্চাশ মিনিটৰ পৰা পাঁচ মিনিটৰ বাবে ফ্ৰী আছে।

—এপইন্টমেণ্ট······

যুৱকজনে উচ্চাৰণ কৰিলে।

টক্ টক্ টক্।

তৰুণীগৰাকীয়ে কম্পিউটাৰৰ কী-বোৰ্ড টিপিলে। অকণমানি এক ইঞ্চিৰ প্ৰিন্ট আউট এখন উলিয়াই দি যুৱকজনৰ হাতত দি ক’লে— মি, বৰুৱাই আপোনাৰ বাবে দহ বাজি একাৱন্ন মিনিটত ৰুম নং 36 ত ৱেট কৰিব। ৰুমলৈ যোৱাৰ পথৰ নিৰ্দেশ এই স্লিপখনত আছে।

ধন্যবাদ জনাই যুৱকজন গুছি গ’ল।

এইবাৰ তৰুণীগৰাকী ওচৰলৈ মই গৈ মোৰ পৰিচয় দি মি, দত্তৰ সৈতে সাক্ষাতৰ কথা ক’লো। টক্ টক্ টক্। ছোৱালীজনীয়ে হাস্যমুখেৰে মোৰ হাতত স্লিপ এখন দি ক’লে— মি, দত্তই দহ বাজি দহ মিনিটত আপোনাক দেখা কৰিব। এতিয়াও দহ মিনিট আছে। ইচ্ছা কৰিলে আপুনি দহ মিনিটৰ বাবে আমাৰ ভিজিটৰচ ৰুমত অপেক্ষা কৰিব পাৰে।

ধন্যবাদ জনাই মই ওচৰতে থকা ভিজিটৰচ ৰুমত প্ৰৱেশ কৰিলো। আহল-বহল বাৰ্তানুকুল, কোঠালি, সুন্দৰ ছোফা-ছেট, কেইজনমান ভিজিটৰচ ৰুমৰ ভিতৰত বহি আছে, এখন ডাঙৰ ৰঙীণ পৰ্দাত নিঃশব্দে তেলৰ ইতিবৃত্ত শীৰ্ষক এখন ডকুমেণ্টৰী জাতীয় ফিল্ম চলি আছে, প্ৰত্যেকৰ বাবে হেড্-ফোন ৰাখি থোৱা আছে।

আন এটা ফালে দেখিলো তিনিটা পাৰ্চ’নেল কম্পিউটাৰ ৰখা আছে। এটাৰ বুটাম টিপি গম পালো- এই কম্পিউটাৰৰ জৰিয়তে তেল-কোম্পানীৰ যাৱতীয় খবৰ। ইতিহাস, বিভিন্ন দাটা, ৰিকুইয়াৰমেণ্ট— সকলো চকুৰ নিমিষতে জানিবলৈ বিচাৰিলে জানিব পাৰে। প্ৰয়োজন অনুসৰি এই কম্পিউটাৰৰ জৰিয়তেই বিভিন্ন জনৰ লগত সংযোগ স্থাপন কৰিব পৰা যায়।

( পাঁচ )

মোৰ হাতত সময় নিচেই কম আছিল বাবেই তাৰ পৰা ওলাই আহি গাড়ীত বহি ৰিচেপনিষ্টৰ তৰুণী গৰাকীয়ে আগবঢ়াই দিয়া কম্পিউটাৰৰ স্লিপখন চাই মি, দত্তৰ অফিচৰ ফালে গাড়ী চলাই দিলো। ঠিক দহ বাজি দহ মিনিটত মই যেতিয়া মি, দত্তৰ অফিচ পালো, তেখেত তেতিয়া ৰৈ আছে মোৰ বাবে। সুন্দৰ ব্যক্তি। অকণো সময় অযথা নষ্ট নকৰি তেওঁ মোৰ উদ্দেশ্যৰ কথা জানি ল’লে। মোৰ কথা শুনাৰ পিচতে টেবুলৰ এচুকত

থকা ৰিম'ট কন্ট্ৰোলৰ বুটাম এটা টিপাৰ লগে লগে মোৰ চুচকুৰ সন্মুখতে ৱালত থকা অদৃশ্য পৰ্দা এখন আলোকিত হৈ উঠিল। মি, দত্তই ক'লে— মি, চৌধুৰী, মোৰ এই ৰুমত বহিয়েই এই মুহূৰ্ত্তত কোম্পানীৰ ক'ত কি চলি আছে আপুনি পৰ্দাত চাব পাৰিব। পৰ্দাৰ যিটো চিকুয়েঞ্চৰে ফটোফিচাৰ আপুনি বিচাৰে, এই 'চিলেক্ট - পি' বাটনটো টিপিলেই আপুনি তাৰ ফটোৰ প্ৰিন্ট পাব। আপোনাৰ ৰিপ'ৰ্টৰ বাবে আপুনি কলৈকো আৰু যোৱাৰ প্ৰয়োজন নাই। এয়া লওঁক।

মি, দত্তৰ হাতৰ পৰা ৰিম'ট কন্ট্ৰোলটো লৈ বিভিন্ন বুটামবোৰ মই এটা এটাকৈ স্পৰ্শ কৰিলো। মোৰ চুচকুৰ সন্মুখত ঠিক এই মুহূৰ্ত্তত কোম্পানীৰ ক'ত কি ঘটি আছে সুন্দৰকৈ ভাঁহি উঠিল— এয়া ড্ৰিলিং লোকেচন, ইউনিফৰ্ম পিন্ধা কৰ্মী কামত ব্যস্ত হৈ আছে, ওৱৰ্ক ওভাৰ ওৱেল, এল, পি, জি প্লাণ্ট, অইল কালেকটিং ষ্টেচন, গেছ কম্প্ৰেছৰ, গেছ টাৰ্বাইন, পাম্প ষ্টেচন, আলটিমেট-ইন-কম্পিউটাৰ ৰুম......। বুটাম টিপি টিপি চকীত বহি বহিয়েই মই বিভিন্ন লোকেচনৰ অজস্ৰ ফটোগ্ৰাফীৰ প্ৰিন্ট ল'লো। হঠাতে পৰ্দাত সৰু মেছেজ এটা ভাঁহি উঠিল— আপোনাৰ বাবে নিৰ্দ্ধাৰিত দহ মিনিট সময়ৰ মাত্ৰ এক মিনিট সময়হে বাকী আছে। চুইচটো অফ্ কৰি মই মি, দত্তৰ মুখলৈ চালো। সুধিলো— আপোনালোকৰ কোম্পানীৰ কৃতকাৰ্য্যতাৰ মূল কাৰণ কি? আৰু এই কোম্পানীৰ বৈশিষ্ট কি?

— ফাইনেষ্ট মেনেজমেণ্ট। মি, দত্তই ক'লে। আমাৰ অফিচ টাইম মাত্ৰ প্ৰতিদিনে চাৰিঘণ্টা। যোৱা এশ বছৰত আমি এজনো কৰ্মী বঢ়োৱা নাই। অথচ প্ৰডাকচন বাঢ়িছে থাৰ্টি টাইমছ।

— হাউ?

— চিম্পল। আগতে কোম্পানীৰ কাৰ্য্যত প্ৰধান অন্তৰায় আছিল অসংখ্য কৰ্ম আৰু দায়িত্বহীন মানুহৰ অকাৰণ ব্যস্ততা। যিটো কাম এজন মানুহে এঘণ্টাত কৰিব পাৰিছিল, সেইটো কামৰ বাবে কুৰিজন মানুহক এমাহৰ সময় দিয়া হৈছিল। ৰিজাণ্ট— কেওচ। আমি 'ওৱান জব ওৱান মেন' আৰু অনলী এডিকুৱেট টাইম' দিয়াৰ ব্যৱস্থা কৰিলো। ফলত একে সংখ্যক মানুহেই কম সময়তে হাজাৰগুণে বেচি কাম কৰিব পৰা হ'ল। কোম্পানীৰ খৰচ কমিল। কিন্তু প্ৰডাকচন বাঢ়িল হুঁ হুঁ কৈ। আমি কিছু মেনপাৱাৰ আৰু ৰি'চৰ্চ ডাইভাৰ্ট কৰিলো নগৰখনৰ উন্নতিৰ বাবে। সেয়েহে আজি দুলীয়াজান বিশ্বৰ শ্ৰেষ্ঠ তৈল-নগৰী। বাই দ্যা ওৱে। আপুনি নগৰখন ঘূৰি-পকি চালে নে?

— নেক্স্ট ইন দ্যা এজেন্দা। আপুনি কিবা ছাজেষ্ট কৰিব।' মই সুধিলো।

অলপ চিন্তা কৰি মি, দত্তই ক'লে— আপুনি অইল পাৰ্ক, দুলীয়াজান ইউনিৰ্ভাচিটিত ভুমুকি মাৰি যাব পাৰে।

ধন্যবাদ।

( ছয় )

দ'হ বাজি কুৰি মিনিটত মি, দত্তৰ ৰুমৰ পৰা ওলাই আহি মই গাড়ীত বহি সৰু কম্পিউটাৰ স্কীনত দত্তই কোৱা ঠাই দুখনৰ ভৌগলিক অৱস্থিতি চাই ল'লো। মই মুহূৰ্ত্তত য'ত আছো, তাৰ পৰা দুলীয়াজান বিশ্ববিদ্যালয় ওচৰতে, বিশ্ববিদ্যালয় অতিক্ৰম কৰি টানিং এটা ল'লে অইল পাৰ্ক। কম্পিউটাৰৰ জৰিয়তেই চলন্ত গাড়ীৰ পৰা মই বিশ্ববিদ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ চেষ্টা কৰিলো। স্ক্ৰীনৰ জৰিয়তে মেছেজ এটা পালো বিশ্ববিদ্যালয়ৰ গেটৰ সন্মুখতে মোৰ বাবে ৰিচাৰ্চ গাইড এজন অপেক্ষা কৰিব।

তাৰ ঠিক চাৰি মিনিট পিচত মই বিশ্ববিদ্যালয়ৰ সুবিশাল চৌহদৰ মেইন গেটৰ সন্মুখত গাড়ী ৰাখিলো। মোৰ বাবে গেটৰ ওচৰতে ৰিচাৰ্চ গাইড এজনে হাতত প্লেকাৰ্ড এখন লৈ অপেক্ষা কৰি আছিল। প্ৰাথমিক চিনাকিৰ পিচতে তেওঁ মোৰ গাড়ীত উঠিল। মই ক'লো মাত্ৰ চাৰি পাঁচ মিনিটৰ বাবে বিশ্ববিদ্যালয়ৰ ভিতৰত ইনট্ৰোডাক্টৰী ড্ৰাইভ এটা দিব বিচাৰিছো। মোৰ উদ্দেশ্যৰ কথাও তেখেতক জানিব দিলো।

গাড়ী মন্থৰ গতিত আগবাঢ়িল। আধুনিক ডিজাইনৰ সুদৃশ্য বিল্ডিংবোৰ। গাইডজনৰ পৰা জানিব পাৰিলো প্ৰায় পোন্ধৰ কিলোমিটাৰ এই চৌহদৰ পৰিধি, আধুনিক

আকৰ্ষণীয় বস্তু চাবলৈ আছে যে তাক এদিনত কিয় তন্ন তন্নকৈ চাবলৈ হ'লে এসপ্তাহৰো অধিক সময় লাগিব। কোনোবা এজনে মোক উপদেশ দিলে— আপুনি অন্ততঃ পাৰ্কত মডেল ওৱেলটো চাই যাব। ইটছ এ ইউনিক্ এক্সপেৰিয়েঞ্চ।

এক সুবিশাল এৰিয়াজুৰি অইল পাৰ্কখন। মোৰ হাতত দুলীয়াজান এৰিবলৈ বৰ বেচি সময় নাই। দৌৰা-দৌৰিকৈ কাউন্টাৰত খবৰ এটা লৈ মই মডেল ওৱেলৰ দিশত আগবাঢ়িলো। গাড়ীখন ৰাখি মই ওৱেলৰ ভিতৰত যাবলৈ টিকট ল'লো।

( আঁঠ )

ভূগৰ্ভৰ তলত এয়া প্ৰকৃততে এটা সঁছাসছি ওৱেল, সৰু সৰু মাত্ৰ দুজন যাত্ৰী যাব পৰা স্বচ্ছ এক বিশেষ ৰাসায়নিক আৱৰণেৰে নিৰ্মিত কিছুমান বন্ধ কম্পাৰ্টমেণ্ট আছে, বিদ্যুতৰ সহায়ত ধীৰে ধীৰে এই কম্পাৰ্টমেণ্টবোৰ তললৈ নামি যায় আৰু তাত উঠি প্ৰচণ্ড চাপ আৰু উষ্ণতাৰ মাজেৰে পৃথিৱীৰ ভিতৰলৈ সোমাই যাব লাগে।

মোৰ সৈতে জাৰ্মানীৰ টুৰিষ্ট এজন পৰিল। আমি দুয়োজনকে নাভাচাবীৰ নিচিনা অদ্ভুত পোচাক একোযোৰ পিন্ধিবলৈ দিয়া হ'ল। বন্ধ কম্পাৰ্টমেণ্টৰ ভিতৰত সোমো-ৱাৰ লগে লগে কম্পাৰ্টমেণ্টৰ ভিতৰত অদৃশ্য মাইক্ৰো-ফোনৰ জৰিয়তে গল্‌গলীয়া কণ্ঠস্বৰেৰে কোৱা হ'ল— স্বাগতম, আপোনালোকে এতিয়া আপোনালোকৰ পৰিচিত পৃথিৱীৰ উপৰিভাগ এৰি ধীৰে ধীৰে ৰহস্যময় ভূগৰ্ভলৈ গতি কৰিব। ভূগৰ্ভৰ ক'তনো লুকাই থাকে তেল, কিনো আছে এই পৃথিৱীৰ অভ্যন্তৰত এই সকলো ৰহস্য এতিয়া আপোনাৰ দুচকুৰ সন্মুখত উন্মোচিত হব। ষ্টাৰ্ট। টেন, নাইন, এইট, চেভেন ...... ওৱান, জিৰো। ... এয়া আমি এলুভিয়ামৰ মাজেৰে গৈ আছো। চৌপাশে বালি বালি আৰু বালি। ডেপথ মিটাৰ চাওঁক। পোন্ধৰ শ মিটাৰ অতিক্ৰম কৰিলো। বাহিৰলৈ চাওঁক। বোকাময় শিল। এয়া গিৰুজান। ... এয়া আমি ভূপৃষ্ঠৰ পৰা দুই হাজাৰ দুশ মিটাৰ অতিক্ৰম কৰিলো। বাহিৰলৈ চাওঁক-চোন, বোকাশিলৰ লগতে মিহলি হৈ আছে কয়লা, এয়া টিপাম। ভাগ্য ভাল থাকিলে ইয়াতে তেলৰো সন্ধান পাই যাব পাৰে। এয়া পুনৰ দেখা গৈছে বালি আৰু শিল, বেৰাইল, তিনি হাজাৰ মিটাৰৰো বেচি গভীৰত আমি প্ৰৱেশ কৰিলো নেকি, তেল ইয়াত পোৱাৰ কিন্তু যথেষ্ট সম্ভাৱনা আছে। এয়া চাওঁকচোন, কপিলি পালো নেকি, ভূপৃষ্ঠৰ পৰা চাৰে তিনি হাজাৰৰো বেচি গভীৰত আমি প্ৰৱেশ কৰিছো. চূনশিল, এয়া বেচমেণ্ট পালোহিয়ে ছাগে...।

( ন )

প্ৰায় বিশমিনিটৰ পিচত এক অবিস্মৰণীয় অভিজ্ঞ-তাৰে সমৃদ্ধ হৈ আমি ভূপৃষ্ঠৰ পৰা ধীৰে ধীৰে ওপৰলৈ উঠি আহিলো। ইমান সময়ে যেন এ'ক অচিনাকি. ৰহস্য-ময়, গ্ৰহান্তৰৰ অন্য এক অনাৱিষ্কৃত গুহাৰ মাজত আমি বিচৰণ কৰিছিলো।

হাতৰ ঘড়ীলৈ চালো।

মাই গড্! দিল্লী অভিমুখী ফ্লাইট এৰিবৰ বাবে মাত্ৰ কুৰি মিনিট সময় আছে। গাড়ীত উঠি তীব্ৰ বেগেৰে মই বিমান বন্দৰ অভিমুখে গাড়ী চলাই দিলো। ভাৰাত লোৱা গাড়ীখনৰ চাবিটো সেই তৰুণী গৰাকীৰ হাতত দি ভাৰাৰ বাবে কম্পিউটাৰৰ জৰিয়তে মোৰ বেঙ্কলৈ নিৰ্দ্দেশ দিলো। মই যেতিয়া দিল্লী অভিমুখী বিমানৰ ভিতৰত প্ৰৱেশ কৰিলো তেতিয়া এঘাৰ বাজি আঠাইশ মিনিট।

স্বচ্ছ খিড়িকেৰে বাহিৰলৈ ভুমুকিয়াই চালো— সেয়া নিৰ্মেঘ নীলা আকাশৰ তলত বিশ্বৰ ভিতৰত শ্ৰেষ্ঠ তেল-নগৰী হিচাবে ঘোষিত হোৱা দুলীয়াজান নগৰ, ওপৰৰ উজ্জ্বল ৰ'দেৰে প্লাৱিত হৈ আছে।

নাৰীকণ্ঠৰ সেই সুমধুৰ চিনাকি ঘোষণা ভাঁহি আহিল— ফেছেন ইউৰ চীট বেল্ট। দি ফ্লাইট ই'জ নাউ ৰেডী টু টেক অফ্।

গুড্ বাই, দুলীয়াজান, দিগ্ৰেটেষ্ট অইল চিটি ইন্ দ্যা ওৱৰ্ল্ড'।

বিদায়।

বিদায়, দুলীয়াজান।

( গল্প )

# নেপোলিয়ন

—অজিত বৰগোহাঞি

“হেল্লো ; প্ৰিন্সিপাল স্পিকিং। তুমি বেগতে কলেজলৈ আঁহা। এটা ঘটনা ঘটিছে”— কথাষাৰ কৈয়ে প্ৰিন্সিপাল জীৱকান্ত সন্দিকৈয়ে বাস্তভাৱে টেলিফোনৰ ৰিচিভাৰ-টো থৈ দিলে। এটা গুৰুত্বপূৰ্ণ কথা আলোচনাৰ বাবে প্ৰিন্সিপালে তেওঁৰ ভাতৃ প্ৰতীম সহযোগী ভাইচ-প্ৰিন্সিপাল ইন্দ্ৰজীৎ বৰুৱাক ঘৰৰ পৰা মাতি পঠাইছে। ভাইচ প্ৰিন্সি-পালৰ ঘৰ কলেজৰ সীমাতে লগা। যি কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত লবৰ সময়ত প্ৰিন্সিপালে ভাইচ-প্ৰিন্সিপালৰ সহায় বিচাৰেই। অকলে নলয়। লব নোৱাৰে। তেওঁলোকৰ সম্বোধনও ককাই-ভাইৰ দৰেই সদায় !

‘কি হ’ল, ব্ৰাদাৰ? বৰ চিন্তিত যেন দেখা পাইছো’— প্ৰিন্সিপালৰ কোঠালৈ ইতিমধ্যে সোমাই অহা অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপকজনে বিনম্ৰতাৰে প্ৰশ্ন কৰিলে। ‘এৰা, এটা চিন্তনীয় বিষয়। বহক। মই ভাইচ-প্ৰিন্সিপালকো মাতি পঠাইছো। সৌৱা তেওঁ আহি পালেহিয়েই’— প্ৰিন্সিপাল সন্দিকৈয়ে উত্তৰ দিলে। ইতিমধ্যে ভাইচ-প্ৰিন্সিপাল বৰুৱা কোবা-কোবিকৈ আহি প্ৰিন্সিপালৰ কোঠাত সোমালহি আৰু সুধিলে— ‘কি হ’ল হয়, ককাইদেউ ? হঠাতে মাতি পঠালে যে ?’ প্ৰিন্সিপালে সপ্ৰশ্নেৰে উত্তৰ দিলে— “হঠাতে মাতি পঠালো মানে ? এতিয়া কি কৰা ? এই মাত্ৰ থানাৰ পৰা অ’, চি, শইকীয়াই ফোন কৰিছে যে— যোৱাকালি কলেজৰ পৰা এমাহৰ বাবে বহিষ্কাৰ কৰা ছোৱালীজনীয়ে “চুইছাইড কৰিছে।” সচকিত হৈ ভাইচ-প্ৰিন্সিপালে ক’লে— ‘চুইছাইড কৰিছে ?’ লগে লগে সন্মুখত থকা টেলিফোনটোৰ ডায়েল ঘূৰাই ভাইচ-প্ৰিন্সিপালে ৰিচিভাৰটো লৈ সুধিলে— ‘হেল্লো শইকীয়া নেকি ? অ’ চাংমাই ! মই বৰুৱাই কৈছো দেই ! কলেজৰ পৰা কৈছো ! শইকীয়া নাই নেকি ? বাহিৰলৈ গৈছে নহয় ? আচ্ছা চাংমাই, এই চুইছাইড কেছটোৰ বিষয়ে কওঁকচোন ! আঁ। আঁ। পষ্ট-মৰটেমতো কৰিবই। আঁ। আঁ। মাকলৈ ? আঁ। আপুনি নাজানে নহয় ? আঁ। এতিয়াতো ডেৰ বাজিলেই। বাৰু, বাৰু। শইকীয়া আহিলে ডিটেইলছ জনাই ফোন কৰিবলৈ ক’ব। হ্যাঁ। আমাৰ পিয়ন এজন পঠাই দিম। লগতে ফোনেৰেও জনাব। হ্যাঁ। হ’ব। থেংক ইউ।”— ৰিচিভাৰটো থৈ ভাইচ-প্ৰিন্সিপালে ক’বলৈ ধৰিলে— “শইকীয়া এইমাত্ৰ বাহিৰলৈ ওলাই গৈছে। চেকেণ্ড অফিচাৰ চাংমাইয়ে ফোন ধৰিছিলে। ছোৱালীজনীৰ কোঠাত বোলে মাকলৈ লিখা এখন চিঠি পাইছে। সেইখনৰ ওপৰত ভিত্তি কৰিয়েই পুলিচে সিদ্ধান্ত ল’ব। শইকীয়া আহিলে ফোন কৰিব। তথাপি আমাৰ কোনোবা এজন যোৱাচোন। ফোনৰ লাইনেও কেতিয়াবা দিগদাৰী দিয়ে নহয়।” অফিচৰ পিয়ন এজন থানলৈ পঠালে। প্ৰিন্সিপাল— ভাইচ প্ৰিন্সিপালে আলোচনা কৰি এখন জাননীৰ যোগেদি এমাহৰ বাবে বহিষ্কৃত হ’লেও কলেজৰে এজনী ছাত্ৰীৰ এনে আকস্মিক মৃত্যুত শোক প্ৰকাশ কৰি— পিচ বেলাটোৰ বাবে ‘ক্লাচ-কেঞ্চেল’ ঘোষণা কৰিলে।

ইতিমধ্যে কেইবাজনো অধ্যাপক আৰু অধ্যাপিকা আহি প্ৰিন্সিপালৰ কোঠাত গোট খাইছিলহি। বুৰঞ্জী বিভাগৰ অধ্যাপিকা এগৰাকীয়ে জিজ্ঞাসু মনেৰে প্ৰশ্ন কৰিলে— “যোৱাকালি মই কলেজলৈ অহা নাছিলো নহয়। আজিহে শুনিছো কেছটো ! ছোৱালী-জনীৰ নামটো কি আছিল বাৰু ?” প্ৰিন্সিপালে উত্তৰ দিলে— ‘মন-ময়ুৰী দত্ত বৰুৱা।’ অফিচৰ বয়সস্থ কেৰেণীজনে লগতে যোগ দিলে— “নামটো চা[illegible] ছোৱালীজনীৰ ইমান ধুনীয়া ; মাক-দেউতাকে যে কিমান মৰমত ৰাখিছিল ‘মন-ময়ুৰী’। কিন্তু তাইৰ মনটোনো বাৰু কিয় ইমান কাউৰীৰ দৰে ক’লা হ’ল ?” অসমীয়া বিভাগৰ বয়সস্থ অধ্যাপক এজনে ছোৱালীজনীক বৰ ভালকৈ চিনি পোৱাৰ দৰে ক’লে— ‘নামটোতো ধুনীয়াই ; ছোৱালীজনী দেখিবলৈও বৰ ধুনীয়া ! ওঁহঃ। মই নামটো শুনিয়েই চিনি পাইছো ! অলপ কলি ! কলি হ’লেও মুকুতামণি দাঁত কেইটাৰে মুখখনত হাঁহি এটা অনবৰতে লাগি থাকেই !” অলপ বিৰক্তি অনুভৱ কৰা প্ৰিন্সিপালে জোৰ দি ক’লে— “দাঁত কেইটা মুকুতামণি হ’লে কি হ’ব ? নাহৰফুটুকীয়া চোলা-কাপোৰ কিছুমান পিন্ধি, ক্লাচৰ পৰা পলাই গৈ চিনেমা চোৱা, আড্ডা মৰা এইবোৰ ল’ৰা-ছোৱালীয়ে পঢ়াৰ সময়ত, কিতাপখন মেলিলৈ টেবুলত কিতাপৰ আখৰ দেখেনে নানা ৰঙৰ ৰামধেনু দেখে, একমাত্ৰ ভগবানেহে জানে !” প্ৰিন্সি-পালৰ কথাত ৰোমান্টিকতাৰ গোন্ধ পোৱা সকলে মুখ টিপি হাঁহিলে !

“কিৰিৰিং-কিৰিৰিং। কিৰিৰিং-কিৰিৰিং।”— টেলিফোনটো বাজি উঠিল। ৰিচিভাৰটো তুলি প্ৰিন্সিপাল সন্দিকৈয়ে ক’লে— “হেল্লো প্ৰিন্সিপাল হিয়েৰ। আঁ, শইকীয়া! হয়, হয়, হয়। আমাৰ ভাইচ-প্ৰিন্সিপালে ফোন কৰিছিল। হয়, হয়। মাকলৈ লিখা চিঠি নহয় ? আঁ। কলেজৰ কথা একো উল্লেখ নাই ? আঁ। কি ক’লে ? এনভয় ! এইটো আকৌ কি উপাধি ? খৃষ্টীয়ান নহয় ? আঁ। ছোৱালীজনীটো দত্তবৰুৱা আছিল। আঁ ল’ৰাজনৰ ঘৰ ক’ত বুলিলে ? নগাওঁ ? অ’। হয়, হয়। বাহিৰে বাহিৰে ? অ’। ঘৰলৈ নানে ? অ’। হয়, আমাৰ পিয়ন এজন আপোনাৰ তালৈ পঠাইছিলো। হয়, হয়। ব্যস্ত নহয় ? হব, হব। মই পিছত লগ কৰিম আপোনাক। হ’ব বাৰু। থৈছো দেই। অ’ ”— ৰিচিভাৰটো থৈ প্ৰিন্সিপালে ক’লে— “শইকীয়া বৰ ব্যস্ত। আকৌ বাহিৰলৈ গৈছে। ছোৱালীজনীয়ে মাকলৈ লিখা চিঠিখনৰ ভিত্তিত গৌৰৱ কুমাৰ এনভয় নামৰ নগাওঁৰ খৃষ্টীয়ান ল’ৰা এটাক পুলিছে গ্ৰেপ্তাৰ কৰিছে। তাৰ লগত থকা প্ৰেম জনিত কাৰণতেই ঘটনাটো হ’ল বুলি তেওঁলোক নিশ্চিত হৈছে। কলেজৰ কথা ইয়াত একো জড়িত নাই বুলি কৈছে। তেওঁও এনেতে থানালৈ যোৱা পিয়নজন আহি পালেহি। তেওঁও একেখিনি কথাকেই ক’লেহি।

দুখ আৰু ক্ৰোধ এই দুয়োটাকে একেলগে অনুভৱ কৰাৰ দৰে ভাইচ-প্ৰিন্সিপালে ক’লে— “এটা কথা মই বুজি নাপাওঁ : এই ল’ৰা-ছোৱালীবোৰ কিয় ইমান উদণ্ড হৈছে ; কিয়, ইমান উশৃঙ্খল হৈছে ? আজি এতিয়া এই ছোৱালীজনী মৰিলে। অহাগ্নে কলেজৰ পৰা বহিষ্কাৰ কৰা বাবে তাই মৰা নাই। প্ৰেমৰ কাহিনীত মৰিছে বুলি পুলিচেও এনকুৱাৰী কৰি প্ৰমাণ পাইছে। কিন্তু সেই ছোৱালীজনীকনো কিয় আমি বহিষ্কাৰ কৰিব লগা হ’ল ? Only for Administration কাৰণ— Discipline বা Administration য়েই হ’ল এখন শিক্ষানুষ্ঠানৰ ঘাই ভেঁটি। বহুত শিক্ষানুষ্ঠানত আজি কিন্তু এড্মিনিষ্টেচনটো ফেইলাৰ হৈ গৈছে ! কিন্তু ইয়াক আমি ৰক্ষা কৰিবই লাগিব ! আমাৰ কলেজৰ আৰু কেইটামান ল’ৰাৰ ওপৰত একশ্বন লব লগা আছে। ইহঁতক ঠাণ্ডা কৰিবই লাগিব ! নহ’লে এই জেনেৰেচনটো একদম শেষ ! মই আপোনা-লোকক ক’লো ! এটাই আকৌ কালি কি কৈছে জানেনে— সি হেনো কৰিব নোৱাৰা কাম বোলে পৃথিবীত একোৱেই নাই !”

ইংৰাজী বিভাগৰ অধ্যাপক ইন্দুভূষণ লহকৰে ভাইচ-প্ৰিন্সিপালৰ কথাখিনিৰ লগতে যোগ দি ক’লে— “তাৰ মানে সি কি নেপোলিয়ন বোনাপাৰ্ট ? কিয় হৈছে, কাৰ দোষত হৈছে নাজানো. এই জেনেৰেচনটো সঁচাকৈয়ে শেষ দেই ! অকল আমাৰ ইয়াতে নহয়, দেশৰ সকলো ঠাইতে আপোনালোকে দেখিব— এই উশৃঙ্খল যুৱক চামে নিজকে একো একোজন ‘নেপোলিয়ন’ বুলি ভাৱে আৰু বে-পৰুৱাই হৈ পৃথিবীখনকে জয় কৰিব পাৰিম বুলি ভাৱে।” সমাজ বিজ্ঞানৰ মুৰব্বী অধ্যাপকজনে নিজৰ গুৰু-গম্ভীৰ ব্যক্তিত্বৰে মন্তব্য কৰিলে— “এইটো এটা বয়সৰ দোষ বুলিহে মই ভাবিছো। কাৰণ ডেকা বয়সটোত মানুহে সাগৰখনকো সিঁচিবলৈ ইচ্ছা কৰে বুলি এষাৰ কথা, কোৱা শুনা যায়।” কম বয়সীয়া অসমীয়া বিভাগৰ অধ্যাপক এজনে মন্তব্য কৰিলে— “বয়সৰ দোহাইদি উদ্ভণ্ডামিক ৰেহাই দিব নোৱাৰি চাৰ ! উৎপতীয়া দুটামানক ধৰি আনি ভালকৈ কাণতলীয়া চৰ দুটামান দি দিলেই ইহঁত ঠিক হৈ যাব !”

এজন সুদক্ষ প্ৰশাসকৰ দৰে প্ৰিন্সিপালে প্ৰশ্ন

কৰিলে— 'আমাৰ কলেজৰ কোন ল'ৰানো সেইটো, যি কৰিব নোৱাৰা কাম এই পৃথিবীতেই নাই ?' ভাইচ-প্ৰিন্সিপালে উত্তৰ দিলে— 'সেই দীগন্ত কলিতা, বোলাটো ! ওচৰতে ৰৈ থকা পৰীক্ষা বিভাগৰ লগত জড়িত কেৰেণী জনে যোগ দিলে— সেইটোৱে চাৰ কেইদিনমানৰ আগতে অফিচতও তমতমাইছিলেহি ! তাক লাগে পৰীক্ষাৰ ফৰ্ম কোনোবা ভাগিনীয়েক এজনীৰ কাৰণে। আমি কৈছো 'দেট' অভাৱ হৈ গ'ল। সি নামানে !" প্ৰিন্সিপালে সুধিলে— 'তাৰ পাছত ? ফৰ্ম দিলানে নাই ?' কেৰেণীজনে উত্তৰ দিলে— "নিদিলো। কেনেকে দিব ? আমাৰ যিমান কেণ্ডিডেট, তাৰ হিচাপ মতে বেঙ্কত ড্ৰাফট কটা হৈ গ'ল। হিচাপ মতে ষ্টেটমেণ্ট লিখা হৈ গ'ল। আকৌ তাৰ ভাগিনীয়েকৰ ফৰ্মখন আমি কেনেকৈ লওঁ ? আমি ললেও কাউন্সিলে নলয় নহয়।" প্ৰিন্সিপালে সুধিলে— 'সি কিবা কৈছিলে নেকি, তোমালোকক ?' কেৰেণীজনে ক'লে— "কিবা কিবি ভোৰ-ভোৰাই গুছি গ'ল। বাৰাণ্ডাত ৰৈ থকা আমাৰ পিয়ন এজনে শুনা মতে সি হেনো এই বুলি ভোৰ-ভোৰাই গৈছে বোলে— 'With reference to the above' বুলি লিখোতে লিখোতে জীনদাগী যাব, তেনেকুৱা কেৰেণীৰ বৰ বৰ কথা !" কোঠাটো হাঁহিত গিৰগিৰাই উঠিল !

ৰসায়ন বিভাগৰ ডেকা অধ্যাপক এজনে মন্তব্য কৰিলে— "এই বুৰ্ব্বক সোপাৰ কাণ্ডকাৰখানাবোৰ শুনিলে হাঁহিও উঠে, খঙও উঠে !" তামোল চোবাই চোবাই পদাৰ্থ বিজ্ঞানৰ মূৰব্বী অধ্যাপকজনে কলে— "এই গৰু সোপাই কি কৰে জানে ? কোনোবা এটাই যদি কয় বোলে— 'আজি ষ্ট্ৰাইক', 'ক্লাচ কৰিব নালাগে।' বচ। ষ্ট্ৰাইক আৰু ! কিন্তু, কিহৰ ষ্ট্ৰাইক বা সেই ষ্ট্ৰাইকটো কৰিলে লাভ কিমান হ'ব, লোকচান কিমান হ'ব, সেইবোৰ নাচায়।" ৰাজনীতি বিজ্ঞানৰ অধ্যাপক এজনে ৰসিকতা সানি ক'লে— "মানে, সেই যে সাধু এটা আছিল— গছৰ পৰা আপেল এটা পৰোতেই ভয় খাই 'মহাপ্ৰলয়' 'মহাপ্ৰলয়' বুলি দৌৰা শহাপহুটোৰ পাছে পাছে বাকী জন্তু-জানোৱাৰবোৰেও ক'ত কি হৈছে একো নজনাকৈয়ে যে অকল দৌৰিবলৈ লাগিছিল !" কোঠাটোত পুনৰ হাঁহিৰ ৰোল উঠিল !

এনেতে কোঠাটোলৈ ছাত্ৰনেতা দীগন্ত কলিতা সোমাই আহিল। সকলোকে অবাক কৰি সি ক'বলৈ ধৰিলে— "ছাৰ, মোক শাস্তি লাগে। মই ভুল কৰিছো। বহুত ভুল কৰিছো। এসপ্তাহমানৰ আগতে কলেজৰ খিৰিকিৰ গ্লাছবোৰ মইয়ে ভাঙিছিলো। কলেজ কেন্টিনৰ ল'ৰাটোক আমিয়ে পিটিছিলো। নতুন ল'ৰা ছুটামানক ৰেগিং কৰি কৰি চোলা-তোলা ফালি কলেজৰ পৰা খেদাই দিয়াৰো মূলতে মইয়েই ! মই বহুত ভুল কৰিছো ছাৰ। মোক আপুনি যি শাস্তি দিয়ে মই তাকেই লম।"

নাটকীয়ভাৱে কোঠাটোৰ পৰিবেশটো সলনি হৈ গ'ল। এক স্বস্তিৰ নিশ্বাস পেলাই, এজন অভিজ্ঞ ন্যায়াধীশৰ দৰে প্ৰিন্সিপাল সন্দিকৈয়ে মন্তব্য কৰিলে— "শুনা, দীগন্ত। 'Realisation is the highest punishment.' গতিকে তুমি যিহেতু অনুশোচনা কৰিছা, সেইটোৱেই হ'ল তোমাৰ ডাঙৰ শাস্তি। আমি তোমালোকৰ, মানে— গোটেই জেনেৰেচনটোৰ কথাকেই পাতি আছো। অলপ আগতে তোমালোকৰ লহকৰ চাৰে এটা বৰ সুন্দৰ উপমাৰে কৈছে যে আজি কালি আমাৰ মাজত এনে কিছুমান উশৃঙ্খল যুৱক-যুৱতী আছে, যি নিজকে একো একোজন নেপোলিয়ন বোনাপাৰ্ট বুলি ভাৱে আৰু পৃথিবীখনকে জয় কৰিব বিচাৰে। কিয় হৈছে বাৰু এইটো ? Why ? It is very hurtful. কিন্তু তোমাক মই আজি ভাল পাইছো। কাৰণ তুমি যদিও ভুল কৰিছিলা, এতিয়া তুমি সেই ভুল শুধৰাইছা।" প্ৰিন্সিপালে দীগন্তক বুজালে।

প্ৰিন্সিপালৰ বুজনি শেষ হোৱাৰ লগে লগে ভাইচ-প্ৰিন্সিপালে অলপ ৰস তুলি দীগন্তক ক'লে— "এটা কথা নহয় দীগন্ত, তুমিতো কৈছিলা যে— তোমালোকে নোৱাৰা কাম পৃথিবীত একোৱেই নাই ! যেনেকৈ নেপোলিয়ন বোনাপাৰ্টে কৈছিল যে 'অসম্ভৱ' শব্দটো কেৱল মুৰ্খৰ অভিধানতহে থাকে, তেওঁৰ অভিধানত নাই ! নহয় জানো ? এতিয়া কথা হ'ল— বহু যুদ্ধত জয় লাভ কৰি নিজকে ফ্ৰান্সৰ সম্ৰাট বুলি ঘোষণা কৰা মহাবীৰ নেপোলিয়নে যেতিয়া ওৱাৰ্টালুৰ যুদ্ধত ডিউক অৱ ৱেলিংটনৰ হাতত পৰাজয় বৰণ কৰিলে, তেতিয়া ডিউক অৱ ৱেলিংটনে নেপোলিয়নক কি কৰিলে জানা ?"— প্ৰশ্নবোধক চাৱনিৰে ভাইচ-প্ৰিন্সিপালে [illegible] উত্তৰ

দিলে— 'নাজানো চাৰ।' ভাইচ-প্ৰিন্সিপালে পুনৰ ক'বলৈ ধৰিলে— "পৰাজিত নেপোলিয়নক ডিউক অৱ ৱেলিংটনে আফ্ৰিকাৰ চেণ্ট হেলেনা দ্বীপলৈ নিৰ্ব্বাসন দণ্ড দিলে ! এতিয়া 'তুমি নেপোলিয়ন' পৰাজয় বৰণ কৰিছা আমাৰ হাতত। তোমাক এতিয়া আমি ক'লৈ নিৰ্ব্বাসন দিওঁ ? কি কৰো ?" দীগন্তই উত্তৰ দিলে— "মোক ক্ষমা কৰক চাৰ। মই আপোনালোকক কথা দিলো— আজিৰ পৰা এনে উদ্ভণ্ডালি মই কেতিয়াও নকৰো। কলেজৰ অনুশাসন সম্পূৰ্ণৰূপে মানি চলিম !"

প্ৰিন্সিপালে পুনৰ মাত লগালে— "দীগন্ত, you are pardoned ! তোমাক আমি ক্ষমা কৰি দিছো ! তুমি এতিয়া যোৱা ! I wish success in your life." 'Thank you Sir' বুলি দীগন্তই সমূহীয়াকৈ বিদায় লৈ প্ৰিন্সিপালৰ কোঠাৰ পৰা ওলাই আহিল।

প্ৰিন্সিপাল, ভাইচ-প্ৰিন্সিপালকে ধৰি উপস্থিত সকলোৱেই দীগন্তৰ ব্যৱহাৰত আনন্দিত হ'ল ! সকলোৱেই দীগন্তৰ ব্যৱহাৰ, সাহস, নৈতিক-পৰিৱৰ্ত্তন আদিৰ ভূয়সী প্ৰশংসা কৰিলে ! তেতিয়া আবেলি। সময় চাৰে চাৰি। পশ্চিম আকাশত দীনমণিয়ে বিদায় মাগিছে ! নৈশ চৌকীদাৰ নীলমণিয়ে আহি সেই সময়ত কোঠাটোৰ লাইটবোৰও জ্বলাই দিয়াত প্ৰিন্সিপালৰ গোটেই কোঠাটো কেৱল পোহৰ আৰু আনন্দেৰেই উপচি পৰিল !! ★

মুক্তকণ্ঠ–

"আজি আমাৰ অসমীয়া ভাষা ঢাকোন নোহোৱা চকুৰ দৰেই হৈছে। অসমীয়া ভাষাৰ বিৰুদ্ধে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰত্যাহ্বান হিন্দী ভাষাৰ সম্প্ৰসাধাৰণবাদৰ ভাবুকি। এই ষড়যন্ত্ৰৰ মোচন আমি প্ৰত্যেকজন অসমীয়াই কৰাটো বাঞ্ছনীয়, নহলে অদূৰ ভৱিষ্যতে অসমতে অসমীয়া ভাষাই শিক্ষাৰ মাধ্যম আকৌ হেৰুৱাব।"

— জয়ন্ত গগৈ, স্নাতক ( বিজ্ঞান ) ১ম বাৰ্ষিক

পুৰণি আলোচনী পাতৰ পৰা—

## সময়ৰ কবিতা

— কেশৱ কুমাৰ কাকতি

বৰ কাতৰ দিন সন্ত্ৰাসৰ ৰাতি
গছবো নলৰে পাত
ৰ'দেও স্পৰ্শ নকৰে মাটি
বন্ধ থাকে প্ৰেমৰ দুৱাৰ
চকুৰ আঁতৰত থাকে জোনাকৰ মধুৰতম সংলাপ
তোমাৰ কাষত থাকিও মই বহু নিলগত
তোমাৰ লগতে থাকিও মই কঁপাব নোৱাৰো ওঁঠ
মূৰৰ ওপৰৰ আকাশখনিও চাব নোৱাৰো
উতলা চকু
পোতাশাল যেন ভৰিৰ তলৰ মাটি
উহ কি যে দুঃসহ অনুভূতি
এতিয়া তৰাং নদীতো আহে বান
লুটি নিয়ে পথাৰৰ শান্তি কল্যাণ
মানুহৰ হৃদয় মৰিয়াহোলা
আচলতে এতিয়া সকলো ঘটনাই ঘটে বাটে-ঘাটে
ধৰ্ষণ অথবা হত্যা
সময় নাই অসময় নাই
নামি আহে মৃত্যুদূত
আহ কি তাডনাত বিভোৰ
নাঙঠ সময়।

( নৱম সংখ্যা, ১৯৮৯-৯০ )



## মৌন প্ৰতিধ্বনি

শ্ৰীমতী চিনুমণী কোঁচ
একাদশ শ্ৰেণী

সেইদিনা
আইৰ উন্মুক্ত বুকুত
কাণ পাতি শুনিলো
আইৰ উচুপনি······
বন্ধ কোঠাৰ
খিৰিকীৰ ফাঁকেৰে সৰকি
পুনৰ আইৰ বুকুতেই
প্ৰতিধ্বনি······ ★

## শ্মশান

— দিপান্ত কুমাৰ গগৈ
স্নাতক তৃতীয় বাৰ্ষিক

সমদলৰ বুকুত······
নাঙঠ পৃথিবী
মাতাল হয়······
বিয়পি পৰে
বুকুৰ পৰা
বুকুলৈ······ ●

# আত্ম সংলাপ

— *দিগন্ত শইকীয়া*
প্ৰাক্তন ছাত্ৰ

এই মানুহজনক মোৰ মাজে মাজে সন্দেহ হয়
যিজনৰ সৈতে মই যাপন কৰিছো
জীৱনৰ কুৰিটা বহাগ···
যিয়ে তাৰ গোপন গড়ৰেজত গোপনে ভৰাই থৈছে
মোৰ পুৱাৰ পাপ
মধ্যাহ্নৰ গান
আৰু অপৰাহ্নৰ বিষাদ ।
সেই মানুহজনক মোৰ মাজে মাজে সন্দেহ হয়
যিজনৰ কান্ধত মই নিসংকোচে গুজি দিছো
বৰ্ত্তমানৰ দায়-দায়িত্ব
ভৱিষ্যতৰ স্বৰ্ণাভ আশা ।

এক গভীৰ বিশ্বাসৰ তাড়নাত
মই উলঙ্গ হৈ তেওঁক দেখুৱাইছিলো
যৌৱনৰ সমস্ত লাজ···
যি জনে এদিন ডিষ্ট্ৰিক্ট লাইব্ৰেৰীৰ পৰা
লেডী চেটাৰ্লীক মোৰ কাষলৈ লৈ আনিছিল
আবেলি আবেলি নদীৰ কাষলৈ
মোক লগ ধৰিছিল
সেই মানুহজনক মাজে মাজে মোৰ সন্দেহ হয় ।
সেইজন মানুহ যিজনে মোক স্বপ্ন দেখুৱায়
উৎসৱৰ থলীত মই লগ লাগিলে
যি নিজকে পাহৰি পেলায় ।

যিজনৰ প্ৰিয় ফুল গোলাপ
প্ৰিয় ঋতু আন্ধাৰ
সেইজনৰ প্ৰতি চূড়ান্ত অনাস্থাত
মাজে মাজে মই আবেগিক হৈ পৰো
ভাঙি ছিঙি শেষ কৰি দিব বিচাৰো
জীৱনৰ সকলো সম্পৰ্ক ।
সেই মানুহজনক মই চিনি পাওঁ
যিজনে কবিতাৰ বহীত বেঁকাকৈ লিখি থয়
মোৰ নাম,
যিজনে কামিজৰ জেপত সযতনে জাপি থয়
মোৰ প্ৰিয় নাৰীৰ চিঠি
সেই মানুহজনক মাজে মাজে মোৰ সন্দেহ হয়
এই জন যেন মই নহয়,
যিজন মোৰ একান্ত আপোন
যেন অচিনাকি যোৱা নিশা দেখা এটি সহজ সপোন ।

★★

পুৰণি আলোচনীৰ পাতৰ পৰা—

## কাঁচি

— অমল পাঠক
স্নাতক ১ম বাৰ্ষিক ( ক'লা )

আঘোণ ঃ এতিয়া কাঁচিৰ বল।
সেয়েহে
আইৰ আৰু ঘৰৰ
এটাই মাথোন গোচৰ
এখন কাঁচিৰ প্ৰয়োজন।
দাপোণৰ আগত মুখামুখী হৈ দেখিলো
মই যৌৱনত ভৰপক।
অৰ্থাৎ
এখন কাঁচিৰ যোগ্য প্ৰতিদ্বন্দ্বী।
দিপাঞ্জলী, এখনি চিনাকী মুখ
কাষ চাপিলে!
স্বাক্ষৰ বিচাৰি তাইৰ।
অৱশেষত
তাইৰ অকুটিল আৰু অশ্ৰুৰ
চকুযুৰিৰ মুকুতাধাৰীয়ে
মোৰ দুভৰিত স্বাক্ষৰতা দিছিল।
আৰু কাঁচিখন আনি
আইৰ হাতত দিলো
এতিয়া
আইৰ মুখত অনাবিল হাঁহি। ★

( একাদশ সংখ্যা )



# দুলীয়াজান মহাবিদ্যালয় ৰূপালী জয়ন্তী

## উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ কলম ঃ

স্মৃতিগ্ৰন্থৰ সম্পাদকৰ তাগিদাতে হওক বা পৰম্পৰা ৰক্ষাৰ খাতিৰতে হওক, দুলীয়াজান মহাবিদ্যালয় ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদকৰ দু-আষাৰ লিখিবলৈ হাতত কাপ-মৈলাম তুলি লোৱাৰ প্ৰাক্‌মুহূৰ্ত্ততে এটি কবিতাৰ পংক্তিয়ে মোক বাৰে বাৰে আমনি কৰে। কবিতাৰ পংক্তিটো এনেধৰণৰ—

"আমি মাটিৰ পুতলা নাচিব লাগিছোঁ
কোনে নচায় নাজানো;
আমি কাৰোবাৰ বাঁহী বাজিব লাগিছোঁ
কোনে বজায় নাজানো।"

পাঠক মাত্ৰেই বুজিব পাৰিব যে উপৰোক্ত কবিতাফাকি স্বনামধন্য অসমীয়া ৰহস্যবাদী কবি ৺দুৰ্গেশ্বৰ শৰ্ম্মাদেৱৰ বাহিৰে আন কাৰো নহয়। হাইস্কুলীয়া অৱস্থাতে পঢ়া; যেনেদৰে পঢ়িছিলো, তেনেদৰে লিখিছোঁ। ভুল হৈছেনে ভ্ৰান্তি হৈছে মই নাজানো। সি যি কি নহওক, উল্লিখিত কবিতাফাকিৰ লগত মোৰ ব্যক্তিগত জীৱনৰ বহু ঘটনাৰ লগত এক কাকতালীয় সঙ্গতি আছে। এই কথাষাৰৰ খেও ইয়াত এই কাৰণেই ধৰিছোঁ যে দুলীয়াজান মহাবিদ্যালয় ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ পদটো পোৱাটোও মোৰ জীৱনৰ তেনে ধৰণৰ এক অজ্ঞেয় ঘটনা। তেনেই অপ্ৰত্যাশিতভাৱেই এই পদটো মোৰ দৰে অনুপযুক্তজনলৈ আহিছিল। ১৯৯২ চনৰ ৬ জুন তাৰিখটোতে এই দুৰ্ঘটনাটো ঘটিছিল। পোনতে নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰা হৈছিলো। কাৰণ মোৰ ওপৰত এজন নহয়, দুজন নহয় একুৰি এজন জ্যেষ্ঠ সহকৰ্মী আছিল। সেয়ে কথাটো মোৰ বাবে সুখকৰ নাছিল, আছিল অস্বস্তিকৰহে। আনহাতে, মই মোৰ নিজৰ যোগ্যতাৰ সীমাবদ্ধতা সম্পৰ্কে সম্পূৰ্ণ সজাগ আছিলো। সেইবাবে বলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰি চাপৰি মেঘ এৰোৱাৰ আপ্ৰাণ চেষ্টা কৰিছিলো। কাৰণ মই সম্পূৰ্ণ বিশ্বাস কৰিছিলো যে ভীমৰ গদা ঘূৰাবলৈ হ'লে তাৰ জোখাৰে বলৰ প্ৰয়োজন। সেয়ে আতঙ্কিত হৈ পৰিছিলো, কিজানিবা নাওখন সিপাৰৰ ঘাটত লগাবগৈ নোৱাৰিম! পিছে ঘটনাই এনেকৈ পাক ললে যে চাপৰিলে মেঘ নেৰাৰ অৱস্থা হ'লগৈ। অৱশেষত ডিঙিটো পাতি দিলো। ভাবিলো, পৃথিৱীত নিতৌ অলেখ পাঠা ছাগলী ওপজে, সকলোবোৰতো আৰু দেৱী পূজাত নালাগে। তাৰমানে সিদিনা অভাজন দুলীয়াজান মহাবিদ্যালয় ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক হ'লো। ইমানখিনি কথা অৱতাৰণা কৰাৰ মূলতে হ'ল এই পদটো পোৱাৰ ৰহস্যময়তা। সেইকাৰণেই মই কবি শৰ্ম্মাদেৱৰ এই কবিতাফাকিৰ ৰহস্যময়তাৰেই মোৰ মনৰ কথাখিনি লিপিবদ্ধ কৰি গৈছো।

পিছে ৰূপালী জয়ন্তী উদযাপন সমিতিৰ নাওঁখনত উঠি বঠাপাত হাতত লৈয়ে দেখিলো যে নাওঁখনে দেখোন টুলুংভুটুং কৰিছে! তেতিয়াহে মোৰ চকু মুকলি হ'ল। ভাবিলো— ভাললৈ ভাদত কলি গৰু নজগে। দায়িত্ব লৈয়ে নানা প্ৰকাৰৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'লো। সেয়ে সাহসকে লক্ষ্মী বুলি ধৰি লৈ বাটকুৰি বাবলৈ ধৰিলো। ভাৱ হ'ল— পানীত যেতিয়া নামিলো, কিমানলৈ তিতা যায় দেখা যাওক।

হয়, ১৯৬৯ চনতে দুলীয়াজান অঞ্চলৰ কেইগৰাকীমান শুভানুধ্যায়ী বিদ্যানুৰাগীৰ আপ্ৰাণ চেষ্টাত এই উচ্চ

শিক্ষাৰ কেন্দ্ৰটি জন্ম হয়। নিঃসন্দেহে অসমৰ শিক্ষা জগতত ই এক নৱতম সংযোজন। উত্তৰ পুৰুষে লুইতৰ পাৰ জিলিকাবলৈ কৰা প্ৰচেষ্টাৰ ইও এক অন্যতম পদক্ষেপ। অসমৰ অন্যান্য মহাবিদ্যালয়সমূহে (আঙুলি মূৰত লিখিব পৰা চৰকাৰী মহাবিদ্যালয় কেইখনৰ বাহিৰে) তাৰ কণমানো ব্যতিক্ৰম নোহোৱাকৈ এই মহাবিদ্যালয়খনিয়ে জন্ম লাভ কৰিছে। আচলতে এইখন মহাবিদ্যালয় বুলিয়েই নহয়, যিকোনো মানৱীয় অনুষ্ঠানৰ মূলতেই নিহিত থাকে এজন বা ততোধিক লোকৰ মনৰ কল্পনা। তাকে কোনোবাই বাস্তৱায়িত কৰিব পাৰে, কোনোবাই নোৱাৰে। যিকোনো অনুষ্ঠানেই কোনোবাই নহয়, কোনোবাই আৰম্ভ কৰিব লাগিব। ইয়াৰ লগতে জড়িত হৈ থাকিব লাগিব অঞ্চলটোৰ ৰাইজৰ প্ৰয়োজনীয়তা। এই কথা স্বীকাৰ কৰিলে নিশ্চয় কব লাগিব যে ঢুলীয়াজান মহাবিদ্যালয়ো এই অঞ্চলটোৰ ৰাইজৰ প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিততেই গঢ়ি উঠিছে। কলেজ এখনৰ কথা চিন্তা কৰোতে ঢুলীয়াজান কলেজৰ নিৰ্মাতাসকলৰ মনতো নিশ্চয় এই প্ৰয়োজনীয়তাই ক্ৰিয়া কৰিছিল। ইয়াত কোনো অস্বাভাৱিকতা নাই। এটা কথা উল্লেখ কৰিলে নিশ্চয় অপ্ৰাসঙ্গিক নহ'ব যে প্ৰত্যেক অনুষ্ঠানৰ জন্মলগ্নতে অনুষ্ঠানটোৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত লোকসকলৰ মনলৈ দুই ধৰণৰ চিন্তা আহে— প্ৰথমটোৱে কঢ়িয়াই আনে সৃষ্টিৰ উত্তাল তৰঙ্গ আৰু আনটোৱে কঢ়িয়াই আনে অহেতুক ভীতি গ্ৰস্ততা; কিজানিবা অনুষ্ঠানটো বা কামটো হৈ নুঠিব। ঢুলীয়াজান কলেজৰ জন্ম ক্ষণতো নিশ্চয় দুয়োবিধ চিন্তাই গা-কৰি উঠিছিল। পিছে শুভ চিন্তাৰ সন্মুখত অশুভত্বই গা কৰি উঠিব নোৱাৰাৰ বাবেই এই মহাবিদ্যালয়ে আজি গৌৰৱময় একুৰি পাঁচ বছৰ অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। এটা শিক্ষানুষ্ঠানৰ বাবে ই কম গৌৰৱৰ কথা নহয়।

আমাৰ সমাজত বৰ্ত্তমান এটা পৰম্পৰাই গা কৰি উঠিছে। সেয়া হ'ল, যি কোনো অনুষ্ঠানে নিৰ্দিষ্ট একোটা সময় অতিক্ৰম কৰিলে তাৰ সোঁৱৰণত জয়ন্তী মহোৎসৱ পতা হয়। এই মহোৎসৱবোৰ ৰূপ, সোণ, হীৰা প্লেটিনাম আদি অতি মূল্যবান ধাতুৰ নামেৰে নামকৰণ কৰি লোৱা হৈছে। এই পৰম্পৰাটো আদিতে পশ্চিমৰ আছিল যদিও আজি-কালি ইয়াৰ ঢৌৱে প্ৰাচ্যৰ দেশ সমূহকো চুই গৈছে। সেয়ে ই আমাৰ দেশতো খুটি পুতি বহিছে। ইয়াৰ পৰিপ্ৰেক্ষিততেই ঢুলীয়াজান মহাবিদ্যালয়ৰ একুৰি পাঁচ বছৰ পূৰ্ত্তিৰ উপলক্ষে ৰূপালী জয়ন্তী মহোৎসৱৰ আয়োজন কৰা হৈছে। ৰাইজক অৱগত কৰিব বিচৰা হৈছে যে এইখন মহাবিদ্যালয়ে বছৰৰ লেখেৰে স-গৌৰৱেৰে এক নিৰ্দিষ্ট পথ পৰিক্ৰমা অতিক্ৰম কৰি আন এক পথ-পৰিক্ৰমাৰ প্ৰস্তুতি চলাইছে। বহুতে হয়তো ভাবিব যে, ৰূপালী জয়ন্তী এক ভোজ-ভাতৰ উৎসৱ। কিন্তু ইয়াৰ নিহিত উদ্দেশ্য হৈছে বিগত বছৰবোৰৰ খতিয়ান ৰাইজৰ আগত ডাঙি কিমান পোৱা হ'ল, কিমান পোৱা নহ'ল আৰু কিমান পাব লাগিব তাৰ হিচাপ-নিকাচ কৰা। অৰ্থাৎ অতীতক বিস্মৃতিৰ অটল গহবৰলৈ ঠেলি নিদি, উপযুক্তভাৱে বিগত দিনবোৰৰ বিশ্লেষণ কৰি ভৱিষ্যতৰ কৰ্মপন্থা নিৰ্দ্ধাৰণ কৰা। কাৰণ অতীতৰ বুকুত খোজ থৈহে ভৱিষ্যতলৈ আগুৱাই যাব পাৰি। এনে মহোৎসৱবোৰৰ তাৎপৰ্য্য এইখিনিতে। সেয়ে আন অনুষ্ঠান সমূহৰ দৰে ঢুলীয়াজান মহাবিদ্যালয়ে ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰিবলৈ লৈ বহুতে ভবাৰ দৰে মহাভাৰত অশুদ্ধ কৰিবলৈ ওলোৱা নাই।

যি কি নহওক, ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ দায়িত্ব মূৰ পাতি লৈ দেখিলো যে আমাৰ সন্মুখত ভালেখিনি অৱশ্যকৰণীয় কাম আছে। কাৰণ শিক্ষকতাৰ বৃত্তিকে লৈ ১৯৮২ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে সোমোৱাৰ দিন অৱধি মহাবিদ্যালয়খনৰ সুখ-দুখৰ সমভাগী আমি নিজেও হৈ আহিছোঁ। মই প্ৰত্যক্ষ কৰি আহিছোঁ যে আৱয়ৱিক দিশত আমি কাম কৰা মহাবিদ্যালয়খনে সকলো সম্ভাৱনীয়তা থকা স্বত্বেও যথেষ্ট পুষ্টিহীনতাত ভুগি আহিছে। গতিকে এই ছেগতে তাৰ কিবা উপশম ঘটাব পাৰি নেকি তাৰ চিন্তাই আমাৰ মগজুত ক্ৰিয়া কৰিবলৈ ধৰিলে। কাৰণ সম্পূৰ্ণ মানুহ এজনৰ কথা কল্পনা কৰোতে যিদৰে এটা সুন্দৰ মনেৰে সৈতে এটা সুন্দৰ দেহাৱয়ৱৰ কথা ভাহি উঠে, তেনেদৰে কলেজ এখন বুলি কলেও এটা সুন্দৰ বিদ্যায়তনিক পৰিৱেশৰ লগতে এটা সুন্দৰ বিদ্যালয় ভৱনৰ কথাও মনত ভাহি উঠে। হাত এখন বা ভৰি এটা বাদ দি যেনেকৈ এটা পূৰ্ণাংগ মানৱ দেহৰ কথা ভাবিব নোৱাৰি, এটা শ্ৰেণী কোঠা বা প্ৰেক্ষাগৃহ নোহোৱাকৈও এখন পূৰ্ণাংগ কলেজৰ কথা ভাবিব নোৱাৰি। মানুহৰ দেহটোৰ কথা কওঁতে যিদৰে সকলো অংগৰ

সমাহাৰৰ এটা নিৰ্দ্দিষ্ট ৰূপৰ কথা আমাৰ মানস পটত ভাহি উঠে, তেনেদৰে পূৰ্ণাংগ কলেজ এখনৰ কথা ভাবোঁতেও সকলো সুবিধা থকা কলেজ এখনৰ কথা ভাহি উঠে। এই ক্ষেত্ৰত কাকো দোষাৰোপ নকৰাকৈও কব খুজিছোঁ যে পঁচিশ বছৰৰ মূৰতো আৱয়ৱিক দিশত আমাৰ মহাবিদ্যালয়খনৰ অৱস্থা পঁয়া লগা বিধৰ। এই পুৰাতন ৰোগটোৰ কিবা প্ৰাথমিক চিকিৎসা কৰিব পাৰি নেকি বুলি ভাবিয়েই অঞ্চলটোৰ ভালে কেইগৰাকী বিত্তবান লোকৰ ওচৰ চাপিছিলোঁ। কাৰণ আজিৰ পৰা প্ৰায় এবছৰ পাঁচ মাহৰ আগতে এই ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিখন পতাৰ উদ্দেশ্যও আছিল এইটোৱেই। পিছে এতিয়ালৈকে যি সকলৰ ওচৰ চপা হ'ল সেই সকলৰ ভিতৰত দুই এজনৰ বাদে বিশেষ সহঁাৰি পোৱা ন'গল। এইখিনিতে উল্লেখ কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ যে আমাৰে একালৰ প্ৰাক্তন ছাত্ৰ শ্ৰীপুতুল শইকীয়াই এটি শ্ৰেণীকোঠা দান দিয়াৰ কথা ঘোষণা কৰিছে। উদীয়মান এই ডেকা উদ্যোগীজনলৈ আমাৰ আশীৰ্বাদ যাচিছোঁ। লগতে আমাৰ প্ৰাক্তন ছাত্ৰ তথা কলেজৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীমান পুতুল বৰাই আমাৰ পতাকা বেদীটো নিৰ্মাণ কৰি দিছে। এওঁ আমাৰ শলাগৰ পাত্ৰ। কাৰণ মহাবিদ্যালয়ৰ ধ্বজা বহন কৰি ভেটিটো এওঁ হাতেৰে নিৰ্মিত। আমি অতি দুখেৰে লক্ষ্য কৰিছোঁ যে আমাৰ মহাবিদ্যালয়ত এতিয়াও এটা উপযুক্ত প্ৰেক্ষাগৃহ, প্ৰয়োজন সংখ্যক শ্ৰেণীকোঠা, উপযুক্ত আচবাব, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা, এখন কেন্টিন, ছাত্ৰাবাস, শিক্ষকৰ আবাসগৃহ নাই। কলা, বিজ্ঞান আৰু বাণিজ্য বিভাগেৰে পূৰ্ণাংগ এখন মহাবিদ্যালয়ত এইবোৰ অভাৱ স্বৰূপতেই থাকিব নালাগিছিল। তাতে মহাবিদ্যালয়খন অসমৰ চাহ, তেল, কাঠ, কয়লা আদি বৃহৎ উদ্যোগ সমূহৰ মধ্যস্থলতে অৱস্থিত। এতিয়ালৈকে যিমানখিনি হৈছে ৰাইজৰ দান-বৰঙণি, ওচৰৰ বৃহৎ উদ্যোগ অইল ইণ্ডিয়া লিমিটেড, অসম গেছ কোম্পানী আৰু বিশ্ব-বিদ্যালয় অনুদান আয়োগৰ সৌজন্যতে হৈছে। ইয়াৰ সিংহভাগ কৃতিত্বই দাবী কৰিব পাৰে অইল ইণ্ডিয়াই। আমি যি দেখিলো আৰু বুজিলো, এই উদ্যোগটোৰ তৎপৰতা আৰু বদান্যতা অবিহনে আমাৰ মহাবিদ্যালয়ৰ পঁয়া লগা ব্যাধিৰ উপশম নঘটিব। আমি প্ৰেক্ষাগৃহটো বিচাৰি ভাৰতীয় চাহ সন্থাৰ অসম শাখাৰ ওচৰ চাপিছিলো। আমাৰ এই প্ৰতি-বেদন লিখা পৰলৈকে কোনোধৰণৰ লিখিত বা মৌখিক প্ৰতিশ্ৰুতি তেওঁলোকৰ পৰা পোৱা নাই। সেইদৰে, কেন্টিন বিচাৰি অসম গেছ কোম্পানীৰ কাষ চপা হৈছিল, সেইমতে প্ৰতিশ্ৰুতিও পোৱা হৈছিল কিন্তু কোনো অজ্ঞাত কাৰণত মূৰকত গৈ সেয়া হৈ নুঠিলগৈ। পিছে সুখৰ কথা যে ছাত্ৰ-ছাত্ৰীসকলৰ এই দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিবলৈ মহাবিদ্যা-লয়ৰ প্ৰাক্তন ছাত্ৰ বন্ধুসকল সদল-বলে ওলাই আহিছে। এই মহানুভৱতাৰ বাবে তেওঁলোক নিশ্চয় শলাগৰ পাত্ৰ। এৰা, মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰসকলৰ কোনো স্মৃতি চিহ্নই যদি বৈ নাযায়, তেন্তে কিহৰ ৰূপালী জয়ন্তী ? সময়ে জানো এদিন তেওঁলোকৰ হিচাব-নিকাচ নলব ? এই অৰ্থতেই তেওঁলোকৰ পদক্ষেপ প্ৰশংসনীয় হৈছে।

আমাৰ অসমীয়াত এটা সুন্দৰ যোজনা আছে, যিটো মোৰ গাত তেনেই খাঁজে-খোপে খাই পৰে। যোজনাটো হ'ল— "হাতত নাই কণটো, বৰ সবাহলৈ মনটো।" সঁচা কথা যে হাতত ধন বিত নোহোৱা মানুহৰ মনটো প্ৰয়োজনতকৈ ডাঙৰ। পিছে হাতত অৰ্থকৰী নহ'লে কল্পনাক বাস্তৱত ৰূপ দিয়া যায় কি দৰে ? আমাৰ ক্ষেত্ৰতো সেয়ে হ'ল। তাৰোপৰি মোৰ নিজৰ সাংগঠনিক দুৰ্বলতাখিনি আছেই। সাতে-সোতৰই লগ-লাগি কল্পনাৰ কাৰেংঘৰ সজাতেই বহু কাম থাকি গ'ল। সময়ো যে হাতত তেনেই তাকৰ ! যিবোৰ কাম পঁচিশ বছৰত কৰিব পৰা নহ'ল, সেইবোৰ কাম মাত্ৰ এটা বছৰতে কৰা যায় কেনেকৈ ? সম্ভৱেই বা হ'ব কেনেকৈ। আলাউদ্দিনৰ বন্তিগছ হাতত নাথাকিলে অস্থায়ী সমিতি এখনে আকাশত চাংপতাৰ বাহিৰে আন একো কৰিব নোৱাৰে। কিন্তু এটা কাম কৰিব পাৰে— সেয়া হ'ল, কিছুমান দীৰ্ঘম্যাদী আঁচনিৰ আৰম্ভণি কৰা। প্ৰাকৃতিক নিয়ম সমূহৰ বাহিৰে বাকী কোনো মানৱীয় কামেই স্বয়ংক্ৰিয় ভাবে সমাধা নহয়। কোনোবাই নহয় কোনোবাই আৰম্ভ কৰিবই লাগিব। তাকে মাত্ৰ কৰিব পাৰি আৰু আমাৰ কাৰ্য্যকালত তাকেই কৰিব বিচৰা হৈছিল। ভাৰতীয় চাহ সন্থাক প্ৰেক্ষাগৃহ বিচৰা বা অসম গেছ কোম্পানীক কেন্টিন বিচৰা এনেধৰণ কামেই আছিল। পিছে কথাতে কয়— "দৰিদ্ৰ লংকালৈ যায়, সাগৰো শুকায়, মানিক লুকায়।" আমাৰ ক্ষেত্ৰতো সেয়াহে হ'ল। তাৰ বাবে

তাবোপৰি যিসকলৰ নাম সদায়েই স্মৰণীয় হৈ ৰব তেওঁলোক হ'ল সৰ্ব্বশ্ৰী অধ্যাপক গোপী তামুলী, প্ৰভাত চন্দ্ৰ ফুকন, নিত্যা দত্ত, ব্ৰজেন নিৰ্মলীয়া, শশীন্দ্ৰ নাথ শইকীয়া, সুৰেশ বৰা, ডঃ অমৃত কুমাৰ গগৈ, নিৰঞ্জন বৰুৱা, হিতেশ্বৰ বৰদলৈ, সন্তোষ দাস, দীপজ্যোতি শইকীয়া, তপন দত্ত, দয়ানন্দ নাথ, দীপ শইকীয়া, নৱজ্যোতি দত্ত আদি। সেইদৰে অধ্যাপিকা-সকল হ'ল ক্ৰমে শ্ৰীমতী বীনা বৰদলৈ, নিৰু ফুকন, বিভূতী মহন্ত, বনাদেবী ডেকা, মিতালী গগৈ, জ্যোতি সিং পাঠক, অলকানন্দা ডেকা আৰু মনচুম হাতী বৰুৱা। খুব কম সময় ভিতৰতে অতি আপোন ভাৱেৰে সহায়-সহযোগিতা আগবঢ়োৱা অধ্যাপক দীপজ্যোতি শইকীয়া, দীপ শইকীয়া, তপন দত্ত, দয়ানন্দ নাথ, নৱজ্যোতি দত্ত, জ্যোতি সিং পাঠক, অলকানন্দা ডেকা আৰু মনচুম হাতীবৰুৱাৰ কথা সদায় মনত থাকিব। সেইদৰে কৰ্মচাৰীসকলৰ পূৰ্ণ সহযোগিতাইও আমাক সকলো সময়তে সহায় কৰি আহিছে। এইসকলৰ ভিতৰত সৰ্ব্বশ্ৰী হেম চন্দ্ৰ ঢেকিয়াল ফুকন, দুলাল তামুলী, অজিত বৰগোহাঁই, জোনাৰাম গগৈ, দীপ শইকীয়া, অবিত গগৈ, তিলেশ্বৰ দত্ত, বিশ্বনাথ ডেকা, শান্তি বাগতি আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মোৰ প্ৰয়োজনীয় সকলো চিঠি-পত্ৰ লাগ বুলিলেই টাইপ কৰি দি সহায় আগবঢ়োৱা কাৰ্য্যালয় সহায়ক শ্ৰীজিতেন বুঢ়াগোহাঁই লৈ মোৰ অশেষ ধন্যবাদ থাকিল। তাৰোপৰি নিজ নিজ যোগ্যতা অনুসাৰে সহায় কৰা কৰ্মচাৰী সকল হ'ল লাইব্ৰেৰীয়ান শ্ৰীশিবলাল বৰগোহাঁই, শ্ৰীমতী মালা বুঢ়াগোহাঁই বাইদেউ, শ্ৰীকুমুদ শইকীয়া, চন্দ্ৰ গগৈ, ৰঞ্জিত বৰা, বিশ্বকৰ্মা, বাল্মিকী আদি।

আমাৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ ক্ষেত্ৰত সহায় কৰা আটাইতকৈ ডাঙৰ উপাদনাটোৱেই হ'ল মহাবিদ্যালয় কৰ্তৃপক্ষ। অধ্যক্ষ শ্ৰীযুত পূৰ্ণকান্ত হাজৰিকা ডাঙৰীয়াৰ সদিচ্ছা আৰু সহযোগিতা নোহোৱা হ'লে ৰূপালী জয়ন্তী মহোৎসৱটিয়েই নহ'লহেতেন নিশ্চয়। তেখেতৰ প্ৰাণোচ্ছল কৰ্মতৎপৰতাই আমাক কৰ্মক্ষেত্ৰত আগবঢ়াত যথেষ্ট উদগনি যোগালে। সেয়ে তেওঁ আমাৰ ধন্যবাদৰ পাত্ৰ। সেইদৰে উপাধ্যক্ষ শ্ৰীযুত বীৰেণ চুতীয়াদেৱৰ তাৎক্ষণিক সাংগঠনিক বুদ্ধিমতাইও আমাক কৰ্মক্ষেত্ৰত প্ৰভুত অৰিহণা যোগায়। মোৰ দৃঢ় বিশ্বাস, এইজনাৰ সাংগঠনিক যোগ্যতা সঠিক দিশত প্ৰয়োগ হলে ডুলীয়াজান অঞ্চলৰেই উন্নতি তৰান্বিত হব। সেইদৰে অধ্যাপক নবীনচন্দ্ৰ গোহাঁইদেৱে ধন গুলাইৰ দায়িত্ব দক্ষতাৰে চম্ভালি মোক পৰম উপকাৰ সাধিলে। এখেত মোৰ শ্ৰদ্ধাৰ পাত্ৰ।

সদৌ শেষত, ডুলীয়াজান মহাবিদ্যালয় ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সমূহ কৰ্ম্মকৰ্তালৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষকৈ সভাপতি শ্ৰীযুত নকুল চন্দ্ৰ বৰুৱাদেৱৰ বিশিষ্ট ভূমিকা মোৰ মানস পটত চিৰস্মৰণীয় হৈ ৰব। তাৰোপৰি যি সকলে নেপথ্যত থাকিও সকলোৰকমৰ সহায় আগবঢ়ালে তেখেত সকললৈ মোৰ যুঁৰ সদায়েই দোঁ খাই ৰব।

সামৰণিত কব বিচাৰিছোঁ যে উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ দায়িত্ব বহন কৰোতে বহুজনৰ ওচৰত জ্ঞাতে বা অজ্ঞাতে দোষ কৰিছোঁ, সেইখিনি মোৰ মানৱীয় সীমাবদ্ধতাৰ দোষ বুলি ধৰি লৈ সংশ্লিষ্ট সকলোৱে মাৰ্জনা কৰিব। সি যি কি নহওক, ডুলীয়াজান মহাবিদ্যালয়ৰ লগত জড়িত সকলো ব্যক্তি তথা অনুষ্ঠানলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাই মোৰ কব লগীয়াখিনি ইমানতে সামৰিছোঁ। একুৰি পাঁচ বছৰৰ সীমনাত থিয় হৈ আশা ৰাখিছোঁ, যেন যৌৱনোচ্ছল এই মহাবিদ্যালয়খনিৰ গুণ-গৰিমা অসমতে সীমাবদ্ধ নহৈ, বিশ্বদৰবাৰত প্ৰতিষ্ঠিত হয়। কিমাধিকমিতি— জয়তু ডুলীয়াজান মহাবিদ্যালয়।

বিনীত—

***শ্ৰীসুৰেন্দ্ৰ নাথ গগৈ***

সাধাৰণ সম্পাদক,

ডুলীয়াজান মহাবিদ্যালয়

ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি।

# Executive Committee of Duliajan College Silver Jubilee Celebration Committee

**Patron :**

| | |
|---|---|
| Mrs. Amiya Gogoi, | Minister of State. |
| Dr. Mukunda Madhab Sarmah, | Vice-Chancellor ( D. U. ) |
| Dr. Bikash Borah, | Chairman and Managing Director, ( Oil ) |
| Md. Alinuruj Jaman, | Regional Chairman, ABITA |

**Adviser :**

| | |
|---|---|
| Sjt. Sasakamal Handique, | M. L. A. (Naharkatia) |
| Sjt. Ajoy Kr. Bhalla, | D. C. ( Dibrugarh ) |
| Sjt. Nipendra Nath Gogoi, | Director (Operations) OIL |
| Sjt. Bhadra Kt. Gogoi, | Ex - M.L.A. |
| Sjt. Khirod Saikia, | —do— |
| Sjt. Jogesh Boruah, | S. D. C., Tengakhat |
| Sjt. Surendra Nath Phukan, | Asstt. Public Relations Manager OIL |

